


# কটনিয়ান

বাৰ্ষিক মুখপত্ৰ

কটন কলেজ, গুৱাহাটী

৮০তম সংখ্যা, ২০০৫-০৬ বৰ্ষ

সম্পাদিকা ঃ সৃষ্টি শ্ৰেয়ম

**কটনিয়ান ঃ কটন কলেজৰ বাৰ্ষিক মুখপত্ৰ**

কটন কলেজ একতা সভা, কটন কলেজ, গুৱাহাটী-১ৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত

**COTTONIAN** : The Annual Journal of Cotton College, Published by Cotton College Union Society, Cotton College, Guwahati - 1

# 'কটনিয়ান' (আশীতম সংখ্যা)ৰ নেপথ্যত

**সম্পাদনা উপদেষ্টা ঃ** অধ্যাপক তৰুণ সৰকাৰ, ভাৰপ্ৰাপ্ত অধ্যক্ষ
অধ্যাপক উদয়াদিত্য ভৰালী, প্ৰাক্তন অধ্যক্ষ

**তত্ত্বাৱধায়ক ঃ** ড° মহেশ্বৰ কলিতা

**শিক্ষক সদস্য ঃ** ড° দিলীপ কুমাৰ শৰ্মা
অভিজিৎ বৰঠাকুৰ
মেৰী বৰুৱা
দিলীপ গগৈ

**সম্পাদিকা ঃ** সৃষ্টি শ্ৰেয়ম

**ছাত্ৰ সদস্য ঃ** গকুল কুমাৰ দাস
নন্দিতা ডেকা
শ্যামলজিৎ কছাৰী
প্ৰাৰ্থনা শইকীয়া
শিখাৱলী হাজৰিকা

**বেটুপাতৰ শিল্পী ঃ** দেৱৰাজ দত্ত

**স্কেচ্‌ ঃ** নৱজিৎ শইকীয়া
দেৱৰাজ দত্ত
সৃষ্টি শ্ৰেয়ম

**অক্ষৰ বিন্যাস ঃ** খগেন কলিতা

**সামগ্ৰিক পৰিকল্পনা ঃ** সম্পাদিকা

**অংগসজ্জা ঃ শংকৰ,** idea CREATION

**মুদ্ৰণ ঃ** সাৰথি প্ৰিন্টাৰ্চ, ছাত্ৰীবাৰী, গুৱাহাটী-৮



সত্য সন্ধানী প্ৰতিটো প্ৰাৰ্থনা

আৰু

সততাৰ কৰ্ষণ কৰা প্ৰতিজন সংগ্ৰামীৰ হাতত...

# শ্ৰদ্ধাঞ্জলি

নাট্যকাৰ মহেন্দ্ৰ বৰঠাকুৰ (৯ ডিচেম্বৰ, ২০০৫)

প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ সিংহ (২৪ ডিচেম্বৰ, ২০০৫)

কটন মহাবিদ্যালয়ৰ পুথি ভঁৰাল সহায়ক ইন্দ্ৰ ভট্টাচাৰ্য (২৬ জানুৱাৰী, ২০০৬)

প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰা (১৮ মাৰ্চ, ২০০৬)

প্ৰাক্তন গৃহমন্ত্ৰী ভৃগু কুমাৰ ফুকন (২০ মাৰ্চ, ২০০৬)

শিশু সাহিত্যিক ডাঃ নগেন দত্ত (২০ মাৰ্চ, ২০০৬)

কবি, গীতিকাৰ কেশৱ মহন্ত (৩১ মাৰ্চ, ২০০৬)

সংগীতকাৰ-গীতিকাৰ নৌশাদ (৪ মে, ২০০৬)

গীতিকাৰ দ্বিজেন্দ্ৰ মোহন শৰ্মা (৫ মে, ২০০৬)

ৰাজনীতিক প্ৰমোদ মহাজন (২ মে, ২০০৬)

শিক্ষাবিদ বিনয় কুমাৰ তামুলী (১৪ জুন, ২০০৬)

ৰাজনীতিক শ্ৰীমান প্ৰফুল্ল গোস্বামী, (১৭ জুন, ২০০৬)

সাংবাদিক সতীশ কাকতি (১৯ জুন, ২০০৬)

অভিনেতা শৈল বৰুৱা (৬ জুলাই, ২০০৬)

কবি হৰি বৰকাকতী (২২ জুলাই, ২০০৬)

ছবি পৰিচালক পদুম বৰুৱা (২৫ জুলাই, ২০০৬)

সাহিত্যিক চন্দ্ৰ প্ৰসাদ শইকীয়া (৮ আগষ্ট, ২০০৬)

ছবি পৰিচালক হৃষিকেশ মুখাৰ্জী (২৬ আগষ্ট, ২০০৬)

চানাইবাদক বিছমিল্লাহ খান (২১ আগষ্ট, ২০০৬)

গীতিকাৰ অসীম হাজৰিকা (২০ নবেম্বৰ, ২০০৬)

গায়িকা অনিমা ভট্টাচাৰ্য (২৫ নবেম্বৰ, ২০০৬)

শিক্ষাবিদ ড° ভগবান লহকৰ (১ ডিচেম্বৰ, ২০০৬)

আৰু এই সময়ছোৱাত আমাৰ মাজৰ পৰা হেৰাই যোৱা

জ্ঞাত-অজ্ঞাত সকলোজনলৈ।

**তৰুণ সৰকাৰ**
ভাৰপ্ৰাপ্ত অধ্যক্ষ

দূৰভাষ - (০৩৬১) ২৫৪০৭১৫

অসম চৰকাৰ
অধ্যক্ষৰ কাৰ্যালয় ঃ কটন কলেজ
গুৱাহাটী-১



## অধ্যক্ষৰ এযাৰ

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'কটনিয়ান'ৰ ২০০৫-০৬ চনৰ সংখ্যাটো প্ৰকাশৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি জানিবলৈ পাই মই বৰ আনন্দিত হৈছোঁ। অসম তথা উত্তৰ-পূব ভাৰতৰ প্ৰথম আৰু সৰ্বাগ্ৰগণ্য (first & foremost) উচ্চ শিক্ষাৰ অনুষ্ঠান কটন কলেজে দেশৰ এই অঞ্চলৰ সৰ্বাঙ্গীন প্ৰগতিৰ ক্ষেত্ৰত ঐতিহাসিক ভূমিকা পালন কৰিছে। এই দিশত 'কটনিয়ান'ৰ অবদানো অপৰিসীম কাৰণ অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা আৰু অনুশীলনৰ ক্ষেত্ৰত 'কটনিয়ানে' অতীব গুৰুত্বপূৰ্ণ ঐতিহাসিক ভূমিকা পালন কৰি আহিছে। অসমীয়া ভাষাৰ মাধ্যমেৰে ভাৰতীয় সংস্কৃতিত বৰঙণি যোগোৱা তথা সাহিত্য-সংস্কৃতিৰ জগতত জাতীয় আৰু আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰা প্ৰতিভাধৰ ব্যক্তিসকলৰ বহুতৰেই সৃষ্টিশীলতাৰ প্ৰাৰম্ভিক প্ৰকাশ ঘটিছিল 'কটনিয়ান'ৰ পাততেই। ইয়াৰ দ্বাৰা আলোচনীখন এক মহান ঐতিহ্যৰ অধিকাৰী হৈ পৰিছে। মই আশা কৰিছোঁ 'কটনিয়ান'ৰ বৰ্তমান সংখ্যাটিও সেই ঐতিহ্যৰ বাহক হৈ পৰিব।

# RAINBOW

*"Hearts with one purpose alone*
*Through summer and winter seem.*
*Enchanted to a stone*
*To trouble the living stream"*



Marching forward....





"We are on the same boat brother..."






UNITED WE STAND
(campaigning for a new union)




"Now against the motion..."
'coz diamond cuts diamond!



ইতিহাস য'ত ৰূপকথাৰ সাধু হয়, সিমানখিনি দূৰত্বলৈ উজাই গ'লে আমি দেখিম এটা এটাকৈ প্ৰতিটো যুগত আমাৰে অৱস্থান। প্ৰতিবাৰ এক ব্যাখ্যাহীন সাদৃশ্যই ভিন্ন পৰিৱেশৰ ভিন্ন চৰিত্ৰবোৰক আমাৰ সতে একেডাল ঐক্যসূত্ৰৰে গাঁঠি ৰাখে । প্ৰতি বাৰেই আমাৰ প্ৰয়োজনবোৰে কিম্বা প্ৰেম-ঘৃণা, ঈৰ্ষা সহমৰ্মিতাৰ ভাবনাবোৰে একে হাৰত বঢ়া-টুটা কৰি আহিছে। সেইবাবে, যুগে যুগে প্ৰয়োজনৰ ধাৰণা সলনি হ'লেও ইইঁতৰ বাবে মানুহৰ সংগ্ৰাম কিম্বা সংঘৰ্ষৰ ধাৰণা সলনি হোৱা নাই। তাৰ স্বাক্ষৰ স্বৰূপেই মানুহৰ আশা-আকাংক্ষাৰ সাদৃশ্যমূলক ব্যঞ্জনাৰে খোদিত হৈ আহি আছে ইতিহাসৰ নতুন নতুন সংযোজন।

আমাৰ পৃথিৱীখন মুখামুখী হৈ অহা প্ৰতিটো সমস্যাৰ তৎকালীন সমাধান নিশ্চয় সৰু কথা নহয়; কিন্তু সকলোৰে মাজৰ উনৈহতীয়া বৈশিষ্ট্যবোৰৰ সন্ধানে ইয়াক হয়তো বহুখিনি সহজ কৰি তুলিব। প্ৰকৃতিৰ অপ্ৰাকৃতিক (!) সমস্যাবোৰ কাষৰীয়াকৈ ৰাখিলে পৃথিৱীৰ বাকী সকলো সমস্যাৰ লগত কেইটামান তেনেই সাধাৰণ শব্দ লেপেটি খাই থাকে। মানৱীয় উদাৰতা, সত্য আৰু সততাৰ দৰে এনে শব্দবোৰৰ সংকটৰ লগে লগে সমস্যাৰ হাঁহি আৰম্ভ হয়। আমি বিশ্বাস কৰোঁ — এটি ক্ষুদ্ৰ অণুৱে একোটি বৃহৎ পদাৰ্থৰ সমস্ত বৈশিষ্ট্যৰাজি বহন কৰাৰ দৰে আমাৰ প্ৰতিটো জটিল, আধুনিক সমস্যাৰ ইঙ্গিত বৃহৎ মহাভাৰতীয় ইতিহাস তথা ইছপ, জাতক অথবা বুঢ়ী আইৰ সহজ-সৰল অৱলোকনতে বিদ্যমান। তাতেই ক'ৰবাত লুকাই আছে প্ৰতিটো বৰ্তমানৰ অমীমাংসিত প্ৰশ্নবোৰ আৰু অসমাধিত জটিলতাবোৰৰ চাবিকাঠি। এটি চিকাৰকলৈ দুটা বলী জন্তুৰ যুঁজত তৃতীয় পক্ষৰ শিয়ালটোৰ ভোজ হোৱা কাহিনীয়ে আজিও তাৰ প্ৰাসঙ্গিকতা হেৰুওৱা নাই। সেইদৰে একলব্য, অভিমন্যু অথবা কৰ্ণ আজিও একোটি সাধুৰ চৰিত্ৰ হ'ব পাৰে, বাস্তৱৰ তিনিটা তেজাল ডেকা হ'ব পাৰে অথবা হ'ব পাৰে জন সমষ্টিৰূপী একোখন দেশ। আৰু একেদৰেই কোনোবা দুৰ্যোধন, কোনোবা মিৰ কাছিম নাইবা কোনোবা শেইক্সপীয়েৰীয়ান ইয়াগো অৱতীৰ্ণ হ'ব পাৰে ভিন্ন যুগৰ ভিন্ন ভূমিকাত। কৃষ্ণৰ পৰা কৌটিল্য, কৌটিল্যৰ পৰা গান্ধীৰ মাজত এক যোগসূত্ৰ স্থাপন কৰিব পাৰিলে in fact, তেওঁলোকৰ মাজৰ আৰু তেনে হাজাৰ-বিজাৰ চৰিত্ৰৰ মাজৰ যোগসূত্ৰবোৰ আৱিষ্কাৰ কৰিব পাৰিলে আমি আমাৰ বৰ্তমানক ভাঁজ দিয়াত নিশ্চয় কিছুমান উপযোগী নিৰ্দেশনা পাম।

জীৱন আৰম্ভ হোৱাৰ লগে লগে সংগ্ৰামৰ আৰম্ভন। অন্ধপ্ৰদেশৰ, বহিৰ্জগতৰ অসংখ্য সংগ্ৰাম। Frost ৰ দুটা পথৰ সংকট প্ৰতিটো খোজত বিদ্যমান। পথ নিৰ্বাচনৰ জৰিয়তে সহস্ৰ প্ৰশ্নৰ ভাগ্যৰৰি সেয়ে আমাৰ হাতত। পুৰণি মিথ (Myth) সমূহৰ পৰা আজিৰ 3D ছবিবোৰৰ কাহিনীয়ে দুটা পথৰ, দুটা পক্ষৰ দ্বন্দ্বক প্ৰতিনিধিত্ব কৰি অহাটো নিশ্চয় তাৎপৰ্য পূৰ্ণ। সৎ-অসতৰ এই চিৰন্তন দ্বন্দ্বই আজি অধিক সংগীন ৰূপ ধাৰণ কৰিছে। কিয়নো দুয়ো পক্ষৰ মাজৰ সীমাৰেখাডাল আজি হেৰাওঁ হেৰাওঁ। এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ পক্ষপাতিত্ব কিম্বা দুৰ্নীতিৰ বহুপূৰ্বে আজি কালি এখন শিক্ষানুষ্ঠানত ছাত্ৰৰ আসনৰ দৰ-দামৰ মাজেৰে আৰম্ভ হৈ যায় কোটিজনে খাবলৈ নোপোৱা, যোগ্যজনে পদবী নোপোৱা ৰাষ্ট্ৰখনৰ সুলভ দুৰ্নীতি। এতিয়া প্ৰশ্ন— অতি সহজ ৰূপত সদায়েই আশে পাশে দেখি অহা এই প্ৰক্ৰিয়াবোৰত আমাৰ ভূমিকা ক'ত হোৱা উচিত? তাৰ আৰম্ভণি? এজন সহপাঠীৰ পেঞ্চিলডাল আমাৰ চকুৰ সমুখত অন্যজনে চুৰ কৰাৰ সময়ত? চকুৰ সমুখত সমনীয়া ছাত্ৰই পৰীক্ষাহলৰ ডেস্কত চুটি চুটি প্ৰশ্নোত্তৰ লিখাৰ সময়ত? আমি যোগ্য বুলি জনাজনৰ সমুখেৰেই ৰহস্যজনকভাৱে কম নম্বৰ, কম যোগ্যতাৰ ফাইল এটাৰে কোনোবাজনে চাকৰি লোৱাৰ সময়ত নে সকলোবোৰৰ ছিটিকনি প্ৰত্যক্ষভাৱে আমাৰেই দেহত পৰাৰ সময়ত? ক'ত? দুৰ্নীতি কৰিব পৰা সামৰ্থ (অৰ্থনৈতিক) যাৰ নাই কেৱল সেইজনেহে উলিয়াব নেকি কোনো প্ৰতিবাদী মিছিল?

আদি পাঠ




এটা আহ্বান

সপোনতো সংগীন সময়
বিষাক্ত বিবৰ্ণতাত বিদীৰ্ণ
বিচনাৰ বিপুল বাংময়তা
কাউৰী পৰা উকা ডালত
হুটকটাই হুটফটাই হুটফটাই
হেৰাই গ'ল
চিলাখনিৰ কুমাৰী কাল
হাতে হাতে নিদ্ৰাৰ পাত্ৰ লৈ ঘূৰি ফুৰা হে ভিক্ষুহঁত
গীৰ্জাৰ ক্ৰছ আজি শূণ্য
বোধিদ্ৰুমৰ উৰ্দ্ধমুখী শিপা
তৰাবোৰো ওলমি আছে চিপ লৈ লৈ
কি বা এক বোবা বেদনাত

সপোনো সংগীন সময়
মক্কা মদিনা ব্ৰজধাম নহয়
সাগৰত সেতু বান্ধোগৈ ব'লা
তোমাৰ পথত আহি পূৰাই কিজানি গায়েই
য়দা য়দাহি ধৰ্মস্য —।

কাৰোবাৰ সহায় পাওঁ বা নাপাওঁ, কাৰোবাৰ নিৰ্দেশনা লাভ কৰোঁ বা নকৰোঁ — নিজে সঁচা বুলি ভবা, ভাল বুলি অনুভৱ কৰা আৰু সঠিক বুলি বুজিব পৰাৰ ক্ষমতা আমাৰ প্ৰত্যেকৰ মাজত আছে। আমাৰ কৰ্তব্য, পৃথিৱীখনৰ স্বাৰ্থত, সেই ক্ষমতাক সজোঁৰে প্ৰতিপন্ন কৰাত। এখন সৎ হৃদয়ৰ বিপক্ষে সহস্ৰ অসৎ ভাৱনাই পিয়া পি দি ফুৰে। সেয়া এক প্ৰত্যাহ্বান। প্ৰতিখন হৃদয়ৰ বাবে। তাৰ ওচৰত আত্মসমৰ্পন কৰাজন, নিৰৱতাৰ মাজেৰে নিৰপেক্ষতা সাবতি লোৱাজন পৃথিৱীৰ বাবে বোজাস্বৰূপ। আমি আশা কৰোঁ — প্ৰতিজন কটনিয়ান সততাৰ হকে ঠিয় দিয়ক। প্ৰতিজনে নিজৰ মাজত সতাৰ সেই অৱতাৰ সন্ধান কৰক যি যুগে যুগে অনাচাৰ ধ্বংস কৰাত সক্ষম হৈ আহিছে, আৰু তাৰ বাবে,

"যদি তোৰ ডাক শুনে কে ও না আ সে
তবে একলা চলো ৰে - "



১৩/১২/০৬

# সূচী

## আদিপাঠ

## প্ৰবন্ধ


- অসমীয়া চলচ্চিত্ৰৰ তিনিকুৰি এক বছৰ - অনুৰাগ প্ৰীতম ১
- বিশ্বায়নৰ ছত্ৰছায়াত ভাৰতীয় অৰ্থনীতি - সুৰেশ কুমাৰ নাথ ১২
- ভাৰতীয় ৰাজনীতিত নাৰী - পবিত্ৰ চহৰীয়া ১৬
- আলো, মঞিঃ কি কহিবো দুখ... - ড° বন্দনা শৰ্মা চৌধুৰী ১৮
- অসমীয়া লোক-সংস্কৃতি ঃ এক চমু আলোকপাত - যাদৱ ২১
- ছকিছ মাৰ্চ - ড° দিলীপ শৰ্মা ২৫
- অসমীয়া উপন্যাস সাহিত্যত মামনি ৰয়ছম গোস্বামীৰ স্থান - পুতলা বৰা ২৭
- 'হিন্দুস্তানৰ ভাটো' আমীৰ খশ্ৰু - নুৰুল ইছলাম শইকীয়া ৩০
- ভক্তি আন্দোলন আৰু শঙ্কৰদেৱ - স্বপ্নালী শইকীয়া ৩৪
- পাৰ্চী ভাষাৰ উৎপত্তি, বিকাশ আৰু কেইজনমান মহান কবি-সাহিত্যিক - ওৱাহেদুৰ জামান ৩৬
- মানৱ অধিকাৰ আৰু ইয়াৰ সুৰক্ষা - জ্যোস্মি শইকীয়া ৩৮
- শান্তিৰ সুগন্ধি পখিলা বিচাৰি - শান্তনু বৌমুৰীয়া ৪০
- ধূমপান এক সামাজিক ব্যাধি - উৎপল সাধনিদাৰ ৪২
- মৃত্যুওতো এটা শিল্প... আত্মহত্যা ? - উৎপল ঠাকুৰীয়া ৪৪
- অম্বিকাগিৰীৰ মহাকাশ দৰ্শন - অভিজিৎ বৰঠাকুৰ ৪৬
- মহেন্দ্ৰ বৰাৰ কবিতা - ড° মহেশ্বৰ কলিতা ৫০
- কালি-দমন আৰু কালিয় দমন নাট - ড° সুধেন্দু মোহন ভদ্ৰ ৫৫
- ছাংগু হ্ৰদঃ সাধুকথাত আইতাই কোৱা ডাৱৰৰ সিপাৰৰ ধুনীয়া দেশ - পৰীক্ষিত ভৰদ্বাজ ৫৯
- দুহেজাৰৰ পিছত কটনিয়ানৰ গল্প - দেবব্ৰত দাস ৬২
- প্ৰাচীৰ পত্ৰিকাত কটনিয়ানৰ বৌদ্ধিক চিন্তা-চৰ্চা - মনিষ্যাং শ্ৰেয়ম ৬৫
- প্ৰাচীৰৰ ৰেঙনি - অংকিতা বৰা / নয়ন বৰকটকী ৬৭






## কবিতা


- মানুহবোৰ শিল আছিল.... প্ৰৱালজ্যোতি ফুকন ৭৩
- বিয়োগ অংকৰ মালিতা - ৰশ্মিৰেখা চেতিয়া ৭৩
- আন্ধাৰবোৰ প্ৰেমৰ বাবে - স্বৰাজ ফুকন ৭৪
- আৱিষ্কাৰ - বিদ্যুৎ বৰুণ শৰ্মা ৭৪
- অনুভৱ - সংগীতা শৰ্মা ৭৫
- চোলা - কাকলি গগৈ ৭৫
- পৰিক্ৰমা - জয়শ্ৰী চহৰীয়া ৭৬
- প্ৰেমৰ এটি বিজ্ঞাপন - নয়নমণি বৰদলৈ ৭৬
- সেই দিনবোৰ - জুৰি কাকতি ৭৭
- এটা শব্দৰ সন্ধানত - কাংকান কাকলি পেগু ৭৭
- দিনপঞ্জীবোৰ সিঁহতৰ - অংকিতা বৰা ৭৮
- লুইতপৰীয়াৰ সপোন - ভাগৱ জ্যোতি কছাৰী ৭৮
- প্ৰতীক্ষা - প্ৰণৱজ্যোতি ভূঞা ৭৯
- অনুৰণন - নম্ৰতা বৰদলৈ ৭৯
- অনুভৱৰ কলাজ - কমল বৰুৱা ৮০
- তুমি দি থৈ যোৱা বিষাদ - ৰাকেশ হাজৰিকা ৮০
- এজন অশোকৰ প্ৰাৰ্থনাৰে - আৰতি ভড়ালী ৮১
- শব্দৰ হাঁহাকাৰ - পূৰবী শৰ্মা ৮১
- বিষয় ঃ শীত (এক) - চন্দামিতা গোস্বামী ৮২
- বিষয় ঃ শীত (দুই) - মনীষা দাস ৮২
- বিষয় ঃ শীত (তিনি) - লভিতা দত্ত ৮৩
- ঠিকনা - সংগীতা দেৱী ৮৩
- বজা ! আমাক পানী লাগে ! - ড° তৰুণ চন্দ্ৰ শৰ্মা ৮৪
- অসুখী পদ্য - হুছেইন মঃ ছাহজাহান ৮৫
- অপেক্ষা - সৃষ্টি শ্ৰেয়ম ৮৫
- শেষ বিবৃতি - ৰক্তিম ঠাকুৰীয়া ৮৬
- ইস্থিলাথাব (বড়ো কবিতা) - বিৰূপাক্ষ গিৰি বসুমতাৰী ৮৭
- বৃষ্টি, সবুজ দ্বীপ আর আমি (বাংলা কবিতা) - প্ৰসূন বৰ্মন ৮৮
- আলি আয়ে লগাঙৰ গীত - হেমন্ত কুমাৰ টায়েং ৮৯
- Valuable time (আৰবী কবিতা) - ফৰিদুদ্দিন আহমেদ ৯০






## গল্প


- জান্তৱ - প্ৰাৰ্থনা শইকীয়া ৯৩
- এজাক বৰষুণৰ পিছত - চয়নিকা ঠাকুৰীয়া ৯৯
- বিয়লিৰ বলুকাত - মিতালি গোস্বামী ১০১
- শুভেচ্ছা বাণী - সীমান্ত দাস ১০৪
- মৃত্যুৰ বাবে এখন চিঠি - কিশোৰ কুমাৰ কলিতা ১০৮
- পিতৃ দেৱতা - জাহ্নু ভৰদ্বাজ ১১০
- ৰিটায়াৰ্ড বৰুৱা - নাৰায়ণ তালুকদাৰ ১১১
- কফন - অনুশ্ৰী অধিকাৰী ১১৪






## সাক্ষাৎকাৰ


- নিৰুপমা বৰগোহাঞিৰ সৈতে সাক্ষাৎকাৰ ১১৯
- অৰুণ শৰ্মাৰ সৈতে সাক্ষাৎকাৰ ১২৩
- হোমেন বৰগোহাঞিৰ সৈতে সাক্ষাৎকাৰ ১২৬


## প্ৰতিবেদন


- লেখকৰ সৈতে মুখামুখি অনুষ্ঠান - অতিথি য়েছে দৰজে ঠংচি ১৩০


## বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন


১৩৫-১৪৪

# কৃতজ্ঞতা


প্ৰাক্তন অধ্যক্ষ উদয়াদিত্য ভৰালী চাৰ,
ড° মহেশ্বৰ কলিতা চাৰ,
অসমীয়া বিভাগৰ সমূহ শিক্ষাগুৰু
জে.বি. কলেজৰ চালিম আলি চাৰ, স্বামিম বাইদেউ,
নন্দেশ্বৰ শইকীয়া, বন্তি শইকীয়া,
হোমেন বৰগোহাঞি, নিৰুপমা বৰগোহাঞি,
দেৱব্ৰত দাস আৰু গিৰি শংকৰ গোস্বামী।




- অসমীয়া চলচ্চিত্ৰৰ তিনিকুৰি এক বছৰ - অনুৰাগ প্ৰীতম ১
- বিশ্বায়নৰ ছত্ৰছায়াত ভাৰতীয় অৰ্থনীতি - সুৰেশ কুমাৰ নাথ ১২
- ভাৰতীয় ৰাজনীতিত নাৰী - পবিত্ৰ চহৰীয়া ১৬
- আলো, মঞি কি কহিবো দুখ... - ড° যমুনা শৰ্মা চৌধুৰী ১৮
- অসমীয়া লোক-সংস্কৃতি ঃ এক চমু আলোকপাত - যাদৱ ২১
- ছাব্বিছ মাৰ্চ - ড° দিলীপ শৰ্মা ২৫
- অসমীয়া উপন্যাস সাহিত্যত মামনি ৰয়ছম গোস্বামীৰ স্থান - পুতলা বৰা ২৭
- 'হিন্দুস্তানৰ ভাটৌ' আমীৰ খশ্ৰু - নুৰুল ইছলাম শইকীয়া ৩০
- ভক্তি আন্দোলন আৰু শঙ্কৰদেৱ - স্বপ্নালী শইকীয়া ৩৪
- পাৰ্চী ভাষাৰ উৎপত্তি, বিকাশ আৰু কেইজনমান মহান কবি-সাহিত্যিক - ওৱাহেদুৰ জামান ৩৬
- মানৱ অধিকাৰ আৰু ইয়াৰ সুৰক্ষা - জ্যোষ্মি শইকীয়া ৩৮
- শান্তিৰ সুগন্ধি পখিলা বিচাৰি - শান্তনু বৌমূৰীয়া ৪০
- ধূমপান এক সামাজিক ব্যাধি - উৎপল সাধনিদাৰ ৪২
- নৃত্যওতো এটা শিল্প... আত্মহত্যা ? - উৎপল ঠাকুৰীয়া ৪৪
- অম্বিকাগিৰীৰ মহাকাশ দৰ্শন - অভিজিৎ বৰঠাকুৰ ৪৬
- মহেন্দ্ৰ বৰাৰ কবিতা - ড° মহেশ্বৰ কলিতা ৫০
- কালি-দমন আৰু কালিয় দমন নাট - ড° সুধেন্দু মোহন ভদ্ৰ ৫৫
- ছাংগু হ্ৰদ ঃ সাধুকথাত আইতাই কোৱা ডাৱৰৰ সিপাৰৰ ধুনীয়া দেশ - পৰীক্ষিত ভৰদ্বাজ ৫৯
- দুহেজাৰৰ পিছত কটনিয়ানৰ গল্প - দেবব্ৰত দাস ৬২
- প্ৰাচীৰ পত্ৰিকাত কটনিয়ানৰ বৌদ্ধিক চিন্তা-চৰ্চা - মনিষ্যাং শ্ৰেয়ম ৬৫
- প্ৰাচীৰৰ ৰেঙনি - অংকিতা বৰা / নয়ন বৰকটকী ৬৭




# প্ৰবন্ধ



মণিৰাম দেৱান

# অসমীয়া চলচ্চিত্ৰৰ তিনিকুৰি এক বছৰ

অনুৰাগ প্ৰীতম*

(এক)

*লুইতৰে পানী যাবি অ' বৈ......*

১৯৩৫ চনৰ পৰা, 'জয়মতী' চলচ্চিত্ৰৰে শুভ আৰম্ভ হোৱা অসমীয়া চলচ্চিত্ৰৰ লুইতখন বৈয়েই আছে। জ্যোতিপ্ৰসাদে কল্পনা কৰাৰ দৰে জয়মতীৰ কাহিনীৰ লগতে চিত্ৰ নিৰ্মাণৰ কলা-কৌশল সমূহো অসমৰ চলচ্চিত্ৰ প্ৰেমীৰ হৃদয়ত লুইতখন বৈ থকাৰ দৰে বৈ আছে। জ্যোতিপ্ৰসাদৰ চলচ্চিত্ৰ পৰিচালনা প্ৰসঙ্গত বিশিষ্ট চলচ্চিত্ৰ সমালোচক অপূৰ্ব শৰ্মাই লিখিছে, "চলচ্চিত্ৰৰ কলা-কৌশল আৰু চলচ্চিত্ৰ নিৰ্মাণৰ ব্যৱহাৰিক দিশ সম্পৰ্কেই কেৱল জ্যোতি প্ৰসাদ সচেতন নাছিল, 'জয়মতী'ত সেয়ে দেখা যায় চলচ্চিত্ৰৰ মাধ্যমৰ সৃষ্টিশীল আৰু বাস্তৱানুগ প্ৰয়োগ। অসমীয়া জাতীয় জীৱনৰ ঐতিহাসিক চৰিত্ৰ জয়মতীকুঁৱৰীৰ চলচ্চিত্ৰায়নত আন কোনো তৰলমতি অপৈণত শিল্পীয়ে হয়তো এক বীৰাংগনাৰ আৱেগ সৰ্বস্ব উচ্ছ্বাসপূৰ্ণ কাহিনী ৰূপায়িত কৰিলেহেঁতেন। কিন্তু অসমীয়া জীৱন আৰু সংস্কৃতিৰ প্ৰকৃত যোদ্ধা, গভীৰ অন্তৰ্দৃষ্টি আৰু শিল্পবোধ সম্পন্ন স্ৰষ্টা জ্যোতিপ্ৰসাদে জয়মতীৰ কাহিনী আৰু চৰিত্ৰৰ মাজেৰে অসমীয়া জীৱন আৰু সংস্কৃতিৰ প্ৰকৃত ঐতিহ্য প্ৰতিষ্ঠা কৰিলে। তৎকালীন বঙালী আৰু হিন্দী ছবিৰ কৃত্ৰিম অভিনয় আৰু বচন-ভংগী পৰিহাৰ কৰি তেওঁ 'জয়মতী'ত স্বাভাৱিক অভিনয় আৰু অসমীয়া কথা কোৱাৰ বিশিষ্টভংগী আৰু ঠাঁচ ব্যৱহাৰ কৰিছিল।"[১] সেইকাৰণেই জ্যোতিপ্ৰসাদৰ 'জয়মতী' ভাৰতৰ চলচ্চিত্ৰৰ ইতিহাসত সদায়ে প্ৰাসংগিক হৈ ৰ'ব। কিন্তু জয়মতী বোলছবিক সেই সময়ৰ এচাম সমালোচকে বিৰূপ সমালোচনা কৰিছিল। ফলত জ্যোতিপ্ৰসাদ হতাশা আৰু বিৰক্তিত ভুগিছিল। আৰ্থিকভাৱেও 'জয়মতী' বোলছবিত লোকচান হৈছিল আৰু ইয়াৰ প্ৰত্যাহ্বান স্বৰূপেই তেখেতে 'ইন্দ্ৰমালতী' বোলছবি অতি কম খৰছতে, মাত্ৰ বাৰ হাজাৰ টকাত নিৰ্মাণ কৰি কিছু লাভৰ মুখ দেখিছিল। ইয়াৰ বিপৰীতে 'জয়মতী' বোলছবিত খৰছ হৈছিল পঞ্চাশ হাজাৰ (৫০ হাজাৰ) টকা আৰু লোকচান হৈছিল আঠাইশ হাজাৰ টকা। 'ইন্দ্ৰমালতী' বোলছবি নিৰ্মাণ কৰাৰ পাছত জ্যোতিপ্ৰসাদে বোলছবি নিৰ্মাণ কৰা নাছিল।

## (দুই)

## জ্যোতিপ্ৰসাদৰ যুগ

*অগ্নি যুগৰ ফিৰিঙতি মই*
*ময়েই নতুন অসম গঢ়িম.....*

'জয়মতী', 'ইন্দ্ৰ মালতী', বোলছবিয়ে সেই সময়ৰ অসমক নতুন পথৰ সন্ধান দিলে। সেই সময়ত জ্যোতিপ্ৰসাদৰ সান্নিধ্য লাভ কৰিছিল বিষ্ণুৰাভা, ফণী শৰ্মা আৰু ভূপেন হাজৰিকাই। পৰবৰ্তী কালত তিনিও জনাই বোলছবি নিৰ্দেশনাত হাত দি সফল হৈছিল। চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ যাওঁতে জ্যোতিপ্ৰসাদে কাৰিকৰী দিশতো প্ৰবল অসুবিধাৰ সন্মুখীন হৈছিল। সম্পাদনাৰ কক্ষত বহি তেওঁ দেখিলে এটা সংলাপো বাণীবদ্ধ নহ'ল। তাতো কিন্তু জ্যোতিপ্ৰসাদ হতাশ নহ'ল। সকলোবোৰ সংলাপ নিজেই ডাব কৰিলে। জ্যোতিপ্ৰসাদৰ এই অভিজ্ঞতাই হয়তো পাছৰ চাম চিত্ৰ নিৰ্মাতাক বাধা-বিঘিনিক অতিক্ৰম কৰিবলৈ উৎসাহ আৰু প্ৰেৰণা দিলে। ১৯৪০ চনত ডিব্ৰুগড়ৰ ৰোহিণী শৰ্মাই 'মনোমতী' ১৯৪১ চনত শিৱসাগৰৰ পাৰ্বতি প্ৰসাদ বৰুৱাই 'ৰূপহী' বোলছবি নিৰ্মাণ কৰিছিল।[২] (বোলছবি দুখনৰ চেন্সৰ বৰ্ষ ক্ৰমে ১৯৪১ আৰু ১৯৪৬ দেখুওৱা হৈছে)[৩]। পাৰ্বতি প্ৰসাদে 'ৰূপহী'বোলছবি নিৰ্মাণৰ ক্ষেত্ৰতো জ্যোতিপ্ৰসাদৰ দৰেই কাৰিকৰী সমস্যাৰ সন্মুখীন হ'ল। তেখেতে কাহিনীৰ ক্ষেত্ৰত অসমত যিখিনি দৃশ্য গ্ৰহণ কৰিছিল, কলিকতাৰ ষ্টুডিঅ'লৈ গৈ দেখে যে এটাও দৃশ্যৰ ছবি নুঠিল। জ্যোতিপ্ৰসাদৰ দৰেই পাৰ্বতি প্ৰসাদো হতাশ নহ'ল। তেখেতে কাহিনীটোকে নতুনকৈ লিখিলে। সকলো দৃশ্যগ্ৰহণ পুনৰ কলিকতাতে কৰিলে। নিজে অভিনয়ো কৰিলে। পাৰ্বতি প্ৰসাদৰ অভিনয় প্ৰসঙ্গত অতুল চন্দ্ৰ হাজৰিকাই লিখিছে 'তেওঁ নিজে ৰূপায়িত কৰা সুদৰ্শন মহন্তজনৰ চৰিত্ৰটোৱেই বোলছবিত জাকত জিলিকা হৈছিল বুলি নিঃসন্দেহে ক'ব পাৰি।'[৪]

জ্যোতিপ্ৰসাদ জীয়াই থকা কালছোৱাত অসমত নিৰ্মাণ হোৱা আন কেইখনমান বোলছবি আছিল, বদন বৰফুকন (১৯৪৬), চিৰাজ (১৯৪৮), পাৰঘাট (১৯৪৮), বিপ্লৱী (১৯৪৮) আৰু সতী বেউলা (১৯৪৮)। তালিকা নং 'ক'ত জ্যোতিপ্ৰসাদৰ জীৱন কালৰ চলচ্চিত্ৰ সমূহৰ নাম, পৰিচালক আৰু সংগীত পৰিচালকৰ নাম দেখুওৱা হৈছে।

চলচ্চিত্ৰ সমালোচক অপূৰ্ব শৰ্মাই

**তালিকা নং (ক) ঃ ১৯৩৫ - ১৯৪৮**
(জ্যোতিপ্ৰসাদৰ জীৱিত কালৰ চলচ্চিত্ৰ)

| | ছবিৰ নাম | বছৰ | পৰিচালক | সংগীত পৰিচালক |
|---|---|---|---|---|
| (১) | জয়মতী | ১৯৩৫ | জ্যোতিপ্ৰসাদ আগৰৱালা | জ্যোতিপ্ৰসাদ আগৰৱালা |
| (২) | ইন্দ্ৰমালতী | ১৯৩৯ | জ্যোতিপ্ৰসাদ আগৰৱালা | জ্যোতিপ্ৰসাদ আগৰৱালা |
| (৩) | মনোমতী | ১৯৪১ | ৰোহিনী কুমাৰ বৰুৱা | কমল নাৰায়ণ চৌধুৰী, ৰঞ্জিত ৰায় |
| (৪) | ৰূপহী | ১৯৪৬ | পাৰ্বতি প্ৰসাদ বৰুৱা | পাৰ্বতি প্ৰসাদ বৰুৱা |
| (৫) | বদন বৰফুকন | ১৯৪৬ | কমল নাৰায়ণ চৌধুৰী | গৌৰী গোস্বামী |
| (৬) | ছিৰাজ | ১৯৪৮ | ফণী শৰ্মা, বিষ্ণু ৰাভা | বিষ্ণুপ্ৰসাদ ৰাভা |
| (৭) | পাৰঘাট | ১৯৪৮ | প্ৰবীণ ফুকন | গন্ধৰ্ব |
| (৮) | বিপ্লৱী | ১৯৪৮ | অসিত সেন | শিৱ ভট্টাচাৰ্য |
| (৯) | ৰূনুমী | ১৯৪৮ | সুৰেশ গোস্বামী | দৰ্পনাথ শৰ্মা |
| (১০) | সতী বেউলা | ১৯৪৮ | সুনীল গাংগুলী | ভূপেন হাজৰিকা |

জ্যোতিপ্ৰসাদৰ জীৱিত কালৰ চলচ্চিত্ৰসমূহৰ বিষয়ে নিৰ্মোহ ব্যাখ্যা আগবঢ়াইছে তেখেতৰ 'অসমীয়া চলচ্চিত্ৰৰ ছাঁ-পোহৰ' নামৰ গ্ৰন্থখনত।[৫] তেখেতে মন্তব্য দিছে - 'সামাজিক - বাস্তৱতাৰ দিশৰ পৰা এই সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ চলচ্চিত্ৰ আছিল ফণী শৰ্মা আৰু বিষ্ণুৰাভাৰ যুটিয়া পৰিচালনাত নিৰ্মিত 'চিৰাজ'।[৬] ইয়াৰ কাৰণ ব্যাখ্যা কৰি অপূৰ্ব শৰ্মাই লিখিছে, "জ্যোতিপ্ৰসাদৰ সঙ্গ আৰু শিক্ষা আৰু 'জয়মতীৰ' অভিজ্ঞতাই বিষ্ণুৰাভা আৰু ফণী শৰ্মাক সমৃদ্ধ কৰিছিল; চিৰাজৰ পৰিচালনা আৰু অভিনয়ত তাৰ ছাপ দেখা যায়।"[৭] চিৰাজ চলচ্চিত্ৰখনি জনপ্ৰিয় হোৱাৰ আন দুটি প্ৰণিধানযোগ্য কাৰণ আছিল ছবিখনৰ গীতসমূহ আৰু সামাজিক তাৎপৰ্যপূৰ্ণ কাহিনী নিৰ্বাচন।

## (তিনি)

*জোনাকৰে ৰাতি অসমীৰে মাটি*
*জিলিকি জিলিকি পৰে....*

অসমীয়া বোলছবিৰ পিতৃ, জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১৯৫১ চনত মৃত্যু হৈছিল। তেখেতৰ মৃত্যুৰ লগত হয়তো অসমীয়া বোলছবি নিৰ্মাণৰ কোনো সম্পৰ্ক নাই। তথাপিও ১৯৫০ চনৰ পৰা ১৯৫৪ চনত অসমত কোনো বোলছবি চেন্সৰ হোৱা নাছিল। অসমীয়া বোলছবিয়ে নিজৰ পথত খোজ দিছিল ১৯৫৫ চনৰ পৰা। ১৯৫৫ চনৰ পৰা ১৯৬০ চনলৈ সোতৰখন অসমীয়া বোলছবি চেন্সৰ হৈ আত্মপ্ৰকাশ কৰিছিল। এই পাঁচ বছৰত মুক্তি লাভ কৰা ফণী শৰ্মা পৰিচালিত 'পিয়লি ফুকন' আৰু নিপ বৰুৱা পৰিচালিত 'মাক আৰু মৰম' বোলছবিয়ে 'চাৰ্টিফিকেট অফ মেৰিট' লাভ কৰিছিল। এই সময়তে মুক্তি লভা নিপ বৰুৱা পৰিচালিত 'ৰঙা পুলিচ' বোলছবিয়ে প্ৰথম বাৰৰ বাবে 'ৰাষ্ট্ৰপতি পদক' লাভ কৰে আৰু প্ৰভাত মুখাৰ্জী পৰিচালিত 'পূবেৰুণ' বোলছবিয়ে ৰাষ্ট্ৰপতি পদক পোৱাৰ উপৰিও বাৰ্লিনত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক বোলছবি মহোৎসৱত প্ৰদৰ্শনৰ বাবে নিৰ্বাচিত হয়। এই সময়চোৱাতে ১৯৮৮ চনলৈকে সৰ্বাধিক অসমীয়া বোলছবি পৰিচালনা কৰা নিপ বৰুৱাই আত্মপ্ৰকাশ কৰে। এই পাঁচ বছৰতে ড' ভূপেন হাজৰিকাই পাঁচখন বোলছবিত আত্মপ্ৰকাশ কৰাৰ উপৰিও চলচ্চিত্ৰ পৰিচালক হিচাপে 'এৰাবাটৰ সুৰ' বোলছবিৰ পৰিচালনা কৰে। ১৯৫৫ - ৬০ সময়চোৱাৰ অসমীয়া বোলছবিৰ তালিকা পূৰ্বৰ ক্ৰম নম্বৰ ৰক্ষা কৰি তালিকা নং ঃ 'খ'ত দেখুওৱা হৈছে।

তালিকা নং ঃ 'খ' (১৯৫৫ - ১৯৬০)

| | ছবিৰ নাম | বছৰ | পৰিচালক | সংগীত পৰিচালক |
|---|---|---|---|---|
| (১১) | নিমিলা অংক | ১৯৫৫ | লক্ষ্যধৰ চৌধুৰী | পুৰুষোত্তম দাস |
| (১২) | পিয়লি ফুকন | ১৯৫৫ | ফণী শৰ্মা | ড° ভূপেন হাজৰিকা |
| | **('চাৰ্টিফিকেট অব্ মেৰিট'প্ৰাপ্ত প্ৰথম অসমীয়া ছবি)** | | | |
| (১৩) | স্মৃতিৰ পৰশ | ১৯৫৫ | নিপ বৰুৱা | ব্ৰজেন বৰুৱা |
| (১৪) | সৰাপাত | ১৯৫৫ | আনোৱাৰ হুছেইন | মুকুল বৰুৱা |
| (১৫) | এৰা বাটৰ সুৰ | ১৯৫৬ | ড° ভূপেন হাজৰিকা | ড° ভূপেন হাজৰিকা |
| (১৬) | মাক আৰু মৰম | ১৯৫৭ | নিপ বৰুৱা | ব্ৰজেন বৰুৱা |
| | **('চাৰ্টিফিকেট অব্ মেৰিট'প্ৰাপ্ত)** | | | |
| (১৭) | ধুমুহা | ১৯৫৭ | ফণী শৰ্মা | ড° ভূপেন হাজৰিকা |
| (১৮) | লখিমী | ১৯৫৭ | ভবেন দাস | ব্ৰজেন বৰুৱা |
| (১৯) | নতুন পৃথিৱী | ১৯৫৮ | আনোৱাৰ হুছেইন | মুকুল বৰুৱা |
| (২০) | ৰঙা পুলিচ | ১৯৫৮ | নিপ বৰুৱা | নিজাম, ৰাজেশ্বৰ বৰদলৈ |
| | **(ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক প্ৰাপ্ত প্ৰথম অসমীয়া ছবি)** | | | |
| (২১) | ভক্ত প্ৰহ্লাদ | ১৯৫৮ | নিপ বৰুৱা | ব্ৰজেন বৰুৱা |
| (২২) | কেঁচা সোণ | ১৯৫৯ | ফণী শৰ্মা .. | ড° ভূপেন হাজৰিকা |
| (২৩) | পূবেৰুণ | ১৯৫৯ | প্ৰভাত মুখাৰ্জী | তাৰিকুদ্দিন আহমেদ |
| | **(ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক প্ৰাপ্ত আৰু আন্তৰ্জাতিক বাৰ্লিন চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত প্ৰথম অসমীয়া ছবি)** | | | |
| (২৪) | চাকনৈয়া | ১৯৫৯ | শৈল বৰুৱা | মুকুল বৰুৱা |
| (২৫) | আমাৰ ঘৰ | ১৯৫৯ | নিপ বৰুৱা | ব্ৰজেন বৰুৱা |
| (২৬) | পুৱতি নিশাৰ সপোন | ১৯৫৯ | ফণী শৰ্মা | ড° ভূপেন হাজৰিকা |
| (২৭) | লাচিত বৰফুকন | ১৯৬০ | লক্ষ্যধৰ চৌধুৰী, প্ৰবীণ ফুকন | ব্ৰজেন বৰুৱা, ক্ষীৰদাকান্ত বিৰয়া |

(চাৰি)

*বুকু হম হম কৰে মোৰ আই*
*কোনে নিদ্ৰা হৰে মোৰ আই...*

জ্যোতিপ্ৰসাদে আৰম্ভ কৰা বুৰঞ্জীমূলক কাহিনীৰ অসমীয়া বোলছবিৰ সুঁতিটো ১৯৬১-৭০ দশকৰ প্ৰথম তিনিবছৰ মানলৈকে প্ৰবাহমান হৈ আছিল। পৌৰাণিক আৰু সাধুকথাৰ আলমতো বোলছবি নিৰ্মাণ হৈছিল। অসমীয়া বোলছবিয়ে ৰাষ্ট্ৰীয় স্বীকৃতিও লাভ কৰিছিল। এই দশকৰ দিক্ নিৰ্ণয়কাৰী উল্লেখযোগ্য অসমীয়া বোলছবি আছিল ভূপেন হাজৰিকা পৰিচালিত 'চিক্‌মিক্ বিজুলী' আৰু ব্ৰজেন বৰুৱা পৰিচালিত 'ড° বেজবৰুৱা'। দুয়োখন বোলছবিয়ে যেন অসমীয়া বোলছবিৰ নতুন দিগন্ত মুকলি কৰিছিল। ড° ভূপেন হাজৰিকাৰ সঙ্গীতে এই সময়ছোৱাত অসমীয়া বোলছবিক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। সঙ্গীত পৰিচালক হিচাপে এই দশকতে আত্মপ্ৰকাশ কৰে ৰমেন বৰুৱাই। 'ড° বেজবৰুৱা', 'বৰুৱাৰ সংসাৰ' আৰু 'মুকুতা' বোলছবিত ৰমেন বৰুৱাই দক্ষতাৰে সঙ্গীত পৰিচালনা কৰিছিল। ১৯৬১-৭০ সময়ছোৱাৰ অসমীয়া বোলছবিৰ তালিকা পূৰ্বৰ ক্ৰম ৰক্ষা কৰি তালিকা - 'গ'ত দেখুওৱা হৈছে।

তালিকা নং ঃ 'গ' (১৯৬১ - ১৯৭০)

| | ছবিৰ নাম | বছৰ | পৰিচালক | সংগীত পৰিচালক |
|---|---|---|---|---|
| (২৮) | শকুন্তলা | ১৯৬১ | ড° ভূপেন হাজৰিকা | ড° ভূপেন হাজৰিকা |
| | **(ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক প্ৰাপ্ত আৰু প্ৰথম অসমীয়া আংশিক ৰঙীন ছবি)** | | | |
| (২৯) | নৰকাসুৰ | ১৯৬১ | নিপ বৰুৱা | ব্ৰজেন বৰুৱা |
| (৩০) | মাটিৰ স্বৰ্গ | ১৯৬৩ | অনিল চৌধুৰী | জিতেন দেৱ, বীৰেন্দ্ৰ কুমাৰ |
| (৩১) | তেজীমলা | ১৯৬৩ | আনোৱাৰ হুছেইন | ৰাজেশ্বৰ বৰদলৈ |
| | **('চাৰ্টিফিকেট অব্ মেৰিট'প্ৰাপ্ত)** | | | |
| (৩২) | ইটো সিটো বহুতো | ১৯৬৩ | ব্ৰজেন বৰুৱা | ব্ৰজেন বৰুৱা |
| (৩৩) | মণিৰাম দেৱান | ১৯৬৩ | সৰ্বেশ্বৰ চক্ৰৱৰ্তী | ড° ভূপেন হাজৰিকা |
| | **(ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক প্ৰাপ্ত)** | | | |
| (৩৪) | প্ৰতিধ্বনি | ১৯৬৪ | ড° ভূপেন হাজৰিকা | ড° ভূপেন হাজৰিকা |
| (৩৫) | লটিঘটি | ১৯৬৬ | ড° ভূপেন হাজৰিকা | ড° ভূপেন হাজৰিকা |
| (৩৬) | মৰম তৃষ্ণা | ১৯৬৮ | আব্দুল মজিদ | বিবেকানন্দ ভট্টাচাৰ্য |
| (৩৭) | সংগ্ৰাম | ১৯৬৮ | অমৰ পাঠক | অসিত গাংগুলী |
| (৩৮) | চিকমিক বিজুলী | ১৯৬৯ | ড° ভূপেন হাজৰিকা | ড° ভূপেন হাজৰিকা |
| (৩৯) | ডাঃ বেজবৰুৱা | ১৯৬৯ | ব্ৰজেন বৰুৱা | ৰমেন বৰুৱা |
| | **(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত)** | | | |
| (৪০) | অপৰাজেয় | ১৯৭০ | চতুৰংগ | সলিল চৌধুৰী |
| | **(ফণী তালুকদাৰ, অতুল বৰদলৈ, মুনিন বায়ন আৰু গৌৰী বৰ্মন)** | | | |
| (৪১) | বৰুৱাৰ সংসাৰ | ১৯৭০ | নীপ বৰুৱা | ৰমেন বৰুৱা |
| (৪২) | মুকুতা | ১৯৭০ | ব্ৰজেন বৰুৱা | ৰমেন বৰুৱা। |

## (পাঁচ)

*মৰীচিকা এই প্ৰেম...*

১৯৭১-৮০ দশকটি যেন অসমীয়া বোলছবি নিৰ্মাণৰ পয়োভৰৰ দশক। এই দশকতে পূৰ্বৰ সকলো অভিলেখ ভঙ্গ কৰি সৰ্বাধিক বোলছবি নিৰ্মাণ হৈছিল। এই দশকতে চাৰিখন (৪) 'এ' চাৰ্টিফিকেট (প্ৰাপ্তবয়স্কৰ বাবে) পোৱা বোলছবিয়েও মুক্তি লাভ কৰিছিল। অমূল্য মান্না পৰিচালিত 'মৰীচিকা' বোলছবিয়ে আছিল 'এ' চাৰ্টিফিকেটপ্ৰাপ্ত প্ৰথম অসমীয়া ছবি। পূৰ্বৰ ক'লা-বগা ছবিৰ বিপৰীতে এই দশকৰ প্ৰথম ভাগত কমল নাৰায়ণ চৌধুৰীয়ে অৰো কালাৰত প্ৰথম অসমীয়া ৰঙীণ ছবি 'ভাইটি' নিৰ্মাণ কৰে। এই দশকৰ প্ৰথম ভাগত আব্দুল মজিদ পৰিচালিত 'চামেলি মেমচাব'ৰ বাবে আঞ্চলিক ভিত্তিৰ ৰাষ্ট্ৰীয় সন্মানৰ লগতে ড° ভূপেন হাজৰিকাই শ্ৰেষ্ঠ সঙ্গীত পৰিচালকৰ ৰাষ্ট্ৰীয় সন্মান লাভ কৰে। দেউতী বৰুৱা পৰিচালিত 'বৃষ্টি' বোলছবিয়ে মুম্বাই দূৰদৰ্শনৰ পৰা প্ৰথম অসমীয়া বোলছবি হিচাপে প্ৰদৰ্শনৰ সুযোগ লাভ কৰে। দশকৰ আৰম্ভণিতে ভালেকেইজন নতুন পৰিচালকে বোলছবি পৰিচালনাত আত্মনিয়োগ কৰে। জিতু-তপনে এই দশকৰ আৰম্ভণিতে বোলছবি সঙ্গীত পৰিচালক হিচাবে প্ৰতিষ্ঠা লাভ কৰে। দ্বিবন বৰুৱাৰ পৰিচালনাত অসমৰ গ্ৰাম্য পটভূমিত নিৰ্মাণ কৰা 'যোগ বিয়োগ' আৰু 'তৰাৰানৈ' অভূতপূৰ্ব সহঁাৰি লাভ কৰে। অসমৰ বিহুগীতে এই দশকৰ আৰম্ভণিতে 'লাজ লাজ'কৈ অসমীয়া বোলছবিত প্ৰৱেশ কৰে। এই সময়ৰ বিহুগীত আজিও চিৰ সেউজ হৈ আছে।

তালিকা নং ঃ 'ঘ' (১৯৭১ - ১৯৭৫)

| ছবিৰ নাম | বছৰ | পৰিচালক | সংগীত পৰিচালক |
|---|---|---|---|
| (৪৩) মানৱ আৰু দানৱ | ১৯৭১ | ইন্দুকল্প হাজৰিকা | জিতু - তপন |
| (৪৪) ওপৰ মহলা | ১৯৭১ | জিতেন শৰ্মা | শ্যামল মিত্ৰ |
| (৪৫) অৰণ্য | ১৯৭১ | সমৰেন্দ্ৰ নাৰায়ণ দেৱ | সুধীন দাসগুপ্ত |
| **(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত)** | | | |
| (৪৬) যোগ-বিয়োগ | ১৯৭১ | দ্বিবন বৰুৱা | ৰমেন বৰুৱা |
| (৪৭) শেষ বিচাৰ | ১৯৭১ | দেৱ কুমাৰ বসু | অসিত গাংগুলী |
| (৪৮) মৰীচিকা | ১৯৭২ | অমূল্য মান্না | জিতু-তপন |
| **ছবিৰ নাম** | **বছৰ** | **পৰিচালক** | **সংগীত পৰিচালক** |
| **('এ' চাৰ্টিফিকেট পোৱা প্ৰথম অসমীয়া ছবি)** | | | |
| (৪৯) ললিতা | ১৯৭২ | ব্ৰজেন বৰুৱা | ৰমেন বৰুৱা |
| (৫০) বিভ্ৰাট | ১৯৭২ | ফণী তালুকদাৰ | মেলডিমা |
| (৫১) হৃদয়ৰ প্ৰয়োজন | ১৯৭২ | গৌৰী বৰ্মন | ৰমেন বৰুৱা |
| **('এ' চাৰ্টিফিকেট পোৱা প্ৰথম মুক্তিপ্ৰাপ্ত অসমীয়া ছবি)** | | | |
| (৫২) ওপজা সোণৰ মাটি | ১৯৭২ | ব্ৰজেন বৰুৱা | ৰমেন বৰুৱা |
| **(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত)** | | | |
| (৫৩) ভাইটি | ১৯৭২ | কমল নাৰায়ণ চৌধুৰী | অজিত সিংহ |
| **( প্ৰথম অসমীয়া সম্পূৰ্ণ ৰঙীন ছবি (অৰো কালাৰ)** | | | |
| (৫৪) উপগ্ৰহ | ১৯৭২ | ভবেন দাস | জিতু-তপন |
| (৫৫) বনৰীয়া ফুল | ১৯৭৩ | অতুল বৰদলৈ | জয়ন্ত হাজৰিকা |
| (৫৬) অভিযান | ১৯৭৩ | সুজিত সিংহ | জিতু-তপন |
| (৫৭) অনুতাপ | ১৯৭৩ | অতুল বৰদলৈ | জিতু-তপন |
| (৫৮) মমতা | ১৯৭৩ | নলীন দুৱৰা | বসন্ত বৰদলৈ, মানিক বৰা |
| **(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত)** | | | |
| (৫৯) গণেশ | ১৯৭৩ | এ কে ফিল্মছ ইউনিট | অজিত সিংহ |
| **(আংশিক ৰঙীন)** | | | |
| (৬০) সোণতৰা | ১৯৭৩ | নিপ বৰুৱা | ৰমেন বৰুৱা |
| (৬১) উত্তৰণ | ১৯৭৩ | মনোৰঞ্জন শূৰ | ৰমেন বৰুৱা |
| ***(এ চাৰ্টিফিকেট পোৱা ছবি)*** | | | |
| (৬২) ৰশ্মিৰেখা | ১৯৭৩ | প্ৰফুল্ল বৰুৱা | ডাঃ উপেন কাকতি |
| (৬৩) ব্ৰেকমানি | ১৯৭৪ | অচ্যুত লহকৰ | প্ৰভাত শৰ্মা |
| (৬৪) পৰিণাম | ১৯৭৪ | প্ৰবীণ বৰা | ৰমেন বৰুৱা |
| (৬৫) সন্তান | ১৯৭৪ | অমৰ পাঠক | প্ৰভাত শৰ্মা |
| (৬৬) বৃষ্টি | ১৯৭৪ | দেউতি বৰুৱা | জয়ন্ত হাজৰিকা |
| **(দূৰদৰ্শনত প্ৰদৰ্শিত প্ৰথম অসমীয়া ছবি। ছবিখন প্ৰদৰ্শন কৰা হৈছিল মুম্বাই দূৰদৰ্শনত)** | | | |
| (৬৭) খোজ | ১৯৭৫ | পুলক গগৈ | ড° ভূপেন হাজৰিকা |
| (৬৮) কাঁচঘৰ | ১৯৭৫ | বিজয় চৌধুৰী<br>পীযুষ কান্তি ৰয় | ড° ভূপেন হাজৰিকা |
| (৬৯) ৰতনলাল | ১৯৭৫ | নলীন দুৱৰা | নিৰ্মল চক্ৰৱৰ্তী |
| (৭০) চামেলি মেমচা'ব | ১৯৭৫ | আব্দুল মজিদ | ড° ভূপেন হাজৰিকা |
| **(শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় সন্মান ড° ভূপেন হাজৰিকালৈ আৰু আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত ছবি)** | | | |
| (৭১) তৰানাই | ১৯৭৫ | দ্বিবন বৰুৱা | ৰমেন বৰুৱা |

১৯৭১-৮০ দশকৰ দ্বিতীয় অৰ্দ্ধত (১৯৭৬-৮০) দুজন অতি চিৰিয়াচ পৰিচালক, পদুম বৰুৱা আৰু ড° ভবেন্দ্ৰ নাথ শইকীয়াই অসমীয়া বোলছবি পৰিচালনাত আত্মনিয়োগ কৰে। পদুম বৰুৱাক বোলছবি পৰিচালনাৰ 'প্ৰজ্ঞা' বুলিলেও অত্যুক্তি কৰা নহয়। আনহাতে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সূক্ষ্ম বিশ্লেষণ আৰু সৰু বিষয় বস্তুৰ 'খুটি নাটি'ৰে মনোজ্ঞ আৰু সৰস ভাষাৰে লিখা চুটিগল্পও অসমীয়া সাহিত্যত প্ৰায় অদ্বিতীয়। পদুম বৰুৱাৰ পৰিচালনাৰ 'গঙা চিলনীৰ পাখি' আৰু ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ পৰিচালনাৰ 'সন্ধ্যাৰাগ' বোলছবি দুখন ১৯৭৬-৮০ ৰ সময়চোৱাৰ মাইলৰ খুটিৰ নিচিনা। এই সময়খিনিৰ আন বোলছবি সমূহ প্ৰায় গতানুগতিক। অৱশ্যে নিপ বৰুৱাৰ পৰিচালনাত নিৰ্মাণ হোৱা 'আজলী নবৌ' বোলছবিয়ে দৰ্শকৰ সৰ্বাধিক সঁহাৰি লাভ কৰিছিল। এই সময়চোৱাৰ বোলছবি সমূহত অসমৰ গ্ৰাম্য আৰু নগৰীয়া পটভূমি মাৰ্জিত ৰূপত প্ৰতিফলিত হৈছিল। সংগীততো অসমৰ আৰু ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ সুবাস পোৱা গৈছিল।

তালিকা নং ঃ 'ঙ' (১৯৭৬ - ১৯৮০)

| | ছবিৰ নাম | বছৰ | পৰিচালক | সংগীত পৰিচালক |
|---|---|---|---|---|
| (৭২) | গঙা চিলনীৰ পাখি | ১৯৭৬ | পদুম বৰুৱা | পদুম বৰুৱা |
| (৭৩) | পুতলা ঘৰ | ১৯৭৬ | সমৰেন্দ্ৰ নাৰায়ণ দেৱ | তফজ্জুল আলী |
| (আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত) | | | | |
| (৭৪) | আদালত | ১৯৭৬ | দিলীপ ডেকা | জিতু-তপন |
| (৭৫) | পলাশৰ ৰং | ১৯৭৬ | জীৱন বৰা | ড° ভূপেন হাজৰিকা |
| (৭৬) | প্ৰাণগংগা | ১৯৭৬ | নবীন চেতিয়া | ডাঃ উপেন কাকতি |
| (৭৭) | ধৰ্মকাই | ১৯৭৭ | ভবেন দাস | জয়ন্ত হাজৰিকা |
| (৭৮) | পাপ আৰু প্ৰায়শ্চিত্ত | ১৯৭৭ | আনোৱাৰ হুছেইন | ৰমেন চৌধুৰী |
| ('এ' চাৰ্টিফিকেট পোৱা অসমীয়া ছবি) | | | | |
| (৭৯) | সন্ধ্যাৰাগ | ১৯৭৭ | ড° ভবেন্দ্ৰ নাথ শইকীয়া | ইন্দ্ৰেশ্বৰ শৰ্মা, প্ৰভাত শৰ্মা, ৰমেন চৌধুৰী |
| ('ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত প্ৰথম অসমীয়া ছবি আৰু আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত) | | | | |
| (৮০) | বনহংস | ১৯৭৭ | আব্দুল মজিদ | ড° ভূপেন হাজৰিকা |
| (৮১) | নতুন আশা | ১৯৭৭ | প্ৰবীৰ মিত্ৰ | জয়ন্ত হাজৰিকা |
| (৮২) | সোণমা | ১৯৭৭ | নিপ বৰুৱা | ৰমেন বৰুৱা |
| (৮৩) | মৰমী | ১৯৭৮ | দ্বিজেন্দ্ৰ নাৰায়ণ দেৱ | ৰমেন বৰুৱা |
| (আংশিক ৰঙীন ছবি) | | | | |
| (৮৪) | ফাগুনী | ১৯৭৮ | শিৱপ্ৰসাদ ঠাকুৰ | ডাঃ উপেন কাকতি |
| (৮৫) | নিয়তি | ১৯৭৮ | ইন্দুকল্প হাজৰিকা | জয়ন্ত হাজৰিকা |
| (৮৬) | বনজুই | ১৯৭৮ | আব্দুল মজিদ | ড° ভূপেন হাজৰিকা |
| (৮৭) | কল্লোল | ১৯৭৮ | অতুল বৰদলৈ | ৰুদ্ৰ বৰুৱা |
| (৮৮) | মৰম | ১৯৭৮ | দ্বিবন বৰুৱা | ৰমেন বৰুৱা |
| (৮৯) | মন প্ৰজাপতি | ১৯৭৯ | ড° ভূপেন হাজৰিকা | ড° ভূপেন হাজৰিকা |
| (৯০) | শ্ৰীমতী মহিমাময়ী | ১৯৭৯ | পুলক গগৈ | কুল-অতুল |
| (৯১) | বিশেষ এৰাতি | ১৯৭৯ | ডাঃ উপেন কাকতি | ডাঃ উপেন কাকতি |
| (৯২) | নিশাৰ চকুলো | ১৯৭৯ | দেৱকুমাৰ বৰুৱা | গৌৰাচান্দ মুখাৰ্জী |
| (৯৩) | সোণৰ হৰিণ | ১৯৭৯ | সমৰেন্দ্ৰ নাৰায়ণ দেৱ | তফজ্জুল আলী |
| (৯৪) | আশ্ৰয় | ১৯৭৯ | দুলাল বয় | ৰমেন বৰুৱা |
| (৯৫) | মেঘ | ১৯৭৯ | অতুল বৰদলৈ | জিতু-তপন |
| (৯৬) | মেঘমুক্তি | ১৯৭৯ | বন্ধু | খগেন মহন্ত |
| (৯৭) | দুৰণিৰ ৰং | ১৯৭৯ | জনচ মহলীয়া | অজিত সিংহ |
| (৯৮) | বাংঢালী | ১৯৭৯ | দ্বিজেন্দ্ৰ নাথ দেৱ | হেমেন হাজৰিকা |
| (৯৯) | আজলী নবৌ | ১৯৮০ | নিপ বৰুৱা | ৰমেন বৰুৱা |
| (প্ৰথম অসমীয়া ইষ্টমেনকালাৰৰ ছবি) | | | | |
| (১০০) | ৰজা হৰিশ্চন্দ্ৰ | ১৯৮০ | দ্বিবন বৰুৱা | ৰমেন বৰুৱা |
| (১০১) | উপপথ | ১৯৮০ | হেমন্ত দত্ত | মনীষা হাজৰিকা |
| (১০২) | অৰুণ | ১৯৮০ | গৌৰী বৰ্মন | ড° ভূপেন হাজৰিকা |
| (১০৩) | মইনাজান | ১৯৮০ | দেৱকুমাৰ বসু | খগেন মহন্ত |
| (১০৪) | মন আৰু মৰম | ১৯৮০ | দ্বিবন বৰুৱা | ৰমেন বৰুৱা |

(ছয়)

*সেন্দুৰ সেন্দুৰ প্ৰভাতী সুৰুজ.....*

১৯৮১-৯০ ৰ সময়খিনিক অসমীয়া বোলছবিৰ বাবে উল্লেখযোগ্য সময়। এই সময়খিনিতে নিষ্ঠাবান চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাই 'অপৰূপা' (১৯৮২), 'পাপৰি' (১৯৮৪), হালধীয়া চৰায়ে বাওধান খায়' (১৯৮৭), 'বনানী' (১৯৯০) পৰিচালনা কৰে। 'হালধীয়া চৰায়ে বাওধান খায়' ছবিৰ বাবে 'স্বৰ্ণ কমল বঁটা' লাভ কৰে। বোলছবিখনিয়ে ইণ্ডিয়া পেনোৰামাত প্ৰদৰ্শনৰ স্বীকৃতি লাভৰ উপৰিও লোকানোৰ্চ (ছুইজাৰলেণ্ড)ত অনুষ্ঠিত আন্তৰ্জাতিক মহোৎসৱত দ্বিতীয় শ্ৰেষ্ঠ ছবিৰ সন্মান আৰু শ্ৰেষ্ঠ অভিনেতাৰ (ইন্দ্ৰ বনিয়াৰী) সন্মান কঢ়িয়াই আনে। এই দশকতে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ পৰিচালনাত 'অনিৰ্বাণ' (১৯৮১), 'অগ্নিস্নান' (১৯৮৫), 'কোলাহল' (১৯৮৮) নিৰ্মাণ হয়। ড° শইকীয়াৰ 'অগ্নিস্নান' বোলছবিয়ে প্ৰথম বাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ চিত্ৰনাট্যৰ পুৰস্কাৰ অৰ্জন কৰে। এই দশকতে সুপ্ৰভা দেৱীয়ে প্ৰথম মহিলা চলচ্চিত্ৰ পৰিচালিকা (নয়নমণি ১৯৮৩) হিচাপে আত্ম প্ৰকাশ কৰে। ১৯৮৩ চনত নিৰ্মিত, নিপ বৰুৱা পৰিচালিত 'ককাদেউতা নাতি আৰু হাতী'য়ে দৰ্শকৰ পৰা বিপুল সঁহাৰি লাভ কৰে।

তালিকা নং ঃ 'চ' (১৯৮১ - ১৯৯০)

| ছবিৰ নাম | বছৰ | পৰিচালক | সংগীত পৰিচালক |
|---|---|---|---|
| (১০৫) অনিৰ্বাণ | ১৯৮১ | ড° ভবেন্দ্ৰ নাথ শইকীয়া | আখতাৰ খান |
| (আঞ্চলিক ভিত্তিত পুৰস্কাৰ প্ৰাপ্ত) | | | |
| (১০৬) মানসী | ১৯৮১ | বলাই সেন | ৰমেন বৰুৱা |
| (১০৭) ৰজনীগন্ধা | ১৯৮১ | প্ৰফুল্ল বৰুৱা | কুমাৰ ৰঞ্জন |
| (১০৮) পোনাকণ | ১৯৮১ | আব্দুল মজিদ | কুমাৰ ৰঞ্জন |
| (১০৯) উত্তৰ শূন্য | ১৯৮১ | ৰিবন বৰুৱা | ৰমেন বৰুৱা |
| (১১০) ৰাজা | ১৯৮২ | সমৰেন্দ্ৰ নাৰায়ণ দেৱ | ৰমেন বৰুৱা |
| (১১১) বোৱাৰী | ১৯৮২ | শিৱপ্ৰসাদ ঠাকুৰ | ডাঃ উপেন কাকতি |
| (১১২) অপৰূপা | ১৯৮২ | জাহ্নু বৰুৱা | ড° ভূপেন হাজৰিকা |
| (১৬ মিলিমিটাৰত চিত্ৰগ্ৰহণ কৰা প্ৰথম অসমীয়া ছবি, এন.এফ.ডি.চি.ৰ ঋণপ্ৰাপ্ত প্ৰথম অসমীয়া ছবি, আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত আৰু 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত ছবি) | | | |
| (১১৩) কাজিৰঙাৰ কাহিনী | ১৯৮২ | সমৰেন্দ্ৰ নাৰায়ণ দেৱ | অনুপম চৌধুৰী |
| (১১৪) সাদৰী | ১৯৮২ | পুলক গগৈ | ফুল-অতুল |
| (১১৫) শ্ৰীশ্ৰী মা কামাখ্যা | ১৯৮৩ | নিৰুপম | ৰাজেশ্বৰ বৰদলৈ |
| (১১৬) নয়নমণি | ১৯৮৩ | সুপ্ৰভা দেৱী | জিতু-তপন |
| (প্ৰথম মহিলা পৰিচালকে পৰিচালনা কৰা অসমীয়া ছবি) | | | |
| (১১৭) ককাদেউতা, নাতি আৰু হাতী | ১৯৮৩ | নিপ বৰুৱা | ৰমেন বৰুৱা |
| (১১৮) আলোকৰ আহ্বান | ১৯৮৩ | চাৰু কমল হাজৰিকা | নয়ন |
| (আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত) | | | |
| (১১৯) ঘৰ সংসাৰ | ১৯৮৩ | শিৱপ্ৰসাদ ঠাকুৰ | বসন্ত-মানিক |
| (১২০) পাপৰি | ১৯৮৪ | জাহ্নু বৰুৱা | সত্য বৰুৱা |
| ('ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত) | | | |
| (১২১) সেন্দুৰ | ১৯৮৪ | পুলক গগৈ | দশৰথ দাস |
| (১২২) দেৱী | ১৯৮৪ | শম্ভু গুপ্ত, দাৰা আহমেদ | ভূপেন উজীৰ |
| (১২৩) শকুন্তলা আৰু শংকৰ জোচেফ আলি | ১৯৮৪ | নিপ বৰুৱা | ৰমেন বৰুৱা |
| (১২৪) জীৱন সুৰভি | ১৯৮৪ | নৰেশ কুমাৰ | ভূপেন উজীৰ |
| (প্ৰথম অসমীয়া চিনেমাস্কোপ ছবি) | | | |
| (১২৫) সোণ মইনা | ১৯৮৪ | শিৱপ্ৰসাদ ঠাকুৰ | বসন্ত-মানিক |
| (১২৬) বহাগৰ দুপৰীয়া | ১৯৮৫ | জ'নচ মহলীয়া | ভূপেন উজীৰ |
| (দ্বিতীয় চিনেমাস্কোপ আৰু প্ৰথম অসমীয়া 'ইউ / এ' চাৰ্টিফিকেট পোৱা ছবি) | | | |
| (১২৭) মন মন্দিৰ | ১৯৮৫ | শিৱ প্ৰসাদ ঠাকুৰ | বসন্ত-মানিক |
| (১২৮) সূৰুয | ১৯৮৫ | পুলক গগৈ | নয়ন |
| (১২৯) সৰবজান | ১৯৮৫ | সুপ্ৰভা দেৱী, হিৰেন চৌধুৰী | মহানন্দ মজিন্দাৰ বৰুৱা |
| (১৩০) মানস কন্যা | ১৯৮৫ | ফণী তালুকদাৰ | সলিল চৌধুৰী |
| (১৩১) পূজা | ১৯৮৫ | দাৰা আহমেদ | ভূপেন উজীৰ |
| (১৩২) অংগীকাৰ | ১৯৮৫ | প্ৰবীণ বৰা | ড° ভূপেন হাজৰিকা |
| **ছবিৰ নাম** | **বছৰ** | **পৰিচালক** | **সংগীত পৰিচালক** |
| (১৩৩) অগ্নিস্নান | ১৯৮৫ | ড° ভবেন্দ্ৰ নাথ শইকীয়া | তৰুণ গোস্বামী |
| (ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ চিত্ৰনাট্যৰ পুৰস্কাৰ লাভ কৰা প্ৰথম অসমীয়া ছবি, 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত) | | | |
| (১৩৪) বান | ১৯৮৬ | চাৰু কমল হাজৰিকা | নয়ন |
| (আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত) | | | |
| (১৩৫) নিজৰা | ১৯৮৬ | অমৰেন্দ্ৰ বৰদলৈ | ওংকাৰ শৰ্মা |
| (১৩৬) সংকল্প | ১৯৮৬ | হেম বৰুৱা | ড° ভূপেন হাজৰিকা |
| (১৩৭) ময়ূৰী | ১৯৮৬ | শিৱপ্ৰসাদ ঠাকুৰ | জিতেন বৰুৱা |
| (১৩৮) এন্টনী মোৰ নাম | ১৯৮৬ | নিপ বৰুৱা | শিৱপ্ৰসাদ ঠাকুৰ |
| (১৩৯) মধুচন্দা | ১৯৮৬ | দাৰা আহমেদ | নয়ন |
| (১৪০) দীপজ্যোতি | ১৯৮৬ | প্ৰদ্যুৎ বসু | ৰমেন বৰুৱা |
| (১৪১) আৰতি | ১৯৮৬ | অসীম দাস | ফুল বৰা |
| (১৪২) মা | ১৯৮৬ | ভবেন দাস | ড° ভূপেন হাজৰিকা |
| (১৪৩) যুগে যুগে সংগ্ৰাম | ১৯৮৬ | গৌৰী বৰ্মন | ড° ভূপেন হাজৰিকা |
| (১৪৪) এই দেশ মোৰ দেশ | ১৯৮৬ | শিৱপ্ৰসাদ ঠাকুৰ | বসন্ত বৰদলৈ |
| (১৪৫) প্ৰতিমা | ১৯৮৭ | নিপন গোস্বামী, মুনিন বৰুৱা | অৰুণ দাস |
| (১৪৬) প্ৰতিদান | ১৯৮৭ | দাৰা আহমেদ | ভূপেন উজীৰ |
| (১৪৭) প্ৰতিশোধ | ১৯৮৭ | অমিত মৈত্ৰ | ড° ভূপেন হাজৰিকা |
| (১৪৮) জেতুকী | ১৯৮৭ | চন্দ্ৰ তালুকদাৰ | অজিত সিংহ |
| (১৪৯) হালধীয়া চৰায়ে বাওধান খায় | ১৯৮৭ | জাহ্নু বৰুৱা | সত্য বৰুৱা |

| | | | |
|---|---|---|---|
| (স্বৰ্ণকমল প্ৰাপ্ত প্ৰথম অসমীয়া ছবি 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত ছবি, লুকার্নো (ছুইজাৰলেণ্ড) আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত ইন্দ্ৰ বনিয়াৰে শ্ৰেষ্ঠ অভিনেতাৰ সন্মান, এই মহোৎসৱতে দ্বিতীয় শ্ৰেষ্ঠ ছবিৰ সন্মান (ছিলভাৰ লিউপার্ড), লোকার্নো চিটিজেন এৱাৰ্ড এক্সেলেন্স ইন ডাইৰেকচন, ইন্টাৰনেচনেল এফিউমেনিকেল এৱাৰ্ড) | | | |
| (১৫০) প্ৰথম ৰাগিনী | ১৯৮৬ | ধীৰু ভূঞা | শ্বেৰ চৌধুৰী |
| (আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত) | | | |
| (১৫১) সূত্ৰপাত | ১৯৮৭ | মৃদুল গুপ্তা | বিভু ৰঞ্জন চৌধুৰী |
| (১৫২) অ' চেনাই | ১৯৮৭ | মুকুল দত্ত | বিপুল বাহাদুৰ |
| (১৫৩) পিতা-পুত্ৰ | ১৯৮৮ | মুনিন বৰুৱা | ভূপেন উজীৰ |
| (১৫৪) আই মোৰ জনমে জনমে | ১৯৮৮ | নিপ বৰুৱা | অনুপম চৌধুৰী |
| (১৫৫) ছিৰাজ | ১৯৮৮ | ড° ভূপেন হাজৰিকা | ড° ভূপেন হাজৰিকা |
| (১৫৬) কোলাহল | ১৯৮৮ | ড° ভবেন্দ্ৰ নাথ শইকীয়া | মুকুল বৰুৱা |
| (আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত আৰু 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত) | | | |
| (১৫৭) শেৰালি | ১৯৮৯ | শিৱপ্ৰসাদ ঠাকুৰ | বসন্ত বৰদলৈ |
| (১৫৮) অজলা ৰুকাই | ১৯৮৯ | ৱিবন বৰুৱা | ৰমেন বৰুৱা |
| (১৫৯) ভাই ভাই | ১৯৮৯ | বিজু ফুকন | ভূপেন উজীৰ |
| (১৬০) কনকলতা | ১৯৮৯ | কুন্তলা ডেকা | অনুপম চৌধুৰী |
| (১৬১) বৰদৈচিলা | ১৯৮৯ | দাৰা আহমেদ | ভূপেন উজীৰ |
| (১৬২) পাহাৰী কন্যা | ১৯৯০ | মুনিন বৰুৱা | জে. পি. দাস |
| (১৬৩) বনানী | ১৯৯০ | জাহ্নু বৰুৱা | সত্য বৰুৱা |
| (পৰিবেশ শিতানত শ্ৰেষ্ঠ ছবিৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ, 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত) | | | |
| (১৬৪) ধ্ৰুৱতৰা | ১৯৯০ | দাৰা আহমেদ | তৰুণ শৰ্মা |
| (১৬৫) উত্তৰ কাল | ১৯৯০ | আব্দুল মজিদ | খগেন মহন্ত |
| (১৬৬) যুঁজ | ১৯৯০ | হেমেন দাস | ৰমেন চৌধুৰী |
| **ছবিৰ নাম** | **বছৰ** | **পৰিচালক** | **সংগীত পৰিচালক** |
| (আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত) | | | |
| (১৬৭) অভিমান | ১৯৯০ | মৃদুল গুপ্তা | প্ৰশান্ত বৰদলৈ |
| (১৬৮) গ্ৰহণ | ১৯৯০ | অতুল বৰদলৈ | বিভু ৰঞ্জন চৌধুৰী |
| (১৬৯) তথাপিও নদী | ১৯৯০ | হেমন্ত দাস | তৰুণ দাস |

(সাত)

*•সাগৰলৈ বহুদূৰ.....*

১৯৯১-৯৫ কুৰি শতিকাৰ শেষ দশকৰ প্ৰথম ভাগ। এই দশকতে যেন অসমীয়া চলচ্চিত্ৰই, চলচ্চিত্ৰৰ গুণ গৰিমাৰে বিভূষিত হৈ এহাতে যেনেকৈ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি কঢ়িয়াই আনিলে, তেনেকৈ অসমীয়া চলচ্চিত্ৰলৈ আমদানি হ'ল সাধাৰণ ৰুচিবোধৰ নৃত্য-গীতেৰে পৰিপূৰ্ণ প্ৰেম আৰু বিবাহক কেন্দ্ৰ কৰি গঢ়ি উঠা কাহিনীৰ জোৱাৰ। এই সময়ৰ উল্লেখযোগ্য অসমীয়া বোলছবিখন হ'ল জাহ্নু বৰুৱা পৰিচালিত 'সাগৰলৈ বহু দূৰ' (১৯৯৫)। বোলছবিখনে জাহ্নু বৰুৱালৈ 'শ্ৰেষ্ঠ পৰিচালক'ৰ ৰাষ্ট্ৰীয় বঁটাৰ লগতে, বিষ্ণু খাৰঘৰীয়ালৈ জুৰীৰ বিশেষ বঁটা কঢ়িয়াই আনে। জাহ্নু বৰুৱাৰ আন এখন ছবি 'ফিৰিঙতি'য়ে (১৯৯১) মলয়া গোস্বামীক ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ অভিনেত্ৰী সন্মান প্ৰদান কৰে। ১৯৯৩ চনত মুক্তি লাভ কৰে ব্ৰজেন বৰা পৰিচালিত প্ৰথম অসমীয়া শিশু ছবি 'শ্ৰীমান মাইমন'। এই সময়ছোৱাৰ আন আন বোলছবিসমূহ পূৰ্বৰ ক্ৰম ৰক্ষা কৰি তালিকা (ছ) দেখুওৱা হৈছে।

তালিকা নং ঃ 'ছ' (১৯৯১ - ১৯৯৫)

| ছবিৰ নাম | বছৰ | পৰিচালক | সংগীত পৰিচালক |
|---|---|---|---|
| (১৭০) ৰঙা নদী | ১৯৯১ | ব্ৰজেন বৰুৱা | যতীন শৰ্মা |
| (১৭১) সূৰ্য তেজৰ অন্য নাম | ১৯৯১ | দীনেশ গগৈ | গগন গগৈ |
| (১৭২) ফিৰিঙতি | ১৯৯১ | জাহ্নু বৰুৱা | সত্য বৰুৱা |
| (ৰাষ্ট্ৰীয় পৰ্যায়ত দ্বিতীয় শ্ৰেষ্ঠ ছবি, মলয়া গোস্বামীলৈ ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান, 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত) | | | |
| (১৭৩) সাৰথি | ১৯৯১ | ড° ভবেন্দ্ৰ নাথ শইকীয়া | প্ৰভাত শৰ্মা |
| (আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত, 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত) | | | |
| (১৭৪) যখিনী | ১৯৯১ | দাৰা আহমেদ | ভূপেন উজীৰ |
| (১৭৫) প্ৰেম জনমে জনমে | ১৯৯১ | যাদৱ চন্দ্ৰ দাস | ৰিদিপ দত্ত |
| (১৭৬) চিএৱ | ১৯৯১ | অতুল বৰদলৈ | পংকজজ্যোতি ভূঞা |
| (১৭৭) বংশধৰ | ১৯৯২ | প্ৰফুল্ল বৰা | অজিত সিংহ |
| (১৭৮) অগ্নি | ১৯৯২ | দীনেশ গগৈ | সৰ্বা বৰবৰা, ৰাজীৱলোচন বৰা |
| (১৭৯) প্ৰভাতী পখীৰ গান | ১৯৯২ | মুনিন বৰুৱা | জে.পি. দাস |
| (১৮০) ৰঙা মদাৰ | ১৯৯২ | টিমথী হান্সে দাস | সত্য বৰুৱা |
| (১৮১) ৰেলৰ আলিৰ দুবৰি বন | ১৯৯৩ | পুলক গগৈ | দশৰথ দাস |
| **(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত)** | | | |
| (১৮২) হলধৰ | ১৯৯৩ | সঞ্জীৱ হাজৰিকা | শ্বেৰ চৌধুৰী |

চালকৰ প্ৰথম ছবিৰ শ্ৰেষ্ঠ পৰিচালকৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ 'ইন্দিৰা গান্ধী বঁটা' আৰু 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত)

| | | | |
|---|---|---|---|
| (১৮৩) প্ৰিয়জন | ১৯৯৩ | ওৱাইছকুৰ্ণী বৰা | ড° ভূপেন হাজৰিকা |
| (১৮৪) প্ৰত্যাৱৰ্তন | ১৯৯৩ | বঞ্জিত দাস | শ্বেৰ চৌধুৰী |
| (১৮৫) বিশ্বাৰালা | ১৯৯৩ | দাৰা আহমেদ | জয়ন্ত নাথ |
| (১৮৬) আৱৰ্তন | ১৯৯৩ | ড° ভবেন্দ্ৰ নাথ শইকীয়া | নাৰায়ণ বৰুৱা, দেৱেশ্বৰ শৰ্মা, দিলীপ ৰায় |
| **(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত, 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত)** | | | |
| (১৮৭) অবুজ বেদনা | ১৯৯৩ | গুণসিন্ধু হাজৰিকা | দিলীপ শৰ্মা |
| **(প্ৰথম অসমীয়া শিশু ছবি)** | | | |
| (১৮৮) শ্ৰীমান মাইমন | ১৯৯৩ | ব্ৰজেন বৰা | আনন্দ মোহন ভাগৱতী |
| **ছবিৰ নাম** | **বছৰ** | **পৰিচালক** | **সংগীত পৰিচালক** |
| (১৮৯) গৰখীয়া | ১৯৯৩ | হেমেন দাস | ৰমেন চৌধুৰী |
| **(দ্বিতীয় শিশু ছবি)** | | | |
| (১৯০) দৃষ্টি | ১৯৯৪ | অতুল বৰদলৈ | পংকজজ্যোতি ভূঞা |
| (১৯১) অগ্নিগড় | ১৯৯৪ | চন্দ্ৰ মুদৈ | ভূপেন উজীৰ |
| (১৯২) অশান্ত প্ৰহৰ | ১৯৯৪ | শিৱপ্ৰসাদ ঠাকুৰ | ড° ভূপেন হাজৰিকা |
| (১৯৩) একত্ৰিশ জুন | ১৯৯৪ | ভাস্কৰ বৰা | প্ৰশান্ত বৰদলৈ |
| **(প্ৰথম অসমীয়া ফেণ্টাছী ছবি)** | | | |
| (১৯৪) হৃদয়ৰ আঁৰে আঁৰে | ১৯৯৪ | যাদব চন্দ্ৰ দাস | দিলু হাজৰিকা |
| (১৯৫) মীমাংসা | ১৯৯৪ | সঞ্জীৱ হাজৰিকা | শ্বেৰ চৌধুৰী |
| **('ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত)** | | | |
| (১৯৬) বাঘ মানুহৰ খেলা | ১৯৯৪ | বিপুল বৰুৱা | মৃদুল বৰ্মন |
| (১৯৭) পানী | ১৯৯৫ | প্ৰফুল্ল শইকীয়া | ড° ভূপেন হাজৰিকা |
| (১৯৮) উৰ্বশী | ১৯৯৫ | দাৰা আহমেদ | ভূপেন উজীৰ |
| (১৯৯) আপোনজন | ১৯৯৫ | গৌৰী বৰ্মন | প্ৰভাত শৰ্মা |
| (২০০) নিশাৰ অৰণ্য | ১৯৯৫ | গণেশ দাস | ভূপেন উজীৰ |
| (২০১) সাগৰলৈ বহুদূৰ | ১৯৯৫ | জাহ্নু বৰুৱা | সত্য বৰুৱা |
| **(জাহ্নু বৰুৱালৈ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা, বিষ্ণু খাৰঘৰীয়ালৈ জুৰীৰ বিশেষ উল্লেখ, 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত, ছিংগাপুৰ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত *Gets prize* (বিশ্ব শান্তি বঁটা), নাটে *(Nates)* চলচ্চিত্ৰ মহোৎসৱত (ফ্ৰান্স) দৰ্শকৰ বিচাৰত শ্ৰেষ্ঠ ছবি (প্ৰি দো পাব্লিক) আৰু সত্য বৰুৱালৈ শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা)** | | | |
| (২০২) আই কিল্ড হিম ছাৰ | ১৯৯৫ | প্ৰদীপ গগৈ | শ্বেৰ চৌধুৰী |
| **(তৃতীয় চিনেমাস্কোপ ছবি)** | | | |
| (২০৩) ৰণাংগিনী | ১৯৯৫ | চন্দ্ৰ মুদৈ | চন্দ্ৰ মুদৈ |

## (আঠ)

*যৌৱনে আমনি কৰে.....*

১৯৯৬-২০০৫ চন অসমীয়া চলচ্চিত্ৰৰ অন্য এক গুৰুত্বপূৰ্ণ যুগ। 'জয়মতী' বোলছবিৰ জৰিয়তে জ্যোতিপ্ৰসাদে যিদৰে এটা কাহিনীতে অসমীয়া সমাজ আৰু সংস্কৃতিৰ প্ৰতিফলন ঘটাইছিল তাৰ পৰিৱৰ্তে ১৯৯৬-২০০৫ ৰ সময়ছোৱাত অসমীয়া চলচ্চিত্ৰলৈ আগমন ঘটিল সাধাৰণ ৰুচিবোধৰ নৃত্য-গীতেৰে পৰিপূৰ্ণ ৰোমাঞ্চ, এক্সন তথা অল্প বসনা চৰিত্ৰ, অভিনেতা-অভিনেত্ৰীৰ জোৱাৰ। ১৯৯৮ চনত মুক্তি লাভ কৰা অশোক কুমাৰ বিষয়াৰ 'যৌৱনে আমনি কৰে' নামৰ চলচ্চিত্ৰখনে অসমীয়া চলচ্চিত্ৰ জগতত এক ধুমুহাৰ সৃষ্টি কৰে। ছবিখনৰ সফলতাই বিভিন্ন পৰিচালক, প্ৰযোজকক ছবি নিৰ্মাণ কৰিবলৈ উৎসাহ যোগায়। এই সময়ছোৱাতে অসমীয়া চলচ্চিত্ৰলৈ আগমন ঘটে কিছুমান দুৰ্দান্ত প্ৰতিভাৰ। জনপ্ৰিয় গায়ক জুবিন গাৰ্গে মুনিন ভূঞাৰ 'হিয়া দিয়া নিয়া' নামৰ ছবিখনৰ জৰিয়তে অসমীয়া চলচ্চিত্ৰৰ সঙ্গীত পৰিচালনাত প্ৰথম খোজ পেলায়। সেইদৰে যতীন বৰা প্ৰতিষ্ঠিত হয় জনপ্ৰিয় নায়ক হিচাপে। চিত্ৰগ্ৰহণকাৰী মৃণালকান্তি দাসে বিদ্যুৎ চক্ৰৱৰ্তীৰ 'ৰাগ-বিৰাগ' আৰু ড° সান্ত্বনা বৰদলৈৰ পৰিচালিত 'অদাহ্য' ছবিখনৰ জৰিয়তে 'শ্ৰেষ্ঠ চিত্ৰগ্ৰহণকাৰী'ৰ ৰাষ্ট্ৰীয় বঁটা আজুৰি আনে। ২০০৩ চনত মঞ্জু বৰা পৰিচালিত 'আকাশী তৰাৰ কথাৰে' বোলছবিৰ জৰিয়তে জনপ্ৰিয় গায়িকা তৰালি শৰ্মাই 'শ্ৰেষ্ঠ নেপথ্য গায়িকাৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ' লাভ কৰে। উল্লেখযোগ্য এই ছবিখনৰ জৰিয়তে তৰালি শৰ্মাই 'সঙ্গীত পৰিচালনা'ৰ জগততো খোজ পেলায়। ২০০০ চনত আত্মপ্ৰকাশ কৰে কেইবাজনো নতুন পৰিচালকে। ইয়াৰ ভিতৰত মুন্না আহমেদ, বাহাৰুল ইছলাম আদি অন্যতম। অসমীয়া চলচ্চিত্ৰৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। সাধাৰণ ৰুচিবোধৰ চলচ্চিত্ৰ চলি থকাৰ মাজতে জাহ্নু বৰুৱাই নীৰৱে বোৱাই নিলে সুস্থ মানসিকতাৰ ছিৰিয়াছ ছবি। পূৰ্বৰে পৰা শিল্প সমৃদ্ধ ছিৰিয়াছ ছবি নিৰ্মাণত আগভাগ গ্ৰহণ কৰি থকা ড° ভবেন্দ্ৰ নাথ শইকীয়াই বিশ্ব দৰবাৰত অসমীয়া ছবিক প্ৰতিষ্ঠা কৰিলে। অসমীয়া চলচ্চিত্ৰই কঢ়িয়াই আনিলে বহুতো ৰাষ্ট্ৰীয়-আন্তৰাষ্ট্ৰীয় সন্মান। ১৯৯৬ ৰ পৰা ২০০৫ লৈকে মুক্তিলাভ কৰা চলচ্চিত্ৰ সমূহৰ নাম পূৰ্বৰ ক্ৰম অনুসৰি তালিকা (জ)ত দেখুওৱা হৈছে।

তালিকা নং ঃ 'জ' (১৯৯৬ - ২০০৫)

| ছবিৰ নাম | বছৰ | পৰিচালক | সংগীত পৰিচালক |
|---|---|---|---|
| (২০৪) ইতিহাস | ১৯৯৬ | ড° ভবেন্দ্ৰ নাথ শইকীয়া | ইন্দ্ৰেশ্বৰ শৰ্মা |
| **(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত, 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত)** | | | |
| (২০৫) জলাঞ্জলি | ১৯৯৬ | উপেন বৰুৱা | উপেন বৰুৱা |

| | | | |
|---|---|---|---|
| (২০৬) ৰাগ-বিৰাগ | ১৯৯৬ | বিদ্যুৎ চক্ৰৱৰ্তী | শ্বেৰ চৌধুৰী |

('ইণ্ডিয়ান পেনোৰামা'ত উদ্বোধনী ছবিৰ সন্মান লাভ কৰা প্ৰথম অসমীয়া ছবি, শ্ৰেষ্ঠ সম্পাদকৰ ৰাষ্ট্ৰীয় বঁটা এ শ্ৰীকৰ প্ৰসাদলৈ, শ্ৰেষ্ঠ চিত্ৰগ্ৰহণকাৰীৰ ৰাষ্ট্ৰীয় বঁটা মৃণাল কান্তি দাসলৈ)

| | | | |
|---|---|---|---|
| (২০৭) অদাহ্য | ১৯৯৬ | ডাঃ সান্ত্বনা বৰদলৈ | শ্বেৰ চৌধুৰী |

(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত, শ্ৰেষ্ঠ চিত্ৰগ্ৰহণকাৰীৰ ৰাষ্ট্ৰীয় বঁটা মৃণালকান্তি দাসলৈ, জুৰীৰ বিশেষ উল্লেখ ভাগিৰথীলৈ, ভাৰতৰ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত (১৯৯৮) এছিয়াৰ পৰিচালক ছবিৰ প্ৰতিযোগিতাত জুৰীৰ বঁটা, ত্ৰিবান্দ্ৰম ফিল্ম ছচাইটিৰ 'চলচ্চিত্ৰ'ই আগবঢ়োৱা শ্ৰেষ্ঠ ছবিৰ 'অৰবিন্দন পুৰস্কাৰ', ইষ্টাম্বুল আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত 'আউটষ্টেণ্ডিং ফিল্ম অব্ দি ফেষ্টিভেল' চাৰ্টিফিকেট, 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত)

| | | | |
|---|---|---|---|
| (২০৮) সাতোঁৰ | ১৯৯৬ | চন্দ্ৰ মুদৈ | চন্দ্ৰ মুদৈ |
| (২০৯) অভিশপ্ত প্ৰেম | ১৯৯৭ | মনোজ সেন | অপূৰ্ব বেজবৰুৱা |
| (২১০) সংস্কাৰ | ১৯৯৭ | ৰঞ্জিত দাস | শ্বেৰ চৌধুৰী |
| (২১১) সপোন | ১৯৯৭ | ৰাজেন ৰাজখোৱা | জয়ন্ত পাঠক |
| (২১২) দেউতাৰ বিয়া | ১৯৯৭ | দীপক ভূঞা | দীপক ভূঞা |

('এ' চাৰ্টিফিকেট প্ৰাপ্ত ছবি)

| | | | |
|---|---|---|---|
| (২১৩) বুধু-অৰ্জুন | ১৯৯৭ | পদ্ম কৈৰী | ভুবণ মুণ্ডু, ৰাম চাচনি |
| (২১৪) দেৱতা | ১৯৯৭ | দাৰা আহমেদ | ৰিদিপ দত্ত |
| (২১৫) যৌৱনে আমনি কৰে | ১৯৯৮ | অশোক কুমাৰ বিষয়া | ক্ষীৰদা কান্ত বিষয়া, ভূপেন উজীৰ জয়ন্ত দাস, জিতুল সোণোৱাল |
| (২১৬) কুশল | ১৯৯৮ | জাহ্নু বৰুৱা | সত্য বৰুৱা |

(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত, 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত)

| | | | |
|---|---|---|---|
| (২১৭) কৃষ্ণচূড়া | ১৯৯৮ | মৃদুলা গুপ্তা | সুমন চট্টোপাধ্যায় |
| (২১৮) মোহমুক্তি | ১৯৯৮ | ধীৰাজ দাস কাশ্যপ | প্ৰভাত শৰ্মা |
| (২১৯) সংঘাত সংঘাত সংঘাত | ১৯৯৯ | দীনেশ গগৈ | জিতুল সোণোৱাল |
| (২২০) মহাৰথী | ১৯৯৯ | বাণী দাস | মানস হাজৰিকা |
| (২২১) অনল | ১৯৯৯ | ড' পৰমানন্দ ৰাজবংশী | তফজ্জুল আলী, প্ৰভাত শৰ্মা, ইদ্ৰিছ আলী |
| (২২২) বুবুৰ্ মাজত জ্বলে | ১৯৯৯ | অশোক কুমাৰ বিষয়া | চাৰু গোঁহাই, ভূপেন উজীৰ, জয়ন্ত দাস |
| (২২৩) বৈভৱ | ১৯৯৯ | মঞ্জু বৰা | ৰিচি আৰ দি |

(ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত জুৰীৰ বিশেষ উল্লেখ, ষষ্ঠ ঢাকা আন্তৰ্জাতিক চলচ্চিত্ৰ উৎসৱত শ্ৰেষ্ঠ ছবিৰ সন্মান, চেন্নাইৰ গোলাপুড়ি শ্ৰীনিবাস বঁটা প্ৰতিযোগিতাত পৰিচালকৰ প্ৰথম ছবি হিচাপে শ্ৰেষ্ঠ পৰিচালকৰ বঁটা)

| | | | |
|---|---|---|---|
| (২২৪) মৰম নদীৰ গাভৰু ঘাট | ১৯৯৯ | পুলক গগৈ | অতুল মেধি |
| (২২৫) মৃত্যুহীন জীৱন | ২০০০ | মনোৰঞ্জন শূৰ | তফজ্জুল আলী |
| (২২৬) নিৰবিদ্ধ নদী | ২০০০ | বিদ্যুৎ চক্ৰৱৰ্তী | শ্বেৰ চৌধুৰী |
| (২২৭) হিয়া দিয়া নিয়া | ২০০০ | মুনীন বৰুৱা | জুবিন গাৰ্গ |
| (২২৮) তুমি মোৰ মাথোঁ মোৰ | ২০০০ | জুবিন গাৰ্গ | জুবিন গাৰ্গ |
| (২২৯) অহংকাৰ | ২০০০ | প্ৰদীপ হাজৰিকা | এন অমৃত |
| (২৩০) পখী | ২০০০ | জাহ্নু বৰুৱা | ওৱাই এছ মুলকী |

(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত, 'ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত)

| | | | |
|---|---|---|---|
| (২৩১) আছেনে কোনোবা হিয়াত | ২০০০ | বাহাৰুল ইছলাম | মনোজ শৰ্মা |
| (২৩২) ভূমিপুত্ৰ | ২০০০ | জয়ন্ত দাস | জয়ন্ত দাস (জোনটি) |
| **ছবিৰ নাম** | **বছৰ** | **পৰিচালক** | **সংগীত পৰিচালক** |
| (২৩৩) মৎস্যগন্ধা | ২০০০ | সঞ্জীৱ হাজৰিকা | শ্বেৰ চৌধুৰী |
| (২৩৪) জোন জ্বলে কপালত | ২০০০ | মুন্না আহমেদ | জয়ন্ত দাস (জোনটি) |
| (২৩৫) যুগান্তৰৰ তেজাল পুৱা | ২০০০ | জ'নচ্ মহলীয়া | দেৱজিত চৌধুৰী |
| (২৩৬) দাগ | ২০০১ | মুনিন বৰুৱা | জুবিন গাৰ্গ |
| (২৩৭) শেষ উপহাৰ | ২০০১ | গোপাল বৰঠাকুৰ | জে. পি. দাস |
| (২৩৮) সেউজী ধৰণী ধুনীয়া | ২০০১ | ৰাজীৱ ভট্টাচাৰ্য | ৰাজীৱ ভট্টাচাৰ্য |
| (২৩৯) অন্য এক যাত্ৰা | ২০০১ | মঞ্জু বৰা | ৰিচি আৰ দি |
| (২৪০) বিস্ফোৰণ | ২০০১ | কন্দৰ্প বৰুৱা | কন্দৰ্প, ধীৰাজ |
| (২৪১) গৰম বতাহ | ২০০১ | ব্ৰজেন বৰা | যতীন শৰ্মা |
| (২৪২) কইনা মোৰ ধুনীয়া | ২০০১ | সুমন হৰিপ্ৰিয়া | প্ৰদীপ, অনুপম |
| (২৪৩) আই লাভ ইউ | ২০০১ | অশোক কুমাৰ বিষয়া | চাৰু গোহাঁই, জয়ন্ত পাঠক, অসীম হাজৰিকা, বিজয় ভূঞা, প্ৰান্তিক ফুকন। |
| (২৪৪) এই মৰম তোমাৰ বাবে | ২০০১ | তৌফিক ৰহমান | ভূপেন উজীৰ |
| (২৪৫) নায়ক | ২০০১ | মুনিন বৰুৱা | জুবিন গাৰ্গ |
| (২৪৬) ইমান মৰম কিয় লাগে | ২০০২ | অলক নাথ | মনোজ শৰ্মা |
| (২৪৭) প্ৰেম আৰু প্ৰেম | ২০০২ | শম্ভু গুপ্ত | জুবিন গাৰ্গ |
| (২৪৮) জখম | ২০০২ | মুন্না আহমেদ | ভূপেন উজীৰ |
| (২৪৯) জোনাকী মন | ২০০২ | জীৱৰাজ বৰ্মন | জুবিন গাৰ্গ |
| (২৫০) কন্যাদান | ২০০২ | মুনিন বৰুৱা | জুবিন গাৰ্গ |

| | | | |
|---|---|---|---|
| (২৫১) তুমিয়ে মোৰ কল্পনাৰ | ২০০২ | বিপুল কুমাৰ বৰুৱা | নয়নমণি বৰুৱা, জয়ন্ত দাস (জোনটি) |
| (২৫২) প্ৰিয়া অ' প্ৰিয়া | ২০০২ | অঞ্জন কলিতা | মানস ৰবীন |
| (২৫৩) নৰমী হ'বানে লগৰী | ২০০২ | ইছা খান | ভূপেন উজীৰ, মানস হাজৰিকা |
| (২৫৪) গুণ গুণ গানে গানে | ২০০২ | বিদ্যুৎ চক্ৰৱৰ্তী | কামাল ৰছিদ আহমেদ |
| (২৫৫) জীৱন নদীৰ দুটি পাৰ | ২০০২ | মুন্না আহমেদ | জুবিন গাৰ্গ |
| (২৫৬) ত্যাগ | ২০০২ | নাৰায়ণ শীল | জিতু-তপন |
| (২৫৭) মিঠা মিঠা লগনত | ২০০২ | অচ্যুৎ কুমাৰ ভাগৱতী, সুশান্ত মজিন্দাৰ বৰুৱা | মানস হাজৰিকা |
| (২৫৮) মন | ২০০২ | বাণী দাস | মানস হাজৰিকা |
| (২৫৯) মাঘত মামনিৰ বিয়া | ২০০২ | চন্দ্ৰ মুদৈ | দিলীপ ফুকন, খগেন গগৈ |
| (২৬০) ককাদেউতাৰ ঘৰ জোঁৱাই | ২০০২ | সুমন হৰিপ্ৰিয়া | প্ৰভাত শৰ্মা, মানস ৰবীন, বিভু প্ৰভা, মণ্টি বৈশ্য |
| (২৬১) প্ৰেমগীত | ২০০২ | আশিস শইকীয়া | মানস হাজৰিকা |
| (২৬২) কণিকাৰ ৰামধেনু | ২০০২ | জাহ্নু বৰুৱা | ওৱাই এছ মুলকি |
| **(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত, ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত)** | | | |
| (২৬৩) অৰ্পণ | ২০০৩ | কৃষ্ণ ফুকন | জিতুমনি কলিতা |
| (২৬৪) অগ্নিসাক্ষী | ২০০৩ | যদুমণি দত্ত | জুবিন গাৰ্গ |
| (২৬৫) পত্নী | ২০০৩ | পুলক গগৈ | অতুল মেধি |
| (২৬৬) হিটলিষ্ট | ২০০৩ | দীনেশ গগৈ | সদানন্দ গগৈ |
| (২৬৭) মা | ২০০৩ | পদ্ম বৈৰী | প্ৰকাশ |
| (২৬৮) প্ৰিয়া মিলন | ২০০৩ | মুন্না আহমেদ | জুবিন গাৰ্গ |
| (২৬৯) বিধাতা | ২০০৩ | মুনিন বৰুৱা | জুবিন গাৰ্গ |
| (২৭০) এয়েই জোনাক বিহীন জীৱন | ২০০৩ | মুন্না আহমেদ | মানস ৰবীন |
| (২৭১) সৰু বোৱাৰী | ২০০৩ | চক্ৰধৰ ডেকা | বিজয় লক্ষ্মী |
| **ছবিৰ নাম** | **বছৰ** | **পৰিচালক** | **সংগীত পৰিচালক** |
| (২৭২) প্ৰেম ভৰা চকুলো | ২০০৩ | প্ৰবীণ বৰা | অৱনী-ভবেন |
| (২৭৩) জুমন সুমন | ২০০৩ | মহিবুল হক | জুবিন গাৰ্গ |
| (২৭৪) সত্যম শিৱম সুন্দৰম | ২০০৩ | ব্ৰজেন বৰা | ভূপেন উজীৰ |
| (২৭৫) বন্ধন | ২০০৩ | তৌফিক ৰহমান | মনোজ শৰ্মা |
| (২৭৬) উজনিৰ দুজনী গাভৰু | ২০০৩ | চন্দ্ৰ মুদৈ | মানস ৰবীন |
| (২৭৭) আকাশী তৰাৰ কথাৰে | ২০০৩ | মঞ্জু বৰা | তৰালি শৰ্মা |
| **('এ' চাৰ্টিফিকেট প্ৰাপ্ত ছবি, আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ নেপথ্য গায়িকাৰ সন্মান তৰালি শৰ্মালৈ, ঢাকা আন্তৰ্জাতিক চলচ্চিত্ৰ উৎসৱত অডিয়েন্স এৱাৰ্ড)** | | | |
| (২৭৮) হেঁপাহ | ২০০৩ | শংকৰ বৰুৱা | জিতুল সোণোৱাল |
| (২৭৯) তৰা | ২০০৩ | জাহ্নু বৰুৱা | ৰীতা বৰুৱা দাস |
| **(তৃতীয় অসমীয়া শিশু ছবি আৰু শ্ৰেষ্ঠ শিশু ছবিৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত)** | | | |
| (২৮০) এটি কলি দুটি পাত | ২০০৩ | নয়নমণি বৰুৱা | নয়নমণি বৰুৱা |
| (২৮১) মা তুমি অনন্যা | ২০০৪ | মুন্না আহমেদ | ডাঃ হিতেশ বৰুৱা |
| (২৮২) জুয়ে পোৰা সোণ | ২০০৪ | সঞ্জীৱ সভাপণ্ডিত | অনিৰুদ্ধ বৰুৱা |
| **(ৰাষ্ট্ৰীয় চলচ্চিত্ৰ প্ৰতিযোগিতাত পৰিৱেশ সংৰক্ষণ শিতানত শ্ৰেষ্ঠ ছবিৰ সন্মান আৰু ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত)** | | | |
| (২৮৩) হৃদয় কপোৱা গান | ২০০৪ | জয়ন্ত নাথ | জয়ন্ত নাথ |
| (২৮৪) মায়া | ২০০৪ | ৰাজেশ ভূঞা, পবিত্ৰ মাৰ্ঘেৰিটা | সুমিল বাৰ্গ |
| (২৮৫) বাৰুদ | ২০০৪ | মুনিন বৰুৱা | জুবিন গাৰ্গ |
| (২৮৬) কাদম্বৰী | ২০০৪ | বাণী দাস | মানস ৰবিন |
| (২৮৭) ৰং | ২০০৪ | মুনিন বৰুৱা | জুবিন গাৰ্গ |
| (২৮৮) মনত বিৰিণাৰ জুই | ২০০৪ | অশোক কুমাৰ বিষয়া | অভিজিত বৰ্মন, দিগন্ত শৰ্মা, সুৰেশ কুমাৰ, হীৰক কাশ্যপ |
| (২৮৯) দীনবন্ধু | ২০০৪ | মুনিন বৰুৱা | জুবিন গাৰ্গ |
| **(আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত)** | | | |
| (২৯০) ৰংমন | ২০০৪ | অনল বৰুৱা | মানস ৰবীন |
| (২৯১) লাজ | ২০০৪ | মঞ্জু বৰা | তৰালি শৰ্মা |
| **(দ্বিতীয় বাংলাদেশ আন্তৰ্জাতিক মহোৎসৱত জুৰীৰ উল্লেখ আৰু ইণ্ডিয়ান পেনোৰামা'ত প্ৰদৰ্শিত)** | | | |
| (২৯২) অনুৰাগ | ২০০৪ | বিদ্যুৎ চক্ৰৱৰ্তী | দিগন্ত ভাৰতী |
| (২৯৩) চক্ৰব্যূহ | ২০০৪ | প্ৰাঞ্জল শইকীয়া | শেখৰ চৌধুৰী |
| (২৯৪) দি ছিক্সথ ডে অব্ ক্ৰিয়েছন | ২০০৫ | দীপা ভট্টাচাৰ্য | বিভা ভট্টাচাৰ্য, মাধৱ ডেকা |
| **(মাথো তিনিটা চৰিত্ৰৰে নিৰ্মিত প্ৰথম অসমীয়া ছবি)** | | | |
| (২৯৫) সোণৰ খাৰু নালাগে মোক | ২০০৫ | ৰজনী বৰ্মন (ৰাজ) | অপূৰ্ব বেজবৰুৱা |

| | | | |
|---|---|---|---|
| (২৯৬) অন্তহীন যাত্ৰা | ২০০৫ | মুন্না আহমেদ | ডাঃ হিতেশ বৰুৱা |
| (২৯৭) হিয়াৰ দাপোনত তোমাৰেই ছবি | ২০০৫ | শিৱানন বৰুৱা | পলাশ গগৈ |
| (২৯৮) কদমতলে কৃষ্ণ নাচে | ২০০৫ | সুমন হৰিপ্ৰিয়া | প্ৰভাত শৰ্মা |
| (২৯৯) চুবেন চোৰৰ পুতেক | ২০০৫ | চন্দ্ৰ মুদৈ | ডাঃ হিতেশ বৰুৱা |
| (৩০০) অন্তৰাগ | ২০০৫ | শিৱপ্ৰসাদ ঠাকুৰ | মাণিক বৰা |
| (৩০১) অঘৰী আত্মা | ২০০৫ | মুন্না আহমেদ | ভূপেন উজীৰ |
| (৩০২) জীৱন তৃষ্ণা | ২০০৫ | অৰূপ মান্না | মানস হাজৰিকা |
| (৩০৩) চেনাই মোৰ ঢুলীয়া | ২০০৫ | চন্দ্ৰ মুদৈ | জয়ন্ত পাঠক, জিতুল সোণোৱাল, নলিন হাজৰিকা |
| (৩০৪) স্নেহবন্ধন | ২০০৫ | দেৱজিত অধিকাৰী | নন্দ বেনাৰ্জী |




**সামাজিক বিৱৰ্তন আৰু অসমীয়া চলচ্চিত্ৰ ঃ**

সময় গতিশীল। এই গতিশীলতাৰ পৰশ চলচ্চিত্ৰৰ ক্ষেত্ৰতো বিদ্যমান। এসময়ত চিত্ৰগৃহৰ অভাৱত ভ্ৰাম্যমান প্ৰজেক্টৰৰ দ্বাৰা প্ৰদৰ্শিত হোৱা অসমীয়া চলচ্চিত্ৰই আজি ঠাই পালে সৰু সৰু কম্পেক্ট ডিস্কত (চি.ডিত)। প্ৰযুক্তিবিদ্যাৰ প্ৰচুৰ পয়োভৰত অসমীয়া চলচ্চিত্ৰ উদ্যোগ ক্ৰমান্বয়ে উৰ্দ্ধমুখী হ'ব লাগিছিল। কিন্তু চিত্ৰগৃহত গ্ৰেনেড বিস্ফোৰণ তথা বহু চিত্ৰগৃহৰ জৰাজীৰ্ণ ৰূপ আৰু ভিচিডিৰ অবাধ পয়োভৰে অসমীয়া ছবি চাবলৈ যোৱা দৰ্শকৰ সংখ্যা হ্ৰাস কৰিলে। বহু চিত্ৰগৃহ বন্ধ হৈ পৰিল। তথাপিও কিন্তু অসমীয়া চলচ্চিত্ৰৰ সংখ্যা নকমিল। জ্যোতিপ্ৰসাদৰ সময়ত, ১৯৩৫ চনৰ পৰা ১৯৫০ চনলৈকে মুক্তিলাভ কৰা চলচ্চিত্ৰৰ সংখ্যা আছিল কেৱল দহখন। ইয়াৰ পিছত ১৯৫১-৬০ চনলৈকে হ'লগৈ ১৭ খন। সেইদৰে, ১৯৬১ - ৬০ চনলৈ ১৫ খন, ১৯৭১ - ৮০ চনলৈকে ৬২ খন, ১৯৮১ - ৯০ চনলৈ ৬৫ খন, ১৯৯১ - ২০০০ চনলৈকে ৬৬ খন। আৰু কেৱল ২০০১ - ২০০৫ চনলৈকে অভিলেখ সংখ্যক ৬৯ খন চলচ্চিত্ৰই মুক্তি লাভ কৰে। গতিকে পৰিসংখ্যাৰ দৃষ্টিৰে চালে দেখা যায় যে নানা অভাৱ অভিযোগৰ মাজতো অসমীয়া চলচ্চিত্ৰৰ সংখ্যা কমা নাই, বাঢ়িবহে ধৰিছে আৰু আমি বাঢ়িয়েই থাকিব বুলি আশাবাদী।

*সুদূৰ প্ৰসাৰী, মানৱ সভ্যতাই*
*প্ৰতি মানৱৰ আগ্নেয়গিৰি আত্মাই*
*নৱ বিপ্লৱ নিতে গঢ়ে।*
*প্ৰচণ্ড অগ্নিপিণ্ড জ্বালাময়ী সেয়ে উৰে।।...*

**গ্ৰন্থপঞ্জী ঃ**

(১) অপূৰ্ব শৰ্মাঃ অসমীয়া চলচ্চিত্ৰৰ ছাঁ পোহৰ, পৃষ্ঠা ১২, (২) অপূৰ্ব শৰ্মাঃ অসমীয়া চলচ্চিত্ৰৰ ছাঁ পোহৰ, পৃষ্ঠা ১৩, (৩) প্ৰফুল্ল প্ৰঃ বৰুৱা Cinema in Assamese, Pg. 14, (৪) অতুল চন্দ্ৰ হাজৰিকা ঃ মঞ্চলেখা (অৰুণলোচন দাসৰ "অসমীয়া চিনেমাৰ কথা" পৃষ্ঠা ১২৯ ৰ পৰা উদ্ধৃত) (৫) সত্যজিৎ ৰায়ৰ চিনেমা - চিদানন্দ দাসগুপ্ত, (৬) চলচ্চিত্ৰ প্ৰসঙ্গ - পদুম বৰুৱা (৭) অসমীয়া বোলছবিৰ ইতিহাস - নিৰোদ চৌধুৰী।

* উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

*"মগজুটোত বিভিন্ন আইদিয়াৰ 'চিলেক্চন প্ৰচেচ' আৰম্ভ হৈ গৈছে। সকলোবোৰৰ ভিতৰত বাংলাদেশৰ মহম্মদ ইউনুছৰ খেলটো খুবেই পচন্দ হৈছে। আপেল সৰা দেখিয়েই নিউটনে মধ্যাকৰ্ষণ শক্তি আবিষ্কাৰ কৰাৰ দৰে ইউনুছ মহাশয়ৰ মনত দৰিদ্ৰ জনগণ দেখি যি গ্ৰামীন বেংকৰ ধাৰণাই পোখা মেলিলে সিয়েই এদিন বিশাল মহীৰুহ হৈ অৰ্থনীতিৰ অধ্যাপক গৰাকীলৈ আনি দিলে শান্তিৰ নোবেল পুৰস্কাৰ।"*



# বিশ্বায়নৰ ছত্ৰছায়াত ভাৰতীয় অৰ্থনীতি

সুৰেশ কুমাৰ নাথ*

## এক / আঁৰৰ কাহিনী ঃ হঠাৎ পেট্ৰিয়ৎ

এবাৰ জাৰ্মানীৰ কোনোবা এটা ৰেলৱে ষ্টেচনত শীতৰ সন্ধিয়া এটাত ৰেল অহালৈ বাট চাই থকাৰ সময়খিনি এনেয়ে কটোৱাতকৈ 'অসমীয়া সাহিত্যৰ ভবিষ্যত'ৰ বিষয়ে অলপ চিন্তা কৰাই যুগুত বুলি বিদেশত থকা আমাৰ শ্ৰদ্ধেয় লেখক এগৰাকীয়ে কৰা কাৰবাৰটোৰ দৰে এইবাৰ ময়ো বিদেশৰ পৰা উভতাৰ বাটত বিমানতে অকলে বহি বহি কথা নাই, বতৰা নাই 'বিশ্বায়নৰ ধামখুমীয়াত অসমৰ অৰ্থনৈতিক উন্নয়নৰ শামুকীয়া প্ৰক্ৰিয়াটো ঘোঁৰাৰ কদমত ত্বৰান্বিত কৰাৰ যিকোনো যাদুকৰী উপায় হ'ব পাৰে বুলি একেবাৰে 'ৰিলিজিয়াচ্‌লি' ভাবিবলৈ ল'লো। হয়, আপুনি ঠিকেই ভাবিছে, এইবোৰেই কাৰবাৰ। এনে 'মেডিটেচন' আজিকালি নিসংগতা দূৰীকৰণৰ মহৌষধ হিচাপে পাশ্চাত্যৰ 'সুন্দৰ জীৱন-যাপন'ৰ দীক্ষা দিয়া গুৰুসকলে 'প্ৰেচ্‌ক্ৰাইব' কৰে। চৌকাষৰ পৃথিৱীখনৰ কথাবোৰ মোটামুটি ঠিক থকা যেন পালে অৱসৰৰ সময়ত চিন্তাৰ এনে বিলাসিতা কৰাটো মানসিক স্বাস্থ্যৰ বাবে নিশ্চয় বৰ বেয়া কথা নহয়। প্ৰাত্যহিক জীৱনৰ নিগনি-চঞ্চল ল'ৰা-ঢপৰাবোৰৰ উৎপাতত এনেবোৰ সুন্দৰ আৰামী 'দেশগঢ়ী' ধাৰণাবোৰ পলাই পত্ৰং দিয়ে। বাৰেবৰণীয়া সমস্যাৰ ভৰত সংসাৰীসকলৰ অনেকৰে ভৰিৰ তলৰ ধৰণী কঁপি থাকে দৈনন্দিন। প্ৰৌঢ়সকলে ভটিয়নীত জীৱনৰ নাও মেলি দিছে। অনিশ্চয়তাৰ বাঢ়নী পানীত জীৱনৰ নাও ক'লৈ যায় তাৰ কোনো ইয়ত্তা নাই। নিজৰ চিন্তা এৰি দেশৰ, দহৰ চিন্তা কৰাসকল এই কলিযুগৰ বাবে যে পূৰা মাত্ৰাই অযোগ্য সেইকথা আমাৰ দৰে দুকুৰি বছৰীয়াসকলে বাৰুকৈয়ে বুজি উঠিছোঁ। সেয়ে, আজিকালি ব্যক্তিগত জীৱনৰ সুখ-স্বাচ্ছন্দ্যত তিলমানো আঘাত নপৰাকৈ দেশৰ কথা চিন্তা কৰাই মংগল। ভাবিলো যে, শীততাপ নিয়ন্ত্ৰিত এক বিলাসী পৰিবেশত 'অসমৰ দুৰৱস্থাৰ হেতু' নতুনকৈ চিন্তা কৰাটোত এটা আমেজো নিশ্চয় সোমাই আছে!

মগজুটোত বিভিন্ন আইদিয়াৰ 'চিলেক্চন প্ৰচেচ' আৰম্ভ হৈ গৈছে। সকলোবোৰৰ ভিতৰত বাংলাদেশৰ মহম্মদ ইউনুছৰ খেলটো খুবেই পচন্দ হৈছে। আপেল সৰা দেখিয়েই নিউটনে মাধ্যাকৰ্ষণ শক্তি আবিষ্কাৰ কৰাৰ দৰে ইউনুছ মহাশয়ৰ মনত দৰিদ্ৰ জনগণ দেখি যি গ্ৰামীন বেংকৰ ধাৰণাই

পোখা মেলিলে সিয়েই এদিন বিশাল মহীৰুহ হৈ অৰ্থনীতিৰ অধ্যাপক গৰাকীলৈ আনি দিলে শান্তিৰ নোবেল পুৰস্কাৰ। 'ব্ৰিলিয়েন্ট আইদিয়া'ৰ ব্ৰিলিয়েন্ট ৰিজাল্ট। আমিও দৈনিক কিমানবোৰ কি দেখি আছোঁ, কিন্তু এনে 'নিউটনীয় টাৰ্ণিং পইন্ট'ৰ বাবে যেন কিবা এটাৰ অভাব। মনলৈ আহিছে ড° আৰভিন হলিডেৰ কথাও। কানাডিয়ান স্কটিছ এইগৰাকী বৈদ্যুতিক অভিযন্তাই নেপালত পাহাৰ বগাবলৈ আহি দেখিলে যে তাত মাক-দেউতাকৰ লগত দিনটো কামত ব্যস্ত থকা শিশুবোৰ বিদ্যালয়লৈ নাযায় আৰু বিজুলীৰ অভাৱত সিহঁতে গধূলি ঘৰতো পঢ়াশুনা কৰিব নোৱাৰে। নেপালত বিদ্যুৎশক্তি উৎপাদনৰ প্ৰচুৰ সম্ভাৱনা থকা সত্বেও বিভিন্ন কাৰণত বিজুলী যোগান সম্ভৱ হৈ উঠা নাই। তেনেক্ষেত্ৰত নেপালৰ গ্ৰামাঞ্চলত কম খৰচত কিদৰে পোহৰৰ ব্যৱস্থা কৰিব পৰা যায় বুলি চিন্তা কৰি কৰিয়েই এদিন তেওঁ প্ৰস্তুত কৰি উলিয়ালে অ'লৈ ত'লৈ সহজে লৈ যাব পৰা 'পেডেল জেনেৰেটৰ'। ঘৰৰ যিকোনো সদস্য এজনে সেইটো আধাঘন্টাৰ পৰা এঘন্টা চলালেই ১২ ভল্টৰ ড্ৰাই বেটাৰী এটা চাৰ্জ কৰি বগা 'লেড'ৰ বাল্ব এটা ছয়ঘন্টা পৰ্যন্ত জ্বলাব পৰা হ'ল। নেপালৰ গাঁৱত ড° আৰভিনৰ এই বৈপ্লৱিক পোহৰ ব্যৱস্থাই একেটা গুলীতে কেইবাটাও চিকাৰ কৰিলে - শিশুবোৰে গধূলি পঢ়িবলৈ ল'লে; কম পোহৰৰ বাবে মানুহবোৰৰ হোৱা চকুৰ অসুখো কমি আহিল; মানুহবোৰৰ কামৰ সময়ো দীঘলীয়া হ'ল। এই যুগান্তকাৰী কামৰ বাবে ড° আৰভিনে লাভ কৰিলে ২০০২ চনৰ 'ৰলেক্স' পুৰস্কাৰ - যাৰ ধনেৰে তেখেতে পুনৰ আৰম্ভ কৰিছে 'বিশ্বৰ পোহৰ আঁচনি'।

ড° আৰভিনৰ পথেৰেই কিবা এটা কৰিব পৰা যায় নেকি ভাবি থাকোঁতেই দেখিলোঁ ৰাতি বাৰটা বাজিছে আৰু বিমানখন নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমান বন্দৰত অৱতৰণ কৰিছে। 'অসমৰ অৰ্থনৈতিক উন্নয়ন' বিষয়ক মোৰ স্বপ্নৰ প্ৰকল্পটোৰ সৌধটোও সিমানতে খহি পৰিল আৰু খন্তেক পাছতে মই দেশৰ ৰাজধানীখনৰ জনসমুদ্ৰত মিলি পৰিলোঁ।

**দুই / বিশ্বায়নৰ ছত্ৰছায়াত আমাৰ অৰ্থনীতি আৰু সমৃদ্ধিৰ প্ৰশ্ন ঃ**

মাইক্ৰচফ্‌টৰ বিল গেট্‌ছে কৈছে যে শূন্যৰ পৰা আৰম্ভ কৰি তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ জৰিয়তে ভাৰতে লাভ কৰা অৰ্থনৈতিক সমৃদ্ধিৰ কাহিনী সাম্প্ৰতিক সময়ৰ এক যুগান্তকাৰী ঘটনা। আজি ভাৰতত বিশ্বৰ এক তৃতীয়াংশ কম্পিউটাৰ অভিযন্তা আছে যদিও এইখন দেশতেই বাস কৰে বিশ্বত পুষ্টিহীনতাত ভোগা মুঠ শিশুৰ এক তৃতীয়াংশ। বিশ্বৰ কোটিপতিৰ সংখ্যাৰ হিচাপত ভাৰতৰ স্থান এতিয়া অষ্টম যদিও মানৱ অধিকাৰ সূচকাংকত ভাৰতে লাভ কৰিছে ১২৭ নম্বৰ স্থান। প্ৰতি বছৰে আঠ শতাংশ হাৰত জাতীয় আয় বৃদ্ধিৰ লক্ষ্যত ভাৰত উপনীত হৈছে যদিও দৰিদ্ৰতা, নিৰক্ষৰতা আৰু নিবনুৱা সমস্যা এতিয়াও ভাৰতবৰ্ষৰ বাবে প্ৰধান প্ৰাথমিক সমস্যা হৈ ৰ'ল। দ্ৰুত অৰ্থনৈতিক প্ৰগতিৰ ফলতেই সৃষ্টি হোৱা বৃহৎসংখ্যক উচ্চ মধ্যবিত্তৰ বৰ্দ্ধিত ক্ৰয় ক্ষমতাৰ প্ৰতি আকৰ্ষিত হৈ বহুজাতিক কোম্পানীবোৰে ইয়াত ভিৰ কৰিছেহি। 'উইপ্ৰো'ৰ আজিম হাচান প্ৰেমজীয়েও মন্তব্য কৰিছে যে প্ৰযুক্তিবিদ্যা সমাজ পৰিবৰ্তনৰ এক গুৰুত্বপূৰ্ণ আহিলা আৰু ইয়াৰ দ্বাৰাই ভাৰতত আকাংক্ষিত প্ৰগতি সম্ভৱ হৈ উঠিব; তেওঁ লগতে দোহাৰিছে যে, আমাৰ দেশৰ বৃহৎসংখ্যক শিক্ষিত জনসংখ্যাক 'সমস্যা' বুলি নেভাবি 'সুযোগ' বুলি ভাবিব লাগিব। ১৯৯৯ চনৰে পৰা এতিয়ালৈ তথ্য-প্ৰযুক্তিখণ্ডত কমেও ১২ লাখ সংস্থানৰ সৃষ্টি হৈছে আৰু কৰ্মদক্ষ শ্ৰমিকৰ দ্বাৰা সমৃদ্ধ হৈ খণ্ডটোত এক অভূতপূৰ্ব বিপ্লৱ সংঘটিত হৈছে। প্ৰতিবছৰে ত্ৰিশ শতাংশ হাৰত চফ্‌টৱেৰ ৰপ্তানী বৃদ্ধি হোৱালৈ চাই ২০০৮ চনৰ ভিতৰত এই খণ্ডটোৰ জৰিয়তে আমাৰ জাতীয় আয় দহ শতাংশ বৃদ্ধি হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। বছৰি তিনিলাখ পঞ্চাশ হাজাৰৰো অধিক কম্পিউটাৰ অভিযন্তা সৃষ্টি কৰি ভাৰত চীনকে ধৰি বিশ্বৰ আন বহু দেশতকৈ এই দিশত আগবাঢ়ি আছে। আমোদজনকভাৱে ইটালীৰ প্ৰধানমন্ত্ৰী ৰমানো প্ৰডিয়ে আক্ষেপ কৰিছে যে ইটালীত কোনো বাংগালোৰ নাই আৰু তেখেতৰ মতে ভাৰতত আছে এক গণিত-শাস্ত্ৰ চফ্‌টৱেৰ সংস্কৃতি আৰু বিশ্বমানৰ উচ্চশিক্ষাৰ বহু প্ৰতিষ্ঠান। ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাৰ কাৰ্য্যকাৰিতাকো বিশ্বৰ বহু নেতাই সপ্ৰশংসভাৱে স্বীকৃতি দিছে। 'জি এফ ডি' নামৰ গৱেষণা প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা এক সমীক্ষাৰ ফলাফলত কৈছে যে নিউয়ৰ্ক, লণ্ডন আৰু বেইজিঙৰ ৫৪ শতাংশ নাগৰিকে ভাৰতক 'এক উদিত শক্তি' ৰূপে গণ্য কৰে।

গণতান্ত্ৰিক ব্যৱস্থাই দিয়া সাংবিধানিক পৰিকাঠামোৰ মাজত ভাৰতে মিশ্ৰ অৰ্থনীতিক আধাৰ হিচাপে লৈ আৰম্ভ কৰা অৰ্থনৈতিক প্ৰগতিৰ যাত্ৰাই দেশখনক ক'ত উপনীত কৰাব অথবা আমাৰ হেজাৰ বছৰীয়া ঐতিহ্য, দৰ্শন, নৈতিকতা, সামাজিক বান্ধোন তথা গাঁথনি, সংস্কৃতিবো ভেঁটি ই থানবান কৰি দিব পাৰে নেকি বুলি কিছুসংখ্যকে প্ৰশ্ন তুলিছে। দ্বিতীয় মহাযুদ্ধৰ পাছৰে পৰা পুঁজিবাদৰ স্বৰূপো যথেষ্ট সলনি হৈছে। এতিয়া বিশ্বৰ অধিকাংশতেই 'আমেৰিকান কেপিটেলিজিম'ৰ প্ৰভুত্ব চলিছে। স্বাধীনতাৰ পাছত সমাজতন্ত্ৰৰ আৰ্হিত "সমাজবাদী সমাজ প্ৰতিষ্ঠা

*"স্বাধীনতাৰ পাছত সমাজতন্ত্ৰৰ আৰ্হিত "সমাজবাদী সমাজ প্ৰতিষ্ঠা কৰাৰ সংকল্প লৈ আগবঢ়া ভাৰতৰ বাবে এয়া আজি ভাৰতীয় অৰ্থনীতিক 'ভাৰতীয়কৰণ' কৰাৰ প্ৰক্ৰিয়া বুলি অনেকেই প্ৰশ্ন কৰিছে। অকল এয়ে নহয়। আন বহু প্ৰশ্নৰ উত্তৰৰ বাবেও বামপন্থী দল, বুদ্ধিজীৱী আৰু সচেতন মহল উদগ্ৰীৱ হৈ উঠিছে। সুচতুৰ ব্যৱসায়িক মহলৰ সামাজিক দায়বদ্ধতাৰ বিষয়টোৱে কি ৰূপ ল'ব অথবা এই বিষয়ত প্ৰয়োজন সাপেক্ষে চৰকাৰে সামূহিক কল্যাণৰ স্বাৰ্থত ল'বলগীয়া নীতি-নিৰ্দেশনা-পদক্ষেপবোৰ কিহৰ ভিত্তিত নিৰ্দ্ধাৰিত হ'ব?"*

ৰাৰ সংকল্প লৈ আগবঢ়া ভাৰতৰ বাবে এয়া আজি ভাৰতীয় অৰ্থনীতিক "ভাৰতীয়কৰণ' কৰাৰ প্ৰক্ৰিয়া বুলি অনেকেই প্ৰশ্ন কৰিছে। অকল এয়ে নহয়। আন বহু প্ৰশ্নৰ উত্তৰৰ বাবেও বামপন্থী দল, বুদ্ধিজীৱী আৰু সচেতন মহল উদগ্ৰীৱ হৈ উঠিছে। সুচতুৰ ব্যৱসায়িক মহলৰ সামাজিক দায়বদ্ধতাৰ বিষয়টোৱে কি ৰূপ ল'ব অথবা এই বিষয়ত প্ৰয়োজন সাপেক্ষে চৰকাৰে সামূহিক কল্যাণৰ স্বাৰ্থত ল'বলগীয়া নীতি-নিৰ্দেশনা-পদক্ষেপবোৰ কিহৰ ভিত্তিত নিৰ্দ্ধাৰিত হ'ব? ভাৰতৰ সমৃদ্ধিৰ অনাগত কালছোৱাত 'স্বদেশী' সামগ্ৰীৰ উৎপাদন আৰু ব্যৱহাৰৰ বিষয়টোত চৰকাৰে কেনে স্থিতি গ্ৰহণ কৰিব? নতুবা ব্যক্তিগত খণ্ডৰ নিত্য নতুন ব্যৱসায়িক কৌশল, কাৰচাজিবোৰক বিশ্বায়নৰ অৱশ্যম্ভাৱী সতি-সন্ততি বুলি চৰকাৰে চকু মুদি সমৃদ্ধিৰ পৰিসংখ্যাবোৰক খামোচ মাৰি ধৰি আমি সন্তুষ্টি লাভ কৰি থকাটো উচিত হ'ব নেকি? তাৰোপৰি বিশ্বায়নৰ এই প্ৰবল বা-মাৰলিত আমাৰ নিঃস্ব কৃষক, মজদুৰ, নিৰক্ষৰ অগণন জনতাৰ সামগ্ৰিক অৱস্থাটোলৈ কি পৰিবৰ্তন আহিব? বিশ্বায়নে আনি নিয়া 'প্ৰাচুৰ্য'ৰ সুযোগ ল'বলৈ তেওঁলোক সক্ষম হ'ব পাৰিবনে? ক্ষুদ্ৰ আৰু কুটীৰ শিল্পক দেশীয় চৰকাৰখনে কিমান দিনলৈ 'চালুকীয়া উদ্যোগ' বুলি ৰাজসাহায্যৰে সুৰক্ষা প্ৰদান কৰি থাকিব? আন্তৰ্জাতিক মুদ্ৰা নিধিৰ হেঁচাত 'ৰাজহুৱা বিতৰণ ব্যৱস্থা' উঠাই দিবলৈ চৰকাৰে এদিন বাধ্য হ'লে কেজি প্ৰতি দুটকীয়া চাউলো কিনি খাবলৈ সমৰ্থ নোহোৱা দৰিদ্ৰসকলৰ দুখ মোচনৰ বাবে চৰকাৰে কি বিশেষ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিব? নতুবা চৰকাৰী খণ্ডৰ লোকচান ভৰি থকা উদ্যোগসমূহক পানীৰ দামত ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হ'ব নে 'নিৰ্বিয়োজন'ৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ লাভজনক অৱস্থাৰ চৰকাৰী উদ্যোগবোৰৰ অংশ বিক্ৰি কৰি সেইবোৰক দক্ষতাপূৰ্ণ কৰি তোলাৰ নামত চৰকাৰৰ কল্যাণকামী দিশটোক আওকাণ কৰা হ'ব? আনহাতে এই জনবহুল দেশখনত মূলধন তথা যন্ত্ৰ নিৰ্ভৰ উদ্যোগৰ সম্প্ৰসাৰণকে কেৱল উৎসাহিত কৰিলে নিবনুৱা সমস্যাই কেনে ৰূপ ল'বগৈ পাৰে সেয়াও চিন্তনীয় বিষয়! মুঠতে এনেধৰণৰ অলেখ প্ৰশ্নৰ অৱতাৰণাৰ অৱকাশে ভাৰতৰ অৰ্থনৈতিক সংস্কাৰ প্ৰক্ৰিয়াটোকে এক বিবাদমান বিষয় কৰি তুলিছে যদিও ইয়াৰ গত্যন্তৰ নাই বুলিও যথেষ্টসংখ্যক লোক পতিয়ন গৈছে।

উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ সুবিধা লৈ আজি ভাৰততো গঢ়ি উঠিছে এক উপভোক্তাকেন্দ্ৰিক বজাৰ অৰ্থনীতিৰ সুবিধাজনক পৰিবেশ। তাৰ আলমতে সৃষ্টি হৈছে প্ৰতিযোগিতাৰ বাতাবৰণৰ। 'ভোক্তাক সোধা কি লাগে আৰু সেইমতে সামগ্ৰী, সেৱা যোগান ধৰি লাভ অৰ্জন কৰা' আদৰ্শেৰে পৰিচালিত এই পৰিস্থিতিত বহুজাতিক কোম্পানীবোৰে ভাৰতীয় ক্ৰেতাৰ লাইফষ্টাইল বদলি কৰি দিছে - ঠিক সত্তৰৰ দশকত আমেৰিকাৰ 'কেলোগচ' কোম্পানীয়ে ফ্ৰান্সৰ মানুহৰ ৰাতিপুৱাৰ জলপানৰ প্ৰকাৰ সলনি কৰি দিবলৈ সমৰ্থ হোৱাৰ দৰে। মবাইল ফোন ভাৰতত প্ৰবেশ কৰাৰ সময়ত ফিনলেণ্ডৰ নকিয়া কোম্পানীটোৱেও কেমেৰাফোনৰ জৰিয়তে এক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। মুঠতে জীৱনৰ বাবে অতি প্ৰয়োজনীয় বুলি কৰা প্ৰচাৰৰ দ্বাৰা সামগ্ৰী বজাৰত উলিয়াই দি 'অতি আৱশ্যকীয়তা'ৰ সৃষ্টি কৰা হৈছে। সামগ্ৰীবোৰ আগতে নাছিল বাবে তাৰ চাহিদাও সৃষ্টি হোৱা নাছিল। সাধাৰণ ক্ৰেতাসকলে কোনটোনো আগতে কিনিব তাৰ বাবে বিমোৰত পৰিছে আৰু অধিক ক্ৰয় ক্ষমতা থকা সকলে অঘোষিত প্ৰতিযোগিতাত নামি পৰিছে।

যোৱা আঠোটা মাহত ভাৰতীয় অৰ্থনীতিত ঘটি যোৱা বহু ঘটনাই ভাৰতীয় অৰ্থনীতিত হোৱা উত্থানৰ স্বৰূপ প্ৰকাশ কৰিছে। লক্ষ্মী নিৱাস মিট্টালে নিজৰ কোম্পানীক লুক্সেমবাৰ্গৰ আৰ্কেলৰ (ARCELOR) নামৰ তীখা কোম্পানীৰ লগত চামিল কৰি সত্তৰ বিলিয়ন ডলাৰ (৩,২২,০০০ কোটি) আয়েৰে বিশ্বৰ সৰ্ববৃহৎ তীখা কোম্পানী গঢ়ি তুলিছে। ইউৰোপৰ কোম্পানীটোৰ অংশসমূহ অতি উচ্চ দামত কিনি এই চুক্তি সম্ভৱ কৰি তোলাৰ বাবে অনেক বিতৰ্কত সোমাই পৰিছিল মিট্টাল। ইউৰোপীয়ান ব্যবসায়ীসকলৰ বাবে 'বাহিৰা মানুহ' এইগৰাকী ৰাজস্থানৰ বুদ্ধিমান মানুহৰ মাজত ইউৰোপীয়ান সকলে নতুনকৈ 'ভাৰতীয়' লোকক আবিষ্কাৰ কৰিছে আৰু তেওঁৰ ব্যৱসায়িক বুদ্ধিমত্তাক অতি প্ৰশংসা কৰিছে। ইফালে ঝাৰখণ্ড, চাট্টিশগড়, উৰিষ্যা, কৰ্ণাটকত সিঁচৰতি হৈ থকা মুঠ ২৩.৫৮ বিলিয়ন টন লোৰ আকৰৰ প্ৰতি আকৰ্ষিত হৈ অনেক দেশী-বিদেশী কোম্পানীয়ে বিনিয়োগৰ বাবে ৰাজ্যকেইখনত ভিৰ কৰিছে। দুটা সংখ্যাৰ (অৰ্থাৎ ১০ শতাংশ বা তাতোধিক) জাতীয় আয় বৃদ্ধিৰ ক্ষেত্ৰত প্ৰধানকৈ গুৰুত্ব দিয়া হৈছে ৰাষ্ট্ৰীয় পথ নিৰ্মাণ আৰু উন্নয়ন, সাগৰীয় বন্দৰ আৰু বিমান বন্দৰ, শক্তিখণ্ডৰ বিকাশৰ ওপৰত। এইবোৰৰ বাবে ভাৰতক প্ৰয়োজন হ'ব প্ৰায় ১০০ বিলিয়ন ডলাৰৰ (প্ৰায় ৪,৬০,০০০ কোটি)। কেৱল ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ বা নিৰ্মিয়মান 'উত্তৰ-দক্ষিণ, পূব-পশ্চিম' কৰিডৰ আদিৰ বাবেই প্ৰয়োজন হ'ব ৩,৫৭,০০০ কোটি টকাৰ। এই প্ৰয়োজনীয়তা পূৰাবৰ বাবে চৰকাৰে ব্যক্তিগত খণ্ডৰ পৰা ৩০-৪০ শতাংশ বিনিয়োগ আশা কৰিছে।

ইফালে ৰিজাৰ্ভ বেংকে ঋণ নীতিৰ ক্ষেত্ৰত ২৫ ভিত্তি পইন্ট বঢ়াইছে আৰু বাণিজ্যিক বেংকসমূহক দিয়া হ্ৰস্বম্যাদী ঋণৰ ক্ষেত্ৰত সাত শতাংশ বৃদ্ধি কৰিছে। ইয়াৰ উদ্দেশ্য হ'ল মুদ্ৰাস্ফীতিৰ হাৰ ৫ৰ পৰা ৫.৫ শতাংশৰ ভিতৰত সীমিত ৰখা আৰু অনা-খাদ্য সামগ্ৰী উৎপাদনৰ বাবে ঋণ বৃদ্ধি ২০ শতাংশৰ যাতে অধিক নহয় তালৈ

> **"বিশ্বায়নে আনি নিয়া 'প্ৰাচুৰ্য'ৰ সুযোগ ল'বলৈ তেওঁলোক সক্ষম হ'ব পাৰিবনে? ক্ষুদ্ৰ আৰু কুটীৰ শিল্পক দেশীয় চৰকাৰখনে কিমান দিনলৈ "চালুকীয়া উদ্যোগ" বুলি ৰাজসাহায্যৰে সুৰক্ষা প্ৰদান কৰি থাকিব? আন্তৰ্জাতিক মুদ্ৰা নিধিৰ হেঁচাত "ৰাজহুৱা বিতৰণ ব্যৱস্থা" উঠাই দিবলৈ চৰকাৰে এদিন বাধ্য হ'লে কেজি প্ৰতি দুটকীয়া চাউলো কিনি খাবলৈ সমৰ্থ নোহোৱা দৰিদ্ৰসকলৰ দুখ মোচনৰ বাবে চৰকাৰে কি বিশেষ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিব? নতুবা চৰকাৰী খণ্ডৰ লোকচান ভৰি থকা উদ্যোগসমূহক পানীৰ দামত ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হ'ব নে 'নিৰ্বিয়োজন'ৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ লাভজনক অৱস্থাৰ চৰকাৰী উদ্যোগবোৰৰ অংশ বিক্ৰী কৰি সেইবোৰক দক্ষতাপূৰ্ণ কৰি তোলাৰ নামত চৰকাৰৰ কল্যাণকামী দিশটোক আওকাণ কৰা হব?"**

> "ভাৰতৰ এই অভূতপূৰ্ব অৰ্থনৈতিক উত্থান কেন্দ্ৰীভূত হৈ থাকিল কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ, গুজৰাট, দিল্লী, তামিলনাডু, হাৰিয়ানা আদি কেইখনমান ৰাজ্যৰ মাজতেই। উত্তৰ পূৰ্বাঞ্চলো এই বৃহৎ পৰিবৰ্তনৰ যাত্ৰাত এলাগী হৈ ৰ'ল বা অঞ্চলটোৱে এই সমৃদ্ধিৰ অংশীদাৰ হ'ব নোৱাৰিলে। বিকাশৰ প্ৰচুৰ সম্ভৱনাময় এই ঠাইটোৱে আমাৰ অৱহেলিত অঞ্চলটিক কিয় চুই যাব নোৱাৰিলে বা এতিয়া সময় পাৰ হৈ গ'ল নেকি বিষয়ত এক গভীৰ আলোচনাৰ প্ৰয়োজন।"

লক্ষ্য ৰখা। উপভোক্তা সকলৰ বাবে গৃহনিৰ্মাণ আৰু ব্যক্তিগত ঋণ এতিয়া অধিক খৰচী হৈ উঠিছে। বেংকসমূহে ইতিমধ্যেই এনে ঋণৰ হাৰ বৃদ্ধি কৰিছে বাবে সাধাৰণ ভোক্তাসকল অধিক অসুবিধাৰ সন্মুখীন হৈছে। ৰিলায়েন্স কোম্পানীয়ে আমেৰিকাৰ বেষ্ট বাই, ৱালমাৰ্টৰ আৰ্হিত ভাৰতত ২৫,০০০ কোটি টকা বিনিয়োগেৰে 'ৰিলায়েন্স ৰিটেইল' খুলিব বুলি ঘোষণা কৰাত সৰু খুচুৰা বিক্ৰেতাসকলৰ চিন্তা বাঢ়িছে। ষ্টক মাৰ্কেটত যোৱা দুমাহত হঠাতে যথেষ্ট উত্থান-পতন ঘটিছে। বৰ্তমান ভাৰতীয় টকাৰ তুলনাত ডলাৰ অধিক দামী হৈ পৰিছে আৰু এক ডলাৰৰ বিনিময় প্ৰায় আঠচল্লিশ টকালৈ বৃদ্ধি পাইছে। আন এক খবৰেও ভাৰতৰ বজাৰত তোলপাৰ লগাইছে। পেপ্‌চি, কোকাকোলাৰ দ্বাৰা উৎপাদিত বটলত চৰকাৰে মঞ্জুৰ কৰা জোখতকৈ অধিক পৰিমাণৰ কীটনাশক দ্ৰব্যৰ উপস্থিতি এক চৰকাৰী গৱেষণা সংস্থাই প্ৰমাণ কৰাত তেনে সামগ্ৰীৰ বিক্ৰি দ্ৰুতগতিত কমিছে। ইতিমধ্যে বহু ৰাজ্যই এই সামগ্ৰীৰ বিক্ৰি বন্ধ কৰিবলৈ নিৰ্দেশ দিছে। আমেৰিকাৰ চৰকাৰী মহলেও আনকি ক'বলগীয়া হৈছে যে পেৰিচৰ কোকাকোলা আৰু মুম্বাইৰ কোকাকোলা একেই মানৰ। তেওঁলোকে সকীয়নি দিছে যে ভাৰতত আমেৰিকান সামগ্ৰীৰ প্ৰতি এনে অবাঞ্ছিত আচৰণ কৰিলে ভৱিষ্যতে বৈদেশিক বিনিয়োগৰ ক্ষেত্ৰত উজুটি খাব। ইফালে সম্পত্তিৰ ব্যৱসায়ৰো দ্ৰুত সম্প্ৰসাৰণ ঘটাবলৈ চাই কোৱা হৈছে যে অহা দশকত ১০ বিলিয়ন ডলাৰ বৈদেশিক বিনিয়োগৰ সম্ভাৱনাকে ধৰি ভাৰতৰ আভ্যন্তৰীণ ক্ষেত্ৰত এই ব্যৱসায় ৫০ বিলিয়নলৈ বৃদ্ধি পাব। ব্যক্তিগত খণ্ডৰ অসামৰিক বিমানৰ ক্ষেত্ৰত জেট এয়াৰৱেজৰ পাছতে কমখৰচী এয়াৰ ডেক্কান দ্বিতীয় বৃহৎ বিমান সংস্থা হিচাপে পৰিগণিত হৈছে। বেংকিঙৰ ক্ষেত্ৰত আই চি আই চি আই বেংকে ব্যক্তিগতখণ্ডৰ সৰ্ববৃহৎ বেংক হিচাপে কাৰ্য্য সম্প্ৰসাৰণ কৰিছে। মনোৰঞ্জনৰ জগতখনো চকুত লগা হৈ উঠিছে। আজি ভাৰতত বছৰি প্ৰায় ১০৫০ খন চলচ্চিত্ৰ নিৰ্মাণ হৈছে। ডিজনীলেণ্ডে হাংগামা নামৰ শিশুৰ মনোৰঞ্জনৰ টেলিভিচন চেনেলটো কিনিব বুলি ঘোষণা কৰিছে। ভাৰতীয় কোম্পানী টাটা, ৰিলায়েন্স, ভাৰতীয় টেলিকম, আই চি আই চি আই আদিয়ে বিদেশত বিনিয়োগ কৰিবলৈ আৰম্ভ কৰিছে। আনহাতে বাংলাদেশ চৰকাৰে ৰিলায়েন্সে বাংলাদেশত বিনিয়োগ কৰিব খোজা তিনি বিলিয়ন ডলাৰৰ প্ৰস্তাৱ নাকচ কৰিছে। 'ফৰচুন - ৫০০' কোম্পানীৰ তালিকাত অন্তৰ্ভুক্ত ১২৫ টা কোম্পানীয়ে ভাৰতত আজি গৱেষণা ক্ষেত্ৰ গঢ়ি তুলিছে। প্ৰায় ১৭১৪৯ খন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়েৰে গঠিত ভাৰতৰ উচ্চ শিক্ষাৰ খণ্ডত আন্তৰ্জাতিক মান ৰক্ষা কৰিছে সাতখন আই আই টি, ছখন আই আই এম আৰু অনেক মানবিশিষ্ট ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে। ভাৰতৰ 'লোকসেৱা আয়োগ'ৰ দ্বাৰা প্ৰশাসনিক বিষয়া নিৰ্বাচনৰ প্ৰক্ৰিয়াটোকো বিশ্বৰ বহুদেশে অত্যন্ত প্ৰশংসা কৰিছে। ভাৰতবৰ্ষৰ গণতান্ত্ৰিক ব্যৱস্থাক আজি বিশ্বৰ চিন্তাবিদসকলে ভাৰতৰ বিকাশৰ আটাইতকৈ সুবিধাজনক দিশ বুলি অভিহিত কৰিছে।

ইমানবোৰৰ মাজতো ভাৰতৰ সমৃদ্ধিৰ ছবিখনত আঞ্চলিক অসমতা প্ৰকট হৈ উঠিছে। ভাৰতৰ এই অভূতপূৰ্ব অৰ্থনৈতিক উত্থান কেন্দ্ৰীভূত হৈ থাকিল কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ, গুজৰাট, দিল্লী, তামিলনাডু, হাৰিয়ানা আদি কেইখনমান ৰাজ্যৰ মাজতেই। উত্তৰ পূৰ্বাঞ্চলো এই বৃহৎ পৰিবৰ্তনৰ যাত্ৰাত এলাগী হৈ ৰ'ল বা অঞ্চলটোৱে এই সমৃদ্ধিৰ অংশীদাৰ হ'ব নোৱাৰিলে। বিকাশৰ প্ৰচুৰ সম্ভৱনাময় এই ঠাইটোৱে আমাৰ অৱহেলিত অঞ্চলটিক কিয় চুই যাব নোৱাৰিলে বা এতিয়া সময় পাৰ হৈ গ'ল নেকি এই বিষয়ত এক গভীৰ আলোচনাৰ প্ৰয়োজন। দেশীয় বা বহুজাতিক কোম্পানীবোৰে অঞ্চলটিত প্ৰাপ্ত সম্পদ ব্যৱহাৰ কৰি উৎপাদনক্ষেত্ৰ প্ৰতিষ্ঠা কৰা নাই বুলিব পাৰি। ফলত আমি প্ৰযুক্তিবিদ্যাৰ আদান-প্ৰদান কৰিব পৰা নাই; সংস্থানৰ সংখ্যা বৃদ্ধি কৰিব পৰা নাই; বিশ্বখ্যাত বিপণন প্ৰক্ৰিয়াসমূহ আয়ত্ব কৰিব পৰা নাই; আন প্ৰদেশৰ দক্ষ শ্ৰমিকৰ পৰা জ্ঞান লাভ কৰি স্থানীয় কৰ্মীবাহিনী গঠন কৰিব পৰা নাই; আন্তঃগাঁথনি সৃষ্টিত কেন্দ্ৰীয় চৰকাৰক বিশেষহেঁচা দিব পৰা নাই; বহুজাতিক কোম্পানীৰ প্ৰতি থকা শোষনকাৰী'ৰ মনোভাৱ ত্যাগ কৰিব পৰা নাই; আমাৰ সম্পদবোৰৰ পৰ্য্যাপ্ত ব্যৱহাৰ কৰিব পৰা নাই; এটা বৃহৎ উদ্যোগৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠাৰ সম্ভাৱনা থকা আন সৰু উদ্যোগবোৰৰ পৰা বঞ্চিত হৈছোঁ আৰু শেষত চৰকাৰৰ মুখাপেক্ষী হৈ পৰিছোঁ।

'কোনো যে অহা নাই সেইবাবে আনবোৰো অহা নাই' পৰিস্থিতিত আমি কি কৰিব লাগিব? কিছু সংখ্যকে মত পোষণ কৰিছে যে, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদ, আন্তঃগাঁথনিৰ অভাৱ আৰু চৰকাৰৰ সুস্থ নীতি আৰু সদিচ্ছাৰ অভাৱেই আমাৰ বিনিয়োগহীন পৰিবেশৰ বাবে দায়ী। মূল কথা হৈছে ভালৰ বাবে, বিকাশৰ অৰ্থে আমিয়েই আলোচনা কৰিব লাগিব; সকলোকে একত্ৰিত কৰি কেনে পদক্ষেপ ল'লে পথ মসৃণ হৈ পৰিব সেয়া নিৰ্ণয় কৰিব লাগিব। বহুতে কৈছে যে বহুজাতিক কোম্পানীবোৰে অঞ্চলটোত সোমাই নপৰাৰ বাবেই আজিও প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা হৈ আছে, প্ৰদূষণৰ মাত্ৰা অত্যাধিক হোৱা নাই আৰু আমাৰ সম্পদবোৰ আমাৰ কিছু নিয়ন্ত্ৰণত আছে। লগতে গা ৰক্ষা হৈ আছে আমাৰ থাউতীযুগীয়া সাংস্কৃতিক বিবিধ উপাদানৰো। কিন্তু আমি নিশ্চয় বিচাৰিম এনে বিকাশৰ পথ যাৰ দ্বাৰা আমি স্বকীয়তা ৰক্ষাৰে প্ৰতিযোগিতা সৰ্বস্ব পৃথিৱীখনত বাচি থাকিব পাৰিম। কিয়নো এটা সময়ত দৰিদ্ৰতাই আমাৰ অমূল্য সম্পদ ধ্বংসযজ্ঞৰো কাৰণ হৈ উঠিব পাৰে।

---

** প্ৰৱক্তা, অৰ্থনীতি বিভাগ*



# ভাৰতীয় ৰাজনীতিত নাৰী

পবিত্ৰ চহৰীয়া*

অতি সহজ ভাষাত ক'বলৈ হ'লে ৰাষ্ট্ৰৰ শাসন ব্যৱস্থাৰ লগত জড়িত নীতিসমূহেই হ'ল ৰাজনীতি। অৱশ্যে বৰ্তমান সময়ত ৰাজনীতি শব্দটো ব্যাপক অৰ্থত ব্যৱহাৰ কৰা হৈছে। আকৌ ৰাজনীতি হ'ল মানৱ সমাজৰ ক্ৰমবিকাশৰ লগত জড়িত। ৰাজনৈতিক জীৱন হ'ল মানুহৰ সামগ্ৰিক সমাজ জীৱনৰ এটি অংশ মাত্ৰ। সমাজৰ দুটা অবিচ্ছেদ্য অংগ হিচাপে নাৰী আৰু পুৰুষ উভয়ৰে ওপৰত ৰাজনীতিৰ প্ৰভাৱ পৰে আৰু উভয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ৰাজনৈতিক কাৰ্যকলাপত জড়িত হৈ পৰে। ভাৰতীয় ৰাজনীতিত নাৰীৰ স্থান সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে ঐতিহাসিক তথ্য-পাতি বিচাৰ কৰিলে আমাৰ বুজাত সুবিধা হ'ব। প্ৰাচীন কালত আমাৰ ভাৰতীয় সমাজখন আছিল ৰক্ষণশীল আৰু সেইসময়ত নাৰীক সামাজিক তথা ৰাজনৈতিক সা-সুবিধা তথা অধিকাৰ দিয়া নহৈছিল। অৱশ্যে বৈদিক যুগ আৰু গুপ্ত যুগত ইয়াৰ কিছু ব্যতিক্ৰম হৈছিল আৰু নাৰীসকলে কিছু সা-সুবিধা উপভোগ কৰিব পাৰিছিল। এইখিনিতে এটা কথা লক্ষ্যণীয় যে প্ৰাচীন ভাৰতবৰ্ষৰ ইতিহাসত ৰাণীসকলে তেওঁলোকৰ স্বামীক ৰাজকাৰ্যত সহায় কৰা তথা ৰাজনৈতিক সিদ্ধান্তবোৰত প্ৰভাৱ পেলোৱাৰ উদাহৰণ তেনেই নগণ্য। ৰামায়ণ মহাকাব্যত কৈকেয়ীয়ে নিজ পুত্ৰ ভৰতক ৰজা পাতিবলৈ তথা ৰামক বনবাস দিবলৈ দশৰথ ৰজাৰ ওচৰত হেঁচা দিয়াৰ উল্লেখ পোৱা যায়। ঐতিহাসিক তথ্য-পাতিৰ আধাৰত আমি ক'ব পাৰোঁ যে ১২৩৬ চনত দিল্লীৰ সিংহাসনত আৰোহন কৰা দাস বংশৰ 'চুলতানা ৰেজিয়া'য়েই হ'ল আমাৰ দেশৰ প্ৰথম গৰাকী নাৰী-শাসক। অৱশ্যে তেওঁক মাত্ৰ চাৰি বছৰ পিছতেই অৰ্থাৎ ১২৪০ খ্ৰীষ্টাব্দত কিছুমান ষড়যন্ত্ৰকাৰীয়ে হত্যা কৰে। এইদৰে নাৰীসকলৰ প্ৰতি সততে হীন মনোভাৱ থকা বুলি এটা ধাৰণা থকা ইছলাম ধৰ্মৰ এগৰাকী নাৰীয়েই ভাৰতবৰ্ষৰ প্ৰথম গৰাকী মহিলা শাসক হোৱাৰ কৃতিত্ব অৰ্জন কৰি ভাৰত বুৰঞ্জীত যুগমীয়া স্বাক্ষৰ ৰাখি থৈ গৈছে।

ভাৰতবৰ্যৰ বুৰঞ্জীৰ এটা গুৰুত্বপূৰ্ণ যুগ মোগল যুগত অন্য কোনো নাৰীয়ে ৰাজনীতিৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰাৰ কোনো ঐতিহাসিক প্ৰমাণ পোৱা নাযায়। গতিকে আমি ক'ব পাৰোঁ যে মোগল যুগতো ভাৰতীয় নাৰীসকলক ৰাজনৈতিক ক্ষেত্ৰত বঞ্চনা কৰা হৈছিল। অৱশ্যে মোগল সম্ৰাট জাহাংগীৰৰ দুৰ্বলতাৰ সুযোগ লৈ তেওঁৰ পত্নী নুৰজাহানে ৰাজকাৰ্যত হস্তক্ষেপ কৰাৰ কথা সৰ্বজনবিদিত।

১৭৫৭ চনত পলাচীৰ যুদ্ধত বংগৰ নৱাব ছিৰাজ-উদ-দৌলাক পৰাজিত কৰি ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে। কিন্তু এশ বছৰ জোৰা কোম্পানীৰ শাসনতো ভাৰতীয় নাৰীৰ সামগ্ৰিক অৱস্থাৰ কোনো পৰিৱৰ্তন নঘটিল। এই সময়ছোৱাত নাৰীতো বাদেই, ভাৰতীয় পুৰুষসকলেও ৰাজনীতিত প্ৰত্যক্ষভাৱে অংশ ল'ব পৰা নাছিল। অৱশ্যে কোম্পানীৰ ১০০ বছৰজোৰা শাসনৰ পিছত ১৮৫৭ চনত সংঘটিত হোৱা চিপাহী বিদ্ৰোহে ভাৰতীয় নাৰীসকলক ৰাজনৈতিক দিশত সজাগ কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। 'ঈশ্বৰী পাণ্ডে' এই বিদ্ৰোহৰ প্ৰথম দুজন শ্বহীদৰ অন্যতম আছিল। আনহাতে ঝাঞ্চিৰ ৰাণী 'লক্ষ্মী বাই'য়ে এই বিদ্ৰোহত অতি সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি সাহসিকতাৰে যুঁজ দি মৃত্যুবৰণ কৰিছিল।

১৮৮৫ চনত মুম্বাইত ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা হোৱাৰ পিছত মহিলাসকলৰ মাজত ৰাজনীতিৰ প্ৰতি সজাগতা আৰু আগ্ৰহ বৃদ্ধি পায় আৰু তেওঁলোকে ৰাজনীতিত সক্ৰিয়ভাৱে যোগ দিবলৈ আৰম্ভ কৰে। অৱশ্যে এইখিনিতে এটা কথা স্পষ্টকৈ কোৱাটো ভাল যে ভাৰতীয় জাতীয়

কংগ্ৰেছ প্ৰথম অৱস্থাত ব্ৰিটিছৰ অনুগত এটি অৰাজনৈতিক অনুষ্ঠানহে আছিল। ১৯০৫ চনৰ পিছৰ পৰা ই ইয়াৰ প্ৰকৃতি সলাই ৰাজনৈতিক বিষয়বোৰত অধিক মনোনিবেশ কৰিবলৈ আৰম্ভ কৰে। সি যি কি নহওঁক, প্ৰতিষ্ঠাকালৰে পৰা বৰ্তমানৰ সভানেত্ৰী ছোনিয়া গান্ধীলৈকে কেইবাগৰাকীও মহিলাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰীৰ পদ অলংকৃত কৰি ভাৰতীয় ৰাজনীতিত নাৰীৰ স্থান উন্নত কৰাত অৰিহণা যোগাইছে। নকলেও হ'ব যে এওঁলোকে দেশীয় ৰাজনীতিত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ব্ৰিটিছসকলৰ ঔপনিবেশিক শাসন আৰু শোষণৰ বিৰুদ্ধে ভাৰতীয়সকলে বিভিন্ন সময়ত চলোৱা বিভিন্ন সংগ্ৰামত নাৰীসকলৰ অংশগ্ৰহণ স্বতঃস্ফূৰ্ত আৰু ব্যাপক আছিল। আনকি ভাৰতবৰ্ষৰ মূল ভূ-খণ্ডৰপৰা বহুত দূৰৈত অৱস্থিত অসমীয়া নাৰীসকলো এইক্ষেত্ৰত ব্যতিক্ৰম নাছিল। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত কণকলতা, ভোগেশ্বৰী ফুকননী, পুষ্পলতা দাস আদিৰ অৱদান সৰ্বজনবিদিত। নগা পাহাৰৰ এগৰাকী সাহসী মহিলা ৰাণী গাইডালুৱে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰা, গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা জৱাহৰলাল নেহৰুৱে তেওঁ আত্মজীৱনীখনত শ্ৰদ্ধা সহকাৰে উল্লেখ কৰি থৈ গৈছে। ভাৰতীয় ৰাজনীতিৰ এটি বিস্ময়কৰ চৰিত্ৰ সৰোজিনী নাইডুৱে তেওঁৰ ওজস্বী বক্তৃতাৰ দ্বাৰা নাৰীসকল যে ৰাজনৈতিক দিশত পুৰুষতকৈ কোনো গুণে কম নহয় সেইটো প্ৰমাণ কৰে। তেওঁ ১৯৩১ চনত মহাত্মা গান্ধীৰ সৈতে লণ্ডনলৈ গৈ তাত অনুষ্ঠিত হোৱা দ্বিতীয়খন ঘূৰণীয়া মেজমেলত যোগদান কৰে। আইৰিছ মূলৰ মহিলা এনি বেছান্ট আছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম গৰাকী মহিলা সভাপতি। তেওঁ ভাৰতবৰ্ষক নিজৰ মাতৃভূমিতকৈও অধিক ভাল পাইছিল। জৱাহৰলাল নেহৰুৰ ভগ্নী বিজয়লক্ষ্মী পণ্ডিতেও স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিছিল।

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষই প্ৰায় ২০০ বছৰজোৰা ঔপনিবেশিক ব্ৰিটিছ শাসনৰ কবলৰ পৰা স্বাধীনতা লাভ কৰে। স্বাধীনতাৰ পিছৰপৰা ৰাজনীতিত ভাৰতীয় মহিলাসকলৰ অংশগ্ৰহণ ব্যাপক হাৰত বৃদ্ধি পায় আৰু লগে লগে তেওঁলোকৰ স্থানো উন্নত হয়। যোৱা প্ৰায় ৬০ বছৰত মহিলাসকলে বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী, ৰাজ্যপাল তথা মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰি আহিছে। ভাৰতীয় মহিলাসকলৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ সফলতা হ'ল ১৯৬৬ চনত ভাৰতবৰ্ষৰ প্ৰথমজন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ কন্যা ইন্দিৰা গান্ধী প্ৰধানমন্ত্ৰী হোৱাটো। তেওঁ দুটা কাৰ্যকালত (১৯৬৬-৭৭ আৰু ১৯৮০-৮৪) প্ৰায় ১৫ বছৰ এই পদবীত আছিল। এগৰাকী চতুৰ, বাগ্মী, প্ৰখৰ জ্ঞানী, শক্তিশালী আৰু লৌহ কঠিন মানসিকতাৰ নেত্ৰী হিচাপে তেওঁ সমগ্ৰ বিশ্বতে জনাজাত আছিল। তেওঁৰেই বোৱাৰী তথা প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ পত্নী শ্ৰীমতী ছোনিয়া গান্ধী যোৱা ৭ বছৰ ধৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰী আৰু সংসদত বিৰোধী দলৰ নেত্ৰী হিচাপে সাম্প্ৰতিক সময়ৰ ভাৰতীয় ৰাজনীতিত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে।

কোনো সন্দেহ নাই, স্বাধীনতাৰ পিছৰেপৰা ভাৰতীয় ৰাজনীতিত মহিলাসকলৰ অংশগ্ৰহণ ব্যাপক হাৰত বৃদ্ধি পাইছে। ৰাজ্যিক বিধানসভা আৰু সংসদত নিৰ্বাচিত মহিলা সদস্যৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে কেবাগৰাকী নাৰীয়ে ৰাজ্যিক আৰু কেন্দ্ৰীয় মন্ত্ৰী সভাত মন্ত্ৰী হিচাপে সফলতাৰে দায়িত্ব পালন কৰিছে। ভাৰতবৰ্ষৰ প্ৰথমটো সাধাৰণ নিৰ্বাচন হোৱাৰ সময়ৰে পৰা অৰ্থাৎ ১৯৫২ চনৰ পৰাই মহিলাসকলক ভোটদানৰ অধিকাৰ দিয়া হৈছে। মমতা বেনাৰ্জী, জয়া ললিতা, ৰাবৰী দেৱী, মানেকা গান্ধী আদিয়ে বৰ্তমান সময়ত ৰাজনৈতিক ক্ষেত্ৰত দপদপাই আছে। তথাপি এটা কথা স্বীকাৰ কৰিবই লাগিব যে বৰ্তমানেও আমাৰ দেশৰ ৰাজনীতিত মহিলাসকলৰ স্থান খুব বেছি উচ্চ বুলি একে আষাৰে ক'ব নোৱাৰি। সংসদৰ মুঠ সদস্যৰ ভিতৰত বৰ্তমান প্ৰায় ১০% হে মহিলা সদস্য আছে। আনহাতে ৰাজনৈতিক দলসমূহে মহিলাসকলক প্ৰাৰ্থীত্ব দিয়াৰ ক্ষেত্ৰত বৰ এটা আগ্ৰহ দেখুওৱা পৰিলক্ষিত হোৱা নাই। বিভিন্ন ৰাজনৈতিক দলসমূহত সততে সক্ৰিয় হৈ থকা পুৰুষ-লবীৰ সন্মুখত মহিলাসকল সদায় বঞ্চিত হোৱা দেখা যায়। এটা কথা অপ্ৰিয় হ'লেও সত্য যে বিবিলাক মহিলা সংসদ বা বিধানসভালৈ সদস্য হিচাপে নিৰ্বাচিত হৈ আহে তেওঁলোকৰ বেছিভাগেই নিজৰ নিজৰ পৰিয়ালৰ বেকগ্ৰাউণ্ড তথা আন সহানুভূতিযোগ্য কাৰণৰ বাবে প্ৰাৰ্থীত্ব লাভ কৰে। আনহাতে, মহিলা সদস্যসকলৰ মতামতক সংসদ বা ৰাজ্যিক বিধানসভাসমূহত বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। অৱশ্যে ইয়াৰ ব্যতিক্ৰম নাই বুলি ক'ব নোৱাৰি।

ইতিমধ্যে পঞ্চায়তকে ধৰি স্থানীয় নিকায়সমূহত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণ সম্পৰ্কীয় বিধেয়কখন ১৯৯৬ চনতেই সংসদত দাখিল কৰা হয় যদিও ৰাজনৈতিক দলসমূহৰ সদিচ্ছাৰ অভাৱত এতিয়ালৈকে এই বিধেয়কখন গৃহীত কৰি আইনত পৰিণত কৰাব পৰা হোৱা নাই। ইয়াৰ উপৰিও আন এটা গুৰুতৰ বিষয় হ'ল বহুসংখ্যক মহিলাই বিশেষকৈ অশিক্ষিত মহিলাসকলে এতিয়াও স্বামী তথা আত্মীয়-স্বজনৰ নিৰ্দেশ মতেহে ভোটদান কৰে। ই সমগ্ৰ গণতান্ত্ৰিক ব্যৱস্থাটোকেই প্ৰহসনত পৰিণত কৰিছে।

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে ভাৰতীয় ৰাজনীতিত মহিলাসকলৰ অংশগ্ৰহণ বৃদ্ধি পাইছে যদিও তেওঁলোকৰ স্থান সম্পৰ্কত এতিয়াও বৈষম্য আঁতৰা নাই। ভাৰতবৰ্ষই বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে পৰিচয় দিবলৈ হ'লে নাৰীসকলক ৰাজনৈতিক ক্ষেত্ৰত পুৰুষৰ দৰেই এটি সন্মানজনক স্থান দিব লাগিব।

* *স্নাতক ৩য় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

"এটা কথা স্পষ্টকৈ কোৱাটো ভাল যে ভাৰতীয় জাতীয় কংগ্ৰেছে প্ৰথম অৱস্থাত ব্ৰিটিছৰ অনুগত এটি অৰাজনৈতিক অনুষ্ঠানহে আছিল। ১৯০৫ চনৰ পিছৰ পৰা ই ইয়াৰ প্ৰকৃতি সলাই ৰাজনৈতিক বিষয়বোৰত অধিক মনোনিবেশ কৰিবলৈ আৰম্ভ কৰে। সি যি কি নহওঁক, প্ৰতিষ্ঠাকালৰে পৰা বৰ্তমানৰ সভানেত্ৰী ছোনিয়া গান্ধীলৈকে কেইবাগৰাকীও মহিলাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰীৰ পদ অলংকৃত কৰি ভাৰতীয় ৰাজনীতিত নাৰীৰ স্থান উন্নত কৰাত অৰিহণা যোগাইছে।"

*“কুৰুক্ষেত্ৰ যুদ্ধৰ আগমুহূৰ্তত আত্মীয় স্বজনক দেখি অৰ্জুনে মোহগ্ৰস্ত হৈ অস্ত্ৰ পৰিত্যাগ কৰাৰ সেই অৱস্থা কিন্তু এতিয়া সৃষ্টি নহ'ল। যুদ্ধ হ'ল। ঠায়ে ঠায়ে মানুহৰ তেজৰ নৈ বৈ গ'ল। সন্তানহাৰা মাতৃৰ বুকুভৰা ক্ৰন্দন, স্বামীহাৰা পত্নীৰ আৰ্তনাদ কণ কণ ল'ৰা-ছোৱালীৰ অসহায় অৱস্থা দেখিও সকলো নিমাত হৈ ৰ'ল। মহাত্মা গান্ধীৰ সেই তিনিটা বান্দৰৰ দৰে সকলোৱে চকু, কাণ আৰু মুখত হাত দি নিৰ্বাক হৈ বহি ৰ'ল।”*

# আলো, মণ্ডিও কি কহিবো দুখ......।

(মহাপুৰুষ মাধৱদেৱৰ প্ৰতি শ্ৰদ্ধাৰে)

ড° যমুনা শৰ্মা চৌধুৰী*



## ১৫ আগষ্ট।

ভাৰতবৰ্ষৰ স্বাধীনতা দিৱসৰ এটা শুভ দিন!

জৱাহৰলাল নেহৰুৰ কণ্ঠত উচ্চাৰিত হোৱা আবেগ বিজড়িত সেই ঘোষণাটিৰ কথা কোনে পাহৰিব? অসংখ্য ছহিদৰ ত্যাগ আৰু ৰক্তৰ বিনিময়ত দেশে লাভ কৰিছিল মুক্তিৰ সোৱাদ। এইবোৰ পুৰণি কথা, পঞ্চাশ বছৰতকৈও অধিককাল অতিবাহিত হৈ গ'ল। যিবোৰ কথা, যিবোৰ স্মৃতিয়ে মনত কষ্ট দিয়ে, তেনে অতীতক পাহৰি থকাই ভাল। স্বাস্থ্যৰ কাৰণে ই বৰ উপাদেয়। কিন্তু অতীতক পাহৰি যাবলৈ বিচাৰিলেও পাহৰি থাকিব পাৰি জানো? বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰাই দেখোন কৈ গৈছে সুখে দুখে অতীতৰ স্মৃতি ফুৰে পাচে পাচে। গতিকে 'অতীতক পাহৰি নাযাবা'।

সেয়ে আমি আকৌ একগোট হৈছোঁ। মৰণ কান্দত ভৰি দিছোঁ। কিন্তু কিহৰ বাবে? স্বাধীন দেশৰ নাগৰিক হিচাপে আমাৰ গণতান্ত্ৰিক অধিকাৰসমূহ খৰ্ব হৈছে। দমন আৰু শোষণ নীতিৰ অক্টোপাচে আমাক চাৰিওফালৰ পৰা আবৰি ধৰিছে। আমি উশাহ-নিশাহ ল'ব নোৱাৰাত পৰিছোঁ। অলপ মুকলি বায়ুৰ বাবে আমাৰ মন-প্ৰাণ বিয়াকুল হৈ পৰিছে। নিজৰ ঘৰতেই, নিজৰ মানুহৰ লগতে আৰম্ভ কৰিছোঁ এক অঘোষিত বিপ্লৱ। জেতুকাৰ পাতৰ দৰে ই ক্ৰমাৎ ৰক্তাক্ত হৈ পৰিছেঁ।

আকৌ স্বাধীনতা লাভৰ বাবে আদিপাঠ মুকলি কৰিব লগা হ'ল। দেশৰ মানুহৰ বাবে, উঠি অহা ডেকাচামৰ বাবে ই হৈ পৰিল আবেগৰ কথা। য'ত আবেগ জড়িত হৈ থাকে তাত বাধা নিষেধ, উচিত অনুচিতৰ প্ৰশ্ন নুঠে। কবি হীৰেন ভট্টাচাৰ্যই তেওঁৰ এটা কবিতাত কৈ গৈছে 'দেশ বুলিলে নেলাগে আদেশ'। ই অতি উত্তম কথা। কিয়নো দেশপ্ৰেমৰ ভাবনা থকাটো এটা জাতিৰ জাগ্ৰত অৱস্থাৰ পৰিচয়। শুভবুদ্ধি সম্পন্ন যিকোনো লোকৰ বাবে স্বাধীনতা এখন দেশৰ উন্নতি, বিকাশ আৰু জন সাধাৰণৰ কল্যাণৰ বাবে অতি প্ৰয়োজন। স্বদেশৰ স্বাধীনতা লাভৰ বাবে আৰু স্বাধীনতাৰ বাবে বিশ্বৰ যিকোনো দেশ সদা তৎপৰ। গতিকে আমাৰ এই দাবী ন্যায্য দাবী। তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আৰম্ভ হ'ল সশস্ত্ৰ সংগ্ৰামৰ। পুনৰ আৰম্ভ হ'ল হত্যা, লুণ্ঠন, মৃত্যুৰ বিভীষিকা।

সেই অযোধ্যাও নাই, সেই ৰামো নাই।

কুৰুক্ষেত্ৰ যুদ্ধৰ আগমুহূৰ্তত আত্মীয় স্বজনক দেখি অৰ্জুনে মোহগ্ৰস্ত হৈ অস্ত্ৰ পৰিত্যাগ কৰাৰ সেই অৱস্থা কিন্তু এতিয়া সৃষ্টি নহ'ল। যুদ্ধ হ'ল। ঠায়ে ঠায়ে মানুহৰ তেজৰ নৈ বৈ গ'ল। সন্তানহাৰা মাতৃৰ বুকুভৰা ক্ৰন্দন, স্বামীহাৰা পত্নীৰ আৰ্তনাদ, কণ কণ ল'ৰা-ছোৱালীৰ অসহায় অৱস্থা দেখিও সকলো নিমাত হৈ ৰ'ল। মহাত্মা গান্ধীৰ সেই তিনিটা বান্দৰৰ দৰে সকলোৱে চকু, কাণ আৰু মুখত হাত দি নিৰ্বাক হৈ বহি ৰ'ল।

যুগ বাগৰিল।

সময় বহুদূৰ আগবাঢ়িল। পৰিস্থিতিৰ হাতত নিজকে এৰি দি আমি বৈ আছোঁ। এজাক বৰষুণৰ বাবে। কিন্তু বৰষুণ ক'ত? আৰু কিমান দিন জীৱনটোক হাতত লৈ ঘূৰি ফুৰিম? মাতৃ, পত্নী, পুত্ৰ কন্যাক ভৱিষ্যতৰ আশ্বাস দি ভয় আৰু শংকাৰ মাজেৰে কিমানদিন জীয়াই থাকিম? য'ত প্ৰাণৰ সংশয় পদে পদে তাত এজাক বৰষুণে আশাৰ

কি সঞ্জীৱনী সুধা বৰিষণ কৰিব?

পোন্ধৰ আগষ্ট।

আজিও আহে। কাইলৈও আহিব। প্ৰতিবছৰে আহিব। এয়াযে আমাৰ ৰাষ্ট্ৰীয় উৎসৱ। জাতীয় উৎসৱ বিহু, দুৰ্গাপূজা, দেৱালী, সৰস্বতী পূজাৰ দৰে পোন্ধৰ আগষ্টও আছিল আমাৰ বাবে এক আনন্দৰ দিন, হাঁহি স্ফুৰ্ত্তিৰ দিন। প্ৰায় এমাহ আগৰপৰা এই দিবসৰ আয়োজন চলে চৰকাৰী আৰু বেচৰকাৰী ভাবে। ঘৰে ঘৰে তিনি ৰঙৰ ৰাষ্ট্ৰীয় পতাকা উৰে। সৰু-ডাঙৰ সকলোৱে স্বতঃস্ফূৰ্ত্তভাৱে জজ খেলপথাৰত সমবেত হৈ অসম পুলিচৰ পেৰেডকে আদি কৰি নানান অনুষ্ঠান উপভোগ কৰে। জাতি-বৰ্ণ-নিৰ্বিশেষে সৰু ডাঙৰ সকলো এক হৈ পৰে। দুপৰীয়া স্থানীয় চিনেমা হলবোৰৰ কতৃপক্ষই সৰু-সৰু ল'ৰা-ছোৱালীবোৰক বিনামূলীয়াকৈ চিনেমা দেখুৱায়।

আগষ্ট মাহৰ এই বিশেষ দিন আজিও বৰ তাৎপৰ্যপূৰ্ণ। আৰু কিছুমান নিৰীহ লোকৰ জীৱন নাশৰ মৰণফান্দ এই দিনটোত সাজু কৰা হয়। চাৰিওফালে চিপাহী চন্তৰীৰ কঢ়া পহৰা। বন্দুক, গুলী, বাৰুদ, বোমাৰ বাহাদুৰী। উন্নত ৰণনীতি, ভাবুকি, প্ৰত্যাহ্বান, ৰক্ষণাবেক্ষণ দিয়াৰ মিছা প্ৰতিশ্ৰুতিৰ মাজত চুৰুৰ ভেকুলীৰ দৰে ঘৰৰ ভিতৰত সোমাই থকাৰ বাহিৰে আজিৰ মানুহৰ এই দিনটোত বিশেষ কোনো কাম নাথাকে। কোনো কাৰণ নোহোৱাকৈ কোনেও বুকু পাতি মৰিবলৈ নাযায়। মৃত্যু আজিৰ দিনত বৰ সহজলভ্য। এই সুবিধা আমাক কোনে দিছে? আমিয়েই দিছো - আমাৰ পৰিয়াল পৰিজনক, আমাৰ উত্তৰপুৰুষসকলক। কাৰণ আমি কাপুৰুষ! স্বাধীনতাৰ সোৱাদ আমি দিব নোৱাৰোঁ, মৃত্যুতো দিব পাৰো। মনত পৰিছে মনোজ কুমাৰ গোস্বামীৰ 'পৃথিৱীৰ শেষ ৰেল ষ্টেচন' নামৰ গল্পটিৰ কথা। জীৱনত আৰু কোনো দিনে অপৰাধ নকৰাৰ প্ৰতিশ্ৰুতি দি ঘৰৰ পৰা ওলাই জীয়াই থকাৰ অৱলম্বন বিচাৰি শেষ অপৰাধটো কৰাৰ পিছত চোৰটোৱে দেখিলে ষ্টেচনৰ পৰা চুৰ কৰি অনা গধুৰ বাকচটোত টকাৰ সলনি কিছুমান ৰঙা নীলা তাঁৰ আৰু টিক্‌টিকাই থকা ঘড়ী এটাহে আছে, তেতিয়া সি বাকচটো বুকুত সাৱটি ধৰি পত্নী আৰু ল'ৰা-ছোৱালীৰ মাজত শুই পৰাৰ সেই অসহায় কৰুণ অৱস্থাটোৰ বাবে আমি সেইসকলক ধন্যবাদ নিদিয়াকৈ থাকিব নোৱাৰো। সকলো কষ্ট আৰু যন্ত্ৰণাৰ পৰা মুক্তি দিয়াৰ এই সহজ উপায়টো দিয়াৰ বাবে। একেবাৰে সকলো নিঃচ্ছিন্ন। ইয়াৰ পিছত মুক্তি আৰু স্বাধীনতাৰ পৰম আনন্দ লাভ কৰিব পাৰি। 'হেটচ্ অফ টু ডেম'।

আমি কিজানি 'স্বাধীন' আৰু 'স্বাধীনতা'ৰ পৰিভাষা পাহৰি গৈছোঁ। 'স্বাধীন' শব্দই স্বতন্ত্ৰ অৰ্থাৎ কাৰো অধীনত নথকা বুজায় আৰু 'স্বাধীনতা' শব্দই লোকৰ তলতীয়া নোহোৱা অৱস্থাকে বুজায়। স্বাধীনতাৰ অবিহনে এখন দেশৰ গণতন্ত্ৰ দেশৰ মানুহৰ অস্তিত্ব যেনেকৈ নিৰৰ্থক, তেনেকৈ গণতন্ত্ৰৰ অবিহনেও এখন দেশৰ নাগৰিকে মুকলিভাৱে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম নহয়। এইবাবেই অগণতান্ত্ৰিক শাসন-শোষণৰ বিৰুদ্ধে দেশৰ জনসাধৰণে সময়ে সময়ে নিজৰ প্ৰতিবাদ দৰ্শাই আহিছে। জাতিৰ বাবে, এখন দেশৰ বাবে এয়া শুভ লক্ষণ। জাতীয় চেতন্যৰ চিন। বৃটিছৰ শাসনকাল ৰাজনৈতিক দিশৰ পৰা ভাৰতবৰ্ষৰ ইতিহাসৰ এক কলংকিত অধ্যায়। সেই অধ্যায় অতিক্ৰম কৰিব পাৰিছোঁ সকলোৱে একগোট হোৱাৰ বাবে। বিভিন্নতাৰ মাজত ঐক্য এয়াই হৈছে ভাৰতবৰ্ষৰ বিশেষত্ব। কিন্তু সময়ে সময়ে এই ঐক্য, এই সম্প্ৰীতিৰ মাজলৈ বাৰিষাৰ ঢলেৰে প্লাৱন আহে। বহু কষ্টোপাৰ্জিত স্বাধীনতাৰ প্ৰাকমুহূৰ্ততে এনে প্লাৱনে উটাই লৈ গৈছিল ভাৰত মাতৃৰ দেহৰ আধা অংশ। এখন দেশক দুটা স্থানত ভাগ বাটোৱাৰা কৰি আমি জন্মৰ সেই পূৰ্বক্ষণতেই হিংসা, সাম্প্ৰদায়িকতাৰ যি নমুনা দাঙি ধৰিছিলোঁ তাৰ স্বাক্ষ্য পৰৱৰ্ত্তী কালত অধিক স্পষ্ট হৈ উঠিছিল। আৱেগৰ বশৱৰ্তী হৈয়ে এদিন আমি শাক-পাচলি, মাছ আদি বেচিছোঁ। জোতা পলিচ কৰিছোঁ, ৰিক্সাও চলাইছোঁ। কিন্তু কিমান দিন? তাৰ পিচত "পুনৰমুৰ্ষিক ভৱ"।

অকল আবেগেৰেই জাতীয় সংহতি, ঐক্যৰ বন্ধনক সুদৃঢ় কৰিব নোৱাৰি। আবেগ মানুহৰ এক শক্তিশালী মনোভাৱ সচাঁ, কিন্তু আবেগেৰে কৰা কাম সফল হলেও সি ক্ষন্তেকৰ বাবেহে। আবেগৰ বশৱৰ্ত্তী হৈ আজি বহুতে ঘৰ-বাৰী এৰিছে, বনে-জংঘলে ঘূৰি ফুৰিছে, অনাহাৰ, অনিদ্ৰাৰে দেশৰ স্বাধীনতাৰ কথা চিন্তা কৰিছে। কিন্তু সফলতা? এতিয়াও নীল গগণৰ তৰা! জুহালৰ ওচৰত বহি চকুপানী টোকা মাতৃৰ চকুলো মচিবলৈ অহাৰ পথ এতিয়াও ৰুদ্ধ। আবেগ আৰু ক্ষমতাৰ বশবৰ্তী হৈ নিজৰ নিজৰ সিদ্ধান্তত অবিচল হৈ থকাৰ বাবে বহুতে অমূল্য জীৱন হেৰুৱাব লগাত পৰিছে। নিৰীহ মানুহৰ আৰ্তনাদে বহুতৰে বুকু কঁপাই দিয়ে। সঁহাৰি নাই, সমৰ্থন নাই। তেন্তে উপায়? সমস্যাৰ সমাধান? বহুত প্ৰশ্ন! অপেক্ষা, উৎকণ্ঠা, আলোচনাৰ সুদীৰ্ঘ পথ অতিক্ৰমিও কিন্তু উত্তৰ একেটাই। শূন্য। এই শূন্যতাই আমাৰ চাৰিওফালৰ পৰিবেশ আৰু বেছি অন্ধকাৰ আৰু ভয়াবহ কৰি তুলিছে। প্ৰত্যক্ষদৰ্শী হিচাপে আমাক জীৱনে বহুত শিকালে। অভিজ্ঞতাও বহুত হ'ল। কিন্তু তথাপিও আমি বাৰে বাৰে উজুটি খাইছোঁ। নৈতিকতাক বিসৰ্জন দি নিৰ্লজ্জৰ দৰে হাঁহিছোঁ, ভ্ৰষ্টাচাৰৰ সৈতে হাত মিলাইছোঁ। মানৱতাৰ সৈতে অহি-নকুল সম্বন্ধ পাতি নিজৰ স্বাৰ্থৰ বাবে শত্ৰুৰ লগত কৰমৰ্দন কৰিছোঁ।

স্বাধীনতাই আমাক কি দিলে? সুদীৰ্ঘ দিনৰ হিচাপ নিকাচে দাঙি ধৰে, ৰোগগ্ৰস্ত এখন জীৰ্ণ শীৰ্ণ সমাজৰ ছবি, দেশৰ ছবি। আমাৰ একমাত্ৰ সম্বল ভৱিষ্যৎ এতিয়া আমাৰ হাতত নাই। এতিয়া আমি নিঃকিন, নিঃস্ব, সম্বলহীন।

"জীৱনত আৰু কোনো দিনে অপৰাধ নকৰাৰ প্ৰতিশ্ৰুতি দি ঘৰৰ পৰা ওলাই জীয়াই থকাৰ অৱলম্বন বিচাৰি শেষ অপৰাধটো কৰাৰ পিছত চোৰটোৱে দেখিলে ষ্টেচনৰ পৰা চুৰ কৰি অনা গধুৰ বাকচটোত টকাৰ সলনি কিছুমান ৰঙা নীলা তাঁৰ আৰু টিক্‌টিকাই থকা ঘড়ী এটাহে আছে, তেতিয়া সি বাকচটো বুকুত সাৱটি ধৰি পত্নী আৰু ল'ৰা-ছোৱালীৰ মাজত শুই পৰাৰ সেই অসহায় কৰুণ অৱস্থাটোৰ বাবে আমি সেইসকলক ধন্যবাদ নিদিয়াকৈ থাকিব নোৱাৰো। সকলো কষ্ট আৰু যন্ত্ৰণাৰ পৰা মুক্তি দিয়াৰ এই সহজ উপায়টো দিয়াৰ বাবে। একেবাৰে সকলো নিঃচ্ছিন্ন। ইয়াৰ পিছত মুক্তি আৰু স্বাধীনতাৰ পৰম আনন্দ লাভ কৰিব পাৰি। 'হেটচ্ অফ টু ডেম'।"

আমি এতিয়া কোন পথেৰে যাম? আমাৰ লক্ষ্যস্থান ক'ত? কিমান দূৰৈত। প্ৰকৃততে আমাৰ দোষ ক'ত? দোষ আমাৰ বহুত। ক'ৰ পৰা লেখিম, ক'ত শেষ হ'বগৈ। আদি অন্তহীন। পৃথিৱীৰ সমস্ত প্ৰাণীয়েই নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে কঠোৰ সংগ্ৰাম কৰি আহিছে। এই সংগ্ৰামে জীৱন্ত জাতিৰ পৰিচয় বহন কৰে। এনে সংগ্ৰামে, এনে বিপ্লৱে সমাজলৈ পৰিৱৰ্তন আনে। এই পৰিৱৰ্তন যদি সমাজ তথা দেশৰ লোকৰ বাবে কল্যাণকৰ হয় তেন্তে এই পৰিৱৰ্তন আদৰণীয়। কিন্তু এটা সমস্যাৰ সমাধান কৰিবলৈ গৈ যদি নতুন সমস্যাৰ উদ্ভৱ হয়, তেতিয়া এই পৰিবৰ্তনে জটিলতাৰহে সৃষ্টি কৰে। আমাৰ ক্ষেত্ৰতো সেয়ে পৰিদৃষ্ট হৈছে।

বিভিন্ন আন্দোলন সমূহে সৰ্বাত্মক ভাবে বিপ্লৱৰ ৰূপ ধাৰণ কৰাৰ পিছত দেশৰ, সমাজৰ জনসাধাৰণৰ মনত নানান চিন্তাৰ উদ্ভৱ হয়। এই আন্দোলন যদি দীঘলীয়া হয়, তেন্তে তাৰ পৰা সামাজিক, অৰ্থনৈতিক আদি নানান সমস্যাৰ সৃষ্টি হয়। সঘনাই হোৱা বন্ধ আদিয়ে ছাত্ৰ সমাজক শিক্ষাৰ প্ৰতি অমনোযোগী কৰি তোলে। সমাজৰ শান্তি শৃংখলা ৰক্ষা কৰিবলৈ গৈ সাধাৰণ উশৃংখলতাৰ পৰা আৰম্ভ কৰি জঘন্য অপৰাধলৈকে বিভিন্ন আইন বিৰোধী কাম কৰিবলৈকে আজিৰ ছাত্ৰ সমাজ উন্মুখ হৈ থাকে। অতীতৰ ছাত্ৰ আন্দোলনৰ উদ্দেশ্য মহৎ হলেও এই আন্দোলনে একাংশ ছাত্ৰ ছাত্ৰীৰ মাজত উশৃংখলতা আৰু অনুশাসনহীনতাৰ বীজ ৰোপন কৰি থৈ গ'ল। ইয়াৰ ফলত একাংশ ছাত্ৰই পিতৃ-মাতৃ, আন বয়োজ্যেষ্ঠ আনকি শিক্ষাগুৰুৰ প্ৰতি অবাইচ মাতিবলৈ কুণ্ঠাবোধ নকৰে। যুৱতী আৰু মহিলাসকলৰ প্ৰতি সৌজন্যতা দেখুওৱাটো তেওঁলোকৰ ডেকা তেজৰ বিৰোধী বুলি ভাবে। প্ৰতিশোধ আৰু জিঘাংসাৰ মনোভাব তেওঁলোকৰ মাজত প্ৰবল হৈ উঠিছে। নিজৰ অন্তৰংগ বন্ধুৰ প্ৰতি দেখুওৱা এনে মনোভাৱে বহুকেইজন কুমলীয়া ছাত্ৰৰ অকালতে জীৱন নাশ হোৱাৰ দৃষ্টান্ত সম্প্ৰতি আমাৰ সমাজতে ঘটি গৈছে। চুৰি, ডকাইতি, হত্যা, লুণ্ঠন, নানা ধৰণৰ ভাবুকি আনকি নাৰী ধৰ্ষণৰ দৰে জঘন্য অপৰাধত আজিৰ কিছুমান ছাত্ৰ নিৰ্বিবাদে লিপ্ত হৈছে। নিচাযুক্ত দ্ৰব্য সেৱনত আজিকালিৰ উঠি অহা ল'ৰা-ছোৱালী অভ্যস্ত হৈ পৰিছে। ইয়াৰ বাবে ভদ্ৰঘৰৰ একাংশ যুৱতীয়ে বেশ্যাবৃত্তিও গ্ৰহণ কৰাৰ কথা কাগজে-পত্ৰে পঢ়িবলৈ পোৱা যায়। অসুৰক্ষিত যৌন সম্পৰ্কই তেওঁলোকক দিছে মাৰাত্মক এইডচৰ দৰে বেমাৰ।

এটা সময় আছিল যেতিয়া ছাত্ৰ-ছাত্ৰীক দেশৰ ভৱিষ্যৎ নাগৰিক বুলি আখ্যা দি দেশৰ দায়িত্ব তেওঁলোকৰ বাবে অনুপ্ৰাণিত কৰিছিল। তেওঁলোকৰ শিক্ষা, বুদ্ধি, মেধা শক্তিৰ ওপৰত সকলোৰে আস্থা আছিল। সেই ডেকা শক্তি আজি আবেগৰ বশৱৰ্তী হৈ দুৰ্বল হৈ পৰিছে। ক্ৰুৰ হৈ পৰিছে। মানৱীয়তাক বিসৰ্জন দি হত্যাকাৰী ৰূপে চিহ্নিত হৈছে। ইয়াৰ পৰিণতি? এই পৰিণতিৰ বাবে প্ৰকৃততে দোষী কোন?

দোষী ৰোগগ্ৰস্ত সমাজ, কুটিল ৰাজনীতি, শিথিল অৰ্থনীতি। দোষী দেশৰ ৰখমুৰীয়াসকলৰ দমন নীতি, দোষী উশৃংখল যুৱ সমাজ। মুঠতে, সকলোয়ে দোষী। কাৰো এৰা-ধৰা মনোভাৱৰ প্ৰতি সমৰ্থন নাই। গতিকে যুদ্ধ অনিবাৰ্য। এই যুদ্ধই আনি দিয়ে মৃত্যু, ধ্বংস। মৃত্যুৰ এই বিভীষিকাৰ মাজত, ধ্বংসৰ ভগ্নস্তূপৰ মাজত এখন কল্যাণকামী, শোষণমুক্ত, স্বাধীন দেশৰ কল্পনা কৰাটো অমূলক নহয় জানো? লক্ষ্যহীন যাত্ৰা সদায় ব্যৰ্থ। পৰিকল্পনাহীন চিন্তা, উদ্দেশ্য নিৰৰ্থক। এইবোৰে কোনো সমস্যাৰ সমাধান নকৰে। বৰং সমস্যাৰহে সৃষ্টি কৰে। এই সমস্যা ৰক্তবীজৰ দৰে। এটাৰ অন্ত হ'লে আন এটাৰ সৃষ্টি হয়। অগ্নিকবি অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'মই বিপ্লৱী মই তাণ্ডৱী' কবিতাটিত এনে ৰক্তবীজ ৰূপী সমস্যাৰ কথা কোৱা হৈছে।

*কোনফালে চাই কোনফালে লৰোঁ,*
*কোনটিক এৰি কোনটিক ধৰোঁ?*
*এটাক ধৰিলে আনফালে পুনু*
*শিপ্ত-দাপেৰে উদ্ভেদ উঠি আহে,*
*সেই কুৰুক্ষেত্ৰ এতিয়াও আছে।*
*কুৰুক্ষেত্ৰৰ যুদ্ধও সংঘটিত হৈ আছে।*
*নাই কেৱল বিপদৰ বন্ধু, পাণ্ডৱৰ ৰক্ষাকৰ্তা শ্ৰীকৃষ্ণ।*

তথাপি আমি আশাবাদী। নোপোৱাৰ মাজতো জীয়াই থাকিবলৈ বিচাৰোঁ। কিয়নো মনুষ্য জীৱন দুৰ্লভ। বৈষ্ণৱ কবি মাধৱদেৱেও মনুষ্য জীৱন লাভ কৰি ধন্য মানিছে। "ধন্য ধন্য কলিকাল, ধন্য নৰ তনু ভাল, ধন্য ধন্য ভাৰত বৰিষে।" আইৰিচ কবি W.B. Yeats ৰ 'Second coming' কবিতাটিৰ -

*"Were vexed to nightmare by a rocking cradle,*
*....... Slouches towards Bethelhem to be born."*

সুৰত মিলাই আমিও শান্তিৰ কপৌজাক উৰুৱাই দি আশা কৰিব পাৰোঁ নেকি কোনোবা এজন মহাপুৰুষৰ দ্বিতীয় জন্মৰ কথা?

"বিভিন্ন আন্দোলন সমূহে সৰ্বাত্মক ভাবে বিপ্লৱৰ ৰূপ ধাৰণ কৰাৰ পিছত দেশৰ, সমাজৰ জনসাধাৰণৰ মনত নানান চিন্তাৰ উদ্ভৱ হয়। এই আন্দোলন যদি দীঘলীয়া হয়, তেন্তে তাৰ পৰা সামাজিক, অৰ্থনৈতিক আদি নানান সমস্যাৰ সৃষ্টি হয়। সঘনাই হোৱা বন্ধ আদিয়ে ছাত্ৰ সমাজক শিক্ষাৰ প্ৰতি অমনোযোগী কৰি তোলে। সমাজৰ শান্তি শৃংখলা ৰক্ষা কৰিবলৈ গৈ সাধাৰণ উশৃংখলতাৰ পৰা আৰম্ভ কৰি জঘন্য অপৰাধলৈকে বিভিন্ন আইন বিৰোধী কাম কৰিবলৈকে আজিৰ ছাত্ৰ সমাজ উন্মুখ হৈ থাকে। অতীতৰ ছাত্ৰ আন্দোলনৰ উদ্দেশ্য মহৎ হলেও এই আন্দোলনে একাংশ ছাত্ৰ ছাত্ৰীৰ মাজত উশৃংখলতা আৰু অনুশাসনহীনতাৰ বীজ ৰোপন কৰি থৈ গ'ল।"

* অধ্যাপিকা, অসমীয়া বিভাগ

*"ৰাতি জুই দেখিলে চগা আহি পৰাৰ দৰে আমাৰ সমাজত সৰ্বসাধাৰণে পশ্চিমীয়া সংস্কৃতিৰ ওপৰত ইমান গুৰুত্ব আৰোপ কৰিবলৈ লৈছে যে, আমি সম্পূৰ্ণৰূপে পাহৰি পেলাইছোঁ আমাৰ জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ বিহুগীত, হুঁচৰি, বিয়ানাম আদি লোক-সংস্কৃতিৰ অমূল্য সম্পদৰাজিৰ গুৰুত্ব।"*

# অসমীয়া লোক-সংস্কৃতিঃ এক চমু আলোকপাত

যাদৱ*



আমাৰ জাতীয় জীৱনৰ এক অবিচ্ছেদ্য অংগ হ'ল সংস্কৃতি। ভৌগোলিক পৰিসীমাই সংস্কৃতিৰ বিভিন্নতা আৰু বৈচিত্ৰ্যৰ সৃষ্টি কৰে। ইংৰাজী **Culture** শব্দৰ সমাৰ্থক ৰূপে ব্যৱহৃত এই 'সংস্কৃতি' শব্দটো তথা অভিধাটোৰ গুৰুত্ব। **Culture** শব্দটোৰ মূল হৈছে লেটিন ভাষাৰ 'কোল' ধাতু। যাৰ অৰ্থ মাটি চহোৱা, কৃষি কৰা। বুৎপত্তিগতভাৱে 'কালচাৰ'ৰ অৰ্থ কৰ্ষণ। কৰ্ষণৰ দ্বাৰা ভূমিৰ মৌলিক গুণৰ উন্নতি সাধন কৰি তাক শস্য উৎপাদনৰ বাবে উপযুক্ত কৰি তোলা হয়। কালচাৰ শব্দৰ মূল অৰ্থই আদিতে যদিও শস্যভূমি কৰ্ষণকেই বুজাইছিল, পিছলৈ ই সাধাৰণভাৱে সংস্কাৰ বা উন্নতি সাধন আৰু মনোভূমি কৰ্ষণক বুজাবলৈ ধৰে। গতিকে সংস্কৃতি কথাটোৰ মাজতে এই সকলোখিনি অৰ্থ নিহিত হৈ আছে। সংস্কৃতিৰ লগত মানুহৰ জীৱন যাত্ৰাৰ বাহ্যিক আৰু আভ্যন্তৰীণ সকলো দিশৰ সংস্কাৰ-সাধন বা উত্তৰণৰ ধাৰণাটো জড়িত হৈ আছে। গতিকে সংস্কৃতি পদটো সংস্কাৰৰ লগত বিশেষভাৱে জড়িত। অৰ্থাৎ যাৰ সংস্কাৰ হৈছে সিয়েই সংস্কৃতি। কোনো কোনোৱে সেয়েহে ইংৰাজী Culture শব্দৰ পৰিভাষা ৰূপে 'কৃষ্টি' পদটোহে প্ৰয়োগ কৰে। কৰ্ষণৰ লগত কৃষ্টিৰ সম্পৰ্ক ওতঃপ্ৰোত আৰু কৃষ্টিক সংস্কাৰ কৰি ল'লেহে সংস্কৃতিৰ জন্ম হয়। একেটা ক্ৰিয়াৰ বাৰম্বাৰ আচৰণ বা আবৃত্তিক কৰ্ষণ বা কৃষ্টি আখ্যা দিব পাৰি। এই কৃষ্টিক সংস্কাৰ কৰি লোৱাটোৰ নামেই সংস্কৃতি। লোক-সংস্কৃতিৰ উত্তৱ আৰু ক্ৰমবিকাশৰ মূল পটভূমি হ'ল লোক-সমাজ অৰ্থাৎ 'folk-society। এতিয়া এই 'লোক সমাজ' বুলিলে আমি কোনখন সমাজক বুজো? এনে এটা প্ৰশ্ন অতি সাধাৰণ ভাৱেই আমাৰ মাজত আহি উপস্থিত হয়। সাধাৰণ ভাৱে ক'বলৈ গ'লে নাগৰিক সভ্যতাৰ আগৰ সমাজেই লোক সমাজ- বৰ্তমান নাগৰিক সভ্যতাৰ দ্বাৰা বাধাগ্ৰস্ত নোহোৱাকৈ থকা সমাজখনকো লোক সমাজ বুলিব পাৰি। কিন্তু আজিৰ নাগৰিক সভ্যতাও লোক সমাজক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে। অন্যহাতেদি আজি যাক আমি মহান সভ্যতা বুলি কৈছোঁ - তাৰ গুৰিতেই লোক সমাজৰ উল্লেখনীয় ভূমিকা আছিল। এই লোক-সমাজখনক কৃষক সমাজো বুলিব পাৰি। কৃষিজীৱী সমাজ, শিল্পজীৱী সমাজৰ ওপৰত কৃষিজীৱী সমাজখনৰে সংস্কৃতিৰ প্ৰভাৱ কৰিছে। কৃষক সমাজক লোক সমাজ আখ্যা দিয়াৰ অনুকূল মত পোষণ কৰিছে ৰবাৰ্ট ৰেডফিল্ড-এ। গতিকে কৃষক সমাজৰ সংস্কৃতিয়েই হ'ল লোক-সংস্কৃতি। ই স্বতন্ত্ৰ নহয়, সভ্যতাৰ এটা ফাল বা দিশহে। সেইবাবে কৃষক-সমাজ অৰ্ধ-সমাজ। গতিকে কৃষক-সংস্কৃতিও অৰ্ধ-সংস্কৃতি।

এই প্ৰসংগতে খৃঃ উনবিংশ শতিকাত কোনো কোনো পণ্ডিতে দিয়া 'লোক'ৰ সাধাৰণ সূত্ৰটোৰ উল্লেখ কৰা প্ৰয়োজন, তেওঁলোকে কৈছিল যে ঃ "কৃষক, নিৰক্ষৰ. গঞা আৰু সমাজৰ নিম্ন স্তৰক লোক আখ্যা দিব পাৰি। ইয়াৰ বিপৰীতে সভ্য বা অভিজাত, সাক্ষৰ, নগৰীয়া আৰু সমাজৰ উচ্চ স্তৰক শিষ্ট বোলে।" এই সূত্ৰটোৰ পৰা সাধাৰণভাৱে আমি অনুমান কৰিব পাৰোঁ যে, শিষ্ট বা অভিজাত শ্ৰেণী থকা ঠাইতহে লোক সমাজ বা লোক সংস্কৃতিৰ বিকাশ হ'ব পাৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত ইয়াৰ বিপৰীত চিত্ৰ এখনহে আমাৰ দৃষ্টিগোচৰ হয়; দেখা যায় যে শিষ্ট বা অভিজাত সমাজ নোহোৱাকৈও লোক সমাজ বা লোকসংস্কৃতিৰ উদ্ভৱ হ'ব পাৰে। অন্যহাতেদি চহৰ বা নগৰতো লোক সংস্কৃতি বা লোকবিদ্যাৰ বিদ্যমানতা অস্বীকাৰ কৰিব নোৱাৰি। গতিকে উনবিংশ শতিকাত ভিন ভিন পণ্ডিতে আগবঢ়োৱা এনে ধৰণৰ লোক সংস্কৃতি সম্পৰ্কীয় সূত্ৰসমূহ বিনা বাচ-বিচাৰে গ্ৰহণ কৰিব নোৱাৰি।

এলেন ডাণ্ডেৰ মতে - 'folk' পদটোৱে অতি কমেও এটা উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো জনসমষ্টিক বুজায়।" ড° নবীন চন্দ্ৰ শৰ্মাদেৱে 'অসমীয়া লোক সংস্কৃতিৰ আভাস' গ্ৰন্থত এই কথাষাৰকে সমৰ্থন কৰি কৈছে যে, এই ন্যূনতম উমৈহতীয়া উপাদানটো যিয়েই নহওক লাগে তাত কথা নাই, কেৱল ই সেই জনসমষ্টিৰ মাজত সংযোগ ৰক্ষা কৰিবলৈ সক্ষম হ'ব লাগিব। ব্যৱসায়, ভাষা, ধৰ্ম আদিয়ে উমৈহতীয়া উপাদানৰ ভূমিকা গ্ৰহণ কৰিব পাৰে। এই সন্দৰ্ভত অতি প্ৰয়োজনীয় চৰ্ত হৈছে - যি উমৈহতীয়া উপাদানৰ কাৰণে সেই জনগোষ্ঠী গঠিত নহওক কিয় তাত বৰ্তমান থাকিব লাগিব পৰম্পৰা আৰু পৰম্পৰাক তেওঁলোকে নিজৰ উমৈহতীয়া মাধ্যম ৰূপে গ্ৰহণ কৰিবলৈ সাজু থাকিব লাগিব, যিহেতু পৰম্পৰাই কোনো এক জনগোষ্ঠীৰ সামূহিক পৰিচয় প্ৰদানত অন্যতম ভূমিকা গ্ৰহণ কৰে।

আমি জানো যে লোক সমাজেই লোক সংস্কৃতিৰ জন্ম আৰু বিকাশৰ ঘাইকেন্দ্ৰ আৰু এই লোকসমাজৰ মাজেদিয়েই পৰম্পৰাও প্ৰবাহিত হৈ থাকে। এই ক্ষেত্ৰত অভিজ্ঞতা হ'ল প্ৰথম। অভিজ্ঞতাৰ পিচতহে সিদ্ধান্ত বা সূত্ৰৰ কথা আহে। মনত খেলোৱা কোনো সিদ্ধান্তয়ে গৈ দহজনৰ প্ৰজ্ঞাৰ মূল হৈ উঠে। দহজনৰ মনত কোনো এজনৰ অভিজ্ঞতা কাৰ্যকৰী হোৱাৰ লগে লগে সি লোক প্ৰজ্ঞাৰ বস্তু হৈ পৰে। এই লোক-প্ৰজ্ঞা পৰম্পৰাৰ মাজেদি বৈ থাকে। লোক সংস্কৃতিক কু-সংস্কাৰৰ বস্তু বুলি যে ভাবিব নেলাগে ইয়ে তাৰ প্ৰমাণ। ই মূলতে আদিম আৰু সভ্য জগতৰ পৰম্পৰাগত প্ৰবাহ। অতি সাধাৰণভাৱে ক'বলৈ গ'লে পৰম্পৰাগত লোক-বিজ্ঞান।

লোক সংস্কৃতিত আপুনি, মই আদি কৰি সমাজৰ প্ৰতিজন মানুহৰে ভূমিকা আছে। ভিতৰুৱা গাঁৱৰ নিৰক্ষৰ তিৰোতা বা গৃহিণীৰ মাজতে আত্মবিশ্বাস, ভাগ্যৰ শুভ-অশুভৰ ধাৰণা, সাধু, লোক প্ৰবাদ আৰু অন্যান্য বহুতো সমল পোৱা যায়। সেই একে ধৰণৰ সমল একেখন সমাজৰে এজন শিক্ষক, ডাক্তৰ বা ইঞ্জিনিয়াৰৰ পৰাও পোৱা যায়। সেয়ে আমি ক'ব পাৰো যে জাতিৰ বিষয়ে অধ্যয়ন কৰিব লাগিলে মানুহেই হ'ল ইয়াৰ ঘাই উপাদান। লোক-সংস্কৃতিবিদে বাটৰ ভিক্ষাৰীজনৰ পৰাও তথ্য পাব পাৰে।

কোনো এটা জাতিৰ লোক-সংস্কৃতিৰ স্বৰূপ জাতিটোৰ লোক-সাহিত্যত আৰু লোক-বিশ্বাসসমূহত প্ৰকাশ পায়। অসমীয়া লোক-সংস্কৃতিৰ বিষয়ে চৰ্চা কৰিবলৈ সেই কাৰণে প্ৰথমে অসমৰ এই অলিখিত অমূল্য সাহিত্যৰাজিৰ সংগ্ৰহ আৰু বিশ্লেষণ কৰা প্ৰয়োজন। কোনো এটা জাতিৰ আদিম অৱস্থাৰ পৰা সভ্য স্তৰলৈকে আঁত নিছিগাকৈ চলি অহা জনশ্ৰুতিয়েই হ'ল লোক-সাহিত্য। এই লোক-সাহিত্যৰাজি গদ্য আৰু গীত দুয়ো ৰূপতেই যুগ যুগ ধৰি সমাজৰ মুখে মুখে সৃষ্ট আৰু সংৰক্ষিত হৈ আহিছে। সেয়েহে প্ৰধানকৈ ধৰ্ম অনুষ্ঠান, পূজা-পাতাল, লোক-বিশ্বাস, নিয়ম-কানুন, সাধু উপাখ্যান; পুৰাণৰ কাহিনী, প্ৰকৃতিৰ ব্যাখ্যা, নৃত্য-নাট্য, অভিনয়, ক্ৰীড়া, কৌতুক - এই সকলোৰে সমাহাৰত লোক সংস্কৃতি সম্পূৰ্ণ হৈছে। লোক-সাহিত্য আৰু লোক-বিশ্বাস জনসাধাৰণ সম্পৰ্কীয় বিজ্ঞান নহয়; ই পৰম্পৰাগতভাৱে চলি অহা লোক বিজ্ঞানহে। মানৱ জাতিয়ে যুগ যুগ ধৰি যি অভিজ্ঞতা লাভ কৰিছে, যি যি কথা শিকিছে, যিসমূহ বিষয় চৰ্চা কৰিছে - সেই সকলোবোৰৰে সঞ্চয় ভাণ্ডাৰ হ'ল লোক-সাহিত্য আৰু লোক বিশ্বাস। সেয়েহে লোক সাহিত্য আৰু লোক বিশ্বাসৰ মাজতেই জাতি এটাৰ মনোজগত তথা জীৱন-যাপন কলা আৰু আদৰ্শগত পৰিচয় ফুটি উঠে। জাতিৰ ধাৰ্মিক, সামাজিক, মনস্তাত্বিক বিষয়সমূহৰ উপলব্ধি তথা বিশ্লেষণত লোক-সাহিত্যই বিশেষ ভূমিকা গ্ৰহণ কৰে। জাতি এটাৰ

"কৃষক, নিৰক্ষৰ, গঞা আৰু সমাজৰ নিম্ন স্তৰক লোক আখ্যা দিব পাৰি। ইয়াৰ বিপৰীতে সভ্য বা অভিজাত, সাক্ষৰ, নগৰীয়া আৰু সমাজৰ উচ্চ স্তৰক শিষ্ট বোলে।" এই সূত্ৰটোৰ পৰা সাধাৰণভাৱে আমি অনুমান কৰিব পাৰো যে, শিষ্ট বা অভিজাত শ্ৰেণী থকা ঠাইতহে লোক সমাজ বা লোক সংস্কৃতিৰ বিকাশ হ'ব পাৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত ইয়াৰ বিপৰীত চিত্ৰ এখনহে আমাৰ দৃষ্টিগোচৰ হয়; দেখা যায় যে শিষ্ট বা অভিজাত সমাজ নোহোৱাকৈও লোক সমাজ বা লোকসংস্কৃতিৰ উদ্ভৱ হ'ব পাৰে।"

জাতীয় চৰিত্ৰ বিশ্লেষণত সেয়েহে লোক-কথাবিদ্‌সকলে জাতিৰ এই অলিখিত সাংস্কৃতিক তথ্যসমূহ — সংগ্ৰহ কৰাত বিশেষ গুৰুত্ব আৰোপ কৰে। সেইদৰে লোক-সংস্কৃতি লোক জীৱনৰ পুঞ্জীভূত অভিজ্ঞতাৰে পুষ্ট লোকবিশ্বাসৰ পৰম্পৰা। পৰম্পৰাই লোক-বিশ্বাসৰ জীৱনী শক্তি বৃদ্ধি কৰে। এই লোক-বিশ্বাসৰে গইনা লৈ লোক-সংস্কৃতি লহপহকৈ বাঢ়ি আছে বৰ্তমানেও।

অসমৰ লোক সংস্কৃতিৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে প্ৰথমে ইয়াৰ ঐতিহাসিক, ভৌগোলিক, নৃতাত্বিক, সামাজিক, ভাবাতাত্বিক আদি বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা অতিকে প্ৰয়োজন। একালত অসম, অৰুণাচল, মিজোৰাম, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড, মেঘালয় তথা কোচ বিহাৰ আদিৰে এক ভূখণ্ড হৈ থকা বৰ অসমত ভাবাতাত্বিক আৰু প্ৰজাতীয় প্ৰমাণৰ ফালৰ পৰা নেগ্ৰিটো, অষ্ট্ৰ'এচিয়াটিক, তিব্বত-বৰ্মীয়, আৰ্য আদি নৃ-গোষ্ঠীৰ লোকে বসবাস কৰি এতিয়ালৈকে তেওঁলোকৰ শাখা-প্ৰশাখা ইয়াত বিস্তৃত কৰি আছে। খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ আৰম্ভণিৰ লগে লগে তাই-আহোমসকলে কামৰূপত (অসমত) প্ৰবেশ কৰে। এই শতিকাৰ ভিতৰতে মুছলমান সকলৰো অসমলৈ আগমন ঘটে। বৃটিছসকল অসমত সোমোৱাৰ লগে লগে খৃষ্ট ধৰ্মই ইয়াত গজালি মেলে। ধৰ্মীয় দৃষ্টিভংগীৰে হিন্দু, মুছলমান, শিখ, জৈন, বৌদ্ধ, খ্ৰীষ্টান আদি ভাগত বিভক্ত অসমৰ অধিবাসীসকলক জনজাতীয় আৰু অজনজাতীয় অধিবাসী এই দুটা বহল শ্ৰেণীত বিভক্ত কৰা হয়।

অসমীয়া সংস্কৃতিৰ আলোচনাত যিদৰে অতি সাধাৰণভাবেই আহে যে - অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি; সেইদৰে অসমীয়া লোক সংস্কৃতিও সমন্বয় প্ৰক্ৰিয়াৰ আধাৰত সৃষ্ট। বিভিন্ন নৈ-উপনৈৰ জলৰাশিৰে অসমীয়াৰ অতিকে আপোন ৰৰলুইত সৃষ্টি হোৱাৰ নিচিনাকৈ বিভিন্ন নৃ-গোষ্ঠীৰ সাংস্কৃতিক সমলৰ সমন্বয়ত অসমীয়া লোক সংস্কৃতিৰ জন্ম হোৱা বুলি ক'লে একো বেছিকৈ কোৱা নহয়।

ৰিচাৰ্ড এম. ডৰচনে লোক সংস্কৃতি বা লোক বিদ্যা আৰু লোক জীৱনক যিদৰে মোটামুটিকৈ চাৰিটা বহল ভাগত ভাগ কৰিছে সেইদৰে অসমীয়া লোক-সংস্কৃতিকো চাৰিটা ভাগত ভগাব পাৰি ঃ

(ক) মৌখিক লোকবিদ্যা বা লোক সংস্কৃতি,

(খ) সামাজিক লোক প্ৰথা বা লোকাচাৰ,

(গ) ভৌতিক সংস্কৃতি আৰু

(ঘ) লোক পৰিৱেশ্যকলা।

মৌখিক লোকবিদ্যাৰ ভিতৰত পৰে লোক কবিতা, লোক-কাহিনী, লোকোক্তি, লোকভাষা আদি। লোক কবিতাৰ ক্ষেত্ৰত অসমৰ লোক সংস্কৃতি অতিকে চহকী। তাৰ ভিতৰত বিহুগীত, হুচৰি, বিয়ানাম, দেহ বিচাৰৰ গীত; জিকিৰ, জাৰী, বাৰমাহী গীত, বেলাড (যেনে ঃ বদন বৰফুকনৰ গীত, জনাগাভৰুৰ গীত, মণি কোঁৱৰ- ফুলকোঁৱৰৰ গীত, কমলা কুঁৱৰীৰ গীত, চিকন সৰিয়হৰ গীত) আদি পৰে। লোক কাহিনীৰ ক্ষেত্ৰতো সেইদৰে সাধুকথা, যোজনা, পটন্তৰ, সাঁথৰ, নিচুকনি গীত আদিৰে অসমীয়া লোক সংস্কৃতিৰ ক্ষেত্ৰখন চহকী।

সামাজিক লোক প্ৰথা বা লোকাচাৰৰ পৰিসীমাৰ ভিতৰত উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, লোক-ঔষধ আৰু লোকধৰ্ম পৰে। উৎসৱ-অনুষ্ঠানৰ ভিতৰত অসমৰ চুকে কোণে প্ৰচলিত বিহু, বৈসাগু, ভঠেলি, তুসু-পূজা, পচতি, হুদুম পূজা, ভেকুলীৰ বিয়া, বাম্বোলপিতা, মহনি, দেউল আদি উল্লেখ কৰিব পাৰি। অসমত অতীজৰে পৰা পৰম্পৰাগত ভাৱে চলি অহা বিভিন্ন খেল-ধেমালিৰ ভিতৰত টাংগুটি, চিউ-উ, কুকুৰা-যুঁজ, মহযুঁজ, ধোপ বা বান্টা ব ভান্টা খেল, লুকালুকি, বাঘ-গৰু, ভেল কুট্ কুট আদি উল্লেখযোগ্য। সেইদৰেই অসমীয়া লোক জীৱনত লোক ঔষধ আৰু লোক ধৰ্ম পৰম্পৰাগত ভাৱে বৰ্তমানলৈকে চলি আছে। আজি একবিংশ শতিকাৰ অসমতো কিছুমান পৰম্পৰাগত গাঁৱলীয়া ঔষধ-পাতিৰ ব্যৱহাৰ চলি আছে কোনো ধৰণৰ বৈজ্ঞানিক যুক্তি-যুক্ততা অবিহনেই।

ভৌতিক সংস্কৃতিৰ পৰিসীমাত প্ৰত্যাহিত জীৱনৰ প্ৰয়োজনীয় ভৌতিক বস্তুবোৰ সামৰিব পাৰি। ঠিক সেইদৰে লোক-কলা বা পৰিৱেশ্য কলা-ৰীতিয়ে অসমৰ লোক-সংস্কৃতিত বৈচিত্ৰতা প্ৰদান কৰিছে।

এনে বিস্তৃত সমলৰাজিৰে ভাৰতীয় লোক সংস্কৃতিৰ দৰবাৰত নিজৰ উপস্থিতি সজোৰে উপস্থাপন কৰি তথা নিজস্ব গৰিমাৰে উজলি থকা অসমীয়া লোক সংস্কৃতিৰ স্বৰূপটো অদূৰ ভৱিষ্যতে কিমানদূৰ সুৰক্ষিত? - এনে এটা চিন্তনীয় প্ৰশ্নই সৰ্বদায় ক্ৰিয়া কৰিব লাগিছে। নিজস্ব চহকী সমলৰাজিৰে কেৱল ভাৰতবৰ্ষৰ

**"উৎসৱ-অনুষ্ঠানৰ ভিতৰত অসমৰ চুকে কোণে প্ৰচলিত বিহু, বৈসাগু, ভঠেলি, তুসু-পূজা, পচতি, হুদুম পূজা, ভেকুলীৰ বিয়া, বাম্বোলপিতা, মহনি, দেউল আদি উল্লেখ কৰিব পাৰি। অসমত অতীজৰে পৰা পৰম্পৰাগত ভাবে চলি অহা বিভিন্ন খেল-ধেমালিৰ ভিতৰত টাংগুটি, চিউ-উ, কুকুৰা-যুঁজ, মহযুঁজ, ধোপ বা বান্টা বা ভান্টা খেল, লুকালুকি, বাঘ-গৰু, ভেল কুট্ কুট আদি উল্লেখযোগ্য। সেইদৰেই অসমীয়া লোক জীৱনত লোক ঔষধ আৰু লোক ধৰ্ম পৰম্পৰাগত ভাবে বৰ্তমানলৈকে চলি আছে। আজি একবিংশ শতিকাৰ অসমতো কিছুমান পৰম্পৰাগত গাঁৱলীয়া ঔষধ-পাতিৰ ব্যৱহাৰ চলি আছে কোনো ধৰণৰ বৈজ্ঞানিক যুক্তি-যুক্ততা অবিহনেই।"**

— চাৰিসীমাতে নহয় সমগ্ৰ বিশ্বতে এক সুকীয়া আসন লোৱা অসমীয়া লোক সংস্কৃতিৰ ভৱিষ্যত আজি সংকটৰ গৰাহত।

লোক-সংস্কৃতি বিষয়টো এনেকুৱা নহয় যে ইয়াক মাত্ৰ কেইজনমান মানুহে জীয়াই ৰাখিব পাৰিব বা ই মাত্ৰ কেইটামান দিনৰ ভিতৰতে সম্পূৰ্ণ ৰূপে নিঃচিহ্ন হৈ যাব। কিন্তু আজি আমাৰ সমাজত এনে এটা অৱস্থা আহি পৰিছে যে আমি যদি এতিয়াই সচেতন হৈ উপযুক্ত কাৰ্যপন্থা হাতত লৈ আগ নাবাঢ়োঁ তেন্তে সোনকালেই আমাৰ লোক সংস্কৃতিৰ স্বৰূপটো ভাবিব নোৱাৰা ধৰণে পৰিবৰ্তিত হ'ব। আমি জানো যে পৰিবৰ্তন সমাজৰ অঘোষিত নিয়ম। তথাপি সেই পৰিবৰ্তন যদি অনুকূলে নহৈ প্ৰতিকূলে হয় তেতিয়া আমি প্ৰত্যেকেই চিন্তা কৰিবলৈ বাধ্য। সময় থাকোঁতেই সেই পৰিবৰ্তনক ভালৰ দিশে নিয়াটো আমাৰ কৰ্তব্যৰ ভিতৰত পৰে।

ৰাতি জুই দেখিলে চগা আহি পৰাৰ দৰে আমাৰ সমাজত সৰ্বসাধাৰণে পশ্চিমীয়া সংস্কৃতিৰ ওপৰত ইমান গুৰুত্ব আৰোপ কৰিবলৈ লৈছে যে, আমি সম্পূৰ্ণৰূপে পাহৰি পেলাইছোঁ আমাৰ জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ বিহুগীত, হুঁচৰি, বিয়ানাম আদি লোক-সংস্কৃতিৰ অমূল্য সম্পদৰাজিৰ গুৰুত্ব। হয়, আমি মানি লৈছো যে আজিৰ কম্পিউটাৰ, ইণ্টাৰনেট তথা গোলকীকৰণৰ যুগত কেৱল মাত্ৰ আমাৰ অতীত পৰম্পৰাকে আকোঁৱালি ধৰি থাকিলে নহ'ব। কিন্তু আমাৰ লোক সংস্কৃতিক সম্পূৰ্ণ ৰূপে বিকৃত বা নিঃচিহ্ন হৈ যোৱাৰ আগতে আমাৰ নতুন প্ৰজন্মক ইয়াৰ প্ৰতি সচেতন কৰি তুলিব লাগিব। এইক্ষেত্ৰত প্ৰধান ভূমিকা ল'ব লাগিব অভিভাৱক সকল তথা সমাজৰ শিক্ষিত, বুদ্ধিজীৱী তথা শ্ৰদ্ধাস্পদ নমস্য ব্যক্তিসকলে। "আদাক দেখি উঠিল গা, কেতুৰীয়ে বোলে মোকো খা" স্বভাৱ এৰি আমি অসমীয়া সকলে নিজৰ লোক-সংস্কৃতিক বিশ্ব-দৰবাৰত আমি অসমীয়া মহিমাৰে অধিক উজ্জ্বল ৰূপত দাঙি ধৰাৰ বাবে যত্নপৰ হোৱা উচিত। এটা কথা মনত ৰখা ভাল যে আমি যিদৰে সমাজত নিজৰ স্থিতি সবল কৰাৰ বাবে পিতৃ পৰিচয় বা বংশ পৰিচয় বিচাৰো, ঠিক সেইদৰে বিশ্বৰ লোক সংস্কৃতিৰ দৰবাৰত নিজৰ উপস্থিতি সজোৰে উপস্থান কৰাৰ বাবে আমাক এটা সুস্থ-সবল ভেঁটিৰ আৱশ্যক।



সহায়ক গ্ৰন্থপঞ্জী ঃ
অসমীয়া লোক সংস্কৃতিৰ আভাস ঃ ড° নবীন চন্দ্ৰ শৰ্মা
সংস্কৃতি আৰু লোক সংস্কৃতি ঃ ড° ভৃগু মোহন গোস্বামী
অসমৰ লোক-সংস্কৃতি ঃ ড° বিৰিঞ্চি কুমাৰ বৰুৱা
অসমৰ সংস্কৃতি ঃ ড° লীলা গগৈ।
অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি ঃ মুখ্য সম্পাদক ঃ ড° শৈলেন ভৰালী।

* স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ

"লোক-সংস্কৃতি বিষয়টো এনেকুৱা নহয় যে ইয়াক মাত্ৰ কেইজনমান মানুহে জীয়াই ৰাখিব পাৰিব বা ই মাত্ৰ কেইটামান দিনৰ ভিতৰতে সম্পূৰ্ণ ৰূপে নিঃচিহ্ন হৈ যাব। কিন্তু আজি আমাৰ সমাজত এনে এটা অৱস্থা আহি পৰিছে যে আমি যদি এতিয়াই সচেতন হৈ উপযুক্ত কাৰ্যপন্থা হাতত লৈ আগ নাবাঢ়োঁ তেন্তে সোনকালেই আমাৰ লোক সংস্কৃতিৰ স্বৰূপটো ভাবিব নোৱাৰা ধৰণে পৰিবৰ্তিত হ'ব। আমি জানো যে পৰিবৰ্তন সমাজৰ অঘোষিত নিয়ম। তথাপি সেই পৰিবৰ্তন যদি অনুকূলে নহৈ প্ৰতিকূলে হয় তেতিয়া আমি প্ৰত্যেকেই চিন্তা কৰিবলৈ বাধ্য। সময় থাকোঁতেই সেই পৰিবৰ্তনক ভালৰ দিশে নিয়াটো আমাৰ কৰ্তব্যৰ ভিতৰত পৰে।"

# ছাব্বিছ মার্চ

ড° দিলীপ শর্মা*

আজি নিশ্চয় আপোনালোকে মোৰ গুণ গাব! সিদিনা আছিল ১৯৩৮ চনৰ ২৬ মার্চ। শনিবাৰ। ১৮৫৯ শকৰ চ'ত মাহৰ বাৰ তাৰিখ। মই আপোনালোকৰ মাজৰ পৰা গুচি আহিলোঁ। তেতিয়াৰেপৰা আপোনালোকে ২৬ মার্চত মোক স্মৰণ কৰি আহিছে। মোৰ হিয়া উথলি উঠে। তাহানি বাঁহীত কেঁহোকলি সদাগৰৰ বিষয়ে মই লিখিছিলোঁ, — "…. তেওঁৰ কেঁহোকলি নামৰ মূৰৰ ওপৰত সদাগৰ বোলা জাপিটোও উঠিছিল।" আপোনালোকেও লক্ষ্মীনাথ নামৰ মূৰৰ ওপৰত সাহিত্যৰথী আৰু ৰসৰাজ বোলা জাপি দুটা উঠাই দিছে। তাৰ বাবে স্নেহ-ভাজন সাংবাদিক, গল্প-লেখক লক্ষ্মীনাথ বোপাৰ ভাষাত ক'বলৈ হ'লে 'আনন্দে নধৰে হিয়া।'

ৰবিকাকাক ইয়াত লগ পালোঁ তিনি বছৰ পাছতহে - ১৯৪১ চনত। সিদিনা আছিল ৭ আগষ্ট, শাওন মাহৰ ২২ তাৰিখ। প্ৰতি বছৰে ২৬ মার্চ আৰু ১২ চ'ত একেটা দিন নহ'বও পাৰে; ৭ আগষ্ট আৰু ২২ শাওনো প্ৰতি বছৰে একেটা দিন নহয়। বাঙালী সকলে সাধাৰণতে সাত আগষ্টত কবীন্দ্ৰক শ্ৰদ্ধা নজনায়, বাইছ শাওনতহে বন্দনা কৰে। বাইশে শ্ৰাবণ - বাঙালীসকল গদ্‌গদ্ হৈ পৰে। আপোনাসৱে মোক ২৬ মার্চত মনত পেলায়। আধুনিক ভাৰতৰ নির্মাতা জৱাহৰলালক ২৭ মেইত জনগণে মনত পেলায়। যদিও ১৯৬৪ চনৰ ২৭ মে জেঠৰ তেৰ তাৰিখ আছিল, তেৰ জেঠত জৱাহৰলালক স্মৰণ নকৰে।

মোৰ প্ৰতি আপোনালোকৰ যে অচলা ভক্তি আছে, তাত ধনিষ্ঠামানো সন্দেহ নাই। ক'ব লাগিছেনে? মই আপোনালোকৰ পৰা বিদায় মাগিলোঁ ১৮৫৯ শকৰ চ'ত মাহৰ বাৰ তাৰিখে। আৰু সেই ১৮৫৯ শকৰ চ'ত মাহৰ আৱাহনতে মোৰ বিষয়ে এটা নহয়, দুটা নহয়, তিনিটাকৈ লেখা প্ৰকাশ পালে। হৰেন্দ্ৰনাথ কলিতা এজন নীৰৱ সাহিত্য-সেৱী। তেওঁ মোৰ "চমু জীৱনী" এটা লিখিছিল। কলিতাৰ লেখা মই ভাল পাওঁ। ছার্লছ ডিকেন্সৰ A Tale of two Cities খন তেওঁ শুৱলা অসমীয়ালৈ ভাঙনি কৰা নাই জানো? তেওঁ মোৰ বিষয়ে লিখিছিল, — "তেওঁ সাহিত্য চর্চ্চাত কায়মনোবাক্যে মনোনিৱেশ কৰিছিল আৰু মৃত্যুৰ আগদিনালৈকে তাৰেই সাধনাত জীৱন পাত কৰিছিল।" হয়, অসমীয়া ভাষাৰ হকে আজীৱন শ্ৰম কৰিছিলোঁ। 'মোৰ জীৱন সোঁৱৰণ'ৰ কথাখিনি জানো মনত নাই? "….আগৰৱালা, শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী আৰু এই লেখক এই তিনি অন্তৰঙ্গ বন্ধুৰ একত্ৰ সমাৱেশ ঘটিল আৰু তিনিও 'জোনাকী'ৰ উন্নতি কার্য্যত ব্যস্ত হৈ পৰিলোহঁক। ….এবছৰৰ জোনাকীৰ চেষ্টাই অসমীয়া ভাষাৰ কঁকালত অনেক বল দিলে; আৰু ভাষা আকাশত পুৱাৰ পোহৰ পৰিল। অসমীয়া ভাষাটো আমাৰ অলাগতিয়াল বস্তু, কিছুমান ইংৰাজী লিখিত অসমীয়াৰ যে এনে এটা অদ্ভুত সংস্কাৰ আছিল, সেইটোৱে বৰকৈ জোকাৰ খালে।"

নগাঁৱা মৌজাদাৰ শেৱালি-কোমল হৃদয়ৰ অধিকাৰী ৰত্নকান্ত বৰকাকতীয়ে তেওঁৰ "বেজবৰুৱা প্ৰয়াণত" নামৰ কবিতাটোত মোক প্ৰশ্ন কৰিলে, - "কোন সি লোকত / প্ৰৱেশি, নাজানো / জানিছানে তুমি আমাৰ শোক……"। আপোনালোকৰ বেজাৰৰ কথা মই অনুভৱ কৰোঁ। মই সকলো গম পাওঁ। মই শুনি গৌৰৱ অনুভৱ কৰোঁ যেতিয়া ৰত্নকান্তই ঘোষণা কৰে ঃ "চন্দ্ৰ দিবাকৰ / থাকে মানে তুমি / 'তুমি অসমৰ' অসমে কয় …..।"

আৰু আমাৰ চাৰিগুৰ বেণু বোপা! তেওঁ লিখিলে ঃ "আমাক এৰি থৈ, তেওঁ যদি ভূলোকৰ ধূলিকণা হ'লগৈ, তেন্তে তাৰে এটি ধূলি-কণা বুটলি লৈ - টুপিকৈ চকুলো টুকি, দুখতে কান্দিম, শোকতে হাঁহিম লক্ষ্মীনাথ যোৱাটো ফাঁকি।"

যদিহে আমাক এৰি বেজবৰুৱাই ভূব-লোকলৈ গতি কৰিছে, তেন্তে যেতিয়া এজাৰ নিজাৰ পৰিব, লুইতে কঁহুৱা ফুল ফুলিব, আঁহত গছত কুঁহিপাত ওলাব, মৰুৱা-মধাই-চন্দনে সুবাস বিলাব, ন-জগতত নতুন সৃষ্টিৰ আৰম্ভ হ'ব তেতিয়া আমাক, 'কেতেকী চৰায়ে উৰি কয়ে যাব / শুনা অসমীয়া শুনা / তোমাৰ লক্ষ্মীনাথ তোমাতেই আছে / প্ৰাণায়ামত ভালকৈ চিনা।' যদিহে তেওঁ স্বলোকলৈ প্ৰয়ান কৰিছে, গোকুলৰ পৰা গোপীসকলৰ সোণমণি শ্ৰীকৃষ্ণক পলুৱাই নিয়াৰ পিছত গোপীসকলে, 'এ প্ৰাণ হৰি গৈলা এৰি' বুলি যেনেকৈ বিলাপ কৰিছিল আমিও এতিয়া তেনেকৈ নিতৌ সন্ধিয়াপৰত সপ্তর্ষিমণ্ডললৈ চাই, 'মৰি গৈ সোণ সৌ / তৰা এটি হ'ল হে / তৰা এটি হ'ল' বুলি আমাৰ বিচেষ্টা প্ৰাণত সান্ত্বনা লাভ কৰিম।"

আৱাহনৰ সম্পাদকে সম্পাদকীয়-স্তম্ভত মোক অৱিমিশ্ৰ শ্ৰদ্ধা জনালে।

মই যি লোকতেই নাথাকোঁ কিয়, সদায় আপোনালোকৰ প্ৰত্যেকৰে মনোজগতত বিচৰণ কৰোঁ। বহু, আৰু লাগিছে কি? বাণীৰ পুত্ৰ স্নেহাস্পদ বাণীকান্তৰ বাক্যকেইটা মনত পৰিলে মই নিৰলে আনন্দত চকুলো টোকোঁ, - "ডাক্তৰ জনছনে ইংৰাজী লিখক এডিশ্যনৰ ৰচনা-পদ্ধতি প্ৰশংসা কৰি কৈছিল যে, যিসকলে নিভাঁজ প্ৰাঞ্জল অথচ সৰস ইংৰাজী লিখিব খোজে, সেইসকলে আগেয়ে এডিশ্যনৰ ৰচনাৱলী ভালকৈ পঢ়ি ল'ব। অসমত নিজক বাদ নিদিয়াকৈ সকলো উৎসাহী অসমীয়া লিখকক ক'ব খোজো বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ প্ৰতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো ভাষাৰ প্ৰতি অবিচাৰ কৰা হ'ব।"

১৯৬৮ চনত ধুম-ধামেৰে মোৰ জন্ম শত বাৰ্ষিকী আপোনালোকে পালন কৰিছে। মোৰ প্ৰায় সমগ্ৰ ৰচনা বেজবৰুৱা গ্ৰন্থাৱলী নামেৰে সাহিত্য প্ৰকাশে প্ৰথমে দুটা খণ্ডত প্ৰকাশ কৰি উলিয়ায়। তাৰ বাবে 'তপোবন'ৰ তপস্বীয়ে কম পৰিশ্ৰম কৰা নাই। সাহিত্য প্ৰকাশৰ কৰ্মকৰ্তাসকলে, অসম সাহিত্য সভাৰ সুযোগ্য প্ৰধান সম্পাদককে আদি কৰি নিস্বাৰ্থ কৰ্মীসকলে অতি নিষ্ঠাৰে কৰ্ম সম্পাদন কৰিছে। তৃতীয় খণ্ডটোও সাহিত্যাচাৰ্য যতীন্দ্ৰ নাথৰ সম্পাদনাত সাহিত্য প্ৰকাশে প্ৰকাশ কৰিছে। আনন্দত চকুলো সৰে।

শুনিবলৈ পাইছোঁ যে মোৰ বহু ৰচনা বিভিন্নজনে প্ৰকাশ কৰিবলৈ লৈছে। এইখিনিতে প্ৰকাশকসকলৰ ওচৰত মোৰ বিনম্ৰ নিবেদন এয়ে যে তেখেতসকলে যাতে মোৰ ৰচনা ক্ষত-বিক্ষত নকৰে। মোৰ ৰচনাসমূহৰ আলৈ-আথানি হ'লে বেজাৰ দুখ পাম।

মোৰ কাণত পৰিছে যে মোৰ শুৱলা, সুফলা অসম-ভূমিত এতিয়া বিদ্যালয়, মহাবিদ্যালয়ৰ সংখ্যা বহুত। চহৰৰ কথাই নাই, গাঁৱে-ভূঞেও ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় গজি উঠিছে। তাৰ বিদ্যাৰ্থীসকলে মোৰ কিতাপবোৰ পঢ়িছেনে? তাহানিয়েই জোনাকীৰ আত্মকথাত লিখা হৈছিল - "দুখৰ বিষয় - অসমীয়া ভাযাটো যে আমাৰ লাগতিয়াল তাক কোনো অসমীয়াই দকৈ গমি নাচাই - উপলুঙা কৰে।" তেহি নো দিৱসাঃ গতাঃ। অসমীয়া ভাষাক এতিয়া নিশ্চয় কোনো শিক্ষিত অসমীয়াই ইতিকিং নকৰে। আনাৰ বিদ্যাৰ্থীসকলে অন্য ভাষাৰ লগতে অসমীয়া পুথি অধ্যয়ন কৰি তেওঁলোকৰ জ্ঞানৰ বৃত্ত সম্প্ৰসাৰিত কৰিব বুলি মোৰ দৃঢ় বিশ্বাস। বিদ্যাৰ্থীসকলে মোৰ 'মুক্তি' নামৰ গল্পটো পঢ়িছেনে? সেই যে তাহানি মই লিখিছিলোঁ, - "দিন-ৰাতিৰ দোমোজা কালডোখৰ সকলোৰে পক্ষে ভয়ানক। দিন-ৰাতিৰ সন্ধিক্ষণতে নৰসিংহৰ দ্বাৰাই হিৰণ্যকশিপুৰ বিনাশ ঘটিছিল।" বিদ্যাৰ্থীসকলে ইয়াৰ মৰ্ম উপলব্ধি কৰিব পাৰিছেনে? জীৱনত সুপ্ৰতিষ্ঠিত হ'বৰ বাবে, কামত কৃতিত্ব লভিবৰ বাবে 'কামত কৃতিত্ব লভিবৰ সংকেত' বোলা পুথিখনত মই আঢ়ৈ কুৰিটা 'সঙ্কেত' উল্লেখ কৰিছোঁ। মই ভাবোঁ বিদ্যাৰ্থীসকলে এই দুকুৰি দহটা 'সঙ্কেত' কায়-মনো-বাক্যে মানি চলিলে জীৱন-যুঁজত সফল হ'বই। 'বাখৰ'খনে তেওঁলোকৰ চৰিত্ৰ গঠনত সহায় কৰিব।

মোৰ অসমৰ পৰা এতিয়া বহুত বাতৰি কাকত প্ৰকাশ পায়। কেবাখনো দৈনিক কাকত ওলায়। মই শান্তি পাম যদিহে কাকতবোৰ মুদ্ৰণ-ৰাক্ষসৰ দ্বাৰা আক্ৰান্ত নহয়, কাকতবোৰৰ ভাষা বিজতৰীয়া নহয়। তেতিয়াহে মোৰ বিদেহ আত্মাই শান্তি পাব। প্ৰায়ভাগ কাকতে 'বিদেহী' আত্মা লিখে বুলি শুনিবলৈ পাওঁ। "বিদেহী"ক অভিধানে ঠাই দিছে জানো? বিদেহ শব্দৰ অৰ্থহে দেহ-হীন। এইটো কথা মনত ৰখা ভাল যে লুইতত নাও বুৰে, হুগলীতহে নৌকা ডুবে।

চন্দ্ৰকান্ত অভিধানৰ প্ৰথম সংস্কৰণৰ পাতনিত দেৱেশ্বৰ চলিহাই গাজত লগা কথা লিখিছে, - "ভাষা জতুৱা ৰাখিবলৈ হ'লে, যিমান পাৰি, নিজা ভঁৰালৰ শব্দহে ব্যৱহাৰ কৰা উচিত। বাৰীৰ ঘাঁহে গোহালিৰ গৰুৱে ৰাহি নহাটো ধোঁৱাখুলীয়া লক্ষণ। অসমীয়া পুথি, বুৰঞ্জী আদিত থকা উপযুক্ত ভাল ভাল শব্দবোৰ বিচাৰি নুলিয়াই, কণামুনাকৈ একোটা বিদেশী শব্দ আমাৰ ভাষাত সুমুৱাই লোৱাটো বেচ কথা। যেনে, ইংৰাজী Procession শব্দৰ অৰ্থত আজি-কালি অনেক অসমীয়া লেখকে, লোকক দেখি শোভাযাত্ৰা শব্দটো ব্যৱহাৰ কৰিবলৈ লৈছে। কিন্তু সেই পদটো Procession শব্দৰ সকলো ভাবৰ অৰ্থত নেখাটে; শ্মশান-যাত্ৰাক শোভাযাত্ৰা বোলাটো অশোভন হ'ব। তাতকৈ 'কীৰ্তন'ত আৰু আন আন পুৰণি পুথিত থকা আমাৰ নিজ ভাষাৰ সমদল শব্দটো বেছি ব্যাপক ভাবৰ। ই Procession শব্দৰ সকলো ভাব সামৰি ধৰে।"

তাহানি বাঁহীত স্ত্ৰী স্বাধীনতা নামেৰে মোৰ কেবাটাও লেখা প্ৰকাশ পাইছিল। তাৰে এটাত মই লিখিছিলো, - "...কিন্তু তাৰ আগেয়ে সোধোঁ - 'ঠেস' দি কথা কোৱা মানে কি? এইটো বঙলা ভাষাৰ idiom নে লেখিকাৰ মাতৃ-ভাষা অসমীয়া idiom? অসমীয়া তিৰোতাই কয় "ঠেলিয়া ঠেলিকৈ কথা কৈছে।" 'ঠেস' দিয়া নোবোলে। বোলোঁ আই বাইসকল! বক্তৃতা দিয়াহঁক। মন গ'লে বক্তৃতাৰ লগতে আমাৰ কাণ দুখনো মোহাৰি দিব পাৰা, বেয়া নাপাওঁ; সোৱাদহে লাগিবৰ সম্ভব; কিন্তু বক্তৃতাৰ লগে লগে অসমীয়া মাত পাহৰি বাবুৰাণীৰ মাত মাতা কিয়? .....তোমালোকে যি মন যায় কৰি থাকাহঁক। কিন্তু দুখিনী মাতৃৰ ভাষাটোক "ভুনিখিচুৰি" কৰি আমাৰ কাঁহীত বাঢ়ি দিছা কিয়?"

আজি আপোনালোকে মোক মনত পেলোৱা বাবে আপোনালোকৰ প্ৰতি মোৰ কৃতজ্ঞতা পৰ্বত-প্ৰমাণ। এতিয়া মোৰ লিখাৰ ক্ষমতা নাই। মনত বুৰবুৰণি তুলি থকা ভাববোৰ নকল-নবিছজনৰ আগত ব্যক্ত কৰিছিলোঁ। তেওঁৰ ভাষা-জ্ঞান সম্বন্ধে মোৰ বিশেষ ধাৰণা নাই।

পুনশ্চঃ বহু বছৰৰ পাছত আজিৰ এই তাৰিখটোতেই চিৰ চেনেহী মোৰ ভাষা জননীৰ একনিষ্ঠ সেৱক মিত্ৰদেৱ বোপাই আহি মোৰ কাষত খানিকা পাতিলেহি। তেওঁক আপোনালোকে মনত পেলাইছেনে?

"মোৰ কাণত পৰিছে যে মোৰ শুৱলা, সুফলা অসম-ভূমিত এতিয়া বিদ্যালয়, মহাবিদ্যালয়ৰ সংখ্যা বহুত। চহৰৰ কথাই নাই, গাঁৱে-ভূঞেও ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় গজি উঠিছে। তাৰ বিদ্যাৰ্থীসকলে মোৰ কিতাপবোৰ পঢ়িছেনে? তাহানিয়েই 'জোনাকী'ৰ 'আত্মকথা'ত লিখা হৈছিল - "দুখৰ বিষয় - অসমীয়া ভাষাটো যে আমাৰ লাগতিয়াল তাক কোনো অসমীয়াই দকৈ গমি নাচাই - উপলুঙা কৰে।"

* অধ্যাপক, গণিত বিভাগ

# অসমীয়া উপন্যাস সাহিত্যত মামনি ৰয়ছম গোস্বামীৰ স্থান

পুতলা বৰা*



উপন্যাস বাস্তৱ জীৱনৰ কলাসন্মত প্ৰকাশ - যিয়ে মানবীয় অস্তিত্বৰ ৰহস্য আমাৰ আগত উন্মুক্ত কৰি তোলে। আধুনিক সাহিত্যৰ অন্যতম অংগ এইবিধ শিল্পকৰ্মৰ সৃষ্টিৰ জোঁৱাৰ উঠিছিল অষ্টাদশ শতিকাত ইংলণ্ডত। পাশ্চাত্যৰ বতাহ লাগি ভাৰতীয় সাহিত্যতো অষ্টাদশ শতিকাৰ শেষাৰ্ধৰ পৰাই নৱন্যাসবাদৰ স্পৰ্শ অনুভৱ হয়। ভাৰতীয় সাহিত্যৰে অন্যতম সমৃদ্ধিশালী সাহিত্য অসমীয়া সাহিত্যও ত্ৰয়োদশ - চতুৰ্দশ শতিকাৰ পৰাই আৰম্ভ হৈ বিভিন্ন পটভূমিৰ মাজেৰে বিকশিত হৈ আজিৰ অৱস্থাত উপনীত হৈছে। অসমীয়া সাহিত্যৰ দীঘলীয়া ইতিহাসত অন্যতম ভূমিকা পালন কৰি অহা উপন্যাস সাহিত্যই পদ্মনাথ গোহাঞি বৰুৱা, ৰজনীকান্ত বৰদলৈৰ হাতত অংকুৰিত হৈ সাম্প্ৰতিক সময়ত আহি ফলে-ফুলে জাতিষ্কাৰ হৈ পৰিছে।

সাম্প্ৰতিক সময়ত অসমীয়া ঔপন্যাসিক সকলৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ আৰু সাৰ্থক ঔপন্যাসিকসকল হ'ল 'জ্ঞানপীঠ' আৰু **'সাহিত্য অকাডেমী'** বঁটা বিজয়ী মামনি ৰয়ছম গোস্বামী, যাৰ উপন্যাসত লক্ষ্য কৰা যায় চিন্তা আৰু শৈলীৰ সফল ধাৰাবাহিকতা। অসমীয়া উৎকৃষ্ট উপন্যাসৰ যি ধাৰণা সেই দিশেৰে চাবলৈ গলে মামনি ৰয়ছম গোস্বামী বিৰিঞ্চি কুমাৰ বৰুৱাৰ যোগ্য উত্তৰাধিকাৰী। ঔপন্যাসিকাই তেজাল মানৱীয় আবেদন আৰু দুঃসাহসী, বিদ্ৰোহী চৰিত্ৰ সৃষ্টিৰে মানৱতাৰ জয়যাত্ৰা ঘোষণা কৰিছে। 'চেনাবৰ সোঁত' নামৰ উপন্যাসেৰে ঔপন্যাসিক জীৱন আৰম্ভ কৰা এইগৰাকী ঔপন্যাস্যিকে তেওঁৰ উপন্যাসৰ মাজেৰে ভাৰতীয় সাহিত্যলৈকে এটি ধাৰা কঢ়িয়াই আনিছে, যিটি ধাৰাৰ মাজেৰে খোদিত হৈছে নতুনত্বৰ স্বাক্ষৰ। 'নীলকণ্ঠী ব্ৰজ', 'মামৰে ধৰা তৰোৱাল', 'অহিৰণ', 'দঁতাল হাতীৰ উয়েঁ খোৱা হাওদা', 'আধালেখা দস্তাবেজ', 'সংস্কাৰ, 'উদয় ভানুৰ চৰিত্ৰ ইত্যাদি', 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা', 'দেৱীপীঠৰ তেজ', 'চিন্নমস্তাৰ মানুহটো' আদি উপন্যাস সমূহৰ মাজেৰে মানৱ জীৱনৰ সুখ-দুখ, সংগ্ৰাম-সংঘাত আদিৰ চিত্ৰ ঔপন্যাসিকাই তুলি ধৰিবলৈ সক্ষম হৈছে।

সময়ৰ পৰিবৰ্তনে সাহিত্যৰ ওপৰত প্ৰভাৱ পেলায়। আধুনিক ৰুক্ষ, কৰ্কশ আৰু ভয়ংকৰ পৰিৱেশৰ এখন বাস্তৱ চিত্ৰ ঔপন্যাসিকাই তেওঁ উপন্যাসসমূহৰ মাজেৰে স্পষ্ট ৰূপত প্ৰতিফলিত কৰিছে। মানুহৰ অবদমন, নিষ্পেষণ, যন্ত্ৰণাৰ ছবি দেখি হাহাকাৰ কৰি উঠা সংবেদনী সত্তাশীল ঔপন্যাসিকা গৰাকীয়ে তেওঁৰ উপন্যাসৰ সমল হিচাপে কেতিয়াবা বাছি লৈছে শোষিত শ্ৰমিকৰ জীৱনৰ দুখভৰা কাহিনী, কেতিয়াবা বাছি লৈছে সমাজত ঘটি থকা সংৰক্ষণশীল ধৰ্মীয় ৰীতি-নীতিৰ অমানৱীয় কাহিনী, কেতিয়াবা বাছি লৈছে ৰাজনৈতিক পটভূমি, আকৌ কেতিয়াবা সংঘাতপূৰ্ণ নাৰী জীৱনৰ বিচিত্ৰ কাহিনী।

প্ৰথমখন উপন্যাস 'চেনাবৰ সোঁত'ত সমাজ সচেতন ঔপন্যাসিকা গৰাকীয়ে জীৱনৰ কদৰ্যতা আৰু বিভৎসতাৰ বাস্তৱ চিত্ৰ সজীৱৰূপত তুলি ধৰিছে। উপন্যাসখন শ্ৰমিক জীৱনৰ কৰ্কশ ছবিৰে আবৃত। কাহিনীৰ পটভূমি হৈছে কাশ্মীৰৰ চেনাব নদীৰ ওপৰত বন্ধা দলং এখনৰ শ্ৰমিক সকলৰ জীৱন। শোষক শ্ৰেণীৰ শোষণৰ ফলত শ্ৰমিক শ্ৰেণীয়ে কিদৰে দুঃসহ জীৱন কটাবলগীয়া হৈছে তাক মৰ্মস্পৰ্শী ভাষাৰে বৰ্ণনা কৰিছে। এক মানৱীয় প্ৰমূল্যক আধাৰ হিচাপে লৈ লিখা উপন্যাসখনত বাস্তৱবাদৰ পূৰ্ণ প্ৰতিফলন ঘটিছে; য'ত নিষ্ঠুৰভাৱে নিঃশেষ হৈছে সদাশিৱৰ দৰে শ্ৰমিক; য'ত উপেক্ষিতা হৈ ৰ'ব লগা হৈছে বাঈ চাহেবাৰ দৰে সুন্দৰী নাৰী। শ্ৰমিকৰ সমাজখনত ভয়ংকৰ ৰূপ পৰিগ্ৰহ কৰা অনেক ঘটনাই



"নীলকণ্ঠী ব্রজ'ত হিন্দুধৰ্মৰ পবিত্ৰ ধৰ্মস্থানৰ এখন কদৰ্য চিত্ৰৰ প্ৰতিফলন ঘটাইছে। ব্ৰজধামৰ বিধবা ৰাধেশ্যামী সকলৰ দুৰ্দশা আৰু দুৰ্ভাগ্যৰ চিত্ৰখন লেখিকাই কেৱল বাস্তৱৰূপত তুলি ধৰিয়ে ক্ষান্ত নাথাকি মানুহৰ জঘন্যতাৰো প্ৰকাশ ঘটাইছে উৎকৃষ্ট ৰূপত।"

ঔপন্যাসিকাই বৰ্ণনা কৰিছে। ঔপন্যাসিকাৰ শ্ৰমিকৰ জীৱনকেন্দ্ৰিক অন্য দুখন উপন্যাস হৈছে 'অহিৰণ' আৰু 'মামৰে ধৰা তৰোৱাল'।

শ্ৰমিকৰ মূল সমস্যা দাৰিদ্ৰ, অভাৱ অনাটন। ঔপন্যাসিকাই শ্ৰমিকসকলৰ জীৱনৰ নিৰ্মম দুৰ্গতি নিজ চকুৰে প্ৰত্যক্ষ কৰিছে। তাক বাস্তৱ ৰূপত তুলি ধৰিছে 'অহিৰণ' নামৰ উপন্যাসখনত। মধ্যপ্ৰদেশৰ অহিৰণ নদীৰ অ্যাকোয়িডাক্ট নিৰ্মাণৰত অৱস্থাত থকা শ্ৰমিকসকলৰ জীৱনৰ ব্যথাভৰা কাহিনীৰে উপন্যাসখনৰ বৰ্ণনা অতি বলিষ্ঠ আৰু নিপুন। শ্ৰমিকসকলৰ শোষিত-নিষ্পেশিত কাহিনীয়ে পাঠকক টানি নিয়ে এখন অন্য জগতলৈ। উপন্যাসৰ অন্যতম পুৰুষ চৰিত্ৰ হাৰ্ণ্ডলে কুৰি বছৰ কোম্পানীৰ সেৱা কৰিও প্ৰাপ্যখিনিৰ পৰা বঞ্চিত, যাৰ ফলস্বৰূপে হাৰ্ণ্ডল হৈ পৰিছে উদাসীন আৰু হতাশাৰে ভাৰাক্ৰান্ত। হাৰ্ণ্ডলৰ দৰে গৌৰীশংকৰ, আজিজ মিঞা আদি প্ৰত্যেক চৰিত্ৰই অতৃপ্ত। এই অতৃপ্তিৰ সীমা নাই। অতৃপ্তিৰ বাবে স্বামী হাৰ্ণ্ডলৰ পৰা উপেক্ষিতা হৈ পত্নী নিৰ্মলাই বাহুপাশত আবদ্ধ হৈছে মহেশ ঠাকুৰৰ। উপন্যাসখনৰ ভাবাক কাব্যিক অভিব্যঞ্জনা আৰু উপমা আদিৰে মনোৰম কৰি তুলিছে।

'অহিৰণ', 'চেনাবৰ সোঁত' উপন্যাসৰ দৰেই শ্ৰমিক জীৱনৰ যন্ত্ৰণাৰ কাহিনীৰে সমৃদ্ধ সাহিত্য অকাডেমী বঁটাৰে সন্মানিত উপন্যাস 'মামৰে ধৰা তৰোৱাল'। বাস্তৱতাৰ মাজত প্ৰতিফলিত হোৱা মানুহৰ বেদনা ঔপন্যাসিকাই অতি সংবেদনশীল আৰু সাৰ্থক ৰূপত তুলি ধৰিছে। ধৰ্মঘটত বিধ্বস্ত হোৱা শ্ৰমিকসকলৰ জীৱনৰ কাৰুণ্য ঔপন্যাসিকাই প্ৰত্যক্ষ কৰিছে আৰু তেওঁলোকৰ দুৰ্দশাত ঔপন্যাসিকাৰ অন্তৰ দুখেৰে ভৰি পৰিছে। তেওঁ লক্ষ্য কৰিছে যে শ্ৰমিকসকলৰ অজ্ঞতা, দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰিছে সুবিধাবাদী শ্ৰেণীয়ে। উপন্যাসখনৰ প্ৰতিটো চৰিত্ৰই পৰিস্থিতিৰ অনুসৰি নিজ ভূমিকাত অৱতীৰ্ণ হৈছে। বাস্তৱ অভিজ্ঞতাৰে ঔপন্যাসিকাই ইয়াত শ্ৰমিকসকলৰ জীৱনৰ ছবি তুলি ধৰিছে। ধৰ্মঘটত বলি হোৱা শিবু, লিচু আদি শ্ৰমিকৰ মৃতদেহবোৰো কাউৰী-শগুনৰ ভোজৰ সামগ্ৰী। শিবুৰ মৃত্যুৰ পিছত দুৰ্ভগীয়া পত্নীৰ জীৱনকালৰ যি অমানুষিক যন্ত্ৰণাকাতৰ ছবি ঔপন্যাসিকাই অংকন কৰিছে সেয়া স্পৰ্শকাতৰ। পেটৰ তাড়নাত নাৰায়নী নামৰ নাৰী চৰিত্ৰটিয়ে দেহ বিক্ৰি কৰিছে অনেকক। উপন্যাসখনত মানুহৰ প্ৰতি মানুহৰ চৰম অৱমাননা, হিংস্ৰতা, নিষ্ঠুৰতাৰ ছবি স্পষ্ট।

ঔপন্যাসিকা হিচাপে মামনি ৰয়ছম গোস্বামীৰ বলিষ্ঠতাৰ প্ৰমাণ পোৱা যায় ১৯৭৬ চনত প্ৰকাশিত 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনত। এই সামাজিক উপন্যাসখন এটা নিৰস আৰু যথেষ্ট বিমূৰ্ত কাহিনীৰ জুমুঠি লৈ আগবাঢ়িছে য'ত ভূস্থিত নৰকৰ বৰ্ণনা অতি স্পষ্টভাৱে তুলি ধৰিছে। 'নীলকণ্ঠী ব্ৰজ'ত হিন্দুধৰ্মৰ পবিত্ৰ ধৰ্মস্থানৰ এখন কদৰ্য চিত্ৰৰ প্ৰতিফলন ঘটিছে। ব্ৰজধামৰ বিধবা ৰাধেশ্যামী সকলৰ দুৰ্দশা আৰু দুৰ্ভাগ্যৰ চিত্ৰখন লেখিকাই কেৱল বাস্তৱৰূপত তুলি ধৰিয়ে ক্ষান্ত নাথাকি মানুহৰ জঘন্যতাৰো প্ৰকাশ ঘটাইছে উৎকৃষ্ট ৰূপত। উপন্যাসখনৰ যাই নাৰী চৰিত্ৰ - অকাল বৈধব্যৰ নামত অপৰিসীম দুখ-যন্ত্ৰণাৰে জীৱন কটোৱা সৌদামিনীৰ মাজেদি লেখিকাই অনেক নৰকৰ কুৎচিৎ ছবি আঁকিছে। ব্ৰজধামত বিধবাসকল আধ্যাত্মিক মুক্তি লাভৰ আশাত বন্দী হয়। কিন্তু ব্ৰজধামলৈ শান্তি বিচাৰি আহি যৌন ব্যভিচাৰৰ বলি হোৱা ৰাধেশ্যামীবিলাকক দেখি সৌদামিনীৰ মন জীৱনৰ প্ৰতি তীব্ৰ বিতৃষ্ণাৰে ভৰি পৰে। ব্ৰজধামৰ নৰকতুল্য বাস্তৱত একমাত্ৰ সচেতন চৰিত্ৰ সৌদামিনী। সৌদামিনীৰ দৰে কম বয়সীয়া বিধৱা নাৰী ধৰ্মীয় গোড়ামিৰ ঠেক গণ্ডীৰ নিৰাপত্তাহীন অৱস্থাতো নিজৰ স্থিতি সম্পৰ্কে সচেতন। সেয়ে তাই এজন পুৰুষক হৃদয় দান কৰাৰ পিছতো তেওঁক আপোন কৰি ল'বলৈ সক্ষম হোৱা নাই একমাত্ৰ আনধৰ্মৰ হোৱা হেতুকেই। সৌদামিনীৰ মাজেদিয়ে ঔপন্যাসিকাই পবিত্ৰ ব্ৰজধামৰ অবক্ষয় আৰু ৰাধেশ্যামীসকলৰ অন্তৰৰ বেদনাৰ স্ফুৰণ ঘটোৱাৰ লগতে পৰম্পৰাগত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে।

দিল্লী মহানগৰকেন্দ্ৰিক পটভূমিত ৰচিত গোস্বামীৰ এখন উল্লেখযোগ্য উপন্যাস হৈছে 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'। ইয়াৰ প্ৰতিটো দৃশ্যই ইমান জীৱন্ত আৰু বাস্তৱৰূপত ঔপন্যাসিকাই তুলি ধৰিবলৈ সক্ষম হৈছে যে তাত কল্পনাৰ ৰহন তেনেই নগণ্য। বাস্তৱৰ বলিষ্ঠ বৰ্ণনাই উপন্যাসখনক এক অন্য মাত্ৰা প্ৰদান কৰিছে। ১৯৮৪ চনত দিল্লীত ৰাজনৈতিক কাৰণত সংঘটিত হোৱা গণহত্যাৰ বীভৎস আৰু ভয়ংকৰ বৰ্ণনাই ইয়াত ঠাই পাইছে। ঔদ্যোগিক, বাণিজ্যিক বা বিজ্ঞান সকলো দিশতে আগবঢ়া ইতিহাস প্ৰসিদ্ধ নগৰী দিল্লী, য'ত নৰহত্যা, ধৰ্ষণ-লুণ্ঠন, মানুহৰ কৰুণ বিননি সৰ্বত্ৰতে ব্যাপ্ত। যিখন নগৰীৰ প্ৰতিখন ছবি তেজ আৰু ধূলিৰে ধূসৰিত। কৰ্মক্ষেত্ৰৰ পৰা নিৰুদ্দেশ হোৱা কুলদীপ কৌৰৰ ঘেঁহুৰ পথাৰত পৰি থকা মৃতদেহৰ বীভৎস দৃশ্য, পাঞ্জাবৰ ডি.আই.জি আটোৱাল চাহাবক অমৃতসৰ স্বৰ্ণ মন্দিৰৰ চিৰিৰ ওপৰত আতংকবাদীয়ে গুলিয়াই হত্যা কৰাৰ অমানুবিক দৃশ্যৰ বৰ্ণনা কেঁচা তেজৰ বোলেৰে ৰঞ্জিত। তেজ আৰু ধূলিৰ মাজত ছটফটাই থকা জীৱনবোৰক ঔপন্যাসিকাই তুলি আনিছে পোহৰলৈ। অন্ধকাৰ নগৰীখনৰ বিভিন্ন দিশ উন্মোচন কৰা ঔপন্যাসিকাই 'নিজৰ মাংসৰ বেহা' মেলা পতিতালয়লৈ গৈ বেশ্যাবোৰেৰে কথা পাতিছে, সিহঁতৰ অৱস্থাৰ বুজ লৈছে আৰু তাত তেওঁ লক্ষ্য কৰিছে জীৱনৰ কদৰ্যতাৰ অন্য এটি ফালৰ ছবি। সংঘৰ্ষত নিঃশেষ হোৱা অনেক পৰিয়াল, আধা জ্বলা ঘৰ, কাউৰী-শগুনে টনা-টনি কৰি থকা মৰাশৰ টুকুৰা, কটা মাংসপিণ্ডৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধৰ দৰে অনেক চিত্ৰই উপন্যাসখনত অংকিত কৰিছে। ধ্বংস আৰু হত্যাই পীষ্ট কৰি পেলোৱা

দিল্লীবাসীৰ জীৱনৰ চিত্ৰ আঁকিবলৈ যাওঁতে লেখিকাই প্ৰতীক উপমা, চিত্ৰকল্পৰে বৰ্ণনীয় বিষয়ক তেজস্বী কৰি তুলিছে।

মামনি ৰয়ছম গোস্বামীৰ অন্যতম সৃষ্টি হ'ল 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'। ঔপন্যাসিকাই উপন্যাসখনত অতি সংবেদনশীলতাৰে নাৰী জীৱনৰ অতিশয় করুণ দিশ অকাল বৈধব্যৰ যন্ত্ৰণাগধুৰ চিত্ৰ অংকন কৰিছে। সামাজিক ৰক্ষণশীলতা, কঠোৰতা, নিষ্ঠুৰতাৰ গ্ৰাসত পৰি কেনেকৈ মানুহৰ স্বাভাৱিক প্ৰবৃত্তি, আশা- আকাংক্ষা হেঁচা দি ধৰি ৰাখিব লগা হৈছে, তাক গিৰিবালা নামৰ গাভৰু বিধবা গৰাকীৰ মাজেৰে তুলি ধৰিছে। অসমৰ এখন বৈষ্ণৱ সত্ৰক কেন্দ্ৰ কৰি মধ্যযুগীয়া প্ৰথাৰে গঢ়ি উঠা সমাজখনৰ গিৰিবালা নামৰ বিধবা গৰাকী সকলোৰে দ্বাৰা উপেক্ষিতা। কিন্তু গিৰিবালাই গ্ৰহণ কৰিব নোৱাৰে সমাজে বান্ধি দিয়া নীতি-নিয়ম; সেইখন সমাজক তাই নিঃশেষ কৰিব খোজে। চৰিত্ৰহীন মৃত স্বামীৰ স্মৃতি বুকুত সাৱটি জীয়াই থকাৰ পক্ষপাতীও নহয় তাই। গিৰিবালাই এটি নতুন জীৱন গঢ়াৰ সপোন দেখে। যৌৱনৰ তাগিদাত মাজনিশা বতাহ-বৰষুণ নেওচি মাৰ্ক চাহাবৰ ওচৰ চাপিছে গিৰিবালা। তাৰ পৰিণতি স্বৰূপে তাই মুখামুখি হ'বলগা হৈছে ব্ৰাহ্মণ সমাজৰ কঠোৰ বিধানৰ। গিৰিবালাৰ দৰে সৰু গোঁসানী, দুৰ্গা আদি নাৰী চৰিত্ৰকেইটিৰ মাজেৰেও ঔপন্যাসিকাই অতৃপ্ত ক্ষুধাৰ হৃদয়স্পৰ্শী চিত্ৰ আঁকিছে। মহীধৰ পুৰোহিতৰ লগত সৰু গোঁসানীৰ সম্পৰ্ক, দুৰ্গাৰ বৈধব্য যন্ত্ৰণাৰ কাতৰ চিত্ৰ আঁকোঁতে ঔপন্যাসিকাই সামাজিক পটভূমিৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া দেখা গৈছে। পৰিস্থিতিৰ একোটা বৰ্ণনা তুলি ধৰিবলৈ গৈ ঔপন্যাসিকাই বিভিন্ন প্ৰতীক, উপমাৰ মাজেৰে বিষয়টিক অধিক উজ্জ্বল কৰি তুলিছে।



আন কেইখনমান উপন্যাস 'উদয়ভানুৰ চৰিত্ৰ', 'দেৱীপীঠৰ তেজ', 'ছিন্নমস্তাৰ মানুহটো' আদিৰ মাজেৰে সমাজ জীৱনৰ একো একোটা বাস্তৱ দিশক ঔপন্যাসিকাই মুকলিকৈ প্ৰকাশ কৰিছে। এই আটাইকেইখন উপন্যাসেই কেঁচা তেজৰ গোন্ধেৰে সমৃদ্ধ। উদয়ভানু নামৰ প্ৰতিভাশালী শিল্পী এজন ব্যৰ্থতা আৰু প্ৰতাৰণাৰে ভাৰাক্ৰান্ত হৈ কেনেকৈ শেষত এজন হত্যাকাৰীলৈ পৰিণত হৈছে তাক ফুটাই তুলিবলৈ যাওঁতে ঔপন্যাসিকাই নিষ্ঠুৰতা আৰু ব্যৰ্থতাৰ ছবি অতি সুন্দৰকৈ অংকন কৰিছে। 'ছিন্নমস্তাৰ মানুহটো', 'দেৱীপীঠৰ তেজ'ৰ বলিশালত ধৰফৰাই থকা ম'হ, পাৰ চৰাইৰ ছিন্ন দেহৰ ছবিবোৰ বীভৎস। গাৰ নোম শিহৰিত হোৱাকৈ ঔপন্যাসিকাই বলি দিয়াৰ লোমহৰ্ষক বৰ্ণনা দাঙি ধৰিছে আৰু ইয়াৰ মাজেৰেই ব্যক্ত কৰিছে কেঁচা তেজৰ চেকুৰাই আগুৰি থকা আধুনিক জীৱনৰ জঘন্যতম আচৰণক।

মামনি ৰয়ছমে জীৱন-পথত সন্মুখীন হোৱা অনেক ঘাত-প্ৰতিঘাত তথা নাৰী জীৱনৰ সংঘাত আৰু ৰহস্যময়তাৰ স্বাক্ষৰ সমৃদ্ধ অন্যতম সৃষ্টি হ'ল আত্মজীৱনীমূলক ৰচনা 'আধালেখা দস্তাবেজ'। আত্মজীৱনীমূলক উপন্যাসখনিৰ মাজেদি ঔপন্যাসিকাই পাঠকৰ হৃদয়ভেদ কৰি যোৱাকৈ মৰ্মস্পৰ্শীভাষাৰে ব্যক্তিগত জীৱনৰ খলা-বমাবোৰ কলাত্মক ৰূপত বৰ্ণনা কৰিছে। বাস্তৱবাদী ঔপন্যাসিকাই 'আধালেখা দস্তাবেজ'ত জীৱনৰ সত্যক আঁৰ বেৰ নোহোৱাকৈ সাহিত্যৰ ভাষাৰে সুন্দৰকৈ ফুটাই তুলিছে। সেইবোৰ গুণৰ কাৰণেই অসমীয়া ভাষাৰ আত্মজীৱনীমূলক উপন্যাস হিচাপে 'আধালেখা দস্তাবেজ'ৰ স্থান উচ্চত।

মামনি ৰয়ছম গোস্বামী এগৰাকী সমাজ সচেতন তথা প্ৰগতিশীল ঔপন্যাসিকা। কোনো কোনোৱে তেওঁক নাৰীবাদী বুলি কৈছে যদিও এই কথা সত্য নহয়। কাৰণ যেতিয়াই তেওঁ সমাজৰ লোকসকল অন্যায়ৰ বলি হ'ব লগা হৈছে, তেতিয়াই তেওঁ হাতত তুলি লৈছে কলম। মানৱতাবাদী লেখিকাই শ্ৰমিক, দুখীয়া-নিছলাৰ দুখৰ বুজ লৈছে আৰু তেওঁলোকৰ জীৱনবোৰক উপন্যাসৰ পাতত অংকিত কৰিছে। বিচিত্ৰ অভিজ্ঞতাৰে পুষ্ট মামনি ৰয়ছমৰ উপন্যাসখনত আছে মানৱতাৰ জয়গান। ধৰ্মীয় গোড়ামি আৰু সামাজিক সংস্কাৰৰ পৰিপন্থী ঔপন্যাসিকাই তেওঁৰ সৃষ্ট চৰিত্ৰসমূহৰ মাজেৰে মানৱীয় প্ৰমূল্যৰ এক উজ্বল দিশ উন্মোচন কৰিছে। ধৰ্মৰ নামত সামাজিক নীতি-নিয়মৰ বলি হ'বলগা নাৰীসকলৰ প্ৰতিও লেখিকাই দৃষ্টি নিক্ষেপ কৰিছে আৰু তেওঁলোকৰ প্ৰতি প্ৰেৰণাৰে প্ৰতিবাদী মত আগবঢ়াইছে।

জীৱনৰ নিঃকৰুণ সত্যবোৰ স্পষ্টৰূপত লেখনিৰ মাজেৰে তুলি ধৰা সংবেদনশীল লেখিকা মামনি ৰয়ছম গোস্বামীৰ উপন্যাসৰ প্ৰকাশভংগীৰ ধৰণ বাস্তৱধৰ্মী। তেওঁ উপন্যাসৰ চৰিত্ৰবোৰৰ অনন্য দিশবোৰ আঁৰ-বেৰ নোহোৱাকৈ প্ৰকাশ কৰাৰ লগতে জীৱনৰ বীভৎসতাৰ প্ৰকাশ অতি বলিষ্ঠভাৱে তুলি ধৰিবলৈ সক্ষম হৈছে। গোস্বামীৰ বৰ্ণনাশক্তি অপূৰ্ব হোৱাৰ লগতে ভাষাৰ ক্ষেত্ৰতো তেওঁ অতি আগবঢ়া। তেওঁৰ বৰ্ণনাৰ মাজত সংস্কৃত শ্লোক, তৎসম শব্দৰ প্ৰয়োগ, পৰিবেশ অনুযায়ী আঞ্চলিক ভাষাৰ প্ৰয়োগ মন কৰিবলগীয়া। পৰিবেশৰ বিভিন্ন চিত্ৰ অংকনতো লেখিকা পাৰ্গত।

উদাৰ মানৱীয় দৃষ্টিভংগীৰে প্ৰতিখন উপন্যাসৰ বিষয়বস্তু দাঙি ধৰা লেখিকাই জীৱনৰ চিৰ সত্যবোৰ উপন্যাসৰ পাতত খোদিত কৰিছে। তেওঁৰ চৰিত্ৰসমূহ আশাবাদৰ স্বপ্নৰে ৰঙীন। উচ্চ লেখন-শৈলীৰ মাজেৰে জীৱনৰ বহুৰঙী অভিজ্ঞতাক নতুন নতুন ৰূপত সজাই তুলি গোস্বামীয়ে সাহিত্য সৃষ্টি কৰিছে। মানৱীয়তাৰ বিশাল ভাণ্ডাৰৰ অধিকাৰী মামনি ৰয়ছম গোস্বামীৰ উপন্যাস উদাৰ দৃষ্টিভংগীৰে পুষ্ট। ই ভাৰতীয় সাহিত্যৰ আপুৰুগীয়া সম্পদ।

"মামনি ৰয়ছমে জীৱন-পথত সন্মুখীন হোৱা অনেক ঘাত-প্ৰতিঘাত তথা নাৰী জীৱনৰ সংঘাত আৰু ৰহস্যময়তাৰ স্বাক্ষৰ সমৃদ্ধ অন্যতম সৃষ্টি হ'ল আত্মজীৱনীমূলক ৰচনা 'আধালেখা দস্তাবেজ'। আত্মজীৱনীমূলক উপন্যাসখনিৰ মাজেদি ঔপন্যাসিকাই পাঠকৰ হৃদয়ভেদ কৰি যোৱাকৈ মৰ্মস্পৰ্শীভাষাৰে ব্যক্তিগত জীৱনৰ খলা-বমাবোৰ কলাত্মক ৰূপত বৰ্ণনা কৰিছে।"

** স্নাতকোত্তৰ ১ম ষাণ্মাসিক, অসমীয়া বিভাগ*

# 'হিন্দুস্তানৰ ভাটৌ' আমীৰ খশ্রু

নুৰুল ইছলাম শইকীয়া*

অষ্টম শতিকাৰ আৰম্ভণিতে মহম্মদ বিন্ কাচিমৰ সিন্ধু বিজয়ৰ জৰিয়তে ভাৰতবৰ্ষলৈ মুছলমানসকলৰ আগমন ঘটে। একাদশ শতিকাৰ প্ৰথম ভাগত ঘজনীৰ চুলতান মামুদে প্ৰায় সোতৰবাৰ ভাৰত আক্ৰমণ কৰি প্ৰচুৰ ধন-সোণ লুটি নিয়াৰ উপৰি উত্তৰ-পশ্চিম ভাৰতৰ এটা অংশ নিজৰ সাম্ৰাজ্যৰ লগত চামিল কৰে। দ্বাদশ শতিকাৰ শেষৰফালে মহম্মদ ঘোৰীয়ে তৰাইনৰ দ্বিতীয়খন যুদ্ধত দিল্লী আৰু আজমীৰৰ শেষ পৰাক্ৰমী হিন্দুৰজা পৃথ্বীৰাজ চৌহানক পৰাস্ত কৰি ভাৰতবৰ্ষত মুছলমান সাম্ৰাজ্যৰ ভেটি নিগাজিকৈ স্থাপন কৰে। পৰৱৰ্ত্তীকালত ক্ৰমে দাস বংশ, খিলিজী বংশ, টোগলক বংশ আৰু মোগল বংশৰ বিভিন্ন ৰজাই ইংৰাজসকলৰ হাতত ৰাজ্য হেৰুওৱাৰ সময়লৈকে কেবাশ বছৰ ধৰি ভাৰতবৰ্ষ শাসন কৰে। মুছলমানসকলৰ এই সুদীৰ্ঘ শাসনৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ ধৰ্ম, ৰাজনীতি, ভাষা, সাহিত্য, ৰীতি-নীতি, খাদ্য, সাজপাৰ, স্থাপত্য, ভাস্কৰ্য্য, চিত্ৰকলা আদি সকলো দিশতে ইছলামীয় সভ্যতা-সংস্কৃতিৰ গভীৰ প্ৰভাৱ পৰে। বিশেষকৈ ভাৰতবৰ্ষ শাসন কৰোঁতা মুছলমান ৰাজবংশবোৰৰ প্ৰায় আটাইকেইটাৰে উৎপত্তি স্থান বৃহত্তৰ পাৰস্য সাম্ৰাজ্যৰ অন্তৰ্গত বিভিন্ন ঠাই হোৱা হেতু মুছলমান ৰজাসকলৰ ৰাজত্বকালত ভাৰতবৰ্ষ ফাৰ্চী ভাষা-সাহিত্য চৰ্চাৰ উৰ্বৰ ক্ষেত্ৰত পৰিণত হয়। আনকি ভাৰতবৰ্ষৰ মুছলমান ৰজাসকলে ফাৰ্চী ভাষা-সাহিত্যৰ প্ৰতি আগবঢ়োৱা উদাৰ পৃষ্ঠপোষকতাত মুগ্ধ হৈ খোদ পাৰস্যৰ পৰাই জাকে জাকে কবি, সাহিত্যিক, পণ্ডিত আহি দিল্লীৰ দৰবাৰত ভিৰ কৰিবলৈ লয়হি। এনেকৈয়ে এক বুজন পৰিমাণৰ ফাৰ্চী সাহিত্য আৰু সাহিত্যিক সৃষ্টিত অৰিহণা যোগাই ভাৰতবৰ্ষ ফাৰ্চী ভাষা-সাহিত্যৰ ক্ষেত্ৰত 'দ্বিতীয় পাৰস্য' ৰূপে বিখ্যাত হৈ পৰে।

ভাৰতবৰ্ষৰ ফাৰ্চী ভাষা-সাহিত্যৰ আকাশ পোহৰোৱা অগণন উজ্বল তৰাৰ মাজত আমীৰ খশ্রু পূৰ্ণিমাৰ চন্দ্ৰস্বৰূপ। আমীৰ খশ্রুৰ জন্মৰ আগতেও ভাৰতবৰ্ষত বহুতে ফাৰ্চী সাহিত্যৰ চৰ্চা কৰিছিল, তেওঁৰ মৃত্যুৰ পিছতো ভাৰতবৰ্ষই অনেক প্ৰতিভাবান ফাৰ্চী কবি-সাহিত্যিকৰ জন্ম দিছে। কিন্তু সেইসকলৰ কোনেও আমীৰ খশ্রুৰ সাহিত্যৰ বৈচিত্ৰ, মহত্ত্ব আৰু সৌন্দৰ্য্যক চেৰ পেলাই আগবাঢ়িব পৰা নাই। আমীৰ খশ্রু নিজা বৈশিষ্ট্যৰে যেন অনন্য, একক! অকল ভাৰতীয় ফাৰ্চী কবি-সাহিত্যিক সকলৰ ভিতৰতেই নহয়, সাধাৰণভাৱে সমগ্ৰ ফাৰ্চী সাহিত্যৰ শ্ৰেষ্ঠ কবি-সাহিত্যিকসকলৰ ভিতৰতে আমীৰ খশ্রু নিঃসন্দেহে এজন বুলি ক'ব পাৰি। নিজৰ কাব্যকৃতিৰ বাবে 'টোটি-ই-হিন্দ' (হিন্দুস্তানৰ ভাটৌ) আখ্যাৰে বিভূষিত হোৱা এই কবিজনাই আজিৰ পৰা সাতশ বছৰৰো পূৰ্বে ফাৰ্চী সাহিত্যৰ ফুলনিত বহি যি সুৰদি সুৰীয়া গীতৰ ঝংকাৰ তুলি গ'ল, সি আজিও প্ৰতিজন সাহিত্য-ৰসিকৰ হৃদয়-মন পুলকিত কৰি ৰাখিছে।

আমীৰ খশ্রুৰ পূৰ্ব পুৰুষসকল মধ্য এচিয়াৰ অধিবাসী আছিল। জাতিত এওঁলোক তুৰ্কী আৰু বৃত্তিত 'হাজাৰা' নামে খ্যাত দুৰ্দ্ধৰ্ষ যুঁজাৰু। সম্ভৱতঃ লাচিন নামে জনৈক ব্যক্তি আমীৰ খশ্রুৰ পূৰ্বপুৰুষসকলৰ ফৈদটোৰ প্ৰতিষ্ঠাতা আছিল যাৰ নামেৰে ফৈদটোৰ নাম হ'লগৈ 'হাজাৰা-ই-লাচিন' (লাচিনৰ হাজাৰা)। এই 'হাজাৰা-ই-লাচিন'সকল মধ্য এচিয়াৰ ঠিক কোন ঠাইৰ বাসিন্দা আছিল সেই সম্পৰ্কে পণ্ডিতসকলৰ মাজত মতদ্বৈধ আছে। আমীৰ খশ্রুৰ জীৱনীকাৰসকলৰ বেছিভাগৰ মতে, 'হাজাৰা-ই-লাচিন'সকল খোৰাচানৰ অন্তৰ্গত বলখ্ নামে ঠাইৰ আদিবাসী। ফাৰ্চী সাহিত্যৰ প্ৰসিদ্ধ বুৰঞ্জীকাৰ দৌলতছাহৰ মতে, এওঁলোকৰ আদি বাসস্থান মাৱাৰ-উন্-নাহাৰ বা ট্ৰান্চ্অক্সিয়ানাৰ (Transoxiana) অন্তৰ্গত কিছ্ অথবা কাৰ্ছি আৰু পিমুৰ্গ নামে ঠাইসমূহৰ আশে-পাশে আছিল। আমীৰ খশ্রুয়ে তেওঁৰ ৰচনাৰ বেবাঠাইতো খোৰাচান দেশখন, তাৰ অধিবাসীসকল আৰু তেওঁলোকৰ ভাষাৰ প্ৰতি বিৰূপ মন্তব্য কৰালৈ চাই আৰু তাৰ বিপৰীতে মাৱাৰ্-উন্-নাহাৰ বা ট্ৰান্চ্অক্সিয়ানাৰ প্ৰতি প্ৰশংসাসূচক মনোভাব পোষণ কৰা চাই দৌলতছাহৰ মতটোৱেই অধিক যুক্তসঙ্গত যেন লাগে। খশ্রুৰ জীৱন আৰু কৃতি সম্পৰ্কে বিশেষভাৱে গৱেষণা কৰা পণ্ডিত ড° মিৰ্জা ওৱাহিদে এই ক্ষেত্ৰত সাধাৰণভাৱে দৌলতছাহকে সমৰ্থন কৰিছে। অৱশ্যে তেখেতে অন্য এটা সম্ভৱনাৰ কথা দাঙি ধৰি কৈছে যে, ট্ৰান্চ্অক্সিয়ানাৰ কিছ্ নামে ঠাইত পোনতে বসতি কৰা লাচিনৰ হাজাৰা সকলে তেওঁলোকৰ ভ্ৰাম্যমান জীৱনৰ কোনো এটা সময়ত খোৰাচানৰ বল্খত কিছুদিনৰ বাবে বসতি কৰাটোও একো আচৰিত নহয়।

সি যি কি নহওক, মধ্য এচিয়াত বসতি কৰি থকা আমীৰ খশ্রুৰ পূৰ্বপুৰুষসকলে ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে হোৱা মঙ্গোল বীৰ চেঙ্গিজ খাঁৰ আক্ৰমণৰ পৰা হাত সাৰিবলৈ ভাৰতলৈ পলায়ন কৰে। ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে ধূমকেতুৰ দৰে আবিৰ্ভাৱ হোৱা আৰু মুছলিম ঐতিহাসিক সকলে 'ঈশ্বৰৰ অভিশাপ' বুলি বৰ্ণনা কৰা চেঙ্গিজ খাঁ আৰু তেওঁৰ মঙ্গোল বাহিনীয়ে মধ্য এচিয়া আক্ৰমণ কৰি ইছলামীয় সভ্যতা ছাৰখাৰ কৰি পেলায়। শ শ বছৰৰ চেষ্টা আৰু শ্ৰমেৰে গঢ়ি তোলা সভ্যতা-সংস্কৃতিৰ কেন্দ্ৰস্বৰূপ মধ্য এচিয়াৰ চহৰবোৰ চেঙ্গিজ খাঁৰ মঙ্গোল বাহিনীয়ে ধ্বংস কৰি পেলায়, প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা আৰু মছজিদবোৰ ধূলিসাৎ কৰি দিয়ে, অগণন মূল্যবান গ্ৰন্থেৰে ঠাহ খাই থকা পুথিভঁৰালবোৰ হেলাৰঙে পুৰি পেলায় আৰু লক্ষ লক্ষ নিৰীহ মানুহক নিৰ্বিচাৰে হত্যা কৰে। মঙ্গোল আক্ৰমণৰ আকস্মিকতা, আতঙ্ক আৰু উদ্দেশ্যহীন নিষ্ঠুৰ হত্যালীলালৈ চাই এগৰাকী বিশিষ্ট ঐতিহাসিকে মত প্ৰকাশ কৰিছে যে, তেজ-মঙহৰ মানুহে সংঘটিত কৰা কামতকৈও এই আক্ৰমণক অন্ধ প্ৰাকৃতিক শক্তিৰ খেয়াল বুলি কোৱাটোহে অধিক সমীচীন হ'ব।

মঙ্গোল বাহিনীৰ এই আক্ৰমণত উদ্বাস্তু হৈ ভাৰতলৈ প্ৰব্ৰজন কৰা লাচিনৰ হাজাৰাসকলৰে অন্যতম আছিল আমীৰ খশ্রুৰ দেউতাক আমীৰ ছাইফুদ্দিন মাহমুদ। ছাইফ্-ই-চাম্চী, চুলতান-ই-চাম্চী, আমীৰ-ই-লাচিন আদি উপাধিৰেও তেওঁক জনা গৈছিল। আমীৰ ছাইফুদ্দিনে পাতিয়ালা চহৰত বাস কৰিছিল আৰু দাস বংশৰ দ্বিতীয়জন চুলতান চামচুদ্দিন ইলতুৎমিচৰ অধীনত কোনো

এটা গুৰুত্বপূৰ্ণ বিষয়বাব তোগ কৰিছিল। আমীৰ খশ্ৰুৰ লিখনিৰ পৰা জনা যায় যে, তেওঁৰ দেউতাক ছাইফ্উদ্দিন এগৰাকী সুদক্ষ যোদ্ধা, সম্পদশালী ব্যক্তি আৰু ধৰ্মপৰায়ণ লোক আছিল। তেওঁ বিয়া কৰাইছিল ইলতুৎমিচৰ ৰাজসভাৰ বিশিষ্ট সভাসদ ইমাদুল মুল্কৰ জীয়েৰেক। তেওঁৰ তিনিজন পুত্ৰ আছিল। তেওঁলোক হ'ল ইজ্জুদ্দিন আলী ছাহ, আবুল হাছান খশ্ৰু আৰু হুচামুদ্দিন কুট্লুগ্। এওঁলোকৰ ভিতৰত ইজ্জুদ্দিন নিঃসন্দেহে জ্যেষ্ঠ আছিল আৰু সম্ভৱতঃ কুট্লুগ্ আছিল আটাইতকৈ কনিষ্ঠ। চাইফ্উদ্দিনৰ দ্বিতীয় পুত্ৰ আবুল হাচান খশ্ৰুৱেই হ'ল পৰৱৰ্তীকালৰ বিখ্যাত কবি আমীৰ খশ্ৰু।

> **"আৰবী ভাষা জানিলেও সেই ভাষাত তেওঁৰ বিশেষ দখল নাছিল বুলি তেওঁ নিজেই স্বীকাৰ কৰিছে। আনহাতে, হিন্দী ভাষা তেওঁ খুব ভাল পাইছিল আৰু তাত তেওঁৰ গভীৰ দখলো আছিল। তেওঁ প্ৰায়েই কৈছিল ঃ মই এজন ভাৰতীয় তুৰ্কী আৰু মই হিন্দীতহে আপোনাক উত্তৰ দিব পাৰোঁ, আৰবী ক'বলৈ মোৰ জিভাত কোনো ইজিপ্ত দেশীয় চেনি নাই।" নাইবা কেতিয়াবা তেওঁ কৈছিল ঃ "দৰাচলতে যিহেতু মই ভাৰতৰ ভাটৌহে, গতিকে মোক হিন্দীতে প্ৰশ্ন কৰা যাতে মই সুন্দৰভাৱে উত্তৰ দিব পাৰোঁ।"**

আমীৰ ছাইফ্উদ্দিন মাহমুদ নিজে নিৰক্ষৰ আছিল যদিও তেওঁ শিক্ষাৰ মোল বুজিছিল আৰু তেওঁৰ পুত্ৰসকল যাতে উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ উঠে, তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল। পিছৰ কালত ইজ্জুদ্দিনে এগৰাকী পণ্ডিত হিচাপে সুনাম অৰ্জন কৰিছিল আৰু কুট্লুগে পূৰ্বপুৰুষৰ সামৰিক বিদ্যাত দক্ষতা দেখুৱাইছিল। আমীৰ খশ্ৰুৰ পিছে সৰুৰে পৰা ৰাপ আছিল কবিতাত। মোক্তাবৰ শিক্ষক খাজা আচাদুদ্দিনে লিখনকলা (Calligraphy) ৰ প্ৰতি খশ্ৰুৰ মন ঢাল খুৱাবৰ চেষ্টা কৰি ব্যৰ্থ হৈছিল। মোক্তাবত শিক্ষকে যেতিয়া পাঠদানত ব্যস্ত থাকে, তেতিয়া খশ্ৰুৰ মনটো খোলা খিৰিকীৰে উধাও হৈ বাহিৰৰ গছ-গছনি, ফল-মূল, চৰাই-চিৰিকতি আৰু আকাশৰ সীমাহীন নীলিমাৰ মাজে মাজে ভ্ৰমি ফুৰে। নিচেই সৰুতে মনৰ মাজত গজালি মেলা এই কাব্যানুৰাগৰ বীজেই খশ্ৰুৰ পৰিণত বয়সত ফলে-ফুলে জাতিষ্কাৰ এজোপা বিশাল বৃক্ষত পৰিণত হৈ জগতত সৌৰভ বিলাইছিল।

মাত্ৰ আঠবছৰ বয়সতে খশ্ৰুৱে দেউতাকক হেৰুৱায়। ককাদেউতাক ইমাদুল মুল্কে তেওঁক তুলি-তালি ডাঙৰ-দীঘল কৰে। ইমাদুল মুল্ক সেই সময়ৰ এগৰাকী অভিজাত ৰাজবিষয়া আছিল আৰু তেওঁৰ ঘৰত প্ৰায়েই সেই সময়ৰ বিশিষ্ট কবি, সঙ্গীতজ্ঞ, পণ্ডিত আদিৰ সমাগম হৈছিল। এনে এক অনুকূল পৰিৱেশে খশ্ৰুৰ কাব্য-প্ৰতিভাক পূৰ্ণতা দান কৰাত যথেষ্ট সহায় কৰিছিল।

খশ্ৰুৰ বিশ বছৰ বয়সত যেতিয়া ককাদেউতাক ঢুকায়, সেই সময়ত খশ্ৰু এজন প্ৰতিষ্ঠিত কবি। এইবাৰ আৰম্ভ হ'ল এজন কবি আৰু ৰাজসভাসদ হিচাপে খশ্ৰুৰ নিজস্ব জীৱনযাত্ৰা। পোনতে খশ্ৰুৱে দিল্লীৰ চুলতানৰ অধীনস্থ বিভিন্ন প্ৰাদেশিক শাসনকৰ্তা, যেনে - আলাউদ্দিন কিচ্লু খাঁ, বোঘ্ৰা খাঁ, ৰাজকুমাৰ মহম্মদ কান্, হাতেম খাঁ আদিৰ পৃষ্ঠপোষকতা লাভ কৰি তেওঁলোকৰ ৰাজসভা শুৱনি কৰিছিল যদিও পিছলৈ দিল্লীৰ দৰবাৰেই তেওঁৰ কাৰ্যক্ষেত্ৰ হৈ পৰে। খশ্ৰুৱে নিজৰ সুদীৰ্ঘ যাসত্তৰ বছৰীয়া জীৱনকালত সাতজনৰো অধিক ৰজাৰ ৰাজত্বকাল প্ৰত্যক্ষ কৰাৰ সুযোগ পায় আৰু তাৰে কমেও পাঁচজন ৰজাৰ ৰাজসভাত বিষয়বাব ভোগ কৰে। দাস বংশৰ গিয়াছউদ্দিন বলবান, কৈকোবাদ; খিলিজী বংশৰ জালালউদ্দিন আৰু আলাউদ্দিন খিলিজী, মুবাৰক খান আৰু টোগলক বংশৰ গিয়াছউদ্দিন টোগলক - এইসকল চুলতান আমীৰ খশ্ৰুৰ চকুৰ আগতে দিল্লীৰ সিংহাসনত বহে আৰু তেওঁৰ চকুৰ সন্মুখতে দৃশ্যপটৰ পৰা অন্তৰ্ধান হয়।

মূলতানৰ প্ৰাদেশিক শাসনকৰ্তা ৰাজকুমাৰ মহম্মদ কান্ খশ্ৰুৰ উদাৰ পৃষ্ঠপোষক আছিল। তেওঁৰ ৰাজসভাত থকা সময়ছোৱাতে সম্ভৱতঃ খশ্ৰুৱে বিয়া কৰায়; অৱশ্যে ঠিক কোন চনত আৰু কাক বিয়া কৰায়, সেই বিষয়ে জনা নাযায়। কিন্তু এইটো নিশ্চিত ভাৱে তেওঁৰ লিখনিৰ পৰা জানিব পাৰি যে, খশ্ৰুৱে বিয়া কৰাইছিল আৰু কেবাটাও ল'ৰা-ছোৱালীৰ পিতৃও আছিল।

আলাউদ্দিন খিলিজীৰ ৰাজত্বকালত নিজামউদ্দিন আওলিয়া নামে চিস্তিয়া সম্প্ৰদায়ৰ চুফীসাধক এগৰাকীয়ে দিল্লীত একপ্ৰকাৰ ধৰ্মীয় আলোড়নৰেই সৃষ্টি কৰে। আওলিয়া জনাৰ আধ্যাত্মিক গুণ-গৰিমাত অভিভূত হৈ ধনী, দুখীয়া, ৰাজসভাসদ, কৃষক, পুৰুষ, মহিলা, বৃদ্ধ, শিশু, স্বাধীন নাগৰিক, দাস নিৰ্বিশেষে হাজাৰ হাজাৰ মানুহে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে। কবি আমীৰ খশ্ৰু আছিল আওলিয়াৰ শিষ্যসকলৰ ভিতৰত সবাতোকৈ প্ৰিয়পাত্ৰ। দুয়োজনৰ মাজত কি ঘনিষ্ঠ বন্ধুত্ব আছিল সেই কথা আমীৰ খশ্ৰুৰ এষাৰ উক্তিৰ পৰাই বুজিব পাৰি ঃ "তেওঁ (আওলিয়া) হ'ল মোৰ জীৱন-ৰহস্যৰ ৰক্ষাকৰ্তা; তেওঁৰ অবিহনে মই স্বৰ্গত ভৰি নথওঁ।" নিজামউদ্দিন আওলিয়াৰ সঙ্গলাভ কবি আমীৰ খশ্ৰুৰ জীৱনৰ এক ডাঙৰ পট-পৰিবৰ্তনকাৰী ঘটনা, কিয়নো, সেই সময়ৰ পৰাই কবিজনে ৰাজসভাৰ হুলস্থূল আৰু অন্যান্য বৈষয়িক কাম-কাজৰ পৰা যথেষ্ট আঁতৰি আহে আৰু আধ্যাত্মিক ভাৱাপন্ন হৈ উঠে। তেওঁৰ সাহিত্যতো তাৰ প্ৰতিফলন ঘটিবলৈ ধৰে। কবি খশ্ৰুৰ শেষ জীৱনত একেধাৰে বন্ধু, দাৰ্শনিক আৰু পথপ্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰা এই ছুফীসাধকজনৰ মৃত্যুৱে কবিক গভীৰ ভাৱে ব্যথিত কৰে। জনশ্ৰুতি আছে যে, কবি খশ্ৰুৱে আওলিয়াজনৰ কবৰৰ ওচৰলৈ গৈ এটা কৰুণ দোহা গীত গাইছিল আৰু কবৰৰ ওচৰতে ঢলি পৰিছিল। আওলিয়াজনৰ মৃত্যুৰ কেইমাহমানৰ পিছতে ১৩২৫ খ্ৰীঃত কবি আমীৰ খশ্ৰুৰো মৃত্যু হয় আৰু কবিৰ শেষ ইচ্ছানুযায়ী গুৰুৰ কবৰৰ কাষতে তেওঁক সমাধিস্থ কৰা হয়।

কবি আমীৰ খশ্ৰু পৃথিৱীৰ সেইসকল মুষ্টিমেয় সৌভাগ্যবান কবি-সাহিত্যিকৰ অন্যতম যিজনে তেওঁৰ জীৱনকালতে নিজৰ কাব্যকৃতিৰ গুণ-গৰিমা দশোদিশে বিয়পি পৰা দেখিবলৈ পাইছিল আৰু নিজৰ প্ৰায়খিনি ৰচনাই সংগ্ৰহ কৰি সংকলিত

কৰি থৈ যোৱাৰ সুযোগ পাইছিল। আমীৰ খশ্রুৰ যে গ্রন্থ সম্পাদনা তথা সংকলনৰ গভীৰ জ্ঞান আছিল, তাৰ প্ৰমাণ দাঙি ধৰে তেওঁৰ পাঁচোখন 'দিৱান'ৰ নিজে লিখা অর্থপূর্ণ পাতনিয়ে, প্ৰতিখন 'মচ্‌নৱী' ৰচনাৰ উপলক্ষ্য, চন আৰু তাত থকা কবিতা পংক্তিৰ সংখ্যাৰ বিতং উল্লেখে।

আমীৰ খশ্রু যে এগৰাকী প্ৰতিভাবান সাহিত্যিক আছিল আৰু তেওঁ যে এক বৃহৎসংখ্যক সাহিত্য ৰচনা কৰিছিল, সেই বিষয়ে সন্দেহৰ অৱকাশ নাই। কিন্তু আমীৰ খশ্রুৱে ৰচনা কৰি যোৱা গ্রন্থৰ প্ৰকৃত সংখ্যা আৰু আয়তন সম্পৰ্কে পণ্ডিত মহলত আজিও বিতৰ্কৰ শেষ হোৱা নাই। কোনো কোনো পণ্ডিতে ভাবে যে, আমীৰ খশ্রুৰ ৰচনাৰ বেছি অংশই কালৰ গৰ্ভত লীন গ'ল, আনহাতে কিছুমানে ভাবে যে, তেওঁৰ ৰচনাৰ সৰহখিনিয়েই ৰক্ষিত হৈছে আৰু সামান্য এটা অংশ হেৰাইছে যদিও সি লেখত ল'বলগীয়া নহয়। আমীৰ খশ্রুৰ সমসাময়িক বুৰঞ্জীবিদ জিয়াউদ্দিন বাৰানীয়ে কবিজনাৰ ৰচনাৰ সম্পৰ্কে কোনো উল্লেখ কৰা নাই। জামীয়ে খশ্রুৱে ৰচনা কৰা গ্রন্থৰ সংখ্যা ৯৯ খন বুলি উল্লেখ কৰিছে। দৌলতছাহৰ মতে, খশ্রুৱে ৰচনা কৰা কবিতাৰ মুঠ শ্লোক (verse) সংখ্যা চাৰি লাখৰ বেছি আৰু পাঁচ লাখৰ কম। আমীন ৰাজী-ৰ মতে আকৌ খশ্রুৱে ১৯৯খন গ্রন্থ ৰচনা কৰিছিল। অৱশ্যে এওঁলোকৰ কোনোৱেই খশ্রুৱে ৰচনা কৰা গ্রন্থৰ তালিকা দিবৰ চেষ্টা কৰা নাই। নবাব ইছ্‌হাক খানে ১৯১৫ চনত বেছ পৰিশ্ৰম কৰি খশ্রুৰ নামত প্ৰচলিত ৪৫খন গ্রন্থৰ তালিকা প্ৰস্তুত কৰে। অৱশ্যে তেওঁ লগতে এই কথাও উল্লেখ কৰে যে, এই গ্রন্থবোৰৰ কেইখনমান খশ্রুৰ ৰচনা নহয়, কেইখনমান বিলুপ্ত আৰু কেইখনমান একেখন গ্রন্থৰে বিভিন্ন নামমাত্ৰ। এই সকলো কথা চালিজাৰি চাই ড° মিৰ্জা ওৱাহিদে ২০খন গ্রন্থক নিঃসন্দেহে আমীৰ খশ্রুৰ ৰচনা বুলি স্বীকৃতি দিছে আৰু সেইবোৰক এনেধৰণে শ্রেণীবিভাজন কৰিছেঃ

(ক) পাঁচখন দিৱান

(১) তুহ্‌ফত্‌-উচ্‌-চিগৰ্ (২) ওৱাস্ত-উল্‌-হায়াত্ (৩) গুৰ্‌ৰাত-উল্‌-কামাল (৪) বাকিয়া নাকিয়া (৫) নিহায়াত্‌-উল্‌-কামাল।

(খ) ঐতিহাসিক কাব্যসমূহ

(৬) কিৰাণ্‌-উচ্‌-চাদাইন্ (৭) মিফ্‌তাহ্‌-উল্‌-ফুতুহ্ (৮) আচিকা (৯) নুহ্ চিপিৰ্ (১০) তুগলক্ নামা

(গ) খামচাজাতীয় কাব্যসমূহ -

(১১) মাত্‌লা-উল্‌-আন্‌ৱাৰ (১২) চিৰিন্ ওৱা খশ্রু (১৩) আইনা-ই-চিকন্দৰী (১৪) হস্ত বিহিস্ত (১৫) মজনু ওৱা লাইলা।

(ঘ) (১৬) আমীৰ খশ্রুৰ গজল বা গীতি কবিতাসমূহ।

(ঙ) গদ্য ৰচনা

(১৭) তাৰিখ-ই-আলাই বা খাজাইন্‌-উল্‌-ফুতুহ্ (১৮) আফ্‌জাল্‌-উল্‌-ফাৱাইদ্ (১৯) ইজাজ্‌-ই-খশ্রুৱী

(চ) হিন্দী ৰচনা

(২০) খালিক্ বাৰী আৰু খশ্রুৰ নামত প্ৰচলিত অন্যান্য হিন্দী কবিতা।

আমীৰ খশ্রুৱে ফাৰ্চী, হিন্দী, আৰবী, তুৰ্কী, আফগানী আদি কেবাটাও ভাষা জানিছিল বুলি নিজেই উল্লেখ কৰি গৈছে। এইবোৰৰ বেছিভাগেই তেওঁ বিভিন্ন ভাষা-ভাষী মানুহৰ লগত হোৱা আদান-প্ৰদানৰ মাধ্যমেৰে আয়ত্ত কৰিছিল। সম্ভৱতঃ আৰবী ভাষাত তেওঁ সুকীয়াকৈ কোনো গ্রন্থ ৰচনা কৰা নাছিল। আৰবী ভাষা জানিলেও সেই ভাষাত তেওঁৰ বিশেষ দখল নাছিল বুলি তেওঁ নিজেই স্বীকাৰ কৰিছে। আনহাতে, হিন্দী ভাষা তেওঁ খুব ভাল পাইছিল আৰু তাত তেওঁৰ গভীৰ দখলো আছিল। তেওঁ প্ৰায়েই কৈছিল ঃ "মই এজন ভাৰতীয় তুৰ্কী আৰু মই হিন্দীতহে আপোনাক উত্তৰ দিব পাৰোঁ, আৰবী ক'বলৈ মোৰ জিভাত কোনো ইজিপ্ত দেশীয় চেনি নাই।" নাইবা কেতিয়াবা তেওঁ কৈছিল ঃ "দৰাচলতে যিহেতু মই ভাৰতৰ ভাটৌহে, গতিকে মোক হিন্দীতে প্ৰশ্ন কৰা যাতে মই সুন্দৰভাৱে উত্তৰ দিব পাৰোঁ।" এইবোৰ কথাৰ পৰা নিশ্চিতভাৱে ধাৰণা কৰিব পাৰি যে, আমীৰ খশ্রুৱে হিন্দীতো সাহিত্য ৰচনা কৰিছিল। কিন্তু সম্প্ৰতি আমীৰ খশ্রুৰ নামত প্ৰচলিত হিন্দী ৰচনাখিনিৰ ভাষা তেনে অৰ্বাচীন। ধাৰণা কৰিব পাৰি যে, আমীৰ খশ্রুৰ হিন্দী ৰচনাসমূহে যুগে যুগে মানুহৰ মুখ বাগৰি অহাৰ ফলত সেইবোৰৰ ভাষাই প্ৰাচীনত্ব হেৰুৱাই আধুনিক ৰূপ লাভ কৰিছে।

আমীৰ খশ্রু এগৰাকী বিখ্যাত সঙ্গীতজ্ঞ আছিল। ভাৰতীয় আৰু পাৰস্য দেশীয় সংগীত সম্পৰ্কে তেওঁৰ গভীৰ জ্ঞান আছিল। তেওঁ সঙ্গীত সম্পৰ্কীয় এখন তাত্ত্বিক গ্রন্থ ৰচনা কৰাৰ কথাও জনা যায়। চিতাৰ নামৰ বাদ্যযন্ত্ৰবিধ আৰু খেয়াল, কাৱালী, তাৰানা, নিগাৰ, চাহানা, মুজিব, চাজ্‌গৰী, আইমন আদি সুৰৰ স্ৰষ্টা হিচাপে আমীৰ খশ্রুৰ নাম উল্লেখ কৰা হয়। আজিও কাৱালী গায়কসকলে কাৱালীৰ আদিগুৰু হিচাপে আমীৰ খশ্রুৰ নাম শ্রদ্ধাৰে স্মৰণ কৰে।

আমীৰ খশ্রুৰ ৰচনাৰ বৈশিষ্ট্য তথা তাৎপৰ্য বুজিবলৈ হ'লে আমি কবিজনৰ ব্যক্তিগত জীৱনৰ উপৰি তেওঁ বাস

"কিৰাণ'-উচ্‌-চাদাইন'ত তেওঁ বঙ্গৰ নবাব বোঘ্‌ৰা খাঁ আৰু তেওঁৰ পুত্ৰ দিল্লীৰ চুলতান কৈকোবাদৰ মাজৰ বিবাদ আৰু পুনৰ্মিলনৰ কথা বৰ্ণনা কৰিছে। বোঘ্‌ৰা খাঁ আৰু কৈকোবাদ উভয়েই আমীৰ খশ্রুৰ পৃষ্ঠপোষক আছিল আৰু এই কাব্যত বৰ্ণিত ঘটনাৱলীৰ প্ৰত্যক্ষদৰ্শী আছিল কবি নিজেই। 'মিফ্‌তাহ্‌-উল্‌-ফুতুহ'ৰ বিষয়বস্তু হ'ল জালালউদ্দিন খিলিজীৰ বিজয় অভিযান। আলাউদ্দিন খিলিজীৰ ৰৰপুত্ৰ খিজিৰ খাঁ আৰু কৰ্ণদেবৰ জীয়াৰী দেৱলাদেৱীৰ প্ৰেম কাহিনী, বিবাহ আৰু খিজিৰ খাঁৰ জীৱনৰ কৰুণ পৰিণতি বৰ্ণাই খশ্রুৱে ৰচনা কৰে 'আচিকা' নামৰ কাব্য; সেইদৰে, 'তাৰিখ্‌-ই-আলাই'ত আলাউদ্দিন খিলিজীৰ, 'নুহ্ চিপিৰ'ত মুবাৰক খিলিজীৰ আৰু 'টোগ্‌লক নামা'ত গিয়াচউদ্দিন টোগ্‌লকৰ ৰাজত্বকালৰ বৰ্ণনা পোৱা যায়। সাহিত্যিক মূল্যৰ বাহিৰেও এই কাব্যবোৰৰ ঐতিহাসিক তথ্যৰ মূল্যবান ভাণ্ডাৰ।"

কৰা যুগটোৰ ৰাজনৈতিক ঘটনাপ্ৰৱাহ, সেইসময়ৰ মানুহৰ সংস্কৃতি, নীতিবোধ, সৌন্দৰ্যজ্ঞান আদি সম্পৰ্কে নিশ্চিতভাৱে জানিব লাগিব। সমসাময়িক সামাজিক পটভূমিৰ পৰা বিচ্ছিন্ন কৰি খশ্ৰুৰ ৰচনাৱলীৰ তাৎপৰ্য হৃদয়ঙ্গম কৰিব পৰা নাযায়। খশ্ৰুৰ প্ৰায় সমগ্ৰ জীৱন ৰাজসভাৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ আছিল। তেওঁ ভালেমান ৰজা আৰু ৰাজকুমাৰৰ ৰাজসভাত সভাসদ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু সেইসকলৰ পৃষ্ঠপোষকতাতেই সৰহখিনি সাহিত্য ৰচনা কৰিছিল। স্বাভাৱিকতে এইবোৰৰ বিষয়বস্তুও আছিল তেওঁৰ পৃষ্ঠপোষক ৰজা বা ৰাজকুমাৰ সকলৰ যুদ্ধ অভিযান, শৌৰ্য-বীৰ্য, গুণ-গৰিমা আদিৰ জয়গান। উদাহৰণস্বৰূপে 'কিৰাণ-উচ্-চাদাইন'ত তেওঁ বঙ্গৰ নবাব বোঘ্ৰা খাঁ আৰু তেওঁৰ পুত্ৰ দিল্লীৰ চুলতান কৈকোবাদৰ মাজৰ বিবাদ আৰু পুনৰ্মিলনৰ কথা বৰ্ণনা কৰিছে। বোঘ্ৰা খাঁ আৰু কৈকোবাদ উভয়েই আমীৰ খশ্ৰুৰ পৃষ্ঠপোষক আছিল আৰু এই কাব্যত বৰ্ণিত ঘটনাৱলীৰ প্ৰত্যক্ষদৰ্শী আছিল কবি নিজেই। 'মিফ্‌তাহ্-উল্-ফুতুহ'ৰ বিষয়বস্তু হ'ল জালালউদ্দিন খিলিজীৰ বিজয় অভিযান। আলাউদ্দিন খিলিজীৰ যৰপুত্ৰ খিজিৰ খাঁ আৰু কৰ্ণদেৱৰ জীয়াৰী দেৱলাদেৱীৰ প্ৰেম কাহিনী, বিবাহ আৰু খিজিৰ খাঁৰ জীৱনৰ কৰুণ পৰিণতি বৰ্ণাই খশ্ৰুৱে ৰচনা কৰে 'আচিকা' নামৰ কাব্য। সেইদৰে, 'তাৰিখ্-ই-আলাই'ত আলাউদ্দিন খিলিজীৰ, 'নুহ্ চিপিৰ'ত মুবাৰক খিলিজীৰ আৰু 'টোগ্‌লক নামা'ত গিয়াচউদ্দিন টোগলকৰ ৰাজত্বকালৰ বৰ্ণনা পোৱা যায়। সাহিত্যিক মূল্যৰ বাহিৰেও এই কাব্যবোৰ ঐতিহাসিক তথ্যৰ মূল্যবান ভাণ্ডাৰ। সেই সময়ৰ দিল্লীৰ ভাগ্যবিধাতাসকলৰ প্ৰায়বোৰৰ লগতে আমীৰ খশ্ৰুৰ সম্পৰ্ক আছিল। বিভিন্ন ৰাজকীয় ষড়যন্ত্ৰ আ[illegible] হত্যাকাণ্ডবোৰো তেওঁ নিচেই ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছিল, ভালেমান যুদ্ধ-বিগ্ৰহত ৰাজকীয় বাহিনীৰ লগত তেওঁ নিজেই গৈছিল আৰু সকলো চৰকাৰী নথি-পত্ৰ লিৰিকি-বিদাৰি চোৱাৰ সুযোগো তেওঁ সহজতে পাইছিল। এইবোৰে তেওঁৰ ৰচনাৰাজিৰ ঐতিহাসিক মূল্য বৃদ্ধি কৰিছে।

আমীৰ খশ্ৰু মূলতঃ ৰাজকীয় কবি হ'লেও কেৱল যুদ্ধ-বিগ্ৰহ আৰু ৰজা-ৰাজকুমাৰক লৈয়ে তেওঁ ব্যস্ত থকা নাছিল। তেওঁ প্ৰেম, সুৰা, সুন্দৰী, প্ৰকৃতিৰ ফুল-তৰা-চৰাই, মিলনৰ আনন্দ, বিচ্ছেদৰ কাৰুণ্য, পাৰ্থিৱ জীৱনৰ সৌন্দৰ্য্য আৰু ক্ষণভঙ্গুৰতা, আধ্যাত্মিকতা আদি বিষয়ক লৈও ভালেমান গীত আৰু কবিতা ৰচনা কৰিছে। বিশেষকৈ ভাৱৰ ৰমণীয়তা, সাংগীতিক মাধুৰ্য্য আৰু মনোৰম শব্দচয়নৰ ক্ষেত্ৰত তেওঁ ৰচনা কৰা গজল বা গীতি কবিতা সমূহ অনুপম। গজল ৰচনাৰ ক্ষেত্ৰত তেওঁ শ্বেইখ চাদীক আৰ্হি হিচাপে লৈছিল যদিও তাৰ মাজতে নিজৰ মৌলিকতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। পাৰস্যৰ সাহিত্য সম্ৰাট শ্বেইখ চাদীয়ে আমীৰ খশ্ৰুৰ সাহিত্যকৃতি সম্পৰ্কে অতিশয় উচ্চ ধাৰণা পোষণ কৰিছিল।

মানুহ হিচাপে আমীৰ খশ্ৰু আছিল অকপট, সৰল, ৰসিক, সহানুভূতিশীল আৰু উদাৰমনা। সভাসদ হিচাপে আৰু লেখা-মেলা কৰি তেওঁ যি অৰ্থ উপাৰ্জন কৰিছিল, সেইখিনি তেওঁ বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনৰ সৈতে ভগাই খাইছিল। অৱশ্যে আমীৰ খশ্ৰু তেওঁৰ যুগৰ ভ্ৰান্তিৰ পৰা সম্পূৰ্ণ মুক্ত নাছিল। উদাহৰণ স্বৰূপে তেওঁ হিন্দুসকলক তেওঁৰ ৰচনাৰ কোনো কোনো ঠাইত 'কাউৰীমুখীয়া' আখ্যা দিছে আৰু কোনো কোনো ঠাইত মুছলমান ৰজা কিছুমানে হিন্দুৰ মঠ-মন্দিৰ ধ্বংস কৰা কাৰ্য্যত উল্লাস প্ৰকাশ কৰিছে। অৱশ্যে একে সময়তে হিন্দু প্ৰজাসকলৰ দুখ-দুৰ্গতি দেখি তেওঁ গভীৰ সহানুভূতিও প্ৰকাশ কৰিছে আৰু হিন্দু প্ৰজাক উৎপীড়ন কৰা বিষয়াবৰ্গক তীব্ৰ ভাবাত গৰিহণা দিছে। কেতিয়াবা ভাবিলে আচৰিত লাগে যে, একেজন আমীৰ খশ্ৰুৱে জালালউদ্দিন খিলিজীৰ প্ৰতিও শ্ৰদ্ধা জনাই কবিতা ৰচনা কৰিছে আৰু সেইজন কবিয়েই জালালউদ্দিন খিলিজীৰ হত্যাকাৰী আলাউদ্দিন খিলিজীৰ প্ৰতিও পুষ্পাঞ্জলি প্ৰদান কৰিছে। অৱশ্যে সেই যুগৰ মানুহৰ ধ্যান-ধাৰণাই আছিল - যি ৰজা হয় তাৰে প্ৰজা হোৱা। আমীৰ খশ্ৰুও তেওঁৰ যুগৰ এই ধ্যান-ধাৰণাৰ উৰ্ধত নাছিল।

"মানুহ হিচাপে আমীৰ খশ্ৰুৰ আছিল অকপট, সৰল, ৰসিক, সহানুভূতিশীল আৰু উদাৰমনা। সভাসদ হিচাপে আৰু লেখা-মেলা কৰি তেওঁ যি অৰ্থ উপাৰ্জন কৰিছিল, সেইখিনি তেওঁ বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনৰ সৈতে ভগাই খাইছিল। অৱশ্যে আমীৰ খশ্ৰু তেওঁৰ যুগৰ ভ্ৰান্তিৰ পৰা সম্পূৰ্ণ মুক্ত নাছিল। উদাহৰণ স্বৰূপে তেওঁ হিন্দুসকলক তেওঁৰ ৰচনাৰ কোনো কোনো ঠাইত 'কাউৰীমুখীয়া' আখ্যা দিছে আৰু কোনো কোনো ঠাইত মুছলমান ৰজা কিছুমানে হিন্দুৰ মঠ-মন্দিৰ ধ্বংস কৰা কাৰ্যত উল্লাস প্ৰকাশ কৰিছে। অৱশ্যে একে সময়তে হিন্দু প্ৰজাসকলৰ দুখ-দুৰ্গতি দেখি তেওঁ গভীৰ সহানুভূতিও প্ৰকাশ কৰিছে।"

আমীৰ খশ্ৰুৰ মৃত্যু হ'বৰ আজি বহু শ বছৰ হৈ গ'ল। তেওঁৰ সমসাময়িক অনেক মহাপ্ৰতাপী ৰজা-মহাৰজা কালৰ সোঁতত হেৰাই গ'ল। কিন্তু 'হিন্দুস্তানৰ ভাটৌ' আমীৰ খশ্ৰু তেওঁৰ কাব্য-সাহিত্যৰ বাবে আজিও অমৰ হৈ আছে।

প্ৰসঙ্গ পুথি ঃ

১। Browne, E.G. : Literary History of Persia, Vol. 1, 2, 3 & 4.
২। Davar, F.C. : India & Iran Through the Ages.
৩। Arberry, A.J. : Classical Persian Literature.
৪। Wahid, Dr. Mirza : The Life & Works of Amir Khusraw.

* প্ৰৱক্তা, অসমীয়া বিভাগ

# ভক্তি আন্দোলন আৰু শঙ্কৰদেৱ

ৰূপালী শইকীয়া*



ধৰ্মই মানুহক মানুহ কৰে. মনুষ্যত্বৰ পৰা দেৱত্বলৈ আৰোহণ কৰোৱায়। যি আমাক একতাৰ ডোলেৰে বান্ধি ৰাখে, যি আমাক সম্প্ৰীতিৰ সূতাৰে গাঁথি ৰাখে, যি ইজনে সিজনৰ পৰা অভেদ হৈ থকাত ঐকান্তিকভাৱে প্ৰেৰণা যোগায়, যি আত্মাৰ সৈতে পৰমাত্মাৰ মিলনত পাথেয় হৈ ৰয় - সেয়ে ধৰ্ম। অসমত এক শৰণ হৰিনাম ধৰ্ম বা বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তন কৰিছিল মহাপুৰুষ শংকৰদেৱে। মধ্যযুগৰ ভাৰতীয় ভক্তি আন্দোলনৰ লগত মহাপুৰুষ শংকৰদেৱ প্ৰৱৰ্ত্তিত নৱবৈষ্ণৱ ধৰ্মৰ সম্পৰ্ক অতি গভীৰ। প্ৰধানতঃ বৈষ্ণৱধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটোৱাটোৱেই আছিল এই আন্দোলনৰ মূল উদ্দেশ্য।

ভক্তিক জনমানসত প্ৰতিষ্ঠা কৰি এখন সমতাপূৰ্ণ সমাজ গঢ়াৰ লক্ষ্য আগত ৰাখি বৈষ্ণৱ সন্ত-মহন্তসকলে যি অহোপুৰুষাৰ্থ কৰিছিল তাৰ ফলস্বৰূপেই সমগ্ৰ ভাৰতবৰ্ষজুৰি এই ভক্তি আন্দোলনৰ সূত্ৰপাত হৈছিল। ভাৰতীয় ভক্তি আন্দোলনৰ প্ৰণেতা হ'ল দক্ষিণ ভাৰতৰ আল্ৱাৰ সকল। আল্ৱাৰ সকলৰ সময় খ্ৰীষ্টিয় পঞ্চম শতিকাৰ পৰা নৱম শতিকালৈকে সাব্যস্ত কৰা হয়। এই সময়চোৱাক তামিল প্ৰদেশৰ ভক্তিকাল বুলি কোৱা হয়। এইকালৰ তামিল সাহিত্যিকসকলে প্ৰথমে সাহিত্য চৰ্চাত মনোনিবেশ কৰিছিল যদিও পিছত ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে তামিল ভাষাৰ যোগেদি বেদ-উপনিষদৰ তত্ত্ববোৰ জনসাধৰণে বুজিব পৰাকৈ প্ৰচাৰ কৰিবলৈ ধৰিলে। তামিল ভাষাত 'আল্ৱাৰ' শব্দটো বাৰজন ভক্তক বুজাবলৈ ব্যৱহাৰ কৰা হয়। এই বাৰজন ভক্ত হ'ল - পোয়গৈ আল্ৱাৰ, ভুতত্তাল্ৱাৰ, পেয়াল্ৱাৰ, তিৰুমালিশৈ আল্ৱাৰ, নম্মালৱাৰ (শঠকোপ), মঠুৰ কবি আল্ৱাৰ, কুলযোখৰ আল্ৱাৰ, পেৰিয়াল্ৱাৰ (বিষ্ণুচিত্ত), আণ্ডাল, তোণ্ডৰীপোডী আল্ৱাৰ, তিৰুপ্পান আল্ৱাৰ আৰু তিৰুমঙ্গৈ আল্ৱাৰ সকলে ভগৱান বিষ্ণুৰ আনন্ত শক্তি আৰু তেওঁৰ বিবিধ ঐশ্বৰ্য্যক ভক্তিৰ আধাৰৰূপে গ্ৰহণ কৰিছিল। ধৰ্মপ্ৰচাৰৰ কাৰণে তেওঁলোকে তামিলভাষাত ভালেমান ভক্তিগীত ৰচনা কৰি সেইবোৰ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল। তেওঁলোকৰ তামিল ভাষাত ৰচিত 'নালয়িৰদিব্য প্ৰৱন্ধম্' নামৰ ৪০০০ পদত ভক্তিৰ প্ৰথম প্ৰকাশ ঘটিছিল বুলি জনা যায়।

দক্ষিণ ভাৰতত আলৱাৰ সকলে আৰম্ভ কৰা ভক্তি আন্দোলনে কিছু গতি লাভ কৰাৰ সময়তে অষ্টম শতিকাত শঙ্কৰাচাৰ্য আৰু ৰামানুজাচাৰ্যৰ আৱিৰ্ভাৱ ঘটে। শঙ্কৰাচাৰ্য অদ্বৈতবাদ আৰু ৰামানুজাচাৰ্যই বিশিষ্টাদ্বৈতবাদৰ প্ৰৱৰ্ত্তন কৰিছিল। কৰ্ণাটকত ভক্তি আন্দোলন 'দাসকূটৰ' নামেৰে জনাজাত আছিল। কৰ্ণাটকত এই আন্দোলনৰ নেতৃত্ব দিছিল শ্ৰীপদৰায়, ব্যাঘৰায়, পুৰন্দৰ দাস আদিয়ে। এইসকলৰ লগত শ্ৰীবিষ্ণুস্বামী, শ্ৰীনিম্বাকাচাৰ্য, শ্ৰীবল্লভাচাৰ্য, শ্ৰীমাধৱাচাৰ্য, সন্ত-জ্ঞানেশ্বৰ, তুকাৰাম, একনাথ, ৰামদাস আদিয়ে ভক্তিধৰ্মক জনপ্ৰিয় কৰি তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত অসমলৈ পঞ্চদশ শতিকাত পোন প্ৰথমবাৰৰ বাবে শংকৰদেৱে ভক্তি আন্দোলনৰ সোঁত বোৱাই আনে। তেওঁ এই আন্দোলন কেৱল ধৰ্মৰ মাজতে সীমাবদ্ধ নাৰাখি ইয়াৰ মাজতে সাম্য, মৈত্ৰী আৰু বিশ্বজনীন ভাতৃত্বৰ ভাৱ জগাই তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে। শংকৰদেৱৰ ধৰ্মমত বিশুদ্ধ ভাগৱত আৰু গুৰু, দেৱ, নাথ, ভকত - এই চাৰিতত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত। সেয়েহে এই ধৰ্মক ভাগৱতী ধৰ্ম বুলিও কোৱা হয়।

ভক্তি আন্দোলনৰ প্ৰচাৰ হোৱাৰ আগতে অৰ্থাৎ খ্ৰীঃ দ্বাদশ শতিকাৰ পৰা পঞ্চদশ শতিকা আৰু তাৰ বহুকাল পিছলৈকে অসমত ধৰ্মৰ নামত নানা অনিয়ম আৰু ব্যভিচাৰ চলিছিল। দ্বাদশ শতিকাত ৰচিত 'কালিকা পুৰাণ' আৰু ষোড়শ শতিকাৰ 'যোগিনী তন্ত্ৰ' - এই দুখন গ্ৰন্থ শাক্তপন্থী সকলৰ বাবে প্ৰাচীন আৰু মধ্যযুগৰ বেদ স্বৰূপ আছিল। শাক্তপন্থী সকলে যোগিনীতন্ত্ৰৰ বিধান অনুসৰি পূজা-পাতল, বলি দিয়া কাৰ্য্য সম্পন্ন কৰিছিল। তেওঁলোকে পহু, ছাগলী, কাছ, শহা, ম'হ, গঁড়, হাঁহ, পাৰ আদি বলি দিয়াৰ উপৰিও শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ, ত্ৰিপুৰাৰ ত্ৰিপুৰেশ্বৰী মন্দিৰ, কামৰূপ জিলাৰ চৰাইমৰীয়া

কেঁচাইখাইতি থান, শিলচৰৰ ওচৰৰ কাঁচাখাওী দেৱীৰ পীঠ, নেলীৰ পৰদেও থান, ডক্মকাৰ মহামায়া থান, নগাঁওৰ হাতীমূৰা পৰ্বতৰ মহিষ মৰ্দিনী দূৰ্গা মন্দিৰ আৰু কামাখ্যাৰ ওচৰতে অৱস্থিত ভৈৰৱী মন্দিৰ আদিত নৰবলিৰো প্ৰচলন আছিল। সেই সময়ৰ শাক্ত মন্দিৰসমূহত ভোগী প্ৰথাৰ প্ৰচলন আছিল। অকল সেয়ে নহয়, দেৱ-দেৱীৰ পূজা-অৰ্চনাৰ গইনা লৈ মন্দিৰবোৰত আশ্ৰিত কন্যা দেৱদাসী সকলৰ ওপৰত যৌনাচাৰো চলিছিল। সমাজৰ পৰা এনেবোৰ কুসংস্কাৰ আৰু অনিয়ম দূৰ কৰিবৰ কাৰণে শংকৰদেৱে বিদ্ৰোহ কৰিছিল। কিন্তু সেই বিপ্লৱ ধ্বংসাত্মক নাছিল, সৃজনাত্মকহে আছিল।

*ভক্তি আন্দোলনৰ প্ৰচাৰ হোৱাৰ আগতে অৰ্থাৎ খ্ৰীঃ দ্বাদশ শতিকাৰ পৰা পঞ্চদশ শতিকা আৰু তাৰ বহুকাল পিছলৈকে অসমত ধৰ্মৰ নামত নানা অনিয়ম আৰু ব্যভিচাৰ চলিছিল। দ্বাদশ শতিকাত ৰচিত 'কালিকা পুৰাণ' আৰু ষোড়শ শতিকাৰ 'যোগিনী তন্ত্ৰ' - এই দুখন গ্ৰন্থ শাক্তপন্থী সকলৰ বাবে প্ৰাচীন আৰু মধ্যযুগৰ বেদ স্বৰূপ আছিল। শাক্তপন্থী সকলে যোগিনীতন্ত্ৰৰ বিধান অনুসৰি পূজা-পাতল, বলি দিয়া কাৰ্য্য সম্পন্ন কৰিছিল। তেওঁলোকে পহু, ছাগলী, কাছ, শহা, ম'হ, গঁড়, হাঁহ, পাৰ আদি বলি দিয়াৰ উপৰিও শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ, ত্ৰিপুৰাৰ ত্ৰিপুৰেশ্বৰী মন্দিৰ, কামৰূপ জিলাৰ চৰাইমৰীয়া কেঁচাইখাইতি থান, শিলচৰৰ ওচৰৰ কাঁচাখাওী দেৱীৰ পীঠ, নেলীৰ পৰদেও থান, ডক্মকাৰ মহামায়া থান, নগাঁওৰ হাতীমূৰা পৰ্বতৰ মহিষ মৰ্দিনী দূৰ্গা মন্দিৰ আৰু কামাখ্যাৰ ওচৰতে অৱস্থিত ভৈৰৱী মন্দিৰ আদিত নৰবলিৰো প্ৰচলন আছিল। সেই সময়ৰ শাক্ত মন্দিৰসমূহত ভোগী প্ৰথাৰ প্ৰচলন আছিল।*

বহু দেৱতাৰ ভিতৰত এজন প্ৰধান দেৱতাৰ সন্ধান দিয়া, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি আমাৰ সামাজিক চৈতন্য জাগৰণ কৰা আৰু কৰ্ম বিভীষিকা নিবাৰণ কৰা — এই উদ্দেশ্য লৈ শংকৰদেৱে ভক্তি আন্দোলনৰ মাধ্যমেদি অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰিছিল। বৈষ্ণৱ ধৰ্ম আছিল সৰল আৰু অনাড়ম্বৰ ধৰ্ম। লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত, "উজু অথচ অমূল্য ধৰ্ম্ম"। ভক্তি আন্দোলনৰ যুগত ব্যয়-বহুল ধৰ্মীয় অনুষ্ঠানৰ প্ৰচলন আছিল। পূজা-পাতাল; যাগ্-যজ্ঞ আদি পাতিবলৈ বহুতো অৰ্থৰ প্ৰয়োজন হৈছিল। আৰ্থিক অনাটনৰ কাৰণে সেই সময়ৰ সাধাৰণ জনসাধৰণৰ পক্ষে ঈশ্বৰ উপাসনা কৰাটো সম্ভৱপৰ নাছিল। কিন্তু ঈশ্বৰ উপাসনাৰ কাৰণে শংকৰদেৱে যি মাৰ্গ দেখুৱাইছিল সেয়া আছিল অতি সহজ। কিয়নো,

*"নাই শিকা টঙ্কাব্যয় কায়া ক্লেশ*
*ভকতিত একো নাই।*
*যেন তেন মতে কৃষ্ণক স্মৰিলে*
*এতেকে মুকুতি পায়।।* - দশম, ১১৭৮০

আকৌ সেইদৰে,

*"কৃষ্ণ কথা শুনা আবে সবে সভা সদে।*
*গৃহ থাকি খায়া গায়া পৰম সুখদে।।*
*নাহি ধন হানি শৰীৰতো কিছু শ্ৰম।*
*কৰ্ণৰো অমৃত শুনিবাক মনোৰম।।"* - নিমি নৱসিদ্ধ সংবাদ, ২০৬

যাগ্-যজ্ঞ, পূজা-পাতাল, মঠ-মন্দিৰ, তীৰ্থ যাত্ৰা আদিৰ সলনি ঈশ্বৰৰ নাম শ্ৰৱণ-কীৰ্ত্তন কৰিলেই যে ভগৱান উপাসনা কৰা হয় সেইকথা শংকৰদেৱে 'কীৰ্ত্তন ঘোষা'ত উল্লেখ কৰিছে এইদৰে -

*"তপ যপ যজ্ঞ দান সবে বিড়ম্বন*
*কেবল ভক্তিতে তুষ্ট হোন্ত নাৰায়ণ।"*

শংকৰদেৱে এনে আড়ম্বৰহীন ধৰ্মৰ জৰিয়তে মানুহক অধৰ্মৰ পৰা প্ৰকৃত ধৰ্মৰ পথ দেখুৱাৰ লগতে ইতিমধ্যেই খৰ্ব হৈ যোৱা মানৱতাবোধ তথা মানৱ অধিকাৰ ঘূৰাই আনিলে। এইজনা মহাপুৰুষে দুষ্কৃতি নাশি সংস্কৃতি স্থাপন কৰিবৰ কাৰণে আয়োজন কৰা ধৰ্মীয় জাগৰণত অসম বাসীয়ে এক নতুন যুগৰ সন্ধান পালে।

শংকৰদেৱ আছিল জাতি গঢ়োঁতা - সাম্প্ৰদায়িক সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক। শংকৰদেৱে ধৰ্মান্ধতা আৰু গোড়ামিৰ পৃষ্ঠপোষকতা কৰা নাছিল। এইজনা মহাপুৰুষে একেশ্বৰবাদী ভক্তি ধৰ্মৰ প্ৰৱৰ্ত্তন আৰু প্ৰচাৰৰ মাধ্যমেৰে সমাজত শান্তি, মৈত্ৰী আৰু সম্প্ৰীতিৰ সেঁতু নিৰ্মাণ কৰিবলৈ জীৱন যোৱা সংগ্ৰাম কৰিছিল। শংকৰদেৱৰ লিখনিত এনে কোনো উল্লেখ নাই য'ত তেওঁৰ কৃৰ্তিসমূহ কেৱল অসমীয়া হিন্দু মানুহখিনিৰ বাবেহে বুলি ইংগিত আছে। 'ধন্য ধন্য ভাৰত বৰিষ' তেওঁৰ আদৰ্শক্ষেত্ৰ আছিল। অকল সেয়ে নহয়, তেওঁৰ চিন্তা, ধ্যান-ধাৰণা সৰ্বকালৰ সৰ্বলোকৰ বাবে উপযোগী হৈ ৰ'ব।

সহায়ক গ্ৰন্থ ঃ শ্ৰীমন্ত শংকৰদেৱ ঃ কৃতি আৰু কৃতিত্ব - শিৱনাথ বৰ্মন।

* *স্নাতকোত্তৰ ১ম ষাণ্মাসিক, অসমীয়া বিভাগ*

# পাৰ্চী ভাষাৰ উৎপত্তি, বিকাশ আৰু কেইজনমান মহান কবি-সাহিত্যিক

ওৱাহেদুৰ জামান*

সুলালিত পাৰ্চী ভাষাটো এটা অন্যতম পুৰণি আৰু সমৃদ্ধিশালী ভাষা। ই ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীৰ অন্তৰ্গত ইণ্ডো-ইৰাণীয় শাখাৰ ভিতৰত পৰে। উল্লেখযোগ্য যে ইণ্ডো-ইউৰোপীয় গোষ্ঠীৰ অন্তৰ্গত ইণ্ডো-ইৰাণীয় শাখাটো তিনিটা ভাষাৰে গঠিত। এই কেইটা হ'ল - (১) ইৰাণীয় (২) ইণ্ডো এৰিয়ান আৰু (৩) দাৰ্দিক।

খ্ৰীঃপূঃ ২০০০-১৭৫০ ৰ ভিতৰত ইৰাণীয় আৰু ইণ্ডো-এৰিয়ান ভাষীসকলে ইণ্ডো-ইৰাণীয় গোষ্ঠীৰ এটা উমৈহতীয়া ভাষাকে কৈছিল। তেওঁলোকে ইৰাণ অথবা দক্ষিণ-পূব মেছোপোটেমিয়াৰ কোনো এখন ঠাইত একেলগে বসবাস কৰিছিল। তাৰ পিচত কিবা মতানৈক্য ঘটাত একেটা গোষ্ঠী দুটা ফৈদত ভাগ হৈ এদল ভাৰতলৈ আহি পঞ্জাৱ, সিন্ধু আদি অঞ্চলত থাকিবলৈ লয় আৰু আনটো দল ইৰাণতে ৰৈ যায়। সেয়েহে ইৰাণীয় আৰু ভাৰতীয় আৰ্য্যসকলৰ মাজত ধৰ্মীয় আৰু সাংস্কৃতিক ক্ষেত্ৰত বহুখিনি মিল দেখা যায়।

ইৰাণীয় বা পাৰ্চী ভাষাটো বিভিন্ন স্তৰৰ মাজেৰে বিকাশ লাভ কৰি বৰ্তমানৰ অৱস্থা পাইছেহি। এই স্তৰকেইটা হ'ল -

(১) ৭ম খ্ৰীঃপূঃৰ পৰা ৩০০ খ্ৰীঃ পূৰ্বলৈ - আৱেস্তা আৰু প্ৰাচীন পাৰ্চী ভাষা।

(২) ৩০০ খ্ৰীঃ পূঃৰ পৰা ৯০০ খ্ৰীষ্টাব্দ - মধ্য পাৰ্চী ভাষা বা পহলবী।

(৩) ৯০০ খ্ৰীঃৰ পৰা বৰ্তমানলৈকে - আধুনিক পাৰ্চী ভাষা।

**(১) আৱেস্তা ঃ** জৰথুষ্ট্ৰ ধৰ্মৰ শাস্ত্ৰসমূহ যিটো ভাষাত লিখা হৈছিল সেই ভাষাটোৱেই ইৰাণৰ আটাইতকৈ পুৰণি ভাষা। এই ভাষাটোৰ নাম আৱেস্তা। আৱেস্তা আছিল বেকট্ৰিয়াৰ ৰজা বিস্তাম্পৰ ৰাজভাষা। আৱেস্তা ভাষাৰ আচল স্থান নিৰূপন কৰা কঠিন। জৰথুষ্ট্ৰ যিহেতুকে উত্তৰ-পশ্চিমৰ পৰা আহিছিল আৰু উত্তৰ পূব বেকট্ৰিয়াত ধৰ্ম প্ৰচাৰ কৰিছিল গতিকে পশ্চিমৰ পৰা পূবলৈকে সমগ্ৰ অঞ্চলটিকে এই ভাষাৰ স্থান বুলি ধৰিব পাৰি।

আলেকজেণ্ডাৰৰ আক্ৰমণ (৩৩১ খ্ৰীঃপূঃ - ৩৩৫ খ্ৰীঃপূঃ) ৰ সময়ত পাৰ্চিপলিচত সংৰক্ষিত আটাইবোৰ আৱেস্তা গ্ৰন্থ পুৰি পেলোৱা হৈছিল। ইয়াৰ পিচত ৫০০ বছৰৰ বাবে এই গ্ৰন্থসমূহ হেৰাই গৈছিল। কেৱল পুৰোহিতসকলৰ অন্তৰতহে এইবোৰ সংৰক্ষিত হৈ আছিল।

তাৰ পিছত ২১খন নস্ক'ত এই বিলাক পুনৰ লেখা হৈছিল। পোনতে এই লেখাৰ প্ৰচেষ্টা আৰম্ভ হৈছিল 'ৱালখাছু'ৰ ৰাজত্বত আৰু চাচানীয় বংশৰ প্ৰথম দুগৰাকী ৰজা "আৰদেবীৰ বাবকান" (২২৫ খ্ৰীঃ - ২৪০ খ্ৰীঃ) আৰু চাপুৰ (২৪০ খ্ৰীঃ - ২৭১ খ্ৰীঃ)ৰ ৰাজত্বৰ সময়ছোৱাত এই কাম সম্পূৰ্ণ কৰা হয়। যদিও আৰবৰ পাৰস্য আক্ৰমণ আৰু অধিকাৰ (৬৫০ খ্ৰীঃ)ৰ ফলত জৰথুষ্ট্ৰ ধৰ্মটোৰ পতন ঘটিছিল তথাপিও কিন্তু আৱেস্তা গ্ৰন্থসমূহ আব্বাছী বংশৰ খলিফা আল-মামুনৰ ৰাজত্বৰ সময় (৮১৩ খ্ৰীঃ - ৮৩৩খ্ৰীঃ) লৈকে নষ্ট নোহোৱাকৈ আছিল।

**প্ৰাচীন পাৰ্চী ভাষা ঃ** আকিমেনীয় যুগত যিটো ভাষা চলিছিল তাক প্ৰাচীন পাৰ্চী ভাষা বুলি কোৱা হয়। এই ভাষাৰ নিৰ্দিষ্ট কোনো আখৰ নাছিল যদিও শলাৰ নিচিনা এবিধ চিহ্নৰ দ্বাৰা এই ভাষাটো লিখা হৈছিল। এনেকুৱা চিহ্ন আছিল ৩৫ টা, যিবিলাকৰ পাঠ উদ্ধাৰ কৰিছিল চাৰ হেনৰি ৰাওলিনছন নামৰ জনৈক পণ্ডিতে।

পুৰণি পাৰস্যৰ দক্ষিণ-পশ্চিম অঞ্চলত এই ভাষাটো চলিছিল। প্ৰাচীন পাৰ্চী ভাষাটো মহামতি দৰিউচ, জেৰক্সেচ আৰু তৃতীয় আৰ্‌ডা জেৰক্সেচৰ সময়লৈকে লিখিত শিলালিপিবোৰত পোৱা যায়। প্ৰাচীন পাৰ্চী ভাষাৰ শলা জাতীয় আখৰবোৰ বাওঁফালৰ পৰা সোঁফাললৈ লিখা হৈছিল।

**মধ্য পাৰ্চী ভাষা বা পহলবী ভাষা ঃ** পহলবী শব্দটো আহিছে 'পাথিয়ান' সকলৰ পৰা। যদিও এই ভাষাটো পাৰ্থিয়ান ৰজাসকলৰ দিনত উদ্ভৱ হৈছিল, ইয়াৰ বিকাশ ঘটিছিল চাচনীয়া ৰাজত্বৰ সময়ত। যিহেতু পহলবী ভাষা পাৰ্থিয়ানসকলৰ পৰা উদ্ভৱ হৈছিল সেইকাৰণে ইয়াত চেমিটিক (আৰামেইক আৰু চিৰিয়ান) ভাষাৰ কিছুমান উপাদান বিশেষকৈ আৰু আৰবী আৰু হিব্ৰু ভাষাৰ মিশ্ৰণ লক্ষ্য কৰা যায়। তৎসত্বেও কিন্তু পহলবী ভাষাটো বিদেশী নহয়, বৰং ই আৰ্য্য-ইৰাণী ভাষাৰ অপভ্ৰংশহে।

কিন্তু এই পহলবী বা মধ্য পাৰ্চী ভাষাটো আছিল আসোঁৱাহপূৰ্ণ আৰু অসম্পূৰ্ণ বৰ্ণমালাযুক্ত। এই ভাষাৰ বৰ্ণমালাত মাত্ৰ ১৪ টা আখৰ আছিল আৰু আশ্চৰ্য্যজনকভাৱে একেটা আখৰকে ভিন ভিন ৰূপে পঢ়িব পৰা গৈছিল। যাৰ ফলত এটা বাক্যৰ ভিন ভিন অৰ্থ ওলাই সীমাহীন বিসংগতিৰ সৃষ্টি কৰিছিল। এনেবোৰ খেলিমেলি দেখি আৰব বিজয়ৰ পাচত এই মধ্যপাৰ্চী বা পহলবী ভাষাটো লিখিবলৈ আৰবী বৰ্ণমালা গ্ৰহণ কৰা হয়। দৰাচলতে আৰবে পাৰস্য আক্ৰমণ কৰাৰ পিছত পহলবী ভাষা কোৱাটো বন্ধ হৈ গৈছিল।

**আধুনিক পাৰ্চী ভাষা ঃ** জৰথুষ্ট্ৰ বিলাকৰ মাজত পহলবী ভাষাটো জনপ্ৰিয় হোৱা নাছিল। তেওঁলোকে ভাষাটোত চেমিটিক উপাদান থকা বাবে বেয়া পাইছিল আৰু বাক্যও চেমিটিক উপাদান পালে তাৰ ইৰাণী প্ৰতিশব্দহে উচ্চাৰণ কৰিছিল। অৱশেষত এই সকলো চেমিটিক উপাদান বিশুদ্ধ ইৰাণী শব্দ ব্যৱহাৰেৰে পহলবী ভাষাৰ পৰা উলিয়াই পেলাইছিল। এনেদৰে নতুনকৈ সৃষ্টি হোৱা বিশুদ্ধ ভাষাটিক 'পাজেন্দ' বা 'নতুন পাৰ্চী' বোলা হৈছিল। দেশৰ জনসাধাৰণে এই নতুন ভাষাটিক অতি আগ্ৰহেৰে আদৰি লৈছিল। চেমিটিক শব্দৰ পয়োভৰৰ বাবে 'পহলবী' ভাষাত কোনো ভক্তিমূলক ৰচনা লিখা হোৱা নাছিল। কিন্তু বিশুদ্ধ পাজেন্দ ভাষাত যথেষ্ট পৰিমাণে ভক্তিমূলক ৰচনা লিখা হৈছিল। গতিকে আধুনিক পাৰ্চী ভাষাক পহলবী ভাষাৰ বিশুদ্ধ ৰূপ বুলিব

পাৰি। ফিৰদৌচিৰ 'ছাহনামা' এই বিশুদ্ধ পাজেন্দ অৰ্থাৎ আধুনিক পাৰ্চী ভাষাতেই ৰচিত হৈছিল খ্ৰীষ্টাব্দ দশম-একাদশ শতিকাত, যি ইৰাণৰ জাতীয় মহাকাব্যত পৰিণত হৈছিল।

এনেদৰে বিভিন্ন বিবৰ্ত্তনৰ মাজেদি বৰ্তমানৰ পাৰ্চী ভাষাটোৰ উৎপত্তি হৈছে।

এই পাৰ্চী ভাষাত বহুতো মহান কবি সাহিত্যিকে উচ্চমানৰ সাহিত্য ৰচনা কৰি গৈছে। তাৰ ভিতৰত আমি মহান কবি 'আমীৰ খশ্ৰু'ৰ নাম ল'ব লাগিব। তেওঁ আগ্ৰাৰ ওচৰৰ পটিয়ালি নামে ঠাইত ১২৫৩ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰিছিল। ১২৮৯ খ্ৰীষ্টাব্দত চুলতান কৈকোবাদৰ অনুৰোধত লিখা তেওঁৰ বিখ্যাত কবিতা পুথিখন হ'ল - 'কিৰাণ উচ্-চাদাইন্'। তাৰোপৰি তেওঁ জালাল উদ্দিন ফিৰোজ খিলিজিক প্ৰসংশা কৰি 'মিফটাহ্-উল্-ফুতুহ' নামৰ 'মচ্নবী' এখন লিখিছিল।

পাৰ্চী ভাষাৰ আন এটা ধ্ৰুৱতৰা হ'ল ওমৰ খায়াম। 'খায়াম' শব্দই তম্বু নিৰ্মাণ কৰা কামক বুজায়। তেওঁৰ দেউতাকে তম্বু নিৰ্মাণ কৰা কাম কৰিছিল। সেয়েহে ওমৰেও দেউতাকৰ উপাধিৰে বিভূষিত হৈছিল। তেওঁৰ তৰ্কশাস্ত্ৰ, মনোবিজ্ঞানৰ ওপৰত জ্ঞান থকাৰ উপৰিও তেওঁ গণিতশাস্ত্ৰ আৰু জ্যোতিৰ্বিদ্যাতো অগাধ পণ্ডিত আছিল। 'চতুস্পদী শ্লোক' লিখাতো তেওঁ বিখ্যাত আছিল। তেওঁৰ অবিহনে পাৰ্চী সাহিত্যৰ কথা ভাবিবই নোৱাৰি।

পাৰ্চী সাহিত্যত সৌৰভ বিলোৱা আন এজন প্ৰখ্যাত কবি শ্বেইখ চাদীৰ জন্ম হয় পাৰস্য দেশৰ চিৰাজ নগৰত ১১৮৪ খ্ৰীষ্টাব্দত। তেওঁক আমি 'Prophet of Poetry' বুলিও জানো। পাৰ্চী সাহিত্যৰ বিখ্যাত 'গজল' বিলাক তেওঁৰ কাপৰ পৰাই ওলাইছিল।

পাৰ্চী সাহিত্য বুলি ক'লে মহম্মদ ইকবালৰ কথা নকৈ নোৱাৰি। পঞ্জাবৰ শিয়ালকোট নামে ঠাইত ১৮৭৩ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰা এই বিখ্যাত কবিজনে প্ৰাথমিক আৰু উচ্চশিক্ষা শিয়ালকোটতে সম্পূৰ্ণ কৰিছিল। তেওঁ দৰ্শনশাস্ত্ৰ আৰু উৰ্দু সাহিত্যতো বিশেষ পাৰদৰ্শিতা দেখুৱাব পাৰিছিল। তেওঁৰ বিখ্যাত কবিতা পুথি কেইখনমান হ'ল : আচ্ৰাৰ-ই-খোদী, চিকৱা, টুটু-ই-ইছলাম, বাঙ্গ-ই-দাৰা ইত্যাদি।

এই মহান কবিসকলৰ বাবেই পাৰ্চী সাহিত্য আজিও জাকতজিলিকা হৈ আছে।

আগতে উল্লেখ কৰা হৈছে যে - পাৰ্চী ভাষাটো প্ৰধানকৈ ইৰাণী ভাষা। ইয়াক তেওঁলোকে মাতৃভাষা হিচাপে ব্যৱহাৰ কৰে। ইৰাণীয়সকলৰ মহাকাব্য 'চাহনামা' এই পাৰ্চী ভাষাতেই লিখা। যিখন ইৰাণৰ জাতীয় জীৱনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। তদুপৰি এই পাৰ্চী ভাষাটোৰ আফগানিস্তান, তাজাকিস্তান, উজবেকিস্তান আদি দেশবোৰতো বহুল ভাৱে প্ৰচলন আছে। কিন্তু ভাৰতবৰ্ষত ইয়াক কথিত ভাষা হিচাপে ব্যৱহাৰ কৰা নহয়। মোগলসকলৰ ৰাজত্বৰ সময়তো পাৰ্চী ভাষাটো ৰাজভাষা হিচাপে ব্যৱহাৰ কৰা হৈছিল। মোগল সম্ৰাট সকলক প্ৰসংশা কৰি লিখা কবিতা, গজল, কচিদা আদি পাৰ্চী ভাষাৰে লিখা হৈছিল। মোগল সম্ৰাট চুলতান মামুদৰ পৰা দাৰাচিকো তথা ঔৰংগজেৱলৈকে সকলোৱে এই ভাষাটোক যথেষ্ট সন্মান কৰিছিল। দাৰাচিকো পাৰ্চী ভাষাটোত অগাধ পণ্ডিত আছিল। তেওঁ উপনিষদ, ভাগৱত গীতা, যুগ বশিষ্ঠ আদি গ্ৰন্থ পাৰ্চী ভাষালৈকে অনুবাদ কৰিছিল।

"এই পাৰ্চী ভাষাটোৰ আফগানিস্তান, তাজাকিস্তান, উজবেকিস্তান আদি দেশবোৰতো বহুল ভাৱে প্ৰচলন আছে। কিন্তু ভাৰতবৰ্ষত কথিত ভাষা হিচাপে ব্যৱহাৰ কৰা নহয়। মোগলসকলৰ ৰাজত্বৰ সময়তো পাৰ্চী ভাষাটো ৰাজভাষা হিচাপে ব্যৱহাৰ কৰা হৈছিল। মোগল সম্ৰাট সকলক প্ৰসংশা কৰি লিখা কবিতা, গজল, কচিদা আদি পাৰ্চী ভাষাৰে লিখা হৈছিল।"

ইংৰাজৰ ৰাজত্বৰ আগতে পাৰ্চী ভাষাত বহু পাঠ্যপুথি ৰচনা হৈছিল। কিন্তু ইংৰাজসকলৰ আগমনৰ লগে লগে তেওঁলোকে এই পাৰ্চী ভাষা লিখা আৰু কোৱাটো বন্ধ কৰি দিয়ে। ইয়াৰ সলনি পাৰ্চী ভাষাৰ সংমিশ্ৰণত আন এটা ভাষাৰ সৃষ্টি হৈছিল যাক উৰ্দু বুলি কোৱা হয়। এই ভাষাটোৰ বৰ্ণমালা বিলাক পাৰ্চী ভাষাৰ পৰা লোৱা। কিন্তু ইয়াৰ উচ্চাৰণ হিন্দী ভাষাটোৰ দৰে।

পাৰ্চী ভাষাটোৱে আধুনিক ভাৰতৰ বহুকেইটা ভাষা যেনে - উৰ্দু, হিন্দী, মাৰাঠী, কাশ্মীৰি, পাঞ্জাবী, গুজৰাটী, বঙালী, অসমীয়া আদি ভাষাবোৰৰ উন্নতিত বহু পৰিমাণে সহায় কৰিছে। এই ভাষাবোৰ পাৰ্চী ভাষাৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে। বৰ্তমান ভাৰতৰ বহুকেইখন বিশ্ববিদ্যালয়ত এই ভাষা শিকোৱা হয়। যেনে - মুম্বাই বিশ্ববিদ্যালয়, পুণা বিশ্ববিদ্যালয়, শিবাজী বিশ্ববিদ্যালয়, মাৰাথৱাদা বিশ্ববিদ্যালয়, নাগপুৰ বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় আদি। তদুপৰি আধুনিক ভাৰতৰ কেইখনমান বিশ্ববিদ্যালয় - আলিগড় বিশ্ববিদ্যালয়, এলাহাবাদ বিশ্ববিদ্যালয়, মুম্বাই বিশ্ববিদ্যালয়, বিহাৰ বিশ্ববিদ্যালয়, ভগালপুৰ বিশ্ববিদ্যালয়, কলিকতা বিশ্ববিদ্যালয়, দিল্লী বিশ্ববিদ্যালয়, হায়দৰাবাদ বিশ্ববিদ্যালয়, পাটনা বিশ্ববিদ্যালয় আদিত পাৰ্চী ভাষাটো গৱেষণামূলক পাঠ্যক্ৰম হিচাপেও প্ৰচলন হৈছে। আমাৰ অসমৰ প্ৰায়বোৰ হাইস্কুল তথা উচ্চতৰ মাধ্যমিক পৰ্য্যায়ত পাৰ্চী ভাষা বিভাগীয় পাঠ্যক্ৰম হিচাপে প্ৰচলন হৈ আছে।

* স্নাতক ৩য় বৰ্ষ, পাৰ্চী বিভাগ



# মানৱ অধিকাৰ আৰু ইয়াৰ সুৰক্ষা

জ্যোত্স্না শইকীয়া*

সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানৱ সমাজত প্ৰচলিত ৰীতি নীতি আৰু ধ্যান ধাৰণা সমূহৰো দ্ৰুত পৰিবৰ্তন হৈ আহিছে। তেনেদৰে মানুহৰ অধিকাৰৰ ধাৰণাও সভ্যতাৰ গতিৰ লগতে গতি কৰি আহিছে বুলি ক'ব পাৰি। বৰ্তমানৰ পৰিপ্ৰেক্ষিতত বিশ্বত মানৱ অধিকাৰ সুৰক্ষা সম্পৰ্কে আলোচনা কৰিবলৈ যোৱাৰ আগতে মানৱ অধিকাৰনো কি, এই বিষয়ে চমু আভাস দিয়া যাওঁক।

মানৱ অধিকাৰৰ এক সহজ সংজ্ঞা দিয়াটো সম্ভৱ নহয়। সমাজ পৰিৱৰ্তনৰ লগে লগে মানৱ অধিকাৰৰ সূত্ৰসমূহো পৰিৱৰ্তন হ'ব পাৰে। সাধাৰণতে সমাজৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক জীৱনৰ লগত সম্পৰ্ক ৰাখি মানৱ অধিকাৰৰ ধাৰণা গঢ়ি উঠিছে। এই অধিকাৰসমূহ পুৰুষ-মহিলা সকলোৰে বাবে প্ৰযোজ্য আৰু ই সাৰ্বজনীন। ব্যক্তি, জাতি, ধৰ্ম, বৰ্ণ, লিংগ আদিৰ কোনো প্ৰভেদ নৰখাকৈ মানুহৰ ব্যক্তিত্বৰ প্ৰতি প্ৰদান কৰা সন্মানেই হৈছে মানৱ অধিকাৰ। ব্যক্তিত্বৰ বিকাশ আৰু সুখ-শান্তিৰ বাবে এই অধিকাৰসমূহ অতি প্ৰয়োজন। পৃথিৱীৰ প্ৰত্যেক মানুহৰে প্ৰয়োজনীয় মৌলিক অধিকাৰসমূহেই হৈছে 'মানৱ অধিকাৰ'।

গতিকে মানৱ অধিকাৰৰ ধাৰণা বুলিলে মানুহৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সমতা তথা অধিকাৰকে বুজায়। তেনেদৰে মানৱ অধিকাৰৰ ৰক্ষণা-বেক্ষণ বুলিলে ইয়াকে বুজায় যে চৰকাৰে মানুহক কেনেদৰে সুৰক্ষা দিছে। আধুনিক ৰাষ্ট্ৰসমূহত মানৱ অধিকাৰবিলাক ৰাষ্ট্ৰীয় কৰ্তৃপক্ষৰ মৌলিক আইনৰ মাজেৰেহে জন্ম হয়। ই কোনো পুৰণি ধাৰণাৰ প্ৰাকৃতিক আইন বা ঐশ্বৰিক শক্তিৰ উৎস নহয়।

মানৱ অধিকাৰৰ ইতিহাস চালে দেখা যায় যে, আদিম যুগত ই অতি চালুকীয়া অৱস্থাত, মধ্যযুগত অধিকাৰৰ আকৃতি ধাৰণ কৰি, কুৰি শতিকাত ই পূৰ্ণতা লাভ কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ৰাষ্ট্ৰসংঘৰ নেতৃত্বত আৰু বিস্তৃত মানৱ অধিকাৰৰ আন্দোলন গঢ়ি উঠে। ৰাষ্ট্ৰসংঘৰ ছত্ৰছায়াত উদাৰপন্থী গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহত মানৱ অধিকাৰ সম্পৰ্কে যথেষ্ট সচেতনতা গঢ় লৈ উঠে। ১৯৪১ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্টে ঘোষণা কৰা ৪টা স্বাধীনতাক (বাক স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা, বিশ্বাসৰ স্বাধীনতা, ভয়ৰ পৰা মুক্তি পোৱাৰ স্বাধীনতা, যিকোনো বস্তু বিচৰাৰ স্বাধীনতা) ৰাষ্ট্ৰসংঘই বৰ্ধিত ৰূপত প্ৰকাশ কৰে আৰু পৃথিৱীৰ প্ৰায়বোৰ ৰাষ্ট্ৰৰে ই স্বীকৃতি লাভ কৰে। ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰৰ প্ৰতি সচেতন কৰাৰ উদ্দেশ্যে ১৯৪৮ চনত ১০ ডিচেম্বৰ তাৰিখটোত 'মানৱ অধিকাৰ দিৱস' - হিচাপে ঘোষণা কৰে। মানৱ অধিকাৰক বৈধ ৰূপ দিয়াৰ ই প্ৰথম প্ৰচেষ্টা। ইয়াৰ সাৰ্বজনীন ৰূপৰ ঘোষণা আছিল প্ৰাক্ যুদ্ধকালীন মানৱ অধিকাৰৰ এক উল্লেখযোগ্য ঘটনা। 'মানৱ অধিকাৰ দিৱস'ৰ ঘোষণা আছিল এক প্ৰতিশ্ৰুতিসম্পন্ন ঘোষণা। এই ঘোষণাতেই প্ৰায় সকলো মানৱ অধিকাৰক অন্তৰ্ভুক্ত কৰিছে। ইয়াৰ পিছতো নাগৰিক আৰু ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ বিষয়ক দুখন আন্তৰ্জাতিক প্ৰতিজ্ঞা পত্ৰৰ দ্বাৰা মানৱ অধিকাৰক শ্ৰেণীভুক্ত কৰা হৈছে। তদুপৰি টেহৰাণ সন্মিলন, ভিয়েনা সন্মিলন, চতুৰ্থ বিশ্বৰ নাৰী সন্মিলন, আচাৰ-বিধিৰ দ্বাৰা মানৱ অধিকাৰৰ বিকাশ আৰু সংৰক্ষণৰ বিধান কৰিছে। ১৯৬৬ চনত অনুষ্ঠিত আন্তৰ্জাতিক সন্মিলনত বৰ্ণ বৈষম্যৰ অৱসান ঘটোৱাৰ সিদ্ধান্ত মানৱ অধিকাৰ উন্নয়নৰ এক নতুন পদক্ষেপ।

ৰাষ্ট্ৰসংঘৰ চনদৰ চুক্তিয়ে মানৱ অধিকাৰক আন্তৰ্ৰাষ্ট্ৰীয় বিষয় হিচাপে আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰে। সেয়েহে আমি ৰাষ্ট্ৰসংঘৰ চনদত মানৱ অধিকাৰৰ বহুতো গুৰুত্বপূৰ্ণ দিশ প্ৰতিফলিত হোৱা দেখা পাওঁ, কিয়নো দ্বিতীয় মহাযুদ্ধৰ সময়ত হিটলাৰৰ নাজী দলে আৰু ইটালীৰ মুছলিনীৰ নেতৃত্বত ফেচিষ্ট দলে জনসাধাৰণৰ ওপৰত যি অবৰ্ণনীয় অত্যাচাৰ কৰিছিল তাৰ পৰিণতি স্বৰূপে মানুহৰ মৌলিক অধিকাৰসমূহ আন্তৰ্ৰাষ্ট্ৰীয়ভাৱে সুৰক্ষা দিবৰ বাবেই 'ৰাষ্ট্ৰসংঘ' নামৰ বিশ্বসংস্থাটোৰ জন্ম হয়। সেয়ে চনদৰ বিভিন্ন অনুচ্ছেদত মানুহৰ মৌলিক অধিকাৰবোৰৰ বিষয়ে উল্লেখ পোৱা যায়। অৱশ্যে ৰাষ্ট্ৰসংঘৰ চনদত এটা অধ্যায়তে সকলো 'মানৱ অধিকাৰ' উল্লেখ কৰা নাই। চনদৰ বিভিন্ন শিতানত মানৱ অধিকাৰ সম্পৰ্কে উল্লেখ আছে। এই শিতানবোৰ হ'ল, ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱনা, ৰাষ্ট্ৰসংঘৰ উদ্দেশ্য, সাধাৰণ সভাৰ দায়িত্ব, আন্তৰ্জাতিক অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ

উদ্দেশ্য, আন্তৰ্জাতিক অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ কামৰ ক্ষেত্ৰ, আন্তৰ্জাতিক অৰ্থনৈতিক আৰু সামাজিক পৰিষদে মানৱ অধিকাৰ বিকাশৰ কাৰণে গঠন কৰা আয়োগৰ কাৰ্যাৱলী, ন্যাসৰক্ষী পৰিষদৰ উদ্দেশ্য ইত্যাদি বহুতো ক্ষেত্ৰত মানৱ অধিকাৰৰ সুৰক্ষাৰ আভাস পোৱা যায়। ৰাষ্ট্ৰসংঘৰ চনদৰ বিভিন্ন অনুচ্ছেদবোৰত মানৱ অধিকাৰ আৰু মৌলিক স্বতন্ত্ৰতা সুৰক্ষা আৰু বিকাশৰ বাবে যাৱতীয় বিধান কৰিছে। মানৱ অধিকাৰ সম্পৰ্কে ৰাষ্ট্ৰসংঘৰ চনদত যদিও এটা সুকীয়া অধ্যায় নাই, তথাপি ইয়াত থকা বিভিন্ন দিশ তথা অনুষ্ঠানবোৰে মানৱ অধিকাৰ উপভোগ তথা সুৰক্ষাৰ বাবেই কাৰ্য্য সম্পাদন কৰি আহিছে।

**সাৰ্বজনীন মানৱ অধিকাৰৰ ঘোষণা ঃ**

বৰ্ত্তমান বিশ্বৰ বহুতো দেশৰ সংবিধানত সাৰ্বজনীন মানৱ অধিকাৰবিলাক সন্নিবিষ্ট কৰি স্বীকৃতি দিয়া পৰিলক্ষিত হৈছে। ভাৰতীয় সংবিধানেও বহু বিষয়ৰ মানৱ অধিকাৰ ইয়াৰ অধ্যায়ত স্থান দি ইয়াৰ গুৰুত্ব বৃদ্ধি কৰিছে। কিয়নো ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই মানৱ অধিকাৰ সম্পৰ্কে যি সাৰ্বজনীন ঘোষণা কৰে, সেই অনুসৰি ৩০ টা বিষয়ত মানৱ অধিকাৰক স্বীকৃতি দিয়ে। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ ঘোষণাই বিশ্বৰ জনগণৰ মনত প্ৰভাৱ বিস্তাৰ কৰাত প্ৰায় বিলাক দেশৰ সংবিধান প্ৰণেতাসকলে ইয়াৰ কিছুমান অধিকাৰ নিজ নিজ দেশৰ সংবিধানত সন্নিবিষ্ট কৰিছে। ভাৰতীয় সংবিধান প্ৰদত্ত এই অধিকাৰবোৰ হ'ল - সমতাৰ অধিকাৰ, কোনো বৈষম্যত বাধা আৰোপ, সম সুবিধাৰ অধিকাৰ, বাক স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ, শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰ, সংস্থা গঠনৰ অধিকাৰ, নিজ দেশৰ ভিতৰত ভ্ৰমণ কৰাৰ অধিকাৰ, অপৰাধৰ শাস্তিৰ পৰা সুৰক্ষাৰ অধিকাৰ, জীৱন-যাপন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ, দাসত্ব আৰু বাধ্যতামূলক শ্ৰমৰ পৰা সুৰক্ষা, বিবেক আৰু ধৰ্মীয় স্বাধীনতা, অধিকাৰ প্ৰতিকাৰৰ অধিকাৰ ইত্যাদি। এই অধিকাৰ সমূহ ভাৰতীয় সংবিধানৰ ১৪নং অনুচ্ছেদৰ পৰা ৩২নং অনুচ্ছেদলৈকে আলোচনা কৰা হৈছে।

গতিকে ক'ব পাৰি যে, ৰাষ্ট্ৰসংঘৰ সাৰ্বজনীন মানৱ অধিকাৰৰ ঘোষণাৰ পিচতেই ভাৰতীয় সংবিধান প্ৰণেতাসকলে এই দিশত প্ৰভাৱান্বিত হৈ উপৰোক্ত অধিকাৰবিলাক ভাৰতীয় সংবিধানত সন্নিবিষ্ট কৰে।

**ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ ঃ**

ভাৰত চৰকাৰে, ১৯৯৩ চনত প্ৰণয়ন কৰা মানৱ অধিকাৰ সুৰক্ষা আইনৰ অধীনত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ গঠনৰ বিধান কৰে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগত এজন অধ্যক্ষ আৰু কেইবাজনো সদস্য থাকে। ইয়াৰ কাৰ্যকাল ৫ বছৰ। অধ্যক্ষ আৰু অন্যান্য সদস্যক অপসাৰণৰ বাবে বিশেষ পদ্ধতি অৱলম্বন কৰা হয়। আয়োগে বিভিন্ন দিশত কাৰ্য সম্পাদন কৰিব লগা হয়। ইয়াৰে ভিতৰত, অনুসন্ধান আৰু অভিযোগ তদন্ত আয়োগৰ অন্যতম ক্ষমতা।

ভাৰত চৰকাৰে বৰ্তমান সময়লৈকে মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সংৰক্ষণৰ কাৰণে কেবাটাও আয়োগ, বহুতো আইন প্ৰণয়ন কৰিছে। তাৰে ভিতৰত -

(১) অনুসূচীত জাতি আৰু জনজাতি সম্পৰ্কীয় ৰাষ্ট্ৰীয় আয়োগ (৩৩৮ নং অনুচ্ছেদ)। (২) ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ অধিনিয়ম ১৯৯২। (৩) ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণী আয়োগ ১৯৯৩। (৪) ৰাষ্ট্ৰীয় মহিলা আয়োগ। (৫) বাল্যবিবাহ নিষেধ আধিনিয়ম ১৯২৯। (৬) যৌতুক নিষেধ অধিনিয়ম ১৯৬১। (৭) মাতৃত্ব সাহায্য অধিনিয়ম ১৯৮৭।

এইবোৰৰ উপৰিও ভাৰতীয় সংবিধানে নাগৰিকৰ কেতবোৰ মৌলিক কৰ্তব্য আৰু নাগৰিকে যাতে সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত ন্যায় সংগত অধিকাৰ ভোগ কৰিব পাৰে, তালৈ লক্ষ্য ৰাখি কিছুমান নিৰ্দ্দেশাত্মক নীতি ৰচনা কৰিছে।

মুঠৰ ওপৰত বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ দৰে ভাৰতেও মানৱ অধিকাৰ সুৰক্ষাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছে। সামৰণি ঃ মানৱ অধিকাৰ সংৰক্ষণৰ মূল লক্ষ্য হৈছে, ব্যক্তিৰ সৰ্বাঙ্গীণ উন্নতি সাধন। বৰ্ত্তমানৰ উদাৰনৈতিক গণতান্ত্ৰিক পৰিবেশত মানৱ অধিকাৰ বিকাশৰ সুবিধা হৈছে। বৰ্তমান ৰাষ্ট্ৰসমূহে ৰাষ্ট্ৰসংঘৰ সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ প্ৰতি সমৰ্থন জনাই মানৱ অধিকাৰৰ উন্নয়ন আৰু সুৰক্ষাৰ বাবে বিভিন্ন কাৰ্যব্যৱস্থা হাতত লৈছে। নাৰীৰ সমতা, শিক্ষাৰ বিকাশ, খিলঞ্জীয়া লোকৰ অধিকাৰ, ভগনীয়াৰ অধিকাৰ আদি সমাজৰ বিভিন্ন শ্ৰেণী লোকৰ বাবে বিশ্বৰ সকলো দেশেই দায়বদ্ধ হৈ পৰিছে। মানৱ অধিকাৰে বৰ্তমান বিশ্বৰ প্ৰেক্ষাপটত পূৰ্ণতা লাভ কৰি জনসাধাৰণৰ জীৱনলৈ প্ৰকৃত মানৱ হিচাপে জীৱন অতিবাহিত কৰিব পৰা অৱদান আগবঢ়াই মহৎ উপকাৰ সাধন কৰিছে। এতিয়াও যিবোৰ দেশ এই ক্ষেত্ৰত পিচপৰি আছে সেইবোৰ দেশেও ইয়াৰ গুৰুত্ব উপলব্ধি কৰি মানৱ অধিকাৰ সুৰক্ষাৰ বাবে তৎপৰ হৈ পৰা দেখা গৈছে। সেয়েহে ক'ব পাৰি, বিশ্বত বৰ্তমান মানৱ অধিকাৰ সুৰক্ষাৰ বাবে সকলো দেশেই দায়বদ্ধতা স্বীকাৰ কৰাত ইয়াৰ গুৰুত্ব অধিক পৰিমাণে বৃদ্ধি পাইছে।



* স্নাতকোত্তৰ ১ম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

অসম প্ৰকৃতিৰ এক উৎকৃষ্ট সৃষ্টি। বৈচিত্ৰ্যময় এই অসমক চাৰিওদিশে আগুৰি আছে পাহাৰ, জংঘলৰ অনুপম সৌন্দৰ্যই। নৈ-বিলৰ পানীয়ে পখালি থাকে অনবৰত অসমী মাতৃৰ চৰণযুগল। এসময়ত ই ফল-ফুল, শইচ, প্ৰেম, ভালপোৱাৰে ভৰি থকা ঠাই আছিল। অসমৰ বায়ুমণ্ডলত আছে মৰম-চেনেহৰ ফুৰ্‌ফুৰীয়া গোন্ধ। ভগৱান বিশ্বাসী, সহজ সৰল অসমীয়া মানুহৰ জীৱন গীতৰ সুৰ-তাল-লয় সঠিক ৰূপতেই আছিল। অসমীয়া পাহৱাল ডেকাই দুবাহুৰে কঢ়িয়াইছিল ধানৰ শকত ডাঙৰি। লুইতপৰীয়া যৌৱনবোৰে গাইছিল আশাৰ গীত। বৃদ্ধই চোতালত ৰ'দ পুৱাই শান্তিৰে আওৰাইছিল অতীতৰ কবিতাৰ পংক্তি। কপৌ ফুলবোৰৰ লগে লগে অসমলৈ বহাগ আৰু ৰং-ৰইচৰ নৈখন বৈ আহিছিল। বিভিন্ন সম্প্ৰদায়ৰ মাজত বিভেদৰ চিহ্ন নাছিল। যুগ যুগ ধৰি একেখন লুইতৰ পাৰতে একেলগে থকা মানুহবোৰৰ মাজত থকা চেনেহৰ এনাজৰীডাল বৰ মজবুত আছিল। শংকৰ আজানে অসমভূমিত ধৰ্মৰ কঠীয়া সিঁচিছিল। সংস্কৃতিৰ বৰনামঘৰৰ ভিতৰচ'ৰাত সকলোৰে সমান অংশ আৰু অধিকাৰ আছিল। তাত কোনো হকা বাধা দিওঁতা নাছিল।

যুগৰ চকৰী কোন দিশে ঘূৰে তাক কণা বিধাতাৰ বাহিৰে হয়তো কোনেও নাজানে। চিৰদিন শান্তিৰ উমত দিন কটোৱা অসমৰ ওপৰতো কালৰ কোপদৃষ্টি পৰিবলৈ আৰম্ভ হ'ল। লুইতৰ বুকুৰেদি বাগৰিল পানী, কেলেণ্ডাৰৰ ওপৰেদি বাগৰিল সময়। একেধাৰে বৈ থকা অসমীয়া মানুহৰ পাৰস্পৰিক মৰম-চেনেহৰ সুঁতিটোৰেও গতি সলাবলৈ আৰম্ভ কৰিলে। ঐক্যৰ সাতামপুৰুষীয়া এনাজৰীডালৰ বান্ধোন শিথিল হ'ব ধৰিলে। আগৰ ধনে-জনে সমৃদ্ধিশালী অসমৰ পৰা সমৃদ্ধি আঁতৰি গ'ল। বিজ্ঞানৰ অগ্ৰগতি স্বত্বেও অসমৰ উন্নয়ন নহ'ল। প্ৰাক্-স্বাধীনতা কালত এইবোৰ বিপৰ্যয়ৰ কাৰক হিচাপে ইংৰাজ শাসনকে চিহ্নিত কৰা হৈছিল। যদিও ইংৰাজে অসমক চাহ উদ্যোগৰ চাবি-কাঠী দিলে আৰু আমাৰ দেশ ত্যাগ কৰি গুছি গ'ল, তথাপি ইংৰাজে অসমৰ বুকুত কানি নামৰ বৰবিহৰ শিপাডাল দঁকৈ ৰোপন কৰি থৈ গ'ল। ক্ষমতাৰ নিচাত কিছুমান উন্মাদ হৈ উঠিল। কমৰেড্ ৰাভাই এই স্বাধীনতা প্ৰকৃত স্বাধীনতা নহয় বুলি প্ৰতিবাদ কৰোঁতে তেওঁক দেশদ্ৰোহী সজোৱা হ'ল। অসমৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক অৱস্থাই শীঘ্ৰে শোচনীয় ৰূপ পালে।



# শান্তিৰ সুগন্ধি পখিলা বিচাৰি

শান্তনু ৰৌমূৰীয়া*

অসমীয়া সদায়েই আনৰ দ্বাৰা প্ৰতাৰিত হৈ আহিছে। হালোৱা, হজুৱাই কপালৰ ঘাম মাটিত পেলাই যি শইচ উৎপাদন কৰে তাৰ লাভাংশ কৃষকে নাপায়। চাহপাতৰ দৰে বজাৰত গুৰুত্ব থকা বস্তু এটা উৎপাদনত ভাৰতৰ ভিতৰতে প্ৰথম স্থানত থাকিও আন ৰাজ্যৰ তুলনাত অসমৰ অৰ্থনৈতিক অৱস্থা ইমান বেয়া কিয় ? ইয়াৰ উত্তৰত পোৱা যায় গভীৰ ষড়যন্ত্ৰ আৰু নিষ্ঠুৰ অৱহেলাৰ উমান। শনাহী শত্ৰুৱে এই ষড়যন্ত্ৰ সফল কৰাত আমাৰ কিছুমান খাৰখোৱা অসমীয়াৰো সহায় আছে। যি সময়ত অসংখ্য অসমীয়াই ফুটপাথৰ জীৱন কটাইছে তেনে সময়ত কিছুমানে অট্টালিকা সদৃশ ঘৰত ৰজাৰ দৰে জীৱন কটাইছে। প্ৰকৃততে অসমীয়াৰ শত্ৰু এইবোৰেই। নিবনুৱা সমস্যা, বানপানীৰ সমস্যাই অসমক আগুৰি ধৰিছে। শাসনযন্ত্ৰই এইবোৰ সমাধানৰ বাবে কেৱল সংকল্প লয়, আঁচনি প্ৰস্তুত কৰে। কিন্তু এইবোৰৰ সমাধান কোনো দিনেই হৈ নুঠে। বানপীড়িতৰ মুখৰ অন্ন কাঢ়ি কোনোৱে বিদেশ ভ্ৰমণ কৰে। শিশু দিৱসত ডাঙৰ ডাঙৰ বক্তৃতা দিয়াসকলে নিজৰ ঘৰত দুই-তিনিজনকৈ বনকৰা ল'ৰা বা ছোৱালী ৰখাৰ উদাহৰণ অসংখ্য আছে।

কথাবোৰ বক্তৃতাধৰ্মী হৈ গ'লেও এইবোৰে অসমৰ বৰ্তমান ৰূপটোৰ এখন নগ্ন ছবিকেই প্ৰতিফলিত কৰিছে। ইয়াৰ মূল বিচাৰি গ'লে হয়তো বহুতো ৰহস্যৰ আঁত ভাঙিব। কিন্তু তাকে কৰাৰ দৃঢ় প্ৰচেষ্টা কোনেও চলোৱা নাই। নিজক চিনি নোপোৱা অসমীয়া আজি অসমতে ভগনীয়া হৈছে। থলুৱা খেদি বহিৰাগতই অসমত থিতাপি লৈছে। বিদেশী খেদাৰ আবেগটো এতিয়াও অসমীয়াৰ বুকুত আছে। তাৰে ফলত এসময়ত হোৱা বিদেশী খেদা আন্দোলনৰ শেষত সম্পাদিত চুক্তিখন এতিয়াও ধোঁৱাচাঙত তুলি থোৱা হ'ল। ইয়াৰে গইনাত নেতাগিৰি কৰি যিসকলে জনতাৰ সমৰ্থন লাভ কৰিছিল, তাক ক্ষমতা লাভৰ পাছত চৰম কৃতঘ্নতাৰে অৱহেলা কৰিলে। ৰাইজক বিশ্বাসঘাতকতা কৰি, ক্ষমতাৰ অপব্যৱহাৰেৰে দুৰ্নীতিৰ বোকাত পোত গ'ল অসমীয়াৰ "সপোনৰ চৰকাৰ"খন। তাৰ পাছত পুনৰ আগৰ অভিনেতাসকলৰ মঞ্চত প্ৰৱেশ, আকৌ প্ৰস্থান। এইদৰেই চৰকাৰ সলনি হৈছে, মন্ত্ৰী সলনি হৈছে, আমোলা সলনি হৈছে। কিন্তু সলনি হোৱা নাই অসমীয়াৰ ভাগ্যৰবি। নতুন নতুন ইচ্ছ্যুৱে গৰম কৰি ৰাখিছে বাতৰি কাকতৰ পৃষ্ঠা। দুদিন পিছত পুনৰ নতুন খবৰে আগৰটোক গাপ দিয়ে। দুৰ্নীতিৰ বিৰুদ্ধে তদন্ত আয়োগ গঠিত হয়, কিন্তু প্ৰতিবেদন ৰাজহুৱা নহয়। কোনোবাই ৰাইজৰ হৈ চিঞৰিলে তালৈ ভ্ৰূক্ষেপ কৰোঁতা নাই। চিঞৰ বেছি হ'লে তাক চিৰ দিনৰ বাবে বন্ধ কৰি দিবলৈ এতিয়া অসমত বেছি সময় নালাগে।

সন্ত্ৰাসবাদৰ সমস্যাই এতিয়া অসমক খুলি খুলি খাইছে। লুইতপৰীয়া যৌৱনবোৰৰ কেঁচা তেজৰ গোন্ধ এতিয়া য'তে ত'তে পোৱা যায়। হত্যা, অপহৰণৰ খবৰে বাতৰি কাকতৰ পৃষ্ঠা দখল কৰাটো নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। ইয়াৰ পৰা কাৰ লাভ হৈছে আমি ক'ব নোৱাৰো। কিন্তু খাটি খোৱা জনতাই মৰ্মে মৰ্মে উপলব্ধি কৰে যে ই তেওঁলোকৰ একো হিত কৰা নাই। তেজৰ ফাকুখেল আৰু আতংকৰ বিস্ফোৰণে কোনো সমস্যাই সমাধান নকৰে। বৰঞ্চ ই নিজেই এটা সমস্যাহে।

আমি বিচাৰোঁ এখন শান্তিৰ অসমত বাস কৰিবলৈ। আমি বিচাৰোঁ শিশুবোৰে পখিলা ধৰিবলৈ ফুলৰ মাজত দৌৰক। বাৰুদৰ মাতত নহয় বিহংগিনীৰ গীতত ৰাতি পুৱাওক। ৰাজনৈতিক নেতাৰ ভাষণত নহয়; কবি সাহিত্যিকৰ কাপৰ ভাষাত অসমৰ চৌদিশ ৰজনজনাই যাওঁক। নিষ্ঠুৰ অৱহেলাৰ অন্ত পৰক। উন্নয়ণৰ সোণালী জখলাত অসম আগুৱাই যাওঁক। নিবনুৱাই কাম পাওক, দুখীয়াই অৰ্জনৰ পথ দেখক, ভোকাতুৰে অন্ন পাওঁক, নিৰাশ্ৰয়ে আশ্ৰয় পাওক, কিন্তু কেৱল আচনিৰ দ্বাৰা এনে হোৱাটো সম্ভৱ নহয়। .....হয়, আকৌ এটা আন্দোলনৰ প্ৰয়োজন হৈছে। কিন্তু নেতাগিৰীৰ আন্দোলন নহয়; অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত এটা সন্মিলিত আন্দোলনৰ প্ৰয়োজন হৈছে। তেজেৰে নহয়, মানৱতাৰ সংগীতেৰে হওক দেশমাতৃৰ পূজা। তেতিয়া সমাজত নৈতিকতাৰ অৱস্থান শক্তিশালী হ'ব বুলি আশা কৰিব পাৰি। তাৰ বাবে, মোৰ পৰা আপোনালৈ এক জাগৰণ আহক। ধুৰন্ধৰৰ ৰাজনীতিক শিপাৰে সৈতে উভালি আনোঁ আহক। তেতিয়া অসমৰ মনোৰম ফুলনিবোৰত উৰি ফুৰিব শান্তি, সমৃদ্ধিৰ এজাক সুগন্ধি পখিলা।

"নতুন নতুন ইচ্ছ্যুৱে গৰম কৰি ৰাখিছে বাতৰি কাকতৰ পৃষ্ঠা। দুদিন পিছত পুনৰ নতুন খবৰে আগৰটোক গাপ দিয়ে। আকৌ এটা আন্দোলনৰ প্ৰয়োজন হৈছে। কিন্তু নেতাগিৰীৰ আন্দোলন নহয়; অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত এটা সন্মিলিত আন্দোলনৰ প্ৰয়োজন হৈছে।"



* *উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ, বিজ্ঞান*



# ধূমপান ঃ এক সামাজিক ব্যাধি

উৎপল সাধনিদাৰ*

**"ধূমপান"!** বৰ্তমান যুগত সকলোৱে পৰিচিত এক ভয়াবহ আৰু মাৰাত্মক শব্দ। ইয়াৰ মাৰাত্মক কু-প্ৰভাৱ সকলোৱে চকুৰ আগত জিলিকি থকাৰ পিছতো ক্ৰমবৰ্দ্ধিত হাৰত মানুহে ধূমপান কৰিয়েই আহিছে আৰু বৰ্তমানো কৰি আছে।

চিগাৰেট এটা হুপিলে শৰীৰৰ সকলো অৱসাদ নোহোৱা হৈ যায় নেকি? নে বিৰাট সমস্যাত থকা মানুহে চিগাৰেট এটা হুপি সমস্যামুক্ত হ'ব পাৰে?

কেতিয়াও নোৱাৰে। চিগাৰেটতো বহু দূৰৰ কথা মানসিক সমস্যামুক্ত হোৱা কোনো দৰবো আজিলৈকে চিকিৎসা বিজ্ঞানে আৱিষ্কাৰ কৰি উলিয়াব পৰা নাই। তেনেহ'লে মানুহে চিগাৰেট কিয় হুপে? নিশ্চয় এয়া একধৰণৰ এৰিব নোৱাৰা নিচা। নিচা বহুপ্ৰকাৰৰ আছে যদিও নিচাৰ তালিকাত নিঃসন্দেহে এক নম্বৰত থাকিব "ধূমপান"।

ধপাতত থকা নিকটিনেই এই আসক্তিৰ মূল কাৰণ। নিকটিনৰ বাবেই মানুহে এৰোঁ বুলি ভাবিও ধূমপানৰ দৰে বদ অভ্যাসটো ত্যাগ কৰিব পৰা নাই। নিকটিনৰ ৰাসায়নিক বৈশিষ্ট্য এনেকুৱাই যে, মানুহে এবাৰ ইয়াৰ সংস্পৰ্শলৈ আহিলে অতি সহজে তাৰ পৰা আঁতৰি আহিব নোৱাৰা হয়। এই নিকটিনৰ নিচাৰ বাবেই হয়তু বৰ্তমান ভাৰতবৰ্ষত কম বয়সীয়া ধূমপায়ীৰ সংখ্যা দিনক দিনে বাঢ়ি যোৱাটো পৰিলক্ষিত হৈছে। যিটো প্ৰকৃততেই দেশৰ বা সমাজৰ বাবে অতি ভয়াবহ সমস্যাৰূপে থিয় দিছে। চৰকাৰে ধূমপানৰ বিৰুদ্ধে যিমানেই কঠোৰ নীতি অৱলম্বন নকৰক কিয় ইয়াক ৰোধ কৰাটো তেতিয়ালৈ কঠিন হৈ উঠিব যেতিয়ালৈ ধূমপান কৰোতাজনে নিজে সচেতন নহয়। আৰু দেখা গৈছে যে, জীৱন নাশ কৰা ভয়াবহ ৰোগ কিছুমান এই ধূমপানৰ ফলত হয় বুলি জানিও ধূমপান কৰা লোকৰ সংখ্যাটো কমা নাই বৰং বাঢ়িহে গৈছে। তাৰমানে আমি এইবুলিও ভাবিব পাৰো যে, নিকটিন নামৰ পদাৰ্থবিধেই হ'ল ইয়াৰ মূল কাৰক।

এককথাত কবলৈ গ'লে, নিকটিন এবিধ উদ্ভিদজাত জৈৱ পদাৰ্থ। নিকটিনৰ ৰাসায়নিক সূত্ৰটো হ'ল $C_{10}H_{14}N_2$। ইয়াৰ ৰসায়ন বিজ্ঞানত [3 - (1-menthyl-2-pyrro lidgl) pyridine] বোলা হয়। অতি বিষাক্ত এইবিধ বস্তু পোহৰ আৰু বতাহৰ প্ৰভাৱত হালধীয়া মূগা বৰণ হৈ পৰে। নিকটিনৰ উতলাংক $289^0$ চেন্টিগ্ৰেড আৰু গলনাংক $79^0$ চেন্টিগ্ৰেড।

নিকটিনৰ এই উতলাংকৰ মাত্ৰাৰ পৰা অনুমান কৰিব পৰা যায় যে, নিকটিনেই হ'ল কেন্সাৰ আদি দুৰাৰোগ্য ৰোগৰ বাহক চিগাৰেটৰ মূল উৎস।

বহুতে কোৱা শুনা যায় যে, দামী ফিল্টাৰ; মেন্থল থকা চিগাৰেট হুপিলে কেন্সাৰ হোৱাৰ আশংকা কম থাকে। কিন্তু লণ্ডনৰ প্ৰখ্যাত মেডিচিন বিশেষজ্ঞ ডাঃ ব্ৰাথে ব্ৰাউনে এইকথা একেবাৰে মিছা বুলি বিবেচনা কৰিছে। ব্ৰাউনৰ মতে যিমানেই দামী চিগাৰেট নহওঁক কিয় সকলো ধৰণৰ চিগাৰেট একে উপাদানেৰে বনোৱা হয়, গতিকে ইয়াত ক্ষতিৰ পৰিমাণ কম হোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। অৱশ্যে ব্ৰাউনে ব্যক্ত কৰে যে ফিল্টাৰ থকা চিগাৰেটৰ মধ্যভাগলৈ হুপাসকলে নিকটিনৰ কুপ্ৰভাৱৰ পৰা কিছু পৰিমাণে হ'লেও ৰক্ষা পৰে। অৱশ্যে চিগাৰেটটোৰ শেষ অংশলৈ হুপাসকলে একেই ক্ষতিৰ সন্মুখীন হয়। গতিকে কোনো চিগাৰেট কোনো কাৰণতেই কম ক্ষতিকাৰক বা নিৰাপদ হ'ব নোৱাৰে।

জ্বলন্ত চিগাৰেটটো হুপাৰ লগে লগে তাপমাত্ৰা হয় ৯০০$^0$ চেন্টিগ্ৰেড। ইয়াত বিভিন্ন ধৰণৰ ৰাসায়নিক বিক্ৰিয়াৰ ফলত প্ৰায় ৪৫০০ ধৰণৰ ৰাসায়নিক পদাৰ্থৰ উৎপন্ন হয়। এইবিলাকৰ ভিতৰত প্ৰায় ২০২০ বিধে কেন্সাৰ সৃষ্টিত অৰিহণা যোগায়। এইবিলাকক বিজ্ঞানৰ পৰিভাষাত কয় কাৰ্চিনোজেন। চিগাৰেটৰ ধোঁৱাত থকা কাৰ্চিনোজেন বিলাকৰ মাজত আছে বেনজিন, বেনজোপাইৰিণ, টলুইন



ইত্যাদি। চিগাৰেট যেতিয়া হুপা নহয় অথচ জ্বলন্ত অৱস্থাত আঙুলিৰ মাজত থাকে তেতিয়া তাপমাত্ৰা — — থাকে ৩০০-৪০০ ডিগ্ৰী চেন্টিগ্ৰেড। তেতিয়াও বিষাক্ত ৰাসায়নিক পদাৰ্থবিলাক নিৰ্গত হৈ থাকে আৰু আশে পাশে থকা মানুহবিলাকৰ ক্ষতিসাধন কৰে। যাক কোৱা হয় 'পেচিভ স্মোকিং'। চিগাৰেটৰ ধোঁৱাৰ এটি উপাদান কাৰ্বন মনোক্সাইড তেজৰ লগত মিলি শৰীৰৰ বিভিন্ন স্থানত পৰিবহনৰ কামত বাধাৰ সৃষ্টি কৰে আৰু এই বাধাৰ মূল উপাদান হ'ল নিক'টিন।

দৰাচলতে, নিক'টিন এবিধ অতি কাৰ্যকৰী স্নায়ু বিহ (Nerve Poison) আৰু ইয়াক কীটনাশক হিচাপেও ব্যৱহাৰ কৰা হয়। নিক'টিনে দেহৰ ভিতৰত কৰ্কট ৰোগ সৃষ্টি কৰিব পৰা কোষবোৰ ধ্বংস কৰাৰ ক্ষমতা হ্ৰাস কৰে বাবে ইয়াক কৰ্কট ৰোগ সৃষ্টিকাৰী বুলি ভবা হয়। অৱশ্যে নিক'টিনে ভাল কোষত কৰ্কট ৰোগৰ সৃষ্টি হোৱা কাৰ্যত সহায় নকৰে। নিক'টিন নাইট্ৰজেনযুক্ত কাৰক হোৱা বাবে ই এচিডৰ সৈতে বিক্ৰিয়া কৰিলে লৱণৰ সৃষ্টি হয়। নিক'টিন অতি সহজে ছালৰ মাজেৰে শৰীৰত প্ৰৱেশ কৰিব পাৰে। নিক'টিন শৰীৰত প্ৰৱেশ কৰাৰ পিছতে শৰীৰৰ হৃদস্পন্দন, ৰক্তচাপ বৃদ্ধি হয় আৰু তেজৰ পৰিবাহী সিৰাবোৰৰ সংকোচন হয়। ধূমপানৰ ফলত নিক'টিনৰ সৈতে কাৰ্বন মনক্সাইড মিহলি হৈ ৰক্ত পৰিবাহী নলিকাবোৰৰ ক্ষতি কৰে আৰু তেজৰ অনুচক্ৰিকাবোৰ স্থৈতিক কৰি দিয়ে। ফলত হৃদৰোগৰ সৃষ্টি হয়। ধপাত খোৱাৰ ফলত আমাৰ দেহত প্ৰৱেশ কৰা নিক'টিনৰ পৰিমাণ ধূমপানৰ বাবে প্ৰৱেশ কৰাতকৈ বহু পৰিমাণৰ হয়। নিক'টিন দেহত প্ৰৱেশ কৰাৰ পিছত অতি সোনকালে তেজৰ সৈতে মিহলি হৈ পৰে। দেহত প্ৰৱেশৰ ৭ ছেকেণ্ডৰ ভিতৰতে নিক'টিন মগজু পায়গৈ। মগজুত ই নিক'টিন এছিটাইকলাইন গ্ৰাহকৰ ওপৰত ক্ৰিয়া কৰিব ধৰে। অতি কম পৰিমাণৰ হলেও ই মগজুৰ গ্ৰাহক অংশটোৰ ওপৰত ব্যাপক মাত্ৰাত ক্ৰিয়া কৰে। এইবোৰৰ ভিতৰত এবিধ উত্তেজক হৰম'ন এড্ৰোনেলিন'ৰ প্ৰভাৱ বৃদ্ধি অন্যতম। এড্ৰোনেলিনৰ নিঃসৰণে হৃদস্পন্দন, ৰক্তচাপ, উশাহ-নিশাহ বৃদ্ধি কৰে। নিক'টিনৰ ভাগি যোৱা এবিধ পদাৰ্থ কটিনিন তেজত ৪৮ ঘন্টা পৰ্যন্ত ৰৈ যায়। ই ড'পেমাইনৰ মাত্ৰা বৃদ্ধি কৰে। মগজুৰ বাহিৰত নিক'টিন গ্ৰহণৰ ফলত সমগ্ৰ দেহতে ইয়াৰ প্ৰভাৱ দেখা যায়। ইয়াৰোপৰি নিক'টিনে হৃদযন্ত্ৰৰ লগত জড়িত মাংসলে তেজৰ যোগান ধৰা সিৰাবোৰৰ সংকোচন ঘটায়, হৃদযন্ত্ৰৰ ধমনীবোৰত ই চৰ্বিৰ কণিকা জমা কৰে।

নিক'টিনৰ ৰাসায়নিক গঠন হিচাপে ব্যৱহাৰ কৰা আৰ্হিটো হ'ল -



নিক'টিনত থকা প্ৰধান ৰাসায়নিক পদাৰ্থবোৰ হ'ল - এম'নিয়া, এচিটন, নেফথেলিন, মিথানল, ফৰ্মেলডিহাইড, ফিনল, হাইড্ৰজেন চায়েনাইড, আৰ্ছেনিক, কেণ্ডমিয়াম, নিকেল ইত্যাদি।

এই প্ৰধান উপাদানকেইটাৰ সমষ্টিয়েই হ'ল নিক'টিন। বিজ্ঞানীসকলৰ মতে, এটি চিগাৰেটে এজন মানুহৰ আয়ুস পাঁচ মিনিট কমাই দিয়ে। কম বয়সৰ পৰা ধূমপান কৰা লোকৰ আয়ুস ৫-৮ বছৰ কমি যায়। গৰ্ভৱতী নাৰীয়ে ধূমপান কৰিলে তাৰ কু-প্ৰভাৱ পৰে গৰ্ভস্থ ভ্ৰূণৰ ওপৰত। ধূমপায়ী মাতৃয়ে কম ওজনৰ শিশুৰ জন্ম দিয়ে। তাৰ বাহিৰেও শিশুৰ ৰেছপিৰেটৰি ডিষ্ট্ৰেছ চিনড্ৰোম হ'ব পাৰে।

উপৰোক্ত সমীক্ষাৰ পৰা এই কথা লক্ষ্য কৰিব পৰা গৈছে যে, ধূমপানৰ কুফলসমূহ ভালদৰে ফঁহিয়াই চালে কিশোৰসকলে ভৱিষ্যতে ধূমপান কৰাৰ আগতে অন্ততঃ এবাৰ ভাবি চাব। চৰকাৰেও কঠোৰ হাতেৰে ধূমপানৰ বিৰোধিতা কৰিলেও উপকাৰ আহিব। প্ৰয়োজন সাপেক্ষে বিড়ি, চিগাৰেট উৎপাদনৰ লাইচেন্স বাতিল কৰক। এনে কৰিলে কিছুসংখ্যক মানুহ কৰ্মহীন হৈ পৰা আশংকা হয়তো থাকিব; কিন্তু তেওঁলোকৰ বাবেও বিকল্প জীৱিকাৰ ব্যৱস্থা কৰাৰ দায়িত্ব চৰকাৰৰেই। গুৰুত্বপূৰ্ণ কথা ধূমপান বন্ধ হ'লে প্ৰদূষণ ৰোধ হোৱাৰ উপৰিও চিকিৎসা খৰছো কমি যাব বহুল পৰিমাণে। কিয়নো ধূমপানৰ বাবেই বেছিভাগ বেমাৰৰ সৃষ্টি হয়।

গতিকে, আমি নিজকে আঁতৰাব লাগিব এই মহাব্যাধিৰ পৰা।

“ধূমপানৰ ফলত নিক'টিনৰ সৈতে কাৰ্বন মনক্সাইড মিহলি হৈ ৰক্ত পৰিবাহী নলিকাবোৰৰ ক্ষতি কৰে আৰু তেজৰ অনুচক্ৰিকাবোৰ স্থৈতিক কৰি দিয়ে। ফলত হৃদৰোগৰ সৃষ্টি হয়। নিক'টিন দেহত প্ৰৱেশ কৰাৰ পিছত অতি সোনকালে তেজৰ সৈতে মিহলি হৈ পৰে। দেহত প্ৰৱেশৰ ৭ ছেকেণ্ডৰ ভিতৰতে নিক'টিন মগজু পায়গৈ।”

সহায় ঃ (১) *Internet* (২) *Readers Digest* (৩) 'আজি'

*৩ য় ষান্মাসিক, ৰসায়ন বিজ্ঞান



# মৃত্যুওতো এটা শিল্প.....
# আত্মহত্যা ?

উৎপল ঠাকুৰীয়া*

***A man can die for another's life work, but if he goes on living he must live for his own. (Pretenders - Henrik Ibsen)***

## (এক)

জন্ম মৃত্যুতকৈ অস্বাভাৱিক, কিন্তু মৃত্যুৱেহে আমাৰ জীৱনলৈ অস্বাভাৱিকতা বেছিকৈ আনে।

কলাত্মক মনৰ মানুহে হয়তো জীৱনটোক গতানুগতিকতাৰ উৰ্দ্ধত স্থাপন কৰি সহজে উপভোগ কৰি তুলিব পাৰে। অৱশ্যেই কলা বিচাৰি লোৱাটো সম্পূৰ্ণ ব্যক্তিগত কাৰণ জীয়াই থকাটো নিজে এটা কলা।

অন্তৰ্মুখী আৰু বহিৰ্মুখী ব্যক্তিত্বক ভিত্তি কৰি মানুহক শ্ৰেণী বিভাজন কৰা হয়। অন্তৰ্মুখী ব্যক্তিত্বৰ ব্যক্তি সকলে সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত (সামাজিক বা ব্যক্তিগত) নিজকে চেৰ পেলাই যাব নোৱাৰে। কিন্তু বহিৰ্মুখী ব্যক্তিত্বৰ লোকসকলক এই ক্ষেত্ৰত সফল হোৱা দেখা যায়। হয়তো ইয়ে ৰূপ লয় হীনমন্যতাৰ - যি সপোনবোৰ আৰু নিজকে শেষ কৰি দিয়াৰ চূড়ান্ত অনুপ্ৰেৰক।

সাধাৰণ মৃত্যু স্বাভাৱিক। ইচ্ছা মৃত্যু আৰু বেছি স্বাভাৱিক (সমাজৰ বাবে ন'হব পাৰে)। কাৰণ ব্যক্তিজনে জানে তেওঁৰ ইচ্ছা মৃত্যুৰ কাৰণ। বোধহয়, মৃত্যুৰ ধাৰণা হঠাৎ মানুহৰ মনত সৃষ্টি নহয় কথাবিলাক যুক্তিৰে চাব জনা হোৱাৰে পৰা মৃত্যু চেতনাই মানুহৰ অৱচেতন মনত কম-বেছি পৰিমাণে বাহ লয়। ব্যক্তিগত ধাৰণাৰে - মানুহে তিনিটা কাৰণত ইচ্ছা মৃত্যুক বাছি লয় (ক) হীন মন্যতাত (খ) অতিপাত শোকত (গ) মৃত্যুৰ পিছত কি হয় তাক জানিবলৈ।

## (দুই)

ল'ৰাটো ওলমি আছিল Bathroom ৰ ৰডত। এই মৃত্যু শিল্প আছিল নে?

দুখবোধক কলাত্মক মনৰ মানুহে ৰূপান্তৰিত কৰি সৃজনাত্মক ধৰণে প্ৰকাশ কৰিব পাৰে। তেওঁতো ভাল ছবি আঁকিছিল - দুখ বিলাসিতাক ছবিৰ জৰিয়তে উপস্থাপন কৰিব নোৱাৰিলে নো কিয়? ভলতেয়াৰে তেওঁৰ ৰচনা Candide (page 7) ত এটা চৰিত্ৰৰ মুখেদি উল্লেখ কৰাইছে - "মই অন্ততঃ শতবাৰ আত্মহত্যা কৰিবলৈ বিচাৰিছিলো কিন্তু মই জীৱনক ভালপাওঁ। এই হাঁহি উঠা বৈশিষ্ট্য বোধকৰোঁ আমাৰ আটাইতকৈ মাৰাত্মক বৈশিষ্ট্য। যি বোজা মানুহে পেলাই দিব পাৰে, তাক সকলো সময়তে ক্ৰমাগত ভাৱে কঢ়িয়াই থকাৰ ইচ্ছাটোৰ দৰে অদ্ভুত কিবা থাকিব পাৰেনে?"

এই দুৰ্বলতা তেওঁ হেৰুৱালে কিয়?

হয়, এইবিলাক একো একোটা ৰহস্য হৈ ৰ'ব এতিয়া। আমি কিছুমান কাৰণ ধৰি ল'ব পাৰিম; কিন্তু অজিৎ বৰুৱাৰ কথাৰে - 'মানুহে মানুহক বিচাৰ কৰা সকলো পদ্ধতিয়ে ভুল।'

কোৱা হয় - 'We are sufficiently a large theatre one for another' তেনেক্ষেত্ৰত তেওঁ যিখন নাটকৰ অভিনেতা আৰু আমি দৰ্শক তেওঁ কেনেধৰণে ধৰা দিছিল ইয়াক ভলতেয়াৰৰ ৰচনা Romances (P

- 450) ৰ 'সৎ ব্ৰাহ্মণ' এজনৰ চৰিত্ৰৰ মাজেৰে প্ৰতিফলিত হোৱা যেন অনুভৱ হয়। কাহিনীতো এনেধৰণৰ -

...তেওঁ "এজন সৎ ব্ৰাহ্মণ"ৰ গল্প এটা ক'লে। এই ব্ৰাহ্মণজনে সকলো সময়তে কৈছিল, "মোৰ জন্ম নোহোৱা হ'লেই ভাল আছিল।"

মই সুধিলো - "কিয় এনেকৈ কৈছে?"

ব্ৰাহ্মণে উত্তৰত ক'লে, "মই এই চল্লিশ বছৰ ধৰি অকল অধ্যয়নেই কৰিছোঁ। এতিয়া দেখিছোঁ এই দীঘলীয়া কালছোৱা অথলে গ'ল। ....মোৰ বিশ্বাস - মই পদাৰ্থৰে গঠিত কিন্তু চিন্তাৰ কিদৰে উৎপত্তি হয়, সেই কথাৰে মই নিজকে কেতিয়াও পতিয়ন নিয়াব নোৱাৰোঁ। আনকি মোৰ বুজা শক্তিটো খোজ কঢ়া বা হজম কৰাৰ দৰে এটা সহজ প্ৰক্ৰিয়া হয়নে নহয় সেই সম্বন্ধে মই আজিও অজ্ঞ। নাইবা হাতেৰে মই যিকোনো এটা বস্তু ধৰোঁ, চিন্তাকো জানো মোৰ মূৰটোৰ সহায়ত তাকে কৰোঁ? ...মই অনৰ্গল বহু কথাই কওঁ, কিন্তু কথা কোৱা শেষ হ'লে মই হতবাক হৈ যাওঁ আৰু ইমান পৰে যি ক'লোঁ তাৰ বাবে লাজ পাওঁ।"

সেইদিনাই তেওঁৰ ওচৰ চুবুৰীয়া এগৰাকী বৃদ্ধা মহিলাৰ লগত মোৰ কথা বতৰা হ'ল। তেওঁক মই সুধিলো - তেওঁৰ আত্মাটো কিভাবে গঠিত। সেই কথাটো নজনাৰ কাৰণে তেওঁ বৰ অস্বস্তি বোধ কৰে নেকি? তেওঁ যেন মোৰ প্ৰশ্নটো বুজি নাপালে। যি বিষয় চিন্তা কৰি কৰি সৎ ব্ৰাহ্মণজনে অতকাল নিজকে কষ্ট দি আহিছে, সমগ্ৰ জীৱনত মুহূৰ্তৰ কাৰণেও বৃদ্ধাই সেইবোৰ কথা মুঠেই ভবা নাই। তেওঁ তেওঁৰ অন্তৰস্থলীত বিষ্ণুৰ অৱতাৰ ৰূপ গ্ৰহণত বিশ্বাস কৰে। যদি গংগাৰ পবিত্ৰ পানীক এবাৰ তেওঁ পান কৰাৰ সুযোগ পায় তেতিয়াহ'লে তেওঁ নিজকে সবাতোকৈ সুখী তিৰোতা বুলি ভাবিব। এই দুখিনী নাৰীৰ সুখৰ কথাত মুগ্ধ হৈ মই সেই দাৰ্শনিক গৰাকীৰ ওচৰলৈ ঘূৰি গৈ এনেকৈ ক'লো,

"এনে কষ্টকৰ জীৱন যাপন কৰি তুমি লাজ নোপোৱা নে যি স্থলত তোমাৰ পৰা মাত্ৰ পঞ্চাশ গজ আঁতৰত এগৰাকী বৃদ্ধাই কোনো বিষয়ে একো নাভাবি সন্তোষেৰে জীৱন-ধাৰণ কৰিছে?"

তেওঁ উত্তৰ দিলে, "তুমি ঠিকেই কৈছা, মই নিজকেও হেজাৰবাৰ কৈছো, যদি মই মোৰ প্ৰতিবেশী বৃদ্ধাগৰাকীৰ দৰে অজ্ঞ হ'লো হয়, ময়ো সুখী হ'ব পাৰিলো হয়। কিন্তু তেনে সুখত মোৰ মন সুখী হ'বলৈ নিবিচাৰে।"

জ্ঞাতে অজ্ঞাতে মানুহে বিচাৰি ফুৰে মানসিক ভাৰসাম্য। এয়াইতো মানুহৰ সাধাৰণ জীৱন দৰ্শন। মানসিক শান্তি নাথাকিলে - মৃত্যু স্বাভাৱিক নহয়... আৰু হেৰাই যোৱা জনক নিজৰ সপোনৰ লগত দায়বদ্ধ কৰি দুখ কৰাৰ যুক্তিয়ে বা থাকে ক'ত? কাৰণ সকলোৰেইতো অকলশৰীয়া এই জীৱনযুদ্ধত!

* স্নাতক ২য় বৰ্ষ, বুৰঞ্জী বিভাগ

# লিমাৰিক

(১)

লিচপিচকৈ আহি আছে সৌজনী কুঁৱলী
কলেজৰ হেনো বেষ্ট বিউটি, নহয় কথা মামুলি
এলা পেচাক নকৰে পচন্দ
থাকিব লাগিব বাহিৰা ধন
ডিগ্ৰীটোহে ল'ব পৰা নাই কিতাপ গৈছে উৰুলি।

(২)

ধুনীয়াকৈ ছোৱালীজনী নাম মধুমিতা
দুদালকৈ বেণী গুঠি মাৰে ৰঙা ফিটা
হবি হোটেলৰ ডেটিং
অসমীয়াত নকৰে টকিং
ডেকাই ঘূৰি নাচালে কয় নিধকটো, কটা!

(৩)

বৈ আছিল কলৰ তলত ম'হৰ কামোৰ খাই
বকুলী জনীৰ এতিয়াও দেখা-দেখি নাই
পানী নিবলৈ আহিলে ওলাই
হাতত ধৰি নিলে চোচোঁৱাই
চিএৰতহে বুজিলে, সেয়া দেখোন ভাবী শাহু আই।

(৪)

সাতজনী ছোৱালীৰে বিহুৱাৰ সংসাৰ
ফেমিলি প্লেনিং নাই একো দৰকাৰ
বিহুত ফুৰে অনাই-বনাই
চান্দা তুলি গিলে চুলাই
ল'ৰা এটা হ'লেই ঘৈণীক দিব সোণৰ হাৰ।

(৫)

সমাজৰ কামত ঘূৰি ফুৰে দহে কয় ভাল
ৰাতি ৰাতি বিচাৰি যায় ক'ত পায় মাল
দুপেগ মান টানি লৈ
পুৱা আহে ঘৰলৈ
আবেলিহে উঁদঙায় ৰাতিৰ সাঁজৰ থাল।

**নিৰ্মল প্ৰভা বৰদলৈ**
মাচ কমিনিকেশ্যন ষ্টাডি চেণ্টাৰ
কটন কলেজ

# অম্বিকাগিৰীৰ মহাকাশ দৰ্শন

অভিজিৎ বৰঠাকুৰ*

**"অসমখন গেল গেল, কিবা এটা কৰ' বুলি অসমীয়া জাতিক সদাসচেতন কৰিবলৈ যত্নপৰ হোৱা অম্বিকাগিৰীৰ সাহিত্যকৰ্মৰ মূল বিষয়বস্তু আছিল জাতিৰ ন্যায্য স্বাৰ্থ, জাতীয় চেতনা, দেশপ্ৰেম আৰু আধ্যাত্মিকতাবাদ। কিন্তু তেখেতৰ কেইটামান লেখাত চিন্তাৰ মৌলিকতাৰ উপৰিও দূৰদৰ্শিতাৰ সমাহাৰত প্ৰকাশ পাইছে চিন্তা-চৰ্চাৰ আন এটা উল্লেখযোগ্য দিশ, যিটো দিশৰ আলোচনা বৰ্তমান বিজ্ঞানৰ অগ্ৰগতিৰ লগত প্ৰাসংগিক বুলি গণ্য কৰাটো প্ৰয়োজন।"**



"I believe that pure thought is competent enough to comprehend the world" – Albert Einstein

(পূৰ্ব প্ৰসংগ ঃ ১৯৯৪ চনত প্ৰকাশিত অধ্যাপক সুৰেন্দ্ৰ নাথ মেধিৰ ৰচনা সংগ্ৰহ 'মহাকাশত প্ৰাণৰ সন্ধান' নামৰ গ্ৰন্থখনৰ পৰিশিষ্টত (পৃষ্ঠা ৯৫-৯৮) অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ এটা প্ৰবন্ধৰ উদ্ধৃতি দিয়া হৈছে আৰু তেখেতৰ চিন্তাৰ দূৰদৰ্শিতাৰ বিষয়ে আলোচনা কৰা হৈছে। এই পৰিশিষ্ট অংশত উল্লেখ কৰা মূল প্ৰবন্ধটোৰ লগতে অসমকেশৰীৰ আন কেইটামান লেখা পঢ়ি মনত উদয় হোৱা ভাৱ প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছোঁ)

অসমীয়া জাতিৰ কাণ্ডাৰীস্বৰূপ, জাতীয় অস্তিত্বৰ প্ৰতি সদাসচেতন, জাতীয় চেতনা আৰু দেশপ্ৰেমবোধৰ প্ৰতীক অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্ম হৈছিল ১৮৮৫ চনৰ ডিছেম্বৰ মাহত বৰপেটাত। কেৱল অষ্টম শ্ৰেণীলৈকে আনুষ্ঠানিক শিক্ষা লাভ কৰি স্বাধীনতা আন্দোলনত জঁপিয়াই পৰাত সিমানতে স্কুলীয়া শিক্ষাৰ সমাপ্তি ঘটিছিল। 'অসমখন গেল গেল, কিবা এটা কৰ' বুলি অসমীয়া জাতিক সদাসচেতন কৰিবলৈ যত্নপৰ হোৱা অম্বিকাগিৰীৰ সাহিত্যকৰ্মৰ মূল বিষয়বস্তু আছিল জাতিৰ ন্যায্য স্বাৰ্থ, জাতীয় চেতনা, দেশপ্ৰেম আৰু আধ্যাত্মিকতাবাদ। কিন্তু তেখেতৰ কেইটামান লেখাত চিন্তাৰ মৌলিকতাৰ উপৰিও দূৰদৰ্শিতাৰ সমাহাৰত প্ৰকাশ পাইছে চিন্তা-চৰ্চাৰ আন এটা উল্লেখযোগ্য দিশ, যিটো দিশৰ আলোচনা বৰ্তমান বিজ্ঞানৰ অগ্ৰগতিৰ লগত প্ৰাসংগিক বুলি গণ্য কৰাটো প্ৰয়োজন।

১৯১৪ চনত লিখা এটা প্ৰবন্ধ অম্বিকাগিৰী ৰায়চৌধুৰীয়ে ১৯১৬ চনত ডিব্ৰুগড়ৰ ৰে'লৱে প্ৰেছত ছপা কৰি পুস্তিকা আকাৰে প্ৰকাশ কৰিছিল। প্ৰবন্ধটোৰ নাম আছিল 'জগতৰ শেষ আদৰ্শ আৰু বিশ্ব শান্তি স্থাপনৰ পথ'। প্ৰবন্ধটোৰ মূল বিষয়বস্তু আছিল বিশ্বত শান্তি স্থাপনৰ বাবে মানৱ সমাজৰ সন্মুখত থকা বিকল্পবোৰ। সেই সময়ত অসমৰ 'টাইমছ অৱ আছাম' আৰু কলিকতাৰ 'মডাৰ্ণ ৰিভিউ' আদি কাকতে এই পুস্তিকাৰ সমালোচনা কৰি মন্তব্য কৰিছিল যে প্ৰবন্ধটো মৌলিক স্বাধীন চিন্তাৰ প্ৰকাশ যদিও উচ্চ কল্পনাপ্ৰৱণতা থকা বাবে বিষয়বস্তু কাৰ্যকৰী নহয়। অম্বিকাগিৰীৰ স্বাধীন চিন্তাধাৰাৰ লগত সেই সময়ৰ সমসাময়িক শৈক্ষিক তথা বৌদ্ধিক পৰিবেশৰ খাপ নোখোৱা বাবেই তেনে মন্তব্য নিতান্তই স্বাভাৱিক বুলি গণ্য কৰিব পাৰি। এই প্ৰবন্ধৰ উপৰিও ১৯২৮ চনত 'বাঁহী'ত প্ৰকাশ হৈছিল অম্বিকাগিৰীৰ এটা কবিতা 'মানৱায়তন'। কবিতাটোত তেখেতে প্ৰকাশ কৰিছিল একে ধৰণৰ স্বাধীন মৌলিক চিন্তাকেই। বিজ্ঞানৰ গৱেষণাৰ বৰ্তমানৰ অগ্ৰগতিৰ ধাৰাই প্ৰামাণ কৰিছে যে এসময়ত উচ্চ কল্পনাপ্ৰৱণতা আৰু অব্যৱহাৰিক বুলি গণ্য কৰা অসমকেশৰীৰ মৌলিক চিন্তা সম্পূৰ্ণ ব্যৱহাৰিক, বাস্তৱ আৰু বিজ্ঞানসন্মত।



অম্বিকাগিৰীৰ প্ৰবন্ধটোৰ উদ্দেশ্য বিজ্ঞান গৱেষণা নাছিল, ইয়াৰ মূল ভিত্তি আছিল বিশ্ব শান্তি। মানৱ কল্যাণক মূল আদৰ্শ হিচাপে লৈ এক বিশ্বজনীন ভাব প্ৰকাশ কৰা এই প্ৰবন্ধৰ বিষয়বস্তু আছিল আধ্যাত্মিকতা আৰু বাস্তৱতা। অসমকেশৰীৰ মতে ইটো সিটোৰ পৰিপূৰক। সেয়েহে দুয়োটা একেলগে আগবাঢ়িলেহে প্ৰকৃত লক্ষ্যত উপনীত হ'ব পৰা যাব। প্ৰবন্ধটোত অম্বিকাগিৰীয়ে লিখিছে— "আধ্যাত্মিক আৰু বাস্তৱ জগতৰ ভৰ জীৱনৰ তুলাচনীত সমান জোখত ৰাখি সকলো কাম চলাব লাগিব। এদিন ভাৰতবৰ্ষই বাস্তৱৰ ফালে পাছ দি আধ্যাত্মিকতাৰ আশ্ৰয় লৈ অনন্তৰ বাটত খোজ পেলাই লৰ মাৰিব খুজিছিল, তাৰ স্বৰূপ আদায় কৰিবলৈকে। তাত ভাৰতবৰ্ষই অনন্তক হাতে-হাতে প্ৰত্যক্ষভাৱে আদায় কৰি লোৱাটো নহ'লেই বৰঞ্চ আজি এই ভীষণ পতনতহে পৰিল।" অম্বিকাগিৰীয়ে ইয়াৰদ্বাৰা বৌদ্ধিক সমাজক সচেতন হ'বলৈ আহ্বান জনাইছিল যে বাস্তৱক স্বীকাৰ নকৰি কেৱল আধ্যাত্মিকতাক মূল ভেটি হিচাপে লৈ আগবাঢ়িবলৈ যত্নপৰ হ'লে ই সমাজৰ গতিশীলতাক বাধাপ্ৰাপ্ত কৰিব আৰু ফলস্বৰূপে স্থবিৰতাই দেখা দিব।

এই প্ৰবন্ধত অসীম সম্পৰ্কে অম্বিকাগিৰীয়ে এনে সংজ্ঞা আগবঢ়াইছে— "অসীমৰ সংজ্ঞা আনে যি কি নিদিয়ক, মই কিন্তু দিওঁ যে, 'অসীমৰ যিকোনো ঠাইত যিকোনো অংশত বিন্দু এটা ধৰি লোৱা হয়, সেইটোৱেই তাৰ কেন্দ্ৰ আৰু সেই কেন্দ্ৰৰ পৰাই বিকিৰিত হৈ অনন্তৰূপত অন্তহীন ফালেদি সি বিকাশ লাভ কৰে।"

"অসীমৰ সংজ্ঞা আনে যি কি নিদিয়ক, মই কিন্তু দিওঁ যে, 'অসীমৰ যিকোনো ঠাইত যিকোনো অংশত বিন্দু এটা ধৰি লোৱা হয়, সেইটোৱেই তাৰ কেন্দ্ৰ আৰু সেই কেন্দ্ৰৰ পৰাই বিকিৰিত হৈ অনন্তৰূপত অন্তহীন ফালেদি সি বিকাশ লাভ কৰে।"

মূলতঃ বিশ্ব শান্তিক লক্ষ্য হিচাপে লৈ ৰচনা কৰা এই প্ৰবন্ধৰ উল্লেখযোগ্য দিশ হ'ল অম্বিকাগিৰী ৰায়চৌধুৰীৰ মহাকাশ গৱেষণাৰ প্ৰস্তাৱ। মহাকাশৰ আন-আন গ্ৰহ-উপগ্ৰহলৈ অভিযান চলাই সেইবোৰৰ অধ্যয়নৰদ্বাৰা জ্ঞানৰ ভাণ্ডাৰ পৰিপূৰ্ণ কৰাৰ বাবে কাৰ্যপন্থা হাতত লোৱাৰ আহ্বান জনাই অম্বিকাগিৰীয়ে লিখিছিল— "অনন্তৰ ৰাজ্যত অনন্ত ধন, ঐশ্বৰ্য পৰিপূৰ্ণ কিমান গ্ৰহ-উপগ্ৰহ আছে। সেইবিলাকৰ সম্পূৰ্ণ ৰস, সম্পূৰ্ণ সৌন্দৰ্য্য মানুহে বা তাৰ দৰে কোনো উন্নত জীৱে ভোগ কৰিব বুলিহে সেইবিলাকৰ ইমান ঐশ্বৰ্য আৰু সৌন্দৰ্য্যপূৰ্ণ।" কেৱল পৃথিৱীতে সীমাবদ্ধ নাথাকি অনন্তৰ বুকুত বিচৰণ কৰি আন গ্ৰহ-উপগ্ৰহত মানুহৰ অস্তিত্ব বিস্তাৰ কৰিব পাৰিলহে মানুহে জীৱন সাৰ্থক কৰিব পাৰিব— "মানুহে এই পৃথিৱী এৰি অনন্তৰ বুকুত জপিয়াই পৰি ক্ৰমে এটা-এটাকৈ সকলো গ্ৰহ--উপগ্ৰহ, তৰা-নক্ষত্ৰত তাৰ অস্তিত্ব বিয়পাই দি তাৰ পৃথিৱীৰ সীমাবদ্ধ জ্ঞান-গৰিমাৰ পৰিসৰ অনন্তগামী কৰি ল'বলৈ আকাংক্ষা কৰাটোতেইহে মানুহৰ পূৰ্ণতা, ...।" পৃথিৱীৰ সীমাবদ্ধতাক অতিক্ৰম কৰি বিশালতাৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে মানৱ সমাজ অক্ষম নে কি? আন-আন গ্ৰহ-উপগ্ৰহলৈ অভিযান চলাই তাত মানুহৰ উপনিবেশ স্থাপন কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। মানৱ সমাজে নতুন কৰ্মক্ষেত্ৰৰ সন্ধানত আৰম্ভ কৰা উচিত এক নতুন যাত্ৰা— অনন্তৰ দিশত— "মানুহ ইমানেই সৰু হৈ থকা উচিতনে যে, পৃথিৱীৰ বাহিৰে সি আৰু থিয় দিবলৈকে ঠাই নাই? ... এই বিচিত্ৰ বিকাশৰ তৃপ্তিটো মাথোন আধ্যাত্মিকতাৰ ধুঁৱলি-কুঁৱলি ৰাজ্যখনতে নিবদ্ধ ৰাখি, দৃশ্যমান বাস্তৱ জগতৰফালে পাছ দি, মাথোন এই পৃথিৱীখনতেই তাক শেষ কৰি বহি থাকি আনন্দ পাবলৈকে কৰা চেষ্টাটোকনো কোন ৰসজ্ঞই ভাল বুলি ক'ব? যি ঠাইত পৃথিৱীৰ দৰে ঐশ্বৰ্যভৰা অগণন গ্ৰহ-উপগ্ৰহ আছে— যিবিলাকত মানুহৰ স্বাৰ্থপৰতা, প্ৰতিদ্বন্দ্বিতাৰ তৃপ্তি সাধন কৰা, নিত্য নতুন উন্মেষিত অভাৱবোৰ পূৰণ কৰা, বেপাৰ-বাণিজ্যৰ পিয়াহ পলোৱা, উপনিবেশ স্থাপন কৰা, ৰাজ্য জয় কৰা, ৰূপতৃষ্ণা আদি আকাংক্ষাবোৰক বিৰাট সাফল্য দি আৰু সেইবোৰলৈকে আধিপত্য বঢ়াই লৈ গৈ অসীম ব্যাপী মানুহৰ নতুন-নতুন কৰ্মক্ষেত্ৰ সাজি লোৱা ইচ্ছাবিলাকৰ সফলতাই প্ৰত্যক্ষভাৱে হাতে-হাতে পোৱা মূৰ্তি ধৰি আগত থিয় হ'বহি পাৰে, সেইফালে মানুহৰ মন মেলি দিবৰ একো বাট নাই নে কি?"

*সেই সময়ত উন্নত দেশবোৰত হোৱা মহাকাশ গৱেষণাৰ খবৰ ভাৰতবৰ্ষলৈ কিমান প্ৰেৰিত হৈছিল সেই দিশটোও মন কৰিবলগীয়া। তাত্ত্বিক আৰু ব্যৱহাৰিক মহাকাশ গৱেষণাৰ চালুকীয়া অৱস্থাত স্বাধীনতাৰ পাছৰ ভাৰতবৰ্ষৰ একেবাৰে পিছ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ এজন ব্যক্তিয়ে কৰা এনে চিন্তা বা ধাৰণা সঁচাকৈয়ে বিস্ময়কৰ।*

বিজ্ঞানৰ ইতিমধ্যে যি অগ্ৰগতি হৈছে তাক মূল সম্বল হিচাপে লৈ, সেইবোৰক ধ্বংসৰ দিশত ব্যৱহাৰ কৰাৰ পৰিবৰ্তে মহাকাশত থকা সৌৰজগতৰ প্ৰতিটো গ্ৰহ-উপগ্ৰহেই নহয়, আন-আন সৌৰজগতৰ সন্ধানত ব্যৱহাৰ কৰাতহে মানুহৰ পূৰ্ণতা প্ৰকাশ পাব। ইয়াৰ বাবে প্ৰয়োজন পৃথিৱীৰ পৰিসীমা অতিক্ৰম কৰাৰ বাবে একাগ্ৰতাৰে কৰা চেষ্টা— "মানুহৰ এই আৱিষ্কাৰবিলাক পৃথিৱীৰ সীমাবদ্ধ ক্ষুদ্ৰতাৰ হাত এৰুৱাই নি, এটা গ্ৰহ-উপগ্ৰহৰ পৰা নি আন এটা গ্ৰহ-উপগ্ৰহত, এখন সৌৰজগতৰ পৰা নি আন এখন সৌৰজগতত মেলি দি অনন্তৰ চুক-কোণবিলাকৰ লগত চিনা-পৰিচয় ঘটাই ভিতৰ-বাহিৰ জুৰি অনন্তত পৰিপূৰ্ণ হৈ উঠিবলৈকে মানুহৰ একো ক্ষমতা নাই নে কি? নিশ্চয় আছে। আমাৰ এই অকণমানি পৃথিৱীখনৰ পৰা অনন্তৰ আনবিলাক অগণন গ্ৰহ-উপগ্ৰহ আদি পৃথিৱীবিলাকলৈকে গৈ বিজয়-দুন্দুভি বজাই আগুৱাই যোৱাৰ ক্ষমতা মানুহৰ অৱশ্যে আছে। ... আমি পৃথিৱীৰ সীমা ভাঙি উলিয়াই দিওঁ - পৃথিৱীবাসী মানুহ সোঁশৰীৰে দৃশ্যমান বাস্তৱ অনন্তৰ প্ৰতিদ্বন্দ্বী হৈ উঠোঁ; অনন্তৰ সকলোবিলাক গ্ৰহ-উপগ্ৰহত আমাৰ অস্তিত্ব মেলি দি তাৰ লগত প্ৰত্যক্ষ জনা-শুনা হোৱাৰ বাট উজু কৰোঁ। আমাৰ পৃথিৱীখনৰ দৰেই অন্যান্য গ্ৰহ-উপগ্ৰহবিলাকৰ ৰূপ সৌন্দৰ্যবিলাকৰ পৰা বঞ্চিত হৈ আমি ইয়াৰ ক্ষুদ্ৰতাতেই ৰূপ-সৌন্দৰ্যৰ অধিকাৰ লৈ হাই-কাজিয়া কৰি মৰোঁ কিয়? ... মানুহে বিজ্ঞানৰ

পথেৰে বায়ুযান আবিষ্কাৰ কৰিছে। কিন্তু তাকো পৃথিৱীখনৰ ভিতৰতেই ... যুদ্ধ-বিগ্ৰহ আৰু নৰহত্যা আদি চলোৱাৰ ফালে দৃষ্টি ৰাখিছে। ... এই বায়ুযানেৰে যে মানুহে সৌশৰীৰে অনন্তৰ অন্যান্য সকলোবোৰ ঐশ্বৰ্যপূৰ্ণ গ্ৰহ-উপগ্ৰহৰ লগত প্ৰত্যক্ষভাৱে জনা-শুনা হৈ অনন্তৰ সৃষ্টি ৰহস্যক হাতে-হাতে লাভ কৰা স্থায়ী আনন্দ এটাও পাব পাৰে, এনে চিন্তা মানুহৰ মনত আজিলৈকে সোমোৱা নাই। ... গ্ৰহৰপৰা গ্ৰহান্তৰলৈকে সৌশৰীৰে আগুৱাই গৈ থকা বিচিত্ৰ হাৱা পানীৰ সংস্পৰ্শৰ প্ৰভাৱত ... অনন্ত আয়ুসৰ আশীৰ্বাদ লাভ কৰিব পাৰিব।"

এনে অভিযানবোৰৰ লক্ষ্য হ'ব লাগিব বহুমুখী। পৃথিৱীৰ সীমাবদ্ধতাক অতিক্ৰম কৰি আন গ্ৰহ-উপগ্ৰহত মানৱ নিয়ন্ত্ৰিত উপনিবেশ স্থাপনৰ লগে-লগে এইবোৰত জীৱৰ উপস্থিতিৰ সন্ধান কৰা। উল্লেখনীয় দিশ হ'ল এই যে পৃথিৱীৰ মানুহৰ দৰে আন কোনো স্থানত জীৱ আছেনে? যদি আছে, সেইবোৰ মানুহৰ দৰেইনে? নে তাতোকৈ উৎকৃষ্ট? তেনে দিশৰ অনুসন্ধানে মানৱ সমাজক উপকৃত কৰিব। বহিৰ্বিশ্বৰ জীৱৰ লগত প্ৰত্যক্ষ সংযোগেৰে পৃথিৱীৰ হিত সাধন কৰিবলৈ আহ্বান জনাইছিল অম্বিকাগিৰীয়ে— "ইয়াত এটা প্ৰশ্ন উঠিব পাৰে যে অনন্তৰ নিত্যবিকাশশীল বাস্তৱ ফালটো প্ৰত্যক্ষভাৱে পাবলগীয়া জীৱ মানুহ নহ'বও পাৰে, এই বিষয়ত মানুহতকৈও যোগ্য জীৱ ব্ৰহ্মাণ্ডৰ কোনোবা কোণত থাকিব পাৰে আৰু এই কাৰণতেই মানুহে পৃথিৱীৰ সীমা ভাঙি তাৰ প্ৰবৃত্তিবিলাকৰ গতি অন্যান্য গ্ৰহ-উপগ্ৰহবিলাকলৈ লক্ষ্য এৰি দিয়াৰ প্ৰয়োজন হৈছে তেনে উন্নত জীৱৰ সংস্পৰ্শ বিচাৰি। মানুহতকৈও বেছি জ্ঞান-চৈতন্য সম্পন্ন জীৱ সৃষ্টিত নিশ্চয় বহুত আছে। কিন্তু সেইবিলাক জীৱৰ লগত পৰিচিত হ'বলৈ নাপালে কথাটো প্ৰত্যক্ষভাৱে সত্য হৈ উঠিব কেনেকৈ? আনফালে আন তেনে জীৱৰ অস্তিত্বটোও পৃথিৱীৰ মানুহে আজিলৈকে স্বীকাৰ কৰা নাই, হয়তো তাৰ অভিমানত কিবা আঘাত পৰিব বুলি ... মানুহে ভাবিব পাৰে যে সি পৃথিৱীৰ ভিতৰতেই পৃথিৱীৰ হাৱা-পানী আৰু প্ৰাকৃতিক অৱস্থাৰ দ্বাৰা লালিত-পালিত হৈ উঠা অৱস্থাটো আন গ্ৰহ-উপগ্ৰহবিলাকত নহ'বও পাৰে।"

যিসকল ব্যক্তিয়ে তেনে অভিযানত অংশ ল'ব, তেওঁলোকৰ অভিজ্ঞতা, অনুভূতি, জ্ঞানেৰে ৰচনা কৰা গ্ৰন্থই মানৱ সমাজক এক বিচিত্ৰ সাহিত্যৰ স্বাদ দিব আৰু ইয়েই মানৱ সমাজৰ সামগ্ৰিক উন্নয়নৰ বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰিবলৈ সমৰ্থ হ'ব— "মানুহে যদি অনন্তৰ বুকুত আমাৰ পৃথিৱীৰ দৰেই বিচৰণ কৰি থকা গ্ৰহ-উপগ্ৰহবিলাক ঘূৰি আহি ভ্ৰমণ কাহিনী লিখিলেহেঁতেন, সেইবিলাক ইতিহাস, প্ৰত্নতত্ত্ব, অভিজ্ঞতাবিলাক গোটাই আনি পৃথিৱীত পেলাব পাৰিলেহেঁতেন— আটাইখন ব্ৰহ্মাণ্ডৰ নাড়ী-নক্ষত্ৰৰ লগত মিলাই দৰ্শন-বিজ্ঞানৰ মূল সূত্ৰ আৰু তত্ত্ববিলাক অনন্তৰ প্ৰত্যক্ষ পৰিধিৰ লগত সামঞ্জস্য লগাই প্ৰমাণবোৰ উপস্থিত কৰিব পাৰিলেহেঁতেন,-- পৃথিৱীত নুফুলা, নেদেখা-নুশুনা, সৌন্দৰ্য অনুভূতি আৰু ভাববিলাকৰ বিচিত্ৰৰূপ আহৰণ কৰি কাব্য সাহিত্যৰ বিচিত্ৰ ৰূপ-ৰসৰ ধাৰাৰে পৃথিৱীখন ওপচাই পেলাই মানুহক প্ৰত্যক্ষভাৱে সীমা এৰি ওলাই যাবলৈকে উদ্বাউল কৰি তুলিব পাৰিলেহেঁতেন, তেতিয়াহে মানুহৰ জ্ঞান-বিজ্ঞান, সাহিত্য দৰ্শন, বেহাবেপাৰ আদিৰ পূৰ্ণতাৰ লগত তাৰ জৈৱিক পূৰ্ণতাও লাভ হ'ব পাৰে।"

এনেধৰণৰ ভালেমান বাক্য আছে যিবোৰে অম্বিকাগিৰী ৰায়চৌধুৰীৰ মৌলিক অথচ বিজ্ঞানসন্মত চিন্তাধাৰাৰ স্বাক্ষৰ বহন কৰে।

এই প্ৰসংগতে তেখেতে লিখা এটা কবিতাৰো উল্লেখ কৰাৰ প্ৰয়োজন আহি পৰে—

"কিহৰ বাবে আকাশ পাতাল
কিহৰ বাবে ধৰা?

..........................................

সীমা ভঙাৰ এই যে সপোন
নহয় কেৱল কথা
নিজন কোণত বহি বহি
ভাবৰ মালা গঁথা।
এই ধৰণীত গোট খোৱা এই
শক্তি সমল লৈ
বীৰ দাপেৰে গ্ৰহান্তৰত
তেজ মঙহে গৈ
পাৰিলে উপনিবেশ
স্থাপন কৰি লব
মানৱ জাতিৰ মান গৌৰব
নিত্য নতুন হ'ব।"

*মানবায়তন (১৯২৮ চনৰ বাহীত প্ৰকাশিত)।*



"অনন্তৰ নিত্যবিকাশশীল বাস্তৱ ফালটো প্ৰত্যক্ষভাৱে পাবলগীয়া জীৱ মানুহ নহ'বও পাৰে, এই বিষয়ত মানুহতকৈও যোগ্য জীৱ ব্ৰহ্মাণ্ডৰ কোনোবা কোণত থাকিব পাৰে আৰু এই কাৰণতেই মানুহে পৃথিৱীৰ সীমা ভাঙি তাৰ প্ৰবৃত্তিবিলাকৰ গতি অন্যান্য গ্ৰহ-উপগ্ৰহবিলাকলৈ লক্ষ্য এৰি দিয়াৰ প্ৰয়োজন হৈছে তেনে উন্নত জীৱৰ সংস্পৰ্শ বিচাৰি।"



অম্বিকাগিৰী ৰায়চৌধুৰীৰ ৰচনা সংগ্ৰহ 'আহুতি'ত (১৯৫৩) এই প্ৰবন্ধটো সন্নিবিষ্ট কৰোঁতে তেখেঁ প্ৰকাশ পাইছে— "প্ৰায় চাৰি যুগ আগতে আমি লিখা চিন্তাৰ সত্যতাই বৈজ্ঞানিক মণ্ডলীৰ আগতো আজি দেখা দিছে।... কিন্তু, অন্যান্য গ্ৰহ-উপগ্ৰহলৈ অভিযান চলোৱা এই বিষয়টোত মোৰ আৰু আমেৰিকান বৈজ্ঞানিক মণ্ডলীৰ দৃষ্টিকোণৰ পাৰ্থক্য আছে। মই বিষয়টোত এটা মহান উদ্দেশ্য লৈ বিৰাট পৰিকল্পনাৰে দাৰ্শনিক মত এটা স্থাপন কৰিবলৈ যত্ন কৰিছিলোঁ ..।"

প্ৰবন্ধটোৰ ইংৰাজী অনুবাদ The Final Goal of Man and Lasting Peace প্ৰকাশ পায় ১৯৬১ চনত। অনুবাদক অধ্যাপক মহেন্দ্ৰ নাথ বৰা। এই অনুবাদ পঢ়ি সেই সময়ৰ উপৰাষ্ট্ৰপতি, দাৰ্শনিক ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণে লিখিছিল— "I read the article. It is not necessary for a paper like this to have any foreword or introduction. It is well written and will be useful." (April 6, 1961). ড০ সূৰ্যকুমাৰ ভূঞাই সেই সংকলনত নিজৰ মন্তব্য আগবঢ়াইছিল— "The idea of inhabiting the planets should not be dismissed as a mere dream. Many things were dreams in the beginning, but all of them have become facts within a few centuries..." ইংৰাজী পুথিখনৰ প্ৰকাশকৰ মন্তব্য আছিল— "The reader will see how prophetic Sri Roychowdhury was when he penned through these gems of thoughts in a pamphlet that he wrote in Assamese in 1914 and published in 1916 when the First Great War was in motion and the writer himself had witnessed the colossal tragedy. The idea of a space man going into the outer space and returning to earth unharmed was then just an idea which might be accepted as an idea by the imaginative mind but could hardly be conceived as being capable of being transformed into reality. A seer imbued with prophetic vision could only do so. (Atma Vikash Bhavan, Gauhati, Assam)."

অম্বিকাগিৰীৰ এই প্ৰবন্ধটো পঢ়ি মনলৈ অহা প্ৰথম প্ৰশ্নটো হ'ল— মহাকাশ গৱেষণাৰ বৰ্তমান স্তৰত সম্পূৰ্ণ ব্যৱহাৰিক আৰু প্ৰাসংগিক এই চিন্তাধাৰা আজিৰপৰা ৯০ বছৰ আগতে অম্বিকাগিৰীৰ মনলৈ অহাৰ বাবে অনুপ্ৰেৰণাৰ উৎস কি আছিল? ই আছিল তেখেতৰ সম্পূৰ্ণ মৌলিক চিন্তা নে বিজ্ঞান গৱেষণাপত্ৰ অথবা বিজ্ঞানভিত্তিক কল্পকাহিনী, গল্প আদিৰ অধ্যয়নৰ পৰা হোৱা ধাৰণা?

যি সময়ত তেখেতে এই প্ৰবন্ধটো লিখিছিল, তেনে সময়ত ভাৰতবৰ্ষ নালাগে, আন উন্নত দেশবোৰতো মহাকাশ গৱেষণাই বিশেষ অগ্ৰগতি লাভ কৰা নাছিল। ১৯২৬ চনৰ ১৬ মাৰ্চৰ দিনাহে আধুনিক ৰকেটৰ জনক মাৰ্কিন পদাৰ্থবিদ ৰবাৰ্ট গডাৰ্ডে (Robert Goddard) তৰল প্ৰজ্বালক সমৃদ্ধ প্ৰথমটো ৰকেট নিৰ্মাণ কৰি উলিয়াইছিল। গতিকে তাত্ত্বিক আৰু ব্যৱহাৰিক মহাকাশ গৱেষণাৰ চালুকীয়া অৱস্থাত স্বাধীনতাৰ পাছৰ ভাৰতবৰ্ষৰ একেবাৰে পিছপৰা উত্তৰ-পূৰ্বাঞ্চলৰ এজন ব্যক্তিয়ে কৰা এনে চিন্তা বা ধাৰণা সঁচাকৈয়ে বিস্ময়কৰ।

সেই সময়ত উন্নত দেশবোৰত হোৱা মহাকাশ গৱেষণাৰ খবৰ ভাৰতবৰ্ষলৈ কিমান প্ৰেৰিত হৈছিল সেই দিশটোও মন কৰিবলগীয়া। ৰাছিয়াৰ দৰে বিভিন্ন দেশে মূলতঃ নিজ-নিজ ভাষাত প্ৰকাশ কৰা ৰচনাবোৰে বিশ্বৰ আন দেশবোৰত পোনপটীয়াকৈ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। ভাৰতবৰ্ষৰ ক্ষেত্ৰতো একে হোৱা বুলিয়েই ধাৰণা কৰিব পাৰি। কাৰণ বাতৰিকাকতৰ দৰে সংবাদ মাধ্যমে অম্বিকাগিৰীৰ ৰচনাক কেৱল কল্পনাপ্ৰসূত আৰু অব্যৱহাৰিক বুলিহে মন্তব্য দিছিল।

সেই সময়ত আনুষ্ঠানিক শিক্ষাৰ পাঠ্যক্ৰমত মহাকাশ গৱেষণা সম্পৰ্কে অধ্যয়ন অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনীয়তাও নুই কৰিব পাৰি। কল্পকাহিনী অথবা গল্প-উপন্যাসৰ প্ৰসংগত উল্লেখ কৰিব পাৰি যে জাৰ্মান বিজ্ঞানী হেৰমেন অবাৰ্থৰ বিখ্যাত গ্ৰন্থ 'দ্য ৰকেট ইনটু ইণ্টাৰ প্লেনেটৰি স্পেছ' প্ৰকাশ হৈছিল ১৯২৩ চনতহে। 'জুলে ভাৰ্ন'ৰ দৰে কিছুসংখ্যক বিজ্ঞানভিত্তিক কাহিনী লেখকৰ গ্ৰন্থ ইতিমধ্যে প্ৰকাশ পাইছিল যদিও সেইবোৰ অসমত সহজলভ্য আছিল বুলি ভাবিব পৰা নাযায়। ১৯১৪ চনৰ অসমৰ সামগ্ৰিক পৰিবেশৰ চিত্ৰখনে ইয়াক প্ৰতিপন্ন কৰে। আধুনিক যুগৰ জনপ্ৰিয় লেখক আৰ্থাৰ ছি ক্লাৰ্ক (জন্ম ১৯১৭ চন) আৰু আন-আন লেখকসকলো সেইসময়ৰ পিছৰ।

গতিকে এই সকলোবোৰ দিশ মন কৰিলে এনে ভাব হয় যে মহাকাশ গৱেষণাৰ এই চিন্তা অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ নিশ্চয় এক মৌলিক, স্বাধীন চিন্তা।

*(প্ৰান্তিক ২৪শ বছৰ ৫ম সংখ্যা ১-১৫ ফেব্ৰুৱাৰী ২০০৫ত প্ৰকাশিত)*

**"যি সময়ত তেখেতে এই প্ৰবন্ধটো লিখিছিল, তেনে সময়ত ভাৰতবৰ্ষ নালাগে, আন উন্নত দেশবোৰতো মহাকাশ গৱেষণাই বিশেষ অগ্ৰগতি লাভ কৰা নাছিল। ১৯২৬ চনৰ ১৬ মাৰ্চৰ দিনাহে আধুনিক ৰকেটৰ জনক মাৰ্কিন পদাৰ্থবিদ ৰবাৰ্ট গডাৰ্ডে (Robert Goddard) তৰল প্ৰজ্বালক সমৃদ্ধ প্ৰথমটো ৰকেট নিৰ্মাণ কৰি উলিয়াইছিল। গতিকে তাত্ত্বিক আৰু ব্যৱহাৰিক মহাকাশ গৱেষণাৰ চালুকীয়া অৱস্থাত স্বাধীনতাৰ পাছৰ ভাৰতবৰ্ষৰ একেবাৰে পিছপৰা উত্তৰ-পূৰ্বাঞ্চলৰ এজন ব্যক্তিয়ে কৰা এনে চিন্তা বা ধাৰণা সঁচাকৈয়ে বিস্ময়কৰ।"**

* প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ

# মহেন্দ্র বৰাৰ কবিতা

ড০ মহেশ্বৰ কলিতা*



**আধুনিক অসমীয়া কবিতাক জনপ্ৰিয় কৰি তোলাত যিকেইগৰাকী কবি আৰু সম্পাদক-সমালোচকৰ বৰঙণি আছিল, সেইসকলৰ ভিতৰত ড° মহেন্দ্ৰ বৰা (১৯২৯-৯৬) অন্যতম। জাতিস্মৰ (১৯৬১) এই নদীয়েদি, ৰূপৰ টিলিঙাৰ মাত (১৯৮১) জীৱন এক আস্তাবল (১৯৯৫) আদি কাব্য সংকলনৰ উপৰিও তেওঁৰ সম্পাদিত নতুন কবিতা (১৯৫৬) শীৰ্ষক কাব্য-সংগ্ৰহৰ জৰিয়তে তেওঁ আধুনিক অসমীয়া কৰিতা জগতলৈ উল্লেখযোগ্য বৰঙণি যোগাইছে। তেওঁ মনিদীপ (১৯৬০-৬৭) নামৰ প্ৰভাৱশালী আলোচনীখনৰ সম্পাদকো আছিল। স্মৰণযোগ্য যে আধুনিক অসমীয়া কবিতাক পাঠকৰ ওচৰ চপাই নিয়াত নতুন কবিতা আৰু মণিদীপে উল্লেখযোগ্য ভূমিকা পালন কৰিছিল।**

মহেন্দ্ৰ বৰাই নতুন কবিতাৰ অৱতৰণিকা শিতানত আধুনিক অসমীয়া কবিতা সম্পৰ্কে যিটো চিন্তা গধুৰ প্ৰবন্ধ প্ৰকাশ কৰিছে, তাত আধুনিক অসমীয়া কবিসকলক 'জনতাৰ কবি' আৰু 'নিৰ্জনতাৰ কবি'— এই দুটা দলত ভাগ কৰি দেখুৱাইছে। দ্বিতীয়টো দলৰ কবি বৰাৰ কবিতা ৰচনাৰ মূল সমল হ'ল দেশৰ চহকী ঐতিহ্য, প্ৰকৃতি, প্ৰেম, বিৰহ, স্বপ্ন আৰু সমসাময়িক কালৰ বাস্তৱতা। অৱশ্যে ৰাজনৈতিক-সামাজিক-অৰ্থনৈতিক অন্যায়-অত্যাচাৰ দেখি অন্তৰৰ ক্ষোভ, হতাশা প্ৰকাশ আৰু তাৰ নিৰাময়ৰ বাবে বিপ্লৱৰ পোষকতা কৰা হেম বৰুৱা, অমূল্য বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আদিৰ পৰা তেওঁৰ পথ বহু আঁতৰত। আনকি কৌশলী বুদ্ধি নিষ্ঠতাৰে যুগৰ অৱক্ষয়ৰ ছবি আঁকা নৱকান্ত বৰুৱা, অজিৎ বৰুৱা আৰু নীলমণি ফুকনৰ পৰাও তেওঁৰ অৱস্থান দূৰত। স্পষ্টভাষাত ক'বলৈ হ'লে টি.এছ.এলিয়ট- স্কুলৰ কবি হ'লেও মহেন্দ্ৰ বৰাৰ কবিতাত প্ৰকাশ পাইছে এটি অন্য ৰূপ, যিটো ৰূপক সাৰ-পানী যোগাইছে তেওঁৰ নব্য-ৰোমাণ্টিক চিন্তাই।

The waste land-অৰ প্ৰতীক সম্পৰ্কত এলিয়টে লিখিছে যে এই কবিতাত ব্যৱহৃত বহুতো প্ৰতীক তেওঁ মিছ ওৱেষ্টনৰ From Ritual to romance নামৰ গ্ৰন্থৰপৰা সংগ্ৰহ কৰিছে। Notes on **The waste land** -অত এলিয়টৰ স্বীকাৰোক্তি এনেকুৱা ঃ

Not only the title, but the plan and a good deal of the incidental symbolism of the poem were suggested by miss jessie L. Weston's book on the grail legend : From ritual to romance (cambridge).

উল্লেখযোগ্য যে মিছ ওৱেষ্টনে বৰ্ণনা কৰা মতে গ্ৰেল ৰূপ-কথাৰ মূল বক্তব্য হ'ল অত্যাচাৰত মাছমৰীয়া ৰজা এজনৰ পুৰুষত্বৰ হানি হয়। ইয়াৰ ফলত তেওঁৰ ৰাজ্যত উৰ্বৰা শক্তি নোহোৱা হয়। ইয়াৰ নিৰাময়ৰ বাবে তেওঁ গ্ৰেল অভিমুখে যাত্ৰা কৰে। এলিয়টে এই কাহিনীক বৰ্তমান সময়ৰ আধ্যাত্মিক অৱক্ষয়ৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে।

এলিয়ট-পন্থী প্ৰতীকবাদী কবি নৱকান্ত বৰুৱাৰ দৰে মহেন্দ্ৰ বৰাইও দেশ-বিদেশৰ সংস্কৃতি-ঐতিহ্যৰ পৰা প্ৰতীকৰূপী সমল সংগ্ৰহ কৰি কবিতা ৰচনা কৰিছে। মহেন্দ্ৰ বৰাই ভাৰতীয় আধ্যাত্মিক দৰ্শন-তত্ত্বৰপৰা সমল সংগ্ৰহ কৰি 'জাতিস্মৰ' শীৰ্ষক কবিতাটি ৰচনা কৰিছে। বিহংগম দৃষ্টিত এই কবিতাটিৰ বিষয় আধ্যাত্মিক যেন লাগিলেও প্ৰকৃততে সেয়া নহয়। প্ৰতীকবাদী কবিয়ে ইয়াৰ মাজেৰে প্ৰকাশ কৰিছে সমসাময়িক কালৰ নিষ্ঠুৰ বাস্তৱতা। বিজ্ঞানৰ জয়যাত্ৰাৰ লগে লগে মানুহ প্ৰকৃতিৰ পৰা বিচ্ছিন্ন হৈ পৰিল। অন্তৰৰ সুখ-শান্তি হেৰুৱাই মানুহ হৈ পৰিল দানৱ সদৃশ, হাতত যাৰ 'তেজৰ পিয়লা'। একাৱন্নটি শাৰীযুক্ত এই কবিতাটিৰ একত্ৰিশৰ পৰা পঁয়ত্ৰিশ নং— এই শাৰীকেইটিত স্পষ্ট হৈ পৰিছে কবিৰ মূল বক্তব্য ঃ

*এদিন আছিল সূৰ্য ঘূৰিছিল আপোন কক্ষত পৃথিৱী তেতিয়া স্থানু*
*সৌ সিদিনাৰ কথা পৃথিৱী স্পন্দিত হ'ল গতিৰ নিচাৰে*
*মই সেই দুখন পৃথিৱী দুবাৰ দুযুৰি চকুৰে চালোঁ*
*দুভাৰিত লোহাৰ গজাল পিন্ধি মই দিলো মানুহক তেজৰ পিয়লা*
*স্বৰ্গৰ একুৰা জুইৰ আঙঠা চুৰ কৰি অনা মোৰ সেই বলিয়া আত্মাৰ*

'জাতিস্মৰ' কবিতাটিত 'মই' ৰূপী কবি হ'ল আধুনিক ক্ষয়িষ্ণু সভ্যতাই ঐশ্বৰ্যময়ী প্ৰকৃতিৰপৰা বিচ্ছিন্ন কৰা মানুহৰ প্ৰতিভূ। কবিতাটিত মানুহৰ দুখন ছবি অংকিত হৈছে ঃ অতীতৰ প্ৰকৃতিৰ মাজত বসবাস কৰা সুখী মানুহ আৰু বৰ্তমান নাগৰিক জীৱনে বিধ্বস্ত কৰা অসুখী মানুহৰ ছবি। পৰৱৰ্তী কালত ভাগৱত গীতাৰ কাব্যানুবাদ কৰা কবি বৰাই ভাৰতীয় দৰ্শনৰ জন্মান্তৰবাদৰ পৰা কল্পনা-প্ৰতিভা (জীৱনানন্দ দাশৰ ভাষাত ভাব-প্ৰতিভা) সম্ভূত সমল লৈ আলোচ্য কবিতাটি ৰচনা কৰিছে। অতীতৰ 'বহু জনম'ৰ মাজেৰে গৈ জাতিস্মৰ কবিয়ে লাভ কৰিছে 'বহু জনমৰ পাহৰা সাধুৰ খেলি-মেলি সোঁৱৰণি'। সেই সোঁৱৰণিৰ টোপোলাটি মেলাত তেওঁৰ মনলৈ আহিল বহু জনমৰ কথা ঃ

*এদিন আছিলো ফুল দুটি ফুল এটি হৈ বসন্ত-মালঞ্চৰ মল্লিকা ফুল*
*সৰু সৰু সুবৰ টোপাল সৰি সৰি সৰণি উপচি পৰা সুবৰ সুৰভি*

.... .... .... ....

*এদিন আছিলোঁ মই সাগৰ তলিৰ কজলা পানীৰ স'তে উমলি ফুৰা শেলুৱা সপোন*
*মোৰ দেহৰ নিমজ শীতল উত্তাপে এদিন ঘৰ ল'লে শামকুৰ চোকোৰাত*
*সেইবোৰ বহু জনমৰ পাহৰা সাধুৰ খেলিমেলি সোঁৱৰণি*

অৱশ্যে, সংগ্ৰামী মানুহে অতীততো মুখামুখি হৈছিল 'লাজ লগা' 'কঠিন' সময়ৰ! তাৰ মাজেৰেও ঘাত-প্ৰতিঘাতত ক্ষত-বিক্ষত হৈ আগবাঢ়ি গৈছে মানুহ। আশা-আকাংক্ষা বিধ্বস্ত হ'লেও 'দুচকুত নতুন সপোন পিন্ধি' আগবাঢ়ি গৈছে সংগ্ৰামী মানুহ— সীমাহীন সময়-যাত্ৰাৰ লগত খোজ মিলাই ঃ

*মোৰ লাজ লাগিছিল মই যে নওঠা শামুক এক কঠিন দিঠক*
*কম জানো সেইবোৰ লাজে ঢকা অতীতৰ মিঠা মিঠা সাধু*
*কেৰেলুৱা কুমজেলেকুৱা কেঁচু আৰু কুমাটিৰ জখলা বগাই*
*মৌ-মাখি ফৰিং আৰু উঁই চিৰিঙাৰ জীৱন সাঁতুৰি অহা*

.... .... .... ....

*উলটি আহিব পাৰোঁ আকৌ এবাৰ দুচকুত নতুন সপোন পিন্ধি*
*সাগৰ বেলাৰ বালিৰে লেখিব নোৱাৰা সময় ঘূৰি ঘূৰি উলটি আহিলো*

এইদৰে নতুন সপোন বুকুত বান্ধি মানুহে আৰম্ভ কৰে নতুন এক যাত্ৰা। প্ৰকৃতিৰ আলফুলীয়া পৰশ লভি সুখ-শান্তি লভা প্ৰকৃতিৰ সন্তানসকলৰ দৰে সুখ-শান্তি লাভেই যেন এই যাত্ৰাৰ উদ্দেশ্য। এই যাত্ৰাত প্ৰকৃতিৰ সীমাহীন সৌন্দৰ্য আৰু ঐশ্বৰ্যৰ ভাগ পাই মানুহ যেন ধন্য হৈ পৰে। কবিয়ে আকৰ্ষণীয় চিত্ৰকল্পৰ সহায়ত ফুটাই তুলিছে মানুহ আৰু প্ৰকৃতিৰ এই সম্পৰ্কৰ কথা ঃ

*নীলচীয়া এটি কণীৰ কুহুম প্ৰাণৰ উমেৰে উমাল কৰি*
*আকৌ আহিলোঁ মই বালিমাহী ঘৰ শালিকাৰ দেউকা পিন্ধি*
*উৰি গ'লো ফিজানিবা চুব পাৰোঁ আকাশৰ কপালত সেন্দুৰৰ ফোঁট*
*উম ল'লো জোনৰ দেশৰ সোণ-শেঁতেলীত শুই*
*ৰবাচোন খুব ভালকৈয়ে মনত পৰিছে মোৰ*
*জোনৰ কোলাত থকা শহাপহু এটা নামি আহিছিল ঘাঁহ খাবলৈ*

এটা যুগ আহিল যেতিয়া বিজ্ঞান, মানুহ আৰু প্ৰকৃতিৰ মাজত প্ৰাচীৰৰ দৰে থিয় দিলে। বিজ্ঞানৰ প্ৰগতিয়ে মানুহক ক্ৰমে প্ৰকৃতিৰপৰা আঁতৰাই আনিলে। প্ৰকৃতিৰ পৰশত মানসিক শান্তি লভি থকা মানুহৰ ভাগ্যলৈ আহিল কৃত্ৰিমতা-অশান্তি। কংক্ৰিত-লোহাৰ স্পৰ্শত মানুহৰ অন্তৰ কৰ্কশ হ'ল। মানুহৰ অতৃপ্ত আত্মা যেন বলিয়া হ'ল— প্ৰকৃতিৰ সুখৰ আৱৰবোৰ গ্ৰাস কৰি নিজৰ ভাগৰে অমৃতত বিহ দিবলৈ ধৰিলে।

প্ৰখ্যাত দাৰ্শনিক ৰুচোয়ে অষ্টাদশ শতিকাৰ শেষভাগত প্ৰকাশ কৰা তেওঁৰ আত্ম-জীৱনী 'confession'-অত লিখিছিল যে প্ৰকৃতিৰ মাজত কটোৱা কালেই হ'ল মানুহে লভা সুখৰ কাল। তথাকথিত আধুনিক সভ্যতাই মানুহৰ আত্মাত ব্যাধি সৃষ্টি কৰিছে। ইংৰাজ কবি ৱৰ্ডছৱৰ্থ আৰু ক'লৰিজে ৰোমাণ্টিক কাব্য-আন্দোলনৰ শুভাৰম্ভ কৰাৰ ক্ষেত্ৰত ৰুচোৰ এই প্ৰকৃতিবাদী দৰ্শনেও সমল যোগাইছিল। মহেন্দ্ৰ বৰাৰ জাতিস্মৰ কবিতাত এই প্ৰকৃতিবাদী দৰ্শনৰ প্ৰভাৱ স্পষ্ট।

বিজ্ঞানৰ প্ৰগতিয়ে মানুহৰ ভাগ্যাকাশলৈ অনা পৰিৱৰ্তনৰ চিত্ৰ কবি বৰাই এনেদৰে অংকন কৰিছে ঃ

*এদিন আছিল সূৰ্য ঘূৰিছিল আপোন কক্ষত পৃথিৱী তেতিয়া স্থানু*
*সৌ-সিদিনাৰ কথা পৃথিৱী স্পন্দিত হ'ল গতিৰ নিচাৰে*
*মই সেই দুখন পৃথিৱী দুবাৰ দুযুৰি চকুৰে চালোঁ*
*দুভৰিত লোহাৰ গজাল পিন্ধি মই দিলো মানুহক তেজৰ পিয়লা*
*স্বৰ্গৰ একুৰা জুইৰ আঙঠা চুব কৰি অনা মোৰ সেই বলিয়া আত্মাৰ*

ভাৰতীয় দৰ্শনত বিশ্বাসী কবি মহেন্দ্ৰ বৰাই ভাবে যে দৈৱৰ বিধানৰ কাৰণেই মানুহৰ ভাগ্যলৈ এনে পৰিৱৰ্তন আহিছে। তেওঁ এইটোও বিশ্বাস কৰে যে এই পৰিৱৰ্তনক আপোন কৰি লৈ আগবাঢ়ি যাব 'সনাতন তীৰ্থযাত্ৰী' মানুহৰ অন্তৰাত্মা। ভাগৱত গীতাৰ জন্মান্তৰবাদৰ পৰা কাব্যিক সমললৈ কবিয়ে কবিতাটিৰ শেষৰ স্তৱকটিত এনেদৰে ফুটাই তুলিছে মানুহৰ (অন্তৰাত্মাৰ) সীমাহীন যাত্ৰাৰ কথা ঃ

*মোৰ বাবে ময়ে বওঁ নতুন দেহৰ নতুন কাপোৰ*
*মোৰ ক্লান্তি-পথ নাই তথাপিতো সনাতন তীৰ্থযাত্ৰী মই*
*শুভ্ৰ নিখিলৰ চিৰন্তন অধিবাসী মোৰ পৰিচয়*

'জাতিস্মৰ' কবিতাটিত এটাৰ পিছত এটাকৈ বহুতো চিত্ৰকল্প সংযোজিত হৈছে। ফুল, সাগৰ, সপোন, শামুক, ঘাঁহ, জিঞা, কেৰেলুৱা, মৌ-মাখি, ফৰিং, পখিলা, জোনাকী পৰুৱা, কুঁৱলী, কণীৰ কুহুম, বালিমাহী, ঘৰ শালিকা, জোনৰ কলা, শহাপহু, বৰফ, নিয়ৰ, ডাৱৰ আদি শব্দ আৰু প্ৰতীকৰ সহায়ত সৃষ্টি কৰা চিত্ৰকল্পবোৰে কবিতাটিক এটি ৰোমাণ্টিক মাত্ৰা প্ৰদান কৰিছে। চিত্ৰকল্পৰ আধিক্যই কবিতাটিৰ গাঁথনি শিথিল কৰি পেলাইছে। অনুপ্ৰাস অলংকাৰ সৃষ্টিৰ অধিক প্ৰৱণতা আৰু শব্দৰ প্ৰতি থকা কবিৰ মোহৰ কাৰণেও কবিতাটিৰ গাঁথনিত শিথিলতা আহিছে। 'সৰু সৰু সুবৰ টোপাল সৰি সৰি সৰণি উপচি পৰা সুবৰ সুৰভি'— এনে পংক্তিয়ে অনুপ্ৰাস অলংকাৰৰ চমক সৃষ্টি কৰিছে ঠিকেই, কিন্তু ভাব-বস্তু প্ৰকাশত বিশেষ সহায়ক হৈছে বুলি ক'ব পৰা নাযায়।

সাধুকথা, লোক-গাঁথা আৰু কিংবদন্তিৰ পৰা সমল লৈ মহেন্দ্ৰ বৰাই কেইটিমান ভাল কবিতা ৰচনা কৰিছে। তেনে কবিতা হ'ল— তেজীমলা, চামুৰাই আৰু ফাউষ্ট। তেজীমলা সাধুত বৰ্ণিত কাহিনীটোৰ মৰ্মস্তুদ আবেদনে অন্তৰ ব্যথিত কৰি তুলিছে। তেজীমলাক উভতি আহিবলৈ আহ্বান জনোৱাৰ ছলেৰে দৰদী কবিয়ে আশা কৰিছে, কোনো নাৰীয়ে যেন আৰু তেজীমলাৰ দৰে নিৰ্যাতন-নিপীড়নৰ সন্মুখীন হ'বলগীয়া নহয়।

*উভতি আহিবা তুমি ফুল হৈ নেলাগে ফুলিব আৰু*
*চিৰকাল নেলাগে ফুলিব*
*নাৰৰ টিঙৰ পৰা সৰি পৰা চকুলোৰে*
*সেমেকি মাজুলী হ'ল শুকান বালিৰ চৰ*
*আমাৰো চকুৰ পানী ফুল হ'ল*

তেজীমলাই মধ্যযুগীয়া নাৰীক প্ৰতিনিধিত্ব বহুক বা নকৰক, কবিয়ে ভাবে যে নাৰীৰ মানৱিক শক্তি চিনিব নোৱৰাৰ বাবেই তেজীমলা ৰূপী নিৰ্দোষ নাৰী মাহীমাক ৰূপী নিষ্ঠুৰ মানুহৰ হাতত লাঞ্ছিত নিপীড়িত হৈ মৃত্যুক সাৱটি ল'বলগীয়া হৈছে। অৱশ্যে বৰ্তমান মানুহৰ পৰিবৰ্তন হৈছে। নাৰীৰ মানৱিক গুণ স্বীকৃত হৈছে। তেজীমলা ৰূপী নাৰীৰ আৰু ভয় নাই, দুখৰ দিনত তেওঁ অকলশৰীয়া নহয় - তেওঁক চিনি পোৱা মানুহ ('আমি') সমাজত ওলাইছে ঃ

*চিনিছোঁ তোমাক আমি মেলিব খুজিও সেয়ে নেমেলো হাত।*
*ছিঙিব খুজিও ফুল নিছিঙিলো পাহি এটি*
*কিজানিবা চক খোৱা আমাৰ চকুলে' চাই*
*কিজানিবা দেখা পোৱা আমাৰ চকুতো তুমি*
*তোমাৰ মাহীৰ সেই*
*ফুল পুৰি ছাই কৰা একুৰা খঙৰ জুই।*

ৰোমাণ্টিক যুগৰ আগশাৰীৰ কবি চন্দ্ৰকুমাৰ আগৰৱালায়ো এই সাধু কথাৰ ভেটিত একে নামৰ কবিতা এটি লিখিছিল, য'ত ৰোমাণ্টিক বিদ্ৰোহী কবিৰ মানুহৰ নিষ্ঠুৰতাৰ প্ৰতি প্ৰচণ্ড ক্ষোভ প্ৰকাশিত হৈছে ঃ

ফুমাৰী হোৱালী ফুটুমে পেলালে
দলিয়াই মৰম ফেৰি;
মানুহে-মানুহে ইমান হে মৰম
চকুলো পৰে সুঁৱৰি

চন্দ্ৰকুমাৰৰ তেজীমলাই মানুহৰ দ্বাৰা পৰিত্যক্ত হৈ প্ৰকৃতিৰ মাজত ৰ'দ-বতাহবৰষুণ, চৰাই-চিৰিকতি, কুন্তীৰ-মগৰৰ আদৰ-সাদৰত সুখেৰে আছে। খং-ক্ষোভত জৰ্জৰিত তেজীমলা এতিয়া সুখী, তেওঁক এতিয়া হৃদয়হীন মানুহৰ সংগ নালাগে, ইমানদিনে মানুহৰ পৰা তেওঁ যি পাইছে, সিয়ে আমুৰাইছে, সেয়ে মানুহৰ প্ৰতি তেওঁৰ আহ্বান ঃ

"হাতো নেমিলিবি ফুলো নিছিঙিবি
কৰে নাৱৰীয়া তই;
মানুহে ফুলৰ কি জানে আদৰ
তেজীমলাহে মই।"

আনহাতে, আধুনিক কবি মহেন্দ্ৰ বৰাই লক্ষ্য কৰিছে যে সমাজত নাৰীৰ অৱস্থাৰ উন্নতি হৈছে। আজি আৰু তেজীমলা ৰূপী অবলা, অৱলা নহয়। তেওঁ আৰু নিপীড়িত হ'বলে 'ঢেঁকী' ৰূপী কান্দত ভৰি থ'ব নালাগে। তেওঁৰ ভাগ্যাকাশ মুকলি হৈছে, 'বেলি আৰু তৰাৰ পোহৰ' ৰূপী জ্ঞানৰ পোহৰে 'চোতাল'ৰূপী ভাগ্যাকাশ মচি-ধুই ফৰকাল কৰিছেঃ

*নাৱেৰে উজাই গ'লে লগ পাম সৰু এটি পকীঘাট*
*ঘাটৰ পাৰতে আছে এখনি চোতাল*
*পুৱতী নিশাতে উঠি নেলাগে সাৰিব তুমি*
*বেলিৰ পোহৰে মচা তৰাৰ পোহৰে ধোৱা*
*ফৰকাল এখনি চোতাল।*

গতিকে, ভৱিষ্যৎ পুৰুষৰ কাৰণে তেজীমলা এটি সাধুৰ চৰিত্ৰ। মধ্যযুগীয়া দাসত্ব আৰু নিপীড়নৰ পৰা নাৰী আজি মুক্ত হৈছে, এই কথাই দৰদী কবিক সন্তুষ্টি প্ৰদান কৰিছে। তথাপি বৰ্তমান ভৱিষ্যতত যদি তেজীমলা ৰূপী নাৰীৰ জীৱন-নাৱৰ দিশ হেৰায় তেওঁ যেন বিচলিত নহয়, নিষ্ক্ৰিয় হৈ ('সপোনতে নুঠিবা উচুপি') মনৰ দুৰ্বলতা প্ৰকাশ কৰিয়ে ক্ষান্ত নহয় এনে ইংগিতেৰে কবিয়ে কবিতাটিৰ সামৰণি মাৰিছে ঃ

*ধূলিৰ কণাৰে খেলে সৰু সৰু পোনাহঁতে*
*ওমলা ঘৰত আছে দুখনি পুতলা নাও*
*সিহঁতক সাজি দিছোঁ তোমাৰে সাধুৰ ডিঙা*
*জুৰিৰ পানীত যদি হেৰায় এখনি নাও*
*বেলি হয় কেতিয়াবা উভতি অহাৰ সময়*
*তুমি মাথোঁ তেজীমলা সপোনতে নুঠিবা উচুপি।*

তেজীমলা কবিতাটিত ভাব আৰু ভাষাৰ সুন্দৰ সমন্বয় সাধিত হৈছে। 'জাতিস্মৰ'ৰ দৰে আলংকাৰিক আধিক্য ইয়াত নাই। ফলত পংক্তিবোৰত শিথিলতা নাই। আটিল গাঁথনিৰ শব্দ-সজ্জাই ইয়াৰ কাব্যিক-মূল্য বঢ়াইছে। সাংগীতিক ব্যঞ্জনা কবিতাটিৰ অন্য এটি আকৰ্ষণীয় গুণ। উভতি আহিবা তুমি ফুল হৈ নেলাগে ফুলিব আৰু/ চিৰকাল নেলাগে ফুলিব— এই পংক্তিটোৰ পুনৰাবৃত্তিয়ে কবিতাটিৰ সাংগীতিক ব্যঞ্জনা বঢ়াইছে।

কবি মহেন্দ্ৰ বৰা অসমৰ মনোমোহা প্ৰকৃতিৰ সৌন্দৰ্যত মুগ্ধ। তেওঁ কেইবাটিও কবিতাৰ মাজেৰে এই সৌন্দৰ্যৰ গুণ বখানিছে আৰু তাৰ লগত আধুনিক মানুহৰ অতৃপ্ত আত্মাৰ সংযোগ বিসংগতিৰ চিত্ৰও তুলি ধৰিছে। কবিৰ অন্তৰৰ ৰোমাণ্টিক চেতনাই তেওঁৰ এই লানি কবিতাক অন্য এটি মাত্ৰাও প্ৰদান কৰিছে। অধ্যয়নশীল কবিক ইংৰাজী ৰোমাণ্টিক কবিতাৰ পুংখানুপংখ অধ্যয়নে প্ৰদান কৰিছে মানুহ আৰু প্ৰকৃতিৰ মাজত থকা চিৰদিনীয়া সম্পৰ্কক আধুনিক দৃষ্টিৰে পৰীক্ষা কৰি চোৱাৰ প্ৰেৰণা আৰু শক্তি। প্ৰাকৃতিক ঐশ্বৰ্যৰ ভিতৰত তেওঁক বেছিকৈ আকৰ্ষণ কৰিছে অৰণ্য, বিল, পথাৰ আৰু নদীয়ে। তেওঁৰ এই লানি কবিতাৰ ভিতৰত দুটা উল্লেখযোগ্য কবিতা হ'ল— অৰণ্য-সন্ধ্যাৰ স্মৃতি আৰু নিলগলৈ।

'অৰণ্য-সন্ধ্যাৰ স্মৃতি' শীৰ্ষক কবিতাটিত সন্ধিয়াৰ অৰণ্যৰ মনোৰম চিত্ৰ তুলি ধৰিছে। সন্ধিয়া অন্ধকাৰৰ আগমন হোৱাৰ লগে লগে দিনৰ পোহৰত সজীৱ স্বচ্ছল হৈ থকা অৰণ্যলৈ ক্ৰমে নিস্তব্ধতা নামি আহিছে। পিছল কাঁচত আঁকা ছবিৰ দৰে স্বপ্নময় বিল, দূৰণিত দেখা-নেদেখা হোৱা পাহাৰ, ওচৰতে থকা শাল আদি গছৰ শাৰী, বিলৰ ৰূপালী পানী যেন স্তব্ধ হৈ পৰিছে। সক্ৰিয় হৈ আছে কেৱল মৃদু পৱন— যিয়ে বিলাই ফুৰিছে সুগন্ধি ফুল-ফলৰ গোন্ধ। ধূলি, ধোঁৱা আৰু কুঁৱলীৰ ওপৰেদি উৰি গ'ল এহাল বগলী। গোটেই দিনটো অৰণ্যত কটোৱা কবিয়ে সেই বনতে ৰূপালী পানীৰে জিলমিলাই থকা বিলৰ সৌন্দৰ্যত মুগ্ধ হৈ আছিল। কবিৰ অনুভৱ হৈছিল সেই বিল যেন প্ৰিয়াৰ মুখ-সুষমা জেউতি চৰোৱা এটি সৰু তিলহে!

*সমুখত ভাহি ৰ'ল পিছল কাঁচত আঁকা এখন ছবিৰ দৰে স্বপ্নময় এখন বিল*

*দূৰণিত চিলমিল এখন পাহাৰ আৰু গছ বন শিল*
*ওচৰৰ শাৰী শাৰী শাল আৰু শলখৰ দীঘলীয়া লানি*
*স্তব্ধ হ'ল গধূলিৰ ধুঁৱলিত কঁপি থকা ৰূপালী বিলৰ পানী স্তব্ধ হ'ল মুখৰিত প্ৰাণ*

.... .... ....

*ওৰে দিন চাইছিলোঁ বননিত জিলমিল মাজত এখন বিল*
*এজনে এনেয়ে সোধে আছে নেকি প্ৰিয়াৰ মুখত সৰু এটি তিল ৰমণীক ৰমণীয় ৰূপৱতী কৰা*

প্ৰকৃতিৰ মাজত এনেদৰে মুগ্ধ হৈ থাকোঁতে ৰাতি হ'ল। কবি উভতি আহিল। ইংলেণ্ডৰ হ্ৰদৰ পাৰত ফুলা ডেফোডিল ফুলৰ সৌন্দৰ্যৰ স্মৃতিয়ে বিষাদৰ মুহূৰ্তত কবি ৱৰ্ডছৱৰ্থক আনন্দিত কৰাৰ দৰে কবি বৰাকো আনন্দিত

কৰিছে অৰণ্যৰ সৌন্দৰ্য স্মৃতিয়ে ঃ

*বিধাতাৰ কল্পনাৰ দীপ্ত কোনো ক্ষণিকৰ অলেখ মধুৰ সৃষ্টি*
*অনন্ত সুবাসে যাৰ স্মৃতি কৰে স্নিগ্ধ সুৰভিত মন জিলমিল*
*সপোনত চিলমিল মাথোন এদিন দেখা এখন প্ৰশান্ত বিল।*

প্ৰকৃতিৰ ৰূপ, ৰস, গন্ধ, স্পৰ্শ আৰু শব্দৰ অনুভূতিয়ে ৰোমান্টিক কবিসকলৰ মন-প্ৰাণ আপ্লুত কৰি তোলাৰ দৰে কবি মহেন্দ্ৰ বৰাও আপ্লুত হৈ পৰিছে তেনে অনুভূতিত। কৰি ৱৰ্ডছৱৰ্থৰ প্ৰকৃতি-প্ৰীতি সম্পৰ্কে মতামত দিবলৈ গৈ কবি মহেন্দ্ৰ বৰাই স্থানান্তৰত লিখিছে ঃ

"প্ৰকৃতিয়ে মানুহৰ হৃদয়-পটত যি অমেয় সৌন্দৰ্যৰ সাঁচ বহুৱাই থৈ যায়, তাৰ আনন্দক দৈনন্দিন জীৱনৰ স্বাৰ্থ-কলুষতা, নিন্দা-অপযশ আৰু বিষয়-চিন্তাৰ গ্লানিয়ে মলিন কৰাৰ ক্ষমতা নাই। এই নতুন বিশ্বাসে মানুহৰ ভৱিষ্যৎ সম্পৰ্কে তেওঁক (ৱৰ্ডছৱৰ্থক) আকৌ এবাৰ আশ্বস্ত কৰি তুলিলে।" (—ৰমন্যাসবাদ, ১৯৯১, পৃ. ৪৯)

প্ৰকৃতিৰ এনে শক্তি সম্পৰ্কত কবি মহেন্দ্ৰ বৰাৰ নিজৰ অন্তৰতো হয়তো তেনে বিশ্বাসৰ বীজেই অংকুৰিত হৈছে। 'অৰণ্য-সন্ধ্যাৰ স্মৃতি'ৰ দৰে 'নিলগলৈ' শীৰ্ষক কবিতাতো তেওঁ প্ৰকাশ কৰিছে প্ৰকৃতিৰ সৌন্দৰ্য-শক্তিৰ ওপৰত আস্থা। ৰোমান্টিকসকলৰ দৰে কবি বৰাৰো অনুভৱ ঃ মানুহ প্ৰকৃতিৰ পৰা আঁতৰি আহিলেও প্ৰকৃতিয়ে মানুহক হাত বাউল দি মাতি আছে। আধুনিক সময়ৰ, বস্তুবাদী যুগৰ কবি হ'লেও তেওঁ প্ৰকৃতিৰ সেই আহ্বান শুনিয়েই যেন প্ৰকৃতিৰ মাজলৈ যাবলৈ ইচ্ছুক। 'অৰণ্য-সন্ধ্যাৰ স্মৃতি' শীৰ্ষক কবিতাটিত প্ৰকৃতিৰ প্ৰতি কবিৰ তেনে আকৰ্ষণ সুন্দৰকৈ প্ৰকাশ পাইছে। গধূলি মুকলি পথাৰত থিয় হৈ কবিয়ে ৰিং মাৰিছে। প্ৰতিধ্বনিৰ বিপৰীতে কবিৰ কাণত বাজিছে ম'হৰ ডিঙিৰ টিলিঙাৰ উৰুঙা শব্দ। নিস্তব্ধ গধূলিৰ পথাৰৰ বুকু ভেদি আহিছে সেই শব্দ। খন্তেক পিছতে কবিয়ে অনুভৱ কৰিছে ঃ প্ৰকৃতিয়ে সেই পুৰণি হাত বাউলিটো আৰু সুহুৰিটোৰে তেওঁক মাতিব লাগিছে—

*যেন কোন কাহানিবাৰে এটা পুৰণি হাত বাউল*
*কঁপি কঁপি নাচি*
*দলাঁহ নৰা পিতনিৰ ওপৰেদি*
*বিয়পি পৰিছে আকাশৰ পৰা আকাশলৈ*
*পাছ ল'বৰ মন যায় সেই সৰু সুহুৰিটোৰ কুঁৱলী ডবাৰ সিপাৰৰ পৰা*
*যিটোৱে চিঁ-চিঁ-কৈ*
*মাতি আছে মোক*
*নিলগলৈ।*

কবিৰ সেই সুহুৰিৰ 'পাছ ল'ব মন যায়', কিন্তু তাকে ক'ৰিব পৰা নাই। কাৰণ, তেওঁ আধুনিক সময়ৰ নাগৰিক জীৱনৰ অংশীদাৰ, যাৰ অন্তৰত বহুতো আশা-আকাংক্ষা আছে, কিন্তু নিষ্ঠুৰ বাস্তৱে তাক সফল হ'ব নিদিয়ে।

'অৰণ্য-সন্ধ্যাৰ স্মৃতি' কবিতাটিৰ তুলনাত 'নিলগলৈ' শীৰ্ষক কবিতাটি চুটি আৰু আটিল গাঁথনিৰ। শব্দৰ মিতব্যয়িতাই পংক্তিবোৰৰ কাব্যিক মূল্য বঢ়াইছে। কবিতাটিৰ অন্য এটি উল্লেখনীয় দিশ হ'ল মনোৰম চিত্ৰকল্পৰ প্ৰয়োগ। ডিঙিৰ টিলিঙা আৰু গধূলিৰ পথাৰ— এই দুটা উপাদানে সজোৱা এই চিত্ৰকল্পটি কেনে আকৰ্ষণীয় চাওক ঃ

*কাঠৰ খোলনিৰে সজা ম'হৰ ডিঙিৰ টিলিঙা*
*উৰুঙা শব্দবিলাক যাৰ*
*ওপঙি উঠিছে*
*নিস্তব্ধ গধূলি পথাৰখনৰ এই স্থিৰ শূন্যতাত*

জাপানী টংকা আৰু হাইকুৰ শৈলীৰ আৰ্হিতো মহেন্দ্ৰ বৰাই কেইটিমান কবিতা লিখিছে। 'আধা ডজন দুখ' শিৰোনামাৰ অন্তৰ্গত কবিতা ছয়টি এনে শৈলীত লিখা হৈছে। অৱশ্যে, এই শৈলীত কবিতা লিখি হীৰেন ভট্টাচাৰ্যই যেনে কৃতিত্ব দেখুৱাইছে, তেনে কৃতিত্বৰ পৰিচয় মহেন্দ্ৰ বৰাৰ কবিতামুঠিত পোৱা নাযায়। লিমাৰিক ৰচনাত বিশেষ কৃতিত্ব দেখুওৱা কবি বৰাৰ এই লানি কবিতাৰ কাব্যিক-আবেদনে পাঠকক বিশেষভাবে আলোড়িত কৰে বুলি ক'ব পৰা নাযায়। তথাপি, এই লানি কবিতাৰো কাব্যিক মূল্য আছে।

'আধা ডজন দুখৰ' কবিতাবোৰত কবিয়ে বিভিন্ন সময়ত লাভ কৰা অভিজ্ঞতা অনুভূতিৰ ছয়টি চিত্ৰ সহজ-সৰল কাব্যিক ভাষাত তুলি ধৰিছে। প্ৰথমটো 'দুখ'ৰ চিত্ৰ এনেকুৱা

*মোৰ মাজৰ কোঠাত আছিল ৰূপৰ ফুলদানীটোত*
*বতাহে কঁপাই থোৱা কেইপাহিমান পেন্সি ফুল*
*সিহঁতক দেখিলেই মোৰ হাঁহি উঠি যায়*
*ফুলবোৰ যেন দুষ্ট কেইটামান মেকুৰীৰ মুখ*
*মোৰ ফালে চাই এনেয়ে সিঙাৰি আছে*
*আজি পুৱা এপাহ ফুল মৰহি গ'ল।*

পেন্সি ফুলৰ লগত মেকুৰীৰ মুখৰ তুলনা আৰু ফুলে 'এনেয়ে শিঙাৰি' থকা চিত্ৰকল্পই কবিৰ বক্তব্য-বিষয় 'দুখ'ক (যিটো কবিতাটিৰ শেষৰ শাৰীটিয়ে স্পষ্ট কৰিছে) বিশেষ ৰূপত ফুটাই তোলাত বিশেষভাৱে সহায় কৰিছে বুলি ক'ব পৰা নাযায়। ফলত, 'আজি পুৱা এপাহ ফুল মৰহি গ'ল'— এই শাৰীটিয়ে পাঠকৰ অন্তৰত 'দুখ'ৰ ব্যঞ্জনা যিদৰে প্ৰকাশ কৰিব লাগিছিল, সেইদৰে প্ৰকাশিত নহ'ল।

অৱশ্যে, চাৰি নম্বৰ দুখৰ চিত্ৰটোত এনে আসোঁৱাহ দেখা নাযায় ঃ

*"পাত লুটিয়াই থাকোঁতে এনেয়ে কালিদাসৰ শকুন্তলা*
*চকু দুটা মোৰ থমকি ৰ'লহি চৰণ এটাত*
*চকুলোৰে য'ত দুগাল তিয়াই এজন মুনিয়ে ক'লে*
*মোৰ দৰে এজনৰ হৃদয়ো ব্যথিত হৈ উঠিছে*
*গৃহীবোৰে নেজানো কিদৰে ইত্যাদি ইত্যাদি।*
*মোৰ কোলাত বহি আছিল মোৰ সৰু ছোৱালীজনী।*

ইয়াত, কন্যাক বিয়া দি উলিয়াই পঠিওৱাৰ পাছত পিতৃৰ অন্তৰত ওপজা দুখৰ চিত্ৰ ইংগিতময়ী প্ৰকাশেৰে ফুটাই তুলিব বিচৰা হৈছে। কবি ৰূপী পিতৃ আৰু 'সৰু ছোৱালীজনী' ৰূপী কন্যাৰ আলফুলীয়া কিন্তু গভীৰ মৰমৰ সম্পৰ্কটো কণ্বমুনি— শকুন্তলাৰ উপমাৰে গভীৰতৰ কৰি তুলি 'দুখ'ৰ ব্যঞ্জনাক বিশেষভাৱে তুলি ধৰা হৈছে। ফলত দুখৰ চিত্ৰটি কাব্যিক গুণত চহকী হৈ পৰিছে। অতীত আৰু বৰ্তমানৰ দুখতকৈ ভৱিষ্যতৰ নিশ্চিত চিন্তাই সংবেদনশীল মানুহক অধিক বিচলিত কৰে। 'মোৰ কোলাত বহি আছিল মোৰ সৰু ছোৱালীজনী'— এই শাৰীটিৰে কবিয়ে তেওঁ ভৱিষ্যতে মুখামুখি হ'বলগীয়া সেই বিশেষ দুখৰ প্ৰতি ইংগিত কৰা কাৰণে সেই দুখ অধিক মৰ্মস্পৰ্শী হৈ পৰিছে।

কবি বৰাই অংকন কৰা দুখৰ অন্য চিত্ৰকেইটি কাব্যিক ব্যঞ্জনা সমৃদ্ধ এনে ওখ-খাপৰ চিত্ৰ বুলি ক'ব পৰা নাযায়।

মহেন্দ্ৰ বৰাৰ এমুঠি কবিতা আছে য'ত প্ৰেম-বিৰহ, জীৱন-সংগ্ৰামৰ চিত্ৰ অংকিত হৈছে। এই লানি কবিতাৰ ভিতৰত আছে— কেৰেণী শ্যেলীৰ চিঠি, গীৰ্জা ব্লাউজ আৰু শ্যেম্পেন, মধুমালতিৰ চিঠি, Come my beloved!, শূন্য এখনি সোণৰ পিৰিচ আদি। প্ৰতীক আৰু চিত্ৰকল্পৰ সংযোগত

ষ্টি কৰা এই লানি কবিতাইহে প্ৰকৃততে কবি বৰাৰ কবিতাৰ আধুনিক ৰূপটো স্পষ্ট কৰি তুলিছে। অকল এই কবিতালানিৰ ভিতৰত নহয়, তেওঁৰ সকলো কবিতাৰ ভিতৰতে শ্ৰেষ্ঠ কবিতাটি হ'ল 'কেৰেণী শ্যেলীৰ চিঠি'।

প্ৰেম-সপোনত উতলা কিন্তু জীৱন-সংগ্ৰামত জুৰুলা নিম্ন-মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিনিধি স্বৰূপ কেৰাণী এজনৰ সপোন আৰু বাস্তৱৰ সংঘাতৰ চিত্ৰ কবিয়ে নিটোল শব্দ-সজ্জা, ইংগিতধৰ্মী প্ৰকাশভংগী সত্বেও ফুটি উঠা পৰিচ্ছন্ন ভাব আৰু আকৰ্ষণীয় ব্যঙ্গৰে অংকন কৰিছে 'কেৰেণী শ্যেলীৰ চিঠি' শীৰ্ষক কবিতাটিত। কবিতাটিৰ নামকৰণো ব্যঞ্জনাময়। অদমনীয় প্ৰেম অনুভূতিয়ে ইংৰাজী সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ ৰোমাণ্টিক কবি পি. বি. শ্যেলীৰ ব্যক্তিগত জীৱন বিধ্বস্ত কৰি পেলাইছিল। প্লেটো আৰু গড্উইনৰ মুক্ত প্ৰেম সম্পৰ্কীয় দৃষ্টিভংগীৰ দ্বাৰা প্ৰভাৱান্বিত কবি শ্যেলীয়ে এক প্ৰকাৰ যাযাবৰী জীৱন কটাইছিল। বিভিন্ন সময়ত ভিন্ন নাৰীৰ প্ৰেমত মত্ত হৈ উৰণীয়া মৌৰ দৰে তেওঁ উৰি ফুৰিছিল। কবি সমালোচক ড০ বৰাই তেওঁৰ ৰহস্যবাদ নামৰ গ্ৰন্থখনত শ্যেলীৰ প্ৰেম সম্পৰ্কে লিখিছিল ঃ

"শ্যেলীয়ে তেওঁৰ হৃদয়ৰ উমনলা হেঁপাহেৰে এগৰাকী 'আত্মাৰ সহোদৰ' (sister of the soul) অথবা 'প্ৰতিবিশিষ্টৰূপ' (antetype)-ৰ অন্বেষণ কৰিছিল ঃ

*Alas, that love should be blight and snare*
*To those who seek all sympathies in one!*
*Such once I shought in vain : then black despair*
*The shadow of a starless night, was thrown*
*Over the world in which I moved alone.*

নক'লেও হ'ব, শ্যেলীৰ জীৱনৰ বহুখিনি ব্যৰ্থতাৰ বাবে দায়ী তেওঁৰ নিজস্ব এই ধাৰণাটো। প্ৰচলিত বিবাহ-প্ৰথাৰ বিৰুদ্ধে তেওঁ বিদ্ৰোহ কৰিছিল সঁচা কথা; কিন্তু, তাৰ বিষ পাত্ৰৰপৰা পান কৰিবলগীয়া হৈছিল, অকল তেওঁৱেই।"

মহেন্দ্ৰ বৰাৰ কবিতাৰ চৰিত্ৰ বৰুৱা কেৰাণীকো তেওঁৰ উদ্দাম প্ৰেম-অনুভূতিয়ে জুৰুলা কৰিছে। তেওঁ কেৱল সপোন দেখিছে— এদিন মন-প্ৰাণ শাঁত পেলোৱা এখনি প্ৰেম-পত্ৰ তেওঁ পাব, প্ৰেমিকাৰ প্ৰেমময়ী হাঁহিৰ খলকনি শুনিব। বাস্তৱত কিন্তু সেয়া নঘটে। কঠোৰ তেওঁৰ বাস্তৱ ঃ জাপ জাপ ফাইল আগত লৈ তেওঁ ঘন্টাৰ পাছত ঘণ্টা ধৰি কাম কৰিব লাগে— পে স্কেল আৰু ৰেচন কাৰ্ডৰ নিৰাপত্তাৰ নিমিত্তে। তেওঁ অন্তৰত আলফুলীয়া আশা এটি পুহি ৰাখিছে— টেলিফোনত তেওঁৰ সপোন কুঁৱৰীৰ সম্ভাষণ আহক, তেওঁৰ সপোন দিঠকত পৰিণত হওক। কিন্তু তেওঁলৈ ফোনত আহে কোনখন ৰেলগাড়ী কোন পথত চলিছে তাৰ হিচাপ। তেওঁলৈ চিঠি আহে কিমান টন তেল সৰবৰাহ হৈছে তাৰ হিচাপ লৈ। সপোন আৰু বাস্তৱৰ এই বিসংগতি কবিয়ে কেনে আকৰ্ষণীয় ৰূপত প্ৰকাশ কৰিছে চাওক ঃ

*সি বিচৰা চিঠিখন নাহিল! আজিও নাহিল।*
*বাহিৰত পালত বৰষুণ...*
*ইমান ধুনীয়া হ'লহেঁতেন এখন চিঠিৰে!*
*নীলা খামৰ চিঠিখন, কঁপা হাতেৰে খুলিছিল,*
*বুকুৰ ধপ্‌ধপনিটো কিমান আশাৰ চিঠি এইখন,*
*"বৰুৱা! আপোনাৰ টকা কুৰিটা যদি এই মাহতে ..."*
*ইমান আমনি লগা- তিতা লাগি যায় আজিৰ আবেলিটো*

.... .... ....

4 down, 9 up *তাৰ জীৱনৰ চিনাকি ছন্দ।*
*ফোনৰ আনটো মূৰৰপৰা যদি পাতল শব্দ কেইটামানকে*
*ওপঙি আহিলহেঁতেন; আৰু দুটামান টুকুৰা-টুকুৰ হাঁহিৰ শেষ খলকনি!*
*স্বপ্নৰ আমেজ ভাঙে, ফোন আৰু গাড়ীৰ কৰ্কশ স্পন্দনে।*
*চিঠি আহে। হালধীয়া খাম; হেজাৰ টন তেলৰ হিচাপ।*

কবিতাটিৰ আৰম্ভণিৰে পৰা শেষলৈকে প্ৰবাহিত হৈ থকা পাতল কিন্তু অনুকম্পা সৃষ্টিকাৰী এটি ব্যঙ্গ-স্ৰোতে ইয়াৰ কাব্য-মূল্য বঢ়োৱাত সহায় কৰিছে। শিৰোনামত ফুটি উঠা ব্যঙ্গ বিচ্ছুৰিত হৈ কবিতাটিৰ সামৰণিত পৰিচ্ছন্ন ৰূপ লৈছে, অথচ সিয়ে সৃষ্টি কৰিছে কাব্য-চৰিত্ৰটিৰ প্ৰতি সহানুভূতি। ইয়াৰ ফলতে পৰিণতি হৈ পৰিছে বিষাদময়। প্ৰেম-অনুভূতিৰ তাড়ণাত জীৱন ধ্বংস হোৱা কবি শ্যেলীৰ মৃত্যুৱে (নাও দুৰ্ঘটনাত শ্যেলীৰ মৃত্যু হয়) যি বিষাদ সৃষ্টি কৰে, তেনে বিষাদেই আলোচ্য কবিতাটিৰ সামৰণিত ফুটি উঠিছে ঃ

*সপোন দেখি দেখি তুমি শুই থাকা, কেৰেণী-কবি!*
*এটা শতিকাৰ পাছত,*
*তোমাৰ কবৰৰ ওপৰত পিয়নে চিঠি থৈ যাব। চিঠি আহিবই।*
*"মৰমৰ শ্যেলী! পাৰৰ উপকূল ছঁয়ামায়া জানো আমাৰ?*

ভাষ ভাবাৰ সুন্দৰ সমন্বয় সাধন হোৱা হেতুকে কবিতাটিৰ সৌন্দৰ্য বাঢ়িছে। আলোচ্য কবিতালানিৰ অন্য কবিতাবোৰ কাব্যিক সৌন্দৰ্যৰ বিচাৰত এই কবিতাটিৰ পৰ্যায়ৰ নহয় যদিও সিবোৰত প্ৰয়োগ কৰা চিত্ৰকল্পবোৰৰ কিছুমান আকৰ্ষণীয়, মন পৰশা। এই চিত্ৰকল্পবোৰত দেহী-অদেহী ৰূপ-ৰস-গন্ধ-বৰ্ণময় প্ৰতীকৰ সমাহাৰ ঘটিছে। কবিৰ এনে চিত্ৰকল্প দুটিমান তলত উদ্ধৃত কৰা হ'ল ঃ

*(ক) এটা সেউজীয়া গান গলি গলি*
*বগা বগা কুঁৱলীৰ স'তে উমলি উমলি মিলি গৈছিল*
*ফুল হৈছিল ৰঙা ৰঙা ফুল*
*মালতী আৰু মণিমালাৰ পকোৱা খোপাৰ ফুল।*
*(-- Come, my beloved!)*
*(খ) দেখা পালোঁ আকাশৰ দুৱাৰদলিত পূৰ্ণিমা ৰাতিৰ ঘূৰণীয়া জোন*
*ঠিক যেন এইমাত্ৰ বাথৰুমৰপৰা ওলাই অহা এজনী ছোৱালী*
*(– Come, my beloved!)*
*(গ) (আকাশ আকাশ নীলিম গভীৰ আকাশ) মই মৰি যাওঁ জানা।*
*খুব যে ধুনীয়া সেইকেইটা শাৰী (যেন নীলা ঢাকনিৰে ঢকা*
*এখনি অপূৰ্ব মেজ, য'ত আছে শূন্য এখনি সোণৰ পিৰিচ।)*
*(— শূন্য এখনি সোণৰ পিৰিচ)*
*(ঘ) নৈখন বৈ যায় ৰ'দ লৈ চিকুণ চাদৰ হৈ*
*সুদূৰ পূবৰ পৰা*
*মাথোন পশ্চিমলৈ*
*ক'ৰবাৰ কুঁৱলীত হেৰাই নোহোৱা হ'বলৈ (—ক্ৰমশঃ)*

কবি জীৱনানন্দৰ চিত্ৰকল্প সম্পৰ্কে আলোচনা কৰিবলৈ গৈ দীপ্তি ত্ৰিপাঠীয়ে আধুনিক বাংলা কাব্য পৰিচয় গ্ৰন্থত লিখিছিল ঃ

*'ইমপ্ৰেশনিষ্টদের মতোই কবির সৃষ্টির পটভূমিকা খোলা*
*আকাশ,প্ৰান্তর, সমুদ্ৰ। যে-প্ৰকৃতি মুহূৰ্তে বদলাচ্ছে রাত্ৰি থেকে*
*ভোরের আলোয়, ধূসর গোধূলি থেকে সন্ধ্যার গভীরে, কবি*
*কত তাড়াতাড়ি তাদের রূপটি ধরে রেখেছেন ইমপ্ৰেশনিষ্টদের*
*দ্ৰুত সোজা টনের মতো, সুমিত ভাষার বা প্ৰকরণের সূক্ষ্ম-সূক্ষ্ম*
*কৌশলের প্ৰতি খরদৃষ্টি না রেখেই।"*

কবি মহেন্দ্ৰ বৰায়ো প্ৰকৃতিৰ ৰূপ-ৰস-গন্ধ- বৰ্ণময় উপকৰণবোৰ লৈ চিত্ৰকল্পবোৰ সজাইছে। অৱশ্যে জীৱনানন্দৰ দৰে ভাব, প্ৰতীক, শব্দ আৰু ছন্দৰ সুসমন্বয় সাধন হোৱা মনোৰম চিত্ৰকল্পৰ সংখ্যা তেওঁৰ কবিতাত তাকৰ।

---

* প্ৰবক্তা, অসমীয়া বিভাগ

# কালি-দমন আৰু কালিয় দমন নাট

ড° সুধেন্দু মোহন ভদ্ৰ*

এক শৰণ ধৰ্ম্মৰ প্ৰৱৰ্ত্তক, সমাজ সংস্কাৰক, কবি, নাট্যকাৰ এই অতবোৰ প্ৰতিভা এজন দিব্যপুৰুষতেই বিকশিত হোৱাত মহাপুৰুষ বুলি শঙ্কৰদেৱ বন্দিত আৰু ই যথেষ্ট তাৎপৰ্য্যপূৰ্ণ। ইমানবোৰ গুণত মহীয়ান হোৱাৰ উপৰিও আধ্যাত্মিক সাধনাৰ অপাৰ মাহিমাও গুৰুজনাত সমন্বায়িত। তেওঁৰ বিভিন্ন কৰ্ম্মৰাজিৰ মাজেৰে জনগণৰ বিক্ষিপ্ত ধাৰণাক ঐক্যবিন্দুত সংলগ্নৰ মহান প্ৰয়াস সুব্যক্ত। তেনেকুৱা প্ৰয়াসৰ উৎস হৈছে ভাগৱত শাস্ত্ৰ। এই শাস্ত্ৰ অনুসৰণত এক শৰণ নাম-ধৰ্ম্ম প্ৰচাৰ আৰু উক্ত মতৰ সাপেক্ষিক ভাৱধাৰাৰ ঘনীভূত ৰূপ কৃষ্ণৰ লীলা-মাহাত্ম্য সম্বলিত নানা গীত আৰু নাটৰ সহায়ত ভক্তৰ মন আকৰ্ষণত নিহিত। বাসুদেৱৰ ঐশ্বৰীয় ঐশ্বৰ্য গুৰুজনাৰ সাহিত্যকৃতি প্ৰাণ। দেৱকীনন্দনৰ লীলাকেই কেন্দ্ৰ কৰি কীৰ্ত্তনৰ পদ, আকৌ সেই একেটা কাহিনীৰে আধাৰত নাট ৰচনাৰ অব্যাহত প্ৰৱাহে সৰ্ব্ব সাধাৰণৰ শ্ৰৱণ আৰু দৰ্শনেন্দ্ৰিয়ক পৰমেশ্বৰৰ লীলাত আপ্লুত কৰিবলৈ সম্ভৱতঃ তেনেকুৱা কৌশল উদ্ভাৱিত।

ব্ৰজবল্লভৰ বাল্যলীলা ব্যঞ্জক বৰগীতৰ মাধুৰ্য্যই সকলোৰে মন আৰু প্ৰাণ যিদৰে আহ্লাদিত কৰে, তেনেদৰে কৈশোৰৰ কীৰ্ত্তিবোৰো সমানে ৰোমাঞ্চকৰ। কালিয় দমন কাহিনীৰ আধাৰত ৰচিত 'কালি-দমন' কীৰ্ত্তনৰ পদ আৰু সেই একে কাহিনীৰ নাট 'কালিয় দমন'ৰ অভিনয়ে দৰ্শকক বাৰুকৈয়ে অনুৰঞ্জিত কৰে। অৱশ্যে কবি আৰু নাট্যকাৰ মহাপুৰুষজনাই কীৰ্ত্তনৰ মূল কাহিনীৰ ৰূপায়ন আৰু সেই কাহিনীভাগ নাটত অলপ বেলেগ ধৰণে পৰিৱেশন কৰিছে। এইদৰে কাহিনী এটাক শ্ৰব্য আৰু দৃশ্য কাব্যৰূপত দুই ধৰণে প্ৰকাশ কৰিবলৈ যোৱাৰ মূলতে সম্ভৱতঃ কবিয়ে ভগৱান কৃষ্ণৰ লীলা মাহাত্ম্যৰ অতি আকৰ্ষণীয় দিশ আৰু লগতে সেই একেটা কাহিনীৰেই ভগৱানৰ ঐশ্বৰীয় লীলা উপস্থাপন কৰিবলৈ ইচ্ছা কৰিছে যাতে কীৰ্ত্তন পঢ়োতে সেই লীলা শ্ৰৱণ আৰু অভিনয়েৰে তাৰ দৃশ্য চকুৰে উপভোগ কৰিব পাৰে। দৃশ্যাভিনয়ৰ মাধ্যমেৰে এটা বিষয় দকৈ মনত সোমায়। সেয়েহে মহাপুৰুষ জনাই কীৰ্ত্তনত বৰ্ণিত বিষয়টোকেই নাটতো পৰিবেশন কৰিছে যেন লাগে। আনহাতে নাট্যাভিনয়ে নৱবিধ ভক্তিৰ ভিতৰত কীৰ্ত্তন আৰু স্মৰণ শ্ৰেণীৰ ভক্তিৰ উপকৰণ হিচাবে কিছু সহায় কৰে বুলি ক'ব পাৰি। নাটৰ অভিনয়ে নাম আৰু ৰূপ স্মৰণত যথেষ্ট সহায় কৰে। এটা মাধ্যমেৰে দুটা বিষয় সিদ্ধ হ'লে তাক বেছি উপকাৰী বুলি সহজতে ক'ব পাৰি। কালিদমন কাহিনী কীৰ্ত্তনত পঢ়ি তাত মনোনিবেশ কৰোঁতে অলপ সময়ৰ প্ৰয়োজন হ'ব পাৰে। কাৰণ, সেই বিষয়খিনি ভালদৰে পঢ়ি তাত মনোনিবেশ কৰোঁতে অলপ সময়ৰ প্ৰয়োজন হ'ব পাৰে। কাৰণ, সেই বিষয়খিনি ভালদৰে পঢ়ি তাক দকৈ চিন্তা নকৰিলে সেইটো বেছি সময়ৰ বাবে স্থায়ী নহয়। আনহাতে, নাটৰ অভিনয় চোৱাৰ পৰা সেইটো অনায়াসে সাধিত হয়। কাৰণ, অভিনেতা বা অভিনেত্ৰীয়ে অভিনয়ৰ বিষয়খিনি নাটকীয় চৰিত্ৰটোক যথাৰ্থ ফুটাই তুলিবলৈ চৰিত্ৰটোৰ দৰেই অঙ্গিভঙ্গী, কথা বতৰা, মনৰ ভাৱ-আৱেগ আদি প্ৰকাশ কৰি দৰ্শকক অভিভূত কৰে। তদুপৰি নাটকীয় চৰিত্ৰটোৰ বাবে যেনেকুৱা সাজ-পোছাক আদিৰ প্ৰয়োজন তেনে ধৰণেই পৰিবেশন কৰা হয়। অভিনয় যথাৰ্থতে সাৰ্থক কৰি তুলিবলৈ অভিনয়ৰ চাৰিটা প্ৰকাৰ নিৰ্দিষ্ট হৈছে - 'স চতুৰ্বিধঃ। আঙ্গিকো বাচিকঃ সাত্ত্বিকঃ আহাৰ্যঃ' সমন্বয়ৰ উত্তম বাহক নাটৰ অভিনয় - উপলব্ধি কৰিয়েই সম্ভৱতঃ একেটা কাহিনীকেই শ্ৰব্য-কাব্য আৰু দৃশ্যকাব্যত ৰূপদান কৰি গৈছে। প্ৰয়োজন নোহোৱাকৈ কোনো কাৰ্য প্ৰৱৰ্ত্তিত। গতিকে তেওঁৰ মহৎ উদ্দেশ্য সাধনৰ বাবে অনুদ্দেশিতভাবে সেই কাম কেতিয়াও কৰা যে নাছিল সেইটো ধ্ৰুৱ।

মহাপুৰুষজনাই কালিসৰ্প দমনৰ লগত বনাগ্নিপানৰ কাহিনীটোও কালি-দমন শীৰ্ষক কীৰ্ত্তনত একেলগে বৰ্ণনা কৰিছে। 'বনাগ্নি পান' ঘটনাটোৰ পটভূমি হৈছে কালিয় দমন। কালিক দমন কৰিবলগীয়া নহ'লে যমুনাৰ পাৰত গোপবাসীৰ লগত কৃষ্ণ, যশোদা আৰু নন্দ ৰাতিটো কটাবলগীয়া নহ'লহেঁতেন। কীৰ্ত্তনত কালিদমনৰ লগত বনাগ্নি পানৰ তেনেকুৱা সম্বন্ধ পৰোক্ষভাৱে জড়িত কাৰণেই কবিয়ে দুয়োটা বিষয়ক একেটা শিৰোনামৰ অন্তৰ্ভূক্ত কৰিছে। প্ৰসঙ্গতঃ উল্লেখনীয় যে কালিয়দমন নাটখনতো দুয়োটা বিষয় একেটা শিৰোনামৰ অন্তৰ্ভূক্ত। আধিকাৰিকা বিষয়ক আনুষঙ্গিক কাহিনীয়ে কৃষ্ণৰ ঐশী লীলাক আৰু বেছিকৈ প্ৰকাশ কৰাত সহায় কৰিছে। ভাগৱত মহাপুৰাণত ব্যাসদেৱে কালিয়দমন আৰু বনাগ্নি পান বেলেগ বেলেগ অধ্যায়ত বৰ্ণনা কৰিছে।

'কালি-দমন' শীৰ্ষক কীৰ্ত্তন পদত কালিনাগ দমনৰ কথাখিনি সাধু কথাৰ দৰে গোৱা হৈছে। কিন্তু নাটখনত নাটকীয় পৰিৱেশ সৃষ্টিৰ কাৰণে কিছুমান কথা সূত্ৰধাৰৰ বচনত প্ৰকাশিত - "ঐচন লীলাকেলি কৌতুকে নৃত্য কৰিতে গোপাল সহিতে শিশুসব

কালিহ্রদক সমীপ পাৱল, সে পানী নাজানি পৰম পিয়াসে পীড়িত হুয়া সবহু হ্রদৰ জল উদৰ ভৰি পান কৰল। ততকালে দুৰ্যোৰ বিষজালা পানীয়ে চেতন হৰল। শৰীৰ কম্পি কম্পি প্ৰাণ চাৰি বৎস বৎসপালসৱ কালিন্দী তীৰে পাৰল।" নাটত সূত্ৰধাৰৰ এই কথাখিনি কীৰ্ত্তনত এইদৰে বৰ্ণিত হৈছে -

*"গোপশিশু সঙ্গে গৈলা বঝাই।*
*আগত গোধন বংশী বজাই।।*
*চাৰন্তে ফুৰন্তে গৰু গোৰক্ষ।*
*পাইলা যমুনাৰ তীৰৰ লক্ষ।।*
*কালিৰ হ্ৰদক তাক নাজানি।*
*তৃষ্ণাতে সবে পিলে বিষ-পানী।।*
*দাৰুণ বিষৰ লাগিল জ্বাল।*
*মলিৰ সবে বৎস বৎসপাল।।* (কীৰ্ত্তন ১২১-১২২)

নাটকীয় পৰিৱেশৰ কাৰণে ভটিমাৰ পিছত সূত্ৰধাৰৰ সম্বোধনসূচক কথাৰ লগে লগেই সঙ্গীৰ উক্তিৰ লগে লগেই মূল কাহিনীৰ সূত্ৰপাত হৈছে। কীৰ্ত্তনত তেনেকুৱা পৰিবেশৰ প্ৰয়োজন নাই কাৰণেই তাত কেৱল কথাখিনিহে পদত বিৱৰি গোৱা হৈছে। এটা কথা বিশেষ মন কৰিবলগীয়া যে মহাপুৰুষ জনাই কীৰ্ত্তনত গোৱা কথাখিনি আৰু নাটৰ আধিকাৰিক কথাৰ উপস্থাপনত অলপো বিসঙ্গতি দেখোৱা নাই। তেওঁ ইচ্ছা কৰিলে কীৰ্ত্তনৰ পদত কথাখিনি পদত বেলেগ ধৰণে শুৱলাকৈ প্ৰকাশ কৰিব পাৰিলেহেঁতেন। কিন্তু তাকে নকৰি কীৰ্ত্তন আৰু নাটৰ মাজত বৰ্ণনাৰ বিশেষ সাদৃশ্য বজাই ৰাখিছে যাতে সামাজিক সকলে কীৰ্ত্তনত পোৱা ঘটনাৰ হুবহু প্ৰতিফলন নাটত অনুভৱ কৰিব পাৰে বা নাটত দেখা কথাখিনি কীৰ্ত্তনত সহজে বুজি পাব পাৰে। সেয়েহে কীৰ্ত্তন আৰু নাটৰ কাহিনীৰ মাজত সমতা বিদ্যমান। নাট চাই আৰু কীৰ্ত্তন পঢ়ি বা শুনি যাতে কাৰো মনত অৰ্থদ্বৈধৰ সৃষ্টি নহয় তাৰ প্ৰতিও তেওঁলোক সজাগ কাৰণেই তাৰাই তেনেকুৱা ব্যৱস্থা হাতত লৈছে। ভাগৱতত বিশদভাৱে বৰ্ণিত কালিদমন আৰু বনাগ্নিপানৰ কাহিনী যিদৰে বিষ্ণুপুৰাণত এটি সাধুকথা কোৱাৰ দৰে বৰ্ণিত - তেনেদৰে নাটৰ কাহিনীখিনি তেনে আঁৰ নলগাকৈ কীৰ্ত্তনত সুমোৱা হৈছে। নাট আৰু কীৰ্ত্তনৰ একেটা ঘটনাৰ মাজত ন্যূনতম বৈসাদৃশ্য পৰিলক্ষিত নহয়। কীৰ্ত্তনতো যে ভাগৱতৰ শ্লোকৰ ভাঙনিসূচক পদে ঠাই পোৱা নাই এনে নহয়, কিন্তু তাত ভাষান্তৰকৰণতকৈ গোটেইখিনি কাহিনীৰ উপস্থাপনতহে গুৰুত্ব দিয়া দেখা যায়। সেয়েহে কীৰ্ত্তনত কবিজনাৰ নিজা বৈশিষ্ট্য বেছিকৈ প্ৰকাশ পাইছে। শ্ৰীকৃষ্ণৰ বিৱৰণমূলক কথাখিনি কবিৰ নিজা, কালি-দমনৰ বৰ্ণনাত কৃষ্ণৰ তেনেকুৱা বিৱৰণ নাই। পদ ৰচনাৰ ক্ষেত্ৰত মহাপুৰুষজনাৰ অগাধ কবিত্ব শক্তিৰ পৰিচয় পোৱা যায়। অৱশ্যে তাৰা সকলো ৰচনাতেই তাৰ চানেকি সুন্দৰকৈ প্ৰকাশ পাইছে। কৃষ্ণ কালিনাগৰ বিপাকত পৰাত ব্ৰজত তিনিপ্ৰকাৰ অমঙ্গলীয়া লক্ষণে দেখা দিয়াৰ কথাখিনি মহাপুৰুষ জনাই কালিয়দমন নাটত উল্লেখ কৰিছে আৰু তাতেই তাৰাই থলুৱা বিশ্বাস আদিৰো অৱতাৰণা কৰিছে। কিন্তু কীৰ্ত্তনত কেৱল কোৱা হৈছে যে কৃষ্ণৰ তেনেকুৱা দশাত গোকুলত অতি উৎপাতে দেখা দিছিল। এই প্ৰসংগত কীৰ্ত্তনৰ পদ প্ৰণিধেয়।

> "কীৰ্ত্তনতো যে ভাগৱতৰ শ্লোকৰ ভাঙনিসূচক পদে ঠাই পোৱা নাই এনে নহয়, কিন্তু তাত ভাষান্তৰকৰণতকৈ গোটেইখিনি কাহিনীৰ উপস্থাপনতহে গুৰুত্ব দিয়া দেখা যায়। সেয়েহে কীৰ্ত্তনত কবিজনাৰ নিজা বৈশিষ্ট্য বেছিকৈ প্ৰকাশ পাইছে। শ্ৰীকৃষ্ণৰ বিৱৰণমূলক কথাখিনি কবিৰ নিজা, কালি-দমনৰ বৰ্ণনাত কৃষ্ণৰ তেনেকুৱা বিৱৰণ নাই। পদ ৰচনাৰ ক্ষেত্ৰত মহাপুৰুষজনাৰ অগাধ কবিত্ব শক্তিৰ পৰিচয় পোৱা যায়।"

*"আতি উতপাত দেখি গোকুলে।*
*গোপ-গোপীজাক সমস্তে বোলে।।*
*জ্যেষ্ঠ বলভদ্ৰ লগে নগৈল।*
*কৃষ্ণৰ আজি তৈতে কিৰণ ভৈল।।"* (কীৰ্ত্তন - ১৩১)

নাটকত মহাপুৰুষজনাই ভাগৱতৰ শ্লোকত থকা অমঙ্গলসূচক তিনিপ্ৰকাৰ লক্ষণৰ উপৰিও আমাৰ সমাজত প্ৰচলিত কিছুমান কথাও জুৰি দিছে। এই প্ৰসঙ্গত সূত্ৰধাৰৰ বচন উল্লেখনীয় -

'তদন্তৰ গোকুলত নানা বিমঙ্গল মিলিল। ঘন ঘন ভূমিকম্প যাই, নিৰ্ঘাত পৰে, ঘৰে ঘৰে ফেকুৱা আৰাৱ কৰে, বৃক্ষ সৱ উভড়ি পৰে, স্ত্ৰীৰ দক্ষিণ, পুৰুষৰ বাম ফন্দে, তাহে দেখি সবলোক মহাভীতি ভৈল।"

নাটত কিছুমান ঠাইৰ সংলাপ ভাগৱতৰ অনুবাদ, আকৌ কীৰ্ত্তনৰ পদত যেন সেই নাটৰ সাৰ কাঢ়ি পদত ৰচিত হৈছে একে অৰ্থ। এফালে ভাগৱতৰ শ্লোকৰ গদ্য ভাঙনি আকৌ কীৰ্ত্তনত সেই গদ্যৰেই পদ ৰচনা যে কিমান গভীৰ পাণ্ডিত্যৰ কাম সেইটো অলপ চিন্তা কৰিলেই সকলোৱে বুজিব পাৰিব। নাট্যকাৰ আৰু

কীৰ্ত্তনৰ কবি হিচাবে একেজন দিব্য পুৰুষৰেই দ্বৈত প্ৰতিভা আৰু তাতেই তাৰাৰ বিশাল ব্যক্তিত্বৰো পৰিচয়।

কৃষ্ণৰ কালিসৰ্পৰ দংশনত গতপ্ৰাণ হোৱা দেখি যশোদা শোকত অধীৰ হৈ কান্দোতে গোপীসকলে যশোদাক কৃষ্ণৰ পূৰ্ব্বৰ স্মৃতিৰ কথা কৈ সান্ত্বনা দিয়া বুলি ভাগৱতৰ মূল শ্লোকত উক্ত হৈছে যদিও কীৰ্ত্তনৰ পদত কথাখিনি বেলেগ ধৰণে দিয়া হৈছে। কীৰ্ত্তনৰ পদত এইদৰে কোৱা হৈছে -

*"দেখি গোপ-গোপী সম্যক মৰিল।*
*প্ৰাণ অন্তৰীক্ষ চেতন ৰহিল।।*
*কৃষ্ণ কৃষ্ণ বুলি দিলেক গেড়ি।*
*কান্দে যমুনাৰ তীৰক বেড়ি।।*
*যশোদা সুন্দৰী নন্দ গোৱালে।*
*পাড়ন্ত লোটাৰি পৰি নিঢালে।।*
*কি ভৈল পুত্ৰ বুলি উকি দিয়া।*
*দুহাতে কাবলে ঢাকুৰে হিয়া।।"* (কীৰ্ত্তন ১৩৫-১৩৬)

নাটকত এই কথা বেলেগ ধৰণে পৰিবেশিত। তাত সূত্ৰধাৰৰ বচনত কোৱা হৈছে - "তদন্তৰ গোপী সৱে শোক শৈল্য পীড়িত হুয়া প্ৰাণ ধৰিতে নাপাৰি প্ৰাণ গোপালক মাটি লুটি ক্ৰন্দন কয়ে বোলল।" কালিয় দমন নাটকত যশোদাৰ শোক তাপিত উক্তিত বাৎসল্য প্ৰেমমূলক বিৱৰণ ভাগৱতৰ মূল শ্লোকত নাই, মহাপুৰুষ জনাৰ সেইখিনি নিজা সৃষ্টি। আনহাতে নাটকতো কবি একেধৰণেই সূত্ৰধাৰৰ বচনৰ জৰিয়তে বাৎসল্য প্ৰেমৰ অৱতাৰণা কৰিছে। পদ তিনিফাঁকিৰ লগত নাটকখনৰ বচনৰো যথেষ্ট সাদৃশ্য বিশেষ মন কৰিবলগীয়া বিষয়। যশোদাই কৈছে -

"আহে প্ৰাণ কত তপসাই তোহাক পুত্ৰ পাৱলো। অল্পতে অনাথিনী কয় হামাক তেজল। দেখু তোহাৰি সন্তাপে জীৱ ৰহয়ে নাহি, হা হা ওহি চান্দ বদনক কাহে দেলো, হামাৰ পুত্ৰক কে লিয়া যাই, গোধূলি আজু বংশী বজাই কে ব্ৰজক যাৱব, কাহেক ধূলা ঝাৰি বুকে বান্ধি কোলে ধৰব, কাহেক গোৰস পান কৰাৱব, কে ভেলি, আজু মেৰি কৃষ্ণ বাপ, কাহা গেলি এৰাঞো উহি তোহাৰি সন্তাপ।।"

কীৰ্ত্তনত বাৎসল্য প্ৰেমব্যঞ্জক পদবোৰ যে নাটখনৰ উক্তিৰ সৰল পদ ভাঙনি সেইটো সহজে অনুমেয়। সেই পদ কেইফাঁকি এই ধৰণৰ -

*কৃষ্ণৰ সুন্দৰ বদন চাই।*
*যশোদা কান্দন্ত গুণ বৰ্ণাই।*
*গোধূলি কোনে যাইবে বংশী বাই।*
*কোনে গৈয়া মোক বুলিবে আই।।*
*ধূলা জাৰি কাক কৰাইবো স্নান।*
*কোনে কৰিবেক গোৰস পান।।*
*কাক বিছাই দিবো শীতল তুলি।*
*ডাকিবো কাক জাগ কৃষ্ণ বুলি।।*
*সুন্দৰ বদনে বজায়া বেণু।*
*প্ৰভাতে কোনে চৰাইবেক ধেনু।।*
*কি ভৈল আজি কৃষ্ণ মোৰ বাপ।*
*মৰিও তড়াইবো তোৰ সন্তাপ।।"* (কীৰ্ত্তন ১৩৭-১৩৯)

কালিয় দমন নাট ৰচনাত মূলৰ লগত আনুষঙ্গিক স্থানোপযোগী কিছুমান বিষয় সোণত সুৱগা চৰোৱাদি সংযোজিত। কৃষ্ণৰ তেনেকুৱা অৱস্থা দেখি যশোদাৰ মনত বাৎসল্য প্ৰেমৰ সঞ্চাৰ হোৱাটো স্বাভাৱিক আৰু পুত্ৰৰ শোকত ব্যাকুলিত মাতৃৰ ক্ৰন্দনৰ লগে লগে সেইবোৰৰ স্মৃতিমূলক অভিব্যক্তি সাধাৰণ মানৱীয় প্ৰবৃত্তিৰ প্ৰমাণ। ভাগৱতৰ আধাৰত ৰচিত হলেও নাট আৰু কীৰ্ত্তনত এই ধৰণৰ কথাবোৰে কবিৰ নিজা বৈশিষ্ট্য বজায় ৰাখিছে। ভাগৱতত কালি নাগৰ দংশনৰ পিছত যশোদাৰ এনেকুৱা বাৎসল্য প্ৰণয়ৰ ভাবৰ

"কালিয় দমন নাটকত যশোদাৰ শোক তাপিত উক্তিত বাৎসল্য প্ৰেমমূলক বিৱৰণ ভাগৱতৰ মূল শ্লোকত নাই, মহাপুৰুষ জনাৰ সেইখিনি নিজা সৃষ্টি। আনহাতে নাটকতো কবি একেধৰণেই সূত্ৰধাৰৰ বচনৰ জৰিয়তে বাৎসল্য প্ৰেমৰ অৱতাৰণা কৰিছে। পদ তিনিফাঁকিৰ লগত নাটকখনৰ বচনৰো যথেষ্ট সাদৃশ্য বিশেষ মন কৰিবলগীয়া বিষয়।"

উক্তি নাই। যিকোনো ৰচনাতেই মূলত নথকা কথাৰ এইধৰণৰ সংযোজনে ৰচনাৰ সৌষ্ঠৱ যে বঢ়ায় সেইটো ক'ব পাৰি।

নন্দ আৰু যশোদা পানীত জাপ দিবলৈ যাওঁতে বলৰামে বাধা দি ক'বলৈ ধৰিলে বুলি ভাগৱতত কোৱা হৈছে কিন্তু নাটকত বলৰামে কি কৈছিল তাকো কোৱা হৈছে। আকৌ কীৰ্ত্তনতো নাটখনৰ দৰেই কথাবোৰ উপস্থাপিত হৈছে। কীৰ্ত্তনৰ পদত এইদৰে কোৱা হৈছে -

"এহি বুলি কান্দে কৃষ্ণক চাই।
যশোদা নন্দে ঝাম্প দিবে যায়।।
দেখি বলভদ্রে বাধিলো হাসি।
এখনে আসিবা কালিক নাশি।। (কীৰ্ত্তন - ১৪০)

নাটকত সূত্ৰধাৰৰ পিছত বলভদ্ৰৰ উক্তি বিশেষ প্ৰণিধেয়। সূত্ৰধাৰৰ বচন - "উহি বুলি কৃষ্ণক শোকে প্ৰাণঃ ধৰয় নাহি পাৰি গোপ-গোপী সহিত নন্দ-যশোদাই হা কৃষ্ণ, হা কৃষ্ণ বুলি হ্ৰদত ঝাম্প দিতে যাই। তাহে পেখি বলভদ্ৰ ৰহ ৰহ বোলি আগভেটি নিবাৰি বোলয়।" বলভদ্ৰই কথাফাঁকি এইদৰে কৈছে - *আহে পিতৃ-মাতৃ, গোপ-গোপী সব। কি কৰিতে চাব ৰহ ৰহ কিছু চিন্তা নাহি। তোহো সব কিছু জানয় নাহি। সৰ্পক দণ্ড কৰিল এথ। হান্তে খেদাইয়া, শ্ৰীকৃষ্ণ এতি ক্ষণে আৱব। তোহাসবে কৌতুকে দেখহ বৈঠি ৰহ।"* বলভদ্ৰই কোৱা কথাখিনি মূল ভাগৱতত নাথাকিলেও ব্ৰজবাসী আৰু নন্দ যশোদাক সান্ত্বনা দিয়াৰ কথাও তাত কৈছে। *কবিয়ে তাক নাটকত সংলাপ ৰূপ দান কৰি নাটকীয় দিশটো ফুটাই তুলিছে।*

কালিনাগৰ বিষম অৱস্থা দেখি নাগ পত্নীসকলে শ্ৰীকৃষ্ণক স্তুতি কৰি কালিক প্ৰাণে নামাৰিবলৈ কৃষ্ণক প্ৰাৰ্থনা কৰাৰ সবিশেষ কীৰ্ত্তনত বৰ্ণিত হোৱা নাই। তাত কেৱল কোৱা হৈছে যে নাগ পত্নীসকলৰ প্ৰাৰ্থনাত কৃষ্ণক প্ৰাণে নামাৰি তাক যমুনাৰ পৰা খেদাই পঠাই যমুনাৰ পাৰলৈ কৃষ্ণ আহিছিল আৰু নন্দ আৰু যশোদাই কৃষ্ণক আলিঙ্গন কৰি পৰম সন্তোষ লভিছিল। নাটকত কালিসৰ্পৰ দমন, নাগপত্নীসকলৰ স্তুতিত কৃষ্ণৰ দয়া আৰু কালি নাগক ৰমণক দ্বীপলৈ যাবলৈ কৈ গৰুড়ক ভয় কৰিব নালাগে বুলি কালিনাগৰ ফণাৰ ওপৰত ভগৱান কৃষ্ণৰ পদচিহ্ন স্থাপন আদি কথা কীৰ্ত্তনত উল্লেখ কৰা হোৱা নাই। কীৰ্ত্তনত কথাবোৰ যথেষ্ট সংক্ষেপ কৰিবলৈ কবিয়ে চেষ্টা কৰিছে। আনহাতে নাটত ভাগৱতৰ আৰ্হিত এই বিষয়বোৰ বিতংভাৱে শ্ৰীকৃষ্ণ, সূত্ৰধাৰ আদি চৰিত্ৰৰ বচনেৰে প্ৰকাশিত। যমুনাৰ পৰা কালিনাগ ক'লৈ গ'ল তাৰ সামান্য আভাষ কীৰ্ত্তনত থকাহেঁতেন ভাল হ'লহেঁতেন। কাৰণ, কালিনাগক কৃষ্ণই বধ কৰা নাছিল, তাক দমন কৰি যমুনাৰ পৰা আঁতৰাইছিল। গতিকে কালিনাগ শেষত ক'ত আশ্ৰয় লৈছিল তাত উল্লেখ নথকাৰ কাৰণে কীৰ্ত্তন পঢ়ি সেইটো জানিব নোৱাৰি। কালিনাগ যমুনাৰ পৰা ৰমনক হ্ৰদত আশ্ৰয় লোৱা বিষয়টো কালিদমনৰ অন্তৰ্ভুক্ত বুলিয়েই বিবেচিত হয়, নহ'লে কালিক দমন কৰাৰ পিছৰ অৱস্থা অজ্ঞাত হৈয়েই থাকে। সেইপিনৰ পৰা ৰমনক সৰোবৰলৈ কালি সৰ্পৰ গমনৰ কথাখিনি কীৰ্ত্তনত নথকাৰ বাবে আৰু কালিদমন শীৰ্ষক কীৰ্ত্তনৰ পদ কেইটাও 'কালিয় দমন' নাটৰ আৰ্হিত আদিৰ পৰা অন্তলৈকে উপস্থাপন কৰাত তাৰপৰা ৰমনক সৰোবৰলৈ কালিৰ আশ্ৰয় গ্ৰহণৰ সংযোজনে নাটখন কীৰ্ত্তনৰ কাহিনীৰ পৰিপূৰক বুলি কলে সম্ভৱতঃ ভুল নহয়।

*('কীৰ্ত্তন'ৰ উদ্ধৃতিসমূহ ড° মহেশ্বৰ নেওগৰ সম্পাদিত পুথিৰ পৰা সংগ্ৰহ কৰা হৈছে।)*

**"নাটকত কালিসৰ্পৰ দমন, নাগপত্নীসকলৰ স্তুতিত কৃষ্ণৰ দয়া আৰু কালিনাগক ৰমণক দ্বীপলৈ যাবলৈ কৈ গৰুড়ক ভয় কৰিব নালাগে বুলি কালিনাগৰ ফণাৰ ওপৰত ভগৱান কৃষ্ণৰ পদচিহ্ন স্থাপন আদি কথা কীৰ্ত্তনত উল্লেখ কৰা হোৱা নাই। কীৰ্ত্তনত কথাবোৰ যথেষ্ট সংক্ষেপ কৰিবলৈ কবিয়ে চেষ্টা কৰিছে।"**

* *মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ*



# ছাংগু হ্ৰদঃ সাধুকথাত আইতাই কোৱা ডাৱৰৰ সিপাৰৰ ধুনীয়া দেশ

পৰীক্ষিত ভৰদ্বাজ*

আইতাৰ মুখত শৈশৱৰ দিনবোৰত প্ৰায়েই শুনিছিলো পৰীৰ দেশৰ সাধু। ডাৱৰৰ সিপাৰৰ ধুনীয়া দেশখনৰ কথা ভাবি অ-আ-ক-খ শিকা বয়সতে মন ৰোমাঞ্চিত হৈ উঠিছিল। অবুজ মনে হয়তো ভাবিছিল - ময়ো যদি যাব পাৰিলোহেঁতেন সাধুকথাত আইতাই কোৱা ডাৱৰৰ সিপাৰৰ ধুনীয়া দেশখনলৈ। প্ৰথমে যেতিয়া অভিজিতে ছাংগু হ্ৰদলৈ যোৱাৰ প্ৰস্তাৱ দিছিল মই সেই সুযোগ হেৰুৱাব বিচৰা নাছিলো। অভিজিৎ বৰুৱা নামৰ মোৰ হাইস্কুলৰ সহপাঠী বন্ধুজনে গেংটকৰ প্ৰাইভেট কোম্পানী এটাত অভিযন্তাৰূপে চাকৰি কৰি আছে। সি বহুদিনৰে পৰা মোক তাৰ কৰ্মস্থানলৈ মাতি আছিল। সি জানিছিল - প্ৰকৃতিৰ প্ৰতি মোৰ অন্য এক আকৰ্ষণ আছে। অৰণ্য-হ্ৰদ-নদী-পাহাৰ বুলিলে মই বলিয়াৰ দৰে আচৰণ কৰোঁ। নিজৰ কাম-কাজ বাদ দি দিহিঙে-দিপাঙে যাযাবৰৰ দৰে ঘূৰি-ফুৰি প্ৰকৃতিৰ মাজত জীৱনৰ সুখ আৰু সন্তুষ্টিৰ ঠিকনা বিচৰা কথাটো বন্ধুৰূপে অভিজিতে ভালদৰে জানে বাবেই সি মোক ধৰিবৰ বাবে তাৰ বৰশীত 'ছাংগু হ্ৰদ'ৰ টোপ দিলে। ডাৱৰৰ সিপাৰৰ ধুনীয়া দেশ চাবলৈ মন ব্যাকুল হৈ থকা মোৰ বাবে প্ৰস্তাৱটো মানি লৈ যাত্ৰা কৰাৰ বাদে আন কোনো বিকল্প নাছিল। পলম নকৰি প্ৰস্তাৱ পোৱাৰ দুদিন পিচতে মই গুৱাহাটীৰ পৰা শিলিগুৰিলৈ বুলি ৰেলত উঠিলো। প্ৰথমে শিলিগুৰিলৈ বিয়া হোৱা বান্ধৱী ঝৰ্ণাৰ ঘৰত দিনৰ ভাতসাজ খাই দাৰ্জিলিং হৈ ছিকিমৰ ৰাজধানী গেংটকলৈ বুলি ৰাওনা হ'লো। মই গেংটকত উপস্থিত হওঁতে সন্ধিয়া হৈছিল।



গেংটকত আহি পোৱাৰ পাছত ফোন কৰি অভিজিতক মাতি পঠালো। সি তাৰ নিজৰ মাৰুতি ভানখনেৰে মোক বাছষ্টেণ্ডৰ পৰা তাৰ ঘৰলৈ লৈ গ'ল। ঘৰ ঠিক নহয় প্ৰাইভেট কোম্পানীয়ে দিয়া অতি বেছি দুজন মানুহ থাকিব পৰা এটা সৰু কোৱাৰ্টাৰ। অৱশ্যে প্ৰয়োজনীয় সকলো আচ-বাবেৰে তাৰ সৰু ঘৰটো পৰিপূৰ্ণ। দেখিলো বিচনাৰ কাষৰ টেবুলখনত 'ৰাম'ৰ হাফ বটল এটা, কাবত গৰম পানীৰ দুটা গিলাচ। মোলৈ চাই অভিজিতে হাঁহি মাৰি ক'লে - "আচৰিত হ'ব নালাগে, ঠাণ্ডা ঠাই। দুই এপেগ নললৈ 'বৰফ' হৈ যাবি। সেই নিশা দুই বন্ধুৰ শোৱা নহ'ল। সুখ-দুখৰ কথা পাতি থাকোতে নিশাটো পাৰ হৈ গ'ল। টোপনিটো চিলমিলকৈ আহিছিলহে এলাৰ্ম ক্লকৰ শব্দত সাৰ পাই গ'লো। দেখিলো অভিজিৎ গা ধুই সাজু। মোৰ বিচনাৰ কাবত একাপ গৰম চাহ। মই বিস্ময়েৰে অভিজিতলৈ চালো - সন্দেহ হ'ল সি সঁচাকৈয়েই জানো ইমান কৰ্তব্যপৰায়ণ? হাইস্কুলত পঢ়ি থাকোতে অভিজিতকৈ ধোদ আমাৰ ক্লাচত দ্বিতীয়টো নাছিল। কথাষাৰ তাক মনত পেলাই দিয়াত সি লাজ পালে। কৈফিয়ৎ দিয়াৰ দৰে সি ক'লে - "আচলতে দেওবাৰৰ দিনটোৱেই মোৰ বাবে বেষ্ট ডে। তোক আজিয়েই ফুৰাবলৈ নিনিলে প্ৰ'গ্ৰাম এসপ্তাহ পিচুৱাব লাগিব। প্ৰাইভেট কোম্পানীৰ চাকৰি। টকা যিমান দিয়ে কামো তাৰ দুগুন আদায় কৰে।" সময় অপব্যয় কৰাটো মোৰো নীতি বিৰুদ্ধ কথা। গতিকে খৰখেদাকৈ মুখ হাত ধুই পৰীৰ দেশত উল্লেখ থকা সেই মায়াৱে ভৰা হ্ৰদটো চাবলৈ সাজু হ'লো।

ছাংগু হ্ৰদটো গেংটকৰ পৰা ৪০ কিলোমিটাৰ নিলগত। সমুদ্ৰপৃষ্ঠৰ পৰা ১২২১০ ফুট উচ্চতাত পৰ্বতৰ শিখৰৰ মাজত প্ৰায় ৫০ ফুট গভীৰ এই হ্ৰদটো অৱস্থিত - গাইডে কোৱাৰ দৰে কথাখিনি কৈ অভিজিতে তাৰ মাৰুতি ভানখন ষ্টাৰ্ট দিলে। ৰ'দালি পুৱা কুঁৱলিৰ বাধা নেওচি আমাৰ মাৰুতি ভানখন আগবাঢ়িল ডাৱৰৰ সিপাৰৰ ধুনীয়া দেশলৈ। ছাংগু (ইংৰাজীত Tsangoo) হ্ৰদলৈ গেংটকৰ পৰা দূৰত্ব যদিও মাত্ৰ ৪০ কিলোমিটাৰ তথাপি আমাক পাহাৰৰ অকোৱা পকোৱা বাটেৰে ছাংগু পাবলৈ প্ৰায় দুঘণ্টা সময় লাগিল। আমাৰ মাৰুতি ভানখন পাহাৰৰ ওপৰলৈ উঠি যাব ধৰিলে। ছাংগু হ্ৰদ অৱস্থিত অঞ্চলটো এটা সংৰক্ষিত অঞ্চল। ইয়াত এটা সেনাবাহিনিৰ শিবিৰ আছে। গতিকে অনুমতি নাথাকিলে ছাংগু হ্ৰদলৈ পৰ্যটক যাব নোৱাৰে। অভিজিতে জনালে - সি আমি ছাংগু হ্ৰদ চাবলৈ যাব বুলি আগতীয়াকৈ কৰ্তৃপক্ষৰ পৰা অনুমতি লৈ থৈছে।

ছাংগু হ্ৰদলৈ গৈ থকা যাত্ৰাপথত মোৰ মনটোক প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই পুলকিত কৰি তুলিছিল। এনে লাগিছিল যেন শাৰী শাৰী পৰ্বতমালা গাতে গা লগাই আছে। ওখ-চাপৰ পৰ্বতমালাই ইটোৱে সিটোলৈ অভিমানী দৃষ্টিৰে চাইছে। ডাৱৰে ঢাকি ৰাখিব পৰা নাই পৰ্বতমালাৰ ওখ ওখ চূড়াবোৰ। নিস্তব্ধতা ভাঙি নিজৰাবোৰ শসব্দে তললৈ বাগৰি আহিছে। আমাৰ মাৰুতি ভানখন ছাংগু হ্ৰদৰ যিমানে কাষ চাপি আহিছে সিমানে মই উলটি যাব ধৰিছো - মোৰ শৈশৱলৈ। আইতাৰ কোলাত মূৰ থৈ সাধুকথা শুনা দিনবোৰলৈ। মোৰ এনে লাগিছিল যেন ইচ্ছা কৰিলে মই চুই চাব পাৰোঁ আমাক বাটভেটী ধৰা ডাৱৰবোৰক। লাহে লাহে কাষ চাপি অহা ডাৱৰবোৰ মোৰ চিনাকী যেন অনুভৱ হ'ল। ভাব হ'ল - ডাৱৰৰ সিপাৰৰ ধুনীয়া দেশত সঁচাকৈয়ে আছে নেকি সাধুকথাৰ পৰীবোৰ। সপোনৰ পৰা দিঠকলৈ আহিলো - অভিজিতে মাৰুতি ভানখনত থকা Fog lightৰ চুইচ্ অন কৰি আমাক বাটভেটী ধৰিব বিচৰা ডাৱৰবোৰক অতিক্ৰম কৰি যাব বিচৰাত। অভিজিতক ধমক দি সুধিবলৈ মন গৈছিল - কিয়? কিয় সি আমাক পৰীৰ দেশলৈ আদৰি নিবলৈ অহা ডাৱৰবোৰক দূৰলৈ খেদি পঠাব বিচাৰিছে। মই মাৰুতিভানৰ খিৰিকী খুলি ডাৱৰলৈ বন্ধুত্বৰ হাত আগবঢ়ালো। ডাৱৰৰ শীতল স্পৰ্শৰ অনুভৱে মোক পৰীৰ দেশলৈ স্বাগতম জনালে। শিহৰিত হৈ উঠিল মোৰ গা-মন। এটা সময়ত আমি ডাৱৰবোৰক বহু তলত এৰি থৈ আহিলো। সমুদ্ৰ পৃষ্ঠৰ পৰা ১২০০০ ফুট ওপৰলৈ উঠাৰ পিছত তললৈ চালেও আমি ডাৱৰৰ বাদে আন একো দেখা নোপোৱা হ'লো। ডাৱৰক এৰি থৈ অহাৰ পিছত এইবাৰ আমাক আদৰি নিবৰ বাবে আগবাঢ়ি আহিল বৰফ আৰু বৰফৰ শীতল, চেঁচা অনুভৱ। অভিজিতে ভানখনৰ ভিতৰত নিজে পেগ এটা লৈ আন এটা পেগ মোলৈ আগবঢ়াই দিলে। মই প্ৰতিবাদ নকৰিলো - বৰফৰ

"অভিজিৎ গা ধুই সাজু। মোৰ বিচনাৰ কাবত একাপ গৰম চাহ। মই বিস্ময়েৰে অভিজিতলৈ চালো - সন্দেহ হ'ল সি সঁচাকৈয়েই জানো ইমান কৰ্তব্যপৰায়ণ? হাইস্কুলত পঢ়ি থাকোতে অভিজিতকৈ ধোদ আমাৰ ক্লাচত দ্বিতীয়টো নাছিল।"



"মই সৰু থাকোঁতে আমাৰ ঘৰৰ সন্মুখৰ নাহৰ গছজোপাত কৃষ্ণৰাম নামৰ খেতিয়কজনে ম'হ বান্ধি থৈছিল। সেই ম'হ ৰখীয়াকেইটাক এটকা-আধলি দি পথাৰলৈ সিহঁতৰ সৈতে ম'হৰ পিঠিত উঠি যোৱাৰ অভিজ্ঞতা আছিল। য়কৰ পিঠিত উঠি ছাংগু হ্ৰদ চাবলৈ যাওঁতে ম'হৰ পিঠিত উঠি পথাৰলৈ যোৱাৰ স্মৃতিয়ে বাৰুকৈয়ে আমনি কৰিছিল।"

সৈতে সহাবস্থান কৰিবলৈ হ'লে নিজকে গৰম কৰি ৰাখিব লাগিব। আৰু মাত্ৰ ২১০ ফুট উঠিলেই আমি গন্তব্য স্থান পাম। মই খিৰিকীৰে বাহিৰলৈ চালো - ৰাস্তাৰ দুয়োকাষে পৰ্বতৰ স্তূপীকৃত বৰফ। সূৰ্যৰ পোহৰ বৰফত পৰি সৃষ্টি হৈছে বৰ্ণময় পৃথিৱী। অপৰূপ দৃশ্যই মোক হাত বাউল দি মাতিছে - অনুভৱ হৈছে মই যেন এতিয়া ভোগবাদী পৃথিৱীৰ যান্ত্ৰিক জীৱনৰ পৰা বহু দূৰৈত। আকাশ-বতাহ পৃথিৱী সকলোতে এক স্বকীয় অনুভৱ। বৰফবোৰ চুই চাবলৈ মন গ'ল। অভিজিতক ক'লো মাৰুতি ভানখন ৰখাই দিবলৈ। সি ৰখাই দিলে - দুয়ো পৰস্পৰলৈ চাই সুখ আৰু সন্তুষ্টিৰ হাঁহি মাৰিলো। পাহৰি গ'লো জীৱনৰ সকলো সমস্যা। বৰফবোৰ দুয়োটাই চুই চালো আৰু তাৰ পিচত ইটোৱে সিটোৰ গালৈ নিক্ষেপ কৰিলো। আগনিশাৰ অত্যাধিক বৰষুণৰ পানীবোৰ হঠাৎ ঘনীভূত হৈ স্ফটিক আকাৰ ধাৰণ কৰা নিমখৰ দৰে গুড়ি গুড়ি বৰফবোৰ। মনলৈ ল'ৰালি উলটি আহিল। কপিলীৰ পাৰত এটা সময়ত আমি পৰস্পৰে পৰস্পৰৰ গালৈ বালি চটিয়াইছিলো। ঘৰত ফাঁকি দি মা-দেউতাৰ অজানিতে কপিলী নৈত গা ধুবলৈ গৈ কৰা নিষ্পাপ ধেমালি আছিল সেইবোৰ...। আকৌ মাৰুতি ভানত উঠিলো। পোন্ধৰ মিনিটমানৰ ভিতৰত আমি উপস্থিত হ'লো সমুদ্ৰপৃষ্ঠৰ পৰা ১২,২১০ ফুট ওপৰৰ পৰ্বতৰ চূড়াত। আমাৰ চৌপাশে সেই সময়ত কেৱল বৰফ। যেন এখন শুভ্ৰ পৃথিৱী। মোৰ প্ৰিয় ৰং বগা, অভিজিতৰো। বৰফৰ শুভ্ৰতাত আমি দুয়ো মন্ত্ৰমুগ্ধ হৈ পৰিলো।

হ্ৰদৰ পাৰত আমাৰ বাবে অপেক্ষা কৰি আছিল আন এক বিস্ময়ে। এইবাৰ আমাক অভিনন্দন জনালে পিঠিত ৰঙা দলিছা বান্ধি সাজি কাচি ৰৈ থকা শাৰী শাৰী Yak য়ে। বৰফত চলাচল কৰা এইবিধ শান্ত নোমাল জন্তুৰ বিষয়ে মই আগতে মাথো শুনিছিলো আৰু পঢ়িছিলোহে। জীৱনত প্ৰথমবাৰৰ বাবে দেখিলো - পৰ্যটকৰ বাবে সুন্দৰকৈ সজাই ৰঙা ডিঙিত মণি, মূৰত ৰিবন আৰু শিং দুটাত উলেৰে বনোৱা টুপীৰ দৰে ৰঙীন পোছাক পিন্ধা মৰমলগা মৰম আকলুৱা প্ৰভুভক্ত জন্তুবিধক। আমিও Yak (য়ক)ৰ পিঠিত উঠি ছাংগু হ্ৰদ চাবলৈ যাত্ৰা আৰম্ভ কৰিলো - মোৰ বাবে ই নতুন অভিজ্ঞতা। আগতে হাতী, ঘোঁৰা আৰু ম'হৰ পিঠিত উঠিছিলো। মই সৰু থাকোঁতে আমাৰ ঘৰৰ সন্মুখৰ নাহৰ গছজোপাত কৃষ্ণৰাম নামৰ খেতিয়কজনে ম'হ বান্ধি থৈছিল। সেই ম'হ ৰখীয়াকেইটাক এটকা-আধলি দি পথাৰলৈ সিহঁতৰ সৈতে ম'হৰ পিঠিত উঠি যোৱাৰ অভিজ্ঞতা আছিল। য়কৰ পিঠিত উঠি ছাংগু হ্ৰদ চাবলৈ যাওঁতে ম'হৰ পিঠিত উঠি পথাৰলৈ যোৱাৰ স্মৃতিয়ে বাৰুকৈয়ে আমনি কৰিছিল। পৰ্বতৰ দাঁতিয়ে দাঁতিয়ে য়ক'ৰ পিঠিত উঠি ছাংগু হ্ৰদৰ পাৰে পাৰে ঘূৰিলো। বৰফত চুচৰিলো। মুঠিয়ে মুঠিয়ে বৰফ অভিজিৎ আৰু মই ইজনে সিজনৰ গালৈ দলিয়ালো। এককথাত আমি জীৱনৰ সকলো দুখ-কষ্ট পাহৰি পেলালো। দেখি ভাল লাগিল ছিকিমৰ মহিলাবোৰে সমুদ্ৰপৃষ্ঠৰ পৰা ১২২১০ ফুট উচ্চতাতো চাহৰ দোকান দিছে। সৰু সৰু চাহৰ দোকানবোৰত কেমেৰাৰ ৰীলকে ধৰি পৰ্যটকৰ বাবে প্ৰয়োজনীয় সৰু-ডাঙৰ ভালেমান সামগ্ৰী পোৱা যায়। এটা সময়ত আমি ছাংগু হ্ৰদৰ পৰা বিদায় ল'লো। পৰীৰ দেশৰ পৰা আমি বাস্তৱলৈ উলটি আহি থাকোতে দেখিলো বহুজাতিক কোম্পানীৰ শীতল পানীয় ক'কৰ এক বিজ্ঞাপন - 'এনজয় ক'ক-কোলা'। ক্ষন্তেক মনটো সেমেকি গ'ল। ভোগবাদী মানসিকতাৰ পৰা মুক্ত হ'ব বিচাৰিলেও আমাক প্ৰলোভনৰ টোপে সকলোতে খেদি ফুৰিছে। আনকি পৰীৰ দেশতো! বৰফৰ মাজত শীতল পানীয়ৰ বিজ্ঞাপন ! অভিজিতে পেগ এটা, মোৰ ফালে আগবঢ়াই দি ক'লে 'Enjoy yourself'.






# দুহেজাৰৰ পিছত কটনিয়ানৰ গল্প

দেবব্রত দাস*

**প্রস্তাবনা ঃ** প্রায় দহ বছৰ মান আগেয়ে তাৰ আগৰ পাঁচ বছৰ মানৰ পাঁচখন মান 'কটনিয়ান'ত ছপা হোৱা চুটি গল্পবোৰ পঢ়ি উঠি তাৰ গুণাগুণ চালি জাৰি চোৱাৰ সৌভাগ্য হৈছিল। সেইখন পঢ়ি উঠি 'কটনিয়ান'ৰেই ৭০তম সংখ্যাত এখন সমালোচনা জাতীয় ৰচনা লিখিছিলো সম্পাদকৰ আগ্রহত - 'নব্বৈ দশকত কটনিয়ানৰ গল্প'। আকৌ দহ বছৰমানৰ মূৰত এই একে একেটা কাম কৰিবলৈ প্রবৃত্ত হৈছোঁ এই সংখ্যাৰ সম্পাদিকাৰ আগ্রহত। অৱশ্যে তেতিয়াৰ সৈতে এতিয়াৰ এই গল্প পাঠ বা তাৰ ৰসাচ্ছাদনত কিঞ্চিৎ তফাৎ আহি পৰিছে।

প্রথমতে, ৰচনা লেখকৰ বয়সোজনিত কাৰণত যৌৱনৰ উৎসাহ আৰু উদ্যমত কিঞ্চিৎ বাধাই দেখা দিছে। যোৱাবাৰ মই প্রাপ্ত কটনিয়ানৰ সংখ্যা কেইটাৰ কেউটা গল্প নিজে পঢ়ি উঠি তাৰ উৎকৃষ্টতৰ গল্পবোৰৰ ওপৰত মন্তব্য দিছিলো। এইবাৰ সকলোবোৰ গল্প মই নিজে পঢ়ি বাছনি কৰা নাই। সম্পাদনা সমিতিয়ে মোৰ কামটো সহজ কৰাৰ বাবে প্রতিটো সংখ্যাৰ পৰা চাৰি পাঁচটাকৈ চুটি গল্প চয়ন কৰি মোক পঢ়িবলৈ দিছে। এই পঁচিশ ছাব্বিশটা গল্পৰ গোটেই কেইটা সমানে উৎকৃষ্ট বুলি ক'ব নোৱাৰি। তদুপৰি মোৰ মনত এটা সংশয় থাকি গৈছে যে মোৰ শাৰিৰীক আৰু বয়সজনিত কাৰণত মই নিজে এই চয়ন প্রক্রিয়াত ভাগ নোলোৱাত এনে কিছু গল্প হয়তো মোৰ দ্বাৰা অপঠিত ৰৈ গ'ল যিবোৰ চয়নত নুঠিলেও কিজানি মোৰ গ্রহণ শক্তিয়ে ভাল গল্প বুলি এই ৰচনাত সন্নিবিষ্ট কৰিলেহেঁতেন। এই সম্ভাৱনাটোৱে তেওঁলোকৰ গল্প ৰচনাৰ কষ্টখিনিৰ হয়তো উচিত মূল্য নিদিলে - এনে এটা সংশয় মোৰ মনৰ কোণত ৰৈ গ'ল। তথাপি যিকেইটা গল্প পঢ়িলো তাৰ মূল্যায়নত সংক্ষিপ্ততাৰে হ'লেও আন্তৰিকতাৰে তলৰ কথাখিনি লিখি উলিয়ালো - এজন সমালোচকৰ সজ্ঞান নিৰপেক্ষতাৰে নহয় নিস্পৃহ পাঠক এজনৰ সহৃদয় বিতচকু পিন্ধি।

**মূল ৰচনাখন ঃ**

২০০০-২০০১ চনৰ কটনিয়ানৰ তিনিওটা গল্পৰেই নিজস্ব বৈশিষ্ট্য পৰিলক্ষিত হৈছে। **প্রাঞ্জল শৰ্মা বশিষ্ঠৰ** গল্প 'দাহিতা' মই দুবাৰ পঢ়িলো। প্রথমবাৰৰ দ্রুত পাঠত মোৰ ধাৰণা হ'ল গল্পটোত বৰ্ণনাৰ বাহুল্যই পাঠকক আমনি কৰিব। তথাপি মই দ্বিতীয়বাৰ পঢ়োতে মোৰ ধাৰণা হ'ল লেখকৰ ৰচনাত লেটিন আমেৰিকাৰ সাহিত্যত উপলব্ধ যাদুকৰী বাস্তৱ ধাৰাৰ পৰশ পৰিছে। অসমৰ গাঁও চহৰত প্রচলিত ভুত প্রেতৰ বৰ্ণনাৰ আধাৰত এটা দৰিদ্র পৰিয়ালৰ মাক জীয়েকৰ ওপৰত আঢ্যৱন্ত মৌজাদাৰৰ পিতা পুত্রৰ আহ যাহৰ জৰিয়তে আগ্রহ প্রকাশৰ আতিশয্যৰ ভিন্নতা আৰু তাৰ ভয়াবহ পৰিণতি অকাঁ হৈছে গল্পটোত। গল্পাংশ আৰু বেছি মনোগ্রাহীকৈ বৰ্ণাব পাৰিলে হয়তো অসমীয়া গল্প সাহিত্যত এই গল্পটোৱে এক বিশিষ্ট স্থান লভিব পাৰিলেহেঁতেন।

**মণিকা দেবীৰ** 'ছাঁ পোহৰৰ খেল' এটা সহজ প্রেমৰ গল্প। কিন্তু একেটা সন্দৰ্ভ প্রেমিক প্রেমিকাৰ নিজা নিজা দৃষ্টিভংগীৰে পৰিবেশিত কৰি বৰ্তমানৰ প্রেমৰ উচ্ছ্বাস শাৰীৰিক মানসিকভাৱে একাত্ম হোৱাৰ নিষ্ফল আকৃতি আৰু তাৰ মাজে মাজে আপেক্ষিক আৰ্হিক সীমাবদ্ধতাই বহন কৰা এটা অসফল ভৱিষ্যতৰ ভাৱনাৰে আজিৰ যুৱক যুৱতীৰ মানসিক অৱস্থাৰ বাস্তৱ মনোৰমকৈ ফুটাই তুলিছে বিশেষ নৈপুন্যৰে। এটা বেছ ভাল গল্প।




আকাশবন্তি গগৈৰ 'গৰা-খহনীয়া'ৰ গল্পাংশ উৎকৃষ্ট। নায়িকা মণিমালাৰ জীৱনত গল্পত অনুপস্থিত মৃন্ময় আৰু উপস্থিত মৃন্ময়ৰ সন্দৰ্ভ অথবা তাইৰ সৈতে সিহঁতৰ বাস্তৱ সম্পৰ্কটো স্পষ্টভাৱে অংকিত নহ'লেও তাৰ সাধাৰণ তাইৰ বৰ্তমান জীৱনত অংকিত ছবিবোৰ বা শেষ নিৰ্ণয়বোৰ মানি লোৱাটো কিঞ্চিৎ কষ্টপ্ৰদ। তথাপি লেখিকাৰ কলমত ভৱিষ্যতৰ বাবে সম্ভাৱনা বিচাৰি পোৱা যায়।

২০০১-২০০২ চনৰ 'কটনিয়ান'ৰ আটাইতকৈ উৎকৃষ্ট গল্পটো হ'ল দেৱপ্ৰতীম (প্ৰতিম?) হাজৰিকাৰ 'বিক্ষিপ্ত'। এজন যুৱকৰ আশা নিৰাশাৰ মাজেৰে চৌপাশৰ পৃথিৱীখন অৱলোকন কৰিবলৈ গৈ অসাম্যৰ মাজত নিজকে বিচাৰি চোৱাৰ অভিযান, আপাত অসফলতা, ভৱিষ্যতৰ কণ্টকময় পথৰ মাজতো সপোন দেখাৰ অধিকাৰ, আগত জীৱনৰ বাবে কষ্ট স্বীকাৰৰ অংগীকাৰ এনেবোৰ যোগাত্মক ধাৰণা একেটা চৰিত্ৰৰ ভগ্নাংশ ব্যক্তিত্ব (SPLIT PERSONALITY) অংকনেৰে এটা উপাদেয় চুটি গল্প লেখি উলিয়াইছে দেৱ প্ৰতীমে। এওঁ পিছলৈও অসমীয়াত গল্প লেখি আছে নে চাগে?

প্ৰাঞ্জল শৰ্মা বশিষ্ঠই লেখা 'জীৱন' আৰু এটা ভাল গল্প। গাঁৱৰ শৈশৱৰ নিজা অভিজ্ঞতাৰে আলোকচিত্ৰ সুলভ বৰ্ণনাৰে উপস্থাপিত। অৱশ্যে শিশুৰ মানসিকতাত সামূহিক অকাৰ্য (জন্তু চিকাৰ)ৰ উল্লাসৰ মাজত গল্পত চিত্ৰিত Protagonist অৰ অনুতাপ পশ্চাতাপ খিনি শিশুসুলভ অভিজ্ঞতাত সাধাৰণতে প্ৰাপ্ত নহয়।

অঞ্জনাময়া ডেকা পাটগিৰিৰ 'কাজলী'ৰ ৰচনা ৰীতিত নিপুণতা বিদ্যমান। গল্পাংশও মোটামুটিকৈ সুপাঠ্য। অসুন্দৰ নায়িকা কাজলীৰ প্ৰত্যাখ্যানৰ পিছত বহুদিন নিৰ্বাসনত থকাৰ পিছত পুৰুষ চৰিত্ৰৰ পুনৰ আশ্ৰয় সন্ধানৰ বাবে কাজলীৰ ওচৰলৈ উভতি যোৱাৰ নিৰ্ণয়ত ৰোমাণ্টিকতা বেছি, বাস্তৱ বোধগম্যতা কম পৰিলক্ষিত হ'ব।

২০০২-২০০৩ চনৰ 'কটনিয়ান'ত ছপা হোৱা গল্পকেইটাও কম বেছি পৰিমাণে বেছ ভাল। দেৱপ্ৰতীমৰ 'ক্ৰাইচিচ'ত চুটিগল্প সাহিত্যৰ উৎকৃষ্টতম নিৰ্মাতা অ' হেনৰীৰ এটা বিখ্যাত গল্পৰ প্ৰতিপাদ্যৰ আধাৰত লেখি উলিয়াইছে এজন যুৱকৰ জীৱনৰ সীমাবদ্ধতাৰ ছবি। প্ৰেমিকাৰ ইপ্সিত ভৱিষ্যৎ যুৱকৰ বাবে সহজ উপলব্ধ নহয় - এইটোৱেই সমস্যা - ক্ৰাইচিচ্।

আৰুণি কাশ্যপৰ 'হাঁহি-কান্দোনৰ এক নামান্তৰ'ৰ গল্পাংশ বেছ মজবুত। মাথো পৰিবেশনত বৈশিষ্ট্যৰ অভাৱত গল্পটো উৎকৃষ্টতাৰ পৰ্যায়লৈ নগ'ল। আজিকালিৰ অসমত ৰাষ্ট্ৰ সন্ত্ৰাসত বিদীৰ্ণ গ্ৰামাঞ্চলৰ এক 'অপুত্ৰকা' নাৰীৰ জীৱনৰ বেদনা তাইৰ ওপৰত সামাজিক পাৰিবাৰিক অবিচাৰৰ ওপৰতে কোনো সৈনিক দুৰাচাৰে বলৎকাৰৰ পিছত মাতৃত্ব লভাৰ ঘটনা সাধাৰণ ভাৱে বৰ্ণিত। এটা মুটামুটি ভাৱে ভাল গল্প।

দিব্যজ্যোতি বৰাৰ 'সময়' পঢ়িলোঁ। মূল চৰিত্ৰ লতিকাৰ কথা-বতৰা ভাব-উপলব্ধি এইবোৰ মোৰ বোধগম্য নহ'ল। প্ৰেমৰ মাজত শাৰীৰিক আতিশয্য পছন্দ নকৰা নাৰী চৰিত্ৰ নিশ্চয় পৃথিৱীত অসংখ্য বিচাৰি পোৱা যাব কিন্তু এইবোৰৰ সাধাৰণীকৰণ বৰ বিশ্বাসযোগ্য নহয়। স্বামী নিৰঞ্জন আৰু দ্বিতীয় স্বামী বিবেকৰ কৰ্মকাণ্ড আচাৰ ব্যৱহাৰো বৰ বিশ্বাসযোগ্য নহয়। বিফল লতিকা শেষ পৰ্যন্ত সাগৰৰ বুকুত আত্মজাহৰ নিৰ্ণয়খিনিও লতিকাৰ ওপৰত নিৰ্ভৰ নহয়। গল্পটো পাঠৰ সময়ত এটাই মাথোন উৎসাহৰ কথা মই অনুভৱ কৰিছিলো সেইটো হ'ল দিব্যজ্যোতিৰ সাৱলীল ভাষা। আৰু বেছি লেখা মেলা কৰি থাকিলে, চিন্তা ভাৱনা বাস্তৱসম্পন্ন হ'লে তথা চিন্তাভাৱনা ঋজু আৰু স্বচ্ছতৰ হ'লে উৎকৃষ্ট সাহিত্যকাৰ হোৱাৰ প্ৰতিশ্ৰুতি আছে দিব্যজ্যোতিৰ কলমত।

২০০৩-২০০৪ চনৰ 'কটনিয়ান'ৰ পৰা যি তিনিটা গল্প মোৰ বাবে বাচি দিয়া হৈছে সেই গল্পকেইটা তুলনামূলক ভাৱে সিমান উৎকৃষ্ট নহয়। অনুপল বৰাৰ 'কুকুহা' এটা সাধাৰণ গল্প বৰ্ণনাৰ শৈলীও যথাৰীতি। তুলিকা চাংমাইৰ 'তোৰে সমান হ'ব কোন?' আন এটা সাধাৰণ গল্প। দৰিদ্ৰ গাৱলীয়া পৰিয়ালৰ পদ্মা মদাহী গিৰিয়েকৰ অত্যাচাৰত জৰ্জৰিতা। কিন্তু তাৰ মৃত্যুৰ পিছতহে তাই বুজি উঠে সম্পৰ্কৰ মাহাত্ম্য।

প্ৰাৰ্থনা শইকীয়াৰ 'ছাঁ'ত আজিৰ যুৱক-যুৱতীৰ প্ৰেমজনিত আশা-আকাংক্ষা আৰু সহজ ভৱিষ্যতৰ আধাৰত কাল্পনিক 'ইউটোপিয়া'ৰ মৃত্যুৰ সম্ভাৱনা অঁকা হৈছে। এটা ভাল গল্পৰ প্ৰতিশ্ৰুতি অসাৱধান ৰচনাৰীতিৰে ভুল পথে চালিত কৰিছে। গল্পটোৰ মাজে মাজে 'ফঁচি গ'ল' বাক্যাংশটো তাৎপৰ্যপূৰ্ণ ভাৱে ব্যৱহৃত। এনে আচহুৱা বাক্যাংশ আজিৰ যুৱক যুৱতীৰ কথোপকথনৰ মাজত 'দূৰ দৰ্শনীয়' হিন্দী ভাষাৰ উপদ্ৰৱে সহজে উপস্থাপিত কৰিছে। কিন্তু লিখিত সাহিত্যত এনে উপদ্ৰৱ সহজ অসমীয়াৰে 'আবদ্ধ' কৰি পেলোৱাটো আনৰ বাবে হওক নহওক এই লেখকৰ বাবে বিশেষভাৱে আলোকিত। আশাৰ কথা এয়ে যে লেখিকাৰ ভাষা প্ৰাঞ্জল আৰু নিমজ। অৱশ্যে কথোপকথনত ব্যৱহৃত ভাষাৰ প্ৰতি অনুৰাগ (ইঞ্জিনিয়াৰে..........প্ৰেমৰ প্ৰস্তাৱ দিলে..........তাই yes ক'লে) কিঞ্চিৎ পৰিমিত হ'লে



ভাল আছিল।

এই সংখ্যাৰ গল্পবোৰত বৰ্ণাশুদ্ধিও পৰিলক্ষিত হৈছে দৃষ্টি কটুভাবে। এই ভুলবোৰ, মোৰ ধাৰণা, লেখক লেখিকাতকৈও প্ৰুফ ৰীডাৰৰ অসাৱধানতাৰ ফল। যাওঁক (যাওক), বিৰোধীতা (বিৰোধিতা) পদাৰ দৰা (পথাৰ ডৱা) নীৰিক্ষণ (নিৰীক্ষণ) আদিৰ দৰে বৰ্ণাশুদ্ধি অথবা কথাতো (কথাটো) ইৎস্যুকতা (উৎসুকতা) আদি সাধাৰণতে কটনিয়ানৰ পাতত দেখা মনত নপৰে।

২০০৪-২০০৫ চনৰ গল্পকেইটাৰ ভিতৰত সৃষ্টি শ্ৰেয়মৰ 'ৰাফ কপি'টো আটাইতকৈ সুপাঠ্য। বিশেষ নিৰ্দিষ্ট গল্পাংশ নিৰ্ভৰ নোহোৱাকৈ লেখিকাই নিৰ্মাণ কৰিছে এটা সঠিক অৰ্থৰ আধুনিক গল্প। আপাত অদৰকাৰী তত্ত্বোৰতো যে জীৱনৰ লাগতিয়াল অৰ্থ লুকাই থাকিব পাৰে তাক উপস্থাপিত কৰিছে ক্লাচত ব্যৱহৃত 'ৰাফ কপি' অথবা বাহিৰা বহীখনৰ আধাৰত। আপত্তিৰ কথা এয়ে যে বাস্তৱ জগতত দাৰিদ্ৰৰ দৰে দৰ্কাৰী সমস্যাৰ আংশিক ইংগিত আওপকীয়াকৈ গল্পত উপস্থিত হৈছে কিন্তু তাৰ গভীৰভাৱে অৱলোকন অথবা তাৰ পৰা উত্তৰণৰ ইংগিত নাই। অৱশ্যে চুটি গল্পৰ পৰিসৰত সেয়া সম্ভৱো নহয় অথবা অপেক্ষিতো নহয়। 'ৰাফ কপি' এনে সীমাবদ্ধতাৰ মাজতো এটা বেছ ভাল গল্প।

অংগনা চৌধুৰীৰ 'অমৃতৰ পুত্ৰ'ও এটা সুপাঠ্য গল্প। অৱশ্যে শেষৰ সংযোগখিনিয়ে গল্পটোৰ আবেদন বঢ়াইছেনে নাই সেইটো বিতৰ্কৰ বিষয়।

জয়শ্ৰী চহৰীয়াৰ 'আত্মানুৰাগ'ত চহৰৰ মানব সমাজ কেনেকৈ সময়ৰ লগে লগে প্ৰকৃতিৰ মৰম আশ্ৰয়ৰ পৰা আঁতৰিবলৈ আৰম্ভ কৰিছে তথা আগৰ প্ৰজন্মবোৰ কেনেকৈ যান্ত্ৰিক জীৱন যাপনলৈ আঁতৰি যাব ধৰিছে তাৰ ইংগিত বহন কৰিছে। এটা সাধাৰণভাৱে ভাল গল্প।

**শেষত দুআষাৰ ঃ**

'নব্বৈৰ দশকত কটনিয়ানৰ গল্প' নামৰ ওপৰত উল্লেখ কৰা ৰচনাখনৰ শেষত মই কেইটামান মন্তব্য দিছিলো। তাৰে কেইটামান এতিয়াও প্ৰযোজ্য। সেইকেইটা তলত পুনৰ তুলি দিছোঁ ঃ

"(১) 'কটনিয়ান'বোৰত খেল-ধেমালি বা গীত-সংগীত প্ৰতিযোগিতাৰ ফলাফল ঘোষিত হয়, দেখা পাইছোঁ কিন্তু সাহিত্য প্ৰতিযোগিতাবোৰৰ ফলাফল কিয় প্ৰকাশ নহয়? এই বিসংগতিটোৰ কাৰণ বুজি নেপালো।

(২) গল্পবোৰৰ সশ্ৰদ্ধ পাঠে মোক আন এক ধৰণে উপকৃত কৰিছে। সেইটো হ'ল গল্পবোৰত ফুটি উঠা যুৱ মানসৰ ছবি প্ৰতিচ্ছবি বোৰেৰে নব্বৈৰ দশকৰ যুৱক যুৱতী সকলৰ মানসিক পৃথিৱীখনৰ সৈতে পৰিচিত হৈ ল'ব পাৰিছোঁ।

(৩) অনুমান কৰিব পাৰি গল্প লেখক-লেখিকাসকলৰ প্ৰায় ভাগেই উৎকৃষ্ট প্ৰজ্ঞাৰ অধিকাৰী। মোৰ দৃঢ় বিশ্বাস এওঁলোকৰ বেছিভাগেই ছাত্ৰ হিচাপেও নিজ নিজ বিষয়ৰ অধ্যয়নত পটুতা প্ৰদৰ্শন কৰিব পাৰিছে। পঢ়াশুনাত বিঘিনি নঘটাকৈ এওঁলোকে বা আন আন সাহিত্য প্ৰেমী কটনিয়ানসকলে যদি অবিৰত সাহিত্য চৰ্চা চলাই যাব পাৰে তেনেহ'লে অসমীয়া ভাষা আৰু সাহিত্য দুয়ো উপকৃত হ'ব। আওপকীয়াকৈ অসমীয়া জাতিটো।

(৪) অসমীয়া সাহিত্যৰ ওপৰত লেখত লবলগীয়া কবি মহাৰথী বা সাহিত্য সভাৰ বৰমূৰীয়া সাৰথি সকলে প্ৰায়েই সভাই সমিতিয়ে এক ধৰণৰ আক্ষেপ কৰা শুনা যায় যে আজিকালি অসমীয়া ভাষাত ভাল চুটি গল্প লেখোতা ওলোৱা নাই নতুন সকলৰ মাজত। মোৰ দৃঢ় বিশ্বাস 'কটনিয়ান'ৰ উপৰোক্ত গল্পবোৰ পঢ়িলে তেওঁলোকৰ ধাৰণাবোৰ সলনি হৈ যাব। অসমীয়াত নতুন লেখক-লেখিকা নোলায়। এই আক্ষেপটোও ভুল প্ৰতিপন্ন হ'ব। কিন্তু কটনিয়ান সকলৰ এই প্ৰতিভা যাতে অবাবতে মৰহি নেযায় তাৰ বাবে দুই ধৰণৰ প্ৰতিশ্ৰুতি দৰ্কাৰ। এটা হ'ল লেখক-লেখিকাসকলৰ নিৰবচ্ছিন্ন অধ্যৱসায় আৰু সাহিত্যচৰ্চা। দ্বিতীয়টো হ'ল অসমৰ কাকত আলোচনীবোৰৰ সম্পাদকসকলৰ কিঞ্চিৎ দায়িত্ববোধ এই নতুন লেখক-লেখিকা সকলৰ চুটি গল্পলৈ কৃপাদৃষ্টি পেলাবলৈ আৰু এওঁলোকৰ প্ৰতি সাহিত্য সভা জাতীয় অনুষ্ঠানবোৰৰ অভিভাৱক মূলক উৎসাহ তথা প্ৰতিপালন।"

দুহেজাৰ চনৰ পিছৰ 'কটনিয়ান'ৰ গল্পবোৰৰ অধিকাংশই বেছ উৎসাহজনক। ভৱিষ্যতৰ কটনিয়ান সকলৰ মাজৰ পৰাও সৌৰভ কুমাৰ চলিহা, ভবেন শইকীয়া, হীৰেন গোহাঁই, হোমেন বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী, হৰেকৃষ্ণ ডেকা আদিৰ দৰে সাহিত্যিক বৌদ্ধিক প্ৰতিভা প্ৰস্ফুটিত হোৱাৰ আধাৰ তথা বাতাবৰণ কটন কলেজত সৰ্বদা উপলব্ধ হৈ থাকক। এনে শুভ কামনাৰে এই ৰচনাখন শেষ কৰিছোঁ। শুভমস্তু।

* *বিশিষ্ট গল্প লেখক*




# প্ৰাচীৰ পত্ৰিকাত কটনিয়ানৰ বৌদ্ধিক চিন্তা-চৰ্চা

মনিষ্যাং শ্ৰেয়ম*

অসমীয়া লিখকসকলে আগৰ মনোযোগ, নিষ্ঠা, সাধনা হেৰুৱাইছে। লিখক-পাঠক উভয়কে ব্যৱসায়ী Consumerism এ সংক্ৰমিত কৰিছে ফলত অসমীয়া সাহিত্যত কালোত্তীৰ্ণ ৰচনা আজি মৰিচীকাত পৰিণত হৈছে। সংখ্যাগত দিশৰ পৰা অসমত বাতৰি কাকত আৰু আলোচনীৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে অথচ কালোত্তীৰ্ণ সাহিত্য পঢ়াৰ সুযোগ পঢ়ুৱৈৰ হাতলৈ অহা নাই। কটনিয়ান সকলৰ যিসকলে সাহিত্য চৰ্চা কৰে তেওঁলোকৰ বিৰুদ্ধে আমি অসমীয়া লিখকসকলৰ দৰে মনোযোগ, নিষ্ঠা আৰু সাধনা অবিহনে লেখা-মেলা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছোঁ। দুই-এজন কটনিয়ান ব্যতিক্ৰম হ'ব পাৰে কিন্তু কটন কলেজৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ আধাৰৰূপে পৰিগণিত প্ৰাচীৰ পত্ৰিকাত প্ৰকাশিত কটনিয়ানৰ গল্প-কবিতা-প্ৰবন্ধৰ অধিকাংশৰ মানদণ্ড হতাশাজনক।

কটন কলেজৰ ছাত্ৰাবাস সমূহৰ মুঠ ৯খন প্ৰাচীৰ পত্ৰিকা আছে। কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'দেৱালৰ স্বৰ', ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'সাৰ্বজনীন' শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দ কাঁচলি', আনন্দৰাম বৰুৱা ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰতিধ্বনি', সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দালি', শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'সৌৰভ', মহেন্দ্ৰ ডেকাফুকন ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰাচীৰৰ ৰেঙনি', নলিনীবালা দেৱী ছাত্ৰী নিবাসৰ প্ৰাচীৰ পত্ৰিকা 'শাশ্বত' আৰু শ্বহীদ কনকলতা ছাত্ৰী নিবাসৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰতীতি'ত প্ৰকাশিত লেখনিৰ বিষয়ে এই প্ৰৱন্ধত বিশেষ ভাৱে আলোচনা কৰা হ'ব। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে কটন কলেজত ছাত্ৰাবাসসমূহৰ ৯খন প্ৰাচীৰ পত্ৰিকাৰ উপৰি প্ৰতিটো বিভাগৰে একোখন প্ৰাচীৰ পত্ৰিকা আছে। বিভাগীয় প্ৰাচীৰ পত্ৰিকাসমূহৰ ভিতৰত আছে - অসমীয়া বিভাগৰ 'ঋতুৰে ঋতুৰে' অৰ্থনীতি বিভাগৰ 'ইকনমিকা' গণিত বিভাগৰ 'গণিত প্ৰৱাহ', পৰিসংখ্যা বিভাগৰ 'প্ৰত্যুষ', সংস্কৃত বিভাগৰ 'শাশ্বতী', ৰসায়ন বিভাগৰ 'The Clarion', উদ্ভিদ বিজ্ঞান বিভাগৰ EGESIS, আৰবী আৰু পাৰ্চী বিভাগৰ 'নাছিম-ই-বাহাৰ', শিক্ষা বিভাগৰ 'অনুৰণন', পদাৰ্থ বিভাগৰ 'La phylite', আৰু ভূ-তত্ব বিজ্ঞান বিভাগৰ 'প্ৰৱাহ'। তদুপৰি সদৌ অসম নবীন লেখক-লেখিকা কটন কলেজ 'নবীন' গোটৰ 'ফেঁহুজালি' নামৰ প্ৰাচীৰ প্ৰত্ৰিকা এখনো প্ৰকাশ পাইছে। সংখ্যাৰ দিশৰ পৰা কটন কলেজৰ পৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকাৰ সৰ্বমুঠ সংখ্যা ২১খন। এই প্ৰাচীৰ পত্ৰিকা সমূহত শতাধিক কটনিয়ানৰ গল্প-কবিতা-প্ৰবন্ধ প্ৰকাশ পাইছে। প্ৰকাশিত লেখনিবোৰৰ মানদণ্ডৰ কথা আলোচনাৰ মাজলৈ নানিলে প্ৰাচীৰ পত্ৰিকা সমূহে ন ন লেখক গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাটো বাস্তৱ সত্য। প্ৰাচীৰ পত্ৰিকাৰ সম্পাদক সকলে শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাসে আয়োজন কৰা প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ বাবে খৰখেদাকৈ প্ৰাচীৰ পত্ৰিকাসমূহ প্ৰকাশ নকৰি প্ৰতিযোগিতালৈ কিছুদিন থকাৰে পৰা নিৰ্দিষ্ট পৰিকল্পনাৰে প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰিলে প্ৰকৃতাৰ্থত প্ৰাচীৰ পত্ৰিকাসমূহে কটন কলেজৰ বৌদ্ধিক চিন্তা-চৰ্চাক সবল কৰিব পাৰিব। সংখ্যাৰ দিশৰ পৰা লেখকৰ পয়োভৰে সাহিত্যক সমৃদ্ধিশালী কৰিব নোৱাৰে সাহিত্যক সমৃদ্ধিশালী কৰে ভাল লিখনিয়েহে। প্ৰাচীৰ পত্ৰিকাৰ সম্পাদক সকলে ভৱিষ্যতে কথাটোত গুৰুত্ব দিয়া উচিত।

## সমালোচনা



**শাশ্বতঃ** নলিনীবালা দেৱী ছাত্ৰীনিবাসৰ পৰা প্ৰকাশ পোৱা প্ৰাচীৰ পত্ৰিকা 'শাশ্বত'ই প্ৰথম পুৰস্কাৰ লাভ কৰিছে। পত্ৰিকাখনৰ সম্পাদনা কৰিছে ইলোৰা বৰুৱাই। দৃষ্টিনন্দন বেটুপাত আঁকিছে সুমনা মণ্ডলে। অলংকৰণ পাপৰি গগৈৰ। 'শাশ্বত'ত আবাসীসকলৰ সাহিত্যিক প্ৰতিভাৰ সম্যক প্ৰতিফলন চকুত পৰে। প্ৰকাশিত লেখনি সমূহৰ মানদণ্ড যথাযথ। কবিতা, গল্প, প্ৰবন্ধ, গ্ৰন্থ সমালোচনা, লিমাৰিক, কাৰ্টুন আদি বিবিধ বিষয় সামৰি প্ৰকাশ পোৱা প্ৰাচীৰ পত্ৰিকাখনৰ প্ৰধান আকৰ্ষণ সম্পাদকৰ বিষয়বস্তু নিৰ্বাচন। প্ৰকাশিত লেখনিসমূহত সময় আৰু সমাজ জীৱনৰ প্ৰতিচ্ছবি দেখা যায়। বন্ধ কু-সংস্কৃতিৰ ওপৰত প্ৰণামী সন্দিকৈয়ে লিখা The Bandh Culture এটা গুৰুত্বপূৰ্ণ প্ৰবন্ধ। বন্ধৰ ফলত সাধাৰণ লোকসকলৰ জীৱনলৈ নামি অহা অন্ধকাৰ আৰু দৈনন্দিন কাম কৰি খোৱা মানুহৰ জীৱন যন্ত্ৰণাৰ বাস্তৱ্য সত্য সাহসেৰে উল্লেখ কৰি লেখিকাই নিজৰ সমাজ সচেতনতা আৰু জাতীয় দায়বদ্ধতা দাঙি ধৰিছে। চয়নিকা ঠাকুৰীয়াৰ 'ভুল!' আৰতি ভড়ালীৰ 'তমসো মা জ্যোৰ্তিগময়', ছন্দনা শৰ্মাৰ গ্ৰন্থ সমালোচনা প্ৰাচীৰ পত্ৰিকাখনত প্ৰকাশিত আন তিনিখন মূল্যবান ৰচনা। 'শাশ্বত'ত গীতাঞ্জলি বৰাৰ কবিতা 'তেওঁ' আৰু মুবিদা ৰেহমানৰ 'Come Lets Love' প্ৰকাশিত হৈছে। মানদণ্ডৰ দিশৰ পৰা কবিতা দুটাক আধুনিক কবিতা আখ্যা দিব নোৱাৰি। পাপৰি গগৈৰ কাৰ্টুন আৰু ছন্দাস্মিতা শৰ্মাৰ 'লিমাৰিক'এ প্ৰাচীৰ পত্ৰিকাখনৰ আকৰ্ষণ বৃদ্ধি কৰিছে বুলি ক'ব পাৰি।

**প্ৰতীতি ঃ** শ্বহীদ কনকলতা ছাত্ৰী নিবাসৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰতীতি'ত প্ৰকাশিত পূজা গগৈৰ 'Towards a Deginition of Terrorism' শীৰ্ষক প্ৰবন্ধত আধুনিক বিশ্বৰ অভিশাপ ৰূপে পৰিগণিত 'সন্ত্ৰাসবাদ'ৰ ভয়াবহতাৰ ওপৰত যুক্তি-তথ্য সহকাৰে আলোচনাৰ প্ৰয়াস কৰা হৈছে। প্ৰাচীৰ পত্ৰিকাখনত কবিতা লিখিছে অস্মিতা ভট্ট (For a Friend), শিখাৰাণী হাজৰিকা (বিজ্ঞাপন এটি ঠিকনা বিচাৰি), আজিমা বেগম (এমুঠি জোনাক দিয়া), প্ৰিয়ংকা সৰকাৰ (Woman) আদিয়ে। 'প্ৰতীতি'ত প্ৰকাশিত আন দুটা গুৰুত্বপূৰ্ণ প্ৰবন্ধ হৈছে চিন্ময়ী দেৱীৰ 'নাৰীৰ আদৰ্শ-আমাৰ কেৰোণ ক'ত' আৰু বহ্নিশিখা সেনৰ 'Powers of Imagination'। জ্যোতি শইকীয়াৰ গল্প 'স্বাধীনতাৰ সিপাৰে' প্ৰাচীৰ পত্ৰিকাখনৰ সাহিত্যিক আকৰ্ষণ বৃদ্ধি কৰিছে। 'প্ৰতীতি'ৰ সম্পাদনা কৰিছে ৰাণী দুৱৰাই।

**ৰ'দ কাচলি ঃ** শ্বহীদ ৰঞ্জিত বৰপূজাৰীৰ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা ৰ'দ কাচলি' সম্পাদনা কৰিছে বিদিপ কুমাৰ নাথে। বেটুপাত আঁকিছে জ্যোৰ্তিময় দাসে। অলংকৰণ কেশৱ ৰয় আৰু ধ্ৰুৱজ্যোতি কলিতাৰ। প্ৰাচীৰৰ পত্ৰিকাখনত প্ৰকাশিত কবিতা কেইটি হৈছে অংশুমান বৰাৰ 'Steer Confusion', মানসজ্যোতি চুতীয়াৰ 'সপোনৰ সমাধি', লংচাপ কিৰি ফাংচুৰ 'Unknown Destiny' হজৰত আলী প্ৰধানীৰ 'Beautiful Flower', অৰ্ণৱ কুমাৰ গগৈৰ 'অপেক্ষা', চন্দন হাজৰিকাৰ 'এটা আধাপোৰা চিগাৰেট', কৈলাশ শৰ্মাৰ 'Love at Coffee House'। প্ৰকাশিত কবিতাবোৰ আধুনিক কবিতাৰূপে প্ৰতিষ্ঠা পাবৰ বাবে তেওঁলোকে কঠোৰ সাধনা কৰিব লাগিব। 'ৰ'দ কাচলি'ত প্ৰকাশিত প্ৰবন্ধ সমূহৰ ভিতৰত লেখকৰ নিজৰ মতাদৰ্শ সু-স্পষ্ট নহ'লেও 'যুৱ মানসিকতা' শীৰ্ষক ভাস্কৰ বৰাৰ প্ৰবন্ধত বৰ্তমানৰ যুৱ সমাজৰ সমস্যাৰ সঠিক উপস্থাপন আছে। কৌস্তভ কৈলাশৰ 'আড্ডা, চিগাৰেট আৰু কিবাকিবি' শীৰ্ষক সৃষ্টিশীল ৰচনাখনৰ বিষয়বস্তু সেউজীয়া যৌৱনৰ আশা-হতাশা-দুখ-সুখ। ৰচনাখন যুক্তিনিষ্ঠ আলোচনা নহয়, আবেগৰ প্ৰাচুৰ্যৰেহে পৰিপূৰ্ণ।

**প্ৰতিধ্বনি ঃ** আনন্দৰাম বৰুৱা ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰতিধ্বনি' সম্পাদনা কৰিছে শান্তনু বৌমুৰীয়াই। অংকন আৰু অলংকৰণ কৰিছে ভাৰ্গৱজ্যোতি কছাৰীয়ে। বেটুপাত সম্পাদকৰ নিজা সৃষ্টি। 'সুগন্ধি পখিলা'ৰ কবি হীৰুদাই উন্মোচন কৰা 'প্ৰতিধ্বনি'ৰ এই সংখ্যাটো বিশেষ কবিতা সংখ্যা ৰূপে প্ৰকাশ কৰা হৈছে। কবিতা লেখিছে - ভাৰ্গৱজ্যোতি কছাৰী (গধূলিবোৰ মাথো বিৰহী প্ৰেমিকাৰ বাবে), সুশান্ত দিয়াং (তোমাৰ ছায়া), প্ৰাঞ্জল প্ৰতীম দেউৰী (পলৰীয়া), হৰজিৎ দাস (হাইকু), চেলিম হুছেইন (হাইকু), বিদ্যুত দলে (The greencon colour), বিশাল কেমপাই (Lucky Accident), দীপজ্যোতি দাস (Untrastable), ৰাজীৱ পেগুৱে (His coming) প্ৰকাশিত কবিতাবোৰৰ অধিকাংশই সেউজীয়া যৌৱনৰ প্ৰেম, বন্ধুত্ব, বিশ্বাস আৰু আস্থাহীনতাক প্ৰতিনিধিত্ব কৰিছে। প্ৰাচীৰ পত্ৰিকাখনত কবিতা লিখা কবিকেইজনে কবিতাৰ আংগিক আৰু বিষয়বস্তুৰ নিৰ্বাচন তথা প্ৰকাশভংগীৰ ওপৰত চকু দিয়া উচিত।

**দেৱালৰ স্বৰ ঃ** কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা দেৱালৰ স্বৰ সম্পাদনা কৰিছে বিদ্যুত বিকাশ হাজৰিকা আৰু মণিৰুল ইছলামে। অলংকৰণ কেশৱানন্দ কাকতি আৰু কাশ্যপ মহন্তৰ। কাৰ্টুন আঁকিছে নয়ন বৰকটকীয়ে। প্ৰাচীৰ পত্ৰিকাখনত উৎপল সাধনিদাৰ আৰু লক্ষ্মন দাসে দুটা গুৰুত্বপূৰ্ণ প্ৰবন্ধ লিখিছে। গুৱাহাটীৰ যানজটৰ ওপৰত লক্ষ্মন দাসে লিখা প্ৰবন্ধটো চিন্তাকৰ্ষক। শিৰোনাম - 'গুৱাহাটী আৰু যানজট'। গ্ৰন্থ সমালোচনা কৰিছে বিনন্দ বৰুৱাই। 'প্ৰেম, বিশ্বাসহীনতা ইত্যাদি' শীৰ্ষক গল্প লিখিছে পুলিন বৰাই। প্ৰকাশিত কবিতাৰ ভিতৰত কেশৱানন্দ কাকতিৰ "ভালপোৱাৰ মাধ্যমৰে অশ্লীল এনিশা" কবিতাৰূপে কিছু সাৰ্থক। দেৱালৰ স্বৰত লিখা আন লিখক কেইগৰাকী হ'ল - কাশ্যপ মহন্ত, নয়ন বৰকটকী, মণিৰুল ইছলাম, ভাস্কৰজ্যোতি দাস, চিৰঞ্জিত চলিহা, কল্লোল




পাল আৰু দ্বিপেন কাকতি।

**প্ৰাচীৰৰ ৰেঙনি ঃ** নৱজিত শইকীয়াৰ সম্পাদনাত প্ৰকাশ পাইছে মহেন্দ্ৰ নাথ ডেকাফুকনৰ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা "প্ৰাচীৰৰ ৰেঙনি"। বেটুপাত, অলংকৰণ আৰু হস্তাক্ষৰ সম্পাদকৰ নিজৰ। প্ৰকাশিত কবিতা কেইটা হ'ল প্ৰশান্ত শৰ্মাৰ 'অনুভৱ' অম্মানুল হকৰ 'এটি বৰ্ষাসিক্ত সন্ধিয়া', ৰিজু আহমেদৰ 'তোমালৈ ধন্যবাদ'। প্ৰাচীৰ পত্ৰিকাখনত প্ৰাঞ্জল প্ৰতীম কোঁৱৰে 'Does the center really neglect' শীৰ্ষক এটি চিন্তা গধুৰ প্ৰবন্ধ লিখিছে। 'মানৱীয় মূল্যবোধ আৰু আধুনিক সমাজ' প্ৰাচীৰ পত্ৰিকাখনত প্ৰকাশিত আন এটা মূল্যবান প্ৰবন্ধ।

**ৰ'দালি ঃ** সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দালি'ৰ সম্পাদনা কৰিছে ৰাকেশ কুমাৰ শৰ্মাই। বেটুপাত আৰু অলংকৰণ প্ৰীতম শৰ্মাৰ। হস্তাক্ষৰ হৰ্ষজিৎ দাসৰ। বিভূতি ভূষণ ডেকা নামৰ এগৰাকী সতীৰ্থৰ স্মৃতিত উৎসৰ্গিত বিশেষ সংখ্যাটো সজাইছে প্ৰবালজ্যোতি ফুকন, ৰূপম ৰাজবংশী, অনন্ত গগৈ, ভাৰ্গৱ জ্যোতি নাথ আৰু হৰ্ষজিৎ দাসে।

**সাৰ্বজনীন ঃ** ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকাখন সম্পাদনা কৰিছে প্ৰাঞ্জল ফুকনে। সম্পাদনা সহযোগী যাদবেন্দ্ৰ বৰা। বেটুপাত আঁকিছে গিৰিৰাজ চাকচাৰুয়ে। অলংকৰণ জীৱন শইকীয়াৰ। প্ৰাচীৰ পত্ৰিকাখনৰ দুৰ্বলতম দিশ বেটুপাত। প্ৰাচীৰ পত্ৰিকাখনত চম্পক শইকীয়া, দীপাংকৰ বৰুৱা, হিৰণজিৎ দেউৰী, শান্তনু মহন্ত, অভিজিৎ বৰা, আৰ্যজ্যোতি কাশ্যপ, দ্বিপৰাজা মিলি আদিৰ লেখনি প্ৰকাশ পাইছে। প্ৰকাশিত লেখনিৰ ভিতৰত আৰ্যজ্যোতি কাশ্যপৰ 'The Da' Vinci Code' প্ৰবন্ধটো মানবিশিষ্ট ৰচনা ৰচনাৰূপে লেখত লবলগীয়া।

* *স্নাতক ৩য় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

# প্ৰাচীৰৰ ৰেঙনি

অংকিতা বৰা / নয়ন বৰকটকী *

সাহিত্য সৃষ্টি কৰিবলৈ মানুহক হৃদয়ৰ আহ্বান লাগিব। হৃদয়ৰ তাগিদা অবিহনে কৃত্ৰিমভাবে কৰা কোনো কামতে হয়তো মাধুৰ্য ফুটি নুঠে। বৰ্ণিল শব্দৰ সমাহাৰ আৰু হৃদয়ৰ আহ্বানক একাত্ম কৰিয়েই কটন কলেজৰ প্ৰত্যেক বিভাগে এক সুস্থ পদক্ষেপ গ্ৰহণ কৰি নিজৰ নিজৰ বিভাগৰ তৰফৰ পৰা একোখন আটকধুনীয়া প্ৰাচীৰ পত্ৰিকা ভৱিষ্যতৰ প্ৰজন্মক উপহাৰ দিয়াৰ প্ৰয়াস কৰিছে। প্ৰত্যেক বিভাগৰ প্ৰাচীৰ পত্ৰিকা কেইখনে প্ৰত্যেক বিভাগৰ ঐতিহ্য বহন কৰাৰ চেষ্টাত ব্ৰতী হৈছে। প্ৰাচীৰ পত্ৰিকা সদৃশ গজালিক অৱলম্বন কৰি এজোপা বিশাল বটবৃক্ষ হ'বলৈ আগবঢ়া প্ৰত্যেক বিভাগৰ প্ৰাচীৰ পত্ৰিকা সমূহৰ এই থূলমূল আভাষ দিবলৈ চেষ্টা কৰা হৈছে।

কলা আৰু বিজ্ঞান দুয়োটা শাখাত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়ত্ৰীৰ সমন্বয়ত সৃষ্টি হৈছে কটন কলেজৰ ভৱিষ্যত প্ৰজন্মৰ বাবে সাহিত্য সৃষ্টিৰ বাটকটীয়া স্বৰূপ একোখন প্ৰাচীৰ পত্ৰিকা। 'কটন কলেজ' যাৰ বুকুৰ পৰা ওলাই গৈছে সাহিত্য জগতৰ বহু কাণ্ডাৰী পুৰুষ। সেই নমস্য ব্যক্তিসকলৰ পদাংক অনুসৰণ কৰাৰ চেষ্টাতেই যেন ব্ৰতী হৈছে প্ৰত্যেক বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল। তাৰেই বহিঃপ্ৰকাশ ঘটিছে যেন এই পত্ৰিকাসমূহত।

**উদয়ন ঃ** সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত অন্যতম চহকী ভাষা হৈছে বাংলা ভাষা। বাংলা সাহিত্যই নিজস্ব ঐতিহ্যৰে এক সুকীয়া স্থান দখল কৰি আছে সাহিত্যৰ পৃথিৱীত আৰু তাৰেই যেন মুৰ্ত্ত প্ৰকাশ ঘটিছে বাংলা বিভাগৰ পৰা প্ৰকাশিত উদয়ন নামৰ প্ৰাচীৰ প্ৰত্ৰিকাখনিত। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মজয়ন্তী উপলক্ষে সম্পাদক সত্যপ্ৰকাশ সাহা আৰু তত্বাবধায়ক অধ্যাপক প্ৰসূণ বৰ্মনৰ সৌজন্যত প্ৰকাশিত হৈছে। কবিতা, প্ৰৱন্ধৰ আটকধুনীয়া ভাণ্ডাৰে পত্ৰিকাখনিৰ মানদণ্ড অক্ষুণ্ণ ৰাখিছে। ড° শ্ৰিপ্ৰা গুহ নিয়োগীৰ প্ৰবন্ধ হেলেন অ্যাডামস কেলাৰ কঠিন সংকল্পও দুৰ্জয় আত্মবিশ্বাসেৰে কাহিনীয়ে পত্ৰিকাখনিক নতুন মাত্ৰা প্ৰদান কৰিছে আৰু লগতে ৰবীন্দ্ৰনাথ ঠাকুৰৰ ছবিখনে কবিগুৰুকেই যেন বাৰে বাৰে স্মৰণ কৰিছে।

**শাশ্বতী ঃ** সংস্কৃত বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনিৰ নাম 'শাশ্বতী' শ্বাশ্বত অৰ্থাৎ চিৰন্তন সত্য। এই সত্যকেই জনসাধাৰণৰ মাজত বোৱাই নিয়াৰ এক মৃদু প্ৰয়াসেই যেন মংগলা চৰণমৃৰ মাধ্যমেৰে কৰিছে। শ্বাশ্বতীৰ এই সংখ্যাৰ সম্পাদিকা কস্তুৰী শৰ্মা আৰু তত্বাৱধায়ক ড° সুৰেশ চন্দ্ৰ বৰা। 'অমৃতং মধুৰং সম্যক সংস্কৃতম্ হি ততোধিকম্' শাশ্বতীৰ যোগেদি সংস্কৃত ভাষা সাহিত্য তথা তাৰ মাজেদি অঙ্কুৰিত আৰু ক্ৰমবিকশিত হোৱা সনাতন ভাৰতীয় সংস্কৃতিৰ সেৱা যথাসাধ্য আগবঢ়াবলৈ চেষ্টা কৰিছে। জুমলি

নাথৰ প্ৰবন্ধ আৰু অংকিতা বৰাৰ ক্লান্ত অৰ্জুন, দেৱলীনা আৰু পাংকুমণিৰ কবিতা আৰু লগতে নয়ন, কস্তুৰীহঁতৰ প্ৰচেষ্টাত হোৱা অলংকৰণে শাশ্বতীক সমৃদ্ধ কৰিছে।



**অসমীয়া বিভাগ ঃ** সুজলা-সুফলা শস্য শ্যামলা অসমীয়া ভাষাৰ গৌৰৱ অক্ষুন্ন ৰখাৰ প্ৰতিশ্ৰুতিৰেই অসমীয়া বিভাগৰ দেৱালত সগৌৰৱেৰে থিয় হৈ আছে দুখনি প্ৰাচীৰ পত্ৰিকা 'শিল্পীৰ ঘৰ' আৰু 'ঋতুৱে ঋতুৱে'। শিল্পীৰ ঘৰ সম্পৰ্কত লিখিবলৈ কলম তুলি লওঁতে দুৰ্গেশ্বৰ শৰ্মাৰ গীত আৰু ছবি নামৰ কবিতাৰ পংক্তি এটা মনলৈ আহিছে - সদায় দেখি থকা গছপাতটিও ছবিটিত ভাল হৈ পৰে; সদায় শুনি থকা সৰু কথাটিও গীত হলে প্ৰাণ টানি ধৰে। সম্পাদক ঈশানজ্যোতি গগৈ, ধৰণী লাহন, পুলকানন্দ চেতীয়া, ঈৰিসোৰ সমন্বয়ত যি চিত্ৰকল্পৰ সৃষ্টি হৈছে সঁচাকৈয়ে প্ৰাণটানি ধৰা হৈছে। আনখন পত্ৰিকা "ঋতুৱে ঋতুৱে" সম্পাদনা কৰিছে কাকলি গগৈ আৰু উপদেষ্টা মঞ্জুদেৱী পেগু। সৃষ্টি, অনুশ্ৰীৰ কবিতা আৰু লগতে প্ৰবন্ধ, গল্পৰ সম্ভাৰেৰে পত্ৰিকাখনিক সমৃদ্ধ কৰি তোলা হৈছে। সম্পাদকীয়ৰ জৰিয়তে সম্পাদিকাই সাহিত্য জাগৰণৰ শেহতীয়া ধাৰা উত্তৰ আধুনিকতাবাদ সম্পৰ্কত যি লেখা আগবঢ়াইছে সেই প্ৰবন্ধই সকলোকে উপকৃত কৰিব বুলিব পাৰি।

**ইছলামী অধ্যয়ন বিভাগ ঃ** ইছলামী অধ্যয়ন বিভাগৰ প্ৰাচীৰ পত্ৰিকা নাচিম-ই-বাহাৰ সম্পাদক আব্দুছ ছালামৰ দ্বাৰা সম্পাদিত হৈছে। এই পত্ৰিকাখনিৰ উপদেষ্টা মণ্ডলীৰ স্থান অধিকাৰ কৰিছে ছৈয়দ ফৰহাদ আলী, ড° ৰৌশনাৰা বেগম আৰু মুখ্য তত্বাৱধায়ক মোঃ আতাউৰ ৰহমান। প্ৰাচীৰ পত্ৰিকাখনিৰ বেটুপাত নজৰুল ইছলামৰ, আৰবী, অসমীয়া, ইংৰাজী এই তিনিওটা ভাষাতে প্ৰবন্ধ, গল্প, কবিতাৰ সমাহাৰে পত্ৰিকাখনিৰ সৌন্দৰ্য বৃদ্ধি কৰিছে, মোস্তাক আহমেদৰ মিছৰৰ পিৰামিডৰ ওপৰত লিখা প্ৰবন্ধটি অতি মনোগ্ৰাহী হৈছে বুলি ক'ব পাৰি আৰু লগতে আব্দুছ ছালামৰ সম্পাদকীয়ই এক গুৰুত্বপূৰ্ণ বিষয়ক প্ৰাধান্য দি প্ৰাচীৰ পত্ৰিকাখনিৰ মানদণ্ড উচ্চ হোৱাত সহায় কৰিছে।

**বড়ো বিভাগ ঃ** বড়ো বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনিৰ নাম হৈছে ইঞ্জুৰ লাইসি। সম্পাদনা কৰিছে ৰাজু য়াৰগিয়াৰি, মঞ্জিব মোছাহাৰী, আনছাই বি বসুমতাৰী। বড়ো আৰু ইংৰাজী ভাষা দুয়োটাৰ সংমিশ্ৰণত লেখা প্ৰবন্ধ, কবিতাই পত্ৰিকাখনিক চহকী কৰিছে।

**ইংৰাজী বিভাগ ঃ** ইংৰাজী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'Fragranced River' নামটোতেই সাহিত্যৰ সুবাস পোৱা গৈছে। পত্ৰিকাখনিৰ সম্পাদনা কৰিছে নন্দিতা ডেকা আৰু পঞ্চী পাঠকে। ইংৰাজী সাহিত্যক ভিত্তি কৰি লিখা প্ৰবন্ধ কবিতাই পত্ৰিকাখনিক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে।

**শিক্ষা বিভাগ ঃ** শিক্ষা বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'অনুৰণন'ৰ সম্পাদনা কৰিছে ভাস্কৰ চহৰীয়াই আৰু উপদেষ্টা অধ্যাপিকা চিত্ৰা শৰ্মা। বৰ্তমান সময়ত শিক্ষা ব্যৱস্থাৰ মানদণ্ড কোন দিশে ধাবমান হৈছে তাৰ ওপৰত আলোকপাত কৰা হৈছে। ভাস্কৰ চহৰীয়াৰ 'উচ্চ শিক্ষাৰ সমস্যা আৰু ভৱিষ্যত' শীৰ্ষক প্ৰবন্ধ সময়োপযোগী হৈছে বুলি একেষাৰে ক'ব পাৰি।

**অৰ্থনীতি বিভাগ ঃ** অৰ্থনীতি বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনিৰ নাম ইক'নমিক মিৰৰ (Economic Mirror). প্ৰত্যেক বিভাগৰ প্ৰাচীৰ পত্ৰিকা কেইখনি পৰ্য্যবেক্ষণ কৰি এটা কথা অনুভৱ হৈছে যে প্ৰত্যেকেই নিজৰ বিভাগটোৰ মূল প্ৰতিপাদ্য বিষয়নো কি তাক জনাবৰ যৎপৰোনাস্তি চেষ্টা কৰিছে। অৰ্থনীতি বিভাগও ইয়াৰ ব্যতিক্ৰম নহয়। ভাৰতবৰ্ষৰ মানচিত্ৰত মুদ্ৰাৰ এক সুপৰিকল্পিত সংযোজন কৰি বৰ্ণালী ডেকাই বেটুপাত অংকন কৰি অৰ্থনীতিৰ দাপোনখনকে প্ৰতিফলিত কৰিছে। এই বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী একত্ৰিত হৈ সম্পাদনা কৰা পত্ৰিকাখনিত প্ৰবন্ধ, কবিতা, কাৰ্টুনৰো পয়োভৰ দেখা গৈছে। অনুজ ভূষণ আঠপৰীয়াৰ 'বিশ্বায়ন বা গ্লোবেলাইজেচন' শীৰ্ষক প্ৰবন্ধটোৱে বিশ্বায়নৰ এক সম্যক ধাৰণা দিয়াৰ চেষ্টা কৰিছে।

**ৰাজনীতি বিজ্ঞান বিভাগ ঃ** ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাৰ নাম 'সাময়িকী' আৰু সম্পাদিত হৈছে পংকজ বৰা আৰু কাকলি তালুকদাৰৰ সম্পাদনাত। সাময়িকীৰ বেটুপাত বেবী পালৰ। পংকজ বৰাৰ প্ৰবন্ধ 'যুৱ প্ৰজন্ম' সঁচায়ে সময়সাপেক্ষ হৈছে আৰু লগতে ইয়াত প্ৰকাশিত কবিতা কেইটিয়ে পত্ৰিকাখনিক সমৃদ্ধ কৰিছে। সাময়িকীৰ সম্পাদকীয়ই বৰ্তমান প্ৰজন্মক ৰূঢ় বাস্তৱৰ সন্মুখীন কৰাৰ চেষ্টা কৰিছে এনেদৰে - বিবেকানন্দৰ ভাষাত - 'মানৱতা' যি আমাৰ মাজত জীয়াই আছে এটি গধুৰ শব্দ হিচাপে। হত্যা, লুণ্ঠন, ধৰ্ষণৰ প্ৰকোপত লুপ্তপ্ৰায় হৈছে মানবীয়তা। বাপুজী নেতাজীৰ সপোনৰ ভাৰত! এইয়াই জানো নৱপ্ৰজন্মৰ সুন্দৰ ভাৰত? তুষাৰ শুভ্ৰশিৰৰ কাঞ্চনজংঘায়ো যেন কিন্নৰী বালিকাৰ ওচৰতে মূৰ দোৱাই আজি এই প্ৰশ্নই কৰিছে।

**দৰ্শন বিভাগ ঃ** দৰ্শন বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনিৰ নাম 'দৰ্শনজ্যোতি'। সম্পাদক পৰাগজ্যোতি কলিতা, উপদেষ্টা গীতা গোস্বামী আৰু তত্বাৱধায়ক প্ৰদীপ খাটনিয়াৰ। বেটুপাত অংকন কাকলি বেজবৰুৱাৰ। প্ৰবন্ধ, কবিতা আৰু মহৎলোকৰ বাণীৰ লগতে সম্পাদক পৰাগজ্যোতিৰ সম্পাদকীয় হৃদয়স্পৰ্শী হৈছে। লুইতৰ পাৰৰ



চিৰ যৌৱনা কটন কলেজে নিজৰ ঐতিহ্যৰে মূৰ দাঙি থিয় হৈ থাকিব এই আশাৰে সম্পাদকীয়টি পূৰ্ণ কৰিছে।

**ইতিহাস বিভাগ ঃ** 'ইতিহাস এটা জাতিৰ দাপোন স্বৰূপ। জাতি বা সমাজ এখনক পৰিপুষ্টতা প্ৰদান কৰে তেওঁলোকৰ ইতিহাসৰ চহকী দিশবিলাকে' - এনেদৰে এক সৰ্বাংগ সুন্দৰ সম্পাদকীয় স্তম্ভৰে শ্যামলিমা বৰুৱা আৰু দ্বীপজ্যোতি শৰ্মাই ইতিহাস বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'শব্দ প্ৰপাতক' সজাই তুলিছে। ইতিহাস বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনিৰ মুখ্য পৃষ্ঠপোষক অধ্যাপক ভগৱান গোস্বামী আৰু বেটুপাত প্ৰীতম শৰ্মাৰ। ইতিহাস বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰৱন্ধ, গল্প আৰু কবিতাই 'শব্দ প্ৰপাতক' সমৃদ্ধ কৰি তুলিছে।

**ভূগোল বিভাগ ঃ** ভূগোল বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা গজালি আৰু ধৰিত্ৰী দুইখনে প্ৰথম সংখ্যাতেই নিজস্ব গৰিমা প্ৰকাশ কৰাৰ বাবে চেষ্টা কৰিছে। অধ্যাপক ড° ভবেন চন্দ্ৰ কলিতাৰ তত্ত্বাৱধানত কেশৱানন্দ কাকতি আৰু বিচিত্ৰ কুমাৰৰ সম্পাদনাত প্ৰকাশ হৈছে 'গজালি' নামৰ এখন ধুনীয়া প্ৰাচীৰ পত্ৰিকা। গজালিক বিশেষ কবিতা সংখ্যা বুলি ঘোষণা কৰিব পাৰি। এই পত্ৰিকাখনিৰ বেটুপাত অঙ্গসজ্জা অতুলনীয় বুলি ক'লে ভুল কোৱা নহ'ব। কেশৱানন্দ কাকতিৰ 'প্ৰত্যাশা' - প্ৰেম কিমান সুন্দৰ / মমতা কিমান শান্তিবহ / কিমান যে প্ৰত্যাশা তাৰ...। সি জানে 'দৃষ্টি থাকিলে লক্ষ্য নেহেৰাই।' ইমান এক সুন্দৰতাৰ স্পৰ্শৰে গজালি মেলা 'গজালি'য়ে এক সুন্দৰ প্ৰতিশ্ৰুতিয়ে বহন কৰিছে আৰু লগতে আনখন পত্ৰিকা ধৰিত্ৰীয়ে ভূগোল বিষয়ক প্ৰৱন্ধ পাতিয়ে পঢ়ুৱৈ সমাজক উপকৃত কৰিব বুলিয়েই আশা কৰা হৈছে। ধৰিত্ৰীৰ সম্পাদনাত হাত আগবঢ়াইছে মধুশ্ৰী দাস, প্ৰদীপ শৰ্মা, বৰ্ণালী গগৈ, লক্ষ্ণ দাস।

**নৱাগত বিশেষ সংখ্যা ঃ** চকুত অজস্ৰ সপোনৰ জিকমিকনি লৈ জ্ঞানৰ বাট কাটি হিউৱেন চাং হ'বলৈ অহা নৱাগত সকলৰে ঐকান্তিক প্ৰচেষ্টাত ওলোৱা নৱাগত বিশেষ সংখ্যা 'ফেহুজালি'ৰ সম্পাদনা কৰিছে অধ্যাপিকা মঞ্জুদেৱীৰ সাহচৰ্যত গাৰ্গীফুকন আৰু অনুশ্ৰী অধিকাৰীয়ে। এক সুগভীৰ ভাষাৰ সমন্বয়ৰে পত্ৰিকাখনিৰ সম্পাদকীয়ই পত্ৰিকাখনিৰ মানদণ্ডৰ উত্তৰণ ঘটাইছে। ঋতুৰ পিছত ঋতু আহে মানৱতাপূৰ্ণ সমাজখন স্বাৰ্থত আমি পূজা কৰিব লাগিব জ্ঞান-বিজ্ঞানৰ, ভ্ৰাতৃত্ববোধৰ আৰু সকলো সংকীৰ্ণতাক পাহৰি সুস্থ তথা সৃষ্টিৰ বাবে এক হৈ আগবাঢ়ি আহিব পাৰিব লাগিব তেনে এক সোণোৱালী মুহূৰ্তৰ বাবেই আমি আশাবাদী। মানসজ্যোতি শৰ্মাৰ আস্তিক আৰু নাস্তিক, মিতালী লহকৰ, কাংকান কাকলি পেগু, স্বৰাজ ফুকনৰ কাব্যিক প্ৰতিভাই নৱাগতৰ সৌষ্ঠৱ বঢ়াইছে।

**পৰিসংখ্যা বিভাগ ঃ** পৰিসংখ্যা বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰতুষক' অসমীয়া সংস্কৃতিৰ ধ্বজা বাহক গামোচা, শৰাই আদি প্ৰতীকেৰে অলংকৰণ কৰি এক সুকীয়া মৰ্যদা প্ৰদান কৰিছে। প্ৰতুষৰ সম্পাদনাত পৰিসংখ্যা বিভাগৰ সকলো অধ্যাপক-অধ্যাপিকাই সহায়ৰ হাত আগবঢ়াইছে বিনায়ক কুমাৰ দাসক। প্ৰত্যেক বিভাগৰ প্ৰাচীৰ পত্ৰিকাসমূহত চকু ফুৰালে দেখা গৈছে অসমীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰতীক উপস্থাপনৰ যৎপৰোনাস্তি চেষ্টা কৰিছে। প্ৰৱন্ধ, গল্প, কবিতাৰে প্ৰাচীৰ পত্ৰিকাখনি আকৰ্ষণীয় কৰি তোলা হৈছে। 'ৰিডাৰ্চ', ডাইজেষ্টট' পঢ়া প্ৰৱন্ধৰ উদ্ধৃতি দি লিখা সম্পাদকীয় একাংশ ইয়াত তুলি ধৰা হ'ল যি সময়োপযোগী হৈছে বুলি ধাৰণা কৰা হৈছে - যিকোনো উৎসৱত অভিভাৱক সকলে নিজৰ সন্তানক কিতাপ উপহাৰ দিয়াহে উচিত। কিয়নো এনে ধৰণৰ উপহাৰে সন্তানক কিতাপ পঢ়াৰ প্ৰতি উৎসাহী কৰি তুলিব লগতে ভাষা-সংস্কৃতিৰ জ্ঞান বৃদ্ধিত সহায় কৰিব। এই কথাষাৰ বৰ্তমান অসমীয়া সমাজে হৃদয়ংগম কৰা অতি প্ৰয়োজন হৈ পৰিছে।

**উদ্ভিদ বিজ্ঞান ঃ** উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাৰ নামাকৰণ বেটুপাত, অলংকৰণ সকলোতে সেই বিভাগৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাৰ ঐকান্তিক প্ৰচেষ্টা আৰু মনৰ ভিতৰত গোপনে লুকাই থকা শিল্পীসত্তা আৰু সূক্ষ্মানুভূতিৰ পৰিচয় দিছে। এই বিভাগৰ পত্ৰিকাখনিৰ নাম 'গুলঞ্চ'। এই সংখ্যাৰ সম্পাদক নয়নজ্যোতি শৰ্মা আৰু উপদেষ্টাদ্বয় হৈছে ড° দেৱকুমাৰ বৰদলৈ আৰু ড° মঞ্জুৰাণী দেৱী। উদ্ভিদবিদ্যা সম্পৰ্কীয় প্ৰৱন্ধ, কবিতা সকলোৰে পয়োভৰ ঘটিছে এই পত্ৰিকাত। বিশেষতঃ গগনজ্যোতি কলিতাৰ এক মিনিটৰ পদ্য, কনক ডেকাৰ এইছ.আই.ভি নামৰ কবিতাই এক সুউজ্বল সম্ভাৱনাৰ স্বাক্ষৰ বহন কৰিছে। সম্পাদক নয়নজ্যোতিয়ে সম্পাদকীয়ত 'What is impossible' বোলা উক্তিটো সাৰোগত কৰি ছাত্ৰ সমাজক সময়ৰ লগত আগুৱাই যাবলৈ আহ্বান জনাইছে যিহেতু আজিৰ ছাত্ৰ কালিলৈ দেশৰ নাগৰিক।

**ৰসায়ন বিজ্ঞান বিভাগ ঃ** ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা Clarion ৰ সম্পাদনা সমিতিৰ দায়িত্বত আছে অধ্যাপিকা ড° মৌচুমী গাংগুলী, অংকিতা গোস্বামী, অঞ্জু গগৈ। এই পত্ৰিকাখনিত ৰসায়ন বিজ্ঞান বিভাগীয় বহুত প্ৰৱন্ধৰ সমাহাৰ দেখা গৈছে।

**পদাৰ্থ বিজ্ঞান বিভাগ ঃ** পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাৰ নাম - 'LA PHYLLITE'। সম্পাদনা



ত আছে সোণাল, কাশ্যপ, প্ৰশান্ত, নৱজ্যোতি, হেমেন, অপূৰ্ব, প্ৰকাশ, পদাৰ্থ বিজ্ঞান সম্পৰ্কীয় প্ৰবন্ধৰে পত্ৰিকাখন সজাই তোলা হৈছে।

**প্ৰাণী বিজ্ঞান বিভাগ ঃ** প্ৰাণীবিজ্ঞান বিভাগৰ পত্ৰিকাৰ নাম 'Zoonic Info'। সম্পাদিকা সমহিতা ৰয় আৰু ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, ড° ৰাতুল চন্দ্ৰ ৰাজখোৱাৰ সৌজন্যত প্ৰাণী বিজ্ঞান সম্পৰ্কীয় প্ৰবন্ধৰে পত্ৰিকাখনি উজ্বলি উঠিছে।

**ভূতত্ত্ব বিভাগ ঃ** ভূতত্ত্ব বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰৱাহে' কলা-বিজ্ঞানৰ সমন্বয় কৰি এক নতুন ধাৰা বোৱাই অনাৰ প্ৰয়াস কৰিছে। ৰাকেশ কুমাৰৰ কবিতাই এই সমন্বয়কে প্ৰতিফলন ঘটাইছে। তেওঁৰ কবিতাৰ জৰিয়তে সময়ৰ সতে পৰিবৰ্তনশীল / জীৱনৰ ভূতত্ত্ব / ই মাথো এক 'Imaginary sphere' বাস্তৱত জ্যামিতিৰ নিয়ম কংক্ৰিটৰ আৱৰণ মাথোন'। সম্পাদক শুভ্ৰজিৎ কৰৰ সম্পাদনা তথা প্ৰীতমৰ বেটুপাতেৰে কবিতা, প্ৰৱন্ধ সমাহাৰে প্ৰৱাহক এক নতুন মাত্ৰা প্ৰদান কৰিছে।

**গণিত বিভাগ ঃ** গণিত বিভাগৰ পত্ৰিকাখনিৰ নাম কুঁহিপাত। পত্ৰিকাখনিৰ সম্পাদক দেৱজিৎ বৰা আৰু তত্ত্বাৱধায়ক দিলীপ শৰ্মা। গণিত বিভাগৰ অধ্যাপক দিলীপ শৰ্মাৰ হেমিল্টন জন্ম দ্বি শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্য শীৰ্ষক প্ৰৱন্ধই সকলোকে উপকৃত কৰিব। কবিতা, গল্পৰ সমাহাৰে গণিত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য প্ৰতিভাৰ চানেকি বহন কৰিছে।

**নৃতত্ত্ব বিভাগ ঃ** নৃতত্ত্বৰ মূল উদ্দেশ্য গতিশীল মানৱৰ প্ৰক্ৰিয়া অধ্যয়ন, সেয়েহে এই প্ৰয়াস আমি কৰি যাম এই বাণীকে সাৰোগত কৰি এই বিভাগৰ পত্ৰিকা 'চৰাচৰে' যাত্ৰা আৰম্ভ কৰিছে। এই পত্ৰিকাৰ সম্পাদনা কৰিছে ড° তিলোত্তমা বৰুৱা, বেটুপাত হেমাংগ ফুকনৰ, অলংকৰণ মঃ পিংকু চৌধুৰীৰ। প্ৰয়াত ছাত্ৰ ৰমেন বৰুৱাক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰেই এটি প্ৰবন্ধ প্ৰকাশ কৰা হৈছে। কবিতা, প্ৰৱন্ধৰ সমাহাৰে নৃতত্ত্ব বিভাগৰ পত্ৰিকাখনিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। ৰমেন বৰুৱালৈ শ্ৰদ্ধাঞ্জলি জ্ঞান কৰি তেওঁৰ প্ৰবন্ধটিৰ ক্ষুদ্ৰতম অংশ তলত তুলি দিয়া হৈছে - 'Man is the artistic genious' আইতাৰ মুখত শুনা সাধুকথাত শিলেও কথা ক'ব পাৰে এই কথাবাৰৰ সত্যতা যেন ভীমবেট্‌কা পৰিদৰ্শনৰ পিছত নিজ চকুৰেই অনুধাবন কৰিব পাৰিলো। আদিম অৱস্থাৰ পৰা মানুহৰ মনত থকা শিল্পসত্তাৰ পৰিচয় যেন এই শিলবোৰেই বহন কৰে।

উত্তৰ পূৰ্বাঞ্চলৰ আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান কটন কলেজৰ প্ৰত্যেক বিভাগৰ প্ৰাচীৰ পত্ৰিকা সমূহে এটা কথাকে যেন ঘোষণা কৰিছে মানুহৰ প্ৰতিভা, উচ্চাকাংক্ষা, ইচ্ছাশক্তিৰ সহায়ত এক কম পৰিসৰৰ ভিতৰতে এক সৰ্বোৎকৃষ্ট সৃষ্টি কৰিব পাৰে। মৌ-মাখিয়ে যেনেদৰে ফুলে ফুলে মৌ সংগ্ৰহ কৰি মৌৰস আনৰ বাবে উৎসৰ্গা কৰে ঠিক সেইদৰে প্ৰত্যেক বিভাগৰ প্ৰাচীৰ পত্ৰিকা কেইখনেও মৌ-মাখিৰ দৰে সৰ্বোৎকৃষ্ট সাহিত্য ৰস সৃষ্টি কৰি ভৱিষ্যৎ প্ৰজন্মক দি যোৱাৰ চেষ্টা কৰিছে। কটন কলেজৰ দৰে এখন আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠানৰ প্ৰাচীৰ পত্ৰিকাৰ যিমান মানদণ্ড উন্নত হৈছে ঠিক সেইদৰে উজুটি খোৱাও দেখা গৈছে। প্ৰাচীৰ পত্ৰিকাখনক যিহেতু গল্প, প্ৰবন্ধ, কবিতাৰ সমাহাৰে পৰিপূৰ্ণ ৰূপ দিয়া হয় তেনেস্থলত কিছুমান বিভাগৰ ক্ষেত্ৰত দেখা গৈছে অলংকৰণত বেছিকৈ গুৰুত্ব দি লেখনিৰ সংখ্যা কম কৰিছে। প্ৰাচীৰ পত্ৰিকাত প্ৰকাশিত উন্নত মানদণ্ডৰ লেখন শৈলীয়ে পত্ৰিকাখনিক উচ্চ আসনত বহুৱাব তথা বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ পৰিচয় দিয়াত সক্ষম হ'ব। পালমৰা মনোভাৱ তথা উপযুক্ত সংৰক্ষণৰ অভাৱত কটন কলেজৰ অতীতৰ পৰা বৰ্তমানলৈকে থকা সাহিত্যৰ গৰিমাত বেয়া প্ৰভাৱ পেলাব পাৰে। সেইয়ে প্ৰত্যেক বিভাগে কটন কলেজৰ সন্মান অক্ষুন্ন ৰখাৰ স্বাৰ্থতেই নিজৰ শ্ৰেষ্ঠত্ব উজাৰি দিয়াৰ ক্ষেত্ৰত ব্ৰতী হোৱা প্ৰয়োজন। হোমেন বৰগোহাঞিদেৱে তেখেতৰ গ্ৰন্থত লিখিছে - 'এটা দৰকাৰী ভুলতকৈ এটা ক্ষতিকাৰক সত্যকেই মই বেছি পছন্দ কৰোঁ। সত্যই যদি আমাক যন্ত্ৰণা দিয়ে, তেন্তে সি সেই যন্ত্ৰণাৰ নিৰাময়ো কৰে।' আমিও সেই সত্য সদৃশ যন্ত্ৰণাক স্বীকাৰ কৰি কিছুমান ভুল সংশোধন কৰি প্ৰত্যেক বিভাগেই নিজৰ শ্ৰেষ্ঠত্ব উজাৰি দি উন্নতমানৰ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি কটন কলেজৰ সাহিত্যৰ ক্ষেত্ৰখন জিলিকাই তোলো আঁহক।

---

*৩য় ষান্মাসিক, সংস্কৃত বিভাগ




- মানুহবোৰ শিল আছিল.... প্ৰবালজ্যোতি ফুকন ৭৩
- বিয়োগ অংকৰ মালিতা - ৰশ্মিৰেখা চেতিয়া ৭৩
- আন্ধাৰবোৰ প্ৰেমৰ বাবে - স্বৰাজ ফুকন ৭৪
- আবিষ্কাৰ - বিদ্যুৎ বৰুণ শৰ্মা ৭৪
- অনুভৱ - সংগীতা শৰ্মা ৭৫
- চোলা - কাকলি গগৈ ৭৫
- পৰিক্ৰমা - জয়শ্ৰী চহৰীয়া ৭৬
- প্ৰেমৰ এটি বিজ্ঞাপন - নয়নমণি বৰদলৈ ৭৬
- সেই দিনবোৰ - জুবি কাকতি ৭৭
- এটা শব্দৰ সন্ধানত - কাংকান কাকলি পেগু ৭৭
- দিনপঞ্জীবোৰ সিহঁতৰ - অংকিতা বৰা ৭৮
- লুইতপৰীয়াৰ সপোন - ভাৰ্গৱ জ্যোতি কছাৰী ৭৮
- প্ৰতীক্ষা - প্ৰণৱজ্যোতি ভূঞা ৭৯
- আৱৰণ - নম্ৰতা বৰদলৈ ৭৯
- অনুভৱৰ কলাজ - কমল বৰুৱা ৮০
- তুমি দি থৈ যোৱা বিষাদ - ৰাকেশ হাজৰিকা ৮০
- এজন অশোকৰ প্ৰাৰ্থনাৰে - আৰতি ভড়ালী ৮১
- শব্দৰ হাঁহাকাৰ - পূৰবী শৰ্মা ৮১
- বিষয় ঃ শীত (এক) - চন্দ্ৰামিতা গোস্বামী ৮১
- বিষয় ঃ শীত (দুই) - মনীষা দাস ৮২
- বিষয় ঃ শীত (তিনি) - কবিতা দত্ত ৮৩
- ঠিকনা - সংগীতা দেৱী ৮৩
- বজা ! আমাক পানী লাগে ! - ড° তৰুণ চন্দ্ৰ শৰ্মা ৮৪
- অসুখী পদ্য - হুছেইন মঃ ছাহজাহান ৮৫
- অপেক্ষা - সৃষ্টি শ্ৰেয়ম ৮৫
- শেষ বিবৃতি - বঙ্কিম ঠাকুৰীয়া ৮৬
- মিথিলায়াৰ (বড়ো কবিতা) - বিৰূপাক্ষ গিৰি বসুমতাৰী ৮৭
- বৃষ্টি, সবুজ দ্বীপ আর আমি (বাংলা কবিতা) - প্রসূন বর্মন ৮৮
- আলি আয়ে লৃগাঙৰ গীত - হেমন্ত কুমাৰ টায়েং ৮৯
- **Valuable time** (আৰবী কবিতা) - ফৰিদুদ্দিন আহমেদ ৯০


# কবিতা



## মানুহবোৰ শিল আছিল....

প্ৰবালজ্যোতি ফুকন*

উৎস ঃ চিলমিল টোপনিত দেখিছিলো...
...এসময়ত মানুহবোৰ শিল আছিল...
নাছিল কোনো ৰজা, সকলোবোৰেই নিজেই নিজৰ প্ৰজা...
শিলে শিলে কথা পাতিছিল...
ভৰযৌৱনা নদীখনৰ কথা, থোপাথোপে লাগি থকা
বনৰীয়া গুটিবোৰৰ কথা...
আৰু চাওঁতে চাওঁতে এনেকৈয়ে বহুদিন...
এদিনাখন কিবা কথাত দুটা শিলৰ কাজিয়া লাগিল...
...তাৰ পাছত আৰু দুটা আৰু তাৰ পাছত আৰু বহুতো শিলৰ...
বহুদিন ধৰি চলি থাকিল এখন তয়াময়া ৰণ...
সৃষ্টিকৰ্তাৰ খুউব্ খং উঠিল, অভিশাপ দিলে -
"আজিৰ পৰা তহঁতে মানুহ হৈ চিৰদিন
নাৰ্য্য-প্ৰাপ্যৰ কাৰণে কৰিব লাগিব আন্দোলন;
দিব লাগিব স্মাৰক পত্ৰ, কৰিব লাগিব অনশন।"
সেইদিন ধৰি শিলবোৰ মানুহ হৈ ৰ'ল, কৰিব লগা হ'ল ধৰ্মঘট...!
আজিও শিলবোৰে বহু কথা কয়...
...বহু পুৰণি কথা...
কথাবোৰ মানুহৰ গাত খুন্দা খাই উফৰি আহে...
মানুহবোৰেও বহু কথা কয়...
বহু সভ্যতাৰ কথা...
সুউচ্চ টাৱাৰবোৰ মাতাল শিলবোৰত খুন্দা খাই
কথাবোৰ উফৰি আহে...
শিলৰ ওচৰলৈ....

*স্নাতক ২য় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ

## বিয়োগ অংকৰ মালিতা

ৰশ্মিৰেখা চেতিয়া*

অংকত মই কেঁচা আছিলোঁ
প্ৰীতিৰ নেওতা আওৰাই
স্থলপদ্মজোপাৰ তলত
তুমি মোৰ বাবে ৰৈ আছিলা
ওহোঁ তুমি তোমাৰ বাবে ৰৈ আছিলা
বহুদিন আমাৰ মাজত দুখৰ দিয়া-লোৱা
অথচ আমি মিছা মাতোঁ
আমি ইজনে সিজনৰ বাবে ৰৈ আছিলোঁ!

অভিমানৰ চিপ্ চিপ্ নিয়ৰে তিয়াই পেলাইছিল
তোমাৰ ওঁঠ, তোমাৰ কলিজা
অংকত কেঁচা হোৱাৰ বাবেই মোৰ
সঘনে ভুল হয় যোগ-বিয়োগ।
কেনেকৈ জানো তুমি জপিয়াই পাৰ হ'লা
পঢ়াশালিৰ এপতীয়া খিৰিকী।

জোনাকে শেষ চুবুৰীটো তিয়াই পেলোৱালৈকে
তুমি বিচাৰি আছিলা
আঘোনৰ ঘূৰণীয়া জোন
খুউব সম্ভৱ সিদিনা তোমালোকৰ গাঁৱত
ৰাস পাতিছিল।

খিৰিকীৰ ফ্ৰেমত ছবি এখন ওলমি আছিল
তৰা ফুলবোৰ ফুলি শেষ হোৱালৈকে
দুলি আছিল ছবিখন
তুমি এবাৰো নাচালা -
এবাৰো নাচালা ঘূৰি
কোনোবাই ক'লে তুমি অঘৰী আত্মাৰ গোন্ধ
বিশ্বাসৰ নৈ পাৰ হৈ ক'ৰবালৈ
গুচি গ'লা......।

*স্নাতকোত্তৰ ১ম ষাণ্মাসিক, অসমীয়া বিভাগ



## আন্ধাৰবোৰ প্ৰেমৰ বাবে

স্বৰাজ ফুকন*

অলিয়ে গলিয়ে শুই থাকে আন্ধাৰবোৰ
ৰাজপথৰ ওপৰতে পাতে ভাওনাৰ আখৰা
গাড়ীৰ হেড্‌লাইট দেখিলেই একাষলৈ জাঁপ দি
পুনৰ ঘূৰি আহে খণ্তেকতে।

আন্ধাৰৰ কাৰ্যালয় আছে পৃথিৱীৰ চৌদিশে
গন্ধ আছে, স্পৰ্শ আছে, আছে গানৰ দৰে গুণগুণনি,
আকাশজুৰি সজাই দিয়ে তৰাফুলৰ চাকি।
আন্ধাৰে ধাৰণ কৰে পোহৰৰ শিশু
সম্ভাৱনা আৰু মাদকতাৰ বাবেই চৌখিন জোনাকীয়ে
ভাল পায় আন্ধাৰৰ সুগন্ধি উদ্যান।

আন্ধাৰে বৃষ্টি হৈ তিয়াব পাৰে মাটি
খেতিয়ক হৈ সিঁচিব পাৰে কঠীয়া
সপোন-দিঠকৰ যুগল শিখা এটি হৈ
পুৰি পেলাব পাৰে ব্যৰ্থতাৰ হুমুনিয়াহ।
আন্ধাৰৰ চেহেৰা হ'ব পাৰে খেৰেজুবুলীয়া
অথচ সকলো ব্যৰ্থতা ঢাকি তাতেই ফুলি উঠে
জীৱনৰঙী ৰজনীগন্ধা।

প্ৰেমৰ বাবে, আন্ধাৰবোৰ প্ৰেমৰ বাবেই
আন্ধাৰ যে তুমুল প্ৰতিভাময় আৰু
সভ্যতাৰ প্ৰথম বুনিয়াদ।

ক
বি
তা

* স্নাতক ১ম বৰ্ষ, বুৰঞ্জী বিভাগ

## আৱিষ্কাৰ

বিদ্যুৎ বৰুণ শৰ্মা*

এটা পিয়াঁজৰ বাকলি গুচোৱাৰ দৰেই আছিল
তোমাক আৱিষ্কাৰৰ পৰ্ব

তোমাক আৱিষ্কাৰৰ বাবে কলম্বাছো হোৱা নাছিলো
অথবা হ'বলগীয়া হোৱা নাছিল আইনষ্টাইন

অথচ তেওঁলোকে নিতিতা
কেইবাজাকো ৰৰযুগত তিতাৰ সৌভাগ্য হৈছিল মোৰ
তোমাৰ আৱিষ্কাৰৰ যাত্ৰাত

এখনৰ পাছত এখনকৈ মেল খাইছিল অসংখ্য প্ৰাচীন দুৱাৰ
প্ৰতিখন দুৱাৰতে আকৌ আছিল
একোখনকৈ মকৰাজালৰ পৰ্দা

প্ৰতিখন পৰ্দা আঁতৰাই
আগুৱাই যাওঁতে এটা এটা যুগ পাৰ হৈ গৈছিল

কিমান যুগৰ কিমান প্ৰাচীন নাৰী তুমি!

এতিয়াও সন্দেহ আঁতৰা নাই
নিশা সপোনতো চক্ খাই উঠোঁ সঘনাই

পাৰিছোনে খুলিব অন্তিমখন দুৱাৰ
পাৰিছোনে আঁজুৰি ছিঙিব অন্তিমখন মকৰাজালৰ পৰ্দা।

এটা পিয়াঁজৰ দৰে
সকলো অপেক্ষাৰ অন্তত
বিৰাট এক শূন্যতা প্ৰাপ্তিৰ আকাংক্ষা মোৰ নাই।



* স্নাতকোত্তৰ ৩য় ষান্মাসিক, ইংৰাজী বিভাগ

কবিতা



## অনুভৱ

সংগীতা শৰ্মা*

এনেকৈয়ে বাগৰে দিনবোৰ
সময়বোৰ হয় সুমধুৰ অতীত
দিনবোৰে অতিক্ৰম কৰে
সুউচ্চ নিশাৰ অন্ধকাৰ।
ফুলবোৰ ফুলে
সাময়িক সত্যৰ কথা
পাহৰি
কলিবোৰেও হাঁহে ;
সৰি পৰা পাতেৰে
তল ভৰি থাকে স্মৃতি,
স্মৃতিৰ ফাগুন গছকি
আহে আশাৰ বহাগ
জাতিস্মাৰ হয় সপোন
সেউজ কুঁহিপাতেৰে।

* স্নাতকোত্তৰ ১ম ষাণ্মাসিক, অসমীয়া বিভাগ

## চোলা

কাকলি গগৈ*

তেনেকৈ নকবা
খহি আহিবলৈ খোজে
মোৰ বুকুৰ এফাল
হিমালয়ত বৰফ গলাৰ দৰে।

তেওঁৰ দৰে মইও চিলাব বিচাৰোঁ
এটি সৰু চোলা
চোলাটি উৰি ফুৰিব ফুলনিত
পখিলা উৰাদি
জোনাকী পৰুৱা ধৰিব সন্ধিয়া
হাতৰ মুঠিত দেখিব
এটা দুটাকৈ যে বহুত তৰা

কণমানি চোলাটোৱে আমাক ধৰিবলৈ শিকাব
এটি দুটিকৈ বহুত তৰা
সি চিলা উৰাদি উৰিব
চাই ৰ'ম আমি দুহাত সাৱটি
ঘুৰাই দিব চোলাটোৱে
আমাক আমাৰ শৈশৱ
দিব ঘূৰাই দুচকুৰ চিকিমিকি পোহৰ
তেওঁৰ দৰে মইও চিলাব বিছাৰো
এটি সৰু চোলা
জোনাকী তৰা বিচাৰিবলৈ।



* স্নাতকোত্তৰ ৩য় ষান্মাসিক, অসমীয়া বিভাগ



# পৰিক্ৰমা

জয়শ্ৰী চহৰীয়া*

তোমাক যি দিব পাৰিম
সেয়া কেৱল শূন্যতা
আৰু তুমি মোক যি দিবা
সেয়া কেৱল বিবাদ
আমি আদান-প্ৰদান কৰিব পাৰোঁ
কেৱল বিবৰ্ণতা
আৰু শূন্যতা!
যি শূন্যতাৰে বুৰাই পেলাইছোঁ
আমাৰ অপূৰ্ণ জীৱন
নিঃস্বতাৰে ভৰপূৰ জীৱন!
দুখৰ জন্মদিন আৰু নাপাতিবা
উপহাৰ দিবলৈতো
একোৱেই নাই মোৰ
হাতত মোৰ শূন্যতাৰ পাত্ৰ
তোমাৰ পৰা মোলৈ এতিয়া
বহুদূৰ, বহুযোজন পৰিক্ৰমা....।

* স্নাতক ৩য় বৰ্ষ, ইংৰাজী বিভাগ

# প্ৰেমৰ এটি বিজ্ঞাপন

নয়ন মণি বৰদলৈ*

এটা নীলা ছাতিৰ আঁৰত
তুমি আৰু মই দুখন পৃথিৱী।

আমাৰ যাত্ৰা —
শেষ বিন্দুলৈকে একেলগে একেদৰে খোজ কঢ়াটো।
কোনো প্ৰতিদানৰ মূল্যাংকন নাথাকে এই যাত্ৰাত।

লক্ষ্য —
দুখন পৃথিৱীক এখন কৰা
যি আশ্ৰয় হ'ব
বিশ্বাসঘাতকতাত হৃদয় হেৰুওৱা
ভগনীয়া ভাগৰুৱা প্ৰেমিকৰ।

ইচ্ছা —
জীৱন আৰু যন্ত্ৰণাক ভালপাবলৈ শিকা;
এই জোনহীন, নাওবিহীন জীৱনক
এটি শিৰোনাম দিয়া;
নিজাকৈ গঢ়ি তোলাৰ এটি প্ৰেমৰ চুবুৰী, আপোন সত্তাত।

ধৰ্ম —
দুখৰ ডালত দুলি থকা
দুৰ্ভগীয়া প্ৰেম;
যি কলিজা খহাই ভাল পালেও
স্বীকৃতি নাপায়
যি বিশ্বাস কৰিবলৈ লৈছে
'সুখৰ প্ৰতি আতংকই অসুখ'
তেওঁক সঙ্গ দিয়া।
আহিলে আহিব পাৰে
ঠিকনাঃ হৃদয়।

* স্নাতক ১ম বৰ্ষ, ইংৰাজী বিভাগ

ক
বি
তা

কবিতা

## সেই দিনবোৰ

জুৰি কাকতি*

আইৰ চেনেহৰ আঁচলত মুখ গুজি
সানিছিলোঁ দেহত ধৰাৰ অকৃত্ৰিম পৰশ
নিশাৰ চৰাইৰ দৰে নিৰৱতা ভেদি
আকিছিলোঁ ৰামধেনু, হৃদয়ৰ কুঞ্জ-বনত।
নিষ্পাপ সৰলতা আৰু এমোকোৰা হাঁহিৰে
ওপচি থকা মুখখনি
লাগিছিল যেন,
কোনোবা অচিন কবিৰ প্ৰাণ ঢালি লিখা
শব্দৰ এখন অবুজ অভিধান।
বাৰুকৈয়ে মনত পৰে —
চেনেহৰ শেতেলীত
পৰীৰ দেশৰ সপোন ৰচি
হাতীপটিৰ বুকুত খোজকঢ়াৰ কথা
বুকুৰ একোণত এতিয়াও জাগে
শোতোৰা পৰা গাল আৰু
তামোলৰ পিকেৰে ৰঙা আইতাৰ
ওঁঠৰ চুমাটিৰ উষ্ণ পৰশ।
মনৰ পখীটিক হাতবাউলি মাতে
লুইতৰ বালি-চাপৰিত কৰা খেল-ধেমালি
আৰু ৰং তুলিকাৰে সৈতে
অকণি হাতেৰে বোলোৱা
নিৰ্বোধ ছবিটিয়ে।
এতিয়া পিছে মোৰ ৰিক্ত আকাশত
উদাসীনতাই জোকায়
ভুৱা যৌৱনৰ প্ৰতাৰণাই
চকুপানী সৰুৱায়।
সেয়েহে মনত পেলাওঁ
মৰম আকলুৱা শৈশৱৰ নিৰ্দোষ-ধেমালি
জীৱনৰ শৈশৱ -
মোৰ চিত্তগৃহৰ অনন্ত প্ৰহৰী।

* উঃ মাঃ ১ম বৰ্ষ, কলা

## এটা শব্দৰ সন্ধানত

কাংকান কাকলি পেগু*

হেৰাল,
সঁচাকৈয়ে হেৰাল শব্দটো

সোণাৰুৰ হালধীয়াত নাই,
সৰাপাতৰ খৰমৰণিত নাই,
ৰেলৰ উকিত নাই
বৰষুণৰ মাজতো নাই

গানৰ কলিত
কুলিৰ মাতত
মানুহৰ বক্তৃতাত
নাটকৰ সংলাপত
ক'তো নাই

মেঘৰ মাজত
বতাহৰ সুঁহুৰিত
সাগৰৰ ঢৌত...
মুঠতে শব্দটো হেৰাল

কোনো সদাশয় পাঠকে যদি
শব্দটো বিচাৰি পায়,
অনুগ্ৰহ কৰি জনায় যেন...

শব্দটোৰ
নামঃ বিশ্বাস
উচ্চতা ঃ আকাশ
ৰং ঃ ভালপোৱা
ঠিকনা ঃ হৃদয়।



* উঃ মাঃ ১ম বৰ্ষ, কলা

কবিতা



## দিনপঞ্জীবোৰ সিহঁতৰ

অংকিতা বৰা*

মনবোৰ সিহঁতৰ বহুকাংক্ষী
অৱৰুদ্ধ আশাৰ মাজত জ্বিলিকে
একোখন নতুন জীৱনৰ দিনপঞ্জী।
সিহঁত কাৰোবাৰ অবাঞ্চিত
নতুবা কাৰোবাৰ কামনাৰ বলি হৈ
সু-কোমল ধৰাত নামিছে
ডাষ্টবিনবোৰত আঁজুৰি-আঁজুৰি
বিচাৰি ফুৰে,
এক প্ৰচণ্ড-ব্যস্ততাৰে
এটা যাযাবৰী সপোনৰ ছাঁ
সিহঁত বুভুক্ষু!
পাণবজাৰ নতুবা পল্টনৰ ডাষ্টবিনত
পৰি থাকিব পাৰে
কাৰোবাৰ উচিষ্টখিনিত
সেয়ে সিহঁতে বিচাৰে
অজান উৎকণ্ঠাৰে
ক্ষুধা নিৰ্বাপিত কৰাৰ সূত্ৰ
দিনপঞ্জীবোৰ সিহঁতৰ
লিপিবদ্ধ হয়
এনেদৰেই ....।

* স্নাতকোত্তৰ ১ম ষান্মাসিক, সংস্কৃত বিভাগ

## লুইতপৰীয়াৰ সপোন

ভাৰ্গৱ জ্যোতি কছাৰী*

এচকু চাৱনিয়ে মোক মাতে, চকু টিপিয়ায়
সোধে, "সপোন দেখিছা?
হৃদয়ৰ...! মনৰ...! নে সপোনৰ সপোন...!"
অজানিতে দেখা সপোন, মইয়ো দেখিছোঁ,
এডৰা ক'লা ডাৱৰ।

এবুকু উশাহে মোক মাতে, বৈ বৈ
সোধে, "কেতিয়াবা সাঁতুৰিছা?
এসাগৰ নীলাত বুকু উদঙাই।"
সাঁতুৰিছোঁ কেতিয়াবা অজানিতে এবাৰ,
এচকলা বিজুলী চাকিত বুকু পেলাই!

এচেৰেঙা অন্ধকাৰে মোক মাতে, সুহুৰিয়াই
সোধে, "দেখিছা কেতিয়াবা?
সীমাহীন সেউজী পথাৰ।"
কেতিয়াবাহে গজে তাতে ৰূপালী-সোণালী বীজ
এলাগী মোৰ বুকুৰ লুইতৰ পাৰ।

এখন লিহিৰি হাতে মোক মাতে, হাতবাউলি
কয়, "আশাবোৰৰ সীমা নথকাকৈয়ো,
থাকে আপোন, কোনোবা।
আঁহাচোন, আশাৰ বোকাত, ধৰোঁ
পুঠি, গৰৈ, দৰিকণা।"

* স্নাতক ১ম বৰ্ষ, *বিজ্ঞান*

# প্ৰতীক্ষা

প্ৰণৱজ্যোতি ভূঞা*

নিৰ্বাক দুপৰীয়াটোৰ নিষ্পন্দ হৃদয় ফালি
মোৰ চেতনাৰ কুঁৱলী ঢাকি
অগা-ডেৱা কৰে-
মুজুৰা পৰি অহা এটা উৰুঙা বাঁহীৰ সুৰে!

শঠতাৰ বাঘচকাত নীৰৱতাৰ আত্ৰাণি...
পদপিষ্ট জীৱন খাগৰি জাহ যায় উন্মুক্ত চাকনৈয়াত!!

স্মৃতিৰ ফুটুকানি-
মঙহা জীৱন বালিত কঠনাৰ গজালি মেলি,
ঘৃণে ধৰা ইতিহাসৰ পদশিলা...

বেসুৰা বাঁহীৰ সেই সুৰে
উছন্ন বিষাদৰ বাণত উটি উটি,
কদাকাৰ কৰে আস্থাৰ দিকচৌ বাট!!
এছাটি বতাহে বাট বিচাৰি নাপাই
বুকুৰ পকনীয়াত অগাভেটা কৰে
ওৰে ৰাতি বাট চাওঁতে-পদূলিৰ কেকুঁৰিত এমুঠি সেউজীয়ালে

এহালিছা জোৰা বুকুৰ পদূলিত
চিৰিলা চিৰিলি কলৰ পাতত স্বপ্নালু উন্মাদনা
ছিৰাল ফটাদি ফাটি আছে এশ এবুৰি স্বপ্নৰ জেটুলি পকা।

নিৰ্বাক শিতানত এয়া তিতি আছোঁ নিৰলে
বিমূৰ্ত কল্পনাৰ খণ্ডচিত্ৰই আছন্ন কৰে
মোৰ কল্পনাৰ সাতোৰঙী বীথিকা

নৈসৰ্গ আৰু দৃষ্টিৰ সীমনাত
নিয়ৰৰ আঁচলত হিমালু এজাক গধুৰ বতাহ...
বলিয়া বতাহ, বুকুৰ কুহৰত স্বপ্নৰ ক'লাঘুমটি।

বিশ্বাসৰ ডিঙৰা কজলা ভটিয়নী সোঁতত
সাতুৰি-নাদুৰি ইপাৰ সিপাৰ, টুলুং-ভুটুং।

তথাপিও আমি বাট চাম!
মাতৃৰ গৰ্ভত আমাৰ শিপা মেলি দি
জোনাকী পৰুৱা আৰু শইচৰ পথাৰ থকালৈকে...
আমাৰ সেউজ স্বপ্নবোৰ আশাহত নোহোৱালৈকে
আস্থাৰ, পৰম্পৰাৰ সাকোঁ সাজি সাজি.....

* স্নাতক ২য় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ

# অনুৰণন

নম্ৰতা বৰদলৈ*

বিয়লি বেলাৰ বিৱৰ্ণ বতাহজাকত
ভাহি গ'ল গুছি যোৱা জাহাজৰ উকি।
ধুৱলি-কুঁৱলি আকাশখনত
চকলা-চকল কলীয়া ডাৱৰবোৰত
নিনাদিত হ'ল গুছি যোৱা জাহাজৰ উকিবোৰ।
বেজাৰত, আতংকত
মোৰ নিৰ্মিমেষ দৃষ্টি সজল হ'ল।
তথাপিও কেতিয়াবা
কাৰোবাৰ চিকুণৰ কৰুণ সুৰত
তোমাৰ কণ্ঠৰ লালিত্যত
মই বিচৰণ কৰিম
এটি সুন্দৰ উপত্যকাত।
সেউজীয়া সেই উপত্যাকাত
উটি-ভাহি ফুৰিম মই আৰু
গুচি যোৱা জাহাজৰ উকিবোৰ...।



* স্নাতক ২য় বৰ্ষ, ইংৰাজী বিভাগ



## অনুভৱৰ ক'লাজ

কমল বৰুৱা*

(১)

পাণবজাৰৰ গধূলি কটনিয়ানৰ প্ৰথম অনুৰাগ
জীৱনৰ ঘাটত
নষ্টালজিয়া ৰচাৰ প্ৰিয় সময়-
সূৰ্য হোৱাৰ অৰিন্দম পৰাক্ৰমেৰে...
শাহজাহান হোৱাৰ তীব্ৰ বাসনাৰে...
কাৰ্লমাৰ্ক্স হোৱাৰ প্ৰতিবাদ মুখৰ প্ৰয়াসেৰে...

(২)

তুমি নুবুজা,
তোমাৰ হাতবুলনিত-
মোৰ সত্বাত পুলকৰ অমল জোনাক...
তুমি জানিবও নোখোজা
তোমাৰ আবেদনত-
সুখানুভূতিৰ তৰাৰে আলোকময়ী মোৰ হৃদয়াকাশ...

(৩)

ঈশ্বৰৰ অস্তিত্বহীনতাই মোক নাস্তিক সজায়-
আস্তিকৰ আহুকালত;
পৰম্পৰাৰে ঈশ্বৰ-বিশ্বাস যে মোৰ জন্মগত।

(৪)

ফুটপাথৰ বুকুত জীৱনৰ অস্তিত্বহীনতা
ষ্ট্ৰীট লাইটত শোষিতৰ মুক্ত স্বাধীনতা-
তেনেদৰেই পূৰ্ণ মোৰ চহৰীয়া অনুভৱৰ কবিতা...।

* স্নাতক ২য় বৰ্ষ, ইংৰাজী বিভাগ

## তুমি দি থৈ যোৱা বিষাদ

ৰাকেশ হাজৰিকা*

যেতিয়া হাত বাউল দি মাতে
সপোনৰ মৰীচিকাই
হৃদয়ৰ শলিতা, আশাৰ খৰিকাজাই
মোৰ হৃদয়ত হাচনাহানাৰ সুবাস।
বৈ যোৱাহেঁতেন জুৰি এটা হৈ
মোৰ বুকুৰ মাজেৰে
সপোনৰ ডিঙাৰ পৰা
ৰিঙ্ দি মাতিলোঁহেতেন
সময়ৰ ডাকত পঠালোঁহেতেন
নীলা খামৰ চিঠি।
তৰংগ হৈ মোৰ কাণত গুজৰি উঠিছিল
ভালপোৱাৰ নীলাভ শিখা।
ঐ বিজুলী, যাচোন যা
পোহৰ বিলাই দেগৈ
মোৰ সপোনৰ কাৰেংঘৰত
উজ্বলি উঠক মোৰ শালগ্ৰামৰ মূৰ্তি
তৰা হৈ উজ্বলক দুটি আশা ভৰা নয়ন।
লৈ যা বৰদৈচিলা দুখৰ পাহাৰ।
দলং এখন হৈ জীৱন-মৃত্যুৰ
হাত বাউল দি কিয়নো মাত অ'
মোৰ নিৰ্বাপিত অস্তগামী সুৰুয
এবাৰ মোকো জীয়াই চাবলৈ দেচোন
সপোনৰ কবৰস্থানত।
ফুল হৈ ফুলি চাবলৈ দে
তোৰ হৃদয়ৰ কোণত।
এবাৰ মাথোঁ কৈ যা
সপোনৰ কিমান দাম
তোক আৰু কাহানিও
নকৰোঁ আমনি।

* উঃ মাঃ ২য় বৰ্ষ, বিজ্ঞান

ক
বি
তা

কবিতা

## এজন অশোকৰ প্ৰাৰ্থনাৰে

আৰতি ভড়ালী*

মূৰত জুইচৰু লৈ মানুহজাকে অমৃতৰ গুটি সিঁচিছিল।
মেঘে পাহাৰৰ চূড়াত মাদল বজাইছিল।
মনময়ুৰীয়ে পেখম ধৰি
নৱবসন্তৰ বাৰিধাৰাক স্বাগতম জনাইছিল।
ঝুম খেতিৰ মাজে মাজে
পোৰা মাটিৰ মূৰ্ত্তিবোৰে ধ্ৰুপদী
নৃত্যৰ ছন্দৰে গীত গাই থাকোঁতেই
এজাক দানৱৰ গোজৰণিয়ে
জুই আৰু জীৱনৰ খেলা আৰম্ভ কৰিছিল।
কোনোবাই সিহঁতক বাৰুণী-সুৰ
পান কৰাই মতলীয়া কৰিছিল।
সিহঁতৰ অমৃতৰ বীজত গজি উঠিল
এজোপা বিষ-বৃক্ষ।
পাতবোৰে একোখন কুঠাৰ হৈ
সিহঁতক পৰশুৰামত পৰিণত কৰিছিল।
বৃদ্ধ-বণিতাৰ মুণ্ডহীন
দেহবোৰ মাটিত পৰি
হৃদয়হীন যদুকুলৰ ইতিহাস ৰচিছিল।
হে শুভ্ৰ উপত্যকা!
জনম লভিবনে
তোমাৰ উদৰতে
এজন অশোকৰ?

* স্নাতক ৩য় বৰ্ষ, অৰ্থনীতি বিজ্ঞান বিভাগ

## শব্দৰ হাঁহাকাৰ

পূৰবী শৰ্মা*

অকল শৰীৰকে নহয়
আত্মাকো আৱৰি থাকে শব্দই
চাৰিওদিশে কল্লোল
হৈ চৈৰ মাজত নৈশব্দৰ ৰাজ।
পেৰাৰ ভিতৰত বন্দী
হৃদয়ৰ শব্দবোৰ,
থৌকি-বাথৌ কম্পনবোৰ
আইভিলতাৰে আচ্ছাদিত।
চৌদিশত নৈশব্দৰ ৰাজ
শব্দ সৃষ্টিৰ ব্যৰ্থ প্ৰয়াস
নৈঃশব্দ ভাঙি চুৰমাৰ কৰিব পাৰে
এটি শব্দই!



* স্নাতক ১ম বৰ্ষ, নৃ-তত্ব বিভাগ

# বিষয় ঃ শীত

চন্দামিতা গোস্বামী*

## (এক)

তোমাক স্বাগতম জনাওঁতে
মোৰ হাত দুখন জঠৰ হৈ পৰিল
তেজবোৰ নাজানো কিয়
শীতল হৈ পৰিল বৰফৰ দৰে।

তোমাৰ প্ৰহাৰত
মোৰ দেহত চোকা ব্লেডে
কটাৰ দৰে আঘাত;
তথাপিতো তোমাক স্বাগতম।
কাৰণ
মোৰ দুখ-শীতৰ প্ৰহাৰ
সহ্য কৰা অভ্যাস বহু পুৰণি।

তোমাক স্বাগতম জনাবলৈ
ফুটপাথৰ বাসিন্দাসকলৰ
গৰম কাপোৰ নাই
তথাপিতো চোৰা কিদৰে সহিছে
তোমাক সিহঁতে।

তুমিতো আহিবাই
তুমি আহিলে শীতৰ
ৰাতিবোৰ কিয় চুটি হয়
মোৰ বন্ধ্যা সপোনবোৰে
বাগৰ সলাব নাপাওঁতেই
তুমি আহি চুই যোৱাহি
একঁচলি কোমল ৰ'দালি হৈ...

কঁপা কঁপা সপোনবোৰে
যেতিয়া ফুটপাথৰ বাসিন্দাসকলক নিচুকায়,
তেতিয়া সিহঁতৰ মৃত্যু হয়

তুমি নিষ্ঠুৰ হ'লেও
তোমাক ভালপাওঁ
তুমি বৰফ যেন হ'লেও
তোমাক স্বাগতম জনাওঁ
দুৰৈত নীল গ্ৰীষ্ম এৰি থৈ
আহাঁ বাবেই...।

* উঃ মাঃ ১ম বৰ্ষ, কলা

## (দুই)

মনীষা দাস*

একাপ গৰম চাহৰ ধোঁৱাই মাদকতা জন্মোৱা,
তুমি শীতৰ এটি গধূলি
ক্ৰিছেন্থিমামৰ ফুৰফুৰীয়া সুবাসে আমোল-মোলোৱা
তুমি যে শীতৰ সন্তান
নোমাল কোট চোলাবোৰো যে কেনে নিষ্ঠুৰ!
তোমাৰ অস্তিত্বক প্ৰত্যাহ্বান জনাব খোজে।
মাথোঁ স্বাগতম জনায় তোমাক কুঁৱলীৰ মিঠা ওৰণি লৈ
অনবদ্য সু-সম্ভাৰেৰে প্ৰকৃতি ৰাণীয়ে।
হায়! আজি হিটাৰৰ উত্তাপত উমাল লৈ পৰিছে
নগৰীয়া-চহৰীয়াৰ সুসজ্জিত কোঠা।
কেৱল হৰিকাইহঁতেহে কাঠখৰি যোগাৰ কৰিছে
নিয়ৰে আৰবা শীতৰ গধূলিক আদৰণি জনাবলৈ।

* উঃ মাঃ ১ম বৰ্ষ, কলা

কবিতা

কবিতা

## বিষয় ঃ শীত

লভিতা দত্ত*

### (তিনি)

ঘনকৈ পৰা কুঁৱলীয়ে
ক্ৰমশঃ ঢাকি পেলাইছে
বৰগছৰ পাত,
আৰু....
ধূসৰ হৈ আহিছে সেউজীয়াবোৰ।
বুকুৰ চিকুণ কোণত
উকমুকাই থকা
মন জুৰোৱা
আলফুল স্মৃতিৰ পৰশ
কেনেকৈনো হ'ল আজি
মোৰ ইমান নিলগ।
এসাগৰ দুখে আহি
ওপচায় হিয়া,
ফুৰফুৰকৈ উৰি যায় কিয়
ফাকুৰঙী হৃদয়?
চিনাকী বাটেৰে ভটিয়াই আঁহা
মোৰ আপোন সপোন,
নামি আহাঁ মোৰ
প্ৰসাৰিত দুহাতেৰে,
নিগৰি পৰা মোৰ দুচকুৰে,
কুঁহিপাতেৰে সেউজ কৰি পেলোৱা
মোৰ চৌপাশ।
অভিমানী প্ৰতীক্ষাৰ অন্তত
উলাহে নধৰিব হিয়া,
বাস্তৱমুখী সপোন
আগুৱাই অহা ভৰিৰ
প্ৰতিটো খোজৰ আদৰত
অজানিতে জোনাকেও
হেৰুৱাব বাট,
আহিব মোৰ কাষলে।

* উঃ মাঃ ২য় বৰ্ষ, কলা

## ঠিকনা

সংগীতা দেৱী*

চৰাইজাক উৰি গ'লগৈ
ৰাতিপুৱাতে,
বিচাৰি বিচাৰি আহাৰ
জিৰালেগৈ মৌ দালানটোত
সিহঁতলৈ চাই,
ওখ দালানটোৱে
ইতিকিং কৰিলে
বোলে পৰজীৱী জীৱ....

আঘোনৰ সোণোৱালী
ধান-ডাঙৰিৰ
চিৰিক্ চিৰিক্ শব্দ
মৰণাৰ খেৰৰ গধূলি-গোন্ধৰ সৈতে
আঘোণৰ কুঁৱলিয়ে মিতিৰালি পাতে
লেছাৰি বোটলা সুমধুৰ গান
বহাগৰ দোমাহী, কিম্বা
হেপি নিউ ইয়েৰ্
সকলোবোৰ,
সেউজীয়া ৰঙেৰে বোলালে...।

ডাবল্ ফ্ৰেমৰ ফটোখন
খুব ধুনীয়া।
ভিতৰৰ বাউণ্ডেৰীটো সোনবৰণীয়া
ভিতৰটো ৰঙা।



* স্নাতকোত্তৰ ১ম ষাণ্মাসিক, অসমীয়া বিভাগ

# ৰজা ! আমাক পানী লাগে !

ড° তৰুণ চন্দ্ৰ শৰ্মা*

পুহৰ ঠেঁটুৱৈ ধৰা শীতত
উপজিছিলোঁ মই
উপজিছিলা তুমি !

আয়ে বাঢ়ি দিয়া
কৰ্কৰা এগৰাহ
পেটত সুমুৱাই লৈ
পোনা মেলা বাটেৰে-
দৌৰ মাৰিছিলোঁ মই
তুমিও।

পেটলুঙত মৰাপাটৰ ৰচি
ডিঙিৰ পিচফালে আয়ে গাঁঠি মাৰি দিয়া
'ফেলালেইন' কাপোৰ
কুঁৰলীৰ জাল ফালি
নৰাণিৰ ওপৰেৰে ল'ৰ !
দেহিৰাম ছাৰৰ মৌসনা মাত-
'ফুকন, তোৰ আখৰাবোৰ ভাল হৈছে!'

পাঠশালাৰ আলৌগুটি-তলৌ গুটি
ৰবাৰ টেঙাৰ বল খেলি ঃ আমি যে হিৰ' !

দৃশ্য পটৰ পৰিৱৰ্তন
এদিন 'কনক দণ্ড' যোগেৰে ওপজা তুমি
সিংহ অংকিত আসনত উপবেশন কৰিলা !
বুকুখন সাতখন-আঠখন !
পিছে ৰজা !
আমাক পানী লাগে
আমাৰ ভোক লাগিছে, ভাত লাগে !
তুমি ৰজা
হৰ্তা-কৰ্তা বিধাতা !
মৌনতাই নুশুৱায় !
তোমাৰ মৌনতা - মোৰ বাবে হতবাক হোৱাৰ কাৰণ
কিয় জানা !

মোৰ পিতাৰ শেষ সময়ত
মোতকৈ বেছি কান্দিছিলা !
আইৰ বৈকুণ্ঠ প্ৰয়ানৰ দিনা
তুমি বোবা হৈ পৰিছিলা !
বেদনাই তোমাক নিশ্চুপ কৰিছিল।
নিৰন্ন জনতাৰ পেটৰ জুয়ে
তোমাকো পোৰে !
তৃষ্ণাৰ্তৰ তৃষ্ণা
আৰু পথিকৰ পথৰ ভাগৰে
তোমাকো দুখ দিয়ে
এয়া মই জানো !
তথাপিতো,
জনতাৰ মিছিলত থিয় হৈ
মই ক'ম -
আমাক পানী লাগে
প্ৰত্যুষতে তুলাপাতৰ - আঁক বাঁক
মই চাব নিবিচাৰোঁ
ধৰ্ষণ-হত্যা-লুণ্ঠনৰ ছবি
পেটৰ ভিতৰত বিস্ফোৰিত আগ্নেয়গিৰি।

আমাক পানী লাগে ৰজা
পানী লাগে।



কবিতা

* অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ

# অসুখী পদ্য

হুছেইন মঃ ছাহজাহান*

শিকাই দিয়ানা
তুমি মই সৰু এটি ঘৰ
পুখুৰীত দুটি বাদামী হাঁহৰ স্বপ্নত সুখী হোৱাৰ মন্ত্ৰ
গণিকা সভ্যতাৰ ঋণ মূৰত লৈ
হেনা কোৱানা কেনেদৰে সুখী হ'ব পাৰোঁ

প্ৰতিদিন বিক্ৰী হয় সুলভ মূল্যত
মোৰ ভনী
চেচাঁ ফুটপাথ হৈ ৰয় হাজাৰজনৰ শীতৰ চোলা
স্কুলবেগত ভৱিষ্যতৰ বোজা বৈ বৈ
ক্লান্ত কোনো কিশোৰে ইৰ জেক্সৰ বটলত বিচাৰে জীৱনৰ ঠিকনা
দেৱাল লিখনতে শেষ হৈ যায়
প্ৰতিবাদৰ সকলো ভাষা
বিশ্বাস নামৰ প্ৰাচীন অভ্যাসৰ বাবে
দেশৰ মানচিত্ৰত খোদিত হয় গুজৰাট।

পোহনীয়া কুকুৰ হ'ব নোৱাৰা বাবে প্ৰেমিকো হ'ব নোৱাৰিলো
নিয়ম ভঙাৰ দুৰন্ত নিচাৰ বাবে হেৰুৱালো
ঘৰলৈ উভতি যোৱাৰ পথ
মৃত্যুৰ গীটাৰত জীৱনৰ গান গোৱা প্ৰতিজন লোৰকা
মোৰ সতীৰ্থ হোৱা খবৰত
বেমাৰী পিতাৰ বয়স্ক চকুত পৰে দুশ্চিন্তাৰ দাগ.....
বাঢ়ি আহে মোৰ মাৰ বুকুৰ বিষ
হেৰাই যায় ভাইটিৰ উজ্জ্বল দিন আৰু স্বাভাৱিক হাঁহি

জীয়াই থাকিব জানো বাবেই আমি প্ৰতি পল মৰোঁ
ক্ষুব্ধ বুকুত জমা হয় প্ৰতিদিন-নিক'টিন
অশান্ত আত্মাত প্ৰতিপালন কৰোঁ ঘৃণা

হেনা, এটা সপোন কিনি দিয়ানা
মৃত্যুৰ হাতৰ পৰা জীৱনক আঁজুৰি অনাৰ সপোন
বুলাই দিয়ানা মোৰ অস্থিৰ চুলিত প্ৰশ্ৰয়ৰ আঙুলি
আৰু জ্বৰতপ্ত হৃদয়ত বিশ্বাসৰ জলপটি।

* স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ

# অপেক্ষা

মূল ঃ অমৃতা প্ৰীতম (পাঞ্জাবী)
ইংৰাজীৰ পৰা অনুবাদ ঃ সৃষ্টি শ্ৰেয়ম*

ৰাতি - আধা ৰাতি
আধা বাকী
মমৰ টোপটোপ পোহৰত
তোমাৰ পিতৃ আৰু পিতামহৰ চালৰ তলত
আশ্ৰয়ে মই
বাট চাই তোমাৰ অস্থিৰ খোজ
ঘৃণাভৰা সেই মদৰ গোন্ধ
তোমাৰ তপ্ত নিশাহত .

মই,

হয় মই -
মই, সেউজ ধৰালৈ আহিব খোজা
তোমাৰ সন্তানৰ মা।



* স্নাতকোত্তৰ ১ম যান্মাসিক, অসমীয়া বিভাগ

কবিতা



# শেষ বিবৃতি

(ART IS SUBJECTIVITY : Jean Paul Sartre)

মূল ঃ ফাল্গুণী ৰায় (বাংলা)
অনুবাদ ঃ ৰক্তিম ঠাকুৰীয়া।*

ঠিক এই মুহূৰ্তত মদ ভাং বা ছোৱালী নালাগে
চাৰ্মিনাৰও নাই - কিতাপ নাই ভাল ওচৰত
ঠিক এই মুহূৰ্তত নিভাঁজ চাৰ্টপেন্ট
মই এক প্ৰেমবিহীন নাগৰিক ভিক্ষাৰী
পাৰ্টিচিঙা চিটিবাছ ৰৈ গৈছে নিৰ্জন ৰাস্তাত হঠাৎ
মালাছীতোলাৰ কাষত মোক কোন এক ইতৰ যুৱকে
গালি পাৰি ছুটাই থৈ গ'ল দাদাগিৰি
আজি বাইছ বছৰে বাই লাইন কথা হোৱা নাই যাৰ লগত অন্তত
বেকা দুচকুৰে মোক হানি থৈ গ'ল লগত লৈ গ'ল
তাৰ সমস্ত টাপৰী পল্টন
কালিলৈ হয়তো ভাঙি দিব ঠেং
বা বদলাই দিব সমগ্ৰ মুখৰ ভূগোল!

আজি সেয়ে লিখি থৈ যাব লাগিব সব
সকলো আশা সোণালী সুদূৰৰ আৰু সমস্ত ইচ্ছাৰ কথা
জীৱনৰ প্ৰথম জংছন মাতৃগৰ্ভৰ পৰা ওলাই খোজ কাঢ়িলো
যোৱা বাইছ বছৰ - আঃ কালি হয়তো শেষ দিন
উপস্থিত হ'ম শেষ জংছন শ্মশান চিতাত
কিন্তু বহুত কাম বাকী
বাকী আছে পঢ়িবলৈ থিভছ জাৰ্ণেল
বাকী আছে মাণিক বন্দোপাধ্যায়ৰ বিতচকুৰ আঁৰেৰে পৃথিৱী চাবলৈ
বাকী আছে জীৱনানন্দৰ হত্যাকাৰী ৰঙ এৰা ট্ৰামত বহিবলৈ
বাকী আছে মসৃন জংঘাৰ নাৰীৰ সৈতে সংগম
বাকী আছে পূৰ্ণ কৰিবলৈ, মাইকেল-হেনৰিয়াটাৰ নিৰ্জন কবৰত
বনফুল সিঁচি কিছু সময় চুপচাপ বহি থকাৰ ইচ্ছা।
সঁচাকৈয়ে বহুত কাম বাকী।
যিজনী ছোৱালী বেণী নচুৱাই গীত বিতানৰ
নীলা চুৰেটাৰ মাৰ্কা প্ৰেমিক লৈ মোৰ ফালে
ঘৃণা মিহলি থুই ছতিয়াই গুছি গ'ল ৰঙীন ছাতিৰ আঁৰত
— তাইৰ কণ্ঠত ৰবীন্দ্ৰ নাথৰ গান শুনিবলৈ ইচ্ছা আছে -
ইচ্ছা আছে।
মিদিৰপুৰ ব্ৰিজৰ তলৰ গণিকাপল্লীৰ সেই 'হালধীয়া শাড়ী'ৰ
হাতত হাতৰাখি ক'ম - "মোৰ প্ৰেম গ্ৰহণ কৰক" ইচ্ছা আছে
ইৰাক যুদ্ধৰ প্ৰতিবাদত বুশ্বৰ প্ৰতিমূৰ্তি' পুৰি
গুচি যাম আমেৰিকা-চামেৰিকা
হেনৰি মিলাৰ পঢ়িবলৈ - ইচ্ছা আছে টেপৰেকৰ্ড লৈ
বিনয় মজুমদাৰৰ স্বগতোক্তি ধৰি ৰখাৰ
ইচ্ছা আছে নিজৰ আঙুলি ফুটাই যিকোনো
শোকসভাৰ নীৰৱতা ভাঙি পেলোৱাৰ ইচ্ছা আছে
লিংগৰ উত্থানৰ পৰা টেলিপেথিক কমিউনিকেছন
সম্পৰ্কে গুঢ় তথ্য জানি থোৱাৰ।
অথচ একো এটাই কৰা নহ'ব মোৰ
আঃ - পুলিছৰ গুলি মাই মৰিলেও এটা অন্ততঃ ছহিদ বেদী
গজি উঠিলেহেঁতেন পাৰাত - তাৰ সলনি তিনি নে চাৰিজন
মস্তান যুৱক-কোনোবাই সিহঁতৰ ইতৰ দাদাৰ
নিৰ্দেশত টানি আনিব মোক কলাৰত ধৰি
কেইটামান আপাৰ কাট - অন্ধকাৰ ফালি ছুৰিৰ চমক
ছালৰ তলৰ প্ৰেম আৰু পাকস্থলীৰ ৰক্তময় লুথুৰি
গংগাত উটি যোৱা মোৰ পানীভৰা ফুলা শৱৰ ওপৰত বহি
জীৱনানন্দৰ কবিতাৰ চিলনীয়ে খুটি খাব মোৰ দুচকুৰ মণি
যি দুচকুৰে দেখিছোঁ গেলা নৰ্দমা-নৰ্দমাত
পৰি থকা জোন ........
ইয়াতকৈতো চুলাই মদ খাই মৰি যোৱাই
ভাল আছিল-ফটোখন অন্ততঃ ছপা হ'লহেঁতেন 'আনন্দবাজাৰত'।

কবিতা

* স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ

কবিতা

বড़ो कविता

## सिथ्लायाव

बिरुपाक्ष गिरि बसुमातारी



गावरामनाय सिथ्लायाव दौदिनि   मोसायाखै
बाथौ गुदियाव जोङखै   आलारि
        बुख्लायना हो
        बुख्लायना हो
अनारु सैंग्रा नौंनि आंगोनि खामखौ
        सा खोला सोरगिदिं गोमसार लांथों
फ्रिउदागम दांदागम दांदागम फ्रिउमोन दांदागम
फ्रिउदागम दांदागम दांदागम फ्रिउमोन दांदागम
        मोसाथों सिख्लाया
        मानखांथों दौदिनि
दौमोन फोददौमोन दां दां फोददादा गोमदां
दौमोन फोददौमोन दां दां फोददादा गोमदां
        खानाइ हगारस्रा हगारस्रा
        खर' सोमाउ सोमाउ
        थै लोंथों थै लोंथों
        गोदोना बोस' बोस'
गोसोम बोरमा फान्थानि गोजा थै।



অনুবাদ ঃ

## চোতালত

বিৰূপাক্ষ গিৰি বসুমাতাৰী*

ছিৰালফটা চোতালত দেওধনী নচা নাই
বাথৌৰ বেদীত জ্বলা নাই শলিতা এগছি
        চপৰিয়াই দে
        চপৰিয়াই দে
অনাৰু-চেঙেৰা তোৰ্ হেঁপাহৰ মাদলটি
উজনি নামনি চৌদিশ ৰজনজনাই
ক্রিউদাগম দাংদাগম দাংদাগম ক্রিউমৌন দাংদাগম[1]
ক্রিউদাগম দাংদাগম দাংদাগম ক্রিউমৌন দাংদাগম
        নাচি উঠক গোসানী
        জাগি উঠক দেওধনী
দৌমৌন ফৌদ্‌দৌমৌন দাং দাং ফৌদ্‌দাদা গৌমদাং[2]
দৌমৌন ফৌদ্‌দৌমৌন দাং দাং ফৌদ্‌দাদা গৌমদাং
        চুলি মেলি মেলি
        মূৰ জোকাৰি জোকাৰি
        পি খাওক পি খাওক
        ডিঙি মোচৰি মোচৰি
        ক'লা পঠাৰ কেঁচা তেজ।

১। খেৰাই উৎসৱত বজোৱা মাদলৰ জাগৰণৰ ছেও।
২। খেৰাই উৎসৱত বজোৱা মাদলৰ তান্দৱ নৃত্যৰ ছেও।

* *প্ৰৱক্তা, বড়ো বিভাগ*



(বাংলা কবিতা)

## বৃষ্টি, সবুজ দ্বীপ আর আমি

প্রসূন বর্মন*

বৃষ্টি এলে
উড়ে আসে সব সাদা
পৃথিবীর যত রং-তুলি
সব — সমস্ত কিছুই
চলে আসে আমার দুয়ারে

ঠিক তখনই
কারা যেন রটিয়ে দেয়
আমি আঁকছি সবুজ দ্বীপ
গ্রাম থেকে শহর বা শহর থেকে গ্রামে
মাউসের পর মাউসে - হাত পড়ে সবার
ক্রমে ক্রমে বার্তা যায় রটে
আমি আঁকছি সবুজ দ্বীপ

বৃষ্টি এলে আমি ভিজতে থাকি
ভিজতেই থাকি
তারপর
কারা যেন রটিয়ে দেয়
আমি এঁকেছি সবুজ দ্বীপ।

(অসমীয়া ৰূপান্তৰ)

## বৰষুণ, সেউজ দ্বীপ আৰু মই

প্রসূন বর্মন

বৰষুণ আহিলে
ভাহি আহে সকলোবোৰ উকা পাত
পৃথিৱীৰ যিমান ৰং-তুলি
সকলো - সকলোবোৰেই
ভাহি আহে মোৰ দুৱাৰমুখত

ঠিক তেতিয়াই
কোনোবাই বিয়পাই দিয়ে
মই হেনো আঁকিছো সেউজ দ্বীপ
গাঁওৰ পৰা চহৰ বা চহৰৰ পৰা গাঁও
মাউছৰ পিছত মাউছত - হাত দিয়ে সকলোৱে
ক্রমে ক্রমে বার্তা বিয়পি পৰে
মই হেনো আঁকিছো সেউজ দ্বীপ

বৰষুণ আহিলে
মই তিতি ফুৰোঁ
তিতিয়েই ফুৰোঁ
তাৰ পিছত
কোনোবাই কৈ ফুৰে
মই হেনো আঁকিছো সেউজ দ্বীপ।

ক
বি
তা

* প্রবক্তা, বাংলা বিভাগ

# ক
# বি
# তা

মিচিং কবিতা



## ali-aye ligang so:man

Hemanta Kumar Tayeng

Domírté pí:al dungngai,
Polobí ruwadla dungngai,
Takarbísin migyi-miksal dungngai.
Appídéi mépolígla dungngai.

Édé yumédé anguru:pé anguné yumékai.
Appíngé mépokang, appíngé dagrobkang –
So:ne sorobkang, ot monné morobbomkang.
Édé mebom sunam 'Ali-Ayé ligang so:man
yumédo.

Édé yumédé gílad kumranggom
Ayekupé lékoda Ali-Ayé lígang so:man yumeko
Édé mipé régamem mépomoyekupé.
Réngam ké asin:nem narémoyekupé.

Tóyala dupébong a:péné lígasém.
Tóyala dupébong anu longéko, anu dítagko
Anu 'Ali-Aye' lígang so:man longéko.

অসমীয়া ভাবানুবাদ

## আলি আয়ে লৃগাঙৰ গীত

হেমন্ত কুমাৰ টায়েং

ৰাতিৰ আকাশ জোন-তৰাৰ
পোহৰত জিলিকা আকাশ,
মনাকাশ আজি আমাৰ
আনন্দ-জোৰাৰ বিধৌত।

এই অনাবিল আনন্দৰ ৰাতি
মন আমাৰ প্ৰস্ফুটিত।
গীত-নাচ মুখৰিত ৰাতি,
আলি আয়ে লৃগাঙৰ ৰাতি।

চিৰ যুগমীয়া এই নৃত্য নাহে উভতি,
এই প্ৰিয় ৰাতি পুনৰাগমনৰ প্ৰতিশ্ৰুতিঃ
বিষাদ-ব্যাকুল জনৰ আঁতৰাব দুখ
কৰিব হিয়া আনন্দত উৎফুল্লিত।

আলি আয়ে লৃগাং!
আগন্তুক ঋতুৰে কঢ়িয়াই আনক
নৱ আলোকৰ নতুন দিন,
আছোঁ বাট চাই সেই দিনলৈ।

*উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ, বিজ্ঞান

**Arabic Poem**

## قيمة الوقت

(Farid Uddin Ahmed)-

أيها الشاب !
تعلم أن الوقت ثمين جدا
لماذا تغفل عنه شديدا ؟
عليك أن تقضي الوقت مناسبا

أيها الشاب !
إن الوقت الفائت لا يرجع أبدا
لماذا تكسل في واجباتك ؟
إن المتكاسل لا يفهم قيمته
لأنه فاقد الشعور به ......
سر بالوقت الميمون ،
كما هو يجري متسلسلا ـ
حتى الآن، لك الوقت باق
إن تفوته اليوم كسلا
فتندم على ضياعه بالغد ـ
وا حسرتاه ! العمر قصير جدا
يجب عليك أن تفكر فيه دائما

(Translation of the Arabic Poem entitled ***Qimatul Waqt***)

## Valuable time

Fariduddin Ahmed*

Oh the Youth !
You know time very much valuable.
Why do you ignore it ?
So, you should pass it appropriately.

Oh the youth !
The past time never returns
Why are you lazy in the duties ?
The sluggard knows no value of it
Because, he is devoid of its awareness.
Proceed along with the fortunate time;
As the time runs continuously
Still it is in your grip remaining.
Today if you waste it with indolence
Tomorrow you must repent for it.
Alas ! life is very short
Always you should think of it.



* *T.D.C. 3rd year, Dept. of Islamic studies*

# গল্প




| | | |
|---|---|---|
| জান্তব | - প্ৰাৰ্থনা শইকীয়া | ৯৩ |
| ● এজাক বৰষুণৰ পিছত | - চয়নিকা ঠাকুৰীয়া | ৯৯ |
| ● বিয়লিৰ বলুকাত | - মিতালি গোস্বামী | ১০১ |
| ● শুভেচ্ছা বাণী | - সীমান্ত দাস | ১০৪ |
| ● মৃত্যুৰ বাবে এখন চিঠি | - কিশোৰ কুমাৰ কলিতা | ১০৮ |
| ● পিতৃ দেৱতা | - জাহ্নু ভৰদ্বাজ | ১১০ |
| ৰিটায়াৰ্ড বৰুৱা | - নাৰায়ণ তালুকদাৰ | ১১১ |
| কফন | - অনুশ্ৰী অধিকাৰী | ১১৪ |



# জান্তৱ

প্ৰাৰ্থনা শইকীয়া*

**“মাকৰ কান্দোনত বুকুখন বিষাই উঠোতে লীনাই যেতিয়া বুকুলৈ সোঁহাতখন অনাৰ চেষ্টা কৰিছিল, তেতিয়াহে তাই মন কৰিছিল তাইৰ বুকুজুৰি থকা বেণ্ডেজখিনি। তাইৰ স্তন দুটা বিষত টনটনাই উঠিছিল আৰু ককালৰ ওপৰ অংশ লৰচৰ কৰিব বিচাৰোতেই তাইৰ বুকুৰ বেণ্ডেজখিনিত আঘাতপ্ৰাপ্ত স্তন দুটাৰ পৰা ওলোৱা তেজ বিৰিঙি উঠিছিল। মাকৰ কান্দোন শেষ হোৱালৈকে বৰুণ লীনাৰ কেবিনত থাকিব নোৱাৰিলে।”**

লীনাৰ যৌনাংগেৰে বৈ অহা তেজে তাইৰ বিছনাত পাৰি থোৱা শুভ্ৰ বিছনাচাদৰখনৰ এটা অংশ তিয়াই পেলালে। তাই পিন্ধি থকা গুলপীয়া নাইটিটোৰ কৰঙনৰ চোৱা ৰঙা হৈ পৰিল। ভিজা কাপোৰৰ অস্বস্তিটোৰে সৈতে গাৰুত আউজী আধাশোৱা হৈ থকা লীনাই বাওঁ ভৰিটোত ভেজা দি বহা ঠাইখিনিৰ পৰা অলপ লৰ-চৰ হ'বলৈ চেষ্টা কৰোতেই তলপেট হৈ বুকুলৈকে অসহ্য বিষটো উজাই আহিল। বিষত উশাহ বন্ধ হোৱাৰ উপক্ৰম হোৱাত লীনাৰ মুখৰ অভিব্যক্তিয়ে ভয়ংকৰ ভাৱে কষ্টকৰ ইংগিত এটা বহন কৰিলে। লীনালৈ পিঠি দি চিৰিঞ্জত ঔষধ ভৰাই থকা নাৰ্চ গৰাকীয়ে এইখিনি সময়তে ঘূৰি চাই লীনাৰ মুখৰ অভিব্যক্তি লক্ষ্য কৰিলে আৰু চিঞৰি লীনাৰ কেবিনৰ সন্মুখেৰে পাৰ হৈ যোৱা আন এগৰাকী নাৰ্চক মাতি আনিলে। নাৰ্চ গৰাকীৰ চিঞৰত কেবিনৰ বাহিৰত বহি থকা লীনাৰ মাক কুঞ্জলতা কলিতা আৰু ককায়েক বৰুণো কেবিনটোৰ ভিতৰলৈ দৌৰি সোমাই আহিল। চিষ্টাৰ দুগৰাকীয়ে লগ লাগি লীনাৰ বিছনাখনৰ শিতানৰ ফালৰ স্ক্ৰু পকাই বিছনাখন মাটিৰ সমান্তৰাল কৰি দিলে আৰু তেনেতে দুগৰাকী পৰিচাৰিকাৰে সৈতে সোমাই আহিল লীনাৰ কেছটো হেণ্ডেল কৰি থকা চিকিৎসক ডাঃ প্ৰশান্ত গোস্বামী —



"চাওঁ চাওঁ, চিষ্টাৰৰ বাহিৰে বাকী মানুহখিনি বাহিৰলৈ যাওঁক।"

ডাঃ গোস্বামীৰ তদাৰকী কণ্ঠত সেমেকী উঠা চকুহাল পিন্ধি থকা শাৰীখনৰ আঁচলেৰে মচি মচি লীনাৰ মাক আৰু লগতে বৰুণ কেবিনটোৰ পৰা ওলাই আহিল। কুঞ্জলতা কলিতাৰ বাৰান্দাতে ঠিয় দি কেবিনৰ খিৰীকিৰে জীয়েক লীনাক চাই থকাৰ ইচ্ছাটোক ৰজিবলৈ নিদি বৰুণে তেওঁক কেবিনটোৰ কাষৰেই অপেক্ষা কক্ষটোলৈকে লৈ গ'ল।

"চাওঁক পেচেন্টৰ চেঞ্চ অহা মাত্ৰ কেইঘন্টামান হৈছেহে এতিয়ালৈকে আনকি চিকিৎসক হিচাপেও আমি পেচেন্টৰ স'তে ঘটি যোৱা ঘটনাৰ বিষয়ে কোনো কথা পতা নাই। এতিয়া এই বিষয়ে তেওঁক কিবা সোধাটোও মোৰ মতে ঠিক নহ'ব। পেচেন্টৰ মেন্টেল কন্‌ডিছনো সম্পূৰ্ণ সুস্থ নহ'বও পাৰে। It was a very shoking incident for her, I think you should proceed later."

ইন্সপেক্টৰ উজ্জ্বল গগৈ ডাঃ গোস্বামীৰ কোঠাৰ পৰা ওলাই আহিল। লীনাৰ কেবিনৰ সমুখত ৰৈ থকা বৰুণ আৰু লীনাৰ দেউতাক ধীৰেণ কলিতাক দেখি গগৈ কেবিনৰ সমুখলৈ আগবাঢ়ি গ'ল —

"আমি ইতিমধ্যে ডক্তৰৰ সতে কথা পাতিছো। পেচেন্টৰ সতে কথা পাতিব পৰা হ'লেই তেওঁ আমাক ইনফৰ্ম কৰিব। তেওঁৰ ষ্টেটমেন্টৰ ওপৰতে গোটেইখিনি কথা নিৰ্ভৰ কৰিব। ঘটনাৰ অন্য কোনো সাক্ষীও নাই।"

"কিন্তু ছাৰ! যেনেকৈই নহ'লেও দোষীয়ে শাস্তি পাবই লাগিব ছাৰ।" খঙ আৰু বুকুত খুন্দা মাৰি ধৰা দুখে বৰুণক আৰু কিবা ক'বলৈ বাধা দিলে।

ধীৰেণ কলিতাইও ঘোলা দুচকুৰে গগৈৰ মুখৰ ফালে চাই থাকিল, মুখেৰে একো নামাতিলে।

"নাই, নাই, আপোনালোকে চিন্তা নকৰিব। তাইৰ যত্ন লওঁক। আমি আমাৰ কাম কৰিম।

ডাঃ গোস্বামী লীনাৰ কেবিনৰ পৰা ওলাই যোৱাৰ পিছতে লীনাৰ মাক আৰু ককায়েক লীনাৰ ওচৰ পাইছিলগৈ। তেতিয়ালৈকে বুকুলৈকে উজাই অহা বিষটোৰ পৰা লীনাই কিছু হ'লেও সকাহ পাইছিল। পৰিচাৰিকা এগৰাকীয়ে ইতিমধ্যেই তাইৰ ভিজি উঠা নাইটিটো আৰু বিচনাৰ কাপোৰ কানিবোৰো সলাই দিছিল। বেয়াকৈ আঘাতপ্ৰাপ্ত হোৱা তাই যৌনাংগত নাৰ্চ এগৰাকীয়ে নতুনকৈ দৰব বান্ধি দিছিল। ভিতৰি ভিতৰি বিষটো থকা স্বত্বেও মাকক দেখি লীনাই শেতা হাঁহি এটা মাৰিছিল। লীনাৰ শব্দহীন শেতা হাঁহিটো দেখি কুঞ্জলতা কলিতা কান্দোনত ভাগি পৰিছিল। মাকৰ কান্দোনত বুকুখন বিষাই উঠোতে লীনাই যেতিয়া বুকুলৈ সোঁহাতখন অনাৰ চেষ্টা কৰিছিল, তেতিয়াহে তাই মন কৰিছিল তাইৰ বুকুজুৰি থকা বেণ্ডেজখিনি। তাইৰ স্তন দুটা বিষত টনটনাই উঠিছিল আৰু ককালৰ ওপৰৰ অংশ লৰচৰ কৰিব বিচাৰোতেই তাইৰ বুকুৰ বেণ্ডেজখিনিত আঘাত প্ৰাপ্ত স্তন দুটাৰ পৰা ওলোৱা তেজ বিৰিঙি উঠিছিল। মাকৰ কান্দোন শেষ হোৱালৈকে বৰুণ লীনাৰ কেবিনত থাকিব নোৱাৰিলে। কেবিনৰ পৰা ওলাই আহি বাৰান্দাত ঠিয় দি থাকোতেই ধীৰেন কলিতাই ঘৰৰ পৰা অনা টিফিন কেৰিয়াৰটো বৰুণলৈ আগবঢ়াই দিলে। তেনেতে বৰুণে দেখিলে ডাঃ গোস্বামীৰ কোঠাৰ পৰা ওলাই গগৈ তেওঁলোকৰ ফাললৈকে আহি আছে।

ধীৰেন কলিতা বৰ ধৈৰ্য্যশীল মানুহ। আৱেগৰ জোৱাৰে ভিতৰত তোলপাৰ লগালেও বাহিৰত সকলোৰে তেওঁৰ নম্ৰ আচৰণতেই অভ্যস্ত। লীনাৰ মূৰত সোঁহাতখন থৈ তেওঁ তাইক সুধিলে - "এতিয়া গা কেনে পাইছ মাজনী?"

সেইদিনা পৰীক্ষাহ'লত ডিউটি কৰি থাকোতেই গুণীনে খবৰটো পাইছিল। সৰু চহৰখনত খবৰটো খুব কম সময়তে বিয়পি পৰিছিল। গুণীন গৈ 'হাজৰিকা নাৰ্ছিংহোম' পায়গৈ মানে বৰুণ থানাৰ পৰা ঘূৰি আহি পাইছিলহি। যোৱা তিনিদিন গুণীন প্ৰায় গোটেইখিনি সময়তে লীনাৰ কেবিনটোৰ বাহিৰতে বহি আছেহি। দুপৰীয়া সময়খিনিত লীনাৰ মাক আহি পালে সি গা পা ধুবলৈ ঘৰলৈ এপাক আহে। গুণীনৰ মাকহঁতো ভাবী বোৱাৰীয়েক লীনাৰ সতে ঘটা দুৰ্ঘটনাটোত মৰ্মাহত হৈছে। গুণীনৰ দেউতাক কমলা হাজৰিকাই লীনাৰ দেউতাকক পাইচা-পাতিৰ চিন্তা কৰিবলৈ হাক দিছে আৰু গুণীনৰ মাক মালতী হাজৰিকাই কুঞ্জলতাৰ অনুপস্থিতিত কলিতানীৰ ঘৰখনো চম্ভালি দিছে। দুৰ্ঘটনাটোৰ সংঘটনতকৈ গুণীনৰ বাবে এতিয়া লীনাৰ চিকিৎসাৰ চিন্তাটোহে ডাঙৰ হৈছে।



প্রস্রাব কৰিবলৈ লীনাক কেবিনৰ লগতে থকা টয়লেটটোলৈ এহাতে নার্চ এগৰাকী আনহাতে মাক কুঞ্জলতাই ধৰি ধৰি লৈ গ'ল। লীনাক কোম'ডটোত বহুৱাই দি নার্চগৰাকীয়ে দুৱাৰখন জপাই দিলে। যোৱা দুসপ্তাহ ধৰি লীনাই বিচনাতে প্রস্রাব-পায়খানা কৰিব লগা হৈছে। এতিয়াহে তাই আনৰ গাত ভেজা দি টয়লেটলৈ আহিব পৰা হৈছে। মুড়াত বহাৰ দৰে ক'ম'ডটোত বহি প্রস্রাব কৰি থাকোতে লীনাই অনুমান কৰিলে, তাইৰ যৌনাংগৰ ঘাঁবোৰ শুকাবলৈ আৰম্ভ কৰিছে। প্রস্রাব লাগি তাইৰ শুকাবলৈ ধৰা ঘাঁবোৰ চেকচেকাই উঠিল। বুকু আৰু গাৰ আন অংশৰ ঘাঁবোৰো ইতিমধ্যে কলা পৰিবলৈ ধৰিছে। সৌস্তনটোৰ ওপৰৰ অংশৰ গোটা হৈ পৰা ক'লা অংশটো লীনাই হাতেৰে চুই চালে। হঠাৎ আক্রমণাত্মক হৈ উঠা কুকুৰ তিনিটাৰ জোঙা মুখকেইখন তাইৰ চকুৰ আগত ভাহি উঠিল।

"চা ভনী, তোৰ লগত ঘটনাটো ঘটাৰ সময়ত গলিটোত আন কোনো নাছিল। তই যি ক'বি এখেতক কলে তাৰ ভিত্তিতহে দোষীক চিনাক্ত কৰাৰ ব্যৱস্থা কৰিব পাৰিব। কিন্তু যোৱা দুসপ্তাহে তই একেখিনি প্রলাপকে বকি আছ!"

"চাওঁক লীনা দোষীয়ে শাস্তি পাব, আপুনি সিহঁতক লৈ ভয় পোৱাৰ কোনো কাৰণ নাই। আমাক সঁচা কথা ক'লেহে আমি কামবোৰ আগবঢ়াব পাৰিম। যোৱা দুসপ্তাহ ধৰি কেছটো পেণ্ডিং হৈ আছে।"

মইতো কৈছোৱেই, কোনো ইয়াৰ বাবে দোষী নহয়; কলেজৰ পৰা ঘূৰি আহোতে গ'লিটোত তিনিটা কুকুৰে কামুৰি, আচুৰি মোৰ এই অৱস্থা কৰিছে। সিহঁত তিনিটা কুকুৰ - চাৰিঠেঙীয়া। মই সঁচাকৈ কৈছো - তহঁতে মোক বিশ্বাস নকৰ কিয়!'

অসহায়ভাৱে লীনাই খিৰিকীৰে বাহিৰলৈ চাই থকা গুণীনলৈ চালে, সোঁফালে টুল এখনত বহি থকা মাকলৈ চালে। বিৰক্তিৰে ভ্রূ কোঁচাই বৰুণ কোঠাৰ পৰা বাহিৰলৈ ওলাই গ'ল। কিছু সময় মনে মনে থাকি উজ্জ্বল গগৈও গ'লগৈ।

চেতনা অহাৰ পিছদিনাৰে পৰাই লীনাৰ শাৰিৰীক অসুস্থতাটোতকৈও আন এক অশান্তিয়েহে লীনাক মেৰিয়াই ধৰিছে। অশান্তিটোৰ বিস্তৃতি বাঢ়ি গৈ ই লীনাৰ আশে পাশে থকা আনবোৰ মানুহকো মেৰিয়াই ধৰিছেগৈ। অকণো কষ্ট নোহোৱাকৈ লীনাই তাইৰ সতে ঘটা অঘটনটোৰ স্থান আৰু কাললৈ উভতি গৈছে। ...পৰীক্ষা হ'লৰ ডিউটি কৰি থাকোতেই লীনাৰ সেইদিনা মূৰটো ঘূৰোৱা যেন হৈছিল। পৰীক্ষা শেষ হ'বলৈ এঘন্টামান থাকোতেই তাই কামৰ দায়িত্ব সহকর্মী বিজয় দত্তক দি চমু বাটটোৰেই তাই ঘৰলৈ উভতিছিল। ডিউটি এৰি গুণীনো তাইৰ সতে আহিব নোৱাৰিলে। তথাপিতো, কলেজৰ পৰা এক কিলোমিটাৰ মানৰো কম দূৰত্বত থকা তাই ঘৰত গুণীনে তাইক থৈ অহাৰ প্রস্তাৱ দিছিল। কিন্তু তাই নামানিলে। চমু বাটটোৰে তাই লাহে লাহে ঘৰলৈ আহি আছিল। সৰু চহৰখনৰ গ'লিবোৰো সৰু সৰু। এটা সৰু হেলনীয়া আৰু জনপ্রাণীশূন্য গলিৰে তাই নামি আহি থাকোতে দূৰৰ পৰাই তাই লক্ষ্য কৰিছিল নলাৰ কাষৰ আৱৰ্জনাত মুখ লুকাই থকা তিনিটা কুকুৰ। মূৰটো ঘূৰোৱাৰ অস্বস্তিৰ বাহিৰে আন কোনো কথা চিন্তা নকৰাকৈ আহি থকা লীনাক হঠাতে কুকুৰ তিনিটাই আগভেটি ধৰিছিল। লীনা এক চেপা উত্তেজনাত ঘামি উঠিছিল যদিও তাই কুকুৰকেইটাৰ অস্তিত্বক গুৰুত্ব নিদিয়াৰ ভংগীৰে সিহঁতৰ সন্মুখেৰে পাৰ হৈ গৈছিল। কিন্তু লীনাক আত্মৰক্ষাৰ কোনো সুযোগ নিদিয়াকৈ প্রথমে পিছফালৰ পৰা আৰু তাৰ পিছত তিনিটা কুকুৰে তিনি ফালৰ পৰা আক্রমণ কৰিবলৈ ধৰিছিল। প্রথম অৱস্থাত লীনাই নিজক বচোৱাৰ চেষ্টা কৰিছিল কিন্তু ক্রমে অধিক আক্রমণাত্মক হৈ উঠা কুকুৰকেইটাৰ দাঁত আৰু নখৰ আঘাতত লীনাই চিঞৰিছিল। কিন্তু খুব কম সময়ৰ ভিতৰতে সিহঁতে দাঁত আৰু নখেৰে লীনাৰ পিন্ধা কাপোৰ ফালি লীনাৰ শৰীৰটো নাঙঠ কৰি পেলাইছিল আৰু সহজাত বর্বৰতাৰে সিহঁতৰ মাজৰে এটাই লীনাৰ যোনীত দাঁত বহুৱাই তাইৰ যোনী ক্ষত-বিক্ষত কৰিছিল। যন্ত্রণাত লীনাই চটফটাইছিল আৰু সৌস্তনত পৰা সিহঁতৰ কোনোবা এটাৰ কামোৰটোৰ পিছতে তাই চেতনা হেৰুৱাইছিল। পিছৰখিনি লীনাই অনুমান কৰিছে - হয়তো সেই গলিটোৰে অহা কোনো পথিকে তাইৰ ক্ষত-বিক্ষত নাঙঠ শৰীৰটো দেখি চিঞৰ-বাখৰ লগাইছিল, গোট খোৱা এজুম মানুহৰ ভিতৰত কোনোবা এজনে তাইক চিনাক্ত কৰিছিল আৰু তাইৰ ঘৰত খবৰ দিছিল, খবৰটোত বিষাদগ্রস্ত হৈ পৰা ঘৰখনৰ পৰিবেশটো মাকৰ কান্দোনে হয়তো আৰু অধিক গধুৰ কৰি পেলাইছিল।



ঘটনাস্থলীলৈ পুলিচ মানে উজ্জ্বল গগৈহঁত আহিছিল। ততাতৈয়াকৈ তাইক হাজৰিকা নাৰ্ছিংহোমলৈ লৈ অহা হৈছিল। তাইক নাৰ্ছিং হোমত ভৰ্ত্তি কৰোৱাৰ পিছতেই বতাহৰ বেগেৰে নতুন মটৰ চাইকেলখন চলাই গুণীনো কলেজৰ পৰা আহি পাইছিলহি। তাৰ পিছৰ তিনিদিন তাইৰ সৰলৰৈখিক চিকিৎসা প্ৰণালীটোৰ সমান্তৰালকৈ তাইৰ সৈতে সংযুক্ত মানুহখিনিৰ সময়বোৰ পাৰ হৈগৈছিল। এই তিনিদিনত এবাএৰিকৈ চেতনা আহি থকা আৰু প্ৰচণ্ড জ্বৰত প্ৰলাপ বকি থকা সময়খিনিত তাইৰ চাৰিকাষৰ পৰিৱেশৰ কোনো জ্যামিতিক আকাৰ লীনাৰ মনত ৰৈ যোৱা নাই। সচেতন সময়খিনিৰে পৰাই তাই মাত্ৰ একেটা প্ৰশ্নৰে সৈতেই মুখামুখি হৈছে - "এই ঘৃণনীয় অঘটন কোনে ঘটালে?" প্ৰশ্নটো প্ৰথমতে ডাঃ গোস্বামীয়ে কৰিছিল। মানসিকভাৱে ভাগি পৰা এগৰাকী ৰোগীৰ সতে কথা পতাৰ দৰেই খুউব সমবেদনাৰে তেওঁ লীনাক বাৰে বাৰে ঘটনাটো মনত পেলাবলৈ কৈছিল। ডাঃ গোস্বামীয়ে ভয় কৰাৰ দৰে ঘটনাটো মনত পেলাবলৈ যাওঁতে লীনাৰ মগজুত কোনো চাপ পৰা নাছিল। খুউব স্বাভাৱিক স্মৃতিচাৰণৰ দৰেই লীনাই ঘটনাটো মনলৈ আনিছিল আৰু সাৱলীলভাৱেই গোস্বামীৰ সমুখত বৰ্ণনা কৰিছিল। তাইৰ বৰ্ণনাৰ শেষৰ ফালে গোস্বামীক হতাশ হৈ পৰা তাই লক্ষ্য কৰিছিল। গোস্বামীয়ে ধীৰ কৰ্ণেৰে বাৰে বাৰে তাইক সেই একেটা কথাই সুধিছিল - "গলিটোত সেই তিনিটা কুকুৰ আছিল বুলিয়েই আপুনি নিশ্চিতনে? ...মনত অকণমান জোৰ দিয়ক সিহঁত তিনিটা কোন আছিল!"

তাৰ পিছৰে পৰা বাৰে বাৰে লীনা সেই একেটা প্ৰশ্নৰে সন্মুখীন হৈছে। প্ৰথমে ডাঃ গোস্বামী, তাৰ পিছত উজ্জ্বল গগৈ, বৰুণ, মাক... কাকো তাই বুজাব পৰা নাই, আশ্বস্ত কৰিব পৰা নাই যে তাইৰ ওপৰত তিনিটা কুকুৰৰ জান্তৱ আক্ৰমণৰ বাহিৰে আন একোৱেই হোৱা নাই। মাজে মাজে লীনাই নিজকো প্ৰশ্নটো কৰি চাইছে - সঁচাকৈ তিনিটা কুকুৰৰ আক্ৰমণতেই তাই আজি 'হাজৰিকা নাৰ্ছিংহোম'ত এনেকৈ পৰি থাকিবলগীয়া হৈছে নে তাইৰ সতে সঁচাকৈয়ে আনবোৰ মানুহে ভবাৰ দৰে আন কিবা হৈছে! তাই মগজুত জোৰ দিছে মনত পেলাবলৈ চেষ্টা কৰিছে তিনিটা মানুহৰ বৰ্বৰ আচৰণ, তাইৰ শৰীৰটোৰ বাবে লালায়িত দৃষ্টি আৰু আদিম উত্তেজনাৰে স্ফীত হৈ উঠা তিনিটা পুৰুষাংগ। কিন্তু পিছমুহূৰ্ততে লীনা হতাশ হৈ গৈছে, নলাত মুখ দি থকা তিনিটা কুকুৰৰ জোকাৰি থকা তিনিডাল ক'লা নেজ আৰু হঠাৎ উত্তেজিত হৈ পৰা তিনিটা কুকুৰৰ মেল খাই থকা জোঙা মুখৰ চিকমিকাই থকা জোঙা দাঁতবোৰৰ বাহিৰে লীনাই আন একো মনত পেলাব পৰা নাই। আনকি তাই ধাৰণাটো স্থান দিব পৰা নাই তিনিজন পুৰুষৰ অৱয়ৱ। তাই যিমানেই সেই অৱয়ৱৰ ধাৰণা গঢ়িবলৈ মগজুত চাপ দিছে সিমানেই স্পষ্টকৈ তাইৰ মগজুত ভাঁহি উঠিছে তিনিটা কুকুৰে তাইৰ দেহত চলোৱা অত্যাচাৰৰ দৃশ্যাৱলী। অসহায় হৈ তাই ডাঃ গোস্বামীক তাইৰ শৰীৰৰ ঘাঁবোৰ পৰীক্ষা কৰিবলৈ কৈছে, আঘাতবোৰ জন্তুৰ নে মানুহৰ সেয়া বিচাৰ কৰিব কৈছে আৰু মনৰ সমস্ত জোৰেৰে সকলো সংকোচ দলিয়াই তাই ডাঃ গোস্বামীক সুধি পেলাইছে - "মোৰ যোনীদ্বাৰত থকা আঘাতখিনি মানুহৰ পুৰুষাংগই কৰা আঘাত বুলি আপুনি নিশ্চিত নে?

লীনাৰ আচৰণ সঁচাকৈয়ে অস্বাভাৱিক লাগিছে। পাৰ হৈ যোৱা সকলোখিনি ঘটনাই তাই পৰিস্কাৰকৈ মনত পেলাব পাৰিছে। তাই স'তে সিদিনাখন ঘটি যোৱা ঘটনাটোৱে তাইৰ মনত বিশেষ আঘাত দিয়া যেনো লগা নাই। এনেস্থলত ইচ্ছাকৃতভাৱে তাই দোষীক চিনাক্ত কৰিব নিবিচৰাটো মই মানি ল'ব নোৱাৰো।

"চাওঁক গগৈ, তাইৰ চিকিৎসক হিচাপে মই মাথো ইয়াকেই ক'ব পাৰো যে তাইক মেন্টেল ট্ৰিটমেন্টৰ

"গুণীনৰ সঁহাৰি পাই লীনাই তাইৰ দেহটো সম্পূৰ্ণৰূপে তাৰ ওচৰত এৰি দিলে। তিনিমাহৰ আগতে আঘাতত ক্ষত বিক্ষত হোৱা লীনাৰ শৰীৰৰ বিশেষ অংগত গুণীনৰ স্ফীত পুৰুষাংগৰ হেঁচা পৰিল। উত্তেজনাৰ চৰম মুহূৰ্ততো লীনাই সচেতন ভাৱে মনলৈ আনিবলৈ চালে - এনে কোনো ঘটনাৰ পূৰ্বৰ স্মৃতি তাই মনত ৰৈ গৈছে নেকি! গুণীনৰ শৰীৰ মাংসপেশীবোৰ নিৰীক্ষণ কৰি তাই মনত পেলাবলৈ চালে - এনেকুৱা কোনো পেশীবহুল পুৰুষ শৰীৰৰ হিংস্ৰ স্পৰ্শই তাইক আগতে চুইছিল নেকি! উত্তেজনাত প্ৰায় উন্মাদ হৈ পৰাৰ মুহূৰ্তত গুণীনে যেতিয়া তাইৰ দুই উৰুৰ মাজত মুখ দিলে তেতিয়া তাই মনলৈ আনিবলৈ চেষ্টা কৰিলে হিংস্ৰ কুকুৰ কেইটাৰ মেল খাই থকা মুখকেইখন!"



প্ৰয়োজন, গতিকে আপোনালোকে আৰু কিছুদিন বাট চাব লাগিব। অৱশ্যে মেণ্টেল ট্ৰিটমেন্ট কৰা নকৰাৰ সিদ্ধান্ত আপোনালোকৰ ওপৰত। এনেই লীনাক আপোনালোকে এতিয়া ঘৰলৈ লৈ যাব পাৰে।"

গগৈৰ সৌফলৰ চকীখনত বহি থকা বৰুণক উদ্দেশ্যি শেষৰ কথাখিনি কৈ ডাঃ গোস্বামী, তেওঁৰ কোঠাৰ এচুকত থকা কেবিনটোত হাত ধুবলৈ উঠি গ'ল।

ঘটনাটোৰ সংঘটন কিমান সময় লাগিছিল লীনাৰ মনত নাই কিন্তু সংঘটনৰ পিছৰ অস্বস্তিকৰ সময়খিনি যেন তাইৰ বাবে দীঘল হৈ গৈ আছে। ঘৰলৈ ঘূৰি অহাৰ এসপ্তাহ পিছতো সেই প্ৰশ্নটোৰ অস্বস্তিয়ে তাইৰ লগে লগে ছাঁৰ দৰে ঘূৰি ফুৰিছে।

ককায়েক বৰুণৰ গোমা মুখকন মাকৰ বিষাদগ্ৰস্ত চাৱনি আৰু দেউতাকৰ নিৰ্বিকাৰ বোবা চকুযোৰে তাইক অনবৰতে সেই প্ৰশ্নটোৰ কথা সোঁৱৰাই আছে। তাই যিমানেই পৰিবেশটো স্বাভাৱিক কৰিবলৈ চাইছে সিমানেই তাই অনুভৱ কৰিছে, অসহজ, অসজা, দম বন্ধ হোৱা পৰিৱেশ এটাই যেন ঘৰখন ছানি ধৰিছে। গুণীনৰ সহজ কথোপকথন বা সিহঁতৰ ঘৰখনলৈ আগৰ দৰেই তাৰ অহা যোৱা কৰা ধৰণটোত যেন এটা অন্তৰ্নিহিত সমবেদনা আছে - লীনালৈ কিন্তু সমবেদনা বিচৰা নাই। তাই বিচাৰিছে তিনিটা জন্তুৱে তাইলৈ কঢ়িয়াই অনা দুৰ্ঘটনাটোক সকলোৱে মানি লওঁক। সকলোৱে মানি লওঁক যে - সিহঁতে ভবাৰ দৰে তাইৰ সতে কোনো অসামাজিক ঘটনা ঘটা নাই।

গা ধোৱা ঘৰত লীনাৰ বহু সময় লাগে। তাই উৰু দুটাৰ মাজৰ অংশৰ ঘাঁবোৰৰ চিন-চাব নোহোৱা হ'লনে নাই বাৰে বাৰে পৰীক্ষা কৰে। গা ধোৱা ঘৰখনৰ সৰু আয়তাকাৰ আইনাখনত তাই স্তন দুটা সাৱধানেৰে নীৰিক্ষণ কৰে। ঘাঁবোৰ লাহে লাহে অস্তিত্বহীন হৈ পৰিছে আৰু ঘাঁবোৰৰ দৰেই তাইৰ মনৰ পৰাও অস্তিত্বহীন হৈ পৰিছে ঘটনাটো। কিন্তু গা ধোৱা ঘৰৰ পৰা ওলাই তাই যেতিয়া মাকৰ চিন্তাক্লিষ্ট অনুসন্ধানি চকুদুটাত নিজক দেখে তেতিয়া তাই পুনৰ মুখামুখি হয় সেই বিশেষ প্ৰশ্নটোৰ। তাই আত্মহত্যা কৰে বুলি আলেঙে আলেঙে তাই লক্ষ্য কৰি থকা চকুকেইযোৰে তাইক আঘাত দিয়ে। ইচ্ছাকৃতভাৱে ভাত খোৱা কাঁহীখনৰ এটা চুকত তাই ভাত কেইটামান সদায় এৰে; পিছফালৰ বাৰাণ্ডাৰ এটা চুকত তাইৰ এৰেহা খাবলৈ বৈ থকা কালুটোক খোৱাহাত ধোৱাৰ আগতেই তাই ভাতকেইটা দি আহেগৈ। তাইৰ এই কামটো মাকহঁতে পাকঘৰৰ চুকৰ খিৰিকীখনেৰে সদায় লক্ষ্য কৰে।

"মাজনী, গুণীন আহিছে।"

তিলোত্তমা মজুমদাৰৰ 'প্ৰহান'ৰ শেষ পৃষ্ঠাটো পঢ়ি থকাৰ পৰাই লীনাই, মাকক উদ্দেশ্যি চিঞৰিলে -

"মই ইয়াতে আছো - মোৰ ৰুমত।"

"শ্ৰীসুজয়কে জড়িয়ে নিচ্ছে। সে অস্থির। অসংযত বলছে আমাকে নাও। আমি আর পারছি না। 'দেউতাক' সুজয়ৰ সতে 'জীয়েক' শ্ৰীৰ যৌন সম্পৰ্ক স্থাপনৰ অদ্ভুত আকাংক্ষাটোৰ বৰ্ণনা একে উশাহতে পঢ়ি শেষ কৰিবলৈ লওঁতেই কোঠাৰ টিউব লাইটটো কোনোবাই অন কৰি দিয়াত লীনাৰ মনোযোগ আগন্তুকে কাঢ়ি নিলে। দুৱাৰমুখলৈ মূৰ তুলি চাই তাই দেখিলে গুণীন বৈ আছে।

"ইমান আন্ধাৰত কিয় পঢ়ি আছা! চকু বেয়া হ'ব!"

"কিয়? কাণী হ'লে বিয়া নাপাতিবা নেকি?

গুণীনে হাঁহিলে, তাই বহি থকা বিচনাখনৰ এচুকতে বহি সি লীনালৈ চালে -

"কি কিতাপ পঢ়ি আছিলা?"

"নাই। সেই যে তেতিয়াই তোমাৰ পৰা আনিছিলো - প্ৰহানখন।"

হাতৰ কিতাপখন বিচনাতে থৈ লীনাই মহ সোমাব বুলি খিৰিকী কেইখন মাৰিবলৈ ওলাই গ'ল। বাহিৰখন কানিমুনি গধূলিটোৱে ধূসৰ হৈ পৰিছে। লীনাহঁতৰ সমুখৰ ফিল্ডখনৰ ওপৰত জোনটো ওলমি থকা দেখি তাইৰ মনটো ভাল লাগি গ'ল। গেটখন মৰাৰ শব্দ শুনি পদূলিলৈ চকু ঘূৰাই লীনাই দেখিলে মাক ওলাই গৈছে। সিহঁতৰ চুবুৰীৰ নামঘৰটোত মাকে আজি চাকি এগছ দিয়াৰ কথা।

ঘৰখনত কেৱল লীনা আৰু গুণীন। বৰুণ আবেলিয়েই ওলাই গ'ল আৰু লীনাৰ দেউতাকো কিছু সময়



আগতে লাইব্ৰেৰীলৈ ওলাই গৈছে।

খিৰিকীখন জপাই ঘূৰি আহি লীনাই কোঠাটোৰ দুৱাৰখনো জপাই দিলে। গুণীনে লীনাই বিছনাত এৰি যোৱা কিতাপখনকে এনেয়ে চকু ফুৰাই আছিল। আলনাডালৰ আঁৰ লৈ লীনাই নিজৰ পিন্ধা কাপোৰবোৰ এটা এটাকৈ খুলিলে। গাত সূতা এডালো নৰখাকৈ তাই গুণীনৰ আগত থিয় হ'লগৈ। গুণীনে বিস্মৃত দৃষ্টিৰে তাইলৈ চাই আছিল। গুণীনক কিবা কোৱাৰ সুযোগ নিদিয়াকৈ লীনাই তাক সাৱতি ধৰিলেগৈ।

লীনাৰ আকস্মিক আহ্বানক গুণীনে সহজে গ্ৰহণ কৰিব নোৱাৰিলে কিন্তু লীনাৰ অপৰিৱৰ্তনীয় আচৰণে এসময়ত গুণীনকো লীনাৰ আহ্বানত সঁহাৰি দিবলৈ বাধ্য কৰালে।

গুণীনৰ সঁহাৰি পাই লীনাই তাইৰ দেহটো সম্পূৰ্ণৰূপে তাৰ ওচৰত এৰি দিলে। তিনিমাহৰ আগতে আঘাতত ক্ষত বিক্ষত হোৱা লীনাৰ শৰীৰৰ বিশেষ অংগত গুণীনৰ স্ফীত পুৰুষাংগৰ হেঁচা পৰিল। উত্তেজনাৰ চৰম মুহূৰ্ততো লীনাই সচেতন ভাৱে মনলৈ আনিবলৈ চালে - এনে কোনো ঘটনাৰ পূৰ্বৰ স্মৃতি তাই মনত ৰৈ গৈছে নেকি! গুণীনৰ শৰীৰ মাংসপেশীবোৰ নিৰীক্ষণ কৰি তাই মনত পেলাবলৈ চালে - এনেকুৱা কোনো পেশীবহুল পুৰুষ শৰীৰৰ হিংস্ৰ স্পৰ্শই তাইক আগতে চুইছিল নেকি! উত্তেজনাত প্ৰায় উন্মাদ হৈ পৰাৰ মুহূৰ্তত গুণীনে যেতিয়া তাইৰ দুই উৰুৰ মাজত মুখ দিলে তেতিয়া তাই মনলৈ আনিবলৈ চেষ্টা কৰিলে হিংস্ৰ কুকুৰ কেইটাৰ মেল খাই থকা মুখকেইখন। কিন্তু লীনা হতাশ হ'ল। প্ৰবল ধুমুহাৰ পিছৰ শান্ত পৃথিৱীখনৰ দৰে তাইৰ উন্মুক্ত বুকুত মূৰ থৈ শুই থকা গুণীনৰ চুলিত হাত বুলাই বুলাই তাই নিশ্চিত হ'ল - তাই তিনিটা কুকুৰৰ আক্ৰমণতেই বিধ্বস্ত হৈছিল।

লীনাই গুণীনক সুধিলে - "তুমি মোক কিয় সোধা নাই মোক কোনে ইমান বেয়াকৈ আঘাত কৰিছিল?"

"কিয় সুধিব লাগে?"

"সকলোৱেইতো সুধিছে!"

"মই নোসোধো!"

"কিয়?"

"কাৰণ মই জানো সেই তিনিটা কুকুৰেই আছিল।"

"গুণীন মোক বিয়া কৰাবা?"

গুণীনৰ বুকুত মূৰ গুজি লীনাই সোধা প্ৰশ্নটোত গুণীনে মিচিকিয়াই হাঁহিলে।

"কেতিয়াকে পাতিবা কোৱা?

"কি"

"আমাৰ বিয়াখন!"

লীনায়েও হাঁহিলে।

গুণীন, বৰুণদাক ক'বাচোন উজ্জ্বল গগৈক আমাৰ ঘৰলৈ আহি থাকিবলৈ মানা কৰিব আৰু শুনা - মই কেতিয়াৰ পৰা কলেজ কৰিম?

"তোমাৰ ছুটী শেষ হ'লেই তুমি কলেজলৈ যাবা - হ'বতো!" লীনাই মূৰ দুপিয়ালে।

"গুণীন, আমাৰ ঘৰত এটা কুকুৰ পুহিমনে?"

"সি যদি তোমাক কামোৰে?"

"নাকামোৰে! মই সদায় কালুক ভাত দিওঁ নহয় সিতো নাকামোৰে!

"ঠিক আছে, আমি বাৰু এটা কুকুৰ পুহিম।"

পদুলিৰ গেটত শব্দ হোৱাত চুলিত সচল হৈ থকা গুণীনৰ আঙুলিকেইটা ৰৈ গ'ল। বিছনাৰ পৰা উঠি আহি লীনাই মেলা চুলিখিনিৰে দুহাতেৰে খোপা এটা বান্ধি বন্ধ হৈ থকা দুৱাৰখন খুলিবলৈ গ'ল। পিছফালৰ পৰা লীনালৈ চাই চাই গুণীনে ভাবিলে -

'সোনকালেই লীনাৰ ঘৰৰ মানুহখিনিৰে সৈতে সিহঁতৰ বিয়াখনৰ কথা পাতিব লাগিব।'

* স্নাতক ১ম বৰ্ষ, নৃতত্ব বিভাগ



# এজাক বৰষুণৰ পিছত

চয়নিকা ঠাকুৰীয়া*

'ছেঃ চাকিগছ নুমাই থাকিল।' সোণেশ্বৰীয়ে মুখৰ ভিতৰতে বিৰবিৰালে। আজি বাহিৰত প্ৰচণ্ড বৰষুণ দিছে। তাইৰ জুপুৰিৰ জৰাজীৰ্ণ চালে এই বৰষুণৰ কোব সহ্য কৰিব পৰা নাই। ইতিমধ্যে চালৰ মাজেৰে টোপ টোপকৈ পানী সৰকি গোটেই ঘৰটো তিয়াই পেলাইছে। তাৰ ফলস্বৰূপে, চাকিগছ ভালদৰে জ্বলি উঠা নাই। সোণেশ্বৰীয়ে জানে এই চাকিগছৰ দৰে কোনদিনা তাইৰ জীৱনৰ বন্তি নুমাই থাকিব তাৰো একো ঠিক নাই। তাই এই জুপুৰিত অকলশৰে বহুদিনৰ পৰাই সেই শেষ মুহূৰ্তৰ বাবেই বাট চাই আছে। হয়তো, তাইৰ বাৰ্দ্ধক্য জনিত কাৰণত মৃত্যু হ'ব নতুবা তাইক হত্যা কৰা হ'ব। তাই যুনুক ঘানাক কৈ শুনিছে মানুহবোৰে তাইক তন্ত্ৰ-মন্ত্ৰ জনা ডাইনী বুলি সন্দেহ কৰিছে। তাই জানে আগৰে পৰাই এই মানুহবোৰে তাইক ভয় কৰি চলে। হয়তো, তাইৰ কোপদৃষ্টি পৰাৰ ভয়ত! হাঃ হাঃ হাঃ। সোণেশ্বৰীৰ কথাটো ভাবি হাঁহি উঠি গ'ল। মানুহবোৰৰ গাত আচলতে একো দোষ নাই। তায়েই মাজে মাজে অদ্ভুত কাৰ্য কিছুমান কৰি মানুহবোৰক ভয় খুৱাই থাকে। বহু ৰাতিলৈ বাহিৰত চুলি মেলি বহি থকা অথবা নিজৰ মাজতে কিবা বলকি থকা। তাই এনেবোৰ কাৰ্য কৰি মনত এক অদ্ভুত তৃপ্তি লাভ কৰে। বহুদিনৰ পৰা বিকুৰা জুই তাইৰ অন্তৰত জ্বলি আছে, সামান্য পৰিমাণে হ'লেও শাঁত পৰে। হঠাৎ সোণেশ্বৰীৰ অনুভৱ হ'ল বহু দূৰৰ পৰা কোনোবাই তাইক যেন ৰিঙিয়াই মাতিছে - 'আইজনী, আহিলিনে? বেলি ভাটি দিলে। সোনকালে মুখ হাত ধুই পঢ়িবলৈ বহ।'

'অ' মা, কিমাননো পঢ়ি থাকিব কৈ থাক। দুবছৰ মান পিচতে মোক বিয়া নিদিবি জানো। পঢ়ি শুনিনো কি কৰিম?'

'ধেৎ, নিলাজী ক'ৰবাৰ! নিজৰ বিয়াৰ কথা নিজেই কৈছে। অ.... বিয়াটো দিবই লাগিব, তথাপিও পঢ়িবও লাগিব। এই বিজ্ঞানৰ যুগত পঢ়া-শুনা নাথাকিলে আমাৰ মনৰ আন্ধাৰবোৰ কেনেকৈ আঁতৰ হ'ব? সেইদিনা নিপনৰ ঘৈণীয়েকক কেনেকৈ জীয়াই জীয়াই জ্বলাই মাৰিলে। মোৰ বুকুখন এতিয়াও বিষাই যায়। এইবোৰ পঢ়া-শুনা নথকাৰ বাবেই হৈছে জাননে?"

"তুমি নাজানা নেকি মা, তাই তন্ত্ৰ-মন্ত্ৰ জনা ডাইনী আছিল?"

'থৈ দে ডাইনী যখিনী। সেইবোৰ কোনো কালে নাছিল আৰু আজিও নাই। জানো নহয় এইবোৰ কাৰ ষড়যন্ত্ৰ; শ্ৰাদ্ধ শেষ হ'ল কি নহ'ল নতুন এজনী চপাই ল'লেই। গাওঁৰ মানুহক উচতাই নিপনেই ঘৈণীয়েক জনীক হত্যা কৰিলে।'

*সোণেশ্বৰীয়ে মাকক সিদিনা বেলেগ ৰূপত দেখিছিল।* তাইক মাকে সিদিনা বহু ৰাতিলৈ মানুহৰ মনত থকা অন্ধবিশ্বাসবোৰৰ কথা কৈছিল। কেনেকৈ এই অন্ধবিশ্বাসবোৰৰ বলি হৈ সিহঁতৰ যড়ো সম্প্ৰদায়ৰ বহু তিৰোতাক নিৰ্মম ভাৱে হত্যা কৰা হৈছে। মানুহবোৰ যদি পঢ়ি-শুনি শিক্ষিত হৈ নুঠে, এই অন্ধকাৰ গহ্বৰৰ পৰা কেতিয়াও মুক্তি লাভ কৰিব নোৱাৰিব। সোণেশ্বৰীৰ সিদিনা মাকক লৈ গৌৰৱবোধেৰে মনটো ভৰি পৰিছিল। মাকেতো 'ক'ৰ চুক কেইটাও চিনি নাপায়, তথাপিও কিমান কথা বুজি পায়। বাকীবোৰ মানুহে মাকৰ দৰে নাভাবে কিয়? তাই মনতে ঠিক কৰিছিল - তাই বহুত পঢ়িব আৰু মানুহবোৰক এই অন্ধবিশ্বাসৰ পৰা মুক্ত কৰিবলৈ যত্ন কৰিব। কিন্তু মাথোঁ এবছৰৰ ভিতৰতে সকলো থানবান হৈ গ'ল। কোনখিনিত সিহঁতৰ ভুল হৈছিল তাই গমেই নাপালে। এতিয়াও তাইৰ ভালকৈ মনত আছে সেই ভয়ানক ৰাতিটোৰ কথা। সেইদিনাও আজিৰ দৰে প্ৰচণ্ড বেগেৰে ধুমুহা বৰষুণ আহিছিল। মাজৰাতি কোনোবাই সিহঁতৰ দুৱাৰত জোৰেৰে টোকৰ মাৰিছিল। লগতে সিহঁতে শুনিছিল এটা ক্ষীণ চেপা মাত - 'বাইদেউ দৰ্জাখন খোলক। মই বৰ বিপদত পৰিছোঁ।'

মাক লাহেকৈ বিচনাৰ পৰা উঠি আহিছিল। তায়ো মাকৰ পিছে পিছে ওলাই আহিছিল। দৰ্জাখন খুলি লেমৰ পোহৰত আগন্তুকৰ মুখখনৰ পিনে চাইছিল।



'আৰে, মালতী তই। এই ৰাতিখন....

আবন্যন্ত চুলিৰে মালতী খুৰী দুৱাৰ মুখত বৈ আছিল। মাকক আৰু একো ক'ব সুবিধা নিদি খুৰী সিহঁতৰ ঘৰৰ ভিতৰলৈ সোমাই আহিছিল। তাই মাকক এফালৰ পৰা কৈ গৈছিল - কেনেকৈ বিধবা মালতী খুৰীৰ দেওঁৰেকহঁতে তাইক ডাইনী সজাই হত্যা কৰি তাইৰ সমস্ত সম্পত্তি হস্তগত কৰিব বিচাৰিছে। মালতী খুৰীয়ে কৈছিল -

'বাইদেউ, মই নিজৰ জীৱনক লৈ চিন্তা কৰা নাই। মোক সম্পত্তি নালাগে। কিন্তু মোৰ পেটৰ সন্তানটোৰ কাৰণে মই জীয়াই থাকিব খুজিছোঁ বাইদেউ।

মালতী খুৰীৰ ভয়ার্ত মুখখন দেখি তাই ভাবিছিল... এই সহজ সৰল মানুহজনীৰ প্ৰতি মানুহ কেনেকৈ ইমান নিষ্ঠুৰ হ'ব পাৰে।

সোণেশ্বৰীৰ মাকে মালতী খুৰীক অভয় দান কৰি কৈছিল - "তই ভয় নাখাবি। মই জীয়াই থাকোঁতে কোনেও তোক একো কৰিব নোৱাৰিব। এনেকৈ কিছুমান পাষণ্ডই নিজৰ সুবিধাৰ বাবে তোক হত্যা কৰিব নোৱাৰিব। অন্ততঃ মই জীয়াই থকালৈকে এয়া সম্ভৱ নহ'ব....।

গোটেই ৰাতি তিনিওটা প্ৰাণীয়ে উজাগৰে নিশা কটাই দিছিল। ৰাতি একো অঘটন নঘটিল। হয়তো সেই পাষণ্ডবোৰে মালতী খুৰী সিহঁতৰ ঘৰত আশ্ৰয় লোৱা কথাটো গম নাপালে। পিছদিনা পোহৰ হোৱাৰ আগে আগে মাকে মালতী খুৰীৰ হাতত টকা কেইটামান গুজি দি ক'লে -

"মালতী, তই সদ্যহতে এই গাওঁ এৰি যা। তোৰ পেহী এজনী আছিল নহয় বৰ্ষণ গাঁওত, তালৈকে যা। পোহৰ হোৱাৰ লগে লগে হয়তো তোক বিচাৰি বিচাৰি আমাৰ ঘৰ ওলাবহি পাৰে। আইজনী, যাচোন খুৰীয়েৰক অলপ আগবঢ়াই দি আহগৈ।"

মালতী খুৰীৰ চকু পানীৰে ভৰি পৰিছিল। হয়তো মালতী খুৰীৰ গাওঁখনৰ প্ৰতি কিবা এক মোহ আছিল। সেইবাবে গাঁওখন এৰিব লগা হোৱা বাবে শোকে খুন্দা মাৰি ধৰিছিল। তেওঁ মাথো কৈছিল ....

'বাইদেউ, আপোনাক কেনেকৈ ধন্যবাদ জনাওঁ?'

মাকে মালতী খুৰীৰ চকু পানী মচি দি কৈছিল - 'তই জীয়াই থাকিব লাগিব মালতী। তই যাগৈ, এই গাওঁখনৰ মানুহবোৰে তোক জীয়াই থাকিবলৈ নিদিব। আশাকৰোঁ, সোনকালেই তোক লগ পাম।'

মালতী খুৰী আৰু তাই মাকৰ পৰা বিদায় লৈ আগবাঢ়িছিল। কিয় জানো, সোণেশ্বৰীৰ বুকুখন খুব গধুৰ লাগিছিল। কিবা যেন অঘটন এটা ঘটিব সিহঁতৰ লগত। মালতী খুৰীক তাই সিহঁতৰ গাওঁখনৰ সীমালৈ থৈ আহিছিল। মালতী খুৰীয়ে তাইৰ হাতখন জোৰেৰে চেপি ধৰিছিল। তাৰ পিছত, ক্ষন্তেকতে মালতী খুৰী গাওঁৰ সুৰ সুৰীয়া ৰাস্তাটোৰে নোহোৱা হৈ গৈছিল। খুৰী যোৱাৰ পিছত তাই ঘৰলৈ বুলি দৌৰ মাৰিছিল। কিন্তু ঘৰৰ পদুলি মুখত ৰৈ তাই দেখিছিল ... দপদপকৈ জ্বলি উঠিছিল সিহঁতৰ ঘৰ। বহুত মানুহ সিহঁতৰ ঘৰৰ আগত জুম পাতি ৰৈ আছিল।

"ডাইনী দুজনী ছাই হৈ গ'ল।" হঠাৎ কোনোবা এজনে তাইৰ ফালে চাই ক'লে।

তাই নিৰ্বাক হৈ ৰ'ল। মালতী খুৰী সিহঁতৰ ঘৰত থকা বুলি সিহঁতৰ ঘৰ জ্বলাই দিয়া হ'ল। তাইৰ মাকক হত্যা কৰা হ'ল। তাই সিদিনা কন্দা নাছিল। তাই মাথো দৌৰিছিল....আজিলৈকে তাই জীৱনত কন্দা নাই। সেই চকু পানীবোৰ যেন বুকুত জুই হৈ এতিয়াও জ্বলি আছে। কি অজানা শক্তিয়ে ঠেলি তাইক এই গাওঁখন পোৱাইছিলহি তাই নাজানে। মালতী খুৰীৰ তাই একো খবৰ পোৱা নাই। তাইৰ বিশ্বাস, বৰ্ষণ গাওঁত মালতী খুৰী আৰু তেওঁৰ সন্তান নিৰাপদে জীয়াই আছে। মাকে নিজৰ প্ৰতিজ্ঞা ৰাখিছিল। বিয়া-বাৰুৰ কথা সোণেশ্বৰীয়ে কাহানিও নাভাবিলে। মানুহৰ অশ্লীল ইংগিত, ঠাট্টা মস্কৰা সকলো সহ্য কৰিও তাই জীয়াই থাকিল। যিমান দিনলৈ শৰীৰে কাম কৰাৰ অনুমতি দিলে সিমান দিনলৈ তাই কামেই কৰিলে। তাই লাহে লাহে নিজৰ চাৰিওফালে এনে এক সীমা বান্ধি লৈছিল যে আন কোনো মানুহৰ প্ৰৱেশ তাত নিষিদ্ধ আছিল। মানুহবোৰে তাইক ভয় কৰিবলৈ লৈছিল। মানুহবোৰক ভয় খুৱাবলৈ তাই ইচ্ছা কৰিয়েই অদ্ভুত কাম কিছুমান কৰিছিল। মানুহৰ ভীতিগ্ৰস্ত চেহেৰাবোৰ দেখি তাই এক অদ্ভুত আনন্দ লাভ কৰিছিল। এয়া যেন এক পৈশাচিক আনন্দ। হাঃ হাঃ হাঃ। হঠাৎ যেন তাইৰ বুকুৰ কোনোবা এটা কোন বিষাই উঠিল। এইবোৰ কি কৰি আছে তাই? এনেকৈ দেখোন তাই মাকৰ আত্মাক কষ্টহে দিছে। তাই জীৱনত বহু দুখ কষ্ট সহ্য কৰিছে। এই দীঘলীয়া জীৱনত বহু ঘাত-প্ৰতিঘাত সহ্য কৰি আছে আৰু নমৰালৈ জীয়াই থাকিব। তাই নিজৰ অজানিতে ইমানদিনে তাইৰ মাজতে ডাইনী এজনী জীয়াই ৰাখিছিল। এই ভয়বোৰ আঁতৰ নহ'লে এই অন্ধবিশ্বাসবোৰ কেতিয়াওঁ আঁতৰ নহ'ব। মাকৰ দৰে বহু নিৰপৰাধী নিৰীহ নাৰীৰ হত্যা হৈয়েই থাকিব। এই অধ্যায়ৰ ইমানতে অন্ত হ'ব লাগে। তাই বাস্তৱ জীৱনলৈ ঘূৰি আহিবই লাগিব। তাই খুপি খুপি গৈ খিৰিকিখন খুলি দিলে। বৰষুণজাক ইতিমধ্যে এৰিছে। ৰাতিৰ জোনাকৰ পোহৰত গোটেই কোঠাটো উজ্বলি উঠিল।

"মানুহবোৰে তাইক ভয় কৰিবলৈ লৈছিল। মানুহবোৰক ভয় খুৱাবলৈ তাই ইচ্ছা কৰিয়েই অদ্ভুত কাম কিছুমান কৰিছিল। মানুহৰ ভীতিগ্ৰস্ত চেহেৰাবোৰ দেখি তাই এক অদ্ভুত আনন্দ লাভ কৰিছিল। হঠাৎ যেন তাইৰ বুকুৰ কোনোবা এটা কোন বিষাই উঠিল। এইবোৰ কি কৰি আছে তাই?"

* স্নাতক ৩য় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ



# বিয়লিৰ বলুকাত

মিতালি গোস্বামী*

"বৰ অসহায় লোকৰ দৰে ন্যাথে কথাখিনি ক'লে। নাথৰ পাছৰখিনি কথাৰ পৰা বুজিলোঁ বোৱাৰী মডাৰ্ণ লেডী। শাহু-শহুৰৰ প্ৰতি থকা দায়িত্ব পালন কৰাটো তেওঁৰ বাবে একপ্ৰকাৰ হুপ'লেছ কথা।"

কাল দোমোজাত পৰিম বুলি কোনেও নাভাবে। কিন্তু পৰি যায়, নিজৰ অজ্ঞাতে। কাৰণ এয়া যেন সময়ৰ খেলা। প্ৰত্যেক সন্তানেই নিজ মাতৃ-পিতৃতকৈ বয়সত পিছুৱাই থাকে, হয়তো কোনোবা ২০-২৫ বছৰতকৈ কম অথবা ৩০-৩৫ বছৰতকৈও বেছি। তথাপিও এই ব্যৱধান আঁতৰাই দুটা যুগৰ প্ৰতিনিধিত্ব কৰি উভয়েই বৰ্তমানৰ লগত মিলিবলৈ চেষ্টা কৰে। নতুনক আঁকোৱালি লৈ শিশু জন্মে আৰু চিৰনবীন হৈ থকাৰ বাসনাৰেই সময়ৰ লগত মিতিৰালি পাতি আগুৱাই যায় শৈশৱৰ পৰা বাৰ্দ্ধক্যলৈ। ঘাত-প্ৰতিঘাত আৰু সংঘাত।

কালিচৰণ নাথ মানুহজন আজিকালি বৰ আচৰিত ধৰণে সলনি হৈ গ'ল। আগতে ইৰ্বা হৈছিল। ৪৫ বছৰ বয়সতো মানুহজন ইমান টেনচন্ ফ্ৰী হৈ ফুৰিব পাৰিছে। ডেকা বয়সৰ সেই হাঁহি এতিয়াও তেওঁৰ মোলান পৰা নাই! চকুৰ তিৰ্বিৰ্নি জাজ্বল্যমান। অফিচৰ পৰা এদিন একেলগে আহোঁতে তেওঁক সুধিছিলোঁ -

ঃ আৰে নাথ, আপুনি বৰ আচৰিত ধৰণৰ মানুহহে। সেই প্ৰথম দেখোঁতে যেনে আছিল, এতিয়াও সেই একেটোৱেই হৈ আছে। সদায় এনেদৰেই থাকিব নেকি?

অইনদিনাখন হহাঁৰ দৰে নাথে সিদিনাখনো সেই লাজকুৰীয়া হাঁহিটো মাৰিছিল।

নাথক মই প্ৰথম লগ পাইছিলো এই অফিচতে। তেতিয়া মই তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী। মোৰ কাষৰ চকীখনত বহিছিল ৰামচৰণ নাথ নামৰ লোক এজন। তেওঁ বয়সত মোতকৈ দুবছৰমান ডাঙৰ আছিল কিজানি। দেউতাক শ্ৰীধৰ নাথে বাছ্-এক্সিডেন্টত আঙুলি এটা হেৰুওৱা বাবে চাকৰিটো বৰ পুতেক ৰামচৰণে পাইছিল। কিন্তু কিবা এক ৰোগত পৰি ৰামচৰণ নাথ অবিবাহিত অৱস্থাতে মৃত্যু মুখত পৰিল আৰু চাকৰিটো হস্তগত হ'ল কালিচৰণ নাথৰ।



ঃ নমস্কাৰ, মই কালিচৰণ নাথ, ৰামচৰণ নাথৰ সৰু ভাই।

এনেদৰেই প্ৰথমে মোৰ লগত পৰিচয় হৈছিল কালিচৰণ নাথৰ। কথা-বতৰাৰ অন্তত তেওঁ কামত মনোনিবেশ কৰিলে। প্ৰথম দিনাখন সকলো কাম মোক সুধি শিকিছিল। বৰ ভদ্ৰ ল'ৰা কালিচৰণ নাথ। লাহে লাহে অফিচৰ কাম কৰোঁতে তেওঁৰ হাত নকঁপা হ'ল। মানুহৰ লগত কথা বতৰা পাতোতে তেওঁ চকু ওপৰলৈ তুলি কথা কোৱা হ'ল, অফিচাৰৰ লগত কথা হওঁতেও মানুহজন আগৰ দৰে ৰঙা নপৰা হ'ল।

অফিছৰ কাম শেষ কৰি ঘৰলৈ যাবলৈ ওলাওঁতে এদিন নাথে অলপ লাজ লাজকৈ ক'লে -

ঃ চৌধুৰী দা, এজনী ছোৱালী চাইছোঁ। বহাগৰ ২৫ তাৰিখে মোৰ বিয়া।

ঃ আৰে, নাথ ছোৱালী চোৱাৰ পৰা বিয়াৰ দিনলৈ সকলো হৈ গ'ল আৰু মোক আজিহে জনাইছেনে? যাহওঁক ভাল কথা। এইবোৰ শুভ কাম। গতিকে সোনকালে হোৱাটো ভাল।

মোৰ কথাখিনি শেষ কৰি মই দৃষ্টি নিবদ্ধ কৰিলোঁ নাথৰ ওপৰত। কম সৌভাগ্যৱতীতো নহ'ব সেইজনী ছোৱালী, যিগৰাকীয়ে নাথক স্বামী হিচাপে পাব। নাথ একেবাৰে ৰঙা চিঙা পৰি গৈছিল সিদিনা। মোৰ কথাখিনিয়ে নিশ্চয় ভালকৈয়ে লাজত পেলাইছিল তেওঁক। মোৰ চকুত তেওঁৰ চকু পৰাত এটা লাজকুৰীয়া হাঁহি মাৰিলে তেওঁ। এনেও মোৰ প্ৰতি নাথৰ লাজটো অলপ বেছি।

মোৰ চাকৰিৰ প্ৰমোচন হ'ল। তৃতীয় শ্ৰেণীৰ পৰা মই দ্বিতীয় শ্ৰেণী পালোঁ। এদিন মই কামত ব্যস্ত হৈ থাকোঁতে নাথ মোৰ ওচৰলৈ আহিল। তেওঁৰ হাতত সিদিনা এটা বৰ ধুনীয়া টোপোলা।

ঃ নাথ, ভালনে আপোনাৰ?

ঃ অ' আছোঁ চৌধুৰীদা।

ঃ ঘৰৰ ফালে সকলো ঠিকে আছেনে?

ঃ সকলোৰে ভাল। আমাৰ এটা ল'ৰা হৈছে চৌধুৰী দা।

মোলৈ হাতৰ ধুনীয়া টোপোলাটোৰ পৰা এটা মিঠাই আগুৱাই দি তেওঁ তেওঁৰ সুখৰ খবৰটো দিলে। নাথৰ চাকৰিটো আকৌ মোৰ শাৰীলৈ উঠিল। লাহে লাহে খবৰ পাবলৈ ধৰিলোঁ। নাথৰ ল'ৰাই মেট্ৰিক পাছ কৰিলে। মেডিকেলত চিট পালে। এদিন শুনিলো নাথৰ ল'ৰাই চাকৰি পাইছে। এই আটাইবোৰ খবৰৰ মাজতে এদিন নাথে আহি ল'ৰাৰ বিয়াৰ চিঠিখন দিলে।

পুতেকৰ বিয়াখন হৈ যোৱাৰ পৰাই নাথৰ মুখখনৰ সেই পূৰ্বৰ উজ্জ্বলতা নোহোৱা হৈ গৈছে। আজিকালি আগৰদৰে কথাও নকয় মানুহজনে। ইমান বছৰে যিখন মুখ ক্ৰিচেন্‌থিমামৰ দৰে ৰঙীন হৈ আছিল, সেইখন মুখ এতিয়া এপাহ শুকান নাৰ্জিফুলৰ দৰে হৈ পৰিছে।

ঃ চৌধুৰী দা বৰ অৱশ হৈ গৈছোঁ। ল'ৰাৰ সংসাৰখন পাতি দি ভালেই কৰিলোঁ নে বেয়াই কৰিলোঁ নিজেই বুজি পোৱা নাই। ঘৰখনত মোৰ আৰু শ্ৰীমতীৰ অৱস্থা বৰ বেয়া।

বৰ অসহায় লোকৰ দৰে নাথে কথাখিনি ক'লে। নাথৰ পাছৰখিনি কথাৰ পৰা বুজিলোঁ বোৱাৰী মডাৰ্ণ যুগৰ মডাৰ্ণ লেডী। শাহু-শহুৰৰ প্ৰতি থকা দায়িত্ব পালন কৰাটো তেওঁৰ বাবে একপ্ৰকাৰ হপ'লেছ কথা। দাদা বুলি কৰা সম্বোধনৰ সন্মান ৰাখি কিবা এটা কোৱাটো কৰ্তব্য হ'ব বুলি মই ক'লো -

ঃ কি কথা কয় হে নাথ। আপোনাৰ কৰ্তব্য আপুনি কৰিছে, বাকীখিনি ভগৱানৰ ওপৰতে এৰি দিয়ক। কত লোকে কষ্টৰ মাজেৰে জীৱন নিয়াইছে।

নাথে সিদিনাখন শিশুৰ দৰে কান্দিছিল। মই বুজাই বঢ়াই সিদিনা শান্ত কৰিলোঁ।

নাথ আজি হঠাৎ অচেতন হৈ পৰিল। অফিচৰ কৰ্মচাৰীবোৰে ডাক্তৰ এজনো মাতি আনিলে।

ঃ এওঁৰ হাই প্ৰেচাৰ হৈছে। অকলে তেওঁক ক'ৰবালৈ যাব দিয়াটো প্ৰকৃততে ভয়ানকেই হৈছে।

মই নাথৰ ঘৰটো চিনি পাওঁ। পুতেকে মেট্ৰিক পাছ কৰোঁতে আৰু পুতেকৰ বিয়াত মই তেওঁৰ ঘৰলৈ গৈছিলোঁ। অৱশ্যে দুদিনমান আগতে নাৰায়ণ পূজা এভাগ পাতোতে নাথে মোক নিমন্ত্ৰণ কৰিছিল। নিজেহে অসুখ হোৱা বাবে এওঁক এৰি থৈ যাবলৈ বেয়া পাই মই শেষত পূজালৈ যাব নোৱাৰিলোঁ। এনেও দিনটো এওঁ অকলশৰে থাকে। তাতে ভাগিন ল'ৰাটোও নাছিল সেইদিনা।

"পুতেকৰ বিয়াখন হৈ যোৱাৰ পৰাই নাথৰ মুখখনৰ সেই পূৰ্বৰ উজ্জ্বলতা নোহোৱা হৈ গৈছে। আজিকালি আগৰদৰে কথাও নকয় মানুহজনে। ইমান বছৰে যিখন মুখ ক্ৰিচেন্‌থিমামৰ দৰে ৰঙীন হৈ আছিল, সেইখন মুখ এতিয়া এপাহ শুকান নাৰ্জিফুলৰ দৰে হৈ পৰিছে।



"বোৱাৰীয়ে মোক সন্মান কৰিব নালাগে, কিন্তু অপমানো নকৰক। চৌধুৰী দা তেওঁ যিদৰে থাকে তেনেকৈয়ে থাকিব পাৰিছে, যি বিচাৰিছে তাকেই পাইছে। কোনেও বাধা দিয়া নাই। কিন্তু আমাকতো তেওঁ মানুহ বুলি বুজি পাব লাগে।"

ঃ ছাৰ, আপুনিয়েই নহ'লে নাথ ছাৰক ঘৰলৈ লৈ যাওঁক। আমি তেওঁৰ ঘৰটো চিনি নাপাওঁ।

চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী কেইজনমানে মোক অনুৰোধ কৰিলে নাথক থৈ আহিবলৈ।

ঃ নাই নাই নালাগে। মই যাব পাৰিম। আপোনালোকে চিন্তা নকৰিব। চৌধুৰী দা, আপুনিও কষ্ট কৰিব নালাগে মিছাতে। মই ঠিকেই আছোঁ। এতিয়া গাটোও ভাল লাগিছে।

ইমান বছৰে মই নাথক লগ পাইছোঁ, সহকৰ্মী হিচাপে, তেওঁক চিনিছোঁ, বুজিছোঁ। মই জোৰকৈ ধৰাত শেষত তেওঁ মোৰ লগত যাবলৈ মান্তি হ'ল।

ঃ আপুনি সঁচাই সুখী চৌধুৰী দা। ল'ৰা-ছোৱালী থকাতকৈ নথকাই ভাল মই এতিয়াহে বুজি পাইছোঁ। হায়, আমাৰ দুয়োৰে দৰে দুখ ভগবানে শত্ৰুকো নিদিয়ক। বোৱাৰীয়ে মোক সন্মান কৰিব নালাগে, কিন্তু অপমানো নকৰক। চৌধুৰী দা তেওঁ যিদৰে থাকে তেনেকৈয়ে থাকিব পাৰিছে, যি বিচাৰিছে তাকেই পাইছে। *কোনেও বাধা দিয়া নাই। কিন্তু আমাকতো তেওঁ মানুহ বুলি বুজি পাব লাগে। আমাৰ বাবেইতো অলপ তেওঁৰ* আধুনিকত্ব এৰিব পাৰে। চচাইটিৰ আগত আমাক দুয়োকে হেয় কৰাটো বোৱাৰীৰ যেন ধৰ্ম। আমিনো আৰু মৰিবলৈ কেইদিন আছে।

মোৰ চকু সজল হৈ উঠিল নাথৰ কথা শুনি। অনুভৱ কৰিছোঁ মানুহজনৰ কষ্টৰ কথা। দুৱাৰমুখত নাথক থৈ মই উভতিবলৈ বিচাৰিলোঁ। পাছে, নাই নাথে মোক এৰি নিদিয়ে, একাপ চেনি নোহোৱা চাহকে খাব লাগে তেওঁৰ তাত।

টোকৰ দুটামান মৰাৰ লগে লগে দুৱাৰখন খোল খালে। এগৰাকী চেলোৱাৰ চুট পিন্ধা ছোৱালী বৈ আছে। নাথে চিনাকি কৰি দিলে।

ঃ এয়া মোৰ বোৱাৰী আৰু এয়া মোৰ লগৰ চৌধুৰী দা।

হাতেৰে মইহে প্ৰথমতে নমস্কাৰ জনালো, এটি প্ৰতি নমস্কাৰৰ আশাত। কিন্তু ওলোটাকৈ কোনো ধৰণৰ নমস্কাৰ তেওঁৰ পৰা মই নাপালো। বোৱাৰীয়ে লাহেকৈ ক'লে - 'হাই'। মই একপ্ৰকাৰ আচৰিতেই হৈ গ'লোঁ। কল্পনা কৰিছিলো বোৱাৰী মানে শাৰী বা মেখেলা-চাদৰ পিন্ধা এগৰাকী নাৰী হ'ব, যাৰ কপালত জিলিকি থাকিব দগমগাই থকা সেন্দুৰৰ ফোঁটটো। কিন্তু নাথৰ বোৱাৰীয়েকৰ গাত বোৱাৰীৰ কোনো লক্ষণেই নেদেখিলোঁ, ষোড়শী গাভৰু এজনী যেনহে লাগিছে তেওঁক।

নাথে দুকাপ চাহ আনিবলৈ ক'লে বোৱাৰীয়েকক।

ঃ অ' চাহ। ৰ'ব মই মাক কওঁ। মই আকৌ সুমনৰ পাৰ্টিলৈ যাব লাগে নহয়।

কথাখিনি কৈ বোৱাৰীয়েক ভিতৰলৈ সোমাই গ'ল। মই তবধ মানিলোঁ বোৱাৰী কাণ্ড দেখি। বোৱাৰীয়ে ভিতৰলৈ গৈ কোৱা শুনিলো।

ঃ মা উঠক। দেউতা আহিছে নহয়। দুকাপ চাহ লাগে বোলে।

ঃ ইমান সোনকালে আহিল আজি। দুকাপ চাহ লাগে মানে আৰু কোনোবা আহিছে নেকি?

শ্ৰীমতী নাথে আচৰিত হৈ সুধিলে।

ঃ অ আৰু *এজন* বুঢ়া আহিছে। কি.....ক'লে টাইটেলটো? দত্ত নে চৌধুৰী?

নাথে বোৱাৰীৰ কথা শুনিলে নে নাই মই ক'ব নোৱাৰিলোঁ। কথাখিনি শুনি নিজৰ হাতখনৰ চালবোৰ টিপি টিপি পৰীক্ষা কৰাত মই ব্যস্ত হৈ পৰিলোঁ।

---

** উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ, কলা*



# শুভেচ্ছা বাণী

সীমান্ত দাস*

"হেৰি উঠিবৰ হোৱা নাই? নে পানী ঢালিব লাগিব?" এয়া মোৰ মাৰ দেউতালৈ দিয়া ৰাতিপুৱাৰ প্ৰথম শুভেচ্ছাবাণী। অৰ্থাৎ আমাৰ ঘৰৰ ৰামায়ণৰ অযোধ্যা কাণ্ডৰ আৰম্ভণি। মাৰ এই শুভেচ্ছা বাণী শুনাৰ পিছত বহু ৰাতিলৈ নিজৰ কোঠাত পঢ়া-শুনা কৰা দেউতা আৰু এক চেকেণ্ডো বিছনাত নাথাকে। কাৰণ ইয়াৰ পিছতো তেওঁ যদি বিছনাত থাকে, তেনেহ'লে সঁচাকৈয়ে মাই পানী ঢালি দিব পাৰে। গতিকে পত্নীপৰায়ণ মোৰ দেউতা আৰু বিছনাত থাকিব নোৱাৰে। আনহাতে এই নাটকৰ এই একেখিনি দৃশ্যকে দেখি দেখি মই সকলোৰে আগত উঠা অভ্যাস কৰি লৈছোঁ। গতিকে মোৰ ভাগ্যত মাৰ এনে শুভেচ্ছা বাণী শুনিবলগা হোৱা নাই। আনহাতে ভাইটি সকলোতকৈ সৰু বাবে সি বাচি আছে।

আমাৰ পৰিয়ালত আমি মাথো চাৰিজন। দেউতা, মা, ভাইটি আৰু মই। আমাৰ ঘৰৰ মূল দেউতা। শাসনাধিস্থ দলৰ নেতা দেউতা। আনহাতে মা বিৰোধী দলৰ নেত্ৰী। পিছে ভাৰতবৰ্ষৰ বিৰোধী দলৰ নিচিনাকৈ মোৰ মাই যেতিয়াই-তেতিয়াই যিকোনো বিষয়তে দেউতাক সমালোচনা কৰিবলৈ নেৰে। আৰু নিৰ্দলীয় বিধায়কে যেনেদৰে সুবিধা বুজি মুখ খোলে, ময়ো তেনে আচৰণকে কৰোঁ। অৱশ্যে দেউতাৰ পৰা মোৰ কোনো ভয় নাই। কাৰণ মাৰ ওচৰত তেওঁ বৰ শক্তিশালী যোদ্ধা নহয়। আনহাতে এই ক্ষেত্ৰত মই নিৰ্দলীয় বিধায়কে মানি চলা নীতিতকৈ মোৰ আইতাই কোৱা সাধুকথা এটাৰ নীতিহে বেছিকৈ মানো। আইতাই কোৱা সাধুকথাটো আছিল এই ঃ এবাৰ এটা বাঘ আৰু সিংহই কোন কিমান শক্তিশালী, তাক জানিবৰ বাবে ৰণ কৰিব ধৰিলে। ৰণত কোন জিকে আৰু কোন হাৰে, তাৰ বিচাৰ কৰিবলৈ সিহঁতে এটা শিয়ালক বিচাৰক পাতিলে। বাঘ আৰু সিংহ ভীষণ ৰণত লিপ্ত হ'ল। তেতিয়া শিয়ালে ভাবিব ধৰিলে যে যদি সি এজনৰ হৈ ৰায় দিয়ে, তেনেহ'লে আনজনে তাক সুদাই নেৰিব। এই কথা ভাবি সি এটা বুদ্ধি সাজি ৰণৰ মাজতে ক'বলৈ ধৰিলে - "বাঘ ককাই জিকে, সিংহ ককাই হাৰে।" এনেকৈ কোৱাত সিংহই বাঘক এৰি শিয়ালক খেদি আহে। পিছে ততালিকে শিয়ালে এইবাৰ

---

**"আমাৰ ঘৰত দেউতাৰ এটা সৰু সুৱা পুথিভঁৰালো আছে। মই জানো, কিতাপবোৰ কিনিবৰ পৰত দেউতাৰ প্ৰতি মাৰ ব্যৱহাৰ অতি ভাল আছিল। পিছে তিনিবছৰ মান আগতে আমাৰ ঘৰৰ কাষৰ মাটিখিনি কিনি প্ৰসন্ন শইকীয়াহঁত অহাৰ পৰাই মাই দেউতাক শুভেচ্ছা বাণী শুনাবলৈ আৰম্ভ কৰিছে।"**

---



নতুনকৈ এইবুলি ক'লে - "সিংহ ককাই জিকে, বাঘ ককাই হাৰে।" এনেদৰে বাঘ আৰু সিংহৰ ৰণখন চলি থাকিল, ৰণ কৰি কৰি এসময়ত দুয়ো লেবেজান হ'ল আৰু মৰি থাকিল; ফলত বিচাৰক শিয়াল বাচি থাকিল। ময়ো সদায় শিয়ালৰ পথেদি গৈ আছোঁ।

মোৰ দেউতা অসম চৰকাৰৰ এজন উচ্চপদস্থ বিষয়া। শুনিছোঁ দেউতাৰ অফিচৰ মানুহে দেউতাক বাঘ দেখা দেখে। পিছে ঘৰত এইজন মানুহৰে যে এনে ভিজা মেকুৰীৰ দৰে শোচনীয় অৱস্থা হয়, তাক জানো কোনোবাই বিশ্বাস কৰিব? কোনেও নকৰে। কাৰণ মোৰ মা অন্ততঃ এটা ক্ষেত্ৰত পৰম পতিব্ৰতা। তেওঁ কেতিয়াও দেউতাক আনৰ আগত শুভেচ্ছা বাণী নুশুনায়।

মাই অৱশ্যে সদায়ে দেউতাক এনে শুভেচ্ছা বাণী শুনোৱা নাছিল। আজিৰ পৰা কেইবছৰ মান আগলৈকে আমি অতি সুখে-শান্তিৰে বাস কৰি আছিলোঁ। মোৰ দেউতা এজন উচ্চ পদস্থ বিষয়া হোৱাৰ লগতে এজন লিখকো। গল্প, কবিতা, প্ৰবন্ধ, সমালোচনা আদি বিষয়ত দেউতাৰ হাতখন বৰ ভাল। আগতে দেউতাই কিবা এটা লিখিবলৈ বহিলে প্ৰায়ে মাই দেউতাক উদ্‌গনি দিছিল। আনকি দেউতাৰ কবিতাসমূহ মাই আজৰি পৰত আমাক আবৃত্তি কৰি শুনাইছিল। ক'বলৈ গ'লে তাৰে বহু কবিতাৰ নায়িকা মা নিজে। মোক লৈও দেউতাই কম কবিতা লিখা নাই। তাৰে এটা কবিতাত আছে ঃ

> আবেলি পৰত মাকে-পুতেকে
> বাগিছাত খেলি থাকিলে
> আকাশখনে মনে মনে নামি আহি
> সেই খেল চাই থাকে।

পিছে মই এতিয়া নিশ্চিত যে দেউতাৰ সেই আকাশ মাৰ শুভেচ্ছা বাণীৰ মেঘে ঢাকি ধৰি একেবাৰে নেদেখা কৰি পেলাইছে।

আমাৰ ঘৰত দেউতাৰ এটা সৰু সুৱা পুথিভঁৰালো আছে। দেউতাই অফিচলৈ যোৱাৰ আগতে আৰু অফিচৰ পৰা আহি প্ৰায়ে এই কিতাপসমূহ হয় পঢ়ে, নহয় কিবা লিখিবলৈ বহে। এই কিতাপসমূহ বিশ্ব সাহিত্যৰ বহুতো ডাঙৰ ডাঙৰ লিখকে লিখা। মই জানো, কিতাপবোৰ কিনিবৰ পৰত দেউতাৰ প্ৰতি মাৰ ব্যৱহাৰ অতি ভাল আছিল। পিছে তিনিবছৰ মান আগতে আমাৰ ঘৰৰ কাষৰ মাটিখিনি কিনি প্ৰসন্ন শইকীয়াহঁত অহাৰ পৰাই মাই দেউতাক শুভেচ্ছা বাণী শুনাবলৈ আৰম্ভ কৰিছে। এতিয়া যদি দেউতা অফিচলৈ যোৱাৰ আগতে বা অফিচৰ পৰা আহি কিবা লিখিবলৈ বা পঢ়িবলৈ বহে, তেতিয়া দেউতাক মাই 'চক্ৰেটিছৰ পুনৰ জনম হৈছে' বুলি শুভেচ্ছা বাণী শুনায়।

প্ৰসন্ন শইকীয়া মোৰ দেউতাহঁতৰ লগৰে বিষয়া। তেওঁলোকৰ ল'ৰা-ছোৱালী তিনিটা। দুজনী ছোৱালী, এটা ল'ৰা। প্ৰথম অৱস্থাত সকলো ঠিকে আছিল। অতি সোনকালে তেওঁলোকৰ লগত আমাৰ ভাল সম্পৰ্ক গঢ়ি উঠিছিল। দেউতাই মাহত অন্ততঃ দুবাৰ মাক লগত লৈ তেওঁলোকৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। পিছে সেই সময়ত দেউতাই কিজানি সপোনতো ভবা নাছিল যে তেওঁ নিজে নিজৰ বিপদ চপাই লৈছে। তেওঁলোকো আমাৰ ঘৰলৈ আহিবলৈ ধৰিলে। কথা-বতৰা পাতি শইকীয়া ডাঙৰীয়াক মোৰ হ'েবেয়া নালাগিল। তেওঁৰ পত্নী শ্ৰীমতী শইকীয়াৰো ব্যৱহাৰ পাতি ভাল লাগিল। অৱশ্যে তেওঁলোকৰ ল'ৰা-ছোৱালী কেইটাৰ লগত মোৰ হ'লে কোনো সম্পৰ্ক গঢ়ি নুঠিল। ইয়াৰ বাবে ময়ে কিজানি দায়ী। কাৰণ মোৰ মনৰ বিচাৰ, চিন্তাধাৰা তেওঁলোকৰ লগত একেবাৰে নিমিলিছিল। মাই এই কথা গম পাই মোকে গালি পাৰিছিল। সেইদিনা মাই দেউতাক কৈছিল যে মোক হেনো সৰুৰ পৰা ধনী মানুহৰ ল'ৰা-ছোৱালীৰ লগত লগ হ'বলৈ নিদি দেউতাই ডাঙৰ ভুলটো কৰিছিল। তেনে শ্ৰেণীৰ ল'ৰা-ছোৱালীয়ে পঢ়া কোনো বেলেগ গ্ৰহৰ স্কুলত অৰ্থাৎ ইংৰাজী স্কুলত মোক পঢ়াব লাগিছিল। মাৰ এনে কথাত স্বভাৱতে শান্ত প্ৰকৃতিৰ মোৰ দেউতাই কোনো মন্তব্য কৰা নাছিল। মাথোন আঁৰালত মোক অকলে কৈছিল - কেনেকৈ আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আদি অসমীয়া ভাষাৰ পুনৰ প্ৰাণ প্ৰতিষ্ঠাৰ বাবে সেই ঊনবিংশ শতিকাতে যুঁজিছিল। সেই কথা শুনি দেউতাৰ প্ৰতি শ্ৰদ্ধাত মোৰ মন ভৰি পৰিছিল। কিন্তু মাৰ ভয়ত আজিও তাক প্ৰকাশ কৰা নাই কাৰো আগত। আইতাৰ সাধুৰ 'শিয়াল বিচাৰক' ৰ আৰ্হিকেই এতিয়া মোৰ ধমনীত চালিত



ৰি ৰাখোঁ যেতিয়া —। পিছে সিয়ে এদিন খাণ্ডৱ দাহত পৰিণত হৈছিল। সিদিনাও আমি শইকীয়াহঁতৰ বৈঠকখানাত বহি আছিলোঁ। গধূলি। লগত শইকীয়াহঁতৰ ল'ৰা-ছোৱালী তিনিটাও। চাহ পানী দি শইকীয়ানীয়ে পুনৰ একেখন ৰেকৰ্ডকে বজালে - "আপোনালোকে ল'ৰা দুটাক অসমীয়া মাধ্যমত পঢ়ুৱাই বৰ ডাঙৰ ভুল কৰিলে.....।" শইকীয়াই তাতে হাত উজান দিলে। দেউতাই আৰু সহি থাকিব নোৱাৰিলে। তেওঁ ঘপহকৈ আমাৰ দুই ভাইৰ হাতত ধৰি থিয় হৈছিল, আমাকো থিয় কৰাইছিল আৰু বৰ গহীনভাবে কৈছিল - "শইকীয়া, এদিন অসমীয়া ভাষা-সাহিত্যক চৌকীদাৰৰ প্ৰয়োজন হ'ব। মোৰ এই ল'ৰা দুটাই সেই চৌকীদাৰকে কৰিব।" তাৰ পিছত আমাক প্ৰায় টানি নিয়াদি টানি নি দেউতাই শইকীয়াহঁতৰ ঘৰ এৰিছিল। দেউতাৰ সেই অভদ্ৰ আচৰণৰ বাবে মাই শইকীয়াহঁতক ক্ষমা খোজা কাম এতিয়াও শেষ হোৱা নাই। দেউতা কিন্তু সেইদিন ধৰি শইকীয়াহঁতৰ ঘৰলৈ যোৱা নাই। সেইবাবেও মাৰ পৰা দেউতাই কম শুভেচ্ছা বাণী শুনা নাই। উত্তৰত দেউতাই মাথোন কৈছিল - "এইসকলে অসমীয়া ভাষা-সাহিত্যৰ চিতা সাজিছে।" উত্তৰত ৰণচণ্ডী হৈ মাই কৈছিল - "আপোনাৰ চিতা - আপোনাৰ চিতা জ্বলাবৰ বাবেও মই শইকীয়াহঁতৰ তালৈ ধাৰ বিচাৰি যাব লাগিব।" মাৰ কথাষাৰ মই দলিয়াই দিব নোৱাৰিলোঁ। হয়, দেউতাৰ আৰ্থিক অৱস্থাই আজি আমাক এই অৱস্থাতে ৰাখি থৈছে। গতিকে মই পুনৰ আইতাৰ 'বাঘ আৰু সিংহৰ সাধু'ৰ 'শিয়াল বিচাৰক' হৈ পৰিলোঁ।

যিয়ে নহওঁক, মই বুজিছিলো যে মাৰ কিবা এটা পৰিবৰ্তন হ'বলৈ ধৰিছে। অতি তীব্ৰ গতিৰ এই পৰিবৰ্তন।

শইকীয়াহঁতে নিজৰ চাৰিমহলীয়া বিল্ডিংটো আমাৰ ঘৰৰ পশ্চিমফালে সাজিছিল। মই মাক প্ৰায়ে খিৰিকিৰে তেওঁলোকৰ বিল্ডিঙৰ ফালে চাই থকা দেখিছিলোঁ। মই বুজিছিলো যে মাই তেওঁলোকৰ চাৰিমহলীয়া বিল্ডিংটোৰ লগতে আমাৰ অসম আৰ্হিৰ কণমানি ঘৰটোৰ তুলনা কৰিছে। মোৰ বুজিবলৈ অকণো বাকী নাথাকিল যে শইকীয়াহঁতৰ টকা-পইচা, ঘৰ-দুৱাৰ আদিয়ে মাৰ মূৰটো উৰ্বৰ কৰিব ধৰিছে।

মই এই কথা ভালকৈ জানিছিলোঁ। দেউতাৰ মুখতো শুনিছিলো যে শইকীয়া এজন ঘোচখোৰ বিষয়া। অফিছৰ মানুহে হেনো কয় যে টকা ঘোচ লোৱাৰ ক্ষেত্ৰত শইকীয়া ডাঙৰীয়া অসমৰ মন্ত্ৰীৰো পিতৃস্বৰূপ। গতিকে এনে এজন ঘোচখোৰ সিদ্ধপুৰুষ শইকীয়াৰ ঘৰত কেতিয়াও টকাৰ অভাব নহৈছিল। স্বাভাবিকতে তেওঁলোকৰ ঘৰ-দুৱাৰ আদি আমাতকৈ ভাল। আনহাতে মোৰ দেউতা এজন সৎ বিষয়া। গতিকে দৰমহাৰ টকাৰ বাদে আন এটা টকাও আমাৰ ঘৰলৈ নাহে। মই জানো যে মাই দেউতাক এইখিনিতে বেয়া পায়। মাই প্ৰায়ে দেউতাক শইকীয়াৰ উদাহৰণ দি শইকীয়াৰ নিচিনাকৈ ঘোচ খোৱা এজন বিষয়া হ'বলৈ উদ্‌গনি দিয়ে। যদিও শইকীয়াহঁতৰ বিল্ডিংটো আমাৰ ঘৰৰ পশ্চিমফালে, মাই কিন্তু প্ৰায়ে দেউতাক আমাৰ ঘৰত ৰ'দ নপৰা বুলি আক্ষেপ কৰে। মই বুজিছিলোঁ যে শইকীয়াহঁতৰ চাৰিমহলীয়া বিল্ডিংটো চাওঁতে চাওঁতে মাই সূৰ্য কোনফালে ওলায়, তাকো পাহৰি গৈছে। এনে কথাবোৰ দেউতাক কোৱাৰ কাৰণ কি আছিল? মই বুজি পাইছিলোঁ আৰু সদায়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছিলোঁ - যাতে এনেবোৰ কথাই মোৰ দেউতাক বেয়া পথলৈ নিব নোৱাৰে। অৱশ্যেই সদায় সৎ পথত থকা মোৰ দেউতাক এনেবোৰ কথাই একো কৰিব নোৱাৰিলে। দেউতা আগৰ দৰে সৎ হৈ থাকিল। পিছে ইয়াৰ ফলত দেউতাই মাৰ পৰা বেছিকৈহে শুভেচ্ছা বাণী শুনিব লগাত পৰিল। প্ৰথম অৱস্থাত অৱশ্যে ময়ো মাক পৰোক্ষভাবে বুজাবলৈ চেষ্টা কৰিছিলোঁ। এই টকা-পইচা আদি সকলো মিছা। মানুহক লাগে মাথোঁ মনৰ শান্তি। পিছে মই মাক এইদৰে কোৱাত মাই বেছিকৈহে দেউতাক শুভেচ্ছা বাণী শুনাব ধৰিলে। গতিকে মই ক'বলৈ বন্ধ কৰিলোঁ আৰু 'শিয়াল বিচাৰক' হৈ সময়ৰ হাতত সকলো এৰি দিলোঁ। লগতে প্ৰখ্যাত লেখিকা নিৰুপমা বৰগোহাঞিয়ে তেখেতৰ বিভিন্ন লেখাত উদ্ধৃত কৰা শাৰী এটা আওৰাবলৈ আৰম্ভ কৰিলোঁ — "টাইম ইজ দি বেষ্ট হিলাৰ।"

আজি কলেজৰ পৰা আহোঁতে শইকীয়াহঁতৰ ঘৰৰ আগত বহুতো মানুহ দেখিলোঁ। অৱশ্যে মই বেছি মন নকৰিলোঁ। কাৰণ যিদৰে মন্ত্ৰীৰ ঘৰলৈ চাকৰি বিচাৰি যোৱা মানুহৰ সীমা নাই, তেনেদৰে ধনী মানুহৰ ঘৰলৈ অহা মানুহৰো অন্ত নাই। সেয়ে বেছি মন নকৰি ঘৰলৈ আহিলোঁ।

ঘৰত সোমায়েই অনুমান কৰিব পাৰিলোঁ যে কিবা এটা হৈছে। অন্য দিনৰ দৰে মাই আজি খিৰিকিৰে শইকীয়াহঁতৰ বিল্ডিংটোলৈ চাই থকা নাই। ঘৰখনো নিজম পৰি আছে। "মা মা" বুলি দুই-তিনিবাৰ মতাত

"চাহ পানী দি শইকীয়ানীয়ে পুনৰ একেখন ৰেকৰ্ডকে বজালে - "আপোনালোকে ল'ৰা দুটাক অসমীয়া মাধ্যমত পঢ়ুৱাই বৰ ডাঙৰ ভুল কৰিলে.....।" দেউতাই আৰু সহি থাকিব নোৱাৰিলে। "শইকীয়া, এদিন অসমীয়া ভাষা-সাহিত্যক চৌকীদাৰৰ প্ৰয়োজন হ'ব। মোৰ এই ল'ৰা দুটাই সেই চৌকীদাৰকে কৰিব।"



"বিষয়াজনে মোৰ দেউতাৰ সততাক সন্মান জনাই তালচি চলি থাকোতেই মাক ঘৰলৈ আহিবলৈ অনুমতি দিছিল। আহিবৰ পৰত বিষয়াজনে ভুলতে মোৰ মাক প্ৰশংসা কৰি পেলাইছিল। তেওঁ কৈছিল যে মোৰ মা নিশ্চয় এগৰাকী ভাল পত্নী, যাৰ বাবে মোৰ দেউতা এজন সৎ বিষয়া হৈ থাকিব পাৰিছে।"

ভিতৰৰ পৰা কান্দোনৰ এক সুৰ আহি কাণত পৰিল। মাহঁতৰ ৰুমলৈ গৈ দেখোঁ যে মাই বিছনাত বাগৰি কান্দি আছে। ভাইটি ওচৰতে বহি আছে। তাক চকুৰে কি হৈছে বুলি সোধাত সি একো নাজানো বুলি মূৰ জোকাৰি দেখুৱালে। শেষত মাকে কি হৈছে বুলি সুধিলোঁ। এইবাৰ মাৰ কান্দোন আৰু বাঢ়িহে গ'ল। শেষত যেনিবা কোনোমতে মাক শান্ত কৰিব পাৰিলোঁ। তেতিয়া মাক কি হৈছে বুলি সোধাত মায়ে ক'লে যে আজি দেউতা আৰু ভাইটি অফিচ-স্কুললৈ যোৱাৰ পিছত তেওঁ শইকীয়াহঁতৰ তালৈ গৈছিল। শইকীয়াহঁতে এখন নতুন মডেলৰ গাড়ী কিনিছে। কিবা সাত নে আঠ লাখ টকাৰ। আমাৰ এই অঞ্চলত তেনে গাড়ী কাৰো নাই। মাই সেইবাবে শ্ৰীমতী শইকীয়াক শুভেচ্ছা জনাবলৈ তেওঁলোকৰ ঘৰলৈ গৈছিল। পিছে শইকীয়াহঁতৰ তালৈ যাবলৈ মাৰ মাত্ৰ দহ মিনিটমান সময়হে হৈছিল, তেতিয়াই আয়কৰ আৰু চি.বি.আই বিভাগৰ এটা দল তালাচী চলাবলৈ তাত উপস্থিত হৈছিল। তেওঁলোকৰ হাতত তালাচীৰ বাবে চৰকাৰী কাগজ-পত্ৰ আছিল। ফলত তালাচী আৰম্ভ হোৱাত মা শইকীয়াহঁতৰ ঘৰতে বন্দী হৈ পৰিছিল। কাৰণ তালাচী চলি থাকোঁতে কাকো বাহিৰলৈ যাবলৈ অনুমতি দিয়া হোৱা নাছিল। মাক ওচৰৰে বুলি জানি আয়কৰ বিভাগৰ বিষয়া এজনে মাৰ পৰিচয় সুধিছিল। মাৰ পৰিচয় পাই, লগতে দেউতাৰ বিষয়ে জানিব পাৰি, বিষয়াজনে অতিকৈ আচৰিত হৈছিল। বিষয়াজনে মোৰ দেউতাক চিনি পাইছিল। মোৰ দেউতা যে এজন সৎ ব্যক্তি, লগতে সৎ বিষয়া - তেওঁ এই বিষয়ে জানিছিল। তেতিয়াই তেওঁ মাক কৈছিল যে মোৰ দেউতাৰ দৰে এজন সৎ ব্যক্তিৰ পত্নী হৈ মানো কিয় শইকীয়াহঁতৰ নিচিনা ঘোচ খোৱা বিষয়াৰ ঘৰলৈ গৈছে? ইতিমধ্যে সেই সময়লৈকে তালাচী চলাই তেওঁলোকে বহুতো ক'লা ধন আৰু সা-সম্পত্তি ধৰা পেলাইছিল। শেষত বিষয়াজনে মোৰ দেউতাৰ সততাক সন্মান জনাই তালাচী চলি থাকোতেই মাক ঘৰলৈ আহিবলৈ অনুমতি দিছিল। আহিবৰ পৰত বিষয়াজনে ভুলতে মোৰ মাক প্ৰশংসা কৰি পেলাইছিল। তেওঁ কৈছিল যে মোৰ মা নিশ্চয় এগৰাকী ভাল পত্নী, যাৰ বাবে মোৰ দেউতা এজন সৎ বিষয়া হৈ থাকিব পাৰিছে।

তেতিয়াৰে পৰা ঘৰলৈ আহি মাই কান্দি আছে।

মোৰ বুজিবলৈ অকণো বাকী নাথাকিল যে আজিৰ ঘটনাই মোক মাৰ আগৰ মা গৰাকী ওভোতাই দিছে। সেই গৰাকী মা, যিয়ে টকা-পইচাক লৈ বৰ বেছি মূৰ গৰম কৰা নাছিল। মাই আজি বুজিছে টকা-পইচাতকৈ মানুহৰ সততাহে ডাঙৰ ধন। ইমান দিনে মাই দেউতাক কৰি অহা ব্যৱহাৰৰ বাবে আজি মা নিজে দোষী হৈ পৰিছে। আনকি আজি ৰাতিপুৱা দেউতাই মাৰ পৰা শইকীয়াহঁতৰ নতুন মডেলৰ গাড়ীৰ বাবে অলপ বেছিকৈহে শুভেচ্ছা বাণী শুনিব লগা হৈছিল আৰু কেতিয়াবাহে খং উঠা দেউতা ভাত-পানী নোখোৱাকৈ অফিচলৈ গৈছিল। মাৰ ফালে এবাৰ চাই মুখ-হাত ধুবলৈ গ'লোঁ। অলপ পিছত মাই মতা শুনিলোঁ। মাই মোক খিৰিকিৰে কিবা এটা চাবলৈ মাতি আছে। খিৰিকিৰে চাই দেখিলোঁ - শইকীয়াক আয়কৰ বিভাগে নিজৰ বিভাগীয় জীপৰ পিছত উঠাই লৈ গৈছে আৰু পিছে পিছে এই মাত্ৰ জব্দ কৰা শইকীয়াৰ নতুন মডেলৰ গাড়ীখন এজন পুলিচ ড্ৰাইভাৰে হৰ্ণ বজাই বজাই চলাই নিছে; আৰু সেই হৰ্ণ শুনি শুনি চৰকাৰী জীপৰ পিছত পুলিচৰ পহৰাত চোৰ হিচাপে শইকীয়া গৈ আছে। বকুলগুৰী হাইস্কুলৰ এসময়ৰ কৃতী ছাত্ৰ প্ৰসন্ন শইকীয়া। মেট্ৰিকত ষ্ট্যাণ্ড কৰিছিল। হায়াৰ চেকেণ্ডাৰীত দ্বিতীয় হৈছিল। বি.এ.ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছিল। এম.এ.ত পাইছিল গোল্ড মেডেল। গোল্ড মেডেলৰ গোল্ডে তেতিয়াৰ পৰাই তেওঁক গিলি আনিছিল। সেই গিলা কাম আজি সম্পূৰ্ণ হ'ল। শংকৰদেৱৰ 'কালীয় দমন'ৰ কালীনাগ যেন লাগিল প্ৰসন্ন শইকীয়াক। আৰু শইকীয়ানী - গিৰিয়েকক প্ৰাণে নামাৰিবলৈ হাতযোৰ কৰি থকা নাগপত্নীৰে যেনিবা এজনী। এই অলপ আগলৈকে আয়কৰ আৰু চি.বি.আই বিভাগৰ বিষয়াসকলৰ ওচৰত হাতযোৰ কৰি আছিল বকুলগুৰি হাইস্কুলৰ কৃতী ছাত্ৰ প্ৰসন্ন শইকীয়াৰ পত্নী কৰবী শইকীয়াই।

হঠাৎ যেন মোৰ মনটো ফৰকাল হৈ পৰিল। যেন এচপৰা ক'লা ডাৱৰ আকাশৰ পৰা আঁতৰি গ'ল। মাৰ মুখলৈ চালোঁ। মাৰ চকুত এতিয়াও পানী। জানো, মাই আজি বৰ দুখ পাইছে। পিছে মাৰ এই দুখৰ মাজতো মই সুখ পাইছোঁ। সেই সুখ এই যে দেউতাই আৰু আজিৰ পৰা মাৰ শুভেচ্ছা বাণী শুনিব নালাগে।

* স্নাতক ১ম বৰ্ষ, অসমীয়া বিভাগ

# মৃত্যুৰ বাবে এখন চিঠি

কিশোৰ কুমাৰ কলিতা*

"হোমেন বৰগোহাঞিৰ 'অস্তৰাগ' উপন্যাসখন ছাগে পঢ়িছু। সেই উপন্যাসখনে মোক জীৱনৰ বৃদ্ধাৱস্থা অথবা মৃত্যুৰ কৰুণ পৰিণতিৰ কথাক ন-কৈ উপলব্ধি কৰাইছে। নিৰ্মম, নিষ্ঠুৰ, মৰ্মান্তিক - অথচ সেই উপলব্ধিটোৱেই শুদ্ধ। নিজৰ পিতৃয়ে কৰুণ মৃত্যুৰ স'তে কিদৰে যুঁজ দি আছিল, তাকেই চাই আছিল নিঃসহায় আত্মীয় স্বজনে।"



চ'ত মাহৰ দুপৰীয়া। ধূলি-বালি সোমাব বুলি নিৰুপমাই দুৱাৰ-খিৰিকি বন্ধ কৰি বিচনাত বাগৰ দিছে। ৰাতিপুৱাই গাঁৱৰ পৰা মাক আহিছে। দুঘন্টামান আগতে ৰুগীয়া পিতাকক লৈ মাক আৰু গিৰিয়েক নাৰ্চিংহোমলৈ গৈছে। অকলশৰীয়া যেন তাইৰ চ'ত মহীয়া উৰুঙা বুকুত বিৰাট শূন্যতা আনি দিছে। ওপৰমুখকৈ, নতুনকৈ ৰংসনা চিলিংখনলৈ তাই একেথৰে চাইছে। তাই চাই ভাবিছে অলেখ কথা, জীৱনৰ বিচিত্ৰ কথা।

এৰা! ৰুগীয়া পিতাকৰ কথা, ঘৰখনৰ কথা। পৰিয়ালটিৰ তাইয়ে ডাঙৰ ছোৱালী। এহাল ভাই-ভনী আৰু মাক-পিতাক। খেতিকেই সম্বল হিচাপে লৈ সিহঁতৰ পৰিয়ালটোৱে সুখেৰে দিন কটাইছিল; য'ত আছিল মৰম আৰু বিশ্বাসৰ সহবাস। পঢ়া-শুনা কৰি ডাঙৰ মানুহ হ'ব নোৱাৰিলেও সিহঁত জ্ঞানী হৈছে। ভাল-বেয়া বিচাৰ কৰিব পৰা হৈছে। তাৰ মাজতে সপোনৰ অংকুৰণে পাহি মেলি বিচাৰে মুক্ত আকাশ। সমস্যাই দেখা দিয়ে তেতিয়া, যেতিয়া পোৱাৰ পিছতো আকৌ পাব বিচাৰে। সিহঁতৰ জীৱনলৈকো ক্ষন্তেকৰ বাবে সমস্যা আহিছিল নিৰুপমাৰ বিয়াৰ সময়ত। ভালেখিনি খেতি মাটি বিক্ৰি কৰি চহৰত চাকৰি কৰা ভাল ল'ৰালৈ তাইক উলিয়াই দিছে। বৈবাহিক জীৱন লৈ তাই সুখী। ভায়েক-ভনীয়েক হালে চাকৰি-বাকৰি নাপালেও ইটো-সিটো কৰিয়েই দুপইচা উপাৰ্জন কৰে।

গতানুগতিক ভাবে দিনবোৰ চলি আছিল। হঠাতে যে কিদৰে আউল লাগিল! ভাবিলেই গা-মন শিঁয়ৰি উঠে। চেষ্টা কৰিলেও ফল নোপোৱা কথা - জানিলেও মনে নামানে। মানিবই বা কিদৰে! আজি অ'ত দিনৰ যি মধুৰ সান্নিধ্য,



তাকনো মুহূর্তৰ ভিতৰতে এনেদৰে পাহৰিব পাৰিনে? নোৱাৰি, নিশ্চয় নোৱাৰি। ভায়েক আহিছি ... — যোৱাকালি, নিষ্ঠুৰতাই নে দুখৰ বোকোচাই তাক থকা সৰকা কৰিছে নিৰুপমাই ধৰিবই নোৱাৰিলে। একো এটা আলোচনা নকৰাকৈয়ে গুচি গৈছে। অথচ আলোচনাৰ বাবেই তাক মাতি অনা হৈছিল। উপায়বিহীন হৈ পৰিছে নিৰুপমা। তাইতকৈ বয়সত সৰু হলেও ভায়েকে বহু কথাই বুজে। জীৱন সম্পৰ্কীয় ধ্যান-ধাৰণা তাৰ অলপ সুকীয়া ধৰণৰ। মাকৰ হাতত সি এখন চিঠি পঠাইছে। সেইখনকে উলিয়াই তাই আকৌ এবাৰ পঢ়িব ধৰিলে —

মৰমৰ বাইদেউ,

মৰম লবি। দুখৰ খবৰটোৱে ছাগে তোকো থকা সৰকা কৰিছে। যোৱাকালি একো এটা আলোচনা নকৰাকৈয়ে গুচি আহিলোঁ। খং কৰিছ কিজানি! সঁচা কথা ক'বলৈ হ'লে মই বৰ অসহায় অনুভৱ কৰিছোঁ।

বাইদেউ, নিষ্ঠুৰ হ'লেও চিৰন্তন সত্যক সহজ ভাৱে স্বীকাৰ কৰাৰ বাহিৰে আন উপায় জানো আছে? মই জানো, সহজ-সৰল হ'লেও তই সকলো কথাই বুজ। হোমেন বৰগোহাঞিৰ 'অস্তৰাগ' উপন্যাসখন ছাগে পঢ়িছ। সেই উপন্যাসখনে মোক জীৱনৰ বৃদ্ধাৱস্থা অথবা মৃত্যুৰ কৰুণ পৰিণতিৰ কথাক ন-কৈ উপলব্ধি কৰাইছে। নিৰ্মম, নিষ্ঠুৰ, মৰ্মান্তিক - অথচ সেই উপলব্ধিটোৱেই শুদ্ধ। নিজৰ পিতৃয়ে কৰুণ মৃত্যুৰ স'তে কিদৰে যুঁজ দি আছিল, তাকেই চাই আছিল নিঃসহায় আত্মীয় স্বজনে। ৰুগীয়া পিতাকক যিদৰে চাব পৰা নাছিল গ্যোটোৱে, ঠিক মোৰো তেনেকুৱাই অৱস্থা হৈছে। হাজাৰ চেষ্টা কৰিলেও পিতাইক বচাব পৰা নাযাব। তাৰ বাবে দুখ কৰি জানো কিবা হ'ব! বয়সৰ জোখাৰে পিতাই বুঢ়া হোৱা নাছিল। পঞ্চাশৰ দেওনা পাৰ হৈছেহে মাথোন। কিন্তু শাৰিৰীক শ্ৰম আৰু অসুস্থতাই তেওঁক বৃদ্ধ সঁজালে। আজি তেওঁক যি ৰোগে লগ দিছে সেয়া আৰু ভাল নহয়। চিকিৎসাৰ ত্ৰুটি নকৰিলেও হয়তো ছমাহ বেছিকৈ জীয়াই থাকিব। টকা-পইচা খৰচ কৰি চিকিৎসা কৰালে বাৰু; কিন্তু কিয় তেওঁক সেই ছমাহ বেছিকৈ জীয়াই ৰাখো? অশেষ যাতনা ভোগ কৰিয়েই আছে। আৰু ছমাহ বেছিকৈ ভুগী থাকিবলৈ দিমনে? যিজনা পিতৃৰ সান্নিধ্যতে আজি ইমানখিনি হ'লো, কিদৰে সেইজনা পিতৃক তিল-তিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিও বাৰু! বাইদেউ, মোৰ বাইশ বছৰীয়া জীৱনৰ প্ৰতিটো মুহূৰ্ত, প্ৰতিটো ক্ষণৰ স'তে তেওঁৰ সুবাস নিহিত হৈ আছে। পিতাইৰ এনে অসুখৰ কথা শুনাৰে পৰা বিৰাট শূন্যতাবোধত ভূগী আছোঁ। অথচ তাক সহজ ভাৱে স্বীকাৰ নকৰিলেও উপায় নাই।

বাইদেউ, সকলো সিদ্ধান্ত তোৰ আৰু ভিনদেউৰ ওচৰলৈ ঠেলি দিলো। যি উচিত বুলি ভাব তাকেই কৰিবি। জীৱনৰ সমস্ত ত্যাগ কৰি হলেও পিতাইক বচাব বিচাৰো। তাৰ পিছতো দেখোন উপায় নাই। সেয়েহে আমি দুখৰ বিপৰীতে সময়, পৰিস্থিতি আৰু পৰিৱেশৰ স'তে একাকাৰ হ'বলৈ প্ৰয়াস কৰাটোৱে শ্ৰেয়। কৰা কামটো যদি মহৎ হয়, আত্মবিশ্বাস আৰু সাহস থাকিলেও ভুলকৈ কৰিলেও ভগৱানে বাট দেখুৱাই দিয়ে। বাইদেউ, উপলব্ধ কথাখিনিহে ক'বলৈ চেষ্টা কৰিছোঁ। যদি ক'ৰবাত তোৰ সিদ্ধান্তৰ বিপৰীতে কৈছোঁ, ক্ষমা কৰি দিবি।

ইতি -

তোৰ মৰমৰ ভাইটি।

"আমি দুখৰ বিপৰীতে সময়, পৰিস্থিতি আৰু পৰিৱেশৰ স'তে একাকাৰ হ'বলৈ প্ৰয়াস কৰাটোৱে শ্ৰেয়। কৰা কামটো যদি মহৎ হয়, আত্মবিশ্বাস আৰু সাহস থাকিলেও ভুলকৈ কৰিলেও ভগৱানে বাট দেখুৱাই দিয়ে।"

দুগালে দুধাৰি চকুলো সৰিছে। নিৰুপমাৰ আজি ভাবিবলৈয়েই বা আছে কি? কৰিবলৈকো একো নাই! ওপৰৰ চিলিংখনলৈকে একেথৰে চাইছে। ৰঙৰ কিযে বিচিত্ৰ ক'লাজ! আটোমটোকাৰিকৈ ঘৰখন সঁজাবৰ বাবে কিমান যে ত্যাগৰ বিনিময়! অথচ এই সকলোবোৰেইটো মৰীচিকা। তাৰ পিছতো মানুহে বিচাৰে এটা ভাল ঘৰ, এখন সুখৰ সংসাৰ। প্ৰত্যেকজন মানুহেই জীয়াই থাকিব বিচাৰে অভাৱহীনভাৱে, দুখহীনভাৱে। অথচ নিয়তিৰ কি যে পৰিহাস। সেইবাবেই ছাগে জীৱনৰ ইমান মূল্য! পিতাকৰ কথা ভাৱিলেই নিৰুপমাৰ বুকু ভৰি পৰে। ধন-টকায়ো কেতিয়াবা একো কৰিব নোৱাৰা হয়। এখোজ-দুখোজকৈ নিশ্চিত মৃত্যুৰফালে ধাৱমান পিতাকৰ মুখা-মুখি হ'বলৈকো কেতিয়াবা তাইৰ সাহসৰ অভাৱ হয়। কি কৰিব একো সিদ্ধান্তই তাই আজি ল'ব পৰা নাই। ভায়েকে চিঠিৰে কোৱা কথাখিনিৰো সত্যতা আছে। অথচ তাক নিজৰ ক্ষেত্ৰত নিৰুপমাই মানি লব পৰা নাই। চিকিৎসা কৰিলে একো লাভ নাই সঁচা, চিকিৎসা নকৰিলেও অৱহেলা কৰা হয়। বৰং দুখৰ দিন বঢ়াবলৈকো তাই ইচ্ছা কৰা নাই। "নাই নাই, নিজ পিতৃক এনেদৰে চাই থাকিব নোৱাৰি।" - উচুপি উঠে নিৰুপমা।

ঃ ক্ৰিং......ক্ৰিং......

ফোনটো বাজি উঠাৰ শব্দ শুনিও তাই উঠি যাব পৰা নাই। কিজানিবা গিৰিয়েকেই.......! নাই, সহিব নোৱাৰিব।

ঃ ক্ৰিং......ক্ৰিং......

বুকুখন চিৰিংকৈ উঠিল। ফোনটো বাজিয়েই থাকিল। নাই, ফোনটো ধৰিব লাগিব। কাৰ বা ফোন? কিয় বা বিচাৰিছে! কথাবোৰ ভাবি ভাবি নিৰুপমাই এখোজ দুখোজকৈ আগবাঢ়িল।

*৩য় ষান্মাসিক, অসমীয়া বিভাগ

# পিতৃদেৱতা

জাহ্নু ভৰদ্বাজ*



চশমাযোৰ সোলোকাই বৰুৱানীয়ে চাদৰৰ আঁচলেৰে চকু দুটা মচি ল'লে আৰু পুনৰ পিন্ধো-নিপিন্ধোঁকৈ পিন্ধি ল'লে। তেওঁ নিজৰ স্বামীৰ কথাকে ভাবি গভীৰ চিন্তাত নিমগ্ন হৈ আছিল। আচলতে বৰুৱাৰ কাণ্ড-কাৰখানাত তেওঁ অবাক হ'লেও এইবোৰৰ কাৰণ তেওঁ বুজিব পাৰে। জীৱনৰ চল্লিশটা বসন্ত তেওঁ এই মানুহজনৰ সুখ-দুখ, হাঁহি-কান্দোন, উচ্ছ্বাস-আনন্দ, মৰমৰ সমভাগী। সেয়ে মানুহজনে নিসঙ্গতা আৰু নিৰ্জনতাত ভুগি এনেকুৱা কৰা বুলি তেওঁ ধৰিব পাৰে। হ'লেও তেওঁৰ কেতিয়াবা খং উঠে।

উচ্চ পদস্থ চৰকাৰী বিষয়া বৰুৱাই নিজৰ আদৰ্শৰ লগত কোনোদিনে আপোচ নকৰাকৈ এদিন চাকৰিৰ পৰা অৱসৰ লৈছিল। কিতাপ পঢ়ি ভালপোৱা মানুহজনে পুতেক দুটাকো নিজৰ গঢ়ত গঢ়িবলৈ চেষ্টা কৰিছিল। মুখেৰে মাত নুফুটোতেই প্ৰণৱে লিৰিকি-বিদাৰি উমলিছিল বিশ্ব সাহিত্যৰ এক অনুপম সংগ্ৰহৰ সৈতে। প্ৰণৱতকৈ দুবছৰ পিছত তেওঁলোকৰ জীৱনলৈ অহা অৰ্ণৱেও আখৰ পঢ়িব পৰা হোৱাৰ পৰা কিতাপৰ মাজতেই যেন ডাঙৰ হ'ল। মানুহজনে নিজৰ দৰেই পুতেকহঁতকো পুৱা-গধূলি প্ৰাৰ্থনা কৰিব শিকাইছিল, শিষ্টাচাৰ-ভদ্ৰতা-সংস্কৃতিৰ জ্ঞান দিছিল। পুতেকহঁতেও অন্য নহ'লেও বাপেকৰ মেধাৰ উত্তৰাধিকাৰী হৈছিল। বিদেশত মেডিকেল পঢ়ি দুয়োটাই ডাক্তৰ হৈছিল, বাপেকক এবাৰো নোসোধাকৈ নিজৰ পছন্দৰ ছোৱালী জীৱনসঙ্গী কৰি লৈছিল। হ'লেও উচ্চ শিক্ষিত আধুনিক বোৱাৰী দুগৰাকীক লৈ বৰুৱা-বৰুৱানীয়ে গৰ্বই কৰিছিল।

বিয়াৰ পিছৰ পৰাই বোৱাৰীহঁত বাদেই, পুতেক দুটাও ঘৰলৈ অহা নাই। আনকি নাতি কেইটাৰো টেলিফোনতহে মাত শুনিছে।

বৰুৱা-বৰুৱানী ঘৰত অকলশৰীয়া হৈ পৰিছিল। লাহে লাহে বৰুৱানীয়ে সামাজিক অনুষ্ঠান আদিৰ লগত জড়িত হ'বলৈ ধৰিলে। এইবোৰৰ মাজেৰে পুতেকহঁতৰ বিচ্ছেদ পাহৰি থাকিবলৈ যত্ন কৰিলে। আৰু বৰুৱা? বৰুৱা যেন ক্ৰমাৎ নীৰৱ আৰু অকলশৰীয়া হৈ পৰিছিল। কিতাপ আলোচনী পঢ়াৰ মাত্ৰা বাঢ়ি গৈছিল। দিনৰ দিনটো কিতাপৰ মাজতেই ডুব গৈ থাকিবলৈ ল'লে।

বৰুৱা-বৰুৱানীৰ মাজতো যেন হাজাৰ মাইলৰ দূৰত্ব আহি পৰিল। অতি প্ৰয়োজনৰ বাহিৰে বৰুৱাই বৰুৱানীক নমতা হ'ল, বৰুৱানীয়ে উপযাচি কথা পাতিবলৈ চেষ্টা কৰিলেও বৰুৱাৰ নিৰুদ্বেগ গতানুগতিক উত্তৰ বা মৌনতাই তেওঁকো নিৰাশ কৰিবলৈ ধৰিলে।

বৰুৱানীৰ এতিয়া ভাব হৈছে যে তেওঁ বৰুৱাৰ প্ৰকৃত সহধৰ্মিণী হ'ব নোৱাৰিলে, নিজৰ মানুহজনকো তেওঁ ভালদৰে ইমানদিনে চিনিব পৰা নাছিল। আচলতে আজিহে বৰুৱানীয়ে গম পালে যে বৰুৱাৰো খং-অভিমান আছে। ৰাতিপুৱা সৰুপুত্ৰ অৰ্ণৱে আমেৰিকাৰ পৰা ফোন কৰিছিল। প্ৰায় একে উশাহতে মাক-দেউতাকৰ খবৰ লৈ সি কৈছিল - "দেউতা তুমিতো চাগে মাক কৈয়ে থাকা অৰ্ণৱৰ বোৱাৰীয়ে আমাৰ ঘৰেই দেখা নাই। অসমৰ সন্ত্ৰাসবাদী সমস্যা সম্পৰ্কত ডকুমেণ্টৰি এখন নিৰ্মাণৰ কামত এওঁ অসমলৈ যাব। ময়ো চুটি লম। একেলগে চাৰিওটা যাম। গুৱাহাটীত কামবোৰ কৰি আমি বামুনপাৰাৰ গাওঁৰ ঘৰতো কেইদিনমান থাকি আহিম"। অৰ্ণৱৰ কথা শুনি তেওঁ থোকাথুকি ভাৱে কিন্তু দৃঢ়তাৰেই কৈছিল - "হেৰ' অৰ্ণৱ, তহঁ গাঁৱৰ ঘৰলৈ আহিব নালাগে দে। নাতি দুটা আৰু বোৱাৰীয়ে আমাৰ গাঁৱত কষ্ট পাব।" কথাখিনি কৈয়ে তেওঁ ফোনৰ লাইনটো কাটি দিছিল।

পুতেকহঁত আহো বোলোতেও বৰুৱাই নিজেই মানা কৰা বাবে বৰুৱানীয়ে পাছত বৰুৱাক কিছু শুনাইছিল। মৌনভাৱে তেওঁ নিজৰ কমলৈ সোমাই গৈছিল। বৰুৱানীয়ে বহুদেৰিলৈ বৰুৱাই শুনাকৈ গালি পাৰিয়েই থাকিল - "বুঢ়া বয়সত পুতেকক খং কৰে। পুতেকক মৰমো কৰিব নাজানে। আহো বোলোতেও খেদেহে।"

আবেলিৰ বেলিটিৰ ফালে চাই ৰাতিপুৱাৰ কথাবোৰ ভাবি থাকোঁতেই বৰুৱানীৰ চিন্তাত খেলিমেলি লগাই বৰুৱাই মাতিব ধৰিলে-

- হেৰা, উঠাচোন। শিশু আশ্ৰমৰ পৰা আহোঁগৈ বলা।

- কি? শিশু আশ্ৰমলৈ এই গধূলি? বৰুৱানী আচৰিত হ'ল আৰু নিজৰ আশ্চৰ্য লুকাব নোৱাৰিলে।

- অ। মই তাৰে শিশু এটিক আমাৰ পুত্ৰৰূপে তুলি ল'ম বুলি ভাবিছোঁ। বলা ওলোৱা।

বৰুৱাৰ কথাত কিছুপৰলৈ থৰ লাগি-ৰোৱা বৰুৱানী হঠাৎ সশব্দে উচুপি উঠিল। কিছুপৰৰ পিছত অস্তপ্ৰায় বেলিটিয়েও করুণ আভাৰে তেওঁলোকক যেন পথ-সংগ দিলে। বৰুৱা দম্পতী তেতিয়া ৰাজপথত। শিশু আশ্ৰম অভিমুখে....।

* উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ, কলা

"আমি পৰস্পৰৰ নাম দুটাও নাজানো নহয়। প্ৰথমতে ময়েই আৰম্ভ কৰোঁ। মোৰ নাম অনিৰ্বান বৰুৱা। সচিবালয়ৰ কেইবাটাও বিভাগত কাম কৰি ফাইনেন্স বিভাগৰ চুপাৰিন্টেণ্ডেন্ট হিচাপে ৰিটায়াৰ কৰিলোঁ। শান্তিপুৰ হিলচাইডত ঘৰ সাজি আছো আৰু কোনোমতে।" ময়ো পৰিচয় দিলো, "মোৰ চাকৰিৰ বিষয়েতো গম পাইছেই। মোৰ নাম নয়ন ঠাকুৰীয়া। দীঘলীপুখুৰী পাৰৰে 'প্ৰফেচৰ কলনী'ত থাকো সপৰিয়ালে।"



# ৰিটায়াৰ্ড বৰুৱা

নাৰায়ণ তালুকদাৰ*

মহাত্মা গান্ধী ৰোড পাৰ হৈ যেতিয়া বেঙ্কৰ প্ৰথম মহলাত প্ৰবেশ কৰিলোঁ, তেতিয়া কাউন্টাৰত যথেষ্ট ভিৰ। ছয় নম্বৰ কাউন্টাৰত ভিৰ কিছু কম দেখি তাতে লাইনত থিয়হৈ দিলোঁ। পোন্ধৰ নম্বৰ মানত হ'ম নেকি! এই পিৰিয়দ মোৰ অফ্। ১২-২০ ৰ পৰা ১ বজালৈ টিফিনৰ ছুটী। ১ বজাত ক্লাছ্ এটা আছে। ইয়াৰ ভিতৰতে টকা দুহেজাৰ উলিয়াই কলেজ পাব লাগিব। কাউন্টাৰত বহা কৰ্মচাৰীজনে শামুকীয়া গতিত কাম কৰি থকা যেন বোধ হৈছে। এনেতে মোৰ পিছতে থিয় হৈ থকা জনে মাত লগালে - "হেৰি ডাঙৰীয়া! শুনিছেনে! আমাৰ সমুখত থকা যেচিভাগেই কম বয়সীয়া যুবক আৰু মহিলা। তেওঁলোকৰ বাবে শাৰী পাতি থকা সাধাৰণ কথা, কিন্তু আপোনাৰ মোৰ লেখীয়া ৰিটায়াৰ কৰা ব্যক্তিসকলৰ বাবে এনেদৰে থিয় হৈ থকাটো বেচ কষ্টকৰ নহয়নে?"



কথাখিনি শুনি উচপ খাই উঠিলোঁ। ময়ো ৰিটায়াৰ কৰা ব্যক্তি! মোৰ দেখোন বয়স আঢ়ৈ কুৰি হৈছেহে। মোক বাৰু আজি বেচ বুঢ়া যেন লাগিছে নেকি বাৰু! যাহওঁক তৎক্ষণাত নিজকে চম্ভালিবলৈ চেষ্টা কৰিলো, "হু....হয় আপুনি ঠিকেই কৈছে।" আচল কথা ক'বলৈ সত নগ'ল। লাহে লাহে আমি আগুৱাবলৈ ধৰিলোঁ। যেতিয়া মোৰ পাল পৰিল, তেতিয়া বুঢ়াই আকৌ ক'লে, "ডাঙৰীয়া, আপুনি কাউন্টাৰৰ পৰা ওলাই চিধাই গুচি নাযাবগৈ। সৌ তাতে অলপ বহিবচোন।" বিশেষ একো চিন্তা নকৰি মই বুঢ়াই কোৱাৰ দৰে কৰিলোঁ। কিছু সময় পাছত বুঢ়া মোৰ সৈতে গাতে গা লগাই বহিল। 'বুইছেনে! ইমান ৰ'দত এইবিলাক কাম কৰি ভাল নালাগে, কিন্তু উপায় নাই। কোনে এইবিলাক কাম কৰি দিব?" ....মোক একো কবলৈ নিদি বুঢ়াই আকৌ আৰম্ভ কৰিলে, "আপুনি হয়তো ভাবিছে, মোৰ ল'ৰা-ছোৱালীহঁতে কিয় সহায় নকৰে! পিচে তেনে ধৰণৰ একো নহয়। ল'ৰাটো থাকে দিল্লীত, সপৰিয়ালে; ছোৱালীজনী গিৰিয়েকৰ লগত বাংগালোৰত থাকে। শ্ৰীমতীও দুবছৰ আগেয়ে সিপুৰী পালেগৈ।" বুজিলোঁ, বুঢ়াই পুতেক জীয়েকহঁতক দোষ দিব খোজা নাই। হঠাতে বুঢ়াই মোক সুধিলে, "বাৰু, এতিয়া আপোনাৰ কথা কওঁক। আপোনাৰ ল'ৰা-ছোৱালীহঁতে কি কৰে?" মই প্ৰমাদ গণিলোঁ। মই বাৰু কিদৰে বুঢ়াক বুজাওঁ যে মোৰ একমাত্ৰ পুত্ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ। এবাৰ ভাবিলোঁ, আচল কথাকে কৈ দিওঁ নেকি! শেষত ফাঁকি দিলোঁ, "মোৰ ল'ৰা-ছোৱালীহঁতো বাহিৰত থাকে। শ্ৰীমতীয়েও চাকৰি কৰে, ইয়াত নাথাকে। "ফাঁকি দি মনটো ভাল নালাগিল। বিশেষকৈ গুৱাহাটীতে চাকৰি কৰি থকা শ্ৰীমতীৰ বিষয়ে কৈ। গধূলি ভাগৰি জুগৰি ঘৰলৈ অহাৰ পাছত বা ৰাতিপুৱা অফিচলৈ যোৱাৰ আগতে কথা চহকী ভলভলীয়া মানুহ আহিলে শ্ৰীমতীয়ে ভাল নাপায়। সেয়েহে মিছা কথাৰ অৱতাৰণা! এনেতে কিবা কাৰণত বেঞ্চলৈ অহা দুজন ছাত্ৰৰ দৃষ্টিত মই ধৰা পৰি গ'লো। "গুড্ আফ্‌টাৰনুন চাৰ! চাৰ, একবজাৰ ক্লাচটো নহ'ব নেকি?" "আও, কেলেই নহ'ব। এতিয়া বাৰ বাজি চল্লিশ হৈছেহে। মই গৈ আছো, তোমালোক গৈ থাকা।" এইবাৰ বুঢ়াৰ বিচুৰ্ত্তি হোৱাৰ পাল। "ডাঙৰীয়া, মোক ক্ষমা কৰি দিব। আপুনি কলেজৰ প্ৰফেচাৰ। ৰিটায়াৰ কৰা ব্যক্তি বুলি ভাবি আপোনাক বহুতো কিবা কিবি ক'লোঁ। "নাই, নাই, মই বেয়া পোৱা নাই। বৰং উপভোগহে কৰিলোঁ আপোনাৰ সঙ্গ। অৱশ্যে উপায় নাপাই মোৰো আপোনাক দুই এটা মিছা কথা ক'বলগীয়া হ'ল। বাৰু এতিয়া আহোঁ, নমস্কাৰ।"

দুদিনমান পাছৰ কথা। আবেলি ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে খোজ কাঢ়িছোঁ। মহেন্দ্ৰ মোহন চৌধুৰী হস্পিটেলৰ ওচৰ পাইছোহি। ব্ৰহ্মপুত্ৰৰ পাৰতে এখন্তেক ৰৈ শৰাইঘাটৰ দলঙৰ ফালে অৱস্থান কৰা অস্তগামী সূৰুজৰ অপূৰ্ব দৃশ্য হেপাহ পলুৱাই উপভোগ কৰিছোঁ। এনেতে পিছফালৰ পৰা কোনোবাই মাত লগালে, "প্ৰফেচাৰ চাহাব! ইভিনিং ৱাক কৰিছে?" ঘূৰি চাই দেখো, বেঞ্চত লগ পোৱা ৰিটায়াৰ কৰা বুঢ়াজন। "হয়, এই অলপ খোজ কাঢ়িছিলো আৰু!" "ভাল কৰিছে। ময়ো মাজে সময়ে খোজ কাঢ়ো। অলপ বহিব নেকি?" "বহিব পাৰি, কিন্তু বহিবলৈ দেখোন ঠায়েই নাই। আজি নহলে বাদ দিয়ক। আকৌ লগ পালে অহাবাৰ বহিম। কিন্তু এটা কথা মনত ৰাখিব যে মই ৰিটায়াৰ কৰা বুঢ়া নহওঁ। আৰু দহবছৰ চাকৰি আছেই।" ৰগৰ কৰিবলৈকে কথা কেইআষাৰ কৈ পেলালো। ঢেক্‌ঢেক্‌কৈ হাঁহি তেওঁ কলে, "হব বাৰু, মনত ৰাখিম। আজি অসুবিধা যদি যাওঁকগৈ। মই হলে আপোনাক লগ পাম, কিয় জানো আপোনাক বেচ আপোন আপোন লাগিছে বয়সৰ পাৰ্থক্য থকা স্বত্বেও।" অলপ ৰৈ আকৌ আৰম্ভ কৰিলে "আমি পৰস্পৰৰ নাম দুটাও নাজানো নহয়। প্ৰথমতে ময়েই আৰম্ভ কৰোঁ। মোৰ নাম অনিৰ্বান বৰুৱা। সচিবালয়ৰ কেইবাটাও বিভাগত কাম কৰি ফাইনেন্স বিভাগৰ চুপাৰিন্টেণ্ডেন্ট হিচাপে ৰিটায়াৰ কৰিলোঁ। শান্তিপুৰ হিলচাইডত ঘৰ সাজি আছো আৰু কোনোমতে।" ময়ো পৰিচয় দিলো, "মোৰ চাকৰিৰ বিষয়েতো গম পাইছেই। মোৰ নাম নয়ন ঠাকুৰীয়া। দীঘলীপুখুৰী পাৰৰে 'প্ৰফেচৰ কলনী'ত থাকো সপৰিয়ালে।" ৰিটায়াৰ্ড বৰুৱাই হাঁহিলে, "আপোনাৰ নাম ঠিকনা জানি ভাল লাগিল। বাৰু ঠাকুৰীয়া চাহাব আজিলৈ এৰা এৰি হওঁ, নমস্কাৰ।" এইবাৰ ৰিটায়াৰ্ড বৰুৱাক ভালেই লাগিল। কিছু প্ৰভাৱিতও হলোঁ।

শান্তিপুৰৰ চিটিবাছৰ ষ্টপেজতে থিয় হৈ আছো চিটিবাছৰ অপেক্ষাত। লানি নিচিগা পৰুৱাৰ দৰে চিটিবাছ আহি আছে। মই হে উঠিব পৰা নাই ভিৰৰ প্ৰতাপত। সন্ধিয়া পাঁচমান বাজিছে। ইফালে সিফালে চাইছো, ৰাস্তাৰ সিপাৰে মনোহাৰী দোকানখনত সৌজন দেখোন ৰিটায়াৰ্ড বৰুৱা! লগ পাবৰ মন গ'ল। তাৰ মানে ৰিটায়াৰ্ড বৰুৱাৰ সংগ মোৰ লাহে লাহে ভাল লাগি আহিব ধৰিছে অজানিতেই। যোৱা দুবাৰ তেওঁ মোক আগধৰি মাতিছে। এইবাৰ ময়েই মাত লগাওঁচোন। সাৱধানে ৰাস্তাটো পাৰ হৈ বৰুৱাৰ ওচৰ পালোগৈ। "এয়া বৰুৱা চাহাব নহয়নে?" ৰিটায়াৰ্ড বৰুৱাই উভটি চাই মোক দেখি উচ্ছাসিত হৈ উঠিল। "প্ৰফেচাৰ চাহাব, আপুনি ইয়াত! কলৈ আহিছিল?" "মই শান্তিপুৰৰে অমৃত দাসৰ ঘৰলৈ আহিছিলো। তেওঁ মোৰ পত্নীৰ জেঠাকৰ ল'ৰা। তিনিদিন আগতে তেওঁৰ মাক ঢুকাল। আজি ফলমূল অলপ লৈ আহিছিলো।" "আপুনি অমৃত দাসৰ ঘৰৰ পৰা আহিছে! তেওঁক মই জানো। তেওঁৰ ঘৰলৈ

"ডাঙৰীয়া, আপুনি কাউন্টাৰৰ পৰা ওলাই চিধাই গুচি নাযাবগৈ। সৌ তাতে অলপ বহিবচোন।" বিশেষ একো চিন্তা নকৰি মই বুঢ়াই কোৱাৰ দৰে কৰিলোঁ। কিছু সময় পাছত বুঢ়া মোৰ সৈতে গাতে গা লগাই বহিল। "বুইছেনে! ইমান ৰ'দত এইবিলাক কাম কৰি ভাল নালাগে, কিন্তু উপায় নাই। কোনে এইবিলাক কাম কৰি দিব?"



"আচলতে মানুহজন বৰ মানৱ-দৰদী আৰু মৰমিয়াল। তেওঁৰ ল'ৰা ৰূপম দিল্লীত থাকে, কিন্তু খবৰ নলয়। তাক শহুৰেকে হেনো কেবালাখ টকা খৰচ কৰি ডাঙৰ চাকৰি দিয়ালে জীয়েকক বিয়া কৰোৱাৰ চৰ্তত। আমাৰ দেউতাই জীৱনত কোনো দিনে দুৰ্নীতি নকৰিলে। গতিকে ল'ৰাৰ সৈতে দেউতাই আপোচ কৰিব নোৱাৰিলে।"

আহোঁতেই আপুনি মোৰ ঘৰতো সোমাব পাৰিলেহেঁতেন। মোৰ কথা আপুনি পাহৰিছিলেই কিজানি!"
"হয় বৰুৱা চাহাব। অমৃত দাসৰ মাকৰ আদ্যশ্ৰাদ্ধলৈ আহোঁতে আপোনাৰ ঘৰত সোমাম বুলি কথা দিলো। আজিলৈ আহো।"

আদ্যশ্ৰাদ্ধৰ দিনা পত্নী আৰু পুত্ৰৰ সৈতে অমৃত দাসৰ ঘৰলৈ আহিলো। শ্ৰাদ্ধত চিনাকি-অচিনাকী কেবাজনো ব্যক্তিক লগ পালো, চিনাকি হলো, কথাও পাতিলো। বেচি বুঢ়া মানুহ মৰিলে আত্মীয় কুটুম্বই বিশেষ বেজাৰ নকৰে। মহিলা সকলেই এই ধৰণৰ আয়োজন সমূহ বাৰুকৈয়ে উপভোগ কৰে। কথাৰ মহলা মৰাৰ বিশেষ সুবিধা পায়তো, সেয়েহে। আবেলি পৰত যেতিয়া শ্ৰীমতীক কলো, "তোমালোক আৰু কিছু সময় ইয়াতে থাকা। মই এঘৰ মানুহৰ ঘৰত মাত লগাই আহোঁ। 'মেটিজ'খনো ইয়াতে থাকক।" - শ্ৰীমতীৰ হিয়া আনন্দে নধৰা হ'ল। ময়ো ৰিটায়াৰ্ড বৰুৱাৰ ঘৰ বিচাৰি ওলালো। আজি ৰিটায়াৰ্ড বৰুৱাৰ ঘৰলৈ যাম বুলি কথা দিছিলো। ৰিটায়াৰ্ড বৰুৱাৰ ঘৰ বিচাৰি উলিওৱাত বেচি কষ্ট নহ'ল। ঘৰটো অসম টাইপৰ, বেচ আহল বহল আৰু ধুনীয়া। কলিংবেলটো বজাই দিয়াৰ অলপ পাছতে এজনী জিন্‌চ পিন্ধা ষোড়শী গাভৰু ওলাই আহিল। "আংকল, কাক বিচাৰিছে?" "এইটো অনিৰ্বান বৰুৱাৰ ঘৰ হয়নে?" "হয়।" "তেখেত আছেনে?" "ককা নাই, মা-দেউতা অৱশ্যে আছে।" মই আচৰিত হলো। বৰুৱাই পুতেক জীয়েকহঁত অসমৰ বাহিৰত থকা বুলিহে কৈছিল। তাৰ মানে পুতেক বা জীয়েক কোনোবা সপৰিয়ালে আহিছে কিজানি! এনেতে ছোৱালীজনীৰ দেউতাকো ওলালহি। "নমস্কাৰ, আপুনি দেউতাক বিচাৰি আহিছে! আহক বহকহি।" মই তেওঁৰ পিছে পিছে গৈ চোফাত বহিলোগৈ। "মোৰ নাম নয়ন ঠাকুৰীয়া, কটন কলেজৰ প্ৰবক্তা। আপুনি বৰুৱাৰ ল'ৰা নেকি?" "চাৰ আপুনি বহি চাহ-তাহ খাই লওঁকচোন! লাহে লাহে কথা-বতৰা হ'ম।" তেওঁ আকৌ চিঞৰিলে "হেৰা শুনিছানে? অলপ ওলাই আহাচোন, বিশেষ আলহী আহিছে।" "অ গৈছো ৰব।" - ভিতৰৰ পৰা লাহে লাহে ওলাই আহিল ষোড়শী ছোৱালীজনীৰ মাক। বেছ আকৰ্ষণীয় মহিলা। "হেৰা, এয়া ঠাকুৰীয়া চাৰহে, ময়ো প্ৰতি নমস্কাৰ দিলো। "আপুনি অলপ বহকচোন দেই। মই চাহ আনিছো। শ্ৰুতি... চাৰক পানী এগিলাচ দেচোন।" মই কিবা কোৱাৰ আগতে মহিলা গৰাকী ভিতৰ সোমাই গ'ল। এইবাৰ ৰিটায়াৰ্ড-বৰুৱাৰ ল'ৰা (!) চোফাখন টানি আনি মোৰ ওচৰত বহিল। "চাৰ, মোৰ নাম গৌৰৱ হাজৰিকা, এটা ৰাষ্ট্ৰীয়কৃত বেংকত কাম কৰো। মোৰ নামটো শুনিয়েই নিশ্চয় ধৰিব পাৰিছে যে মই অনিৰ্বাণ বৰুৱাৰ ল'ৰা নহয়। কিন্তু বৰুৱাই আমাক পুতেক-বোৱাৰীয়েকৰ নিচিনা ব্যৱহাৰ কৰে আৰু আমি তেওঁক পিতৃবৎ শ্ৰদ্ধা কৰো। চাৰ, আপুনি যিহেতু কলেজৰ শিক্ষক, গতিকে আপুনি আমাৰ বিশেষ শ্ৰদ্ধাৰ পাত্ৰ। সেয়েহে চাৰ আপোনাৰ পৰা একো নুলুকাও।" এনেতে মিচেছ হাজৰিকানীয়ে চাহ-বিস্কুট পৰিবেশন কৰিলেহি।" চাৰ, চাহ খাওঁক।" ছোৱালীজনীও আহি ওচৰ চাপিল। ছোৱালীজনীক সুধিলো, "তোমাৰ নাম শ্ৰুতি নহয়নে মা জনী! ক'ত পঢ়া।" "মই হেণ্ডিকত পঢ়ো ডিগ্ৰী ফাৰ্ষ্ট ইয়েৰত। ইংলিচ্ছত মেজৰ।" কথাখিনি কৈ মিচিকিয়া হাঁহি মাৰি শ্ৰুতি ভিতৰ সোমাই গল।

মই চাহকাপ হাতত তুলি ললো। "চাৰ, আপোনাক আগে দেউতাই নিজৰ অমায়িক ব্যৱহাৰেৰে আপোন কৰি লৈছে। আচলতে মানুহজন বৰ মানৱ দৰদী আৰু মৰমিয়াল। তেওঁৰ ল'ৰা ৰূপম দিল্লীত থাকে, কিন্তু খবৰ নলয়। তাক শহুৰেকে হেনো কেবালাখ টকা খৰচ কৰি ডাঙৰ চাকৰি দিয়ালে জীয়েকক বিয়া কৰোৱাৰ চৰ্তত। আমাৰ দেউতাই জীৱনত কোনো দিনে দুৰ্নীতি নকৰিলে। গতিকে ল'ৰাৰ সৈতে দেউতাই আপোচ কৰিব নোৱাৰিলে। জীয়েক ৰূপালীৰ কথা কি কম। দহ বছৰমান আগতে যিটো অৰ্থনৈতিক কেলেংকাৰীয়ে ৰাজ্যখনত তোলপাৰ লগাইছিল তাৰে মুখ্য হোতা আছিল ৰূপালীৰ গিৰিয়েক। গতিকেই জীয়েকৰ সৈতে সম্পৰ্ক ৰখাৰ প্ৰশ্নই নুঠে। জীয়েকেও এইমুৱা হবলৈ সাহস কৰা নাই। মই চাৰ আচলতে বৰুৱাৰ ভাড়াতীয়াহে। দেউতাৰ মহানতাৰ পৰিচয় পাই তেওঁক অশেষ শ্ৰদ্ধা আৰু ভক্তি প্ৰদৰ্শন কৰিবলৈ ললো। তেওঁৰ আপোন পুত্ৰ বোৱাৰী হবলৈ আমাৰ বেচি দিন নালাগিল। শ্ৰুতিও নাতিনী হৈ পৰিল। তাইৰ পঢ়া-শুনা আদি সকলো দেউতাই চায়। কেৱল শ্ৰুতিয়েই নহয়, অনাথ আশ্ৰম এখনৰ ল'ৰা-ছোৱালী এহালৰ সম্পূৰ্ণ খৰচ দেউতাই বহন কৰে। তেওঁ যেন বৰগছ আৰু আমি যেন শাখা-প্ৰশাখাহে। এটা কথা কবলৈ পাহৰিছিলোৱেই। ল'ৰাজনে কটন কলেজত বি.এ. পঢ়ে।" "হয় নেকি? নাম কি ল'ৰাজনৰ!" "প্ৰণব শইকীয়া।" মই উত্তেজনাত ফাটি পৰিলো। "প্ৰণব শইকীয়া? মেজৰ হিন্দীত নেকি?" "হয় চাৰ, আপুনি তাক চিনি পায় নেকি?" "চিনি পাওঁ মানে! সি আমাৰ ডাইৰেক্ট ষ্টুডেন্ট। পঢ়াত বেচ চোকা আৰু মনোযোগী।" হাজৰিকাই আৰু কিবা কিবি কৈছিল, সেইবিলাক মোৰ কাণত বিশেষ নোসোমাল। লাহে লাহে গধুলি হৈ আহিছিল। বিদায় লৈ মই ৰাস্তা পালোহি। আজি মই যেন মাণিক বিচাৰি পালো। ৰিটায়াৰ্ড বৰুৱাৰ প্ৰতি শ্ৰদ্ধাত মোৰ মূৰ অৱনমিত হ'ল। তেওঁৰ সৈতে মোৰ সম্পৰ্ক স্থায়ীকৈ গঢ়াৰ সংকল্প ল'লো।

---

** জ্যেষ্ঠ প্ৰবক্তা, হিন্দী বিভাগ*

**গল্পকাৰৰ বিষয়ে দুআষাৰ ঃ** প্ৰেমচন্দ (১৮৮০-১৯৩৬) ভাৰতীয় সাহিত্যৰ এগৰাকী প্ৰথিতযশা কলাকাৰ। প্ৰেমচন্দই সাহিত্যক 'জীৱনৰ ব্যাখ্যা তথা আলোচনা' বুলি বিবেচনা কৰিছিল। তেওঁৰ উপন্যাসবাজিৰ ভিতৰত 'देवस्थान रहस्य' (1905), 'प्रमा' (1906), 'रूठी रानी' (1907), 'सेवा सदन' (1919), 'वरदान' (1921), 'निर्मला' (1926), 'गोदान' (1936) ইত্যাদি উল্লেখযোগ্য। প্ৰেমচন্দ প্ৰায় তিনিশমান গল্পৰ জন্মদাতা। এইবোৰ 'मानसरोवर' (1960-62), 'नवनिधि', 'प्रेम चतुर्थी' (1944), 'समर-यात्रा' 'सप्तसरोज' আদিত সংকলিত হৈছে। 'कर्बला', 'प्रेम की वेदी', 'संग्राम' 'रूहानी शामदी' আদিৰ দৰে প্ৰসিদ্ধ নাটক আৰু 'कुछ विचार', 'साहित्य का उद्देश्य'ৰ দৰে নিবন্ধ সংকলন প্ৰণেতা প্ৰেমচন্দ যথাৰ্থতে এগৰাকী সচেতন সাহিত্যিক।

প্ৰেমচন্দৰ জীৱনৰ ৰূঢ় বাস্তৱ অভিজ্ঞতাও হয়তো কম বেছি পৰিমাণে তেওঁৰ সাহিত্য সৃষ্টিৰ প্ৰেৰণা। তেওঁ মধ্যযুগীয়া ভাৰতবৰ্ষৰ মহান মানৱতাবাদী লেখক তুলসীদাস আৰু কবিৰৰ সমপৰ্যায়ৰ। আধুনিক ভাৰতীয় সাহিত্যৰ ত্ৰিমূৰ্ত্তি বুলিলে ৰবীন্দ্ৰনাথ ঠাকুৰ, শৰৎ চন্দ্ৰ আৰু প্ৰেমচন্দকে বুজা যায়। প্ৰেমচন্দ সময়তকৈ এখোজ আগবঢ়া আছিল। আচলতে তেওঁ যুগদ্ৰষ্টা আছিল আৰু সেয়ে জীৱনক অন্য ধৰণে বিশ্লেষণ কৰি চাইছিল।



# কফন

মূল ঃ প্ৰেমচন্দ (হিন্দী)
অনুবাদ ঃ অনুশ্ৰী অধিকাৰী*

জুপুৰী ঘৰটোৰ দুৱাৰ মুখত পিতা আৰু পুত্ৰ দুয়ো নুমাই যোৱা জুই একুৰাৰ ওচৰত নীৰৱে বহি আছিল আৰু ভিতৰত পুত্ৰৰ গাভৰু পত্নী বুধিয়াই প্ৰসৱ-বেদনতাত চট্‌ফটাই আছিল। কিছু সময়ৰ মূৰে মূৰে তাইৰ মুখৰ এনে একোটা মৰ্মান্তিক চিঞৰ ওলাই আহিছিল যে তাকে শুনি দুয়োৰে হৃদস্পন্দন বন্ধ হ'ব খুজিছিল। জাৰৰ ঠেৰেঙা ৰাতি, নিস্তব্ধ প্ৰকৃতি। এনে এটা জয়াল পৰিবেশত সমস্ত গাওঁখনেই তন্দ্ৰাত ডুব গৈছিল।

যীশুৱে ক'লে - "তাই নাবাচিব বিজানি। বেচেৰীৰ গোটেই জীৱনটো লৰা-ঢপৰা কৰোঁতেই গ'ল। যাচোন, চাই আহগৈ এবাৰ।"

মাধৱে ৰুক্ষ স্বৰেৰে ক'লে - "মৰেই যদি সোনকালে মৰি নাযায় কিয়! চাই কি কৰিম?

"তই বৰ নিৰ্দয় অ'। আজি এবছৰে যাৰ স'তে সুখভোগ কৰিলি, তাইৰ লগতেই ইমান বিশ্বাসঘাতকতা!"

"হাত-ভৰি আচাৰি ধৰ্‌ফৰাই থকা তাইৰ নিঃকৰুণ অৱস্থা মই চাব নোৱাৰোঁ।"

গোটেই গাওঁখনতেই বদনাম থকা সিহঁত এটা চমাৰ পৰিয়ালৰ লোক আছিল। যীশুৱে এদিন যদি কাম কৰে তেন্তে আৰাম কৰে তিনিদিন। মাধৱ ইমানেই কামচোৰ আছিল যে আধাঘন্টা কাম কৰিলে এঘন্টা চিলিম টানি পাৰ কৰে। এনে নিষ্কৰ্মা স্বভাৱৰ বাবেই সিহঁতে ক'তো কাম নাপাইছিল। ঘৰত চাউল এমুঠি থাকিলেই সিহঁতৰ কাম কৰাৰ কোনো ইচ্ছা নাথাকে। যেতিয়া দুই-চাৰিদিনমান লঘোণে কটাবলগীয়া হয়, তেতিয়া উপায় নাপাই যীশুৱে অ'ৰ ত'ৰ পৰা খৰি গোটাই আনে আৰু মাধৱে বজাৰত সেইবোৰ বিক্ৰি কৰে। এই পইচাকেইটা মজুত থকালৈকে দুয়ো যেনি তেনি ঘূৰি ফুৰি অবাবতে সময়বোৰ নষ্ট কৰে। যেতিয়া আকৌ লঘোণ দিবলগীয়া হয় তেতিয়া পুনৰ খৰি গোটাই আনে নাইবা কাম বিচাৰি ফুৰে। গাওঁখনত



কামৰ মুঠেই অভাৱ নাছিল। কৃষকৰ গাওঁ যেতিয়া পৰিশ্ৰমী মানুহৰ বাবে উপাৰ্জনৰ এশ এটা পথেই খোলা আছিল। কিন্তু যেতিয়া দুজন মানুহৰ পৰা কেৱল মাত্ৰ এজনৰহে কাম আদায় কৰি সন্তুষ্টি লভাৰ বাদে অন্য কোনো উপায় নাথাকে, তেতিয়াহে মানুহে ইহঁত দুজনক কাম কৰিবলৈ মাতে। দুয়ো সন্যাসী হোৱা হ'লে সিহঁতৰ সন্তোষ আৰু ধৈৰ্যৰ বাবে সংযম আৰু নিয়মৰ আৱশ্যক একেবাৰে নহ'লহেঁতেন। এইটো সিহঁতৰ স্বভাৱেই। বৈচিত্ৰ্যময় জীৱন দুয়োৰে। ঘৰত দুই-চাৰিটামান মাটিৰ বাচনৰ বাহিৰে সম্পত্তি বুলিবলৈ একোৱেই নাছিল। ফটা-চিটা কাপোৰেৰেই লজ্জা নিবাৰণ কৰি এই অকৰ্মণ্য দুটাই জীৱন কটাইছিল। সংসাৰৰ সকলো চিন্তা-ভাৱনাৰ পৰা মুক্ত সিহঁত। ধাৰত আকণ্ঠ পোত খাই থকা সিহঁত দুজনে লোকৰ গালিও খায়, মাৰো খায়, কিন্তু মনত অকণো খেদ নাই। অৱশ্যে ধাৰ পৰিশোধ কৰাৰ কোনো আশা নেদেখিলেও গাওঁৰ মানুহবোৰে দয়া পৰবশ হৈ ইহঁতহালক সামান্য পৰিমাণে হ'লেও ধাৰ দি সহায় কৰিছিল। প্ৰায়েই সিহঁতে অন্য লোকৰ খেতিপথাৰৰ পৰা উভালি অনা মটৰ বা আলু জুইত পুৰি খায় অথবা কুঁহিয়াৰৰ ৰস চুহে। এই অনিশ্চিত জীৱিকাৰেই যীশুৱে জীৱনৰ বাটিটো বসন্ত অতিবাহিত কৰিলে আৰু মাধৱেও সুযোগ্য পুত্ৰৰ দৰেই বাপেকৰ পদাঙ্ককেই অনুসৰণ কৰি আহিছে। এই সময়তো দুয়ো অইনৰ খেতিপথাৰৰ পৰা মনে মনে উভালি অনা আলু জুইত পৰি আছিল। যীশুৰ পত্নীৰ দেহাৱসান ঘটা বহুদিনেই হ'ল। মাধৱৰ বিয়া হোৱা বছৰ হৈছিল। তাৰ মানুহজনী অহাৰ পাছৰ পৰাহে যেন সিহঁতৰ বংশৰ ভেঁটিটো মজবুত হৈ পৰিবলৈ ধৰিলে। চাউল গুৰি কৰি বা ঘাঁহ কাটি কোনোৰকম তাই ভাতমুঠি যোগাৰ কৰিছিল আছিল এই অপদাৰ্থ দুটাই দুবেলা-দুসাজ গো-গ্ৰাসে গিলিছিল। তাই অহাৰ দিন ধৰি ইহঁত দুজন আৰু বেছি নিশকটীয়া, আৰামপ্ৰিয়, আনকি কিছু পৰিমাণে অহংকাৰীও হৈ উঠিছিল। কোনোবাই কাম কৰিবলৈ মাতিলে সিহঁতে দুগুণে পাৰিশ্ৰমিক বিচৰা হ'ল। সেই সাদৰী মানুহ গৰাকীয়েই আজি প্ৰসৱ-বেদনাৰ আতিশয্যত মৰিবলৈ ওলাইছে; অথচ এই অশলাগী বাপেক-পুতেকহালে নিৰুদ্বিগ্ন চিত্তে আলুবোৰা খোৱাত ব্যস্ত হৈ পৰিছে। সিহঁতে কিজানি তাইৰ মৃত্যুৰ অপেক্ষাত আছিল। কাৰণ তেতিয়া শান্তিৰে অন্ততঃ এঘুমটি মাৰিব পাৰিব।

যীশুৱে আঙঠাৰ মাজৰ পৰা আলু উলিয়াই বাকলি গুচাই গুচাই ক'বলৈ ধৰিলে - "তাইৰ অৱস্থা কেনেকুৱা এবাৰ চাই আহচোন। ভূতৰ পোৱালিও হ'ব পাৰে। তাতে আকৌ বেজেও খোজে এটকা।"

বুধিয়াৰ কোঠালৈ গ'লেই যীশুৱে আলুৰ ডাঙৰ ভাগটো খাই পেলাব বুলি মাধৱে পেটে পেটে ভীষণ ভয় খাইছিল। টেঙৰ মাধৱেও লগে লগেই মাত লগালে - "তালৈ যাবলৈ মোৰ ভয় লাগে।"

"ভয় আকৌ কিহৰ? মইচোন ইয়াতেই আছোঁ।

"তেন্তে তুমিয়েই চাই আহাঁগৈ।

"মোৰ মানুহজনী মৃত্যুশয্যাত থাকোঁতেই তিনি দিন ধৰি মই তাইৰ ওচৰৰ পৰা লৰচৰেই হোৱা নাছিলোঁ! তাতে মোক দেখিলে বোৱাৰীয়ে লজ্জাবোধ নকৰিব নেকি? যাৰ কোনো দিনেই মুখেই নেদেখিলোঁ আজি তেওঁৰ নগ্ন দেহাটো চাওঁ কোন সতে! এই সংকটকালত বেচেৰীৰ নিজৰ দেহাটোৰ কথা ভাবিবলৈনো ধৈৰ্য্য ক'ত? মোক দেখিলে তাই হাত-ভৰি কেইটাও ভালকৈ আচাৰিব নোৱাৰিব।

"মই ভাবিছো ল'ৰা-ছোৱালী কিবা এটা হ'লে কি হ'ব? ঘৰতচোন আটা, গুড়, তেল একোৱেই নাই!"

"সকলোবোৰ আহি যাব বোপাই। ভগৱানে চকু মেলি চালেই যিসকল লোকে আজি এটকাও দিয়া নাই, সেইসকলেই কালি মাতি নি টকা দিব। মোৰ নটা ল'ৰা হৈছিল, ঘৰত এটা ফুটা কড়িও নাছিল; কিন্তু ভগৱানৰ দয়াতেই কোনোমতে সেই সময়খিনি পাৰ কৰিলোঁ।

যিখন সমাজত দিন-ৰাতি একাকাৰ কৰি পৰিশ্ৰম কৰাসকলৰ অৱস্থা যীশু আৰু মাধৱৰ অৱস্থাতকৈ কোনোগুণে উন্নত নাছিল আৰু যিখন সমাজত কৃষকৰ দুৰ্বলতাৰ সুযোগ লোৱা প্ৰতিপত্তিশীল লোকসকল বিৰাজমান; তাত এইধৰণৰ পংগু মনোবৃত্তিৰ লোকৰ জন্ম হোৱাটো একো অস্বাভাৱিক নহয়। ক'বলৈ গ'লে যীশুহঁত কৃষকসকলতকৈ বেছি চালাক আছিল। কাৰণ সিহঁতে কৃষকসকলৰ বিচাৰশূন্য দলত যোগ দিয়াৰ পৰিবৰ্তে আড্ডাবাজৰ কুৎচিৎ দলৰ অন্তৰ্ভুক্ত হৈছিল। অৱশ্যে এয়া সত্য যে আড্ডাবাজ সকলৰ নিয়ম-নীতি পালন কৰাৰ ক্ষমতা সিহঁতৰ একেবাৰেই নাছিল। এইবাবে য'ত ইহঁতৰ দলৰ সদস্যসকলে গাওঁবুঢ়া আৰু মুখিয়াল হৈ আছিল, গোটেই গাঁৱখনেই তেওঁলৈ আঙুলি টোৱাইছিল। তথাপিও সিহঁতে এই ভাবি সন্তুষ্টি লভিছিল যে অৱস্থাসম্পন্ন নহ'লেও সিহঁতে অন্ততঃ কৃষকসকলৰ দৰে হাড়ভগা শ্ৰম কৰিব নালাগে। তদুপৰি নিষ্পাপ, হোজা খেতিয়কসকলৰ দৰে সিহঁতৰ দুৰ্বলতাৰ সুযোগ বিত্তৱানসকলে ল'ব নোৱাৰে।

দুয়ো জ্বলন্ত আঙঠাৰ মাজৰ পৰা খুচৰি-খুচৰি আলুবোৰ উলিয়াই তপতে তপতে ভক্ষণ কৰাত লাগিল। আগদিনাৰ পৰা একো খোৱা নাছিল বাবে ঠাণ্ডা হ'বলৈ দিয়াৰ ধৈৰ্যও সিহঁতৰ নাছিল। কেইবাবাৰো দুয়োৰে জিভা সম্পূৰ্ণ কৰি জ্বলি গ'ল। বাকলি একওৱাৰ পাছত আলুৰ বাহিৰ অংশ বেছ গৰম অংশ বেছ গৰম বুলি অনুমান নহয়; কিন্তু দাঁতৰ তলত লাগি ধৰি জিভা, আলু সকলো পুৰি দিয়ে। সিহঁতে বুজিছিল যে জ্বলন্ত আলু মুখৰ ভিতৰত বেছিপৰ ৰখাতকৈ ততাতয়াকৈ গিলি খোৱাই ভাল। তাত সেইবোৰ ঠাণ্ডা কৰিবৰ বাবে অনেক সামগ্ৰী আছে! সেয়ে দুয়ো লৰালৰিকৈ আলুবোৰ গিলিব ধৰিলে। অৱশ্যে এই প্ৰচেষ্টাত সিহঁতৰ চকুপানীও নোলোৱাকৈ নাথাকিল।

তেনে সময়তে বিশ বছৰ আগেয়ে খোৱা ঠাকুৰৰ বিয়াখনৰ কথা যীশুৰ মনলৈ আহিল। সেই উপলক্ষত সি যি পৰম তৃপ্তি লাভ কৰিছিল, সেয়া তাৰ জীৱনৰ এটা স্মৰণীয় ঘটনা। তাৰ মনত জলজল্ পট্‌পটকৈ ভাহি থকা

"যিখন সমাজত দিন-ৰাতি একাকাৰ কৰি পৰিশ্ৰম কৰাসকলৰ অৱস্থা যীশু আৰু মাধৱৰ অৱস্থাতকৈ কোনোগুণে উন্নত নাছিল আৰু যিখন সমাজত কৃষকৰ দুৰ্বলতাৰ সুযোগ লোৱা প্ৰতিপত্তিশীল লোকসকল বিৰাজমান; তাত এইধৰণৰ পংগু মনোবৃত্তিৰ লোকৰ জন্ম হোৱাটো একো অস্বাভাৱিক নহয়।"

সেই বিশেষ দিনটোৰ কথা ৰোমন্থন কৰি সি ক'বলৈ ধৰিলে - "সেই ভোজৰ কথা কাহানিও নাপাহৰোঁ। তেতিয়াৰে পৰা দুনাই আৰু তেনে ধৰণৰ সুস্বাদু আহাৰ হেপাহ পলুৱাই খোৱাৰ সৌভাগ্য হোৱা নাই। কইনাঘৰীয়াই দৰাপক্ষৰ সকলোকে পেট ভৰাই পুৰি খুৱাইছিল। সৰু-ডাঙৰ সকলোৱে খাটি ঘিউত ভজা সেই পুৰি খাইছিল। তাৰ লগত চাটনি, ৰাইতা, তিনিবিধ শুকান শাক, এখন ৰসাল তৰকাৰী, দৈ, মিঠাই আদিও আছিল। আস! কেনেকৈ বুজাওঁ, সেই মহাভোজৰ মহানন্দৰ কথা। টকালি টকালি খাইছিলোঁ। খোৱা-লোৱাত লেখমানো বাধা-নিষেধ নাছিল। বিলনীয়াই যি লাগে তাকে দিছল আৰু মানুহবোৰে উগাৰি উগাৰি ডিঙিলৈগে খাইছিল। ফলত পানী খাবলৈকে কাৰো পেটত এচিকুট ঠাই নাছিল। ঠিক তেনেকুৱা সময়তে বিলনীয়াই প্ৰত্যেকৰে থালত গৰম গৰম কচুৰী একো একোটা দি গৈছিল। বাৰে বাৰে মানা কৰা স্বত্বেও সিহঁতে খোৱাবস্তু দিয়েই আছিল। আনকি মুখ ধোৱাৰ পাছত পাণ-ইলাচীও দিছিল, কিন্তু মোৰ পাণ লোৱাৰ অৱস্থা একেবাৰেই নাছিল। ভলদৰে থিয়হৈ হ'ব পৰা নাছিলোঁ। কোনোমতে গৈ নিজৰ কম্বলৰ ওপৰত শুই পৰিলোঁ। এনেকুৱা দয়াৰ সাগৰ আছিল ঠাকুৰ!"

মাধৱে মনতেই এই সুস্বাদু খাদ্যৰ সোৱাদ লৈ জিভা চেলেকি আক্ষেপেৰে ক'লে - "পিতাই, এতিয়াচোন কোনোৱে আমাক এনেকুৱা ভোজ নুখুৱায়।"

"এতিয়া কোনেনো খুৱাব অ' বোপাই। সেই যুগৰ কথাই বেলেগ আছিল। আজিকালি সকলোৱে কেৱল নিজৰ স্বাৰ্থ সিদ্ধিৰ কথাই ভাবে। বিয়া-সবাহত খৰচ নকৰে, দহা-শ্ৰাদ্ধতো নকৰে! সুধি চাচোন! দুখীয়াৰ তেজ লগা ধনবোৰ শুহি শুহি ক'ত থৈছে? সেই কামটোতো কমকৈ নকৰে। খৰচ কিন্তু কমাই কৰে!"

"তুমি বিশখন মান পুৰী খাইছিলা ছাগৈ, নহয়নে পিতাই?"

"বিশখনতকৈ বেছি খাইছিলোঁ!"

"মই হোৱা হ'লে পঞ্চাশখনমানেই খাই দিলোহেঁতেন!"

"পঞ্চাশখনতকৈ কম মৰো খোৱা নাছিলোঁ কিজানি। বেছ শকত-আৱতো আছিলো নহয়। তই দেখো মোৰ আধাও নহয়।"

আলু খাই উঠি দুয়ো পানী খালে আৰু সেই নুমাই যোৱা জুইকুৰাৰ ওচৰতে নিজৰ নিজৰ চুৰীয়া গাত লৈ শুই পৰিল। দুয়োকে দেখিবলৈ এনে লাগিল যেন দুটা প্ৰকাণ্ড প্ৰকাণ্ড অজগৰ সাপহে কুণ্ডলী পকাই পৰি আছে।

ইফালে, বুধিয়াই যন্ত্ৰণাত তেতিয়াও চিৎকাৰ কৰিয়েই আছিল।

পিছদিনা বোৱাৰী পুৱাতে উঠি বুধিয়াৰ কোঠালৈ যোৱাত পত্নীৰ নিথৰ দেহটো দেখি মাধৱ চমকি উঠিল। তাইৰ মুখৰ ওপৰত মাখিবোৰে ভুনভুনাই আছিল। চকু দুটা ত ত কৈ মেল খাই আছিল আৰু বেচেৰীৰ সমগ্ৰ শৰীৰটো ধূলিত লেটি পেটি হৈ পৰিছিল। ইতিমধ্যে তাইৰ গৰ্ভত থকা সন্তানটিৰো মৃত্যু হৈছিল।

লগে লগেই মাধৱে ঘীশুৰ ওচৰলৈ দৌৰ দিলে। তাৰ পাছত দুয়ো লোকক শুনাই হিয়া ঢাকুৰি কান্দিবলৈ ধৰিলে। এই কন্দা-কটা শুনি ওচৰ চুবুৰীয়াসকল দৌৰি আহিল আৰু পুৰণি মৰ্যাদা অনুসাৰে তেওঁলোকে এই হতভগীয়া দুজনক সান্ত্বনা দিবলৈ ধৰিলে।

কিন্তু বেছি কন্দা-কটা কৰা অৱকাশ সিহঁতৰ নাছিল। কাৰণ সিহঁত জ্ঞাত যে কফন আৰু খৰি যোগাৰ কৰিব নোৱাৰিলে তাইৰ শৱ-সৎকাৰ অসম্ভৱ। চিলনিৰ বাঁহত মাংসৰ টুকুৰা বিচাৰি পোৱাটো যিদৰে অলীক কল্পনা মাত্ৰ, সেইদৰে সিহঁতৰ ভগা পঁজাটোতো টকা-সিকা বুলিবলৈ কিবা এটা বিচাৰি পোৱাটো আশ্চৰ্য্যকৰ কথা।

উপায়ন্তৰ হৈ বাপেক-পুতেক দুয়ো গাঁৱৰ জমিদাৰৰ ওচৰলৈ গ'ল। তেওঁ সিহঁতৰ ছাঁটোকে সহ্য নকৰিছিল। চুৰি কৰা বাবে আৰু কথা দিও কামলৈ নহা বাবে কেইবাবাৰো সিহঁতক তেওঁ কোবাইছিল। তথাপি তেওঁ সুধিলে - কি হ'ল ঘীশু, কান্দিছ কিয়? এতিয়া দেখোন তহঁতক দেখাই নোপোৱা হ'লো। বোধকৰোঁ, এই গাওঁত থাকিবৰ মন নাই।"

ঘীশুৱে জমিদাৰৰ ভৰিত খামোচ মাৰি ধৰি মাটিত মূৰটো থেকেচি কান্দি-কাটি ক'ব ধৰিলে - "মালিক। আমি মহা বিপদত পৰিছোঁ। কালিৰাতি মাধৱৰ মানুহজনী মৰি থাকিল। গোটেই ৰাতি তাই চট্‌ফটাই থাকিল মালিক! আমি দুয়ো তাইৰ মূৰ শিতানতে বহি থাকিলোঁ। সাধ্যনুসাৰে দৰৱ-পথ্যৰো যোগান ধৰিলোঁ। কিন্তু সকলো শেষ মালিক! তাই আমাক ফাঁকি দি গ'লগৈ। এতিয়া আমাক ৰুটি এখন দিওঁতাও নাইকিয়া হ'ল। মালিক! আমি ধ্বংস হ'লো। আমাৰ ঘৰখন উছন্ন হ'ল। আমিতো আপোনাৰ ভৃত্য। এতিয়া আপোনাৰ সহায় অবিহনে তাইৰ শৱ-সৎকাৰ কেনেকৈ কৰোঁ? আমাৰ হাতত যিখিনি জমা-জৰি আছিল, সকলোবোৰেই দৰৱ পথ্যৰ নামতে খৰচ হৈ গ'ল। এতিয়া প্ৰভু ঈশ্বৰে দয়া কৰিলেহে তাইৰ চিতা জ্বলিব। মালিক! আপুনিয়ে কওক, আপোনাৰ বাহিৰেনো আৰু কাৰ ওচৰত হাত পাতোঁ?

জমিদাৰ চাহাব দয়ালু আছিল। কিন্তু তেওঁ ভালকৈ বুজিছিল যে ঘীশুৰ প্ৰতি দয়া কৰা আৰু ক'লা কম্বলত ৰং সনা একেই কথা। "গুচি যা ইয়াৰ পৰা" বুলি কৈ সিহঁতক খেদি দিয়াৰ মন আছিল তেওঁৰ। হাজাৰবাৰ মাতিলেও সিহঁতে কাম কৰিবলৈ নাহে; অথচ আজি বিপদত পৰি তেল মালিছ কৰিছে। খাই পাত ফলা, দগাবাজ দুজনৰ ওপৰত খং উঠিলেও তেওঁ বুজিছিল যে এয়া সময় খং কৰা অথবা শাস্তি দিয়াৰ নহয়। সেয়ে ক্ৰোধ সম্বৰণ কৰি তেওঁ জেপৰ পৰা দুটকা উলিয়াই সিহঁতলৈ দলিয়াই দিলে। কিন্তু সান্ত্বনাৰ বাণী এশাৰীও তেওঁৰ মুখৰ পৰা নোলাল, আনকি সিহঁতৰ ফালে ঘূৰিও নাচালে। আচলতে, তেওঁ খংটো পাতলাব খুজিছিল।

জমিদাৰ চাহাবেই দুই টকা দিলে যেতিয়া গাঁৱৰ বনিয়া মহাজনহঁতে সাহাৰ্য আগনবঢ়োৱাৰ প্ৰশ্নই নুঠে। তাতে



"কিন্তু বেছি কন্দা-কটা কৰা অৱকাশ সিহঁতৰ নাছিল। কাৰণ সিহঁত জ্ঞাত যে কফন আৰু খৰি যোগাৰ কৰিব নোৱাৰিলে তাইৰ শৱ-সৎকাৰ অসম্ভৱ। চিলনিৰ বাঁহত মাংসৰ টুকুৰা বিচাৰি পোৱাটো যিদৰে অলীক কল্পনা মাত্ৰ, সেইদৰে সিহঁতৰ ভগা পঁজাটোতো টকা-সিকা বুলিবলৈ কিবা এটা বিচাৰি পোৱাটো আশ্চৰ্য্যকৰ কথা।"



ঢোল পিটি জমিদাৰৰ যশ-কীৰ্ত্তন গোৱাত যীশু তেনেই ওস্তাদ। ফলস্বৰূপে কোনোবাই যদি দুই অনা দিলে, কোনোবাই আকৌ চাৰি অনা। এযন্টাৰ ভিতৰতে যীশুৰ হাতত পাঁচ টকা জমা হ'ল। কাৰোবাৰ পৰা যদি অলপ খাদ্য পালে, অইন কাৰোবাৰ পৰা পালে খৰি। ইয়াৰ পাছত দুপৰ বেলাখন যীশু আৰু মাধৱ দুয়ো 'কফন' কিনিবলৈ বজাৰলৈ গ'ল। ইফালে মৰাশটোৰ গোন্ধত মানুহৰ পেট ফুলিবলৈ বাকী।

গাওঁৰ কোমল অন্তৰৰ ৰমণীসকলে মৰাশটো চাবলৈ আহি কান্দি কান্দি গুছি গ'লগৈ।

বজাৰত উপস্থিত হৈ যীশুৱে ক'লে - "তাইক জ্বলাবলৈ খৰি দেখোন পাইছোৱেই, নহয়নে মাধৱ?"

যীশুৰ কথাতে সুৰ মিলাই মাধৱেও ক'লে - "অ', খৰিতো বহুখিনিয়েই আছে, এতিয়া আমাক কফনহে লাগে।"

"তেন্তে ব'লা এখন পাতল ধৰণৰ কফনকে লওঁ।"

"আৰুনো কি? মৰাশ শ্মশানলৈ নিওঁতে ৰাতিয়েই হ'ব। ৰাতি কফন কোনে চাব?

"কেনেকুৱা বেয়া নিয়ম এইবোৰ! জীয়াই থাকোঁতে শৰীৰ ঢাকিবলৈ যিয়ে এডোখৰ ফটা কানিও নাপায়, মৰাৰ পাছত তেওঁকে আকৌ নতুন কফন দিব লাগে।"

"কফনচোন মৃতদেহৰ লগতেই জ্বলি যায়।"

"নহ'লেনো কি? তাইকে যদি এই পাঁচ টকা আগতেই পালোহেঁতেন, তেন্তে কিছু দৰৱ-পথ্যৰে ব্যৱস্থা কৰিব পাৰিলোহেঁতেন।"

দুয়ো পৰস্পৰে পৰস্পৰৰ আগত মনৰ কথা ব্যক্ত কৰি বজাৰখনৰ ইফালে-সিফালে ঘূৰি-পকি থাকিল। বিভিন্ন ধৰণৰ ৰেশমৰ কাপোৰ তথা কপাহী কাপোৰ চালে যদিও কোনো এখনো সিহঁতৰ পছন্দ নহ'ল।

লাহে লাহে সন্ধ্যা নামি আহিল। তেনে এক মায়াবী মুহূৰ্ত্তত দুয়ো যেন এক অজান দৈৱশক্তিৰ কবলত পৰিহে এখন মদিৰালয়ৰ সন্মুখত আহি উপস্থিত হ'ল আৰু বিনাদ্বিধাই ভিতৰলৈ সোমাই গ'ল। এনে লাগিল যেন সকলোবোৰ পূৰ্ব পৰিকল্পনা মতেহে ঘটি গ'ল। মদিৰালয়ৰ যাদুকৰী পৰিৱেশত তন্ময় হৈ দুয়ো কিছুপৰ থিয় দি থাকিল। তাৰ পাছত যীশুৱে দোকানী জনৰ ওচৰলৈ গৈ ক'লে, "মহাজন বাবু, আমাক এটা বটল দিয়ক।"

ক্ষন্তেক পাছতে সিহঁতৰ ওচৰলৈ কিছু 'চিখৌনা' আহিল, লগতে আহিল তেলত মচ্‌মচীয়াকৈ ভজা মাছো। এইবাৰ দুয়ো পৰম সন্তুষ্টিৰে বহি খোৱাত লাগিল।

বটলৰ মদ পেটত পৰাত সিহঁত দুয়োৰে নিচা লাগিল।

যীশুৱে ক'বলৈ ধৰিলে - "কফন লগত দি কি লাভ? শেষত দেখোন জ্বলিয়েই যায়। বোৱাৰীৰ লগত নাযায় নহয়।"

"বটলৰ মদ পেটত পৰাত সিহঁত দুয়োৰে নিচা লাগিল। যীশুৱে ক'বলৈ ধৰিলে - "কফন লগত দি কি লাভ? শেষত দেখোন জ্বলিয়েই যায়। বোৱাৰীৰ লগত নাযায় নহয়।"

মাধৱে আকাশৰ ফালে চাই সৰগৰ দেৱতাক সাক্ষী কৰি কোৱাৰ দৰে ক'লে - "এইবোৰ সংসাৰৰ নিয়ম, নহ'লেনো মানুহে ব্ৰাহ্মণ-পুৰোহিতক হাজাৰ টকা দিয়েনে? পৰলোকত বা এইবোৰ নিয়ম আছেনে নাই?"

"ডাঙৰ মানুহৰ হাতত প্ৰচুৰ ধন থাকে। গতিকে মন গ'লেই উৰাব পাৰে। কিন্তু আমাৰ হাতত উৰাবলৈ আছেনো কি?"

"কিন্তু মানুহবোৰক কি উত্তৰ দিম? কফন ক'ত বুলি মানুহে নুসুধিবনে?"

যীশুৱে হাঁহি ক'লে - "আৰে কৈ দিম যে টকাখিনি কঁকালত বান্ধি লৈছিলো। কিন্তু ক'ৰবাত পৰি গ'ল। মানুহে বিশ্বাস নকৰিব পাৰে; কিন্তু চাবা, তেওঁলোকে পুনৰ টকা দিব।"

আহিব ধৰা এই সৌভাগ্যৰ কথা ভাবি মাধৱৰ ওঁঠত হাঁহি বিৰিঙিল। সি ক'লে - "বেচেৰী বৰ ভাল আছিল। মৰিও আমাক উদৰ পূৰাই খুৱালে।" ইতিমধ্যে সিহঁতে আধা বটলতকৈও বেছি শেষেই কৰিলে। এনেতে যীশুৱে দুই কিল' পুৰী, চাট্‌নি, আচাৰ আৰু কলিজা অনাৰ কথা ক'লে। মদিৰালয়ৰ ওচৰতেই দোকানবোৰ আছিল। মাধৱে বস্তুবোৰ দুটা মোনাত ভৰাই লৈ আহিল। পুৰাপুৰি ডেৰ টকা আৰু খৰচ হ'ল। মাত্ৰ অলপ টকাহে ৰাহি হ'ল।

জংঘলত বাঘে নিজৰ চিকাৰ ভক্ষণ কৰাৰ দৰে দুয়ো একান্তমনে পুৰী খোৱাত লাগিল। উত্তৰ দিয়াৰ ভয় অথবা বদনামৰ চিন্তাই সিহঁতক ভাৰাক্ৰান্ত কৰিব পৰা নাছিল। আচলতে এই ধৰণৰ ভাৱনাবোৰ সিহঁতে বহুদিন আগেয়েই জয় কৰি লৈছিল।

যীশুৱে দাৰ্শনিক মনোভাৱেৰে ক'লে - "আমাৰ আত্মা প্ৰসন্ন হৈছে যেতিয়া তাইৰ আত্মাই সন্তুষ্টি নাপাব নেকি?"

মাধৱে শ্ৰদ্ধাসূলভ ভংগীমাৰে যীশুৰ কথাত হয়ভৰ দি ক'লে - নিশ্চয়, নিশ্চয় পাব। ভগৱান, তুমি অন্তৰ্যামী, তাইক বৈকুণ্ঠলৈ লৈ যাবা। আমি দুয়ো অন্তৰেৰে আশীৰ্বাদ দিছোঁ। জীৱনত কোনো দিন মুখত দি নোপোৱা পৰম অমৃত আজি তাইৰ জৰিয়তে পাণ কৰিলোঁ।

আচৰিত ধৰণে কিছুসময় পাছত মাধৱৰ মনত এক অদ্ভুত শংকা উপজিল। লগে লগে সি ক'লে - "আমিও এদিন নহয় এদিন তালৈ যাবই লাগিব, নহয়নে পিতাই?"

যীশুৱে এই সহজ-সৰল প্ৰশ্নটোৰ একো উত্তৰ নিদিলে। এই জোনালী মুহূৰ্ত্তত পৰলোকৰ কথা চিন্তা কৰি সি তাৰ বহুমূলীয়া আনন্দকণ নাইকিয়া কৰিব খোজা নাছিল।

"তাইক আমি কফন কিয় নিদিলো সেইবিষয়ে পৰলোকত যদি তাই আমাক প্ৰশ্ন কৰে, তেন্তে কি

গল্প

-- ভত্তৰ দিম?"

"তোমাৰ মূৰটো বুলি ক'ম!"

"সুধিবতো নিশ্চয়!"

"তাই কফন নাপাই বুলি তই জানিলি কেনেকৈ? তই মোক ইমান গাধ বুলি ভাবিছ কিয়? যাঠি বছৰে এই সংসাৰত মই কেৱল গৰু-ম'হৰ ঘাঁহকে কাটিলো নেকি? মই কৈছো, তাই কফন পাব আৰু ইয়াতকৈ উৎকৃষ্টমানৰ পাব!"

মাধৱৰ বিশ্বাস নহ'ল। সি একেখিনি কথাকে আকৌ পেঘেনিয়াই পেঘেনিয়াই কোৱাত লাগিল - "তাইক কফন কোনে দিব? টকাখিনি তুমি দেখোন শেষেই কৰি দিলা। তাতে তাই মোকহে সুধিব। মইহে তাইৰ শিৰত সেন্দুৰ পিন্ধাইছিলো।

এইবাৰ যীশুৱে উত্তেজিত হৈ ক'লে - "মই কওঁ, তাই কফন পাবই। তই নুবুজ কিয়?"

"কোনে দিব কফন, নোকোৱা কিয়?"

"ইতিমধ্যে যিসকল মানুহে টকা দিছে, তেওঁলোকেই পুনৰ দিব। অৱশ্যে এটা কথা থিক যে এইবাৰৰ টকাখিনি আমাৰ হাতলৈ নাহে।"

যিমানেই ধৰাৰ বুকুলৈ এন্ধাৰ নামি আহিছিল আৰু আকাশত তৰাবোৰ জিলিকি উঠিছিল, সিমানেই মদিৰালয়ৰ উজ্জ্বলতাও তীব্ৰ হৈ গৈছিল। মদৰ ৰাগীত কোনোৱে গান গাইছিল, কোনোৱে ৰং ধেমালি কৰিছিল, কোনোৱে নিজৰ সংগীজনৰ ডিঙিত মেৰাই ধৰি বেবেৰিবাং কথাৰ আলাপত মহগুল হৈছিল, কোনোৱে আকৌ বন্ধুৰ মুখত সুৰাৰ বটলটোকে গুজি দিছিল।

মদিৰালয়ৰ বাতাবৰণত এক ধৰণৰ উত্তেজনা আছিল, বতাহত আছিল এক অনন্য ৰাগী। কিমানেই ইয়ালৈ আহি এই আশ্চৰ্যকৰ সুখানুভূতিত মতলীয়া হৈ পৰে, ঠিকনা নাই। মদতকৈও বেছি যেন ইয়াৰ মায়াবী বতাহজাকহে সিহঁতক উন্মনা কৰি তোলে। জীৱনৰ সংঘাতে সিহঁতবোৰক ইয়ালৈ টানি আনে আৰু ক্ষন্তেকৰ বাবে সিহঁতে গাহৰিয়েই পেলায় আচলতে সিহঁত জীৱিত নে মৃত।

বাপেক-পুতেক দুয়ো মদৰ বটলত বৰ তৃপ্তিৰে চুমুক দি আছিল। সকলোৰে দৃষ্টি ইহঁতৰ ওপৰত। দুয়ো কিমান ভাগ্যৱান যে এতিয়াও সিহঁতৰ মাজত এটা সম্পূৰ্ণ বটল বিদ্যমান।

পেট পূৰাই খোৱাৰ পিছত মাধৱে পুৰীৰ থালখন উঠাই লৈ গৈ ইমানপৰে সিহঁতৰ ফালে ভোকাতুৰ দৃষ্টিৰে চাই থকা এজন ভিক্ষাৰীক দিলে। দান দিয়াৰ গৌৰৱ, আনন্দ তথা উল্লাস যীশুৱে জীৱনত পোনপ্ৰথমবাৰৰ বাবে অনুভৱ কৰিলে।

যীশুৱে ভিক্ষাৰীজনক ক'লে - "লৈ যা, দকচি খা আৰু আমাক আশীৰ্বাদ দে। এয়া যাৰ অৰ্জন, তাইতো মৰিয়েই গ'ল। কিন্তু তোৰ আশীৰ্বাদ তাই নিশ্চয় পাব। কান্দি কান্দি হলেও তাইক আশীৰ্বাদ দে; বৰ কষ্টোপাৰ্জিত এই ধন!"

তাৰ পিছত মাধৱে পুনৰ আকাশৰ পিনে চাই ক'লে - "তাই বৈকুণ্ঠলৈ যাব অ' পিতাই, তাই বৈকুণ্ঠৰ ৰাণী হ'ব।"

যীশুৱে থিয় দিলে আৰু যেন উল্লাসৰ লহৰত সাতুৰি-নাদুৰি ক'বলৈ ধৰিলে - "অ' বোপা, তাই বৈকুণ্ঠলৈ যাবই। তাই কাকো আমনি নিদিলে। কেতিয়াওঁ কাকো কষ্ট নিদিলে। আনকি মৰিও তাই আমাৰ জীৱনৰ আটাইতকৈ ডাঙৰ লালসাটো পূৰ্ণ কৰি গ'ল। গতিকে, তাই বৈকুণ্ঠলৈ নগ'লে সেই শকত-আৱত মানুহবোৰ যাব নেকি, যিবোৰে দুখীয়াক দুই হাতে শোষণ কৰি সৰ্বস্বান্ত কৰে আৰু নিজৰ পাপ মোচনৰ বাবে গংগাত স্নান কৰে অথবা মন্দিৰত পূজা আগবঢ়ায়!"

হঠাৎ সিহঁতৰ এই শ্ৰদ্ধাশীল ভাৱৰ পৰিৱৰ্তন ঘটিল। অস্থিৰতা নিচাৰ অন্যতম বিশেষত্ব। দুখ আৰু নৈৰাশ্যত ম্ৰিয়মান হৈ পৰিল দুয়ো।

মাধৱে ক'লে - "পিতাই, বেচেৰীয়ে জীৱনত বহু কষ্ট পালে। যাতনা সহি সহিয়েই মৰিবলগীয়া হ'ল তাই।

ইয়াকে কৈ দুচকুত হাত থৈ মাধৱে হুকহুকাই কান্দি দিলে।

তেতিয়া যীশুৱে বিজ্ঞ লোকৰ দৰে যুজনিৰ সুৰত ক'লে - "বোপাই, কান্দিছ কিয়? তই সুখী হ'ব লাগে! কাৰণ তাই এতিয়া সংসাৰৰ মায়াজালৰ পৰা মুক্ত। তাই দুখ-যাতনাৰ উৰ্দ্ধত। সৌভাগ্যৱতী আছিল বাবেহে ইমানে সোনকালে তাই জাগতিক মায়া-মোহৰ বন্ধন ছিন্ন কৰিব পাৰিছে।

ইয়াৰ পাছত দুয়ো থিয় হৈ বিভিন্ন ভংগীমাৰে গান গাবলৈ ধৰিলে —

"ঠগিলি কিয় অ' ময়না, ঠগিলি কিয়...."

সুৰা পাণ কৰি থকাসকলৰ দৃষ্টি সিহঁতৰ ওপৰত নিবদ্ধ হ'ল। দুয়ো প্ৰাণ খুলি গান গালে, নাচিলে, জপিয়ালেও, বিভিন্ন ভাও জুৰিলে, অভিনয়ো কৰিলে আৰু শেষত নিচাৰ প্ৰকোপত দুয়ো মাটিত বাগৰি পৰিল।



"তাই বৈকুণ্ঠলৈ যাবই। তাই কাকো আমনি নিদিলে। কেতিয়াওঁ কাকো কষ্ট নিদিলে। আনকি মৰিও তাই আমাৰ জীৱনৰ আটাইতকৈ ডাঙৰ লালসাটো পূৰ্ণ কৰি গ'ল। গতিকে, তাই বৈকুণ্ঠলৈ নগ'লে সেই শকত-আৱত মানুহবোৰ যাব নেকি, যিবোৰে দুখীয়াক দুই হাতে শোষণ কৰি সৰ্বস্বান্ত কৰে আৰু নিজৰ পাপ মোচনৰ বাবে গংগাত স্নান কৰে অথবা মন্দিৰত পূজা আগবঢ়ায়!"

* স্নাতক ২য় বৰ্ষ, অসমীয়া বিভাগ



# নিৰুপমা বৰগোহাঞিৰ সৈতে সাক্ষাৎকাৰ

নিৰুপমা বৰগোহাঞিঃ অসমীয়া সাহিত্যৰ সাহসী লেখিকা। নাৰীবাদী সাহিত্যিক ৰূপে 'বিতৰ্কিত' হ'লেও বৰগোহাঞিও প্ৰকৃতাৰ্থত অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ সাহিত্যিকসকলৰ অন্যতম। গল্পকাৰ আৰু উপন্যাসিকৰূপে নিৰুপমা বৰগোহাঞিৰ শ্ৰেষ্ঠত্ব বাস্তৱ জীৱনত ঘাত-প্ৰতিঘাত সংঘাত নিৰ্ভৰ অভিজ্ঞতাৰ প্ৰতিফলন। অন্যায় অবিচাৰৰ বিৰুদ্ধে তেওঁৰ 'কলম' এক প্ৰতিবাদী কণ্ঠ। অসমীয়া সংবাদ জগতৰ বাবে তেওঁ পথিকৃৎ সাংবাদিক। অসমীয়া সাপ্তাহিক বাতৰি কাকতৰ তেওঁ প্ৰথম গৰাকী 'সম্পাদিকা'। আদৰ্শৰ সৈতে কোনো দিন আপোচ নকৰা বৰগোহাঞিও অসমৰ নাৰী সমাজৰ বাবে প্ৰেৰণাৰ উৎস। তেওঁৰ ব্যক্তিগত আৰু সামাজিক জীৱন সংগ্ৰামে অসমীয়া নাৰীসকলক দিছে জীৱন যুঁজত হাৰ নমনাৰ বাবে এক দৃঢ় মানসিকতা। সাহিত্য অকাডেমী বঁটা বিজয়ী অসমীয়া সাহিত্যৰ জীৱন্ত কিংবদন্তিস্বৰূপ সাহিত্যিক গৰাকীৰ সৈতে 'কটনিয়ান'ৰ সাক্ষাৎকাৰ —

**কটনিয়ান ঃ** আপোনাৰ মনত সাহিত্যিক হোৱৰ সপোনে প্ৰথমবাৰলৈ কেতিয়া দোলা দিছিল?

**নিৰুপমা বৰগোহাঞি ঃ** আমাৰ দিনত অসমীয়া কিতাপবোৰ বেছিকৈ পোৱা নগৈছিল, বাংলা কিতাপহে পোৱা গৈছিল। সেইবোৰ পঢ়ি পঢ়ি সপ্তমমানৰ পৰা মোৰ মনত এই ভাব উদয় হৈছিল যে ময়ো দেখোন এনেকৈ লিখিব পাৰিম। সেইবাবে তেতিয়াৰ পৰা হাতত কলম তুলি লৈছিলোঁ।

**কটনিয়ান ঃ** লেখিকা জীৱনৰ আৰম্ভণিতে আপোনাক কোনো দেশী / বিদেশী সাহিত্য বা সাহিত্যিকে বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল নেকি?

**বৰগোহাঞিঃ ঃ** সৰুতে পঢ়া বিশ্বৰ বিশিষ্ট লেখকসকলৰ শিশুৰ উপযোগী সহজ সৰল ভাষাৰ দুখন কিতাপে মোক খুব প্ৰভাৱিত কৰিছিল, সেই দুখনৰ এখন হ'ল থানেশ্বৰ হাজৰিকাই (বিশিষ্ট লেখিকা-লেখক ডলী তালুকদাৰ আৰু কুমুদেশ্বৰ হাজৰিকাৰ পিতৃ) অতি সংক্ষিপ্ত ভাৱে ভিক্টৰ হুগোৰ লে মিজেৰোব (যাক আমি সাধাৰণতে অসমীয়া উচ্চাৰণেৰে 'লা মিজাৰেব্‌ল্' বুলিয়ে কওঁ) 'দীনদুখী' নাম দি কৰা অনুবাদ আৰু আনখন হ'ল সুৰেন্দ্ৰ মোহন দাসে একেই

"সাহিত্যৰ লক্ষ্য হ'ব লাগে মানৱ সমাজৰ সৰ্বাঙ্গীণ মঙ্গল। লিখকে মানুহৰ বাবেই লিখিব লাগে, যি মানুহ এই সমাজ-পৃথিৱীৰ জীৱ। লেখকৰ স্বতঃস্ফূৰ্ত তাগিদায়ো জানো মানুহৰ বাবে লিখিবলৈ অনুপ্ৰাণিত নকৰে?"



সা • ক্ষা • ৎ • কা • ৰ

"জীৱনৰ এটা মুহূৰ্ততো মোৰ সক্ৰিয় ৰাজনীতিত নামি শাসনৰ ক্ষমতা দখল কৰাৰ ভাব অহা নাই, ক্ষমতা দখল কৰি সমাজৰ মঙ্গলৰ বাবে কিবা কৰিব পাৰিম বুলি তিলমানো আত্মবিশ্বাস নথকা বাবেই বোধহয় সক্ৰিয় ৰাজনীতিত নমাৰ কথা ভবা নাছিলোঁ।"



সংক্ষিপ্ত কৰি যুগুতাই উলিওৱা 'টলষ্টয়ৰ সাধু'। সেই দুখনত ধ্বনিত হোৱা মানৱতাবাদৰ সুৰে মোক সমগ্ৰ জীৱন অনুপ্ৰাণিত কৰি আহিছে আৰু মই ভাবোঁ যে সি মোৰ নিঃকিন-স্তৰৰ সাহিত্য-কৰ্মতো প্ৰতিফলিত হৈছে।

**কটনিয়ান ঃ** মহৎ সাহিত্যৰ সংজ্ঞা আছেনে? আপোনাৰ মতে সাহিত্যৰ লক্ষ্য কি হোৱা উচিত? লিখক এজনে কাৰ বাবে লিখা উচিত? সমাজ / পৃথিৱীৰ বাবে নে নিজ হৃদয়ৰ স্বতঃস্ফূৰ্ত তাগিদাৰ দাবীত?

**বৰগোহাঞি ঃ** মহৎ সাহিত্যৰ সংজ্ঞা কি নাজানো, কিন্তু মই ওপৰত উল্লেখ কৰা গ্ৰন্থ দুখনো হ'ল মহৎ সাহিত্যৰ নমুনা। মোৰ বাবে সাহিত্যৰ লক্ষ্য হ'ব লাগে মানৱ সমাজৰ সৰ্বাঙ্গীণ মঙ্গল। লিখকে মানুহৰ বাবেই লিখিব লাগে, যি মানুহ এই সমাজ-পৃথিৱীৰ জীৱ। লেখকৰ স্বতঃস্ফূৰ্ত তাগিদায়ো জানো মানুহৰ বাবে লিখিবলৈ অনুপ্ৰাণিত নকৰে? মোকতো কৰে। এইবোৰ কথাৰ দীঘলীয়া তাত্বিক আলোচনা হ'ব পাৰে, মই তাৰপৰা সদ্যহতে বিৰত থাকিলোঁ।

**কটনিয়ান ঃ** আবাহন যুগৰ পৰা আশীৰ দশকলৈ - এই দীৰ্ঘ সময়ছোৱাত, আপোনাৰ দৃষ্টিত কোনো কালোত্তীৰ্ণ সাহিত্যৰ সৃষ্টি হৈছেনে?

(ক) যদি হৈছে, আপোনাৰ দৃষ্টিত ইহঁত কিয় কালোত্তীৰ্ণ?

(খ) যদি হোৱা নাই, তাৰ কাৰণ আপুনি কি বুলি ভাবে?

**বৰগোহাঞি ঃ** মোৰ মতে অসমত নিৰ্দিষ্ট যুগটোত কালোত্তীৰ্ণ সাহিত্যৰ সৃষ্টি হোৱা নাই, তাৰ কাৰণে অসমে এতিয়াও তেনে প্ৰতিভাবান সাহিত্যিকৰ জন্ম দিব পৰা নাই।

**কটনিয়ান ঃ** প্ৰতিজন শিল্পী সাহিত্যিকে আজীৱন এক সত্যানুসন্ধানেৰে ঘূৰুটিয়াই ফুৰে। আপোনাৰ ক্ষেত্ৰত সেই 'সত্য'ৰ ধাৰণা আৰু সেই 'সত্য'ৰ সাধনা কেনেধৰণৰ?

**বৰগোহাঞি ঃ** মই কোনো সত্যানুসন্ধানত ব্ৰতী হৈ আছোঁ বুলি নাজানো, মই বোধহয় আজীৱন হৃদয়ৰে সন্ধান কৰি আছোঁ যাক ড° জিতেন দাসৰ কবিতাৰ এইখিনি উদ্ধৃতিৰে ক'ব পাৰি ঃ 'হৃদয়ৰ সন্ধান, নিৰুপমা বৰগোহাঞিৰ জীৱনৰ পণ।'

**কটনিয়ান ঃ** সাহিত্য, সংগীত, চাৰু শিল্প ইত্যাদি সকলো কলায়ে নিজস্ব আবেদনেৰে নিজ নিজ স্থানত অনবদ্য; পৰস্পৰৰ তুলনা অমূলক। তথাপি, সকলো কলাৰূপৰ ভিতৰত আপুনি কোনবিধ কলাক সকলোতকৈ প্ৰভাৱশালী আৰু শক্তিশালী বুলি গণ্য কৰে?

**বৰগোহাঞি ঃ** সকলো কলাতকৈ সংগীতকে প্ৰভাৱশালী বুলি ভাবোঁ। এনেকি অনবদ্য সংগীতে মোৰেই মন-প্ৰাণ ভৰাই তোলে, কবি দেৱকান্তই যে লিখিছিল - 'গানে মোৰ নোছোৱে আকাশ, ছোঁৱে জানো হৃদয় তোমাৰ?' হয়, গানে মোৰ হৃদয় স্পৰ্শ কৰে।

**কটনিয়ান ঃ** 'এনধ্ৰ'পলজিৰ সপোনৰ পিছত', 'ঢেঁকীৰ সৰগ' ইত্যাদি গল্পবোৰ 'অপাংক্তেয় শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি', 'অসম বন্ধ' আদি আপোনাৰ বিভিন্ন প্ৰবন্ধ আৰু উপন্যাসবোৰ - সামগ্ৰিকভাবে আপোনাৰ সৃষ্টিসমূহত দেখা যায় যে মমতা, মানবতাবোধৰ লগে লগে এক গভীৰ সমাজ চেতনা আপোনাৰ সতে অহৰহ লাগি থাকে। আজিৰ সমাজলৈ চাই, দুৰ্নীতি-ভ্ৰষ্টাচাৰ আঁতৰ কৰিবলৈ সক্ৰিয় ৰাজনীতিত নমাৰ ইচ্ছা আপোনাৰ কোনো দিনে হোৱা নাইনে?

**বৰগোহাঞি ঃ** জীৱনৰ এটা মুহূৰ্ততো মোৰ সক্ৰিয় ৰাজনীতিত নামি শাসনৰ ক্ষমতা দখল কৰাৰ ভাব অহা নাই, ক্ষমতা দখল কৰি সমাজৰ মঙ্গলৰ বাবে কিবা কৰিব পাৰিম বুলি তিলমানো আত্মবিশ্বাস নথকা বাবেই বোধহয় সক্ৰিয় ৰাজনীতিত নমাৰ কথা ভবা নাছিলোঁ।

**কটনিয়ান ঃ** ব্যক্তিগতভাৱে আপুনি গল্প, উপন্যাস নে এটা প্ৰবন্ধ লেখি বেছি thrill অনুভৱ কৰে?

**বৰগোহাঞি ঃ** কোৱা টান, যি মাধ্যমতে নহওঁক, কিবা এটা মনোমত লেখা লিখিব পৰিছোঁ বুলি ভাবিব পাৰিলেহে thrill অনুভৱ কৰা যায়, তথাপিও কওঁ 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' নামৰ উপন্যাসখনেহে মোক অলপ thrilled কৰিছিল- সেইখনৰ দৰে কোনো কিতাপেই মই ইমান প্ৰাণঢালি লিখা নাছিলোঁ।

**কটনিয়ান ঃ** নিসংগতা আৰু সৃষ্টিৰ মাজৰ সম্পৰ্কটোৰ বিষয়ে ক'ব নেকি?

**বৰগোহাঞি ঃ** এইটো প্ৰশ্নৰ কোনো সদুত্তৰ থাকিব পাৰে বুলি নাভাবোঁ। কোনো কোনো মানুহে নিঃসঙ্গতাতহে গভীৰভাৱে নিজৰ সৃষ্টি-কৰ্মত নিমজ্জিত হ'ব পাৰে, কোনোৱে নোৱাৰে, ময়ো বোধহয় নোৱাৰোঁ। পৰা হ'লে ঘৰখনৰ মানুহবোৰ শুই নিঃপালি দিয়াৰ পিছতহে মই লিখিবলৈ হাতত কলম ল'লোহেঁতেন। কিন্তু বহুত ৰাতিলৈ জাগি নিসঃঙ্গ হৈ থাকোঁ ঠিকেই, কিন্তু তেতিয়া হয় কিবাকিবি পঢ়ো, নহ'লে টিভি চাওঁ বা গানকেই শুনো।

**কটনিয়ান ঃ** বহুদিনৰ আগতে আপুনি 'ছিলভিয়া প্লাথৰ জাৰ্নাল' নামৰ প্ৰবন্ধটি লিখিছিল - "...কিয় এনেকুৱা হয়? জীৱন দেৱতাই এই প্ৰতিভাবান মানুহবোৰৰ মাজত কিয় এক ধ্বংসৰ বীজ সুমুৱাই

সা • ক্ষা • ৎ • কা • ৰ

দিছে।...”

- সেই বীজটোৰ উকমুকনি আপোনাৰ মাজতো কেতিয়াবা উপলব্ধ হৈছে নেকি?

**বৰগোহাঞি ঃ** মই অতি সাধাৰণ, সহজ-সৰল পৰিয়ালত normal ভাবে ডাঙৰ দীঘল হৈছোঁ, মোৰ মাজত কোনো ধ্বংসৰ বীজ কেতিয়াও অংকুৰিত হোৱা নাই। abnormalty মই বৰ ভয় কৰোঁ।

**কটনিয়ান ঃ** আপোনাৰ সমসাময়িক লেখক সকলৰ সতে আপোনাৰ সৌহাৰ্দ বা বন্ধুত্ব আছিলনে? আপোনালোকে পৰস্পৰক কিদৰে উৎসাহ / অনুপ্ৰেৰণা যোগাইছিল?

**বৰগোহাঞি ঃ** মোৰ লেখক জীৱনত মই একেবাৰে নিঃসঙ্গ। কোনো ঘনিষ্ঠ সাহিত্যিক বন্ধু নাছিল যাৰ লগত লেখা-মেলাৰ কথা পাতিব পাৰোঁ। দৰাচলতে তাৰ অভাৱো কোনোদিনে অনুভৱ কৰা নাই। মই কি লিখিছোঁ কাৰোবাক কোৱাত মোৰ খুব অনিহা, মই নিজৰ লেখাৰ বিষয়ে কাৰো লগত কোনো আলোচনা নকৰোঁ। মোৰ গল্পটো বা উপন্যাসখন পঢ়িলেনে, বা পঢ়ি কেনে পালা কাকো কেতিয়াও সেই প্ৰশ্ন সুধি পোৱা নাই। সেই বিষয়ত I am a very private person.

**কটনিয়ান ঃ** সকলোৱে আপোনাক এগৰাকী আপোচবিহীন লেখিকা বুলি জানে। আপুনি ভাবেনে?

**বৰগোহাঞি ঃ** মই আপোচ নকৰাৰে চেষ্টা কৰি আহিছোঁ। এবাৰ কোনোবাই এটা সাক্ষাৎকাৰত এই প্ৰশ্নটো সুধিছিল - পাঠকে আপোনাক কি বুলি মনত ৰখাটো বিচাৰে? মই উত্তৰত কৈছিলোঁ - এজনী আপোচবিহীন লেখিকা হিচাপে।

**কটনিয়ান ঃ** অতীজৰ সমাজ ব্যৱস্থা, ঘৰ-সংসাৰ মেৰ-পাকৰ বাবেই মূলত লেখিকাৰ সংখ্যা অসমীয়া সাহিত্যত কম। আপুনি ঘৰ-সংসাৰৰ দায়িত্বৰ মাজেৰে অশেষ মনোবলেৰে সাহিত্যৰ সাধনা অব্যাহত ৰাখিছে। আপুনি তাৰ বাবে কিদৰে পৰিৱেশ সৃষ্টি কৰি লয়?

**বৰগোহাঞি ঃ** মই বিশ্বাস কৰোঁ যে প্ৰত্যেক লেখকে অন্তৰৰ তাগিদাতে লিখে - তাৰ ভিতৰত কাৰোবাৰ লেখা উচ্চমানৰ হয়, কাৰোবাৰ নিম্নমানৰ। কিন্তু প্ৰত্যেকেই নিজৰ সেই অন্তৰৰ তাগিদাতেই লিখে, তাৰ প্ৰাবল্যত সমুখৰ সকলো বাধা-বিঘিনি বোধহয় উটি ভাঁহি যায়। মই ভাবোঁ যে চাকৰি কৰি, লগতে ঘৰৰ সকলো কাম কৰি (তাৰ ভিতৰত মোৰ মেচিন চিলাই, বেজীসূতাৰ চিলাই, উলগোঁঠাকে ধৰি আমাৰ দিনৰ মহিলাৰ যাৱতীয় ঘৰুৱা কাম) মই যিমান লিখিছোঁ অসমৰ কোনো লেখিকাই আজিলৈকে লিখা নাই (মই লিখা ৩৩খন উপন্যাস নিশ্চয় অসমৰ মহিলা সাহিত্যিকৰ মাজত এটা অভিলেখ), মোৰ এখন অভিনন্দন গ্ৰন্থত সৰুপুত্ৰ প্ৰদীপ্তই এনে ধৰণৰ কথাও লিখিছে যে তাৰ মাকৰ যি ছবি তাৰ মনৰ চকুত ভাহি উঠে সি হ'ল অনবৰত পাকঘৰত সোমাই থকা এজনী তিৰোতাৰ ছবি। এবাৰ কলকাতাত থকা দিনত 'ঋক' নামৰ এখন লিটল মেগাজিনৰ সম্পাদক প্ৰণব বিশ্বাস আমাৰ ঘৰলৈ আহি মোক চাউলৰ ধান বাছি থকা দেখি কৈছিল - 'এত বড়ো লেখিকাকে আগে কখনও ধান বাছতে দেখিনি'। মই অৱশ্যে একো ডাঙৰ লেখিকাও নহওঁ, মই আচলতে বহুতো লেখা এগৰাকী লেখিকাহে আৰু আনৰ দৰে সামান্য প্ৰতিভা লৈ জন্ম হোৱা সাহিত্যিকে বহুতো লিখিলে ধানৰ লগত পতানহে সৃষ্টি কৰে। পিছে মই ইমান বেছি লেখানো কেনেকৈ লিখিলোঁ? তাৰ কাৰণ বোধহয় এয়ে যে মই সময়ৰ অপচয় মুঠেই নকৰোঁ। পৰিৱেশো সৃষ্টি হয় সেই অন্তৰৰ তাগিদাতে। তদুপৰি মোক বহুতেই লেখা খোজে আৰু মই 'না' কৰিবলৈ বৰ টান পাওঁ। প্ৰমাণতো নিজেই পালা, তোমালোকে মোৰ সাক্ষাৎকাৰ বিচৰাত মই লগে লগেই জানো সম্মতি নিদিলোঁ?

**কটনিয়ান ঃ** এগৰাকী লেখিকা, প্ৰবক্তা, সাংবাদিক, সন্তান, পত্নী, মাতৃ - আপোনাৰ নানা ৰঙী জীৱনটোৰ কোনটো ভূমিকাত আপুনি নিজক সম্পূৰ্ণ সৎ, শুদ্ধ আৰু সফল বুলি ভাবে?

**বৰগোহাঞি ঃ** মই মাতৃ হিচাপেহে নিজকে সৎ, শুদ্ধ আৰু সফল বুলি ভাবো (অৱশ্যে সম্পূৰ্ণ বুলি নকওঁ)। এটা মাত্ৰ উদাহৰণ দিওঁ। মোৰ বৰপুত্ৰ অনিন্দ্য জয়পুৰৰ 'ষ্টেট বেংক অৱ বিকানীৰ এণ্ড জয়পুৰ'ৰ এটা শাখাৰ মেনেজাৰ হৈ বদলি হৈ আহি তাৰ তলতীয়া কৰ্মচাৰী সকলক কৈছিল - 'আপোনালোকৰ পৰা মই দুটা কৰ্তব্য নিয়াৰিকৈ পালন কৰাটো বিচাৰোঁ, এটা হ'ল গ্ৰাহকৰ লগত ভদ্ৰ ব্যৱহাৰ আৰু আনটো হ'ল একেবাৰে সঠিক সময়ত অফিচলৈ অহা।' তেতিয়া বোলে কৰ্মচাৰীসকলে অলপ আপত্তি সূচক কৈছিল - আমিতো প্ৰায় সঠিক সময়তে আহোঁ, কিন্তু ইয়াৰ বাকী শাখা বেংকবোৰত এই বিষয়ত আমাতকৈ গাফিলতি কৰে। তেতিয়া বোলে অনিন্দ্যৰ মুখৰ পৰা এই কথা ওলাই গৈছিল - "আমাৰ মায়ে কিন্তু সৰুৰে পৰা আমাক এই শিক্ষা দি আহিছে যে নিজকে সদায় ভালৰ লগতহে তুলনা কৰিব লাগে, বেয়াৰ লগত নহয় ....' মোৰ ল'ৰাহঁতে যে সিহঁতৰ পৰিণত বয়সতো মই দিয়া শিক্ষাকে পালন কৰি আহিছে - সিয়ে মোৰ মাতৃ হিচাপে সফল হোৱাটোকে নুসূচায় নে? হয়, মই সিহঁতক সৎ, কৰ্তব্যপৰায়ণ নাগৰিক হিচাপে গঢ়ি তোলাৰ চেষ্টা কৰিছোঁ। জীৱন সাহিত্যতকৈ ডাঙৰ

"মই মাতৃ হিচাপেহে নিজকে সৎ, শুদ্ধ আৰু সফল বুলি ভাবো সিহঁতক সৎ, কৰ্তব্যপৰায়ণ নাগৰিক হিচাপে গঢ়ি তোলাৰ চেষ্টা কৰিছোঁ। জীৱন সাহিত্যতকৈ ডাঙৰ বুলি মই ভাবোঁ, গতিকে সাহিত্য-সাধনাত মই যিমান ছিৰিয়াছ আছিলোঁ তাতকৈ বেছি ছিৰিয়াছ আছিলোঁ সন্তানক সমাজৰ উপযুক্ত নাগৰিক হিচাপে গঢ়ি তোলাত।"



"আমাৰ দিনৰ 'কটনিয়ান' আৰু আজিৰ 'কটনিয়ান'ৰ মাজত মই এটা পাৰ্থক্য লক্ষ্য কৰিছোঁ। তেতিয়া পঢ়া-শুনাত অতি মেধাবী ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য-চৰ্চা কৰিছিল, ৰাজনীতি কৰিছিল। এতিয়া তেওঁলোক অসমৰ মুধাফুটা সাহিত্যিক হৈছে, ৰাজনীতিবিদ হৈছে, শিক্ষাব্ৰতী হৈছে। কিন্তু আজিৰ মেধাবী ছাত্ৰ-ছাত্ৰীৰ উচ্চাকাংক্ষা যেন ইঞ্জিনিয়াৰ, উচ্চ পদস্থ প্ৰশাসনিক বিষয়া, ডাক্তৰ, ডাঙৰ ডাঙৰ কোম্পানীৰ ডাঙৰ চাকৰিয়াল হোৱা। খুব কমেই সাহিত্যিক হোৱা, শিক্ষাব্ৰতী হোৱাৰ স্বপ্ন দেখে।"



বুলি মই ভাবোঁ, গতিকে সাহিত্য-সাধনাত মই যিমান ছিৰিয়াছ আছিলোঁ তাতকৈ বেছি ছিৰিয়াছ আছিলোঁ সন্তানক সমাজৰ উপযুক্ত নাগৰিক হিচাপে গঢ়ি তোলাত।

**কটনিয়ান ঃ** আপোনাৰ ৰচনাত যথেষ্টসংখ্যক উদ্ধৃতি দেখা যায়। ই আপোনাৰ অধ্যয়নপুষ্ট মনৰ পৰিচায়ক। কিন্তু বাইদেউ, আপুনি নেভাবেনে যে সদৃশ অনুভূতি প্ৰকাশ কৰাৰ ক্ষেত্ৰত আপোনাৰ নিজস্ব সৃষ্টি ক্ষমতাক ই ক্ষতিগ্ৰস্ত কৰি আহিছে?

**বৰগোহাঞি ঃ** মোৰ লেখাবোৰ উদ্ধৃতিৰে কণ্টাকিত বুলি জানো - কি কৰিম, কিবা এটা লিখিবলৈ গ'লেই লগে লগে আনৰ প্ৰাসংগিক কথা কলমৰ আগলৈ আহি যায়। তাৰ বাবে বহুতেই মোক সমালোচনা কৰে, বহুতে আকৌ ভালো পায়। তথাপি স্বীকাৰ কৰোঁ ই মোৰ দুৰ্বলতা।

**কটনিয়ান ঃ** আপোনাৰ লেখিকা জীৱনত কটন কলেজৰ অৱদান?

**বৰগোহাঞি ঃ** কটন কলেজত থাকোঁতেই মই সাহিত্য প্ৰতিযোগিতাত গল্প লিখি পুৰস্কাৰ পাইছিলোঁ। সিয়েই বোধহয় মোক লিখি যাবলৈ প্ৰেৰণা যোগাইছিল।

**কটনিয়ান ঃ** বৰ্তমানৰ 'কটনিয়ান'ৰ ওপৰত আপোনাৰ ধাৰণা? আপুনি ভাবে নেকি যে এক গৌৰবোজ্জ্বল ঐতিহ্যৰ বাহিৰে আজিৰ কটন কলেজ দৈন্যতাপূৰ্ণ?

**বৰগোহাঞি ঃ** আমাৰ দিনৰ 'কটনিয়ান' আৰু আজিৰ 'কটনিয়ান'ৰ মাজত মই এটা পাৰ্থক্য লক্ষ্য কৰিছোঁ। তেতিয়া পঢ়া-শুনাত অতি মেধাবী ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য-চৰ্চা কৰিছিল, ৰাজনীতি কৰিছিল। এতিয়া তেওঁলোক অসমৰ মুধাফুটা সাহিত্যিক হৈছে, ৰাজনীতিবিদ হৈছে, শিক্ষাব্ৰতী হৈছে। কিন্তু আজিৰ মেধাবী ছাত্ৰ-ছাত্ৰীৰ উচ্চাকাংক্ষা যেন ইঞ্জিনিয়াৰ, উচ্চ পদস্থ প্ৰশাসনিক বিষয়া, ডাক্তৰ, ডাঙৰ ডাঙৰ কোম্পানীৰ ডাঙৰ চাকৰিয়াল হোৱা। খুব কমেই সাহিত্যিক হোৱা, শিক্ষাব্ৰতী হোৱাৰ স্বপ্ন দেখে। গতিকে আমাৰ দিনৰ গৌৰবোজ্জ্বল ঐতিহ্যৰ এতিয়াৰ 'কটনিয়ান' যেন বাহক হ'ব পৰা নাই। ই হয়তো এক ধৰণৰ দীনতাৰে পৰিচায়ক।

**কটনিয়ান ঃ** আপুনি নানা বঁটা বাহন পাইছে - সেইবোৰৰ ভিতৰত কোনো বিশেষ বঁটাই আনন্দ দিয়েনে? দিয়ে যদি কিয়?

**বৰগোহাঞি ঃ** মই যিবোৰ বঁটা পাইছোঁ তাৰ ভিতৰত সাহিত্য অকাডেমীৰ পুৰস্কাৰেই নিঃসন্দেহে সকলোতকৈ সন্মানজনক। কিন্তু মই কনকলতা বৰুৱা স্মৃতি পুৰস্কাৰ আৰু ত্ৰিপুৰা চৰকাৰৰ অদ্বৈতমল্ল বৰ্মন পুৰস্কাৰ লাভ কৰিহে বেছি গৌৰবান্বিত বোধ কৰিছিলো। অদ্বৈতমল্ল বৰ্মন পুৰস্কাৰৰ মানপত্ৰত এইখিনি প্ৰেৰণাদায়ক কথা লিখা আছিল - '*হে গুণী, আপনি দীৰ্ঘ পঞ্চাশ বছর অসমীয়া সাহিত্যের সেবা করিয়া সমাজের অশেষ কল্যাণ ও প্ৰীতি সাধন করিয়া আসিতেছেন। নারীমুক্তি আন্দোলনে, দেশের সংহতি ভাবনায় এবং অন্যান্য সেবামূলক কৰ্মে আপনার লেখনী আর উদ্যোগ উত্তর পূৰ্বাঞ্চলের জনগণের হৃদয়ে এক বিশেষ প্ৰাণ সঞ্চার করিয়াছে। দেশের পিছিয়ে পড়া জনগোষ্ঠীর সুখ-দুখ বেদনার অংশীদার হিসাবে আপনার ভূমিকা কৃতজ্ঞচিত্তে স্মরণ করার যোগ্য....*'ইত্যাদি। পিছপৰা মানুহৰ বাবে লিখা বুলি স্বীকৃতি পোৱাটো কম আনন্দৰ কথানে?

আনহাতে অসম উপত্যকাসাহিত্য বঁটাটো পায়ো মই আন ধৰণৰ তৃপ্তি লাভ কৰিছিলোঁ, কাৰণ সেই বঁটা প্ৰাপক পোন্ধৰজন লেখকৰ ভিতৰত ময়ে একমাত্ৰ লেখিকা, অন্ততঃ এতিয়ালৈ।

**কটনিয়ান ঃ** আপুনিতো বহুত গ্ৰন্থই ৰচনা কৰিলে, তাৰে ভিতৰত কোনখনক আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি ভাবে?

**বৰগোহাঞি ঃ** মোৰ নিজৰ কোনো গ্ৰন্থকে গুৰুত্বপূৰ্ণ বুলি নাভাবো, কেৱল মোৰ শেহতীয়া "মোৰ নানাৰঙী সাংবাদিক জীৱন" নামৰ গ্ৰন্থখনত মই আমাৰ পক্ষপাতমূলক সাংবাদিকতা, অসম আন্দোলনৰ নেতিবাচক নানা দিশ সততাৰে উদঙাই দিয়াৰ চেষ্টা কৰিছোঁ বাবে সেইখনকে অলপ গুৰুত্ব দিও। খৰ্গেশ্বৰ তালুকদাৰক অসম আন্দোলনৰ প্ৰথম শ্বহীদ বুলি আছুৱে ঘোষণা কৰাৰ বিপৰীতে মই তেওঁ শ্বহীদেই নহয় বুলি এইখনত প্ৰমাণ দাখিল কৰিছোঁ। অৱশ্যে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনৰ আধাৰত ৰচনা কৰা 'অভিযাত্ৰী'খনক এগৰাকী অসামান্যা মহিয়সী নাৰীৰ জীৱনত আলোকপাত কৰাৰ প্ৰয়াস হিচাপে গুৰুত্বপূৰ্ণ বুলি কোৱাটো সমীচীন হ'ব বুলি ভাবোঁ।

**কটনিয়ান ঃ** অসমীয়া সাহিত্যৰ ভৱিষ্যৎ উজ্জ্বল বুলি আপুনি ভাবেনে? নতুন লেখক-লেখিকাৰ প্ৰতি আপোনাৰ পৰামৰ্শ?

**বৰগোহাঞি ঃ** মই অসমীয়া সাহিত্যৰ ভৱিষ্যৎ উজ্জ্বল বুলি নাভাবোঁ। নতুন লেখক লেখিকাক মইনো কি পৰামৰ্শ দিম। তথাপি ভাবোঁ - তেওঁলোকে নিজৰ লেখাৰ মান উন্নত কৰিবলৈ ভাল কিতাপ-পত্ৰ পঢ়ি নিজৰ লেখাৰ তুলনামূলক বিচাৰ কৰিব লাগে। সত্যনাথ বৰাই বোধহয় ঠিকেই লিখি গৈছে যে গৌৰৱ তুলনাৰ পৰা ওপজে।

সা • ক্ষা • ৎ • কা • ৰ



অৰুণ শৰ্মাৰ সৈতে সাক্ষাৎকাৰ

# অসমীয়া ভাষাত উৎকৃষ্ট মানৰ নাটকৰ সংখ্যা তাকৰ

'ভ্ৰাম্যমান থিয়েটাৰৰ সাম্প্ৰতিক নাট্য ধাৰাত আলোড়িত হৈ পৰিব পৰা নাটক আৰু মই কেবাপুৰুষৰ পিছতো লিখিব নোৱাৰিম। কিন্তু ভ্ৰাম্যমান থিয়েটাৰত এটা সময় হঠাৎ এটা **break through** হৈছিল, এটা অতি সাৰ্থক মোৰ লৈছিল। কিন্তু মোৰ লৈয়েই আকৌ পূৰ্বাপৰ পথেদি আগবাঢ়িছিল। সেই ক্ষন্তেকীয়া মোৰ লোৱা সন্ধিক্ষণতে ভ্ৰাম্যমান থিয়েটাৰত মোৰ দুখন নাটক মঞ্চস্থ হৈছিল ঃ কহিনুৰত 'বাঘজাল' আৰু আবাহনত 'নেপোলিয়ন আৰু ডেজিৰী'।

অসমীয়া নাটকলৈ আধুনিক ভাৱধাৰা আৰু কলা-কৌশল আমদানি কৰা পথিকৃৎ নাট্য ব্যক্তিত্ব অৰুণ শৰ্মাৰ প্ৰায়বোৰ নাটকতে আছে Total Theatre ৰ আবেদনময়তা, বিষয়বস্তুৰ গভীৰতা আৰু সূক্ষ্ম পৰ্যবেক্ষণ, স্বাধীনতা লাভৰ পাছতো পৰাধীনতাৰ দুঃস্বপ্নই খেদি ফুৰা দুঃসময় ইংগিতধৰ্মী বৰ্ণনা আৰু সূক্ষ্মাতিসূক্ষ্ম চৰিত্ৰ চিত্ৰণত সাৰ্থকতা। অসমীয়া সাহিত্যলৈ ৪৩ খন অনাতাঁৰ নাটক ১২খন পূৰ্ণাংগ মঞ্চ নাটক, ৪খন উপন্যাস, ১১খন অন্য ভাষাত অনূদিত উপন্যাস ভালেকেইখন দূৰদৰ্শনৰ চিত্ৰনাট্য আগবঢ়াই অৰুণ শৰ্মাৰ নিজৰ মৌলিক সৃষ্টিৰে অসমীয়া সাহিত্যক সমৃদ্ধিশালী কৰিছে। তেওঁৰ সাহিত্য সাধনাৰ স্বীকৃতি স্বৰূপে সাহিত্য একাডেমী বঁটা, অসম উপত্যকা সাহিত্য বঁটাৰে সম্মানিত কৰা হৈছে। 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য', 'পৰশুৰাম', 'কুকুৰনেচীয়া মানুহ', 'আহাৰ', 'অগ্নিগড়', 'অদিতিৰ আত্মকথা', 'বুৰঞ্জীপীঠ' আদি বিখ্যাত নাটকৰ নাট্যকাৰ তথা 'আশীৰ্বাদৰ ৰং' খ্যাত উপন্যাসিক অৰুণ শৰ্মাৰ সৈতে 'কটনিয়ান'ৰ সাক্ষাৎকাৰ —

**কটনিয়ান ঃ** আপুনি একেবাৰে নাট্যকাৰ, ঔপন্যাসিক, গল্পকাৰ, সাংবাদিক। ইয়াৰ ভিতৰত কোনটো দিশে আপোনাৰ হৃদয় অধিক আলোড়িত কৰে?

**অৰুণ শৰ্মা ঃ** মোক যদি এজন লেখক হিচাবে গ্ৰহণ কৰা হয় তেন্তে নাটক আৰু উপন্যাস ৰচনাৰ মাজেৰে মই যি সামান্য সৃষ্টিকৰ্ম কৰিছো সেইখিনিৰ প্ৰেক্ষিতত হে প্ৰশ্নটোৰ উত্তৰ দিব পাৰিম। গল্পকাৰ মই নহয়, কাৰণ ১৯৫৫-৫৬ চনত ৰামধেনুত মুঠ তিনিটা গল্প লিখিছিলো, সেইয়েই। তেতিয়াৰ পৰা এতিয়ালৈ পঞ্চাশ বছৰত তিনিটা গল্প লিখি 'গল্পকাৰ' নাম ল'ব



সা • ক্ষা • ৎ • কা • ৰ

"সাম্প্ৰতিক কালত ইলেকট্ৰনিক পদ্ধতি বা মাধ্যমৰ প্ৰবল হেঁচাত ছপা মাধ্যমৰ গ্ৰন্থ প্ৰকাশনত এটা জোকাৰ পৰিছে। টি,ভি, ৰেডিঅ, কম্পিউটাৰ, ইন্টাৰনেট্ ৱেবচাইট, ই-বুকৰ প্ৰতি। গ্ৰন্থ পাঠকৰ স্বাভাৱিক আকৰ্ষণ পৰিলক্ষিত হৈছে। কিন্তু "গ্ৰন্থ"ৰ গাৰ নোম এতিয়াও লৰাব পৰা নাই - ইন্টাৰনেট, ৱেবচাইট, ই বুকে।"



নোৱাৰি। অৱশ্যে, ৰামধেনুতে প্ৰথম প্ৰকাশ পোৱা মোৰ কবিতাৰ পৰা গৰীয়সীৰ যোৱা পূজা সংখ্যাত (২০০৬) প্ৰকাশ পোৱা শেহতীয়া কবিতাটোক ধৰি যোৱা পঞ্চাশ বছৰে মই কিছু কবিতা লিখিছো। কবিতাবোৰ হয়তো বৰ উচ্চ পৰ্যায়ৰ হোৱা নাই! আকাশবাণীৰ পৰা অৱসৰ লোৱাৰ লগে লগেই পূৰ্বাচল নামে এখন বাৰ্ত্তালোচনীত ডেৰ বছৰ সম্পাদকৰ দায়িত্বত আছিলো। কম সময়ৰ বাবে হলেও সেইখিনি সাংবাদিকতাই মোৰ মনক ৰোমাঞ্চিত নকৰাকৈ নাছিল। কিন্তু লেখক হিচাবে নাটক উপন্যাস নাইবা কবিতা যিহকে নহওঁক প্ৰত্যেকটো লেখা সম্পূৰ্ণ হোৱাৰ লগে লগেই হৃদয় আলোড়িত হোৱা অনুভৱ কৰো।

**কটনিয়ান ঃ** আপুনি এগৰাকী নাট্যকাৰ হিচাপে পৰীক্ষামূলক নাটক ৰচনাত মনোনিৱেশ কৰিছে। কিন্তু 'নিবাৰণ ভট্টাচাৰ্য'ৰ দৰে উদ্ভট (Absurd) নাটকে আমাৰ দেশত (অসমত) সফলতা লাভ কৰিব পাৰিলে জানো? এই সম্পৰ্কে অকণমান কওঁকচোন।

**অৰুণ শৰ্মা ঃ** প্ৰশ্নটোৰ এটা উক্তিৰ অলপ শুধৰণিৰ প্ৰয়োজন। শ্ৰীনিবাৰণ ভট্টাচাৰ্য সংজ্ঞাসম্মত ভাবে উদ্ভট (Absurd) নাটক নহয়। সেই ৰীতিৰ হয়তো কিছু উপাদান স্বাভাৱিকভাৱে নাটকৰ শৰীৰত সংমিশ্ৰিত হৈছে। কিন্তু নাটকখন শুদ্ধ উদ্ভট নাটক নহয়। নাটকখনৰ মঞ্চায়নৰ দিশত হয়তো যথেষ্ট সফলতাৰ দাবী কৰিব নোৱাৰি। কিন্তু অসমৰ বৌদ্ধিক মহলত যথেষ্ট সমাদৃত হোৱা পৰিলক্ষিত হৈছে। অনেক আলোচনী নাইবা সমালোচনা গ্ৰন্থত এই নাটকখনৰ প্ৰশংসাসূচক প্ৰচুৰ সমালোচনা প্ৰকাশ পাইছে। তদুপৰি নাটকখন ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হৈছে।

**কটনিয়ান ঃ** ভ্ৰাম্যমান থিয়েটাৰে আপোনাৰ নাটক মঞ্চস্থ কৰিছে নেকি? কোন কেইখন কৰিছে?

**অৰুণ শৰ্মা ঃ** সম্প্ৰতি কৰা নাই। ভ্ৰাম্যমান থিয়েটাৰৰ সাম্প্ৰতিক নাট্য ধাৰাত আলোড়িত হৈ পৰিব পৰা নাটক আৰু মই কেবাপুৰুষৰ পিছতো লিখিব নোৱাৰিম। কিন্তু ভ্ৰাম্যমান থিয়েটাৰত এটা সময় হঠাৎ এটা break through হৈছিল, এটা অতি সনাৰ্থক মোৰ লৈছিল। কিন্তু মোৰ লৈয়েই আকৌ পূৰ্বাপৰ পথেদি আগবাঢ়িছিল। সেই ক্ষন্তেকীয়া মোৰ লোৱা সন্ধিক্ষণতে ভ্ৰাম্যমান থিয়েটাৰত মোৰ দুখন নাটক মঞ্চস্থ হৈছিল ঃ কহিনুৰত 'বাঘজাল' আৰু আবাহনত 'নেপোলিয়ন আৰু ডেজিৰী'।

**কটনিয়ান ঃ** আপোনাৰ নাটকে (অনাতাঁৰ নাটককে ধৰি) বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছে। ইয়াৰ কাৰণ কি?

**অৰুণ শৰ্মা ঃ** এই প্ৰশ্নৰ সদুত্তৰ সমালোচক সকলে নিৰূপন কৰিব পাৰিব। মই নিজে কেনেকৈ কওঁ মোৰ নাটক 'জনপ্ৰিয়'?

**কটনিয়ান ঃ** 'গ্লোবেল মিডিয়া'ৰ যুগত সাহিত্যৰ ক্ষেত্ৰখনত পাঠকৰ সংখ্যা বৃদ্ধি হৈছে বুলি আপুনি ভাবেনে?

**কটনিয়ান ঃ** আপোনাৰ পৰা গ্ৰন্থ সম্পৰ্কীয় কথা এবাৰ জানিব বিচাৰো। প্ৰযুক্তিবিদ্যাই পৃথিৱীক 'গ্লোবেলাইজড' কৰিছে। এই ক্ষেত্ৰত উন্নত দেশবিলাকত গ্ৰন্থৰ আদৰ সম্পৰ্কে আপোনাৰ পৰা জানিব বিচাৰো।

**অৰুণ শৰ্মা ঃ** হয়, সাম্প্ৰতিক কালত ইলেকট্ৰনিক পদ্ধতি বা মাধ্যমৰ প্ৰবল হেঁচাত ছপা মাধ্যমৰ গ্ৰন্থ প্ৰকাশনত এটা জোকাৰ পৰিছে। টি,ভি, ৰেডিঅ, কম্পিউটাৰ, ইন্টাৰনেট্ ৱেবচাইট, ই-বুকৰ প্ৰতি। গ্ৰন্থ পাঠকৰ স্বাভাৱিক আকৰ্ষণ পৰিলক্ষিত হৈছে। কিন্তু "গ্ৰন্থ"ৰ গাৰ নোম এতিয়াও লৰাব পৰা নাই - ইন্টাৰনেট, ৱেবচাইট , ই বুকে। কাৰণ এক শেহতীয়া তথ্যমতে এহেজাৰ জন মানুহে যেতিয়া ৱেবচাইটত ই বুকত মনোনিৱেশ কৰি থাকে সেই একে সময়তে এক নিযুত পাঠকে কিতাপ পঢ়ি থাকে। কথা হৈছে, এখন কিতাপ দোকানৰ পৰা আনি পাত লুটিয়াই যাওঁতে নাকত লগা সেই কেঁচা গোন্ধৰ শিহঁৰণটো ইবুকৰ স্ক্ৰীণত পোৱাটো সম্ভৱপৰ হ'ব জাঁনো?

**কটনিয়ান ঃ** 'অসমীয়া সাহিত্যৰ ভৱিষ্যত অন্ধকাৰ' - আপোনাৰ অভিমত কি?

**অৰুণ শৰ্মা ঃ** একেবাৰে নহয়। মই এটা মাত্ৰ উদাহৰণ দিও ঃ যোৱা পূজা সংখ্যা গৰীয়সীত প্ৰকাশ পোৱা গল্প আৰু কবিতাখিনি অতি মনোযোগেৰে পঢ়ি চালেই স্পষ্ট হৈ পৰে অসমীয়া সাহিত্যৰ সুনিশ্চিত উজ্জ্বল ভৱিষ্যত।

**কটনিয়ান ঃ** অসমত প্ৰচেনিয়াম পদ্ধতিৰ পাছত 'থাৰ্ড বা তৃতীয় ৰংগমঞ্চ'ৰ কথা চিন্তা কৰাৰ কথা

সা • ক্ষা • ৎ • কা • ৰ

শুনিছিলো। তৃতীয় ৰংগমঞ্চই নাটকৰ পৃথিৱীত কেনেকুৱা পৰিৱৰ্তন আনিব ? ই নাট্যশিল্পৰ 'কুৱালিটি' হ্রাস নকৰিবনে?

**অৰুণ শৰ্মা ঃ** নাট্য মঞ্চায়নৰ বিভিন্ন পদ্ধতি আৰু শৈলীৰ পৰীক্ষা-নিৰীক্ষা বিভিন্নজনে, বিভিন্ন ঠাইত কৰি থাকে। এয়া যিকোনো কলা সংস্কৃতিৰ প্ৰাণৱন্ত আৰু গতিময়তাৰ ৰূপ আৰু লক্ষণ। বাদল চৰকাৰৰ থাৰ্ড থিয়েটাৰ আধুনিক ভাৰতীয় সামগ্ৰিক নাট্য পৰম্পৰাৰ পৰিপূৰক এটা বুদ্ধিসিদ্ধ প্ৰয়াস। এনেবোৰ প্ৰয়াসে নাট্যমান হ্রাস কৰাৰ শঙ্কা নাথাকে।

**কটনিয়ান ঃ** বৰ্তমান অসমত কবি, গল্পকাৰ আৰু ঔপন্যাসিকতকৈ তুলনামূলকভাৱে নাট্যকাৰৰ সংখ্যা যথেষ্ট কম। ইয়াৰ কাৰণ কি হ'ব পাৰে?

**অৰুণ শৰ্মা ঃ** যিকোনো কলাসৃষ্টি গ্ৰহণকাৰীৰ ওচৰ পাবগৈ লাগিব। সেই গ্ৰহণকাৰী হ'ল পঢ়ুৱৈ বা দৰ্শক। এটা গল্প বা এটা কবিতা ৰচনা হোৱাৰ পিছত ছপাকাৰে প্ৰকাশ পালে, পঢ়ুৱৈ পঢ়িলে। নাইবা এখন উপন্যাস লিখি গ্ৰন্থাকাৰে প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিলে। কিন্তু এখন নাটক লিখি উঠাৰ পিছত মঞ্চত মঞ্চায়ন হ'ব লাগিব, তাৰ পিছতহে নাটকখন গ্ৰহণকাৰীৰ ওচৰ পাবগৈ। অৰ্থাৎ নাটকৰ ক্ষেত্ৰত গ্ৰহণকাৰী হ'ল দৰ্শক। এই যে নাটক এখন লিখাৰ পিছত মঞ্চায়নৰ মাজেৰেহে গৈ দৰ্শকৰ ওচৰ পায়গৈ। ই এক জটিল প্ৰক্ৰিয়া। নাটকখন লিখি উঠাৰ পিছত প্ৰযোজক লাগিল; এটা শিল্পী দল লাগিল, এজন পৰিচালকৰ প্ৰয়োজন হ'ল, এখন মঞ্চ লাগিল, পোহৰ শব্দ সঙ্গীতৰ যোগাৰ লাগিল, দৰ্শক যোগাৰ কৰি আনিব লাগিল, তাৰ পিছত মঞ্চায়নৰ পিছত নাট্যকাৰে লিখা নাটকখনৰ সৃষ্টিয়ে যথাৰ্থ ৰূপ পালে। এই গোটেই প্ৰয়াসখিনি এক জটিল প্ৰক্ৰিয়া আৰু যথেষ্ট ব্যয়বহুল আৰু সম্পূৰ্ণ পৰ নিৰ্ভৰ। অৰুণ শৰ্মাই গল্প এটা লিখি আলোচনী এখনৰ সম্পাদকৰ হাতত দি অহাৰ পিছৰ মাহতে ছপা হৈ প্ৰকাশ পালে, পঢ়ুৱৈ পঢ়ি বাহ্ বাহ্ জনালে। এক প্ৰচেষ্টাৰে কামো হৈ গ'ল। কিন্তু এখন নাটক লিখাৰ পিছত কেতিয়াবা বহু বছৰলৈকে অপেক্ষা কৰিব লাগে এটা দল, এজন পৰিচালক, এখন মঞ্চৰ বন্দোবস্ত হৈ নাটকখন মঞ্চায়ন নোহোৱালৈকে। মোৰ প্ৰত্যেকখন নাটক কেবা বছৰ বোৱাৰ পিছতহে মঞ্চায়ন হৈছে। নাটক মঞ্চায়নৰ জটিল প্ৰক্ৰিয়াৰ কাৰণেই লেখক সকলে নাটক নিলিখি গল্প কবিতা উপন্যাস লিখে। সেই কাৰণেই অসমীয়া ভাষাত উৎকৃষ্ট মানৰ নাটকৰ সংখ্যা তাকৰ।

"নাটক এখন লিখাৰ পিছত মঞ্চায়নৰ মাজেৰেহে গৈ দৰ্শকৰ ওচৰ পায়গৈ। অৰ্থাৎ নাটকৰ ক্ষেত্ৰত গ্ৰহণকাৰী হ'ল দৰ্শক। এই যে নাটক এখন লিখাৰ পিছত মঞ্চায়নৰ মাজেৰেহে গৈ দৰ্শকৰ ওচৰ পায়গৈ ই এক জটিল প্ৰক্ৰিয়া। নাটকখন লিখি উঠাৰ পিছত প্ৰযোজক লাগিল, এটা শিল্পী দল লাগিল, এজন পৰিচালকৰ প্ৰয়োজন হ'ল, এখন মঞ্চ লাগিল, পোহৰ শব্দ সঙ্গীতৰ যোগাৰ লাগিল, দৰ্শক যোগাৰ কৰি আনিব লাগিল, তাৰ পিছত মঞ্চায়নৰ পিছত নাট্যকাৰে লিখা নাটকখনৰ সৃষ্টিয়ে যথাৰ্থ ৰূপ পালে।"

**কটনিয়ান ঃ** নাট্য বিদ্যালয়, নাট্য কৰ্মশালাৰ যোগেদি নাট্যকাৰ সৃষ্টি কৰা সম্ভৱ বুলি আপুনি ভাবেনে?

**অৰুণ শৰ্মা ঃ** নাট্য ৰচনাৰ বাবে সৃষ্টিশীল প্ৰতিভাসম্পন্ন এজন ব্যক্তিক নাট্য বিদ্যালয় বা কৰ্মশালাই নাট্য বিষয়ক কিছু তত্ত্ব আৰু তথ্যৰ যোগান ধৰিব পাৰে, এটা পৰিৱেশ দিব পাৰে, এটা নাট্য মানসতা গঢ় লোৱাত এক অনুঘটকৰ দৰে সহায় কৰিব পাৰে। কিন্তু নাট্যকাৰ নিজ সৃষ্টিশীল প্ৰতিভাৰেইহে গঢ়ি উঠে। সি এক প্ৰচেষ্টা।

**কটনিয়ান ঃ** শংকৰদেৱৰ নাট পাঁচশ বছৰৰ পিছতো চৰ্চাৰ বিষয় হৈ আছে। বৰ্তমান নাটকৰ ক্ষেত্ৰত (জ্যোতিপ্ৰসাদৰ নাটক বাদ দি) তেনে গৱেষণাৰ বিষয় হ'ব পৰা নাট্যসৃষ্টি সম্ভৱ হয় নে নহয় বাৰু?

**অৰুণ শৰ্মা ঃ** মই জনাত শঙ্কৰদেৱ আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ উপৰিও নাটকৰ গৱেষণামূলক চৰ্চাৰ উপৰিও অসমীয়া ভাষা সাহিত্যৰ একাধিক গৱেষক অসমীয়া ভাষাৰ আন আন নাট্যকাৰৰ নাটক নাইবা সামগ্ৰিকভাবে অসমীয়া নাটকৰ বিভিন্ন দিশৰ ওপৰত গৱেষণা আৰু চিন্তা চৰ্চা কৰি আছে।

**কটনিয়ান ঃ** অসমৰ চুবুৰীয়া মণিপুৰ ৰাজ্যৰ নাটকৰ পৰিচালকে (কাহনাইলাল আৰু ৰতন থিয়ামৰ দৰে) আন্তৰ্জাতিক স্বীকৃতি লাভ কৰিছে। অসমীয়া নাটকত তেনে পৰ্যায় কেতিয়াবা পাবনে, আমি আশা কৰিব পাৰোনে?

**অৰুণ শৰ্মা ঃ** কানাইলাল নাইবা ৰতন থিয়ামৰ দৰে অসমত নাট্য প্ৰতিভাৰ অভাৱ বুলি মই কোনো পধ্যেই স্বীকাৰ নকৰো। কিন্তু, সামাজিক নাট্য পৰিবেশ, যথাৰ্থভাৱে চৰকাৰী আৰু অচৰকাৰী পৃষ্ঠপোষকতা কলা সংস্কৃতিৰ বিকাশৰ প্ৰতি অসমৰ বিত্তবান ব্যক্তিসকল উদাসীন মনোভাব ইত্যাদিবোৰ কাৰণতেই, মই ভাবো অসমত ৰতন থিয়ামৰ সৃষ্টি হোৱা নাই।



সা • ক্ষা • ৎ • কা • ৰ

"মহৎ সাহিত্য হ'বৰ বাবে গ্ৰন্থখন সময় পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। যদি কোনো এখন কিতাপ ৰচনা কৰাৰ এশ, দুশ বা এহেজাৰ বছৰ পিছতো কিতাপখনৰ মাজত পাঠকে নিত্য নতুন প্ৰেৰণা আৱিষ্কাৰ কৰিব পাৰে তেন্তে সেইখন কিতাপক মহৎ গ্ৰন্থ আখ্যা দিব পাৰি। মহৎ গ্ৰন্থ হ'বৰ বাবে এখন কিতাপত যুগ যুগৰ বাণী থাকিব লাগিব। কিতাপখনৰ পৰা বিভিন্ন লোকে বিভিন্ন তথ্য আহৰণ কৰাৰ লগতে কিতাপখনত এক বিশ্বজননীন সুৰ ধ্বনিত হ'ব লাগিব।"





## হোমেন বৰগোহাঞিৰে সাক্ষাৎকাৰ

# মই কোনো অনুপ্ৰেৰণাত বিশ্বাস নকৰোঁ...

"মোৰ লেখাৰ প্ৰতিভা ইমান অকিঞ্চিৎ যে তাক প্ৰায় শূন্য বুলিয়েই ক'ব পাৰি। অথচ সেই নাম মাত্ৰ প্ৰতিভা লৈয়েই মই গোটেই জীৱন একমাত্ৰ লেখাৰ কামটোক অৱলম্বন কৰি জীয়াই আছোঁ, লেখাৰ বাহিৰে আন একো কাম মই কৰা নাই। এবাৰ এটা সাক্ষাৎকাৰত মই কৈছিলোঁ যে মই লিখিবৰ কাৰণে জীয়াই থাকোঁ আৰু জীয়াই থাকিবৰ কাৰণে লেখোঁ। কিন্তু সত্তৰ বছৰত ভৰি দিয়াৰ কেবাবছৰৰ আগৰে পৰা মই অনুভৱ কৰিবলৈ আৰম্ভ কৰিছিলোঁ যে মোৰ নাম-মাত্ৰ প্ৰতিভাও ইতিমধ্যে প্ৰায় নিঃশেষিত হৈছে। একে আষাৰে ক'বলৈ গ'লে মই জাঁ পল ছাৰ্ত্ৰৰ আৰ্হি অনুসৰণ কৰি সত্তৰ বছৰত ভৰি দিয়াৰ লগে লগে চিৰকাললৈ কলম সামৰি থোৱাৰ সংকল্প লৈছিলোঁ..." - সাতসৰীৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত প্ৰকাশিত 'মোৰ হৃদয় এখন যুদ্ধক্ষেত্ৰ' শীৰ্ষক ৰচনাখনত উদ্ধৃত কথাখিনি পঢ়ি প্ৰিয় লিখক হোমেন বৰগোহাঞিৰ প্ৰতি শ্ৰদ্ধাশীল হৈ পৰিছিলোঁ। সচাঁকৈয়ে সাহসী লেখক বৰগোহাঞি। যিজন লেখকে অসমীয়া সাহিত্য-সাংবাদিকতাৰ ক্ষেত্ৰখনত নক্ষত্ৰত পৰিণত হৈছে সেইজন বৰগোহাঞিৰ নিৰ্ভীক স্বীকাৰোক্তিয়ে এই কথাকে স্পষ্ট কৰিছে যে মহান ব্যক্তিৰ হাততহে মহৎ বা কালোত্তীৰ্ণ সাহিত্য সৃষ্টি সম্ভৱ। অসমবাসীৰ বাবে হোমেন বৰগোহাঞিৰ প্ৰথম পৰিচয় তেওঁ এগৰাকী সফল সম্পাদক। নীলাচল, নাগৰিক, সূত্ৰধাৰ, জনক্ৰান্তি, অসমবাণী, আমাৰ অসম, দৈনিক বাতৰি আৰু সাতসৰীৰ সম্পাদক ৰূপে হোমেন বৰগোহাঞিৰ সৰ্ববৃহৎ কৃতিত্ব হ'ল - নতুন লিখকৰ সৃষ্টি। বৰ্তমান অসমীয়া সাহিত্যত প্ৰতিষ্ঠিত অধিকাংশ গল্পকাৰ-কবি-সাংবাদিক আৰু প্ৰৱন্ধকাৰ বৰগোহাঞিৰ আৱিষ্কাৰ বুলি ক'লে নিশ্চয় বঢ়াই কোৱা নহ'ব। সাংবাদিক ৰূপে হোমেন বৰগোহাঞি

সা • ক্ষা • ৎ • কা • ৰ

সৰ্বাধিক প্ৰভাৱশালী। সত্যনিষ্ঠ-নিৰ্ভীক আৰু নিৰপেক্ষ সাংবাদিকতাৰ বাবে বৰগোহাঞিং অসমীয়া সংবাদ জগতৰ বাবে এক আদৰ্শৰ নাম। 'হাতী', 'ভয়', 'ইছমাইল শ্বেখৰ সন্ধানত' আদি গল্পৰ লেখক বৰগোহাঞিং, 'সুবালা', 'পিতাপুত্ৰ' আদি উপন্যাসৰ বাবেও বিখ্যাত। 'সাপ' কবিতাৰে কবি ৰূপে নিজৰ প্ৰতিভাৰ পৰিচয় দিয়া বৰগোহাঞিৰ বিবিধ বিষয়কেন্দ্ৰিক প্ৰবন্ধ সংকলনসমূহ পঢ়ুৱৈৰ দ্বাৰা বিপুল ভাৱে সমাদৃত। তেনেস্থলত 'সাতসৰী'ৰ সম্পাদক গৰাকীয়ে আলোচনীখনৰ প্ৰথম সংখ্যাত দিয়া স্বীকাৰোক্তিত তেওঁৰ কলম স্তব্ধ হ'ব বুলি দিয়া ইংগিতকলৈ আমি শংকিত হৈছিলোঁ। কিন্তু যিজন লেখকে জীৱনত লেখাৰ বাবে আন একো কাম কৰা নাই বুলি স্বীকাৰোক্তি দিছে সেইজন লেখকে 'বয়স' হ'ল বুলি নিলিখাকৈ থকাটো জানো সম্ভৱ। হোমেন বৰগোহাঞিং প্ৰকৃতাৰ্থত লিখক, সাহিত্য চৰ্চাই তেওঁৰ জীৱনৰ অক্সিজেন। কলম সামৰাৰ ইচ্ছা প্ৰকাশ কৰাৰ এটা বছৰ পাছতো বৰগোহাঞিৰ কলমৰ লিখনীয়ে পঢ়ুৱৈক নতুন নতুন চিন্তাৰ খোৰাক যোগাই আছে। 'সাতসৰী'ৰ সম্পাদকৰ চিঠি আৰু অসমীয়া প্ৰতিদিনৰ কথা-বাৰ্তা, তাৎক্ষণিক আদি স্তম্ভৰ যোগেদি বৰগোহাঞিয়ে নিজৰ বৌদ্ধিক চিন্তা-চৰ্চা অব্যাহত ৰাখিছে। সৃষ্টিশীল সাহিত্য চৰ্চাও কৰি আছে। আমাৰ আশা হোমেন বৰগোহাঞিৰ কলম কোনোদিন থমকি নৰওঁক। তেওঁ লিখক মানুহ - তেওঁ লেখি থাকক - লেখাৰ বাদে তেওঁৰ পৰা অসমবাসীয়ে আন একো নিবিচাৰে। অসম সাহিত্য সভাৰ যোগেদি 'বিশ্বকোষ' আন্দোলনেৰে তেওঁ নিজৰ কৰ্মদক্ষতাও প্ৰদৰ্শন কৰিলে।

হোমেন বৰগোহাঞিং আমাৰ অগ্ৰজ কটনিয়ান। নবীন কটনিয়ানৰ বাবে তেওঁ পথ প্ৰদৰ্শক। কটনিয়ানৰ বাবে অসমীয়া সাহিত্য-সাংবাদিকতাৰ জীবন্ত কিংবদন্তি স্বৰূপ এইগৰাকী বহুমূখী প্ৰতিভাৰ অধিকাৰী ব্যক্তিৰ প্ৰতিভা, জীৱন দৰ্শন, কৰ্ম, বিচিত্ৰ অভিজ্ঞতা আদি সকলো দিশ সামৰি এই সাক্ষাৎকাৰটো আগবঢ়োৱা হ'ল —

**কটনিয়ান ঃ** মহৎ সাহিত্যৰ সংজ্ঞা আছেনে?

**হোমেন বৰগোহাঞিং ঃ** মহৎ সাহিত্য হ'বৰ বাবে গ্ৰন্থখন সময় পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। যদি কোনো এখন কিতাপ ৰচনা কৰাৰ এশ, দুশ বা এহেজাৰ বছৰ পিছতো কিতাপখনৰ মাজত পাঠকে নিত্য নতুন প্ৰেৰণা আৱিষ্কাৰ কৰিব পাৰে তেন্তে, সেইখন কিতাপক মহৎ গ্ৰন্থ আখ্যা দিব পাৰি। মহৎ গ্ৰন্থ হ'বৰ বাবে এখন কিতাপত যুগ যুগৰ বাণী থাকিব লাগিব। কিতাপখনৰ পৰা বিভিন্ন লোকে বিভিন্ন তথ্য আহৰণ কৰাৰ লগতে কিতাপখনত এক বিশ্বজনীন সুৰ ধ্বনিত হ'ব লাগিব।

**কটনিয়ান ঃ** আজিৰ তাৰিখত লিখা অসমীয়া গ্ৰন্থবোৰক মহৎ সাহিত্য আখ্যা দিব পাৰিনে?

**বৰগোহাঞিং ঃ** অসমীয়া সাহিত্যতে নহয় বিশ্ব সাহিত্যতো আজিৰ তাৰিখত লিখা এখন কিতাপকো মহৎ গ্ৰন্থ আখ্যা দিব নোৱাৰি। কিন্তু সেই একেখন গ্ৰন্থই এশ বা দুশ বছৰ পাছত মহৎ গ্ৰন্থৰূপে বিবেচিত হোৱাৰ সম্ভাৱনা নথকা নহয়। কথাটো মই তোমালোকক বুজাই কৈছোঁ - আজিৰ পৰা ১০০ বছৰ আগতে লিখা একোখন কিতাপে তোমালোকৰ মনত যিটো শ্ৰদ্ধা ৰাখিব পাৰিছে, সাহিত্য হিচাপে যুগমীয়া কীৰ্তি স্থাপন কৰিছে সেয়া আজিৰ তাৰিখত সম্ভৱ নহয়। ইয়াৰ প্ৰধান কাৰণটো হৈছে আগতে মানুহৰ জীৱনধাৰা, জীৱন দৰ্শন, জীৱনৰ প্ৰতি দৃষ্টিভংগী শতাব্দীৰ পাছত শতাব্দী অপৰিবৰ্তিত আছিল গতিকে এহেজাৰ বছৰ আগতে লিখা কিতাপ এখন প্ৰকাশৰ ৫০০ বছৰ পাছতো পঢ়ুৱৈয়ে পঢ়োতে নিজৰ জীৱনধাৰা, জীৱন দৰ্শন বিচাৰি পাইছিল। ফলত গ্ৰন্থবোৰে কালজয়ী গ্ৰন্থৰূপে চিহ্নিত হৈছিল। কিন্তু আজিৰ সময়ত মানুহৰ জীৱন ধাৰাৰ দ্ৰুত পৰিবৰ্তন ঘটিছে। এতিয়া অকল আমেৰিকাতে বছৰি ৪০,০০০ কিতাপ প্ৰকাশ পায় কিন্তু ২০০ বছৰ আগতে সেই সময়লৈকে প্ৰকাশ পোৱা কিতাপৰ মুঠ সংখ্যা সমগ্ৰ বিশ্বৰ সাহিত্যক সামৰি ললেও নিশ্চয় ৪০,০০০ হোৱা

"সাহিত্য আৰু সাংবাদিকতাৰ সত্য পৃথক। সাংবাদিকতাৰ সত্য তথ্যভিত্তিক আৰু সাহিত্যৰ সত্য জীৱনৰ অৰ্থ-অনৰ্থ, জীৱনৰ অভিজ্ঞতাৰ তাৎপৰ্যভিত্তিক।"



“কটনত নপঢ়া হ’লে হয়তো লেখক নহ’লোহেঁতেন। ছাত্র হিচাপে মই অন্য কলেজত পঢ়িছিলো কিন্তু কটন কলেজত নপঢ়া হ’লে মই সাহিত্যিক হ’ব নোৱাৰিলোহেঁতেন। কটনত পঢ়া চাৰি বছৰ মোৰ জীৱনৰ বাবে গুৰুত্বপূৰ্ণ।”



নাছিল। এফালে জীৱন ধাৰাৰ দ্ৰুত পৰিবৰ্তন আৰু আনফালে সাহিত্যৰ ক্ষেত্ৰত প্ৰতিযোগিতাৰ ফলত কোনখন কিতাপ শ্ৰেষ্ঠ সেইকথা চিহ্নিত কৰাটো জটিল হৈ পৰিছে। বছৰি প্ৰকাশ পোৱা ৪০,০০০ কিতাপৰ মাজত কোনখন ভাল কোনখন বেয়া নিৰ্বাচন কৰাটো সম্ভৱ নহয়। অসমীয়াত এযাৰ কথা আছে - অধিক মাছত বগলী কণা। বিশ্ব সাহিত্যৰ ক্ষেত্ৰত এইযাৰ কথা আজিৰ তাৰিখত প্ৰযোজ্য। মানুহৰ জীৱনধাৰৰ দ্ৰুত পৰিবৰ্তনৰ ফলত আজিৰ পৰা দহ বছৰ পূৰ্বে যিখন কিতাপ লিখা হৈছিল সেইখন কিতাপ সেইসময়ত জনপ্ৰিয় হ’লেও আজি অপ্ৰাসংগিক হৈ পৰিছে। উদাহৰণ স্বৰূপে 'সাতসৰী'ৰ প্ৰেমৰ গল্প সংখ্যাৰ গল্পবোৰ পঢ়ুৱৈয়ে এতিয়া পঢ়িলেও ৫০ বছৰ পাছত যে এইবোৰ গল্প পঢ়ুৱৈয়ে পঢ়ি ভাল পাব তাৰ সন্দেহ আছে। কাৰণ সেইসময়ত প্ৰেমৰ গল্প পঢ়ুৱৈয়ে নপঢ়ে যিহেতু তেতিয়া প্ৰেমৰ ধাৰণাটো হয়তু সলনি হৈ যাব। সন্তান উৎপাদনৰ কাৰণে সংগমৰ প্ৰয়োজন নাথাকিব। যাৰ সন্তানৰ আকাংক্ষা থাকে তেওঁ Laboratory লৈ যাব আৰু সন্তান 'উৎপাদন' কৰিব। সেয়া হ’লে প্ৰেম, parenthood এইবোৰৰ ধাৰণা সলনি হ’ব আৰু তেতিয়া সেই ধাৰণা অনুসৰি শিল্প-সাহিত্য সৃষ্টি হ’ব। গতিকে আজিৰ তাৰিখত মহৎ বা কালজয়ী সাহিত্যৰ ধাৰণাটো অসমীয়াই হওক বা অন্য ভাষাৰ সাহিত্য হওক,

**কটনিয়ান ঃ** আপোনাৰ দৃষ্টিত সাহিত্যৰ লক্ষ্য কি হোৱা উচিত?

**বৰগোহাঞি ঃ** তোমালোকে জীয়াই থকাৰ লক্ষ্য কি বুলি ভাবা? খোৱাৰ লক্ষ্য কি হোৱা উচিত বুলি ভাবা? আচলতে তোমালোকে যদিও এইবোৰ কোনো তাত্ত্বিক কথা বুলি ভাবা মোৰ বাবে দৰাচলতে এয়া অৰ্থহীন প্ৰশ্ন... এয়া এক স্বাভাৱিক প্ৰবৃত্তি - নিজক প্ৰকাশ কৰাৰ এটা পথ। আহাৰ, মৈথুন, নিদ্ৰা - ইহঁতক অতিক্ৰম কৰি অন্য পশুতকৈ উৰ্দ্ধত 'মানুহ' হোৱাৰ চিন। কোনোবাই নিজৰ সত্বাটোক চিত্ৰকলা, কোনোবাই সঙ্গীতেৰে প্ৰকাশ কৰাৰ দৰে কোনোবাই সাহিত্যৰে কৰে - কথা সিমানেই - তাৰ কোনো বেলেগ লক্ষ্য থাকিব নোৱাৰে।

**কটনিয়ান ঃ** অৰ্থাৎ এজন লেখকৰ ভিতৰত সামাজিক দায়বদ্ধতাতকৈ বেছি হৃদয়ৰ তাগিদা বা মানসিক তৃপ্তিৰ প্ৰশ্নটো জড়িত হৈ থাকে?

**বৰগোহাঞি ঃ** কিন্তু নিজৰ তৃপ্তি কেতিয়া হ’ব? আমি নিজে তৃপ্তিৰ কাৰণে খাওঁ - ঠিক আছে; কিন্তু আমি আনকো কিয় মাতি আনি খুৱাওঁ? (বুদ্ধিদীপ্ত চাৱনিৰে...) গতিকে এজন লেখকৰ ক্ষেত্ৰত সামাজিক দায়বদ্ধতা আৰু ব্যক্তিগত সন্তুষ্টি পৰস্পৰৰ পৰিপূৰক - ইহঁত পৃথক নহয়।

**কটনিয়ান ঃ** সাহিত্যিক আৰু সাংবাদিক - আপুনি কোনটো ভূমিকাত নিজক সম্পূৰ্ণ সৎ আৰু শুদ্ধ বুলি ভাবে?

**বৰগোহাঞি ঃ** মই নিজকে কেতিয়াও সত্য বা শুদ্ধ বুলি দাবী নকৰোঁ। তাৰোপৰি সাহিত্য আৰু সাংবাদিকতাৰ সত্য পৃথক। সাংবাদিকতাৰ সত্য তথ্যভিত্তিক আৰু সাহিত্যৰ সত্য জীৱনৰ অৰ্থ-অনৰ্থ, জীৱনৰ অভিজ্ঞতাৰ তাৎপৰ্যভিত্তিক।

**কটনিয়ান ঃ** আপুনি লেখক হিচাপে নে সাংবাদিক হিচাপে সুখী?

**বৰগোহাঞি ঃ** লেখক হিচাপে। সাংবাদিকতা মই জীৱিকাৰ কাৰণেহে কৰিছোঁ। এতিয়া অভ্যাসত পৰিণত হৈছে। লেখক হিচাপে ই মোৰ যথেষ্ট সময় নষ্ট কৰিছে। সপ্তাহটোৰ ছটা দিনেই সাংবাদিকতা কৰি মই 'Sunday Writer' হৈ গৈছোঁ। বাকী সময়তো সাহিত্য কৰিব পৰা হ’লে নিশ্চয় তাৰ গুণগত মানৰ পৰিবৰ্তন হ’লহেঁতেন।

**কটনিয়ান ঃ** কিন্তু 'এপিতাফ', 'ইছমাইল শ্বেইখৰ সন্ধানত', 'হাতী', 'ভয়' ইত্যাদি উন্নত

সা • ক্ষা • ৎ • কা • ৰ

মানৰ সাৰ্থক গল্প ৰচনাৰ পিচত আপুনি গল্প লিখিবলৈ কিয় বাদ দিলে?

**বৰগোহাঞি ঃ** গল্প... মই ১৯৮১ চনতে শেষ গল্পটো লিখিছোঁ। গল্প লিখিবলৈ মই এইকাৰণেই বাদ দিলো - কিয়নো যেতিয়া মোৰ সময়ৰ অভাৱ, সপ্তাহৰ সাতটা দিন মই সাহিত্যৰ কাৰণে খৰচ কৰিব নোৱাৰো তেতিয়া মই ঠিক কৰিবলগীয়া হ'ল যে মই কোনটো লিখিলে মোৰ স্বাভাৱিক প্ৰতিভাখিনি বা মোৰ সামৰ্থখিনি কামত আহিব। তাৰোপৰি গল্প লিখিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন আৰু অনুকূল পৰিবেশৰো প্ৰয়োজন। ভাল গল্প এটা লিখিবলৈ ছয় সাত মাহ লাগি যাব পাৰে। হাতী মাৰি ভুকুকাত ভৰোৱাত পৰিশ্ৰমো বেছি। গতিকে সময় পৰিশ্ৰম সকলো মিলি মই মোৰ ব্যক্তিগত ৰচনাতে মনোনিবেশ কৰাটো উচিত হ'ব বুলি ভাবিলো। মই দেখিলো মোৰ ব্যক্তিগত ৰচনাসমূহে যথেষ্ট সঁহাৰি পাইছে। পাঠকে তাৰ দ্বাৰা উপকৃত হৈছে বুলিও স্বীকৃতি দিছে - সেয়ে মই ব্যক্তিগত ৰচনাতে মনোনিবেশ কৰিলো। অৱশ্যে অন্য দেশসমূহত এনেধৰণৰ ব্যক্তিগত ৰচনাক Serious Art বুলিয়ে ধৰা হয়।

**কটনিয়ান ঃ** অপোনাৰ সমসাময়িক লেখকসকলৰ সতে আপোনাৰ সৌহাৰ্দ্য বা বন্ধুত্ব আছিলনে? আপোনালোকে পৰস্পৰক কিদৰে উৎসাহ, অনুপ্ৰেৰণা যোগাইছিল?

**বৰগোহাঞি ঃ** মই কোনো প্ৰেৰণাত বিশ্বাস নকৰোঁ। অৱশ্যে নতুন অৱস্থাত কোনোবাই উৎসাহ দিবই লাগিব। কিন্তু এটা সময়ত তেওঁ যেতিয়া নিজক বিচাৰি পায়, তাৰ পিচত আৰু প্ৰেৰণাৰ প্ৰয়োজন নাই। তেতিয়া সাধনাৰ প্ৰয়োজন আহি পৰে। মই যেতিয়া লেখক হ'বলৈ আৰম্ভ কৰোঁ - সেই দিনৰ এটা উল্লেখযোগ্য ঘটনা - মই ৰামধেনুলৈ এটা কবিতা পঠিয়াওঁ কিন্তু তেতিয়াৰ সম্পাদক মহেশ্বৰ নেওগ চাৰে কবিতাটো প্ৰকাশ নকৰিলে। মই নিজকে অকবি বুলি ভাবিবলৈ ধৰিলো। অকবিয়ে আছিলো অৱশ্যে। কিন্তু নেওগ চাৰৰ পাছত যেতিয়া বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য 'ৰামধেনু'ৰ সম্পাদক হয় তেতিয়া প্ৰথম সংখ্যাতে সেই কবিতাটো প্ৰকাশ কৰে। সেই ঘটনাটো মোৰ বাবে বিৰাট প্ৰেৰণাদায়ক আছিল। ...কিন্তু গোটেই জীৱন মানুহে প্ৰেৰণা বা প্ৰশংসা বিচাৰি ফুৰিলেতো নহ'ব...!

"মই ৰামধেনুলৈ এটা কবিতা পঠিয়াওঁ কিন্তু তেতিয়াৰ সম্পাদক মহেশ্বৰ নেওগ চাৰে কবিতাটো প্ৰকাশ নকৰিলে। মই নিজকে অকবি বুলি ভাবিবলৈ ধৰিলো। অকবিয়ে আছিলো। অৱশ্যে কিন্তু নেওগ চাৰৰ পাচত যেতিয়া বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য 'ৰামধেনু'ৰ সম্পাদক হয় তেতিয়া প্ৰথম সংখ্যাতে সেই কবিতাটো প্ৰকাশ কৰে। সেই ঘটনাটো মোৰ বাবে বিৰাট প্ৰেৰণাদায়ক আছিল। ...কিন্তু গোটেই জীৱন মানুহে প্ৰেৰণা বা প্ৰশংসা বিচাৰি ফুৰিলেতো নহ'ব...!"

**কটনিয়ান ঃ** অসম সাহিত্য সভা অসমীয়া জাতীয় জীৱনৰ সৰ্ববৃহৎ অনুষ্ঠান। সম্প্ৰতি সাহিত্য সভাৰ ভিতৰছোৱাত হোৱা অৰ্থ কেলেংকাৰীক লৈ নানা বাক-বিতণ্ডাৰ সৃষ্টি হৈছে। অনুষ্ঠানটোৰ এগৰাকী প্ৰাক্তন সভাপতি হিচাপে এই বিষয়ে আপুনি কি ক'ব খোজে?

**বৰগোহাঞি ঃ** এই বিষয়ে মই একো মন্তব্য নিদিওঁ। আচলতে কোনো ভদ্ৰলোকেই নিদিয়ে। ই বাইজৰ অনুষ্ঠান - বাইজেই ক'ব। ব্যক্তিগত ভাৱে, সভাপতি হিচাপে পোৱা ক্ষুদ্ৰ সময়চোৱাক utilise কৰি মই অনুষ্ঠানটোৰ ফালৰ পৰা জাতিটোৰ হকে কিবা এটা কৰি যোৱাটোত বিশ্বাস কৰোঁ।



**কটনিয়ান ঃ** আপোনাৰ জীৱনত কটন কলেজৰ ভূমিকা?

**বৰগোহাঞি ঃ** কটনত নপঢ়া হ'লে মই হয়তো লেখক নহ'লোহেঁতেন। ছাত্ৰ হিচাপে মই অন্য কলেজতো পঢ়িছিলোঁ কিন্তু কটন কলেজত নপঢ়া হ'লে মই সাহিত্যিক হ'ব নোৱাৰিলোহেঁতেন। কটনত পঢ়া চাৰি বছৰ মোৰ জীৱনৰ বাবে গুৰুত্বপূৰ্ণ। কিয়নো মই এই সময়ছোৱাতে 'ৰামধেনু' ইত্যাদি আলোচনীত লেখা-মেলা কৰিবলৈ আৰম্ভ কৰিছিলোঁ।

**কটনিয়ান ঃ** নতুন চামলৈ আপোনাৰ উপদেশ?

**বৰগোহাঞি ঃ** আত্ম দীপো ভৱ!

প্র • তি • বে • দ • ন



"...কেনেকৈ লিখোঁ, কি লিখোঁ, সেই কথা মই নিজেও নাজানো। কলম হাতত ল'লে আপোনা-আপুনি ভাববোৰ মনলৈ আহিব ধৰে। চৰিত্ৰবোৰে আহি মোৰ কল্পনাত ভিৰ কৰে। চৰিত্ৰবোৰে যিদৰে বিচাৰে, সেইদৰেই কাহিনী আগবাঢ়ি যায়। আচলতে চৰিত্ৰবোৰেই মোৰ সন্তান। তেওঁলোকৰ সুখ-দুখৰ লগত মোৰো সুখ-দুখ একাকাৰ হৈ পৰে।"

# লেখকৰ সৈতে মুখামুখি অনুষ্ঠান

# অতিথি ঃ য়েছে দৰজে ঠংচি

আয়োজক ● কটনিয়ান

● অসমীয়া আলোচনা চক্ৰ



১০ জানুৱাৰী ২০০৬
মংগলবাৰ
পুৱা ন বজা।

'মৌন ওঁঠ মুখৰ হৃদয়'ৰ বাবে ২০০৫ চনৰ সাহিত্য অকাডেমি বঁটাৰে বিভূষিত য়েছে দৰজে ঠংচিয়ে কটন কলেজত ছাত্ৰ-শিক্ষক-সাংবাদিক-অভিভাৱকৰ সৈতে এক মুখামুখি অনুষ্ঠানত অংশ গ্ৰহণ কৰি নিজৰ গল্প-উপন্যাসৰ পটভূমি আৰু সেইবোৰৰ নিৰ্মাণ সম্পৰ্কে, সৃষ্টিৰ আঁৰৰ ৰহস্য ভেদ কৰি উদ্ধৃত কথাযাৰ কৈছিল। গহীন চুভমাৰ্ছন হলটো পঢুৱৈ আৰু লিখকৰ মুখামুখিত প্ৰাণ পাই উঠিছিল। অলেখ প্ৰশ্ন আৰু প্ৰতিটো প্ৰশ্নৰে বুদ্ধিদীপ্ত উত্তৰে মুগ্ধ কৰিছিল সভাগৃহত উপস্থিত থকা প্ৰতিজন সাহিত্যপ্ৰেমীক।

অসমীয়া ৰাইজৰ পৰা পাই অহা মৰম শুভেচ্ছাৰে য়েছে দৰজে ঠংচিয়ে অসমীয়া ভাষাত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰিছিল। উল্লেখ্য যে য়েছে দৰজে ঠংচি অসমীয়া ভাষাত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা একমাত্ৰ অৰুণাচলী ব্যক্তি। তেখেতৰ নিজৰ ভাষাত "অসমীয়াক মই নিজৰ দ্বিতীয় মাতৃভাষা হিচাপে গ্ৰহণ কৰিছোঁ আৰু সুদীৰ্ঘকাল ধৰি মই অসমীয়া ভাষাতে সাহিত্য-চৰ্চা কৰিছোঁ। মোৰ যিটো মাতৃভাষা, সেই ভাষা কোৱা লোক চাৰি-পাঁচ হাজাৰৰ বেছি নহয়। গতিকেই অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি, অসমীয়া পাঠকৰ অনাবিল প্ৰেৰণা বুটলি মই অভিভূত আৰু গৰ্ব বোধ কৰিছো।"

নিজৰ গল্প-উপন্যাসৰ সৃষ্টিৰ পটভূমিৰ বিষয়ে জিজ্ঞাসু পাঠকৰ প্ৰশ্নৰ উত্তৰত কৈছে "আমাৰ অৱচেতন মনত বহু স্মৃতি জীয়াই থাকে। আমাৰ গল্প-উপন্যাসবোৰ হ'ল সেই স্মৃতিৰ পৰা ওলাই অহা একো একোটা কাহিনী।" কটন কলেজত পঢ়ি থকা দিনবোৰৰ কথা কওঁতে নিজৰ প্ৰতিভাৰে অসমীয়া সাহিত্যৰ আকাশত এক উজ্জ্বল নক্ষত্ৰত পৰিণত হোৱা অগ্ৰজ কটনিয়ান জন আৱেগিক হৈ পৰিছিল "বমডিলাত উচ্চতৰ মাধ্যমিক শ্ৰেণীত পঢ়ি থকাৰ সময়ত নিজকে সাহিত্যিক বুলি ভাবিছিলোঁ। তেতিয়া মই কেইবাখনো নাটক লিখিছিলোঁ। কিন্তু কটনত পঢ়িবলৈ লোৱাৰ পিছতহে অনুভৱ কৰিলোঁ যে মই অসমীয়া ভাষাটো ভালকৈ নাজানোৱেই। তেতিয়া মই ছন্দোবদ্ধ কবিতাও লিখিছিলোঁ। কিন্তু সেই সময়ত নৱকান্ত বৰুৱা, ভবেন বৰুৱা, অজিৎ বৰুৱা আদিৰ আধুনিক কবিতাবোৰ দেখি মই কবিতা লিখিবলৈ বাদ দিছিলোঁ। কটনৰ ছাত্ৰাবস্থাত প্ৰতিযোগিতাত যোগদান কৰিছিলোঁ আৰু তিনিটামান গল্প লিখিছিলোঁ। কিন্তু প্ৰতিবাৰে মই নিচুকণি বঁটাহে পাইছিলোঁ।"

এযোৰ পৰিস্কাৰ চ্যুট, সোণালী ফ্ৰেমৰ চশমা আৰু ঈষৎ সেউজীয়া মাখন বুলীয়া নোমাল টুপী এটাৰে মঞ্চত বহি পঢ়ুৱৈৰ প্ৰশ্নৰ উত্তৰ দি থকা য়েছে দৰজে ঠংচিৰ আকৰ্ষণীয় ব্যক্তিত্বই সাহিত্যপ্ৰেমীক মুগ্ধ কৰিছিল। শান্ত-শিষ্ট মানুহজনে বাৰু কটন কলেজত পঢ়ি থকা দিনবোৰত নিজৰ ব্যক্তিত্বৰে সহপাঠী আৰু শিক্ষা গুৰুসকলক আকৰ্ষিত কৰিব পাৰিছিলনে? যৌৱনৰ সেউজীয়া দিনবোৰত ঠংচিয়ে হৃদয়ৰ গোপন কোণত কোনো নাৰীৰ প্ৰতিচ্ছবি কঢ়িয়াই ফুৰিছিল নেকি? নিজৰ প্ৰিয় লিখকৰ ব্যক্তগত জীৱনটোত ভুমুকি মাৰি চাব খুজিছিল গুণমুগ্ধ পঢ়ুৱৈয়ে। নিজৰ প্ৰেমৰ কথা স্পষ্টকৈ নক'লেও পঢ়ি থকা দিনবোৰৰ আমোদজনক স্মৃতিৰ কথা ঠংচিয়ে নিসংকোচে কৈছিল - "সৰুৰে পৰা মই লাজকুৰীয়া স্বভাৱৰ। মই কেতিয়াও ছোৱালী জোকোৱা নাছিলোঁ, ছোৱালীবোৰেহে ওলোটাই মোক জোকাইছিল। এদিন কেইজনমান বন্ধুৱে ছোৱালী জোকোৱাৰ বাবে মোক ছাত্ৰী নিবাসৰ ওচৰলৈ লৈ গ'ল। সিহঁতে মোক সুহুৰি বজাবলৈ ক'লে। কিন্তু বহু চেষ্টা কৰিও সুহুৰি বজাব নোৱাৰিলোঁ। কিছু সময়ৰ পিছত দেখিলো, বন্ধুসকল মোৰ ওচৰৰ পৰা আঁতৰি গৈছে। তেতিয়া নৱকান্ত বৰুৱা ছাৰ আছিল নব ছাত্ৰাবাসৰ অধীক্ষক। ছাৰে মোৰ ওচৰ চাপি অহা দেখি মই ভয়ত বিচুৰ্তি খালোঁ যদিও ছাৰে হাঁহি মাৰি ক'লে - 'ডেকা ল'ৰা, সুহুৰিটো ভালকৈ বজাবিচোন'।"

য়েছে দৰজে ঠংচিৰ প্ৰতিটো গল্পৰে বিষয়বস্তু ভিন্ন। বাস্তৱ জীৱনত লগ পোৱা চৰিত্ৰ আৰু সন্মুখীন হোৱা সমস্যাক নিজৰ গল্পত স্থান দিয়াটো ঠংচিৰ গল্পৰ অন্যতম বিশেষত্ব। "মোৰ বহুকেইটা গল্প একোটা জলন্ত সমস্যাক লৈ লিখিছোঁ। বন্যপ্ৰাণী সংৰক্ষণক লৈ 'গাঁও', যুদ্ধৰ বিভীষিকা লৈ 'এজনী শৰণাৰ্থী বুঢ়ীৰ অন্তিম ইচ্ছা', কুষ্ঠৰোগী সকলৰ সমস্যাক লৈ 'পাপৰ পুখুৰী' ধৰ্মান্তৰণক লৈ 'ৰঙা তৰাৰ আহবান', সশস্ত্ৰ বিদ্ৰোহক লৈ 'ইয়াত সীমা নাছিল', বাঁহ ফুলি কৰা এন্দুৰৰ উপদ্ৰৱক লৈ 'বাঁহ ফুলৰ গোন্ধ' ইত্যাদি।" বহু সমালোচকে ঠংচিৰ গল্পৰ পটভূমি আৱিষ্কাৰ কৰাত প্ৰায়েই ব্যৰ্থ হয় বুলি বিশিষ্ট গল্পকাৰ গৰাকীয়ে মুখামুখি অনুষ্ঠানত আক্ষেপ কৰিছে। নিজেই নিজৰ গল্পৰ পটভূমিৰ কথা জিজ্ঞাসু পঢ়ুৱৈৰ প্ৰশ্নৰ উত্তৰ এইদৰে দিছে - " 'বিপদত তিনিপক্ষ', 'কোনো খেদ নাই', 'বাঁহফুলৰ গোন্ধ' আদি গল্প মই নিৰ্চি জনজাতিক লৈ লিখিছোঁ। আপাতানিসকলক লৈ লিখা গল্প হ'ল 'সাঁথৰৰ দৰে দুজন সুহৃদ', 'ধুমুহা অহাৰ সংকেত', 'পাপৰ পুখুৰী' আদি। গল্পৰ পটভূমি ৰূপে লাজু নক্তেসকলকো মই লৈছোঁ 'ইয়াত সীমা নাছিল' শীৰ্ষক গল্পটোত।"

য়েছে দৰজে ঠংচিৰ গল্পসমূহ একোটা জীৱনধাৰাৰ বাহক। গল্পবোৰৰ ভাষা আৰু বিষয়বস্তুত লিখকৰ নিজস্বতা সুস্পষ্ট। বাহুল্যহীন বৰ্ণনা ঠংচিৰ গল্পৰ বিশেষত্ব। ভাষাৰ সৰলতা আৰু স্বচ্ছন্দতাৰ বাবে ঠংচিৰ প্ৰতিটো গল্পই হৃদয়স্পৰ্শী। ঠংচিক এগৰাকী গুণমুগ্ধই সুধিছিল - বিভিন্ন সৃষ্টিত আপুনি যি জনজাতীয় সৰলতাৰ ছবি আঁকিছে সেই সৰল ৰূপ

"এযোৰ পৰিস্কাৰ চ্যুট, সোনালী ফ্ৰেমৰ চশমা আৰু ঈষৎ সেউজীয়া মাখন বুলীয়া নোমাল টুপী এটাৰে মঞ্চত বহি পঢ়ুৱৈৰ প্ৰশ্নৰ উত্তৰ দি থকা য়েছে দৰজে ঠংচিৰ আকৰ্ষণীয় ব্যক্তিত্বই সাহিত্যপ্ৰেমীক মুগ্ধ কৰিছিল। শান্ত-শিষ্ট মানুহজন বাৰু কটন কলেজত পঢ়ি থকা দিনবোৰত নিজৰ ব্যক্তিত্বৰে সহপাঠী আৰু শিক্ষা গুৰুসকল আকৰ্ষিত কৰিব পাৰিছিলনে? যৌৱনৰ সেউজীয়া দিনবোৰত ঠংচিয়ে হৃদয়ৰ গোপন কোণত কোনো নাৰীৰ প্ৰতিচ্ছবি কঢ়িয়াই ফুৰিছিল নেকি?"



আজিও অপৰিৱৰ্তিত আছেনে? সাহিত্যিক গৰাকীয়ে উত্তৰ দিছিল - "সকলো জাতিৰ মাজতে সৰলতা আছে। কিন্তু যিসকল অশিক্ষিত আৰু সাধাৰণ লোক, সেইসকলেহে সৰলতাখিনি ধৰি ৰাখিব পাৰিছে।"

উপন্যাস এখন লিখাৰ আগতে আপুনি নিজকে কেনেদৰে প্ৰস্তুত কৰে? য়েছে দৰজে ঠংচিয়ে নিজে লিখা উপন্যাসৰ আৰম্ভণি আৰু শেষ অংশ প্ৰথমে ঠিক কৰি লয়। লেখক গৰাকীৰ ভাষাত - "কোনো উপন্যাস লিখাৰ আগতে মই আৰম্ভণি আৰু শেষ অংশ ঠিক কৰি লওঁ। আনকি কি শব্দ বা বাক্যৰে গল্প বা উপন্যাস শেষ হ'ব সেই কথা বাৰে বাৰে যুকিয়াই লওঁ। একেটা বহাতে মোৰ কোনো লেখনী শেষ কৰিব নোৱাৰোঁ। এটা দুটা পেৰাগ্ৰাফ লিখি হয় মই উঠি পায়চাৰি কৰিব লাগিব নহয় কিতাপ বা খবৰ কাগজ অলপ পঢ়ি ল'ব লাগিব। মুঠতে ধৈৰ্যসহকাৰে বহুপৰ লিখাৰ অভ্যাস মোৰ নাই। অফিচৰ কৰ্তব্যই মোৰ নিৰবছিন্ন লেখাত ব্যাঘাত জন্মায়। দুখন জগতত মই বাস কৰিবলগাত পৰে। এই কথা সকলো লিখকৰ ক্ষেত্ৰত প্ৰযোজ্য বুলি মই ভাবোঁ।"

কটন কলেজৰ বাৰ্ষিক আলোচনী কটনিয়ান আৰু অসমীয়া আলোচনা চক্ৰৰ দ্বাৰা আয়োজিত য়েছে দৰজে ঠংচিৰ সৈতে মুখামুখি অনুষ্ঠানটো সঞ্চালনা কৰিছিল বিশিষ্ট গল্পকাৰ কুল শইকীয়াই। সঞ্চালকৰ বক্তব্যত বিশিষ্ট গল্পকাৰ তথা আই.পি.এছ বিষয়া কুল শইকীয়াই য়েছে দৰজে ঠংচিৰ গল্পৰ সন্দৰ্ভত কয় "কম সংখ্যক কিতাপৰ যোগেদিয়েই ঠংচিয়ে জীৱন-জিজ্ঞাসাক বিশেষ ভাবে প্ৰকাশ কৰিব পাৰিছে। জীৱনৰ কমনীয়তাক তেওঁ অবিস্মৰণীয় দক্ষতাৰে চিত্ৰিত কৰি আহিছে। নিজৰ গল্প-উপন্যাসৰ বৰ্ণনাৰ সৈতে পঢ়ুৱৈকো পৰিচালিত হ'বলৈ ঠংচিয়ে বাধ্য কৰাব পাৰে, পঢ়ুৱৈকো পটভূমিৰ অংশীদাৰ হ'বলৈ তেওঁ উদ্বুদ্ধ কৰে। 'লেখকৰ সৈতে মুখামুখি, অতিথি ঃ য়েছে দৰজে ঠংচি' শীৰ্ষক অনুষ্ঠানটোৰ আৰম্ভণিতে কটন কলেজৰ অধ্যক্ষ উদয়াদিত্য ভৰালীয়ে আদৰণি ভাষণ দিয়ে। অনুষ্ঠানটোত কটন কলেজৰ ভালে কেইগৰাকী অধ্যাপক-অধ্যাপিকা আৰু শতাধিক কটনিয়ান, আৰু তেওঁলোকৰ অভিভাৱকসকলে অংশ গ্ৰহণ কৰে।

"কোনো উপন্যাস লিখাৰ আগতে মই আৰম্ভণি আৰু শেষ অংশ ঠিক কৰি লওঁ। আনকি কি শব্দ বা বাক্যৰে গল্প বা উপন্যাস শেষ হ'ব সেই কথা বাৰে বাৰে যুকিয়াই লওঁ। একেটা বহাতে মোৰ কোনো লেখনী শেষ কৰিব নোৱাৰোঁ। এটা দুটা পেৰাগ্ৰাফ লিখি হয় মই উঠি পায়চাৰি কৰিব লাগিব নহয় কিতাপ বা খবৰ কাগজ অলপ পঢ়ি ল'ব লাগিব। মুঠতে ধৈৰ্যসহকাৰে বহুপৰ লিখাৰ অভ্যাস মোৰ নাই। অফিচৰ কৰ্তব্যই মোৰ নিৰবছিন্ন লেখাত ব্যাঘাত জন্মায়।"



## পলকতে

**য়েছে দৰজে ঠংচি**

**জন্ম ঃ** ১৯৫২, অৰুণাচলৰ বমদিলাৰ ওচৰৰ ৰূপা নামৰ গাঁৱত।

**শিক্ষা ঃ** কটন কলেজৰ পৰা অসমীয়াত স্নাতক ডিগ্ৰী (১৯৭৪), গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী (১৯৭৬)।

**কৰ্মজীৱন ঃ** অৰুণাচলৰ অসামৰিক সেৱাৰ বিষয়া ৰূপে কৰ্ম জীৱন আৰম্ভ। ১৯৯২ চনত ভাৰতীয় প্ৰশাসনিক সেৱালৈ পদোন্নতি আৰু অৰুণাচলৰ বিভিন্ন জিলাত উপায়ুক্তৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। বৰ্তমান অৰুণাচল প্ৰদেশৰ সাংস্কৃতিক (আদি) বিভাগত সচিব হিচাপে কৰ্মৰত।

**প্ৰকাশিত গ্ৰন্থ ঃ** কামেং সীমান্তৰ সাধু, চনম (উপন্যাস), লিনঝিক (উপন্যাস), মৌন ওঁঠ মুখৰ হৃদয় (উপন্যাস), পাপৰ পুখুৰী (চুটি গল্প সংকলন), শৰ কটা মানুহ (উপন্যাস), বাঁহ ফুলৰ গোন্ধ (চুটি গল্প সংকলন)।

**বঁটা আৰু পুৰস্কাৰ ঃ** অসম সাহিত্য সভাই আয়োজন কৰা ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি হৰিহৰ চৌধুৰী বঁটাৰে সন্মানিত। 'মৌন ওঁঠ মুখৰ হৃদয়'ৰ বাবে ২০০৩-০৪ বৰ্ষৰ ভাষা ভাৰতী সাহিত্যৰ পুৰস্কাৰেৰে বিভূষিত। 'পাপৰ পুখুৰী' গল্প সংকলনৰ বাবে অসম সাহিত্য সভাৰ বিষ্ণু ৰাভা বঁটা লাভ কৰে। 'মৌন ওঁঠ মুখৰ হৃদয়'ৰ বাবে ২০০৫ বৰ্ষৰ সাহিত্য অকাডেমী বঁটাৰে সন্মানিত।



# বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন



# উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সকলো কটনিয়ানলৈ শুভেচ্ছা জনালো। বিশেষকৈ ঐতিহ্যমণ্ডিত কটন কলেজখনৰ প্ৰতি সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সকলোলৈ চিৰ কৃতজ্ঞ যাচিছোঁ। মোৰ এবছৰীয়া কাৰ্য্যকালত কাম-কাজৰ খতিয়ান বিবেকবান কটনিয়ানৰ বিচাৰ্যৰ বিষয়। যি কি নহওক কটন কলেজৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত মোৰ কালৰ পৰা চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। উল্লেখ নকৰিলেও এই কথা সৰ্বজন বিদিত যে কটন কলেজক ৰাজনৈতিক মেৰ-পাকৰ পৰা মুক্ত কৰিবলৈ আমি ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলে প্ৰচেষ্টা অব্যাহত ৰাখিছিলোঁ। কাৰ্বি আংলঙত সংঘটিত গোষ্ঠী সংঘৰ্ষত জৰ্জৰিত ৰাজ্যক সহায়ৰ হাত আগবঢ়াবলৈ দিলীপ গগৈ ছাৰৰ তত্বাবধানত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আৰ্বি আংলংত ভ্ৰমন কৰি সাহাৰ্য আগবঢ়াইছিলোঁ।

ছোৱালী হোষ্টেলৰ থকা অসুবিধাকে ধৰি বিভিন্ন কটনিয়ান ছাত্ৰ-ছাত্ৰীৰ অসুবিধাবোৰ দূৰ কৰিবলৈ চৰকাৰৰ সতে আলোচনা কৰি সমাধান কৰাৰ চেষ্টা চলাই গৈছিলোঁ।

ৰঙিয়াত অনুষ্ঠিত হোৱা সদৌ অসম লেখিকা সমাৰোহত কটন কলেজৰ হৈ সাংস্কৃতিক শোভা যাত্ৰাত অংশ গ্ৰহণ কৰি সকলোকে আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিলোঁ। দিনে দিনে বাঢ়ি অহা কটন কলেজৰ ছাত্ৰী নিবাসৰ সমস্যা তথা কলেজৰ সকলোবোৰ সমস্যাকে সমাধান কৰিবলৈ অসম চৰকাৰৰ লগত আলাপ-আলোচনা কৰি তীব্ৰ হেঁচা প্ৰয়োগ কৰিছিলো। ইয়াৰ উপৰিও কলেজৰ সমূহ কাৰ্য্যসূচী যেনে কলেজ সপ্তাহকে ধৰি সকলোতে সক্ৰিয় ভূমিকা পালন কৰিছিলো। মোৰ এবছৰীয়া কাৰ্যকালত গ্ৰহণ কৰা কাৰ্যসমূহৰ সফলতা-বিফলতাৰ বিচাৰ কৰিব মোৰ অতি মৰমৰ কটনিয়ান বন্ধু-বান্ধবীসকলে।

সদৌ শেষত মোৰ কাৰ্যকালত বিভিন্ন দিহা পৰামৰ্শৰে উপকৃত কৰা প্ৰতিজন উদ্যোগী কটনিয়ানলৈ মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। জ্ঞাতে-অজ্ঞাতে হৈ যোৱা সহস্ৰ ভুল-ভ্ৰান্তিৰ প্ৰাৰ্থনা তথা চিৰহৰিৎ কটন কলেজৰ উত্তৰোত্তৰ উন্নতি কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলো।

লুইত পৰীয়া আমি ডেকা ল'ৰা লুইতৰ ডাৰে ডাৰে আমি আগুৱাই যাম মহানতালৈ।

জয়তু কটন কলেজ একতা সভা।

জয়তু কটন কলেজ।

জয় আই অসম।

● ৰণোজ পেগু



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মোক দ্বিতীয়বাৰৰ বাবে কটন কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে যিসকল বিবেকবান কটনিয়ানে জয়যুক্ত কৰালে সেই সকলো কটনিয়ানক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। কটন কলেজৰ আৰু উত্তৰ পূৰ্বাঞ্চলৰ মহাঐতিহ্য মণ্ডিত এই মহাবিদ্যালয়খনত অধ্যয়ন কৰা দিনৰে পৰা নিস্বাৰ্থভাৱে ইয়াৰ উন্নতিকল্পে সেৱা আগবঢ়োৱাৰ মন আছিল। যাহওঁক প্ৰথম বছৰ সাধাৰণ সম্পাদক হিচাপে যিবোৰ কাম আধৰুৱা হৈ ৰ'ল সেইবোৰ কাম কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। উত্তৰ পূৰ্বাঞ্চলৰ উৎকৰ্ষতাৰ কেন্দ্ৰ এই মহাঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখন এতিয়াও বহুক্ষেত্ৰত পিছপৰি আছে। তথাপিও ছাত্ৰ সমাজৰ নিৰ্বাচিত প্ৰতিনিধি হিচাপে মোৰ সীমাৰ পৰিধিৰ ভিতৰত থকা শক্তিৰে কামবোৰ কৰিবলৈ চেষ্টা কৰিছিলোঁ। বিভিন্ন সমস্যাৰ মাজতে মই সম্পাদনা কৰা কামৰ খতিয়ানসমূহ দিলো —

১। **কটন মহাবিদ্যালয়ক ডীম্‌ড ইউনিভাৰ্চিটি হিচাপে ঘোষণা ঃ** মোৰ কাৰ্যকালৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু চৰ্চিত বিষয় আছিল কটন মহাবিদ্যালয়ক ডীম্‌ড ইউনিভাৰ্চিটি হিচাপে ঘোষণা কৰা। ১৯৯২ চনত সেই সময়ৰ উপৰাষ্ট্ৰপতিয়ে কটন

কলেজক Centre of Excellence হিচাপে ঘোষণা কৰিছিল। আৰু তেতিয়াই কটন মহাবিদ্যালয়ক Autonomous কৰাৰ কথা আলোচনা কৰা হৈছিল। মোৰ কাৰ্যকালৰ সময়ত মহাবিদ্যালয়ৰ উন্নীতকৰণৰ বাবে লোৱা প্ৰস্তাৱ সমূহৰ ভিতৰত ডীমড ইউনিভাৰচিটিৰ কথা আলোচনা হৈছিল। আৰু এই বিষয়ে ছাত্ৰ-ছাত্ৰী শিক্ষাগুৰু আৰু প্ৰাক্তন কটনিয়ানৰ লগত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আলোচনা কৰা হৈছিল। যাহওঁক বহুত চেষ্টাৰ মূৰত আৰু শিক্ষাগুৰু তথা প্ৰাক্তন কটনিয়ান সকলৰ সহযোগত কটন কলেজ ছাত্ৰ একতা সভাই লোৱা উদ্যোগ সফল হোৱাত মোক সহায় কৰিছিল কটন কলেজৰ এপ'কাছ নামৰ সংগঠনটোৱে। ২০০৫ বৰ্ষৰ ৩১ তাৰিখে ছাত্ৰ একতা সভাৰ লগত মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱৰ লগত হোৱা আলোচনাৰ পিছত মুখ্যমন্ত্ৰীয়ে নৱবৰ্ষৰ প্ৰথম দিনাই ঘোষণা কৰিছিল যে কটন কলেজক ডীমড ইউনিভাৰচিটি ঘোষণা কৰা হ'ব। যিটো মোৰ জীৱনকালৰ সাফল্য - কাৰ্যকালৰ গুৰুত্বপূৰ্ণ দিশ আছিল। আৰু এই সংক্ৰান্তীয় কাম-কাজ এতিয়া আগবাঢ়ি আছে।

২। **তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে কোৱাৰ্টাৰৰ ব্যৱস্থা ঃ** মহাবিদ্যালয়ৰ অন্যতম অংগ হৈছে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল। কিন্তু মহাবিদ্যালয়খনৰ মাটি থকা স্বত্বেও এই লোকসকলৰ বাবে কোনো কোৱাৰ্টাৰৰ ব্যৱস্থা নাছিল; কিন্তু মোৰ কাৰ্যকালৰ সময়ত সেই সময়ৰ বিত্তমন্ত্ৰী হিমন্ত বিশ্বশৰ্মাক উক্ত কৰ্মচাৰীসকলৰ কোৱাৰ্টাৰ নিৰ্মাণৰ বাবে ১কোটি ৭৭ লাখ টকাৰ এটা প্ৰস্তাৱ দিয়া হৈছিল যিটো ৰূপনগৰত বনাবলৈও মন্ত্ৰী মহোদয়ক অনুৰোধ জনোৱা হৈছিল। তেতিয়া মন্ত্ৰী মহোদয়ে উক্ত দিশটোৰ প্ৰতি গুৰুত্ব অৰ্পন কৰি দ্বাদশ বিত্তীয় আয়োগক মহাবিদ্যালয়খনিৰ নামত দুই কোটি টকা অধিকভাৱে আগবঢ়োৰ সিদ্ধান্ত লৈছিল।

৩। **Computer Science ক মেজৰ পাঠ্যক্ৰমৰূপে অন্তৰ্ভূক্ত ঃ** শিক্ষাৰ ক্ষেত্ৰত বৃত্তিমূলক পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তাৰ কথাৰ প্ৰতি গুৰুত্ব ৰাখি কটন কলেজৰ ছাত্ৰ একতা সভাই এই বিষয়ে জোৰ দি আহিছিল। আৰু কলেজৰ কৰ্তৃপক্ষৰ প্ৰচেষ্টাত Computer Science ক মেজৰ পাঠ্যক্ৰমৰূপে অন্তৰ্ভূক্ত কৰা হয় আৰু বৰ্তমান সূচাৰুৰূপে চলি আছে।

৪। **কলেজ তথা হোষ্টেলসমূহৰ খোৱাপানীৰ টেংকি আধুনিক পদ্ধতিৰে পৰিষ্কাৰ ঃ** ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনিৰ অন্তৰ্গত নটা ছাত্ৰাবাস-ছাত্ৰী নিবাসৰ আন্তঃগাঠনি একেবাৰে শোচনীয়। ইয়াৰ উপৰিও ইয়াৰ খোৱা পানীৰ টেংকিসমূহ যথেষ্ট অপৰিষ্কাৰ। সেয়েহে ইয়াৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি মই মহাবিদ্যালয়ৰ অধ্যক্ষক এই বিষয়ে অবগত কৰাও আৰু খোৱাপানীৰ টেংকিসমূহ পৰিষ্কাৰ কৰিবলৈ অনুৰোধ জনাও। অধ্যক্ষদেৱে মোৰ অনুৰোধৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰাবাস-ছাত্ৰী নিবাসৰ খোৱাপানীৰ টেংকিসমূহ আধুনিকভাৱে পৰিষ্কাৰৰ ব্যৱস্থা কৰে। যিটো জুন মাহত সম্পন্ন হৈ যায়।

৫। **জুলি বৰুৱালৈ সাহাৰ্য্য প্ৰদান ঃ** নিয়তিৰ নিষ্ঠুৰ পৰিহাসত পৰি কটন কলেজৰ মেধাৱী ছাত্ৰী শ্বহীদ কনকলতা ছাত্ৰী নিবাসৰ আবাসী জুলি বৰুৱাৰ দুৰ্ঘটনাত পতিত হৈ দুয়োখন হাত হেৰুৱাব লগা হয়। উক্ত দুৰ্ভগীয়া ছাত্ৰী গৰাকীৰ চিকিৎসাৰ বাবে কটন কলেজ ছাত্ৰ একতা সভাই নিজাববীয়াকৈ অসমৰ বাইজৰ পৰা প্ৰায় পাঁচ লাখ টকা সংগ্ৰহ কৰি সহায়ৰ বাবে আগবঢ়ায়। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ শিক্ষাগুৰু ছাত্ৰ-ছাত্ৰী সমন্বিতে প্ৰায় আশী হাজাৰ টকা সহায়ৰ বাবে আগবঢ়ায়। তদুপৰি এই দুৰ্ভগীয়া ছাত্ৰী গৰাকীৰ দুয়োখন হাত লগাবলৈ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা যৎপৰোনাস্তি চেষ্টা কৰা হয়। একতা সভাৰ তৰফৰ পৰা "সদৌ অসম ছাত্ৰ সন্থাক ইয়াৰ বাবে অনুৰোধ জনোৱা হয়। ছাত্ৰী গৰাকীৰ ভৱিষ্যত জীৱনৰ প্ৰতি লক্ষ্য ৰাখি আছুৱে দুয়োখন হাত দিল্লীত লগায় দিয়াৰ সিদ্ধান্ত লয়। এইক্ষেত্ৰত সহায় কৰে মাৰোৱাৰী যুৱ মঞ্চই।

৬। **কাৰ্বি আংলঙত গোষ্ঠীগত সংঘৰ্ষত আহত হোৱা লোকসকললৈ সাহাৰ্য্য প্ৰদান ঃ** মোৰ কাৰ্যকাল আৰম্ভ হোৱাৰ ঠিক কিছুদিন পিছতে কাৰ্বি আংলঙত গোষ্ঠীগত সংঘৰ্ষই বৰ ভয়াবহ ৰূপে দেখা দিয়ে। যি ভাতৃঘাতী সংঘৰ্ষৰ ফলত বহুতো নিৰীহ লোকে প্ৰাণ হেৰুৱাব লগা হয়। আৰু কিছুমানে নিজৰ ঘৰ-বাৰী এৰি শৰণাৰ্থীৰূপে থাকিব লগা হয়। কাৰ্বি আংলঙত হোৱা এনে ভয়াবহ পৰিস্থিতি তথা তাত থকা মানুহৰ দুখ দুৰ্গতিৰ প্ৰতি লক্ষ্য ৰাখি কটন কলেজ ছাত্ৰ একতা সভাই গোষ্ঠীগত সংঘৰ্ষত আহত তথা ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য দিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। কটন কলেজ ছাত্ৰ একতা সভাৰ উদ্যোগত ইয়াৰ বিৰুদ্ধে এক প্ৰতিবাদী সমদলো উলিওৱা হৈছিল। ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু তথা কলেজ পৰিয়ালৰ তৰফৰ পৰা প্ৰায় ৩৭,০০০ টকা আৰু কাপোৰ কানি লগতে খাদ্যবস্তু বিতৰণ কৰা হৈছিল। কটন কলেজ ছাত্ৰ একতা সভাৰ প্ৰায় ১২ জনীয়া দল এটাই কাৰ্বি আংলঙৰ পৰিস্থিতিৰ অধ্যয়ন কৰিছিল আৰু বস্ত্ৰ বিতৰণ কৰিছিল।

৭। **বৃক্ষৰোপন কাৰ্যসূচী ঃ** কটন কলেজ ছাত্ৰ একতা সভাই কটন কলেজ এলুমনি এছোচিয়েচন আৰু ৰটাৰী ক্লাবৰ সহযোগত বৃক্ষৰোপন কাৰ্যসূচী ৰূপায়ন কৰে।

৮। **সদৌ অসম একাংকিকা নাট প্ৰতিযোগিতা ঃ** কটন কলেজ ছাত্ৰ একতা সভাই বহু বছৰৰ মূৰত সদৌ অসম ভিত্তিত একাংকিকা নাট আয়োজন কৰে। অসমৰ থলুৱা সংস্কৃতিৰ প্ৰতি লক্ষ্য ৰাখি কটন কলেজ ছাত্ৰ একতা সভাই অতি জাক-জমকতাৰে একাংকিকা নাট প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰে। য'ত অসমৰ বিভিন্ন জিলাৰ দহখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই নাট প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি কটন কলেজ ছাত্ৰ একতা সভাৰ উদ্যোগত 'পদক্ষেপ' নামৰ এখনি আটক ধুনীয়া স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হয়।

৯। **অম্বিকাগিৰি ৰায় চৌধুৰী ছাত্ৰাবাস মুকলি ঃ** বহুদিন পৰিত্যক্ত অৱস্থাত থকা অম্বিকাগিৰি ৰায় চৌধুৰী ছাত্ৰবাস মোৰ দিনতেই মুকলি কৰা হয়। ২০০১ চনত সেই সময়ৰ শিক্ষামন্ত্ৰী পংকজ বৰাদেৱে আনুষ্ঠানিকভাৱে মুকলি কৰাৰ পাছত কলেজ কতৃপক্ষৰ অৱহেলাত ছাত্ৰাবাসটো পৰিত্যক্ত অৱস্থাত পৰি আছিল। সেই ছাত্ৰাবাসটো মোৰ দিনতে মুকলি কৰি দিবলৈ সক্ষম হওঁ। য'ত এতিয়া ছাত্ৰ থকাৰ সু-ব্যৱস্থা হৈছে।

১০। **S.B.I. আবাসিক সাক্ষাৎকাৰ ঃ** ষ্টেট বেংক আৰ ইণ্ডিয়াই দ্বিতীয়বাৰৰ বাবে কটন কলেজত আবাসিক সাক্ষাৎকাৰৰ ব্যৱস্থা কৰে। সাক্ষাৎকাৰৰ ভিত্তিত নিযুক্তিৰ ব্যৱস্থা কৰা এই প্ৰক্ৰিয়াত কটনিয়ান সকলে মেধা ভিত্তিত নিযুক্তি পাবলৈ সক্ষম হয়।

১১। **স্বাস্থ্য বিষয়ক আলোচনা চক্ৰ ঃ** কটন কলেজ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক তথা শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে এখন স্বাস্থ্য বিষয়ক আলোচনা চক্ৰ আয়োজন কৰা হয়। য'ত ড° দীপাংকৰ ভট্টাচাৰ্য্যই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই বিষয়ে অতি গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়ায়।

১২। **অন্যান্য কাৰ্যসূচী ঃ**

১। **মহাবিদ্যালয় সপ্তাহ ঃ** অইন বেলিৰ দৰে কটন কলেজ ছাত্ৰ একতা সভাৰ উদ্যোগত বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ মাৰ্চপাষ্ট প্ৰতিযোগিতাৰ অভিবাদন গ্ৰহণ কৰে মহানগৰ আৰক্ষীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নিতুল গগৈয়ে। বাৰ্ষিক অধিবেশনত অংশগ্ৰহণ কৰে কবি নীলমণি ফুকন আৰু আৰক্ষী সঞ্চালক প্ৰধান পি.ভি. সুমন্তে। নিশা মৌচম গগৈ আৰু শিল্পীসকলে গীতৰ শৰাই আগবঢ়ায়।

২। **প্ৰতিষ্ঠা দিৱস ঃ** কটন কলেজৰ প্ৰতিষ্ঠা দিৱসৰ প্ৰতি লক্ষ্য ৰাখি ২৭ মে ২০০৬ ইং তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আয়োজন কৰা হয়। সেই সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষা চলি থকাৰ বাবে অনুষ্ঠানটো অনুষ্টুপীয়াকৈ পতা হয়।

৩। **নৱাগত আদৰণি সভা ঃ** নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি অনুষ্ঠানটোৰ আট ধৰে বিশিষ্ট কৌতুক অভিনেতা সিদ্ধাৰ্থ মুখাৰ্জীয়ে। দিনৰ মুকলি অধিবেশনত অংশগ্ৰহণ কৰে প্ৰখ্যাত সাহিত্যিক নিৰুপমা বৰগোহাঞি আৰু অসম চৰকাৰৰ বিষয়া হিমাংশু প্ৰসাদ দাসে। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে আছুৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যদেৱে। নিশা কল্লোল শইকীয়াই গীতৰ শৰাই আগবঢ়ায়।

মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় আগবঢ়োৱা জ্যেষ্ঠ ভাতৃপ্ৰতীম জগদীশদা, পৰাণদা, ৰুবুদা, অনন্তদা, দীপাংকৰদা, বাহাৰীদা, দেৱজিতদা, দীপ দুৱৰীদা, অম্লানদা, বনজিতদা, ভৃগুদা, দীপাংকৰ বৰুৱা দা, পালেংদা, লিলিদা, মামা, ৰায়হানদা, হৰি, তিলক, শেখৰ, ধনজিত, সুনীল, ধৰ্মেন্দ্ৰ, হেমন্ত, মটু, ধামাকা, আৰাফুৰ তথা ভাতৃপ্ৰতীম অমৰ, শান্তনু, যাদু, হেমেন, পাৰ্থ, কিশোৰ, জীৱন, বেদান্ত, যশপাল, উৎপলা, অভিজিৎ, মঞ্জুমণি গগৈ, জিনি, কাকলি, বিনিতা, মেঘালী, ৰিমলি, কুমুদ, জয়ন্ত, পৰাগ, মাধুৰ্য, সৌৰভ, জ্যোতি, অঞ্জন আৰু সৃষ্টি শ্ৰেয়ম আদিক ধন্যবাদ জনালো।

তদুপৰি মই চিৰ কৃতজ্ঞ ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, শংকৰ প্ৰসাদ ৰায়, তপন কুমাৰ গগৈ, বিপুল ৰাভাৰ ওচৰত। মই কৃতজ্ঞ নিতুল গগৈ, কুল শইকীয়া, মহেন্দ্ৰ ৰাজখোৱা, হিমাংশু দাসৰ ওচৰত। মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় কৰা অধ্যক্ষ উদয়াদিত্য ভৰালী চাৰ, অধ্যাপক তৰুণ সৰকাৰ চাৰ, ড° কমলেশ চৌধুৰী, ড° ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী, বন্দনা দত্ত বাইদেউ, ড° তিলোত্তমা বৰুৱা বাইদেউ, সুৰেশ নাথ চাৰ, দিলীপ গগৈ চাৰ। মই আজীৱন কৃতজ্ঞ হৈ ৰ'ম মোৰ অগ্ৰজ তথা মোক বিভিন্ন দিশত সহায় কৰা জগদীশদাৰ ওচৰত। ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ সকলো আবাসীৰ ওচৰত মই চিৰ ঋণী।

কটন কলেজক নিজতকৈ বেছি ভাল পাওঁ বাবেইতো ইয়াৰ উন্নতিৰ বাবে চেষ্টা কৰিছিলোঁ। ১০০ বছৰ গৰকা আমাৰ কটন কলেজ, তই জিলিকাৰ লাগিবই বৰ লুইতৰ দুয়োপাৰ।

জয়তু কটন কলেজ।

● সমীৰণ বৈশ্য



## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছো যিসকলে মোক ২০০৫-২০০৬ বৰ্ষৰ সহঃ সাধাৰণ সম্পাদক হিচাপে সফলতাৰে কাৰ্য্যনিৰ্বাহ কৰাত সহায় কৰিলে। এনে এটা গধুৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা নিশ্চয় সহজ কথা নহয়। তথাপি মই চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। অৱশ্যে তাৰ সফলতা-বিফলতাৰ হিচাপ আপোনালোকৰ ওচৰত।

মই দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতে প্ৰথমটো কাম আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ আৰম্ভ কৰা। মহাবিদ্যালয় সপ্তাহ সুচাৰুৰূপে পালন কৰাত আটাইকেইটা আবাসৰ লগতে সমূহ কটনিয়ানে যি সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে তেওঁলোক ধন্যবাদৰ পাত্ৰ। শ্ৰীশ্ৰীসৰস্বতী পূজা বিগত বৰ্ষসমূহৰ দৰে এইবাৰো যথেষ্ট আড়ম্বৰতাৰে পালন কৰা হয়। তদুপৰি আমাৰ মহাবিদ্যালয়ে আয়োজন কৰা 'মাণিক চন্দ্ৰ বৰুৱা সোঁৱৰণী ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ তৰ্ক প্ৰতিযোগিতা'খনি সুফলমে অনুষ্ঠিত কৰা হয়।

মহাবিদ্যালয়ৰ নৱাগতসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে যোৱা ২৭ আগষ্ট তাৰিখে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। এইক্ষেত্ৰত নৱাগত সকলৰ উৎসাহজনক সহায় পাথেয় হৈ ৰ'ব। তদুপৰি যোৱা ২৭ মে তাৰিখে কটন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। ইয়াৰ মাজতে আমি 'কটন কলেজ একতা সভা'ৰ এক সঁজাতী দলৰ হৈ মাননীয় ৰিপুণ বৰাক সাক্ষাৎ কৰি মহাবিদ্যালয়ৰ নানা অভাৱ-অভিযোগ তথা 'ডীম্ ইউনিৰ্ভাৰ্ছিটী' প্ৰসংগ উত্থাপন কৰিছিলো। তেখেতেও আমাক বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিছিল।

শেষত, মোৰ এই কাৰ্য্যকালত বিভিন্ন প্ৰকাৰৰ উপদেশ আৰু পৰামৰ্শৰে সহায় কৰা মাননীয় অধ্যক্ষ (সম্প্ৰতি অৱসৰপ্ৰাপ্ত) উদয়াদিত্য ভৰালী ছাৰ, ভাৰপ্ৰাপ্ত অধ্যক্ষ তৰুণ চিৰকাৰ ছাৰ, প্ৰদীপ শৰ্মা ছাৰ, প্ৰহাস শৰ্মা ছাৰ, দিলীপ গগৈ ছাৰ, বন্দনা দত্ত বাইদেউ, তিলোত্তমা বৰুৱা বাইদেউৰ লগতে নৃতত্ব বিভাগৰ সমূহ বাইদেউলৈ মোৰ অশেষ ধন্যবাদ তথা কৃতজ্ঞতা থাকিল। লগতে মোক বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা জগদীশদা, সমীৰণ দা, মৃগাংকদা, দেৱদা, দেবাশীষ, প্ৰবাল, হিমাংশু, জামান, বিশ্ব, অমৃতা, ধ্ৰুৱ, অংকুৰ, হৰিশ তথা সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ সমূহ আবাসীলৈ আন্তৰিক ধন্যবাদ যাচিছোঁ।

সদৌ শেষত লুইতপৰীয়া চিৰযৌৱনা কটন কলেজত 'হাইতাল বৰণৰ স্বপ্নাতুৰ চৰাই এজাক' সদায়েই উৰি থাকক 'বোধিবৃক্ষৰ ছাঁ' বিচাৰি, সাৰ পাই উঠক ছহাজাৰ তেজাল স্বপ্নঃ তাৰেই কামনাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

'জয়তু কটন কলেজ', জয় আই অসম।

● উৎপল বড়া



# সম্পাদিকা 'কটনিয়ান'ৰ প্ৰতিবেদন

সম্পূৰ্ণ অপ্ৰত্যাশিতভাৱে নবেম্বৰৰ শেষ সপ্তাহত মহাবিদ্যালয়খনিৰ মুখপত্ৰ 'কটনিয়ান'ৰ মনোনীত সম্পাদিকাৰূপে নিৰ্বাচিত হোৱাৰ এটা সপ্তাহৰ ভিতৰতে আমাৰ ওপৰত মহাবিদ্যালয় সপ্তাহৰ দায়িত্ব আহি পৰিছিল। যিসকল ব্যক্তিয়ে প্ৰথম দিনটোৰ পৰা কাৰ্যকালৰ অন্তিম দিনটোলৈ আমাক সহায়-সহযোগিতা আগবঢ়ালে তেওঁলোকৰ ওচৰত আমি কৃতজ্ঞ।

আমাৰ কাৰ্যকালত তথা আমাৰ সম্পাদনাত নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি 'সূত্ৰপাত' আৰু সদৌ অসম একাংকিকা নাট প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি 'পদক্ষেপ' নামৰ স্মৃতি গ্ৰন্থখনি প্ৰকাশ কৰা হয়। আমাৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহত এলানি সাহিত্য প্ৰতিযোগিতাৰ আয়োজন কৰাৰ উপৰিও সাহিত্য একাডেমী বঁটাপ্ৰাপ্ত লেখক য়েছে দৰজে ঠংচিৰ লগত অসমীয়া আলোচনা চক্ৰৰ সহযোগত এক মুখামুখি অনুষ্ঠানো (১০ জানুৱাৰী, ২০০৬) আয়োজন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাৰ ফলাফলসমূহ তলত উল্লেখ কৰা হ'ল —

**স্ব-ৰচিত কবিতা ঃ** (অসমীয়া) **প্ৰথম ঃ** স্বৰাজ ফুকন (আন্ধাৰবোৰ প্ৰেমৰ বাবে); **দ্বিতীয় ঃ** প্ৰণবজ্যোতি ভূঞা (প্ৰতীক্ষা); **তৃতীয় ঃ** সংগীতা দেৱী (ঠিকনা)।

**স্ব-ৰচিত কবিতা ঃ** (ইংৰাজী) **প্ৰথম ঃ** মৈথিলী ভূঞা (What The Clouds Speak...); **দ্বিতীয় ঃ** অংকিতা শৰ্মা (True Friends); **তৃতীয় ঃ** পূৰবী দাস (Touch of my Mother);

**স্ব-ৰচিত গল্প ঃ** (অসমীয়া) **প্ৰথম ঃ** হৃয়নিকা ঠাকুৰীয়া (এজাক বৰষুণৰ পাছত); **দ্বিতীয় ঃ** জয়শ্ৰী চহৰীয়া (আত্মানুসন্ধান), প্ৰবালজ্যোতি ফুকন (আৱৰ্তন); **তৃতীয় ঃ** কাকলি গগৈ (আকৌ বাঁহী বজাবনে), সীমান্ত দাস (শুভেচ্ছা বাণী);

**স্ব-ৰচিত গল্প ঃ** (ইংৰাজী) **প্ৰথম ঃ** সংগীতা শইকীয়া (Merciless Destiny); **দ্বিতীয় ঃ** প্ৰিয়দৰ্শিনী নাথ (A Vote of Confidence); **তৃতীয় ঃ** বিবেচিত নহ'ল।

**স্ব-ৰচিত প্ৰবন্ধ ঃ** (বিষয় ঃ বিশ্বকাপ ক্ৰিকেট ২০০৭ আৰু ভাৰতীয় ক্ৰিকেট দল) **প্ৰথম ঃ** প্ৰবালজ্যোতি ফুকন, **দ্বিতীয় ঃ** ধৰিত্ৰী বৈশ্য, **তৃতীয় ঃ** মজিবুৰ ৰহমান তালুকদাৰ।

**গ্ৰন্থ সমালোচনা ঃ প্ৰথম ঃ** কাকলি গগৈ (ফেল্যানী, অৰূপা পটঙ্গীয়া কলিতা); **দ্বিতীয় ঃ** ধৰিত্ৰী বৈশ্য (প্ৰতিশোধ, তছলিমা নাছৰিণ); **তৃতীয় ঃ** নম্ৰতা বৰদলৈ (প্ৰফেট, খলিল জিব্ৰান); **উদ্‌গনি ঃ** শুভ্ৰজিৎ ৰয় (Five Point Some One What Not To Do at IIT, Chetan Bhagat);

**উপন্যাসিকা ঃ বিচাৰকৰ বিশেষ পুৰস্কাৰ ঃ** আৰতি ভড়ালী (গধূলি); **লিমাৰিক ঃ বিচাৰকৰ বিশেষ পুৰস্কাৰ ঃ** আৰতি ভড়ালী; **সংবাদ প্ৰস্তুত প্ৰতিযোগিতা ঃ প্ৰথম ঃ** আৰতি ভড়ালী, **দ্বিতীয় ঃ** জুৰি কাকতি, **তৃতীয় ঃ** মিতালী গোস্বামী।

**থলীতে লিখা প্ৰতিযোগিতা (কবিতা) ঃ (বিষয় ঃ শীত) প্ৰথম ঃ** প্ৰণৱজ্যোতি ভূএগ্ৰা, **দ্বিতীয় ঃ** ইন্দানিতা গোস্বামী, **তৃতীয় ঃ** জুৰি কাকতি।

**থলীতে লিখা প্ৰতিযোগিতা (গল্প) ঃ (বিষয় ঃ তেওঁ আৰু নাই / তেৰোঁ জীয়াই থাকিবলৈ বিচাৰে) প্ৰথম ঃ** প্ৰবালজ্যোতি ফুকন, **দ্বিতীয় ঃ** মনিষা দাস, **তৃতীয় ঃ** কাকলি গগৈ, সংগীতা শইকীয়া।

**থলীতে লিখা প্ৰতিযোগিতা (প্ৰবন্ধ) ঃ (বিষয় ঃ প্ৰতিযোগিতাৰ যুগত নৈতিকতাৰ স্থান) প্ৰথম ঃ** প্ৰণৱজ্যোতি ভূএগ্ৰা, **দ্বিতীয় ঃ** কাকলি গগৈ, **তৃতীয় ঃ** প্ৰবালজ্যোতি ফুকন

**কাৰ্টুন ঃ** ১ম, ২য়, ৩য় বিবেচিত নহ'ল। **উদগনি ঃ** নয়ন বৰকটকী।

**বেটুপাত ঃ উদগনি ঃ** চন্দনা পাঠক।

**কবিতা আবৃত্তি (অসমীয়া ঃ কেৰাণী শ্যেলীৰ চিঠি' মহেন্দ্ৰ বৰা) ঃ প্ৰথম ঃ** আৰতি ভড়ালী, **দ্বিতীয় ঃ** প্ৰাৰ্থনা শইকীয়া, **তৃতীয় ঃ** নম্ৰতা বৰদলৈ।

**কবিতা আবৃত্তি (ইংৰাজী ঃ Preludes by Eliot) ঃ প্ৰথম ঃ** সংগীতা শইকীয়া, **দ্বিতীয় ঃ** পক্ষী পাঠক, **তৃতীয় ঃ** লভিতা শইকীয়া।

**আকস্মিক বক্তৃতা ঃ প্ৰথম ঃ** ঋতুৰাজ শইকীয়া, **দ্বিতীয় ঃ** অনুপা লহকৰ, **তৃতীয় ঃ** শাব্ৰিনা ইকবাল সৰকাৰ।

**বৰ্ষশ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী ঃ প্ৰবালজ্যোতি ফুকন।**

● সৃষ্টি শ্ৰেয়ম



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰথমে মই সেইসকল কটনিয়ান সতীৰ্থৰ কথা কৃতজ্ঞতাৰে সোঁৱৰিছো যিসকলে মোক কটন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰ দায়িত্ব পালন কৰিবলৈ সুযোগ দিলে তথা মোৰ সকলো পদক্ষেপৰ ক্ষেত্ৰত সহযোগিতাৰ হাত আগবঢ়ালে।

কটন মহাবিদ্যালয় বিভিন্ন সমস্যাৰে জৰ্জৰিত। বিশেষকৈ সাংস্কৃতিক দিশত সমস্যাৰ অন্ত নাই (যেনে বাদ্য যন্ত্ৰৰ অভাৱ)। মই সম্পাদক হিচাপে মোৰ সাধ্যানুসৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছিলো। অৱশ্যে ইয়াৰ ফলাফল বিচাৰৰ দায়িত্ব সম্পূৰ্ণৰূপে আপোনালোকৰ হাতত।

মই দায়িত্বভাৰ গ্ৰহণৰ কৰাৰ পাছতে মোৰ প্ৰথম কাম আছিল মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা। এই আয়োজনৰ লগত সংগতি ৰাখি বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। কটনিয়ানৰ উচ্ছাসভৰা সহযোগিতা তথা যোগদানে মোক আহ্লাদিত কৰিছিল। অৱশ্যে এই ক্ষেত্ৰত মই কটনিয়ানৰ সাংস্কৃতিক দিশত থকা প্ৰতিভাসমূহ যাতে সুন্দৰভাৱে বিকশিত হয় তাৰ প্ৰতি সচেষ্ট আছিলো।

মোৰ কাৰ্য্যকালৰ অন্যতম বৃহৎ সফলতা হিচাপে গণ্য কৰিছো বহু বছৰৰ বিৰতিৰ পাছত কটন মহাবিদ্যালয়ত সৰ্দৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় একাংকিকা নাট প্ৰতিযোগিতা আয়োজন কৰা (৮, ৯, ১০ ছেপ্তেম্বৰ)। সম্পূৰ্ণ সফলতাৰে এই কাৰ্যসূচী ৰূপায়ন হৈছিল। অসমৰ বিভিন্ন প্ৰান্তৰ মুঠ ৮ খন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাখনিত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে ছয়দুৱাৰ মহাবিদ্যালয়, কটন মহাবিদ্যালয় আৰু নগাঁও মহাবিদ্যালয়ে। শ্ৰেষ্ঠ অভিনেতাৰ স্বীকৃতি লাভ কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ ৰাজীৱ শইকীয়াই।

শেষত মোক সহায় সহযোগিতা তথা দিহা পৰামৰ্শৰে উৎসাহিত কৰাৰ বাবে কটন মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, তত্বাৱধায়িকা তিলোত্তমা বৰুৱা বাইদেউ, ছাৰ-বাইদেউসকল, ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সমীৰণ বৈশ্যদা আৰু অন্যান্য বিষয়ববীয়া, সমূহ আৰাকেবিয়ান তথা সমূহ কটনিয়ানক মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

● হেমেন ডেকা



# সঙ্গীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

পোনতে সেই সকল কটনিয়ানলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ যিসকলৰ ইচ্ছা আৰু আন্তৰিক সহযোগিতাৰ বাবে মই দুটা বছৰৰ বাবে কটন কলেজৰ সংগীত বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ আহিছোঁ। বিগত দুটা বছৰৰ অভিজ্ঞতাই মোক এটা কথাই সোঁৱৰাই দিছে যে কটন কলেজত সংগীত অনুৰাগী কটনিয়ানৰ অভাব নিশ্চয়কৈ নাই। মাত্ৰ কটনিয়ানসকলৰ উপযুক্ত প্ৰশিক্ষণ আৰু চৰ্চাই যে কটন কলেজৰ সংগীত ক্ষেত্ৰখনক আৰু অধিক উজ্জ্বল আৰু গভীৰ কৰি তুলিব তাত কোনো সন্দেহ নাই।

মোৰ এই ছুটী সম্পাদকীয়ত মই যোৱাটো কাৰ্যকালত কি কৰিলো কি নকৰিলো তাক কঁহিয়াই চাব বিচৰা নাই। সকলোবোৰৰ বিশ্লেষণ আৰু মূল্যাংকন কটনিয়ান সকলৰ ওপৰতে এৰি দিছো। মাত্ৰ এটা কথাই ক'ব খোজোঁ সীমিত সময় আৰু সীমিত পুঁজিৰে কোনো এটা কাম যথোচিতভাবে আগবঢ়াই নিয়াটো সম্ভৱ নহয়। তথাপিও পাৰ্য্যমানে চেষ্টাৰ কোনো ক্ৰুটি কৰা নাছিলোঁ। কটন কলেজৰ সংগীত বিভাগত আজিও বহুত অভাব আছে। প্ৰধানকৈ কলেজৰ নিজাবৰীয়াকৈ আজিও ন্যূনতম বাদ্যযন্ত্ৰখিনিয়ে নাই। আশা ৰাখিছোঁ অতি সোনকালে এনেবোৰ অভাৱ আঁতৰি সংগীত ক্ষেত্ৰখনক অধিক উজ্জ্বল কৰি তুলিব।

সৰ্বৌটি শেষত মোৰ কাৰ্য্যকালত বিশেষভাবে সহায় কৰা মৃগেন, দীপু, হীৰু, ইন্দ্ৰ, উদ্দি, চুইতান, বেজদা, ৰঞ্জন, তিতাল, গীতাৰ্থ, দীপদা, তৰনজা, ৰাহুল, টিক্‌লি সন্ধ্যাৰাগ, ৰৌমুৰীয়া, গীতায়ন, মোৰা দাদা শিল্পী বিদ্যাসাগৰ, তত্বাৱধায়ক তৰুণ শৰ্মা চাৰ, ড° প্ৰদীপ শৰ্মা চাৰলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছো। বিচাৰকৰ আসন গ্ৰহণ কৰি মোক সহায় কৰা বিদ্যাদা, দ্বীপদা, কুল বৰুৱা, জ্যোতিৰ্ময় কাকতি, পৰিণীতা গোস্বামীলৈ জনাইছো মোৰ হাৰ্দিক কৃতজ্ঞতা।

শেষত মোৰ সকলো ক্ষেত্ৰতে ছাঁটোৰ দৰে লাগি থাকি মোক উৎসাহ-উদ্দীপনা দি থকা মোৰ অতি মৰমৰ জানটোলৈ জনাইছোঁ আন্তৰিক ধন্যবাদ।

কটন কলেজৰ সৰ্বাংগীন উন্নতিৰ কামনাৰে।

● হীৰকজ্যোতি বৰুৱা



# SECRETARIAL REPORT

## Secretary, Boys' Common Room

At the very outset, I offer my sincere thanks and gratitude to all the Cottonians and specially to my friends and hostel mates' who lended their heartfull support and confidence rendered by all my near and dear ones that imbibed upon me the courage and confidence to give the best and perform my duties with outmost case. Hereby, I also take the opportunity to thank all the office-bearers of CCUS, who extended their support to me . I would also like to convey my special thanks to Dilip Gogoi, Prof-in-charge, Boys' Common Room for his guidance and co-operation.

**Results of the competitions held during the College-week :**

**1. Table Tennis (Singles) :** Dipankar Baruah (C), Abhijit Deori (R) **2. Table Tennis (Double) :** Dipankar Baruah & Hiruj Saikia (C); Abhijit Deori & Bikash Singh (R) **3. Carrom (Single) :** Bikash Singh (C), Dhrubajyoti Barkakati (R) **4. Carrom (Double) :** Bikash Singh & Dhrubajyoti Barkakati (C), Swaraj Phukan & Mukut Konwar (R).

● Himangshu Hazarika



# SECRETARIAL REPORT

## Secretary, Ladies' Common Room

At the very outset, I offer my sincere thanks and gratitude to all the Cottonians and specially to my friends and hostel mates of Nalini Bala Devi Girls' Hostel who lended their heartfull support and confidence rendered by all my near and dear ones that imbibed upon me the courage and confidence to give the best and perform my duties with outmost ease. Hereby, I also take the opportunity to thank all the office-bearers of CCUS, who extended their support to me . I would also like to convey my special thanks to Mrs. Akunthita Borthakur, Prof-in-Charge, Ladies' Common Room for her guidance and co-operation.

**Results of the competitions held during the College-week :**

**1. Table Tennis : (i) Singles :** Namami Goswami (C), Nidhi Kakati (R), **(ii) Doubles :** Namami Goswami, Nidhi Kakati (c); Papori Gogoi, Simashree Bora (R) **2. Chess :** Jayshree Chowdhury (C), Nilanjana Boruah (R), **3. Carrom : (i) Singles :** Saya Rani (C), Simashree Bora (R), **(ii) Doubles :** Ila Baishya, Supriya Ghosh (C); Papori Gogoi, Samiyara Begum (R), **4. Bridal Competition :** Purabi Roy (1st), Ankita Sharma (2nd), Nibha Brahma (3rd), **5. Salad Competition :** Samiyara Begum (1st),

Once again. I extend my heartfull gratitude to all the members of the Cotton family and sincerely wish this premier institution of North East to reach new heights of glory and success in the years to come.

Jai Aai Axom.

● **Meghali Hazarika**



# 'গুৰু খেল' বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মোক কটনৰ দৰে এখন ঐতিহ্যমণ্ডিত কলেজৰ 'গুৰু খেল বিভাগ'ৰ সম্পাদকৰ গধূৰ দায়িত্বত কাৰ্যনিৰ্বাহ কৰাৰ সুযোগ দিয়াৰ বাবে সমূহ কটনিয়ানলৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ। মোৰ কাৰ্যকালত কিমানদূৰ সফল হৈছোঁ বা আপোনালোকৰ আশা কিমানদূৰ পূৰণ কৰিব পাৰিছোঁ মই নাজানো। কিন্তু কিছুমান বাধা বিঘিনিক অতিক্ৰম কৰিও মোৰ দায়িত্বভাৰ সুচাৰুৰূপে পালন কৰি গৈছিলো। ইয়াৰ মাজতে অজানিতে কিছুমান ভুল ত্ৰুটি হৈ যাব পাৰে তাৰ বাবে সমূহ কটনিয়ানৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ।

খেলা-ধূলাৰ দৰে এটা বিভাগ নিয়াৰিবৈ চলোৱাটো এটা সহজ কাম যে নহয় তাক মোৰ কাৰ্যকালত মই ভালদৰে উপলব্ধি কৰিব পাৰিছিলোঁ। খেল খেলা আৰু খেলোৱাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। সেয়া মই নিজেও আগতে বহুতো প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছোঁ যদিও অনুভৱ কৰিব পৰা নাছিলোঁ। বিশেষকৈ কটন কলেজৰ নিচিনা এখন মহাবিদ্যালয়ত।

শতবৰ্ষ গৰকা কলেজখনত নিজস্ব বুলিবলৈ এখন খেলপথাৰ নাই। সঁচাই এই বিষয়টো লাজৰ লে অনুতাপৰ বিষয় মই নাজানো। মই জানো ই কেৱল মহাবিদ্যালয় কৰ্তৃপক্ষৰে চিন্তনীয় বিষয় নহয়, এই বিষয়টো অসম চৰকাৰৰো চিন্তনীয় বিষয়। মোৰ ফালৰ পৰা অনুৰোধ যেন বিষয়টো দুয়োপক্ষই গুৰুত্ব সহকাৰে বিবেচনা কৰে।

মোৰ কাৰ্যকালৰ আৰম্ভণিতে মহাবিদ্যালয় সপ্তাহত মোৰ অধীনৰ খেলসমূহৰ বেছিভাগ খেলেই SAI Field ত অনুষ্ঠিত কৰিছিলোঁ। মোৰ কাৰ্যকালত এটা কথাই ভাল লাগিছিল আন বছৰৰ তুলনাত প্ৰতিযোগীৰ সংখ্যা অধিক আছিল। মোৰ কাৰ্যকালৰ সময়ত মোক প্ৰতিটো খোজতে সহায় কৰাৰ বাবে মোৰ উপদেষ্টা মহোদয় প্ৰদীপ শৰ্মা চাৰলৈ মোৰ চিৰ কৃতজ্ঞতা থাকিল।

ইয়াৰ উপৰিও মোৰ কাৰ্যভাৰৰ সময়ত মই বিভিন্নজনৰ পৰা সহায় সহযোগিতা পাইছিলো। বিশেষকৈ ৰুমমেট জৱাহৰ পাতিৰ, ইন্দ্ৰনীল পেগু, নেহৰু পেগু, মৃগাংক, হেমন্ত, অজয়, শান্তনু, ধ্ৰুৱ, লিঅ, ভাস্কৰ, স্বৰাজ, বিশ্ব, মাজৰ কুলি, ৰাকেশ, হেমেন, মজিবুৰ, ৰাকেশ, উৎপল ঠাকুৰীয়া, সমীৰণদা, ৰণোজদা আৰু SNBC ৰ সমূহ আবাসীলৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত কটন কলেজ চিৰ যৌৱনা হৈ থাকক তাৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

"জয়তু কটন কলেজ"।

জয় আই অসম।

'গুৰু খেল' বিভাগৰ ফলাফলসমূহ তলত দিয়া হ'ল —

**Results of the Major Games Events : 2005-2006**

**Girls' 100 mtrs. race : 1st :** Mridusmita Talukdar, **2nd :** Himamoni Choudhury, **3rd :** Monalisa Das, **Girls' 200 mtrs. race : 1st :** Mridusmita Talukdar, **2nd :** Himamoni Choudhury, **3rd :** Monalisa Das, **Girls' 400 mtrs. race : 1st :** Mridusmita Talukdar, **2nd :** Himamoni Choudhury, **3rd :** Monalisa Das, **Girls' 800 mtrs. race : 1st :** Mridusmita Talukdar, **2nd :** Monalisa Das, **Shotput Girls' events : 1st :** Chimpi Bhuyan, **2nd :** Himamoni Choudhury, **3rd :** Prity Rekha Bora, **Girls' Zevlins : 1st :** Himamoni Choudhury, **2nd :** Shuravi Borgohain, **3rd :** Pinki, **Discus Girls' : 1st :** Himamoni Choudhury, **2nd :** Simpee Bhuyan, **3rd:** Prity Rekha Bora, **Girls' Long Jump : 1st :** Mridusmita Talukdar, **2nd :** Himamoni Choudhury, **3rd :** Monalisa Das, **Girls' High Jump : 1st :** Himamoni Choudhury **2nd :** Monalisa Das, **3rd :** Mridusmita Talukdar,

**Best Athlete, Girls' Events - Mridusmita Talukdar; Best Runner, Girls' Events - Mridusmita Talukdar**

**Boys' 100 mtrs. race : 1st :** Samujjal Das, **2nd :** Krisna Bordeori, **3rd :** Debojit Pegu, **Boys' 200 mtrs. race : 1st :** Himangshu Mozumder **2nd :** Santanu Konwar, **3rd :** Samujjal Da, **Boys' 400 mtrs. race : 1st :** Ajay Mili, **2nd:** Arobinda Mahanta, **3rd:** Krishna Bordeori, **Boys' 800 mtrs. race : 1st :** Santanu Konwar, **2nd :** Krishna Bordeori, **3rd :** Biswajit Bora, **Boys' High Jump : 1st :** Santanu Konwar, **2nd :** Binanda Boruah, **3rd :** Indraneel Pegu, **Long Jump Boys' : 1st :** Bhaskar Basumotary, **2nd :** Himangshu Mozumdar, **3rd :** Safikul Ismal, **Shotput Boys' : 1st :** Surajit Boruah, **2nd :** Nehru Pegu, **3rd :** Rajib Deory, **Discus Girls' : 1st :** Surajit Boruah, **2nd :** Nehru Pegu, **3rd :** Krishna Bordeori, **Boys' Zevlin : 1st :** Surajit Boruah, **2nd :** Dibyajyoti Sivananda, **3rd :** Nehru Pegu, Karmukam Doley, **Marathan Race : 1st :** Ajay Mili, **2nd :** Santanu Konwar, Biswajit Bora, **3rd :** Pranjal Protim Bora, **4th :** Dibyajyoti Sivanand, **5th :** Mozibur Rohman, **6th :** Majirul, **7th :** Indraneel, **8th :** Harish Kuli, **9th :** Karmukam Doley, **10th :** Zaman, **Kabbadee Boys - Joint winner - SNBC Hostel and ARB Hostel.**

*Best Athlete, Boys' - Mr. Santanu Konwar*

● ডিম্বেশ্বৰ পেগু



# SECRETARIAL REPORT

**Secretary, Rowing, Swimming & Gymnasium**

At the very beginning I convey my sincere thanks to all my Cottonian friends and especially to my hostel boarders of S.N.B.C. Hostel for electing me as the Secretary of Swimming, Rowing and Gymnasium section for the year 2005-2006. I would also like to convey my heartfull gratitude to my Prof. in-Charge Mr. Manoranjan Borgohain, Hostel Spdtt. M. Rashad Islam and all my hostel boarders for their kind help and guidance during my tenure.

**List of winners in various competitions under my section held during the college week :**

**SWIMMING SECTION : 50 mtr. Free Style (Boys'):** 1st :Luku Rabha, P.G. 1st Sem, 2nd : Manirul Islam, P.G. 3rd Sem., 3rd : Ronuj Pegu, P.G. 4th Sem., **50 mtr. Free Style (Girls') :** 1st : Lucky Pegu, T.D.C. 2nd year, 2nd : Devoleena Payeng, H.S. 1st yr., **50 mtr. Back Stroke (Boys') :** 1st : Luku Rabha, P.G. 1st Sem., 2nd : Ronuj Pegu, P.G. 4th Sem., 3rd : Manirul Islam, P.G. 3rd Sem., **50 mtr. Back Stroke**

**(Girls') :** 1st : Devoleena Payeng, H.S. 1st yr., 2nd: Lucky Pegu, T.D.C. 2nd year, **50 mtr. Breast Stroke (Boys') :** 1st : Luku Rabha, P.G. 1st Sem., 2nd : Jaconia Islary, T.D.C. 3rd year, 3rd : Prafulla Leo Hazarika, T.D.C. 3rd year, **50 mtr. Butterfly (Boys') :** 1st : Luku Rabha, P.G. 1st Sem., 2nd: Manirul Islam, P.G. 3rd Sem., 3rd : Ronuj Pegu, P.G. 4th Sem., **50 mtr. Butterfly (Girls') :** 1st : Lucky Pegu, T.D.C. 2nd year, 2nd : Devoleena Payeng, H.S. 1st yr., **100 mtr. Free Style (Boys') :** 1st : Manirul Islam, P.G. 3rd Sem., 2nd : Ronuj Pegu, P.G. 4th Sem., 3rd : Kallol Kirty Sinha, T.D.C. 1st year, **100 mtr. Free Style (Girls) :** 1st : Devoleena Payeng, H.S. 1st yr., 2nd : Lucky Pegu, T.D.C. 2nd year.

***Best Swimmer : Luku Rabha,* P.G. 1st Sem.**

**ARMWRESTLING : 50–55 Kg category (Boys') :** 1st : Kuldeep Das, H.S. 2nd yr., 2nd : Rahul Gogoi, T.D.C. 1st yr., **55–60 Kg category (Boys') :** 1st : Mujahid Shah Ahlam, 2nd : Angshuman Neog, T.D.C. 3rd yr., **60–65 Kg category (Boys') :** 1st : Krishna Bondeuri, H.S. 2nd yr., 2nd : Umesh Mahato, T.D.C. 1st yr., **65–70 Kg category (Boys') :** 1st : Ronuj Pegu, P.G. 4th Sem., 2nd : Doni Polo B.K. Deuri, T.D.C. 2nd yr., **70 Kg category (Boys') :** 1st : Partha Jyoti Baishya, P.G. 1st Sem., **Girls :** 1st : Sujata Hati Baruah, P.G. 3rd Sem., 2nd : Lucky Pegu, T.D.C. 2nd yr.,

***Champion of Champion : Partha Jyoti Baishya, P.G. 1st Sem.***

**"MR. COTTON" BODYBUILDING COMPT. :** 2nd Runners up : Prafulla Leo Hazowary, T.D.C. 3rd yr., 1st Runners up : Santanu Konwar, T.D.C. 3rd yr.,

***Mr. Cotton : Joy Kr. Prasad, T.D.C. 3rd Yr.***

**POWERLIFTING COMPETITION : Below 65 Kg. category:** 1st : Joy Kr. Prasad, T.D.C. 3rd yr., 2nd : Dhruba Jyoti Das, T.D.C. 2nd yr., 3rd : Dimbeswar Pegu, T.D.C. 3rd yr., **Above 65 Kg. category:** 1st : Nehru Pegu, T.D.C. 1st yr., 2nd : Jinty Das, T.D.C. 1st yr., 3rd : Abhijit Deori, T.D.C. 3rd yr.,

***'Mr. Storngman' : Nehru Pegu, T.D.C. 1st yr.***

Atlast I once again extend my gratitude to all the members of Cotton family and wish the institution a world wide glory in the years to come.

Jai Aai Axom.

● **Nehru Pegu**



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

কটন কলেজৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত পঢ়াটোৱেই এটা স্বপ্ন আছিল। সেই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ একতা সভাৰ এনে এজন সদস্য হ'বলৈ পাই নিজকে ধন্য মানিছোঁ। যিসকল ব্যক্তিয়ে মোক ২০০৫-২০০৬, বৰ্ষৰ বাবে কটন কলেজ একতা সভাৰ 'সমাজ সেৱা' বিভাগৰ দৰে এটা গুৰুত্বপূৰ্ণ বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি কলেজ খনৰ বাবে কিবা এটা কৰাৰ সুযোগ দিলে, তাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সমাজ সেৱা বিভাগৰ সম্পাদকৰ দায়িত্ব লৈয়েই মই পোন প্ৰথমে কলেজখনৰ পৰিবেশটো পৰিষ্কাৰ কৰি ৰাখিবলৈ যত্ন কৰিছিলোঁ। কাৰিং আংলঙত হোৱা ভাতৃঘাতি সংঘৰ্ষৰ বাবে আমি কটন কলেজ একতা সভাই নিজেই কাৰ্বি আংলঙলৈ গৈ সহায়ৰ হাত আগবঢ়াইছিলোঁ। 'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সংগতি ৰাখি সমাজ সেৱা বিভাগৰ দ্বাৰা আয়োজিত শ্ৰেষ্ঠ পৰিষ্কাৰ পৰিচ্ছন্ন আৱাস প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পাইছিল কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাস, দ্বিতীয় পুৰস্কাৰ পাইছিল যুটীয়াভাৱে নলিনীবালা দেৱী ছাত্ৰী নিবাস আৰু শ্বহীদ কনকলতা ছাত্ৰী নিবাসে আৰু তৃতীয় পুৰস্কাৰ পাইছিল যুটীয়াভাৱে শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাস আৰু ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসে। আনহাতে ক্ৰমে মহেন্দ্ৰ নাথ ডেকাফুকন ছাত্ৰবাসৰ ১৩ নং কোঠা আৰু শ্বহীদ কনকলতা ছাত্ৰীবাসৰ ৭নং কোঠাই শ্ৰেষ্ঠ পৰিষ্কাৰ কোঠা হিচাপে বিবেচিত হৈছিল।

কটন কলেজৰ দৰে এখন মহাবিদ্যালয় বিভিন্ন সমস্যাৰে জৰ্জৰিত। সেইবোৰ সমস্যাৰ সমাধান কৰাৰ বাবে মই যথাপৰায়ণ চেষ্টা কৰিছিলোঁ। তাৰ ভিতৰত অন্যতম সমস্যা হ'ল পুৰণি বিল্ডিঙৰ জৰাজীৰ্ণ অৱস্থা। তাৰ উপৰি ছাত্ৰীনিবাস

সমূহৰ সমস্যাও কম নহয়। সেইবোৰ সমস্যা সমাধানৰ বাবে মই নিজে গৈ অধ্যক্ষ মহোদয়ৰ লগত কথা পাতিছিলোঁ আৰু অধ্যক্ষ মহোদয়ে সেইবোৰ সমস্যা সমাধানৰ বাবে পদক্ষেপ ল'ব বুলি আশ্বাস দিছিল। আনহাতে সমাজ সেৱা বিভাগৰ দ্বাৰা কটন কলেজ একতা সভাৰ উদ্যোগত এটা বৃক্ষৰোপন কাৰ্যসূচীত আমাক সহায়ৰ হাত আগবঢ়াইছিল এপ'কছ আৰু ৰ'টাৰী ক্লাবে। গছপুলি কেইটা জীয়াই ৰাখিবলৈ মই নিজে উদ্যোগ লৈছিলোঁ।

মোৰ এই এবছৰীয়া কাৰ্য্যকালত বিভিন্ন প্ৰকাৰে সহায়ৰ হাত আগবঢ়োৱা অধ্যক্ষ মহোদয়, মোৰ তত্বাৱধাৰিকা জোনালী দেৱী বাইদেউ, বন্দনা বাইদেউ, তিলোত্তমা বাইদেউ, জয়শ্ৰী বাইদেউ, সমীৰণদাৰ লগতে কটন কলেজ একতা সভাৰ সমূহ সদস্য আৰু শহীদ মোজ্জামিল হক ছাত্ৰবাসৰ আবাসীৰ লগতে ছাত্ৰাবাসৰ অধীক্ষক মহোদয় অৰূপ হাজৰিকা ছাৰলৈও মই ধন্যবাদ জ্ঞাপন কৰাৰ লগে লগে মোক বিভিন্ন ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা মোৰ সমূহ বন্ধু-বান্ধৱীৰ লগতে শিক্ষাগুৰু সকললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মই আপোনালোকৰ ওচৰত এই কথাটো দ্বিধাহীনভাৱে স্বীকাৰ কৰি লওঁ যে এজন সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মই যিমানদূৰ সফল হ'ব লাগিছিল সিমানদূৰ সফল হ'ব নোৱাৰিলো। যদিও ইয়াৰ যথেষ্ট কাৰণ আছে তথাপিও মই কোনো অজুহাত দেখুৱাব বিচৰা নাই। মই মোৰ নিজৰ ব্যৰ্থতা স্বীকাৰ কৰি লৈছোঁ। কটন কলেজক অন্তৰেৰে ভাল পাওঁ বাবে মই কলেজখনৰ উন্নতিৰ বাবে চেষ্টা কৰিছিলোঁ তথা ভৱিষ্যতেও কলেজখনৰ উন্নতিৰ বাবে কাম কৰি যাম।

'জয়তু কটন কলেজ'

জয় আই অসম।

● পৰাগজ্যোতি কলিতা



# SECRETARIAL REPORT

**Secretary, Football**

It is in deed a rare honour to be a cottonian and more to be a part of the Union Society. It takes this opportunity to intend my heartiest gratitude to all my cottonian friends for their support and co-operation in helping me execute my responsibility as the Secretary of Football Section in the year 2005-2006.

Being the secretary, I will speak that the importance of this game is nill among the students in the present time. We once had Olimpian like T. Ao, but at present our efforts are nill. So through this report I request the College authority to help the students for re-gaining their interest in football.

There was single competition that too in college week. The teams participated were none other than all the seven boys' hostels of our college. And the champion of the tournament was A.R.B. Hostel and Runners up was S.R.B. Hostel. And Mr. Debajit Pegu was awarded as the Man of the tournament.

For all the management of the college week Football competition I will have to thank all the M.N.D. Pians specially Hemanta, Bhaskar, Rupak, Rajeev, Safiqul, Matiur, Pranjit, Hamid, Naveen, Bikram and all.

My sincere thanks goes to the Prof.-in-Charge Paban Shaharia Sir whose guidance made everything to happen smoothly.

Again thanking you all.

Jai-Ai-Axom.

Long live Cotton College Union Society.

● **Jyoti Prasad Das**

# COTTON N

80th Issue, 2005-06


# Contents


## Poetry — Page No.

Recollection - *Pranjal Pradip Barua* 1

Through the Open Window - *Sangita Baruah* 1

Beautiful Pain - *Navaneeta Bhuyan* 2

True Friend - *Ankita Sharma* 2

What the Clouds Speak - *Maithilee Bhuyan* 3

The Evening Raga - *Kankana Talukdar* 3

A Biography of Rebel - *Debanga Saurav Gogoi* 4

Touch of My Mother - *Purabi Das* 5

## Articles

Cotton College : A Vision - *Dr. Kamalesh Choudhury* 6

Defining Moment : Cotton College - *Dilip Gogoi* 10

One of the Greatest Actors... - *Sukanya Zahnobi* 14

Dr. Taha Husayn... - *Abu Bakkar Siddique* 17

The Advent of Novel.... - *Nandita Deka* 19

Bird Flue.... - *Muzibur Rahman Talukdar* 21

How to Develop.... - *Shyamaljit Kachari & Netra Gogoi* 25

Five Point Someone.... - *Subhrajit Roy* 28

An Epistle.... - *Keshab Anand Pegu* 30

## *Short Stories*

Merciless Destiny - *Sangeeta Saikia* 31

Vote of Confidence - *Priyadarshinee Nath* 33





**Editor :**

***Srishti Shreyam***

# recollection

Pranjal Pradip Baruah

Gone are those wonderful days,
Those wonderful moments have
flown away,
Those sweet moments,
Have left an indellible
impression in my mind;
My mind can never forget
those days,
Full of fun and frolic,
The moments passed,
Playing and roaming
about in the garden
Trying to catch the
colourful butterflies,
As they flitted away
from flower to flower!
No studies, no tension
A pure and humble life.
It's a good time.
To know and learn,
Learning playfully
About the beautiful nature.
Around us
And the beautiful things about.
O' those beautiful wonderful days,
Come back
Come back once again,
And let me rejoice once more
in the midst of those moments.

# through the open window

Sangita Baruah

Behold the moon shining solkily,
Through the open window,
Because she thought that the sun,
Had got no business to be there,
After the day had dawned.

Silent wind, blowing outside,
Enters through the window,
Touching my face and my heart breaks,
with sabsand tears, I sorted out
Those of the largest size,
Holding my hankerchief,
Before my streaming eyes.

O thou God! Why do you give me grief ?
Already my life is very hard and stiff.
There is both failure and success.
Cheating, treachery and stealing everywhere.
As I went on thinking more and more
I sometimes fear, I may get lost ---
In search of real peace.



POETRY



# beautiful pain

Navaneeta Bhuyan

If I were a wild bird,
I would enchant the world with my pain
O' I could sing and sing and sing.
And people would listen, mesmerize and say:
"How beautifully that bird sings!"

Were I a turbulent river,
I would float away in my own tears.
I would strike the rocks and numb my pain
And lovers would gaze and say:
"Let our love be thus, ever-flowing!"

# true friend

Ankita Sharma

Walking down memory lane,
I recalled my childhood days.
Those days full of joy, fun and mirth,
In the company of friends.
Uncountable friends, I had with whom
I spent moments of happiness.
We chatted and talked and laughed and played
Carefree was I, all those while
Everything around me seemed so
Bright and gay.
Deeper grew our friendship, day by day.
Years came by and years rolled away.
I met new people at various junctions.
But in the mind and heart,
There are but a few people,
Who created a lasting impression
And it is these people, whom I often think of
And they remain important to me,
As true friends..



# the Evening raga

Kankana Talukdar

The dark cover spoilt it all
The crimson hues the sky exhibited
And the mystique beauty the eyes beheld
It was the quiet hush
"Hush hush" the waters said
that adhered me the bank
But soon the aura was sombre
As night's elbows rested
On the calm waters.
Tranquility replaced by turbulence
But, I sat still
Still, I sat on the riverbank
For some unknown beauty,
the dismal dark possessed
For the thousand words, the river spoke
The fisherman headed homewords
His folk melancholy coming out in echoes
and the glimmer of the lamp
in his boat
And I returned – wiser or sadder?
Some meaning, the morbid heart diciphered





# What the clouds speak...

Maithilee Bhuyan

Light silvery flakes of clouds
From behind the crescent moon
On a December night
Try to speak to me
In a language – so esoteric, so mysterious
Yet so close to my heart
Staring at the moving masses
Of the light silvery flakes of clouds
I try to solve an unsolved puzzle
And understand
Their soft, hushed whispers
Drowned in the sounds
Of this noisy world
I feel as if in that esoteric language
They offer to lead me to clues
To solve that unsolved puzzle...

POETRY

# the biography of a rebel

Debanga Saurav Gogoi



Once he dreamt of freedom
Once he came out
Offering a humble salute to his hut
Where he had woven his colourful dreams.

No one with him
But a red flag as his companion
Which did not allow him to forget
The goal of his life.

He abandoned his beautiful days
For the one and only dream
Which he must meet in reality.
Oh! now that he has a sword too
With which he will demolish them
Who dares to diminish his dreams.

If needed, the sun of the east will rise in the west
But it must be lightened.
This was the hope of an unsurpassed lion
The earth quaked
When it roared.

But.... now he is confined
He is brought to death
He has slept forever
Though his dreams, his thoughts
Are still alive.
This is the end of a drama
Of an untired rebel.

But we can't forget you

O' rebel
Again we shall welcome you
When the battle of 'Saraighat'
Will be fought
Where the new 'Lachit' will defeat
The blood suckers and rewrite .
The country's lot
And then, you have to rebuild
The new dreams in the new days
Under the light of the new rising sun.

POETRY



# touch of my mother

Purabi Das

How can I forget, the first touch on my head.
When I first opened my eyes,
On this beautiful earth.
Yes, it was the sweet touch of my mother's hand.
How will I forget those eyes
Filled with tears of love
Yes, she is my loving mother.
One who bought me to this world.
Gave me the knowledge of love,
She is none but my mother.
I can never forget her love.
Bestowed on me, neither
Can I return the debt of her love.
Whenever I felt tired, the sweet touch.
Of my mother's hand.
Made me feel fresh.
When I was in distress,
My mother was always there
Beside me, to give her helping hand.
She never gave me the opportunity
To feel lonely, neither
Had any trouble to come to me let.
She stood like a shield
In front of me.
One who have shown me
The value of life, guided me
On my way.
Who had shown me the
right path of my life,
She is my respected mother.
Ma, You are my God, my will power
No one can ever take your place
I pray to you please always
Be there beside me, so that
I can touch every success
In my life.
How can I ever forget you
You are deep inside my heart.
You are my breadth and
Can anyone live without it
If I get the opportunity
I will always be ready.
to sacrifice my life on your
Ma, Please be with always with me feet.
I love you forever and ever.

## Poets at a Glance

**Pranjal Pradip Baruah,** T.D.C. 2nd Year (Sc.)
**Sangita Baruah,** M.Sc. 1st Sem. (Botany)
**Navaneeta Bhuyan**
**Ankita Sharma,** T.D.C. 1st Year (Education)
**Kankana Talukdar,** H.S. 1st Year (Arts)
**Maithilee Bhuyan,** H.S. 1st Year (Arts)
**Debanga Saurav Gogoi,** T.D.C. 1st Year (Maths)
**Purabi Das,** T.D.C. 3rd Year (Maths)

# COTTON COLLEGE - A VISION

Dr. Kamalesh Choudhury*




Cotton College started its epic journey on May 27, 1901 with five teachers and thirty seven students under the able leadership of Fredrick William Sudmersen, the first principal of the college. The journey started in the tall Anglo-Assam type building, which now houses the Department of Chemistry, where I spent almost forty years of my life, first as a student and then as a teacher. During the 105 years of its glorious existence, Cotton College produced a galaxy of luminaries that include educationists, bureaucrats, technocrats, litterateurs, scientists, singers and sportspersons of national and international repute. In the public life also the contribution of the college is immense. As many as six Chief Ministers including Bharat Ratna Late Gopinath Bordoloi are alumni of Cotton College. There are four general secretaries of Cotton College Union Society (CCUS) in the current Assam Ministry. All these achievements are due to the untiring and selfless efforts of the principals and the faculties of yesteryears, who laid a very strong foundation for the future development of Cotton College. The Cotton family needs their blessings to take Cotton College through the twenty first century with distinction.

All of us will agree with the fact that Cotton College has been a first class teaching institution from its inception. However with rapid modernization of education and introduction of professional and vocational courses during eighties and nineties of twentieth century, Cotton College started losing ground vis-à-vis other institutions of similar standing. We, the Cottonians, failed to visualize the impact of such changes on our society. We preferred to remain conventional in our approach, be it in adapting modern teachings and evaluation methods or in introducing professional courses. The result is obvious. Cotton College is unable to attract the best talents of the state excepting in the +2 level. Hundreds of students are leaving the state after +2 and degree for greener and brighter future. They are not coming back. The ultimate loser is the state of Asom. Whom should we blame for this sorry state of affairs? The State Govt. for their apathy, Gauhati University for lack of farsightedness and lethargy levels, Cotton College authority for lackadaisical attitude and our generation of teachers for being content with teaching conventional subjects in a conventional way- all must share the blame for failing the past and present generation of Cottonians. Although the State Govt. declared Cotton College as a Postgraduate College and a Centre of Excellence in the august presence of Dr. Sankar Dayal Sharma, the then Honourable President of India in 1992, no serious attempt was made by the Govt. to upgrade the college. How long should we carry on with the past glory of Cotton College?

Who but the Cottonians -past and present, should take the initiative to regain the past glory and place Cotton College in its rightful position. The process started in eighties through Cotton College Teachers' Association (CCTA), gained momentum in mid-nineties when the Cotton College authority submitted a proposal to UGC through the Government of Assam to grant Autonomous College status to the college.

Initially the State government took a few positive steps in the form of forming a Board of Governors, creating posts of Administrative Officer (AO) and Finance & Accounts Officer (FAO) to streamline the administration and helped in acquiring funds under Non-lapsable pool of resources for infrastructure development. But the positive start soon fizzled out. During the Centenary celebrations of the college, a Task Force was formed with ex vice-chancellors, bureaucrats and eminent educationists to suggest ways and means for the future development of Cotton College. They suggested the college be granted Autonomy by 2002 and Deemed to be University status by 2005 to facilitate the development of the educational scenario of the state in general and of Cotton College in particular. There was no response from the State Govt. or UGC.

